# ফলি-লোৰা বুৰঞ্জী

দিলীপ কুমাৰ দত্ত

STATE CENTRAL LIBRARY
Call No.
★ ASSAM ★

চিত্ৰলেখা
প্ৰকাশন

কলিকতা/গুৱাহাটী

# PHALI-LUWA BURANJI

A historical account of the social and academic conditions of Assam as seen through the lives, the struggles and the achievements of Baluram (1825-1902)—an ordinary labourer of Ahom kings, Dandiram Datta (1866-1912)—a tea-garden employee during British rule and Phanidhar Datta (1901-1963)—a poor farmer-boy who, first as the founder Registrar and later as its Vice Chancellor, set the University of Gauhati on a strong foundation.


AUTHOR :

Dilip Kumar Datta
Professor of Mathematics, University of
Rhode Island, Kingston, R.I. 02881, U.S.A.



Chitralekha Prakashan
Lila Barua path, Ambari
Guwahati, ( Assam ), India
February 1986.

Price Rs. 30·00

চিত্ৰলেখা প্ৰকাশন
লীলা বৰুৱা পথ, আমবাৰী, গুৱাহাটী-১

বেটুপাত আৰু অন্তৰ্ভাগৰ চিত্ৰ :
শ্যামকানু

মূল্য : ৩০·০০ মাত্ৰ

ছপাওঁতা :
শ্ৰীস্বপন কোলে
নিউ মুদ্ৰণী
৭১, কৈলাস বোস ষ্ট্ৰীট
কলিকতা-৬

# আগ কথা

আমাৰ পুৰণা বুৰঞ্জীবিলাকৰ আহিত লিখা এইখন ঐতিহাসিক কাহিনীৰ পুথি। কিন্তু এইয়া ৰজা-মহাৰজা, যুদ্ধ-বিগ্ৰহ বা কোনো ঐশ্বৰ্য্যপূৰ্ণ ৰাজ্যৰ কাহিনী নহয়। এই কাহিনী হৈছে আহোম ৰজাৰ এজন সাধাৰণ পাইক, তেওঁৰ সতি-সন্ততি আৰু তেওঁলোকে স্পৰ্শ কৰা অসমৰ শিক্ষা জগতৰ কাহিনী। ইয়াত তিনি পুৰুষ জোৰা অসমীয়া জাতীয় জীৱনৰ অন্তৰ প্ৰবাহও কিছু প্ৰকাশিবলৈ চেষ্টা কৰা হৈছে।

ইয়াত বৰ্ণনা কৰা যুগৰ আৰু ইয়াত বৰ্ণনা কৰা বিষয়-বস্তুৰ এখন সঁচা ছবি প্ৰদৰ্শাবৰ কাৰণে ইয়াত বহুলোকৰ কাৰ্যক তীব্ৰ সমালোচনা কৰা হৈছে বা কোনো কোনো লোকৰ বিষয়ে বিৰূপ মন্তব্য কৰিব লগীয়া হৈছে। সেইসকল লোকৰ বেছিভাগেই জীৱন নাট সামৰিলে বা সামৰিবলৈ ধৰিছে।—তেখেতসকলৰ বা তেখেতসকলৰ সতি-সন্ততিৰ প্ৰতি আমাৰ কোনো বিদ্বেষ ভাব নাই। নিজে সত্য বুলি ভালদৰে জনা বা তথ্যেৰে সমৰ্থন কৰিব পৰা কথাকহে আমি ইয়াত ঠাই দিছোঁ। অৱশ্যে, কেৱল সত্য কাৰণেই আমি সেইবিলাক ইয়াত উল্লেখ কৰা নাই— আমাৰ উদ্দেশ্য এয়েই যে উপৰি পুৰুষসকল আৰু বৰ্তমানৰ পুৰুষসকলৰ ভুল-ভ্ৰান্তিবোৰ কঢ়িয়াই যেন ভৱিষ্যতৰ নতুন পুৰুষে সকলো ক্ষেত্ৰতে সৎ আৰু সজ পথ বাচি ল'বলৈ সক্ষম হয়। তথাপি ইয়াত লিখা কিবা কথাৰ কাৰণে কোনোবা যদি কিবা কাৰণে অসন্তুষ্ট হয় তেনেহ'লে তেখেতসকলৰ মনত আঘাত দিয়াটো আমাৰ উদ্দেশ্য নহয় বুলি জানি আমাৰ ত্ৰুটি যেন মাৰ্জনা কৰে।

দিলীপ দত্ত

বৈজ্ঞানিক উইলিয়াম গ্ৰিফিথ

পাদুৰী শিক্ষাবিদ নেথ'ন ব্ৰাওন আৰু পত্নী এলাইজা ব্ৰাওন

থামতি গাভৰু জনি

শিক্ষক : জেহিৰুদ্দিন আহমদ ছাৰ

পাৰ্বতীৰ দেউতাক, কণ বামুণ ( এই দুগৰাকীৰ ভাল নাম উলিয়াব নোৱাৰিলোঁ। )

চাহ খেতিয়ক : গোলোক বেজবৰুৱা

উইলিয়ামছন চাহাব, চিলমন চাহাব, ওৱাৰ্ড চাহাব

অধ্যাপক : যজ্ঞেশ্বৰ শৰ্মা, দণ্ডেশ্বৰ গগৈ, তুলসীনাৰায়ণ শৰ্মা, গুণগোবিন্দ দত্ত, প্ৰফুল্লপ্ৰাণ চাংকাকতী

অধ্যক্ষ : হৰ্ষনাথ সেন, মুহিবুল্লা

পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ

বুৰঞ্জীবিদ সূৰ্য্যকুমাৰ ভূঞা

দাতা মুকলীধৰ বৰুৱা

শিক্ষাপ্ৰেমী কমল চন্দ্ৰ বৰুৱা

লোকপ্ৰিয় গোপীনাথ বৰদলৈ

অসমী আইৰ সুযোগ্য সন্তান শৰৎচন্দ্ৰ গোস্বামী আৰু তেখেতৰ পত্নী

যোৰহাটৰ স্মৰণীয় নাগৰিক : পুৰন্দৰ শৰ্মা, শশীচন্দ্ৰ বৰবৰুৱা, সুৰেন ভৰালী, ডাঃ মহেন্দ্ৰ শৰ্মা

আজো ককা বলোৰাম

ককা দণ্ডিৰাম দত্ত

মোৰ পৰম পূজনীয় পিতৃ ফণীধৰ দত্ত আৰু

তেখেতৰ অভিন্ন বন্ধু : সুৰেন বুঢ়াগোহাঁই, মাধৱ ভট্টাচাৰ্য্য, বিনন্দচন্দ্ৰ বৰুৱা আদি

**যিসকল কৰ্মী পুৰুষৰ মহান চৰিত্ৰ আৰু আদৰ্শৰ একোটা দিশ এই পুথিৰ বিষয়-বস্তু সেই সকললৈ এইখন**

**এক নিঃকিনৰ ভক্তি-অৰ্ঘ্য**

## সূচীপত্ৰ

### প্ৰথম ভাগ : ইন্দ্ৰধনু


| | | |
|---|---|---|
| এক : | চিত্ৰৰ পুতলী যেন-হেন ৰাজা কৈলা কেন | 5 |
| দুই : | গিবফিল্ড চাহাব | 11 |
| তিনি : | ৰবাওন চাহাব | 15 |
| চাৰি : | বঙা আৰু চুপহি | 18 |
| পাঁচ : | খামতি গাভৰু জনি | 22 |
| ছয় : | কোনে আঁকি দিলে ইন্দ্ৰধনু | 27 |
| সাত : | চকপ আশ্ৰই | 33 |
| আঠ : | পাৰ্বতী | 38 |
| ন : | স্বৰূপ আশ্ৰয় | 42 |


### দ্বিতীয় ভাগ : এটি কলি দুটি পাত


| | | |
|---|---|---|
| দহ : | যাঁহৰ মৃত্যু-হাঁপা-শক-শ্বাধ | 55 |
| এঘাৰ : | বলোৰামৰ আক্ষেপ | 59 |
| বাৰ : | তোৰ পিঠি মোৰ হাত যি কৰে জগন্নাথ | 62 |
| তেৰ : | ধনে ঐ নহ'লে | 65 |
| চৈধ্য : | চাহ-বাগিচাৰ বহুৱা শিয়ৰাও | 68 |
| পোন্ধৰ : | দণ্ডি বাবু | 72 |
| ষোল্ল : | কুলক্ষণীয়া ভই—তোক কোনে পঢ়াব | 73 |


### তৃতীয় ভাগ : ছৈ দিয়া গৰুৰ গাড়ীত কাৰ বিয়া যায়


| | | |
|---|---|---|
| সোতৰ : | অসমত কলেজ পতাৰ বিপক্ষে অসমীয়া | 83 |
| ওঠৰ : | ছোৱালী দিব কোনে | 87 |
| ঊনৈছ : | বন্ধুৰৰ চিন | 92 |
| বিছ : | দবাটো জপৰা—ক' মনে তৰা | 95 |
| একৈছ : | তৃতীয় পক্ষ | 98 |
| বাইছ : | আন এযোৰ জোতা | 102 |

## চতুৰ্থ ভাগ : যোৰহাট কলেজ


| | | | |
|---|---|---|---|
| তেইছ : | যোৰহাট কলেজৰ জন্ম | ... | 111 |
| চৌবিছ : | প্ৰতিষ্ঠাপক অধ্যাপকসকলৰ স্বাৰ্থত্যাগ | ... | 113 |
| পঁচিছ : | অম্লান বদনে গ্ৰহণ কৰা সেৱা | ... | 116 |
| ছাবিছ : | যুদ্ধৰ দিনত কটন কলেজ | ... | 121 |
| সাতাইছ : | কটন কলেজক জীয়াই ৰাখিবলৈ শ্ৰম | ... | 124 |


## পঞ্চম ভাগ : গুৱাহাটী বিশ্ববিদ্যালয়


| | | | |
|---|---|---|---|
| আঠাইছ : | গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস | ... | 131 |
| ঊনত্ৰিছ : | বৰদলৈ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্বতন্ত্ৰতা | ... | 139 |
| ত্ৰিছ : | গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুনিয়াদ | ... | 142 |
| একত্ৰিছ : | বৰদলৈয়ে জীৱন নাট সামৰাৰ পিছত | ... | 155 |
| বত্ৰিছ : | জাতীয় চৰিত্ৰ অধঃপতনৰ যুগ | ... | 159 |
| তেত্ৰিছ : | বিদ্যালয় নহয় বিদ্যালয় | ... | 163 |


## ষষ্ঠ ভাগ : গুৱাহাটী বিশ্ববিদ্যালয় দুৰ্যোগ ( ১৯৫৯—৬৩ )


| | | | |
|---|---|---|---|
| চৌত্ৰিছ : | শিক্ষামন্ত্ৰী দেৱেশ্বৰ শৰ্মা পৰ্ব | ... | 175 |
| পঁয়ত্ৰিছ : | শিক্ষামন্ত্ৰী দেৱকান্ত বৰুৱা পৰ্ব | ... | 181 |
| ছয়ত্ৰিছ : | দীপ নিৰ্বাণ | ... | 197 |
| সাতত্ৰিছ : | স্বাৰ্থৰ বিচিত্ৰ মিলন | ... | 202 |
| আঠত্ৰিছ : | বিশ্ববিদ্যালয় ক'ৰ্টৰ সঙ্গতিবিহীন আচৰণ | ... | 206 |
| ঊনচল্লিছ : | তদন্ত আয়োগৰ প্ৰতিবেদন | ... | 213 |


## সপ্তমভাগ : দৃষ্টিপাত


| | | | |
|---|---|---|---|
| চল্লিছ : | ক্ৰীড়া-যোগ | ... | 221 |
| একচল্লিছ : | শ্ৰমৰ শলাগ | ... | 226 |
| বিয়াল্লিছ : | সন্দিকৈ-দত্ত সংবাদ | ... | 229 |
| তিয়াল্লিছ : | আৰ্য্য-সংস্কৃতি আৰু দুষ্কৃতি | ... | 239 |
| চৌৱাল্লিছ : | ছাদুল্লা আৰু জেহিৰুদ্দিন আহম্মদ ছাব | ... | 244 |
| পঞ্চল্লিছ : | ছুখীয়াৰ প্ৰতি ব্যৱহাৰ | ... | 250 |
| | আলোক চিত্ৰ | ... | 256 |

প্রথম ভাগ

# ইন্দ্রধনু



# এক

## চিত্রৰ পুতলী যেন—হেন ৰাজা ভৈলা কেন

বলোৰামৰ জন্ম হৈছিল যোৰহাটত বৃটিছৰ আমোলত ইয়াণ্ডাবু সন্ধিৰ বছৰ-চেৰেক পিছতেই। তেওঁৰ দেউতাক স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহৰ দিনৰ এগোট পাইকৰ মূল আছিল। এইটো উল্লেখযোগ্য যে সেইকালত (অসমৰ সাধাৰণ প্ৰজাৰ বেছিভাগেই পাইক আছিল। এই পাইকসকলে ৰজাৰ ঘৰত বা ৰজাৰ নিৰ্দেশমতে কোনো বিষয়াৰ ঘৰত খাটি দিব লাগিছিল। আহোমৰ বিষয়াসকলক কোনো ধন দিয়া নহৈছিল, তেওঁলোকক বিষয় অনুসৰি পাইক দিয়া হৈছিল। পাইকসকলকও দৰমহা দিয়া নহৈছিল কিন্তু তেওঁলোকক খেতি-বাতি কৰি খাবলৈ দুই পুৰামানকৈ মাটি দিয়া হৈছিল। এই পাইকসকলক তিনিজনীয়া একোটা গোটত ভাগ কৰোৱা হৈছিল। 'গোট'ৰ প্ৰথমজনক 'মূল', দ্বিতীয়জনক 'দোৱাল' আৰু তৃতীয়-জনক 'তেয়াল' বুলিছিল। এজন পাইকে ৰজাৰ ঘৰত বা ৰজাৰ নিৰ্দেশত বছৰি চাৰি মাহ খাটি দিব লাগিছিল। এজনে ৰজা'ৰ কামত লাগি থাকোঁতে বাকী কেইজনে সেইজনৰ খেতি-বাতি চাইছিল।)

বলোৰামৰ দেউতাকৰ লগৰ আন দুজন পাইকও তেওঁৰে ভায়েক আছিল। এওঁলোক তিনিও অসমৰ বেলিমাৰ যুগৰ অৰ্থাৎ মানৰ দিনৰ বিশেষ ভুক্তভোগী আছিল। বলোৰামৰ দেউতাকে চন্দ্ৰকান্ত সিংহক খুব ভাল পাইছিল। ১৮১০ খৃষ্টাব্দত চন্দ্ৰকান্ত সিংহ ৰাজপাটত বহিবৰ সময়ত চন্দ্ৰকান্তৰ বয়স আছিল মাত্ৰ দহ বছৰ। বলোৰামৰ দেউতাকে সেই দহবছৰীয়া শিশু ৰজা'ৰ মৰম লগা মুখখন সুঁৰিছিল। আনকি ৰাজমাৱে যোৰহাটত ৰজাৰ নতুন ৰাহৰৰ চাৰিওপিনে গড় মাৰি পুখুৰী খন্দাওঁতেও বলোৰামৰ দেউতাকে দেহে-কেহে মাটি দিছিল। [ যোৰহাটৰ প্ৰায় সোঁ মাজত থকা পুখুৰীটোৰ নাম ৰাজমাৱে 'বিষ্ণুসাগৰ' দিছিল যদিও পিছলৈ ইয়াক সকলোৱে 'ৰাজমাও পুখুৰী'হে বুলিবলৈ ল'লে ]। চন্দ্ৰকান্ত আৰু ৰাজমাওৰ বিষ্ণু-ভক্তিকো বলোৰামৰ দেউতাকে সুঁৰিছিল।

বদন বৰফুকনক হত্যা কৰাৰ পিছত পূৰ্ণানন্দ বুঢ়া গোঁহাইৰ পুত্ৰসকলে গুৱাহাটীৰ পৰা সসৈন্যে আহি যোৰহাট অধিকাৰ কৰিলত চন্দ্ৰকান্ত সিংহ ৰংপুৰলৈ পলাই গ'ল, কিন্তু দকগোঁহায়ে ( পূৰ্ণানন্দৰ এজন পুতেক ) তেওঁক তাতে আক্ৰমণ কৰি তেওঁৰ গাৰ পৰিধান বস্ত্ৰৰ বাহিৰে সকলো অলঙ্কাৰ-পাতি কাঢ়ি লৈ চন্দ্ৰকান্তক

আনি প্ৰথমে যোৰহাটত থ'লে আৰু পুৰন্দৰ সিংহক ৰজা কৰিলে। তাৰ পিছতও ভৱিষ্যতে যাতে চন্দ্ৰকান্তই সিংহাসনত বহিবলৈ চেষ্টা নকৰে তাৰ ব্যৱস্থা কৰিবৰ কাৰণে পিঠিয়াল বৰা নামে এজনক চন্দ্ৰকান্তৰ অঙ্গক্ষত কৰিবলৈ পঠিয়ালে। চন্দ্ৰকান্ত সিংহই হাতত তৰোৱাল লৈ পিঠিয়ালক বাধা দিয়াত পিঠিয়াল বৰাই বুজালে যে তেওঁ তেনেদৰে বাধা নিদি কিবা এটা অঙ্গ এৰি দিলে দুয়োৰে প্ৰাণ বাচিব, তাকে শুনি ৰাজমাৱে চন্দ্ৰকান্ত সিংহক আঁকোৱালি ধৰি "প্ৰাণ ৰাখা বাপ দিয়া কৰ্ণ এৰি" বুলি পুতেকক খাটিলে। চন্দ্ৰকান্তইও তাকে কৰিলে। নৃপতিৰ ৰক্তবিন্দু যোৰহাটত পৰিলত বলোৰামৰ দেউতাক আৰু আন প্ৰজাগণে কন্দাকতা কৰিবলৈ ধৰিলে, 'ৰাজ্যত নিশ্চয় বৰ অমঙ্গল ঘটিবৰ হৈছে—যি ৰাজ্যত ৰজাৰ তেজ পৰে সেই ৰাজ্যৰ প্ৰজা অচিৰে ধ্বংস পায়' বুলি। যোৰহটীয়া ৰাইজৰ বিননি তাতেই শেষ নহ'ল। তেওঁলোকে তাৰ পিছতও নিজ চকুৰে দেখিবলৈ পালে আন এক হৃদয় বিদাৰক দৃশ্য।

চন্দ্ৰকান্ত সিংহ আৰু তেওঁৰ পৰিয়ালবৰ্গক যোৰহাট নগৰৰ বাহিৰ কৰি দিবলৈ আজ্ঞা দিয়া হ'ল। চন্দ্ৰকান্ত সিংহ, তেওঁৰ পত্নীগণ, দুগৰাকী বায়েক আৰু ৰাজমাওক খোজ কৰাই ছেউনী অলিয়েদি কেন্দুগুৰিৰ পিনে নিয়া হ'ল। এই বাতৰি শুনি যোৰহটীয়া নৰনাৰীয়ে তেওঁলোকৰ ৰজাৰ যোৱা বাটলৈ হিয়া ভুকুৱাই চাপলি মেলিলে। বহুতেই ৰাজ পৰিয়ালৰ সেই দুৰ্দশা দেখি হিয়া ভুকুৱাই কান্দিলে। "চিত্ৰৰ পুতলী যেন—হেন ৰাজা ভৈলা কেন" বুলি তেওঁলোকে সেই ৰাজ-পৰিয়ালক বেঢ়ি বেঢ়ি কান্দি কান্দি লগে লগে যাবলৈ ধৰিলে। কোনোৱে বাধা দি ক'লে, 'বেছিকৈ নেকান্দিবি, কেনেবাকৈ টেকেলাই ধৰি নিব"। তথাপি বলোৰামৰ দেউতাক আৰু আন যোৰহটীয়া ৰাইজে কান্দিলে। যোৰহটীয়া ৰাইজৰ ৰজা আছিল চন্দ্ৰকান্ত সিংহ। পুৰন্দৰ সিংহক তেওঁলোকে ৰজা বুলি মানিবলৈ টান পাইছিল। কেন্দুগুৰি পোৱাৰ পিছত চন্দ্ৰকান্ত সিংহ আৰু তেওঁৰ পৰিয়ালবৰ্গ ভাগৰি জুগৰি বহি পৰিল; আকৌ গেজাৰ হেজাৰ প্ৰজাই তেওঁলোকক বেঢ়ি ধৰিলে। টেকেলাইতে বেত লৈ লৈ ৰাইজক আঁতৰিবলৈ নিৰ্দেশ দিলে কিন্তু কেৱল কৃষ্ণৰ নাম লৈ লৈ ধীৰ সুস্থিৰে থকা চন্দ্ৰকান্ত সিংহই বাধা দি ক'লে, "চাওক দে মোক, আৰুনো কেতিয়াকে দেখিব।" চন্দ্ৰকান্ত সিংহক তাৰ পৰা নি ভৰাভলী হাটত থলেগৈ। বলোৰামৰ দেউতাক তাতও কিছুদিন থাকিল ৰাজ পৰিয়ালৰ আল পৈছান ধৰি। তেওঁ কৈছিল, 'ৰজা, মহাৰজা ডাঙৰ-ডাঙৰীয়াই নিজৰ স্বাৰ্থৰ কাৰণে দয়া মমতাহীন কাৰ্য্য কৰে আৰু সেইবিলাক দেখি মনত কষ্ট পায়

সাধাৰণ প্ৰজাই।" তেওঁ ভা-ভাঙৰীয়াৰ তেনে দয়া মমতাহীন কাৰ্য্য আৰু বহু দেখিব লগীয়া হ'ল আৰু তাৰ কাৰণে বাৰে বাৰে মনত কষ্ট পালে। এই সকলো দুখ দৈন্যত তেওঁ কৃষ্ণৰ চৰণকে আৰাধিলে ঠিক ৰাজমাওৰ উপদেশত চন্দ্ৰকান্তই কৃষ্ণৰ চৰণক চিন্তা কৰাৰ দৰেই। ভৰাস্তলীতে এদিন ৰাজমাৱে গৈ চন্দ্ৰকান্তক উপদেশ দিলে—

"আমাৰ বচন আৱে শুনা বপাইদেৱ।
কৃষ্ণ বিনে আমাক তাৰন্তা নাহি কেৱ॥
পূৰ্ব্বত গজেন্দ্ৰে মাধৱক আৰাধিলা।
গ্ৰাহৰ মুখৰ হস্তে তাক নিস্তাৰিলা॥
অত্যাপিও কৃষ্ণৰ চৰণে কৰা সাৰ।
তেহেস্তে কৰিব পাৰে আপদ নিস্তাৰ॥
জননীৰ বাক্যে ৰাজা থিৰ কৰি মন।
দৃঢ় কৰি চিন্তিলন্ত কৃষ্ণৰ চৰণ॥"

[ অসমৰ পদ্য বুৰঞ্জী, পৃঃ ২৪৫-৪৬ ]

চন্দ্ৰকান্তৰ বিলৈ মান ৰজাৰ কাণতও পৰিল। সম্বন্ধত মান ৰজা চন্দ্ৰকান্তৰ ভনী জোঁৱাই। ভামো মেপায়া নামে খ্যাত আহোম ৰাজকুঁৱৰী মান ৰজাৰ প্ৰিয়তমা পত্নী আছিল। চন্দ্ৰকান্তৰ দুৰ্গতিৰ কথা শুনি ভামো আইদেৱে হেনো অতিকৈ দুখ কৰিলে আৰু প্ৰিয়তমা ভাৰ্যাক তেনে শোকাকুল দেখি বুঢ়া মান ৰজাৰ এনে ইচ্ছা হ'ল যেন নিজেই গৈ শত্ৰুক খেদি চন্দ্ৰকান্তক সিংহাসনত বহুৱাব। যাহওক তেওঁ পঠিওৱা মান সেনাই আহি পুনৰ চন্দ্ৰকান্তক ৰাজসিংহাসনত বহুৱালে। পুৰন্দৰ সিংহ আৰু পূৰ্ণানন্দ বুঢ়াগোঁহাইৰ পুত্ৰসকলে যোৰহাট এৰি মান-সাগৰত প্ৰজাগণক পেলাই ভটিয়াই পলাই গ'ল। যোৰহাটৰ প্ৰজা ছেদেলি-ভেদেলি হ'ল। বুঢ়াগোঁহাইৰ পক্ষৰ বুলি সন্দেহ কৰা লোকক মানে নানান ধৰণেৰে অত্যাচাৰ কৰিবলৈ ধৰিলে।

বলোৰামৰ দেউতাকৰ 'গোট'টো পুৰন্দৰ সিংহৰ দিনত বুঢ়াগোঁহাইৰ লগত দিছিল। তেওঁলোক আটাইকে মানে বন্দী কৰি থৈছিল, মাত্ৰ এজনহে বুঢ়াগোঁহায়ে লগত লৈ গৈছিল। যা হওক, নামৰূপীয়া বৰুৱা আৰু মমাই বৰুৱাৰ চেষ্টাত তেওঁলোক আৰু অন্যান্য অসমীয়া বন্দীক মানে এৰি দিলে [ মমাই বৰুৱাক পূৰ্ণানন্দ বুঢ়াগোঁহায়ে চিংফৌৱে ধৰি নিয়া অসমীয়া প্ৰজাক উদ্ধাৰ কৰিবৰ কাৰণে পঠিয়াইছিল। মমায়ে চিংফৌক বলে নোৱাৰি মানৰ সহায়ত সেই কাৰ্য সমাধা

কাঁৰিৰ মনেৰে মানৰজাৰ কাষ চাপিছিল। মান ৰজাই তেওঁৰ গুণৰত সন্তুষ্ট হৈ নিজ সৈন্যৰ ওপৰত সেনাপতি পাতি মগলৰ দেশৰ (আৰাকান বা মগাওং) ৰজা পাতিছিল আৰু চন্দ্ৰকান্ত সিংহক অসমৰ ৰাজপাটত বহুৱাবলৈ পঠিওৱা মান সেনাৰ লগত মমাই বৰুৱাকও এজন সেনাপতি ৰূপে পঠিয়াইছিল।]
চন্দ্ৰকান্ত সিংহই আকৌ দেশত থানথিত লগাবলৈ চেষ্টা কৰিলে, কিন্তু আনপিনে পুৰন্দৰ সিংহ আৰু পূৰ্ণানন্দ বুঢ়াগোঁহাইৰ পুত্ৰসকলে চন্দ্ৰকান্তৰ পৰা ৰাজপাট কাঢ়িবৰ কৰেণে যো-জা কৰিলে। সেইকাৰ্যত বাধা দিবৰ কাৰণে চন্দ্ৰকান্ত সিংহই মমাই বৰুৱাক পঠালে কিছু মান আৰু অসমীয়া সেনাৰ স'তে।

সেইবাৰ বলোৰামৰ দেউতাকও গ'ল চন্দ্ৰকান্ত সিংহৰ হৈ ৰাজদ্ৰোহী ৰুচিনাথ বুঢ়াগোঁহাই আৰু পুৰন্দৰ সিংহৰ বিপক্ষে যুঁজিবলৈ। থাগৰিজানত যুদ্ধ হ'ল। ৰণক্ষেত্ৰত তেওঁ লগ পালে বিপৰীত পক্ষৰ হৈ যুঁজিবলৈ অহা তেওঁৰ এজন মৰমৰ ভায়েকক। দুয়ো ৰণক্ষেত্ৰৰ পৰা একাষৰ হৈ কান্দিবলৈ ধৰিলে আৰু যুদ্ধ নকৰি যিটো দলেই জিকে সেই দললৈ যাবলৈ ঠিক কৰিলে। থাগৰিজানৰ যুদ্ধ নামে জনাজাত সেই যুদ্ধত চন্দ্ৰকান্তৰ দলেই জয়ী হ'ল। দুই ককাই ভাইক মান সেনাই কাটিবলৈ ওলাইছিল। ভাগ্যৰ বলত দুয়ো ৰক্ষাপি পাৰিলে। কিন্তু যোৰহাটলৈ উভতি অহা পথত দুই ককাই ভাইয়ে দেখিলে—

বতাহ ধৰঘূৰ্ণ নোহোৱাকৈ বৰ বৰ গছ উভালি পৰা,
ভূপৰীয়াৰ সূৰ্যৰ পিনে মুখ কৰি শিয়ালে হোৱা দিয়া,
দেবীৰ প্ৰতিমা ঘামি জামি জুকলা জুপুৰা হোৱা,
ঘনে ঘনে ভূমিকম্পই ধৰণী কঁপোৱা আদি।

তেওঁলোকৰ প্ৰাণ কঁপি উঠিল। এই অমঙ্গলীয়া দৃশ্যবোৰে যে দেশত বিশেষ অপায় অমঙ্গল হোৱাৰ আগজাননী দিছিল তাক তেওঁলোকে বুজিব পাৰিলে।

সেই অপায় অমঙ্গলৰ কাৰণে তেওঁলোকে বেছিদিন ৰ'ব লগীয়া নহ'ল। ১৮১৯ চনত মানৰজা বদোপায়াৰ মৃত্যু হোৱাত অসম জয়ৰী ভামো আইদেউৰ প্ৰভাৱ একপ্ৰকাৰ নাইকিয়া হ'ল। মানৰ নতুন ৰজাই দিগ্বিজয়ৰ সপোন দেখিলে। আনহাতে চন্দ্ৰকান্ত সিংহইও মানৰ প্ৰভুত্ব দলিয়াই পেলাবৰ কাৰণে মানে যাতে সহজেই অসমলৈ আহিব নোৱাৰে তাৰ কাৰণে পথত আগভেটা দিবলৈ পতাল বৰবৰুৱাক দায়িত্ব দিলে। পতাল বৰবৰুৱাই বৰ্তমানৰ জয়পুৰ নগৰতে নগৰ পাতি গড় বান্ধিলে (জয়পুৰ নামটোও পতাল বৰবৰুৱাই দিয়া নাম—আগেয়ে এই ঠাইৰ নাম ৰাঙলী ঘাট আছিল আৰু অসমলৈ মান অহাৰ এইটোৱেই পথ

আছিল ) পতাল ববৰুৱা আগেয়ে মান দেশত আছিল। সম্ভৱ তেওঁও মমাই বৰুৱাৰ লগতে তালৈ গৈছিল, মমাই বৰুৱাৰ দৰে তেওঁও মানৰ লগতে অসমলৈ আহিছিল আৰু মানসকলৰ অনুমোদনতে চন্দ্ৰকান্তই তেওঁক ৰবৰুৱা পাতিছিল। অকল সেয়ে নহয়—চন্দ্ৰকান্ত সিংহৰ এগৰাকী বায়েক পূৰ্ণানন্দ গোঁহাইৰ বোৱাৰীয়েক আছিল (মৰঙীখোৱাৰ ঘৈণীয়েক) এওঁ স্বভাৱতে হেনো অলপ সন্দুৰী ধৰণৰ আছিল আৰু চন্দ্ৰকান্ত ও বুঢ়াগোঁহাই পৰিয়ালৰ কাজিয়াও এওঁয়েই বেছি কৰিছিল। যাহওক, এওঁ মৰঙীখোৱাক এৰি পতাল ৰবৰুৱাৰ পত্নী হ'ল আৰু তেওঁৰ লগতে জয়পুৰলৈ গ'ল। সেই নতুন নগৰলৈ বলোৰামৰ এজন খুড়াকও যাব লগা হ'ল।

মান সেনাই চন্দ্ৰকান্তলৈ মান ৰজাৰ উপহাৰ আদি লৈ মিত্ৰ ভাবে আহিছোঁ বুলি চক্ৰান্ত কৰি পতাল ৰবৰুৱাক হত্যা কৰিলে। তাকে দেখি অসমীয়া সৈন্যই যেয়ে যেনেকৈ পাৰে পলালে—আনকি তেওঁলোকে পতাল ৰবৰুৱাৰ পত্নী আৰু স্বৰ্গদেউৰ নিজা বায়েকবো কথা নেভাবিলে আৰু তেওঁক তাতে অকলশৰীয়াকৈ এৰি থৈ আহিল। এই নাৰী গৰাকীৰ ওপৰত মান সেনাই অমানুষিক অত্যাচাৰ চলালে। সেইবিলাক দেখি পলাই অহা বলোৰামৰ খুড়াকৰ দৰে পাইকসকলে ৰজাৰ আগত সকলো বিৱৰি ক'লে। নিজৰ ৰবৰুৱা আৰু বায়েকৰ প্ৰতি কৰা ব্যৱহাৰৰ পৰা চন্দ্ৰকান্ত সিংহই মানৰ অভিপ্ৰায় বুজি পালে আৰু নিজৰ পাত্ৰ মন্ত্ৰীৰ হাতত মানৰ লগত যুদ্ধ কৰাৰ দায়িত্ব দি নিজে বৃটিছৰ সহায় বিচাৰি বঙ্গদেশ পালেগৈ। ইফালে মান সেনাই গোটেই অসম অধিকাৰ কৰি ইমূৰৰ পৰা সিমূৰলৈ দেশ ছাৰখাৰ কৰাত লাগি গ'ল।

বৃটিছে মানক খেদি পঠিওৱাৰ পিছত বলোৰামৰ দেউতাকে গায়ন গাঁৱলৈকে আগৰ ৰজাই দিয়া মাটি কেইপুৰাতে খেতি বাতি কৰি খাই থাকিম বুলি উভতি আহিল। গাঁৱৰ আধাআধি মানুহ উছন গ'ল। যি সকল আছিল তেওঁলোকও মানসিক হেঁচা আৰু শাৰীৰিক জীয়াতু ভুগি আধা মৰা হোৱাৰ লেখিয়া। তেওঁলোকে নিজৰ নিজৰ দুখ দুৰ্দ্দশাৰ কাহিনী বিলাক ইজনে সিজনক কৈ কৈ ওৰ পেলাব নোৱৰা হ'ল। কোনোমতে দুমুঠি খাই বৈ জীয়াই থকাটোৱেই আছিল তেওঁলোকৰ একমাত্ৰ জীৱন তৃষ্ণা। দেশ, ডাঙৰীয়া, গুৰু-গোঁসাই কাৰোৱেই ওপৰত তেওঁলোকৰ বিশ্বাস নাইকিয়া হ'ল। খেতি-বাতি বা কাম কাজ কৰিবলৈ কাৰও অকণো ইচ্ছা নোহোৱা হ'ল। তেওঁলোকৰ এনে জুকলা জুপুৰা অৱস্থাতে অসমত সোমাল কানি বৰ বিহ। সেই যুগৰ সেই নিঃসহায় গৰ বহু স্বাৰ্থপ্ৰয়াসী

অসমীয়া লোকেই কানিক খাকোৱালি ল'লে। গাঁৱন গাঁৱতও কানীয়াৰ সংখ্যা বাঢ়িল। তাৰ ফল স্বৰূপে উঠি অহা ল'ৰা-ছোৱালীবিলাকৰ ভৱিষ্যত আৰু বেছিহে বিপন্ন হ'ল।

( অন্ধকাৰ, আলস্য আৰু অনিশ্চয়তাৰ চৰম দুখত যদি কেতিয়াবা ল'ৰা-ছোৱালী ডাঙৰ হ'ব লগীয়া হৈছিল তেতিয়া হ'লে উনৈছ শতিকাৰ দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ দশকত জনম লোৱা অসমীয়া সকলেই। মানে সৰ্বস্বান্ত কৰা সেই সময়ৰ অসমীয়া সমাজ আছিল সম্পূৰ্ণ সংস্কৃতিবিহীন, সম্পূৰ্ণ দিকবিহীন আৰু সম্পূৰ্ণ প্ৰেৰণাবিহীন। দেশলৈ শান্তি আহিল। সেই পবিত্ৰ শান্তিয়েও অসমীয়াক প্ৰেৰণা দিবলৈ অসমৰ্থ হ'ল। বলোৱামইঁত আহোম দিনীয়া পাইক প্ৰথাৰ পৰা মুক্ত হ'ল হয় কিন্তু দেশৰ নতুন শাসন ব্যৱস্থাই বলোৱামইঁতৰ দৰে যুৱক বা কিশোৰক জীৱনৰ নতুন দিক প্ৰদৰ্শন কৰাব নোৱাৰিলে। ছশ বছৰীয়া আহোম ৰাজত্বত আৰু শঙ্কৰী ধৰ্মৰ প্ৰভাৱত যি অসমীয়া সংস্কৃতি গঢ়ি উঠিছিল সি এক প্ৰকাৰ চূৰ্ণ-বিচূৰ্ণ হ'ল। থাই বৈ থকাৰ বাহিৰে বলোৱামইঁতে কৰিব লগীয়া একো নাছিল।

# দুই

## গিৰফিত চাহাব

ইয়াণ্ডাবু সন্ধিৰ পিছত পুৰন্দৰ বৃটিছৰ কৰতলীয়া ভাবে ওপৰ অসমৰ ৰজা হ'ল। বেপাৰ বাণিজ্য প্ৰধান নামনি অসম বৃটিছে নিজৰ শাসনত ৰখাই পুৰন্দৰে তেওঁ দিব লগীয়া বছৰি কৰ ৫০,০০০ টকা ওপৰ অসমৰ দুখীয়া গাঁৱলীয়া ৰাইজৰ পৰা তুলিব লগীয়া হ'ল। কৰৰ কাৰণে পুৰন্দৰে খেতিয়ক ৰাইজক নানা প্ৰকাৰে উৎপীড়ন কৰিবলৈ ধৰিলে। লগতে আগৰ পাইক প্ৰথাও চলি থাকিল। গতিকে ওপৰ অসমৰ সাধাৰণ প্ৰজাই ৰজাৰ কাৰণে পাইক ৰূপে খটাৰ উপৰিও কৰ দিব লগীয়া হ'ল। সেয়েহে সাধাৰণ ৰাইজৰ দুখ দুৰ্গতিৰ সীমা নাইকিয়া হ'ল। /

পুৰন্দৰ সিংহই যোৰহাটতে ৰাজধানী ৰাখিলে। ১৮৩৬ চনত বলোৰামৰ বয়স বাৰ বছৰমান হওঁতে তেওঁক দেউতাকে ৰজাৰ ঘৰত খাটিবলৈ লৈ আহিল। তেনেকুৱাতে দৰং জিলাৰ শাসনৰ দায়িত্বত থকা কেপ্টেইন মেথীৰ পৰা খবৰ আহিল যে বিশেষ কামত কেইজনমান চাহাব শদিয়া অভিমুখে যাত্ৰা কৰিছে। পুৰন্দৰ সিংহলৈ নিৰ্দেশ আহিল তেওঁ যেন দলটোক ব্ৰহ্মপুত্ৰৰ ঘাটত লগ ধৰি খোৱা বস্তু, প্ৰয়োজনীয় সামগ্ৰী আৰু লগুৱা-লিকচৌৰ যোগান ধৰে। উইলিয়াম গ্ৰিফিথ নামে এজন বৈজ্ঞানিকক ধৰি কেবাজনও বিশিষ্ট লোকৰ সেই ইংৰাজৰ দলটোক চাউল, দাইল, কুকুৰা আদিৰে সৈতে যোৰহাটৰ ওচৰৰ ব্ৰহ্মপুত্ৰৰ বালিত লগ ধৰিবৰ কাৰণে আনৰ লগত বলোৰামকও পুৰন্দৰ সিংহই পঠিয়াই দিলে। উইলিয়াম গ্ৰিফিথক (বলোৰামৰ মুখত গিৰফিত চাহাব) অসমৰ হাবিত থকা চাহ গছৰ অনুসন্ধান কৰিবলৈ পঠিওৱা হৈছিল। গিৰফিত চাহাবে তেওঁৰ আল-পৈছান ধৰিবলৈ বলোৰামকত লগত ল'লে।

গিৰফিত চাহাবৰ দৰে এজন অতি তীক্ষ্ণ বুদ্ধিৰ জ্ঞান পিপাসু বৈজ্ঞানিকে অসমৰ হাবি বনত গৱেষণা চলোৱা দেখিবলৈ পোৱাটো বলোৰামৰ কাৰণে বিশেষ ভাগ্যৰ কথা আছিল। গিৰফিত চাহাবে বিশেষ আগ্ৰহ আৰু মনোযোগেৰে অসমৰ বন-বননি, মাছ কাছ আৰু কীট-পতঙ্গ বিলাক পৰীক্ষা কৰিছিল। প্ৰত্যেক গছ-পাত ফল ফুল আৰু প্ৰত্যেক জক লতাই গিৰফিত চাহাবৰ মন পুলকিত

কৰিছিল। তেওঁ অতি সাৱধানেৰে সেইবিলাক সংগ্ৰহ কৰি নানা ধৰণেৰে ৰাখিছিল, ওজন কৰিছিল, সিইতৰ ধুনীয়া ধুনীয়া নক্সা আঁকিছিল আৰু স্থানীয় মানুহৰ পৰা সেইবিলাকৰ বিষয়ে সুধি যিমান পাৰে সিমান কথা শিকি বুজি লৈছিল। তদুপৰি তেওঁ নিতৌ নানা তৰহৰ টোকা লিখিছিল। প্ৰত্যেক দিনাই গিবফিত চাহাবে লগত বলোৰাম আৰু আন দুই এজনক লৈ মিছিমি, খামতি আৰু চিংফৌ সকল বাস কৰা পৰ্বতীয়া অঞ্চলত ঘূৰিছিল। এই সকলো বিলাক অঞ্চলৰ পৰা তেওঁ চাহ গছৰ পুলি সংগ্ৰহ কৰিছিল।

চাহপাত চিংফৌ সকলৰ অতি প্ৰিয় আছিল। তেওঁলোকে কুমলীয়া চাহপাত বিলাক ছিঙি একোখন লোৰ ভাওৰ আৰু পৰিষ্কাৰ তেৰা বা কেৰাহীত গৰম কৰিছিল আৰু গৰম কৰি থাকোঁতেই পাতবিলাক হাতেৰে মোহাৰি মোহাৰি মেৰ খুৱাইছিল। পাতবিলাক ঠিকমতে গৰম কৰাৰ পিচত তাক তিনি দিন ৰ'দত শুকুৱাইছিল—কোনো কোনোৱে সেইবিলাক দিনত ৰ'দত শুকাবলৈ দিছিল আৰু ৰাতি নিয়ৰত তিতিবলৈ দিছিল। তাৰ পিছত চাহপাতবিলাক একোটা বাঁহৰ চুঙাত ঠাহি ঠাহি চুঙা পিঠাৰ দৰে ভৰাই থৈছিল। তাৰ পৰাই পিছত জোখাৰে কাটি কাটি উতলা পানীত জুবুৰিয়াই পানীটোপা খাইছিল।

গিবফিত চাহাবৰ দলটোৱে নেঘেৰীজান, ৰঙাগড়া হৈ শদিয়ালৈ গৈছিল আৰু এই সকলো ঠাইতে গিবফিত চাহাবে চিংফৌ সকলৰ লগত চুঙা-চাহ খাইছিল। বলোৰামে সেই চুঙা চাহৰ পৰা আঁতৰি থাকিছিল কিয়নো সেইয়া তেওঁ কানিৰ মিচিনাই কিবা বেয়া বস্তু বুলি ভাবিছিল। যোৰহাটৰ অসমীয়া মানুহবিলাকৰ কানি খাই খাই কেনেদৰে অধঃপতনে গৈছিল তাক বলোৰামে সৰুৰে পৰাই দেখিবলৈ পাইছিল। গাঁৱৰ মতা মাইকী উভয়েই কেনেদৰে কানিৰ কাৰণে বলিয়া হৈছিল তাক তেওঁ দেখিছিল। সেই কানীয়া সকলে নিতৌ অভ্যস্ত কানিটোপাৰ কাৰণে লাগিলে লঘোনেই থাকিব পাৰিছিল—কানিটোপা নহ'লে তেওঁলোকে শাৰীৰিক বা মানসিক কোনো ধৰণৰ কামেই কৰিব নোৱাৰিছিল। কানি খাই কানীয়াসকলে কৰা বলিয়ালি বিলাক দেখিও বলোৰামে কানি খোৱাৰ বিষম পৰিণতি দেখিবলৈ পাইছিল। তদুপৰি বহুতো কানীয়া ডেকা কালতেই অকাল বুঢ়া হৈ মৃত্যু মুখত পৰাও তেওঁ দেখিছিল।

সেয়েহে এদিন গিবফিত চাহাবে বলোৰামক চিংফৌৰ চুঙা-চাহ এটোপা খাবলৈ যচাত বলোৰামে ভয়তে দৌৰি পলাইছিল। কিন্তু গিবফিতে বলোৰামক আশ্বাস

দিছিল যে চাহ বেয়া বস্তু নহয়, সি এবিধ ঔষধহে। বলোৰামে ক'লে যে তেওঁৰ কোনো অসুখ হোৱা নাই যেতিয়া তেওঁ ঔষধ খাব নেলাগে। গিৰফিতৰ সহচৰ এজনে তেওঁক সোঁৱৰাই দিলে যে কানিকো অসমীয়াৰ মাজত প্ৰথমে ঔষধ বুলিহে প্ৰচলন কৰা হৈছিল। গিৰফিত চাহাবে বলোৰামৰ সংশয় বুজিব পাৰি ক'লে,

"ঠিক, তই কানি নেখাবি, চাহ নেখাবি আৰু অসুখ নহ'লে কেতিয়াও ঔষধ নেখাবি।"

তাৰ পিছত বলোৰামৰ কান্ধতে হাতখন থৈ চলচলীয়া চকুৰে ক'লে,

"কিন্তু, মোৰ অকণ মানি বন্ধু, মোৰ গঁচাকৈয়ে বহুত অসুখ আছে আৰু মই সদায় বহুত ঔষধ খাব লাগে।"

বলোৰামে অতি তীক্ষ্ণ দৃষ্টিৰে গিৰফিতৰ চকুলৈ চালে আৰু গোটেই মানুহজনক অনুসন্ধান কৰি উপলব্ধি কৰিলে যে গিৰফিত চাহাব তেওঁ আগেয়ে দেখা মানুহবিলাকৰ দৰে সাধাৰণ মানুহ নহয়। গিৰফিত চাহাব সাধাৰণ মানুহৰ গাত নেদেখা আন কিবা এক প্ৰতিভা আছিল। তেতিয়া বলোৰামৰ এইটো বুজিব পৰা সামৰ্থ্য নাছিল যে গিৰফিত চাহাবৰ নিচিনা এজন মহান বৈজ্ঞানিকে হয়তো অসমত তাৰ এশ বছৰ পিছলৈকে ভৰি দিয়া নাই। গিৰফিত চাহাবে আৰু কৈ গ'ল—

"মই এই কাৰণেই ঔষধ খাব লাগে যাতে মই আৰু কিছুদিন বেছিকৈ জীয়াই থাকিব পাৰোঁ যাতে মই ভৱিষ্যতৰ মানুহৰ জীৱনটো চহকী কৰি যাব পাৰোঁ। এই যে গছপুলি বিলাক দেখিছ, সেই বিলাকেই মোৰ বন্ধু। সেই বিলাকেই আমাৰ সকলোৰে বন্ধু। আমি একেখন পৃথিৱীতে বাস কৰোঁ, সিহঁতক আমাৰ বৰ প্ৰয়োজন। আমি সিহঁতক ভালদৰে জনা উচিত। এই ধুনীয়া ব্ৰহ্মপুত্ৰ উপত্যকা আৰু এই জাকজমকীয়া পৰ্বতবিলাকত থকা সকলো গছ-গছনিৰ বিষয়ে মই যিমান পাৰোঁ তথ্য উদ্ঘাটন কৰিবলৈ বিচাৰোঁ আৰু সেইবিলাক গোটেই পৃথিৱীকে জনাই দিবলৈ বিচাৰোঁ। ইয়াকেই কয় বিজ্ঞান—আমি প্ৰত্যেকেই ইয়াক এখোপ আগবঢ়াই নিব লাগিব। সেই কাৰণেই মই অসুখীয়া দেহাৰে ইয়ালৈ আহিছোঁ আৰু সেই কাৰণেই মই ঔষধ খাব লাগে, চাহ খাব লাগে। মই ব্ৰুচ চাহাবৰ নিচিনা নহওঁ, তেওঁ পইচাৰ কাৰণেই বহুত সৰু সৰু চাহৰ পুলি উভালি নষ্ট কৰিলে। অৱশ্যে,

খৰছ দিয়া কোম্পানীৰ চৰকাৰৰ ধান্দা হৈছে পইচা, মই কিন্তু পইচাৰ কাৰণে অহা নাই, বিজ্ঞানৰ কাৰণেহে আহিছোঁ। কানি, চাহ আৰু পইচা এইবিলাক বেয়া বস্তু—মানুহৰ এই বিলাকৰ প্ৰতি এৰাব-নোৱৰা আসক্তি জন্মে। বিজ্ঞান আৰু শিক্ষা ভাল বস্তু। তই তইঁতৰ মানুহক ক'বলৈ নেপাহৰিবি যে কানি, চাহ আৰু ধন—নাই, নেলাগে। বিজ্ঞান আৰু শিক্ষা—হয় লাগে, নিজৰ সৰ্বস্ব ত্যাগ কৰিও আহৰণ কৰিব লাগে।"

তিনিও নৈৰ পাৰে পাৰে থকা মটক ৰাজ্যত ঘূৰি ঘূৰি গিৰফিত চাহাবৰ দল টিপবাই আৰু মাকুম পৰ্য্যন্ত পালেগৈ আৰু তাৰ পিছত বঙাগড়ালৈ আহি মটকৰ বৰ সেনাপতিৰ লগত সাক্ষাৎ হ'ল। বৰ সেনাপতি খুব স্বাধীন চিতীয়া আৰু ভদ্ৰ আছিল। তেওঁ গিৰফিতৰ দলটোৰ কাৰণে এটা বেলেগ ঘৰ সজাই দিছিল আৰু তাতেই গিৰফিত চাহাবে পৰীক্ষণাগাৰ এটা পাতি লৈছিল।

# তিনি

## ব্ৰাওন চাহাব

১৮৩৬ চনৰ ফেব্ৰুৱাৰী মাহত বলোৰাম গিৰফিত চাহাবৰ লৈতে শদিয়া পায়গৈ। শদিয়াতে বলোৰামে দুটা চাহাবৰ পৰিয়াল লগ পায়— তেওঁলোক আছিল নাথান ব্ৰাওন (বলোৰামৰ মুখত ব্ৰাওন চাহাব) আৰু অলিভাৰ কাটাৰ (বলোৰামৰ মুখত কেদাৰ চাহাব) নামৰ দুজন পাদ্ৰী চাহাবৰ পৰিয়াল। বলোৰামে ভাবিছিল যে সেই চাহাব মেম কেইগৰাকীও গিৰফিত চাহাবৰ দৰে গছ-লতা, ফুল-পাত, চৰাই চিৰকতি আৰু কীটপতঙ্গকে লৈ ব্যস্ত থাকিব। তেওঁলোকে সঁচাকৈয়ে সেই বিলাকতে মন দিছিল হয় কিন্তু আন এক ধৰণেৰে। তেওঁলোকে যেই কোনো এবিধ গছ ফুল চৰাই বা জন্তুলৈ বা আন কিবা বস্তুলৈ আঙুলিয়াই দি তাৰ নামটো খলুৱালোকৰ মুখৰ পৰা বাৰে বাৰে শুনিছিল আৰু সেইবিলাক লিখি লৈছিল। মাজে মাজে তেওঁলোকে খলুৱালোকে কথা কওঁতে মুখ জিভা আৰু কণ্ঠ কেনেদৰে ব্যৱহাৰ কৰিছিল তাৰ ছবি আঁকি লৈছিল।

বলোৰামে অতি সোনকালেই বুজিব পৰিলে যে শদিয়াৰ চাহাব আৰু মেম চাহাব কেইগৰাকীয়ে অসমীয়া খামতি আৰু চিংফৌ ভাষা শিকিবলৈহে বিচাৰিছিল আৰু তেওঁলোকে দিনে বাতিয়ে বলোৰাম আৰু আন অসমীয়াৰ পৰা শিকা মাত কথা আওৰাইছিল। তদুপৰি তেওঁলোকে গিৰফিত চাহাবৰ দৰে বনে বনে ঘূৰি ফুৰিছিল। তেওঁলোকে শদিয়াতে বসবাস কৰিবৰ মনেৰে একোটা ঘৰ সাজিবলৈ আৰম্ভ কৰে। ঘৰ সাজিবৰ কাৰণে তেওঁলোকে খলুৱা লোকক মকৰল কৰিছিল আৰু অসমীয়া মানুহৰ ঘৰৰ দৰেই ঘৰ সজাইছিল। এটা কথা দেখি বলোৰাম অতিশয় আচৰিত হৈছিল যে ব্ৰাওন আৰু কেদাৰ চাহাবে খলুৱালোকৰ লগত সকলো ক্ষেত্ৰতে হাতে কামে লাগি গৈছিল। ব'দ বৰষুণ কাতি কৰি তেওঁলোকে গাঁত খন্দা, মাটি কটা, বাঁহ কটা আদি সকলো কাম স্থানীয় মানুহৰ লৈতে সমানে কৰি গৈছিল—এইটো বলোৰামৰ কাৰণে নাভূত নাশ্ৰুত কথা, কিয়নো সেই সময়ৰ অসমীয়া ডা-ডাঙৰীয়াসকলে পাইকৰ স'তে বন এডাল উভালিবলৈকো কেতিয়াও আগ বাঢ়ি নাহিছিল। অসমীয়া ডা-ডাঙৰীয়া সকলৰ একমাত্ৰ পৰিশ্ৰম আছিল পাইকসকলে হাড়ক মাটি তেজক পানী কৰি শ্ৰম কৰাটো নিশ্চিত কৰা। সেয়েহে

বিদেশী চাহাব দুজনে, যাক বলোৱামে অসমৰ ৰজা বা ডা-ডাঙৰীয়াতকৈ ওপৰৰ লোক বুলি জানিছিল, তেনেদৰে আহি সাধাৰণ ৰাইজৰ লগত একেলগে হাতে হাত ধৰি কাম কৰা দেখি বলোৱাম আচৰিত হৈছিল। আন নেলাগে ৰবাওন চাহাবে হাবিৰ গাঁহ-কাঠ কাটিবলৈ নিজেই এখন কুঠাৰ বনাই লোৱাও বলোৱামে দেখিবলৈ পাইছিল।

চাহাব দুজন ঘৰ সজোৱা কামত ব্যস্ত থাকোঁতে মেম চাহাব দুগৰাকীয়ে ল'ৰা ছোৱালী কিছুমান গোটাই লৈ গোটেই দিনটো সিহঁতক আখৰ লিখিবলৈ শিকাইছিল। ল'ৰা-ছোৱালীবিলাকে প্ৰথমে বৰ কৌতুহলেৰে মেম চাহাব দুগৰাকীৰ ওচৰলৈ আহি আলেঙে আলেঙে আছিল, কিন্তু পিছলৈ সিহঁতে মেম চাহাব দুগৰাকীক খুব ভাল পোৱা হ'ল আৰু নিঃসংকোচে আখৰ লিখিবলৈ আৰু পঢ়িবলৈ ধৰিলে। ঘৰ কেইটা সজা হোৱাৰ পিছত এটা ঘৰক "ফলি-লোৱা ঘৰ" বুলিলে। সেই ঘৰটোত প্ৰত্যেক দিনাখন ৰাতিপুৱাই ৰবাওনৰ মেম চাহাবে আহি এটা ঘণ্টা বজাই দিয়ে আৰু লগে লগে ল'ৰ-ছোৱালীবিলাক দৌৰি দৌৰি আহি হাতত ফলি আৰু চীনা মাটি লৈ লিখা পঢ়া আৰম্ভ কৰে। সেই ফলি-লোৱা ঘৰলৈ সকলো বয়সৰে ল'ৰা-ছোৱালী গৈছিল।

বাৰিষা অহাৰ পিছত গিবফিত চাহাবে ঘূৰা ফুৰা কৰিবলৈ এৰি দি কেৱল সংগ্ৰহ কৰা গছপুলি আদি পৰীক্ষা কৰি সেইবিলাকৰ বিষয়ে টোকা লিখাতে ব্যস্ত থকা কাৰণে বলোৱামে বিশেষ কৰিব লগীয়া একো নাছিল। সেয়েহে গিবফিত চাহাবৰ অনুমতি লৈ বলোৱামেও ৰবাওন পত্নীৰ ফলি-লোৱা ঘৰলৈ গৈ লিখা-পঢ়া শিকিবলৈ আৰম্ভ কৰিলে। অৱশ্যে ৰবাওন পত্নীয়ে বলোৱামৰ দৰে আন বহুতকে তেওঁৰ ফলি-লোৱা ঘৰত স্থান দিছিল।

জীৱনত কিবা এটা কৰিবলৈ বিচৰা বা লিখা-পঢ়া কৰিলে নিজৰ মন মুকলি হ'ব আৰু জ্ঞানৰ পৰিসৰ বাঢ়িব বুলি যি উপলব্ধি কৰিব পাৰিছিল তেওঁলোকৰ কাৰণে ৰবাওন পত্নীয়ে নতুন প্ৰতিশ্ৰুতি আনিলে। এদিন এজন প্ৰায় ১৬/১৭ বছৰীয়া বৌদ্ধ ভিক্ষুৱেও আহি ৰবাওন পত্নীক ক'লে যে তেখেতে যদি তেওঁক ইংৰাজী শিকাম বুলি প্ৰতিশ্ৰুতি দিয়ে তেনেহ'লে তেওঁ নিজৰ গেৰুৱা বসন এৰি দিব। ৰবাওন পত্নী সন্মত হ'ল আৰু সেই বৌদ্ধ ভিক্ষুৰ ভৰণ পোষণৰও ব্যৱস্থা কৰিম বুলি প্ৰতিশ্ৰুতি দিলে। তাৰ পিছত সেই ভিক্ষুকক এলিজা হাটছিন্স নামেৰে নামাকৰণ কৰা হ'ল। আন এদিনাখন লুবুৰী নামে এজনী পাট গাভৰুৱে আহি

ৰবাওন পত্নীৰ ভৰিত দীঘল দি পৰি ক'লে যে তাই এজনী বন্দী-দাসী আৰু তাইৰ গিৰিহঁতৰ অসহনীয় অত্যাচাৰত অতিষ্ঠ হৈ কোনোমতে প্ৰাণ লৈ পলাই আহিছে। ৰবাওন পত্নীয়ে লুবুৰীকও অতি আদৰেৰে আকোঁৱালি আশ্ৰয় দিলে। তেনেদৰে এজন দুজনকৈ ৰবাওন পত্নীৰ ফলি-লোৱা ঘৰ ভৰি পৰিল আৰু আটায়ে তাত আনন্দেৰে পঢ়া-শুনা কৰিবলৈ ধৰিলে। অসমৰ শিক্ষা জগতত অৰুণ উদয় হ'ল।

খৰাঙিৰ দিনত শদিয়া এৰি পুনৰ অনুসন্ধান আৰম্ভ কৰিবলৈ গিৰাফিত চাহাবে পুনৰ বন জঙ্ঘলত সোমাবলৈ সাজু হয় মানে বলোৰামো অসমীয়া আৰু ইংৰাজী দুয়োটা বৰ্ণমালা শিকি পেলালে আৰু দুই এটা শব্দ জুটিয়াব পৰা হ'ল।

শদিয়াতেই বলোৰামে এইটোও জানিব পাৰিলে যে ৰবাওন আৰু কেদাৰ বোলে কিবা পাদুৰী চাহাব আৰু তেওঁলোকে অসমৰ মানুহক এটা নতুন ধৰ্ম আৰু এখন নতুন শাস্ত্ৰ শিকাবলৈ আহিছে।

# চাবি

## বঙা আৰু চুপহি

১৮৩৮ চনৰ অক্টোবৰ মাহত গিবফিত চাহাবৰ দলটোৱে শদিয়া এৰে আৰু ব্ৰহ্মকুণ্ডৰ আশে পাশে অনুসন্ধান চলোৱাৰ পিছত তেওঁলোকে মিছিমি ৰাজ্যত সোমায়। সেই অঞ্চলত তেওঁলোকে বেছি চাহ গছ দেখিবলৈ নেপায় কিন্তু ব্ৰহ্মকুণ্ডৰ পৰা খোজ কাঢ়ি গলে দুদিনমানৰ দূৰৈত থকা জিজ-ছা গাঁৱত তেওঁলোকে বঙা নামেৰে এজন অসমীয়া বন্দী-দাস লগ পালে।

বঙাৰ বয়স একুৰিমান আছিল। তেওঁ মিছিমি সকলে ধৰি বান্ধি নিয়া দাস আছিল যদিও তেওঁক মিছিমি সকলে ভাল ব্যৱহাৰ কৰিছিল। অৱশ্যে, বঙাই কঠোৰ পৰিশ্ৰম কৰিব লগীয়া হৈছিল। বলোৱামে বঙাক শদিয়াৰ পাতুৰী চাহাবসকল আৰু তেওঁলোকে পতা ফলি-লোৱা ঘৰৰ কথা ক'লে। মিছিমিৰ বন্দী দাসী লুবুৰীয়ে কেনেকৈ পলাই গৈ বৰাওন পত্নীৰ ওচৰত আশ্ৰয় পাইছে তাক বৰ্ণাই বলোৱামে বঙাকো পলাই গৈ পাতুৰী চাহাবসকলৰ ওচৰত আশ্ৰয় ল'বলৈ উপদেশ দিলে। কিন্তু বঙাই তেনে কৰিবলৈ অমান্তি হ'ল।

বঙাই ক'লে যে তেওঁ চুপহি নামে এজনী গাভৰুৰ কাৰণে জোৰাই খাটি আছে। তেওঁৰ গৰাকী আৰু চুপহিৰ মাক দেউতাকে এইটো চুক্তি কৰি থৈছে যে বঙাই যেতিয়া চাবি চুঙ' নিমখ আৰু দুটা গাহৰিৰ যোগান ধৰিব পাৰিব তেতিয়াই সি চুপহিক বিয়া কৰিব আৰু তাৰ পিছত সি আৰু চুপহিয়ে আন আন মিছিমিৰ দৰে স্বাধীন চিতীয়াভাৱে সেই গাঁৱতে বসবাস কৰিব পাৰিব। সেই কাৰণে বঙাই চুপহিক এৰি পলাই যাবলৈ নিবিচাৰিলে। তাতে তেওঁ গাহৰি দুটা ইতিমধ্যে দিলেই, কেৱল নিমখ খিনিহে গোটাবলৈ আছিল। সেয়েহে বঙাই বলোৱামক খাটিলে যেন তেওঁ চাহাবৰ পৰা নিমখখিনি যোগাৰ কৰি দিয়ে।

মিছিমিসকলৰ মাজত নিমখৰ বেছ আটক আছিল কিয়নো এদিন গিবফিত চাহাবে চৰাইৰ সিজোৱা ছালত নিমখ সানি থোৱা দেখি এজন মিছিমি খুনবাই কৈছিল,

"আমি কি দুৰ্ভগীয়া, চাহাবে চৰাইৰ ছালতো নিমখ সানি আহাৰ কৰে কিন্তু আমাৰ কপালত নিমখৰ টোপ এটাও নাই।"

আনকি কোনো কোনো মিছিমি লোক আহি গিৰফিত চাহাবক কৈছিল,

"চাহাব আপুনি যদি আমাক নিমখ ক'ত পায় দেখুৱাই দিয়ে তেনেহ'লে আমি গোটেই জীৱন আপোনাৰ নিকিনা গোলাম হৈ থাকিম, আপোনাক বাট পথ দেখুৱাই গোটেই মিছিমি ৰাজ্যখন ঘূৰাম—খালী নিমখ ক'ত পায় আমাক কওক।"

সেয়েহে বলোৰামে গিৰফিত চাহাবক ৰঙা আৰু চুপহিৰ বিয়াৰ হেতুৰ কেই চুঙা'মান নিমখৰ কথা কওঁতে গিৰফিত চাহাব আচৰিত নহ'ল।

গিৰফিত চাহাবৰ অনুগ্ৰহত ৰঙাক প্ৰয়োজনীয় নিমখৰ যোগান ধৰা হ'ল আৰু ৰঙা ও চুপহিৰ বিয়া বলোৰামহঁত জিক-ছাত থাকোঁতেই যথাবিহিতভাৱে সম্পন্ন কৰা হ'ল। চুপহিৰ মাকও অসমীয়া মানুহ আছিল আৰু তেওঁ ৰঙাক সৰুৰে পৰাই চিনি পাইছিল। চুপহিৰ মাক, কেঁচুৱা ৰঙা আৰু তেওঁলোকৰ আত্মীয় স্বজন মানৰ দিনত যোৰহাটৰ ওচৰৰে এখন গাঁৱৰ পৰা পলাই হাবিত সোমাইছিল আৰু পিছত পলাই যাবলৈ নাও গোটাইছিল। চুপহিৰ ককাক আৰু আইতাকে নাও পোৱাৰ আগেয়েই মানৰ হাতত প্ৰাণ হেৰুৱায় যদিও দুখনমান নাৱত কিছু সংখ্যক অসমীয়া পলাবলৈ সমৰ্থ হয়। সেই সকলৰ ভিতৰত চুপহিৰ মাক আৰু ৰঙাও আছিল। সেই অসমীয়াসকলে শদিয়াত বসতি কৰে। কিন্তু তাতও তেওঁলোকে শান্তিৰে থাকিবলৈ নেপালে, কিয়নো চিংফৌ, খামতি, মিছিমি আদি লোকে তেওঁলোকক সঘনাই উৎপাত কৰিবলৈ ধৰে আৰু যাকে পাৰে ধৰি বন্দী-বেটী কৰি লৈ আহে। এজন মিছিমি ডেকাই চুপহিৰ মাকক তেনেদৰে আনি বিয়া কৰাই ৰাখে। ৰঙাই শদিয়াতে নিজৰ মাক বাপেকক হেৰুৱায় আৰু তেওঁক প্ৰথমে এজন খামতিয়ে ধৰি নিয়ে। পিছত মিছিমি এজনে তেওঁক কিনি লয়।

ৰঙা আৰু চুপহিৰ গাঁৱৰ পৰা গিৰফিত চাহাবৰ দলটোৱে মিছিমি ৰাজ্যলৈ যাব নোৱাৰিলে কাৰণ তেতিয়া লামাসকলৰ এক শক্তিশালী ফৌজে সেই অঞ্চলত আধিপত্য বিস্তাৰ কৰিবলৈ আৰম্ভ কৰিছিল। সেই কাৰণে, জিক-ছাৰ পৰা তেওঁলোক ৰঙাগড়ালৈ উভতি আহিল। ৰঙাগড়াৰ ওচৰত তাৰ প্ৰায় এবছৰ আগেয়ে দেখা চাহ পুলিবিলাক পুনৰ পৰীক্ষা কৰিব পাৰিব বুলি গিৰফিত চাহাবে আশা কৰিছিল। কিন্তু দুৰ্ভাগ্যবশতঃ মেজৰ ব্ৰুচে গিৰফিত চাহাবহঁতকৈ আগেয়েই সেই অঞ্চলত সোমাই তাৰ বেছি ভাগ পুলিকে উভালি নিলে। তথাপি গিৰফিত

চাহাবে চাহগছৰ বিষয়ে কিছু সমিধান দিবলৈ সক্ষম হ'ল। তেওঁ তেতিয়াই এই বুলি মত দিয়ে,

"মোৰ বিশ্বাস যে চাহ গছ পোনপটীয়াকৈ ৰ'দ পৰা ঠাইত ভাল নহ'ব; সি যিয়েই নহওক (চাহ গছক) ৰ'দলৈ অলপ অলপকৈহে আনিব লাগে। তদুপৰি, যাই ঠাইটো কাটিলে অনিষ্ট হয়; ই দীঘল ঠেঙুলি ওলাবলৈ দিয়াৰ উপৰিও সম্ভৱ পাতবিলাকৰ গোন্ধটোক বেয়া ৰবে।"

ৰঙাগড়াৰ পৰা গিৰফিত চাহাব শদিয়ালৈ গ'ল আৰু তাত দুমাহমান থাকি বেন্নুন অভিমুখে যাবলৈ ওলালে। বলোৰামক হয় যোৰহাটলৈ উভতি গৈ ৰজা পুৰন্দৰ সিংহৰ তাত খাটিবলৈ, নহয় তেওঁৰ লগতে বেন্নুনলৈ যাবলৈ লগ ধৰা হ'ল। বলোৰামে গিৰফিত চাহাবৰ লগত ঘূৰি তেওঁৰ কাম কাজ আৰু বেহ-ৰূপ চাই ইমানেই বশ পাইছিল যে তেওঁ গিৰফিত চাহাবৰ লগতে পৰ্বত পাহাৰ, হাবি-জঙ্গল অতিক্ৰম কৰি বেন্নুনলৈকে যাবলৈ ওলালে।

শদিয়াৰ পৰা তেওঁলোকে চিংফৌ আৰু খামতি অধিকৃত অঞ্চলৰ মাজেদি নামৰূপ পথাৰলৈ আহে। তেওঁলোকে অতিক্ৰম কৰা প্ৰত্যেক গাঁৱতে তেওঁলোকে বহু অসমীয়া বন্দী দাস-দাসী লগ পালে আৰু সেই সকলোকে বলোৰামে শদিয়ালৈ পলাই গৈ শদিয়াত থকা পাচুৰী চাহাবসকলৰ আশ্ৰয় ল'বলৈ পৰামৰ্শ দিলে। সেই চিংফৌ আৰু খামতিসকলে অতিমাত্ৰা কানি খোৱাত অভ্যস্ত দেখি বলোৰামে এইটো অতি সহজেই বুজিব পাৰিছিল যে সেই গাঁওবিলাকৰ ভৱিষ্যত বৰ ভাল নহয়।

নামৰূপ পথাৰ অঞ্চলতে বলোৰামে চাৰিটামান মাটি ফুটি ওলোৱা অতি আচৰিত ধৰণৰ জুবি দেখিবলৈ পালে। সেই জুবি কেইটাৰ পৰা ওলোৱা পানীবিলাক ফটফটীয়া যদিও সেউজীয়া বা ধোঁৱাবৰণীয়া আৰু যথেষ্ট ডাঠ আছিল। গিৰফিত চাহাবে সেইবিলাক পেট্ৰলিয়াম বুলিছিল। সেই অঞ্চলৰ লোকে সেই জুবি কেইটাৰ পানীবিলাক চাকি জ্বলাবলৈ ব্যৱহাৰ কৰিছিল আৰু সেইবিলাক কাঠৰ বস্তুত থৈছিল—কি আচৰিত কথা যে সেই পানী সনা কাঠবিলাকত উই, আন পোক বা পৰুৱা নেলাগিছিল আৰু সেইবিলাক আন কাঠৰ দৰে নপচিছিল। সেই জুবি কেইটাৰ আশে-পাশে সৰু সৰু পাতল ঘাঁহ, কাঁইটৰ গছৰ বাহিৰে তাত আন একো গছ-গছনি নাছিল—দাঁতি কাষৰীয়া হাবি জঙ্গলবিলাক যেন সেই জুবি কেইটাৰ অলপ দূৰৈত হঠাৎ শেষ হৈছিল।

নামৰূপ পথাৰৰ পৰা তেওঁলোক বিছালৈ যায় আৰু বিছাৰপৰা তেওঁলোকে মান

দেশৰ সীমাত থকা মগাওং অৰুণ পায়গৈ। সেই গোটেই বাটটোত বলোৰামে আৰু বহুত বন্দী অসমীয়া দাস-দাসী দেখিবলৈ পায়, কিন্তু মগাওঙত তেওঁ এজন আহোম দলপতিৰ তলত একপ্ৰকাৰ স্বাধীনভাৱে থকা কিছু অসমীয়া লোক লগ পায়। সেই আহোম খুনবাজন স্বৰ্গদেউ চন্দ্ৰকান্ত সিংহৰ আত্মীয় আছিল আৰু তেওঁ পুৰন্দৰ সিংহক খেদি চন্দ্ৰকান্ত সিংহক ৰাজপাটত বহুৱাবলৈ দৃঢ়-প্ৰতিজ্ঞ আছিল। সেয়েহে তেওঁ বলোৰামৰ পৰা যোৰহাটত পুৰন্দৰে কি কৰিছে তেওঁৰ সৈন্য কিমান আদি সকলো বতৰা ল'লে। বলোৰামে তেওঁক জনালে যে পুৰন্দৰ সিংহ নামতহে ৰজা, আচলতে ইংৰাজসকলেই সকলো ৰাজকাৰ্য্য চলাইছে, কিন্তু পুৰন্দৰ সিংহক ইংৰাজসকলে ৰক্ষা কৰি আছে যেতিয়া তেওঁক খেদি ৰাজ্য ঘূৰাই লোৱাটো সহজ কথা নহ'ব, কিয়নো ইংৰাজসকল খুব পৰাক্ৰমী। বলোৰামে সেই সাহসী আহোম খুনবাজনক বুজালে যে যি মানে হেজাৰ হেজাৰ অসমীয়া সেনা নিপাত কৰিলে আৰু গোটেই অসম দেশ ছাৰখাৰ কৰিলে সেই মান সেনাক মাত্ৰ যাঠিজন ইংৰাজ চিপাহীয়েই একেবাৰে উঠিব নোৱৰাকৈ হৰুৱালে। বলোৰামে তেওঁক এইটোও ক'লে যে তেওঁ কেনেবাকৈ যোৰহাটৰ ৰাজপাট ল'ব পাৰিলে তেওঁ যেন শদিয়াত থকা পাত্ৰী চাহাবসকলক মাতি যোৰহাটত এটা ফ'সি-লোৱা ঘৰ আৰম্ভ কৰায়।

মগাওঙৰ পৰা গিৰফিত চাহাবৰ দলটোৱে ভামো, তাৰ পিছত আভা আৰু আক আভাৰ পৰা ৰেঙ্গুনলৈ যায়। ভামো চহৰৰ পূৰ অংশত বলোৰামে প্ৰায় এশ ঘৰমান অসমীয়া মানুহ দেখিলে। তেওঁলোকক মান সেনাই অসমৰ পৰা ধৰি বান্ধি আনি দাস-দাসী কৰি ৰাখিছিল। মান দেশত থকা এই অসমীয়া বন্দী দাস দাসী সকলৰ দুৰ্গতিৰ সীমা নাছিল। তেওঁলোকক মানসকলে 'ৰাইডালী' বুলি একপ্ৰকাৰ অস্পৃশ্য কৰি ৰাখিছিল।

ৰেঙ্গুনৰ পৰা গিৰফিত চাহাবে বলোৰামক লগত লৈ কলিকতালৈ গ'ল। তাৰ পৰা আকৌ ১৮৩৭ চনৰ খৰালিহে গিৰিফত চাহাব ছুনাই অসমলৈ আহোঁতে তেওঁ গিৰফিত চাহাবৰ পৰা বিদায় লৈ যোৰহাট অভিমুখে যাত্ৰা কৰে।

# পাঁচ

## খামতি গাভৰু জনি

**এযোৰ জোতা :**

বলোৰামে গিৰফিত চাহাবৰ পৰা বিদায় লৈ আহিবৰ সময়ত গিৰফিত চাহাবে তেওঁক যথেষ্ট টকা-পইচা, চোলা-কাপোৰ দিয়াৰ উপৰিও এযোৰ নতুন জোতা উপহাৰ দিলে। জোতাযোৰ তেওঁক ভৰিত' পিন্ধিবৰ কাৰণে দিছিলে যদিও বলোৰামে সেইযোৰ অতি আটোম টোকাৰীকৈ কাপোৰেৰে মেৰিয়াই হয় মূৰত নহয় কান্ধতহে কঢ়িয়াই নিছিল। যোৰহাটলৈ যাওঁতে তেওঁ বাটত সেই যোৰ পিন্ধা নাছিল। যোৰহাট পোৱাৰ পিছতও বলোবামে সেইযোৰ পিন্ধি পদূলি মুখত দুই এটা পাক দিলেও বা ছেউনী আলিত মাজে সময়ে অলপ দূৰ ইফালে সিফালে ঘূৰিলেও সেইযোৰ এক মিনিট পিন্ধিলে তাক তেওঁ দহ মিনিট সময় মুচিছিল। তথাপি বলোৰামে জোতা পিন্ধা আৰু চাহাবৰ লগত থাটি টকা-কড়ি পোটাই চহকী হোৱা কথাটো গাঁৱৰ আৰু যোৰহাটৰ মানুহে বৰ ভাল নেপালে। তেওঁৰ ভাগ্য সুপ্ৰসন্ন হোৱা দেখি চকু চৰহাসকলৰ চকু পু'ৰিবলৈ ধৰিলে আৰু অন্তঃসাৰ শূন্য লোকৰ অন্তৰ ঈৰ্ষাৰে পৰিপূৰ্ণ হ'বলৈ ধৰিলে। সময়ত কথাটো গৈ ৰজাৰ কাণতও পৰিল।

স্বৰ্গদেউৰ ৰাজ্যত পাইকে জোতা পিন্ধা নিয়ম নাই আৰু বলোৰামৰ দেউতাক ও বলোৰামে স্বৰ্গদেউক বহু টকা কৰ দিব লগীয়া আছে বুলি মানুহে ৰজা পুৰন্দৰ সিংহৰ কাণ ছোৱালেগৈ। কথাটো ৰাষ্ট্ৰ হৈ পৰাৰ পিছত ৰজাই বলোৰামক ধৰিবলৈ টেকেলা পঠিয়ালে। ৰজাৰ মানুহে তেওঁক বিচাৰি আহিছে বুলি জানিব পাৰি বলোৰামে জোতা আৰু নিজৰ ৰূপ-সিকা লৈ টেকেলা আহি পোৱাৰ আগেয়েই পলালে। তেওঁ ক'লৈ যোৱা উচিত সেইটো বলোৰামে ভালদৰে জানিছিল আৰু ততালিকে শদিয়ালৈ বাট পোনালে। গিৰফিত চাহাবৰ লগত গোটেই দেশ ঘূৰি ঘূৰি তেওঁ ভ্ৰমণ কৰাত বেছ পাৰ্গত হোৱা কাৰণে আৰু যোৰহাটৰ পৰা শদিয়ালৈ যোৱা বাটৰ বেছি ভাগ অঞ্চলেই মটকৰ বৰ সেনাপতিৰ অধীনত হোৱা কাৰণে বাটত বলোৰামৰ অকণো অসুবিধা নহ'ল। বৰঞ্চ বাটত তেওঁক বহুত মানুহে সহায়হে কৰিলে, কাৰণ সেইসকলৰ বহুতেই ৰজা পুৰন্দৰ সিংহৰ ৰাজ্যৰ পৰা ভাগি যোৱা লোক—মটক ৰাজ্যত কৰ-কাটল নাছিল দেখি আৰু পুৰন্দৰ সিংহৰ টেকেলাই

কৰৰ কাৰণে সাধাৰণ ৰাইজক হাৰা শাস্তি কৰা কাৰণে তেওঁৰ ৰাজ্যৰ বহু লোকেই উলাই গৈ মটক ৰাজ্যত বসতি কৰিছিল।

বলোৰামে শদিয়ালৈ গৈ এলাইজা ব্ৰাওনৰ কাম চাপিল আৰু তেওঁক ফলি-লোৰা ঘৰৰ ছাত্ৰৰূপে ল'বলৈ খাটিলে। ব্ৰাওন পত্নীয়ে নিজৰ পুৰণা চিনাকি ছাত্ৰক আদৰিলে। শদিয়াত বলোৰামৰ দিনকাল ভালদৰেই যাবলৈ ধৰিলে। ইতিমধ্যে ফলি-লোৰা ঘৰটোত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বহুত বাঢ়িছিল আৰু সেই সকলৰ মাজত জনি নামেৰে খামতি পাত্-পাত্ৰক এগৰাকীও আছিল। জনিয়ে ব্ৰাওন দম্পতীৰ লগতে বাস কৰিছিল আৰু তেওঁলোকৰ কেঁচুৱাটিক চোৱাৰ উপৰিও সকলো কামতে এলাইজাক সহায় কৰিছিল।

ৰবাওন পত্নীয়ে এদিন বলোৰামক পৰামৰ্শ দিয়ে যে তেওঁ গিবফিত চাহাবৰ লগত কাম কৰি ঘটা ধনেৰে শদিয়াতে মাটি এডোখৰ লৈ খেতি-বাতি কৰা ভাল আৰু অলপ থানথিত লাগি ঘৰ সংসাৰ পাতি তেওঁলোকৰ ওচৰতে বসবাস কৰিলে ভৱিষ্যতে সেই ফলি-লোৰা ঘৰতে শিক্ষক হ'ব পাৰিব। পৰামৰ্শটো শুনি বলোৰাম অতিশয় আনন্দিত হ'ল আৰু সেই বিষয়ে ৰবাওন আইৰ পৰা বেছি শুনিবৰ মানসেৰে ক'লে,

"আই, মই ৰজাৰ টেকেলাৰ ভয়ত পলাই আহিছোঁ। ৰজাৰ মানুহে মোৰ আই-বোপাইৰ যে কি দুৰ্গতি কৰিছে ভগৱানেহে জানে। মই তেওঁলোকক এৰি আহিব খুজিছিলোঁ। কিন্তু আই-বোপায়ে বাৰে বাৰে শপথ দিলে বোলে আমাৰ যি হয় হ'ব তই পাদ্ৰী চাহাবৰ ওচৰতে নিৰাপদে থাকগৈ। বৌটিয়ে ক'লে—মোৰে শপত বোপাই, এই ৰজা থাকে মানে এইখিনি ৰাজ্যলৈ নাহিবি। দিন কাল ভাল হ'লেহে যোৰাহাটলৈ আহিবি। ইয়াত এতিয়া মোৰ আইও নাই বোপাইও নাই, কোনে মোৰ ঘৰ পাতি দিব? কোনে মোক ছোৱালী চাই দিব?"

ৰবাওন পত্নীয়ে কিন্তু বলোৰামক আশ্বাস দিলে,

"বলোৰাম, তুমি ছোৱালীৰ কাৰণে চিন্তা কৰিব নেলাগে। আমাৰ ইয়াত বহুত ভাল ছোৱালী আছে। তোমাৰ কাৰণে তোমাৰ মনত লগা এজনীক গোটাই দিবলৈ মোৰ অকণো অসুবিধা নহ'ব।"

তাকে শুনি অতি সন্তোষেৰে বলোৰামে উত্তৰ দিলে,

"আই আপুনিয়েই মোৰ আই, আপুনিয়েই মোৰ বোপাই। আপুনি মোক যি দিয়ে তাকেই মই সদায়ে আশীৰ্বাদ বুলি গ্ৰহণ কৰিম।"

বলোৰামে কথা কেইটা শেষ কৰোঁতেই ধোৱা কাপোৰ কেইখনমান মেলিবলৈ

বুলি জনি আছি তেওঁলোকৰ সমুখৰ চোতালতে ওলাল। তেওঁ লাহে লাহে জনিৰ পিনে কিছু দেৰী থৰ লাগি চোৱাৰ পিছত ইজনে সিজনৰ চকুলৈ চাই দুয়ো দুয়োৰে মনোভাব বুজি পালে। তাৰ পিছত বৰ'ওন পত্নীয়ে জনিক লগালগি ডাঙৰ ডাঙৰকৈ ক'লে,

"জনি তুমি সঁচাকৈয়ে বৰ ভাল ছোৱালী। তুমি এদিন কোনোবা এজন মানুহৰ লগত বৰ সুখৰ সংসাৰ পাতিব পাৰিবা।"

আই ৰবাওনৰ কথাৰ সুৰ বুজিব পাৰি বলোৰাম লাজত ৰঙা ছিঙা পৰিল আৰু আনন্দত আপ্লুত হৈ তাৰ পৰা আঁতৰিল, কাৰণ বলোৰামৰ চকু আছিল জনিৰ ওপৰতেই। বলোৰামৰ জীৱনলৈ সপোন আহিল আৰু সেই সপোনেই তেওঁৰ বাস্তৱ জগতখন অৰ্থপূৰ্ণ কৰি তুলিলে। কিন্তু তেনেকুৱতে এক নিৰ্মম ঘটনাই বলোৰামৰ সপোন আৰু বাস্তৱ দুয়োখন জগতকে কঁপাই সকলো লণ্ডভণ্ড কৰি পেলালে।

১৮৩৯ চনৰ জানুৱাৰী মাহৰ এক হাড় ভৰি ঠেঁটুৰাই ধৰা নিশা হঠাৎ খামতি সকলৰ ৰণ শিঙা, যুদ্ধৰ চিঞৰ বাথৰ, হিলৈৰ শব্দ গোটেই শদিয়াবাসীক আতঙ্কিত কৰি তুলিলে। খামতিসকলৰ এটা বিৰাট ফৌজে শদিয়াত থকা বৃটিছ সৈন্যৰ ছাউনী অতৰ্কিতে আক্ৰমণ কৰিলে আৰু দুয়ো পক্ষৰ মাজত এখন ভয়ানক যুদ্ধ আৰম্ভ হ'ল। বৃটিছৰ ছাউনী আৰু ওচৰে পাজৰে থকা ঘৰত লগা জুয়ে গোটেই শদিয়াৰ আকাশ পোহৰাই পেলালে। শদিয়াৰ অসমীয়া বাইজে যেয়ে যেনি পাৰে পলাই লুকাবলৈ চেষ্টা কৰিলে। বলোৰামহঁত দুই চাৰিজনে নাৱত উঠি ৰবাওন চাহাবৰ বাস ভৱনৰ পিনে তেওঁলোকক সহায় কৰিবৰ উদ্দেশ্যে গ'ল, কাৰণ ৰবাওন চাহাবৰ বাসভৱন আৰু ফলি-লোৱা ঘৰটো বৃটিছ কোঠৰ বাহিৰতে অলপ দূৰৈত আছিল। ইতিমধ্যে ৰবাওন পৰিয়াল আৰু জনিয়েও এখন নাৱত উঠি ৰণস্থলীৰ পৰা আঁতৰি আহিছিল তেওঁলোক আট য়ে নাৱতে ৰাতি পুৱালৈ অপেক্ষা কৰিলে।

ঠিক বেলি উদয় হোৱাৰ আগে আগে ইংৰাজ সৈন্যৰ বিউগলৰ সুৰে বৃটিছ সকলেই জয়ী হোৱাৰ সংকেত দিয়াত তেওঁলোকে আটায়ে লৰালৰিকৈ বৃটিছ শিবিৰলৈ কিনো ঘটিলে চাবলৈ বুলি গ'ল। সি এক ভয়ানক দৃশ্য আছিল—চাৰিওপিনে সিঁচৰতি হৈ থকা মৃতসকলৰ আৰু প্ৰায় আধামৰা হোৱা আহত সকলৰ তেজেৰে বাঙলী হোৱা দেহবিলাক দেখি বলোৰামৰ প্ৰাণ কঁপি উঠিল। স্বামীহাৰা, পিতৃহাৰা হোৱাসকলৰ হিয়াভঙা কান্দোন আৰু আৰু আহতসকলৰ অসহ্য বেদনাৰ চিঞৰে বলোৰামক অসহায় কৰি তুলিছিল। ইংৰাজ বিষয়া কৰ্ণেল হুৱাইটৰ মৃতদেহত মাটীৰ ডেবট খোঁচৰ দাগ দেখা পৈছিল। বহুতৰে মূৰ কাটি লৈ যোৱা হৈছিল।

এনে হৃদয় বিদাৰক দৃশ্য দেখি দুখে বেজাৰে অৱসন্ন হৈ পৰা বলোৰামৰ একমাত্ৰ সান্ত্বনা আছিল ৰবাওন পৰিয়াল আৰু জনিক নিৰাপদে দেখাটো। তদুপৰি ৰবাওন আইৰ মুখে জনিৰ সাহসৰ কথা শুনি বলোৰামে বিশেষ গৌৰৱ অনুভৱ কৰিছিল—তেখেতে কৈছিল,

"আমি গণ্ডগোল শুনি আমাৰ নাওখনলৈ দৌৰিলোঁ, কিন্তু তাত গৈ দেখোঁ, এটাই আমাৰ নাওখন লৈ পলাই যাব খুজিছে। ব্ৰাওন চাহাবে ভাগ্যে তাক ঘূৰাই আনিব পাৰিলে। আমি সকলোৱে নাৱত উঠিলোঁ। আৰু ব্ৰাওন চাহাবে নাওখন পানীৰ মাজলৈ ঠেলি দিলে। তাৰ পিছত তেওঁ নাৱত উঠি দেখে নাৱত এডালও ব'ঠা নাই। তাতে আমাৰ ইমান ঠাণ্ডা লাগিছিল যে আমি আটায়ে কঁপি আছিলোঁ। ব্ৰাওন চাহাবে সেই মানুহটোক নামি গৈ ব'ঠা লৈ আনিবলৈ ক'লে, কিন্তু সি ভয়তে পেপুৱা লাগি আছিল। তেতিয়া ব্ৰাওন চাহাবে নিজে ঘৰৰ পৰা বঠা আনিবলৈ পানীত নামিল। তাকে দেখি জনিয়ে সেই মানুহটোক ক'লে—তই চাহাবক কিয় অকলে যাবলৈ দিলি, তই কিয় নগ'লি? তোকতো সিহঁতে একো নকৰে চাহাবকহে সিহঁতে মাৰিব কিন্তু সেই মানুহটোৱে লৰচৰেই নকৰে, কেৱল কঁপি কঁপি থাকিল। তেতিয়া জনিয়ে কি কৰিলে জানা? মোৰ অতি মৰমৰ জনি, তাই যে কি সাহসী ছোৱালী, তাই তৎক্ষণাৎ পানীত জাঁপ দিলে আৰু চাহাবৰ পিছে পিছে ঘৰলৈ গ'ল। চাহাবে ব'ঠা কেইডাল গোটাই লয় মানে জনিয়ে কিছুমান গৰম কাপোৰ গোটাই লৰালৰিকৈ টোপোলা এটা বান্ধি মূৰত তুলি দৌৰি আকৌ পানীত নামিলে আৰু নাৱৰ পিনে সাঁতুৰিবলৈ ধৰিলে। আমি ইমান চিঞৰিলোঁ জনি টোপোলাটো পেলাই দে, নিজে আহ—তাই কিন্তু নুশুনিলে আৰু এক টোপও পানী নলগাকৈ টোপোলাটো নাৱত দিলেহি। তাইৰ কি সাহস, কি সহৃদয়তা, কি কাণ্ডজ্ঞান! সেই গৰম কাপোৰ কেইটা নোহোৱা হ'লে মোৰ কেঁচুৱাও ঠাণ্ডাতে মৰিলেহেঁতেন আৰু মইও মৰিলোহেঁতেন। জনি কেনে ছোৱালী তুমি বুজি পাইছা নে, বলোৰাম?

জনিৰ সাহস আৰু বুদ্ধি দেখি বলোৰামে মনে মনে মনে ঠিক কৰিলে যে তেওঁ আৰু জীৱনত জনিৰ বাহিৰে আন কোনো ছোৱালীকে নিবিচাৰে। বলোৰামে নিজৰ জীৱন-সঙ্গীৰ বিষয়ে যদিও মনটো ইমান দৃঢ় কৰিলে তথাপি তেওঁৰ গোটেই ভৱিষ্যত সেই খামতি যুঁজৰ বহ্নিশিখাই সম্পূৰ্ণ ধোঁৱাময় কৰিলে।

তাৰ পিছতও খামতি আৰু আন আন পাহাৰীয়া জাতিৰ লোকে শদিয়াত নানা উপদ্ৰৱ কৰিবলৈ ধৰিলে। ফলত শদিয়াত বসবাস কৰা অসমীয়া বাইজে

লাহে লাহে সেই ঠাই এৰি আন ঠাইলৈ তাপি যাবলৈ ধৰিলে। আনকি বৰাওন পৰিয়ালেও শদিয়া এৰি জয়পুৰলৈ গুচি গ'ল—লগত তেওঁলোকে জনিকও লৈ গ'ল। বলোৰামেও তেওঁলোকৰ পিছ ল'লে। ইতিমধ্যে বাতৰি আহিল যে ইংৰাজসকলে পুৰন্দৰ সিংহৰ ৰাজ্য কাঢ়ি ল'লে। তাৰ পিছত বলোৰামে যোৰহাটলৈ উভতি যোৱাত কোনো বাধা নাইকিয়া হ'ল। জয়পুৰত তেওঁলোকে আটায়ে মিলি কথা-বতৰা হৈ এইটো ঠিক কৰিলে যে বলোৰামে যোৰহাটলৈ উভতি গৈ নিজৰ তাগৰ মাটিত খেতি-বাতি আৰম্ভ কৰি সকৈ ঘৰ এটা সাজি পিছত জনিক এদিন বিয়া কৰাই লৈ যোৱা উচিত—কিন্তু বলোৰামৰ জীৱনলৈ সেই দিনটো আৰু কেতিয়াও নাহিল।

বলোৰাম আৰু জনিয়ে ভৱিষ্যতৰ নানা জল্পনা-কল্পনা কৰি ইটোৱে সিটোৰ কাৰণে বাট চাম বুলি কথা বান্ধি এৰাএৰি হ'বলৈ সাজু হওঁতেই ১২৩৯ চনৰ আগষ্ট মাহৰ পৰা জয়পুৰ অঞ্চলত কলেৰা মহামাৰীয়ে ব্যাপক ৰূপ ধাৰণ কৰে। থলুৱা মানুহ এজন এজনকৈ প্ৰতি ঘণ্টাই মৰিবলৈ ধৰিলে। কিছুমান অতি স্বাস্থ্যবান লোকও হঠাৎ আক্ৰান্ত হৈ ছয় সাত ঘণ্টাৰ ভিতৰতে মৃত্যু মুখত পৰে। মহামাৰীৰ আৰম্ভণিতেই আক্ৰান্ত হোৱা সকলৰ ভিতৰত আছিল জনি। ভাদ মাহৰ এদিন ৰাতিপুৱা জনি আক্ৰান্ত হয়, তাই কিছুক্ষণ কেকঁাই গোঁথাই থকাৰ পিছত একেবাৰে নিৰ্বাক নিস্পন্দ হৈ পৰিল, কেৱল তাইৰ গালে মুখে অত্যধিক বেদনা ফুটি উঠিল—দুপৰ হোৱাৰ আগে আগেই সকলো শেষ হ'ল—বলোৰামে পুখুৰীত জোবোৰা এটা মাৰি ঢেকীয়া খোৱা নামঘৰলৈ শৰাই এখন আগ বঢ়াই জনিৰ কাৰণে প্ৰাৰ্থনা এটি আৰম্ভ কৰৰ আগতেই জনিয়ে শেষ নিঃশ্বাস পেলালে। সেইদৰেই ব্ৰাওন চাহাবৰ মৰমৰ জনি, বলোৰামৰ ভৱিষ্যতৰ আশা ভৰসাৰ জনি আৰু পুহ মহীয়া শীতত বৰাওন পৰিয়ালক থামতিৰ আক্ৰমণৰ পৰা ৰক্ষা কৰিবৰ কাৰণে বুৰিল নদীত জঁপিয়াই পৰা অসমৰ সাহসী জনিয়ে হঠাৎ সকলোকে কন্দুৱাই ইহলীলা ত্যাগ কৰিলে।

বলোৰামৰ কাৰণে জনিৰ মৃত্যু যেনে আকস্মিক তেনে হৃদয় বিদাৰক আছিল। শোকাচ্ছন্ন আৰু ভগ্ন মনোৰথেৰে তেওঁ বৰাওন পৰিয়ালৰ পৰা বিদায় লৈ যোৰহাট অভিমুখে বাওনা হ'ল। আহোঁতে বাটৰ পৰা শদিয়া বা জয়পুৰৰ পিনে উভতি চালেও তেওঁৰ হিয়া ভাঙি পৰিছিল। সেই অকলশৰীয়া যাত্ৰাত হা-হুমুনিয়াহেই তেওঁৰ একমাত্ৰ সঙ্গী হ'ল আৰু জনিৰ সলনি হা-হুমুনিয়াহেই তেওঁৰ জীৱনৰ সঙ্গী হ'ল।

## ছয়

# কোনে আঁকি দিলে ইন্দ্ৰ ধনু

বলোৰামহঁতে শিক্ষা লাভ কৰিবলৈ কোনো পঢ়া শালি নাছিল। যি দুই এক সংস্কৃত টোল আছিল বা দুই এজন সংস্কৃত শিক্ষক আছিল বলোৰামহঁতৰ দৰে পাইকৰ সন্তানে সেই বিলাকৰ কাষ চাপিব নোৱাৰিছিল। গায়ন গাঁৱত গীত, নাট, নৃত্য আদিৰ চৰ্চাও নাইকিয়া হ'ল। আখৰ কেইটা শিকাবলৈকো ঘৰত, গাঁৱত বা যোৰহাটত কোনো লোক নাছিল। চহৰৰ সম্ভ্ৰান্ত লোকসকলে আগৰ বৰুৱা, বৰবৰুৱা, বুঢ়া গোঁহাই আদিৰ খিতাপি থকা সকলে বা বৃটিছৰ আমোলত মৌজাদাৰ, মুন্সিফ, চিৰস্তদাৰ, সদৰ আমিন আদিসকলৰ কাৰণে এই মুক্ত হোৱা পাইকসকল আৰু তেওঁলোকৰ সতি-সন্ততিসকল আছিল চকুৰ কুটা বা দাঁতৰ শূল —চাবলৈকো মন নেযায়, খাবও নোৱাৰি। পাইকসকল মুক্ত হৈছিল সঁচা কিন্তু সেই মুক্তিয়েই তেওঁলোকৰ অভিশাপ স্বৰূপ হৈছিল। বৃটিছৰ আমোলত, চাহ-শিল্পৰ প্ৰসাৰত লহ পহকৈ গজি উঠা 'নতুন অসমীয়া' সমাজত তেওঁলোক আছিল এক অভিশপ্ত নিম্নশ্ৰেণী।

কিশোৰৰূপে বা যুৱকৰূপে বলোৰামহঁতে কৰিব লগীয়া একো নাছিল। দেউতাকহঁতক খেতি-বাতিৰ সহায় কৰা বা কনীয়াহঁতক চিলিম-আণ্ঠা হোকা ফটাকানি আদিৰ যোগান ধৰাৰ বাদে তেওঁলোকৰ কৰিব লগীয়া আন একো নাছিল। সেয়েহে অৱসৰ সময়ত, অৱশ্যে অৱসৰ সময় তেওঁলোকৰ বহু আছিল তেওঁলোকে নতুন কিবা দেখিলেই দৌৰ মাৰিছিল তাক চাবলৈ আৰু যিহকে দেখে তাৰ পিছে পিছে দৌৰি ফুৰিছিল বা তাক হেঁপাহ নপলোৱাকৈ চাইছিল। বলোৰাম আৰু তেওঁৰ লগৰীয়াসকলৰ বিশেষ আমোদ আছিল যোৰহাটত নতুনকৈ পতা কাছাৰী ঘৰটো আৰু তাত নিতৌ চলি থকা কাণ্ড-কাৰখানাবিলাক। মুন্সিফ, উকিল, ফয়চলা নবিচ, আৰ্জি মহৰী, শুচৰীয়া পদকীয়া, সাক্ষী আদিৰ দৈনন্দিন কাৰ্যকলাপ বিলাক চোৱাটোৱেই আছিল বলোৰাম আৰু লগৰীয়াসকলৰ শ্ৰেষ্ঠ আমোদ। বাতিপুৱা দহটা বজাৰ আগে আগে যিদৰে কেৰানী-মহৰী, মুন্সিফ আদিয়ে দৰ্মহা কটা যোৱাৰ ভয়ত কাছাৰীত হাজিৰ হয় গৈ সেইদৰে বলোৰামহঁতেও কিবা ঘটনা কেনেবাকৈ নেদেখাকৈ যায় বুলি দহটা বজাতে কাছাৰী পায়গৈ। আখৰ চিনি পাওক নেপাওক তেওঁলোকে আৰ্জি-মহৰীয়ে টকা সিকা লৈ আৰ্জি

লিখা চাই চাইও তৃপ্তি পায় আৰু লিখা পঢ়া শিকি আজি মহৰী হোৱাৰ সপোন দেখে। তেওঁলোকে বৰ ভাল পায় সঁচাক মিছা কৰা উকিলৰ বক্তৃতাবিলাক আৰু খুব আমোদ পাইছিল মিছা সাক্ষীৰ সহায়ত হাৰ-জিত হোৱা মোকৰ্দমাবিলাক আদিৰ পৰা অন্তলৈকে চাবলৈ। অসমৰ ভাৰতীয় জীৱনৰ এইবিলাক নতুন নাটকৰ বলোৰামহঁতেই আছিল প্ৰত্যক্ষদৰ্শী। তেওঁলোকে এইটো বুজিছিল যে আহোম ৰাজত্বৰ দিনৰ আঁঠুৰ খিলা কঢ়া, চকু কঢ়া আদিৰ দৰে নিৰ্মম শাস্তিৰ অৱসান হ'ল। কাছাৰীঘৰৰ বিচাৰ-বুদ্ধি বহু পৰিমাণে পূৰ্ণানন্দ বুঢ়াগোঁহাঞিৰ দিনত হোৱা 'পানীমুৱাৰ বিচাৰ'ৰ দৰে হ'লেও তেওঁলোকে এইটো নিশ্চয়কৈ জানিছিল যে 'কাটো বুলিয়েই কটা' বা 'মাৰোঁ বুলিয়েই মৰা' দিন গ'ল। বৃটিছৰ অমোলৰ নানা আইন আৰু বিচাৰে তেওঁলোকৰ জীৱনলৈকো ভৱিষ্যতে নিৰাপত্তা আনিব। বলোৰামে এইটোও বুজিলে যে বৰাওন পণ্ডিৰ ফলি লোৱা ঘৰত শিকি অহা আখৰবিলাক ভালদৰে ব্যৱহাৰ কৰিব পাৰিলে তেওঁ যে কেৱল কীৰ্তন দশমেই পঢ়িব পৰা হ'ব এনে নহয় আজি মহৰীৰ দৰে টকা-সিকা ঘটিবও পাৰিব। পথাৰত হাল বাই থাকোঁতেও, পথাৰত ধান দাই থাকোঁতেও, পথাৰৰ হোলা সিঁচি গৰৈ মাগুৰ মাছ ধৰি থাকোঁতেও বলোৰামে প্ৰায়ে সপোন দেখিছিল পুথি শাস্ত্ৰ পঢ়াৰ, জ্ঞানৰ সোৱাদ লোৱাৰ। বলোৰামে এইটো জানিছিল যে দেশত এক নতুন যুগৰ সূচনা হৈছে আৰু বৃটিছ চৰকাৰে তেওঁলোকৰ কাৰণে আনিছে ভৱিষ্যতৰ এক নতুন প্ৰতিশ্ৰুতি।

কেতিয়াবা কেতিয়াবা বলোৰামে সকলো পাহৰি যায়—তেওঁৰ মনলৈ বাৰে বাৰে আহে গিৰফিত চাহাবৰ উপদেশ "তই আফিং নেখাবি" আৰু বৰাওন চাহাবৰ প্ৰতিশ্ৰুতি "তই আমাৰ ফলি-লোৱা ঘৰত শিক্ষক হ'ব পাৰিবি, তোক আমি সকলো শিকাই ল'ম যীশুখৃষ্টে তোক মৰম কৰিব।" বলোৰামে জানিছিল ভৱিষ্যতৰ প্ৰতিশ্ৰুতি আছে শিক্ষাত,বৰাওন চাহাবৰ ফলি-লোৱা ঘৰত। কিন্তু যোৰহাটত ফলি-লোৱা ঘৰ নাছিল—বৰাওন চাহাব বা ক'ত কেনি গ'ল কোনে জানে। কেতিয়াবা কেতিয়াবা বলোৰামে বৰাওন চাহাবক বিচাৰি শদিয়াৰ পিনে যাবলৈকো ইচ্ছা কৰে। সেয়েহে, তেওঁ যেতিয়া এদিন শুনিলে যে কমাৰগাঁৱৰ কোনোবা এজন কমাৰৰ ভাটীশাললৈ এজন চাহাব আহি প্ৰায়ে কোনোবা এখন নতুন শাস্ত্ৰ আৰু কোনোবা এজন অৱতাৰৰ কথা কয়, বলোৰামে সেই কমাৰজনৰ ওচৰলৈ দৌৰ মাৰিলে। কমাৰজনৰ ঘৰত বহুত দিন খাপ লোৱাৰ পিছত এদিন সঁচাকৈয়ে হাতত বহু কিতাপ পত্ৰ লৈ এজন চাহাব আহিল। বলোৰামে তৎক্ষণাৎ চিনি পালে, তেওঁ শদিয়াত লগ পোৱা বৰাওন চাহাবেই।

ছেউনী আনিব খাইনি ভাগেদি খালী তবিবে খোজ কাঢ়ি অহা বৰাওন চাহাবক দেখি বলোৰামৰ মনপ্ৰাণ নাচি উঠিল। এইটো ১৮৪৪ চনৰ ডিচেম্বৰ মাহৰ ঘটনা। নেথ'ন ব্ৰাওনে গোটেই অসম পদব্ৰজে ভ্ৰমণ কৰি যীশুখৃষ্টৰ বাণী প্ৰচাৰ কৰিম বুলি শিৱসাগৰৰ পৰা যোৰহাট পালেহি। অৱশ্যে, তাৰ আগতে ব্ৰাওন প্ৰায়ে শিৱসাগৰৰ পৰা যোৰহাটলৈ অহা কথাটোও সঁচা। সেয়েহে ইতিমধ্যে তেওঁৰ কথা যোৰহাটত যথেষ্ট ওলাইছিল—অতি সুন্দৰ অসমীয়া কোৱা সাক্ষাৎ ৰামচন্দ্ৰ হেন এজন চাহাবে আমাৰ শাস্ত্ৰ আৰু পণ্ডিতৰ কথাবিলাক খণ্ডন কৰে, আইনাৰ টুকুৰাৰে ইন্দ্ৰধনু উলিয়াই দেখুৱায়, অসমীয়া কেনেকৈ লিখিব প'ঢ়িব লাগে শিকায়, তেওঁ লিখা ধৰ্মপুথি এখন আটাইকে প'ঢ়িবলৈ দিয়ে, ইত্যাদি ইত্যাদি। ব্ৰাওন যোৰহাট পোৱাৰ লগে লগে মানুহলোকে তেওঁক বেঢ়ি ধৰি ইন্দ্ৰধনু-খন দেখুৱাবলৈ ক'লে। খিড়িকীৰ ভঙা আইন টুকুৰা তিনি ডোখৰ জোৰা লগাই তাৰ ভিতৰত পানী সুমুৱাই ব্ৰাওনে এখন প্ৰিজম তৈয়াৰী কৰিছিল আৰু তাৰ সহায়ত বেলিৰ পোহৰ সাতোটা উলিয়াই মানুহক বুজাইছিল "তোমালোকৰ পণ্ডিত বিলাকে যে কয় আকাশত ইন্দ্ৰ থাকে আৰু তেওঁ ইন্দ্ৰধনুৰে দৈত্য, অসুৰ আদি মাৰি তোমালোকক ৰক্ষা কৰা কথা সকলো মিছা। তোমালোকে আকাশত দেখা সাত বৰণীয়া ধনুখন ৰামৰ বা ইন্দ্ৰৰ ধনু নহয়" ইত্যাদি ব্ৰাওন চাহাবৰ কথা শুনা যোৰহাটৰ বাইজে ভালদৰে বুজিছিল যে সেই পুৰুষজনে তেওঁলোকলৈ নতুন কিবা সত্য আনিছে, এক নতুন ধৰ্ম আনিছে। ব্ৰাওনক পাই বলোৰামে তেওঁৰ লগ নেৰা হ'ল।

সেইবাৰ ব্ৰাওনৰ লগত নিধিও যোৰহাটলৈ আহিছিল। নিধিয়ে গৈ যুৱৰাজ কামেশ্বৰ সিংহকও প্ৰিজমখন আৰু বেলিৰ পোহৰৰ সাতোটা ৰং ভাঙি দেখুৱালে। কামেশ্বৰ সিংহই ব্ৰাওনলৈ এটা ধুনীয়া ওলোমা বস্তি পঠাইছিল কিন্তু ব্ৰাওনে বহু দূৰ বাট ঘূৰিব লগীয়া আছে আৰু সেইটো কেনেকৈ ভাঙিব বুলি গ্ৰহণ নকৰিলে।

সেইদিনা সন্ধিয়া যোৰহাটৰ মুন্সিফ গৰাকীও গৈ ব্ৰাওনৰ কাষ পালেগৈ আৰু সুধিলে, "কেপ্তেইন কুকে পৃথিবীখন তিনিবাৰ ঘূৰিছে বুলি মই শুনিছোঁ কিন্তু কথাটো মই বিশ্বাস কৰিবলৈ টান পাইছোঁ, সেইটো সঁচাকৈয়ে সম্ভৱ নে ?" ব্ৰাওনে সেইটো যে সঁচা ক'লে আৰু কেপ্তেইন কুকৰ কাহিনী বৰ্ণনা কৰিলে। সেই মুন্সিফজন আৰু নগৰৰ আন আন সম্ভ্ৰান্তলোক ব্ৰাওনৰ ওচৰলৈ আৰু কেবাবাৰও আহিল আৰু তেওঁলোকে নিজৰ শাস্ত্ৰ বা আন উপায়ে আহৰণ কৰা জ্ঞানবিলাক ব্ৰাওনৰ কথাৰ লগত ৰিজাই ব্ৰাওনৰ পৰা সেইবিলাকৰ সত্য-অসত্য নিৰূপণ

কৰিলে। ব্ৰাওনে তেওঁলোকক বহু জ্ঞান-বিজ্ঞান দিলে, বেলিৰ পোহৰত কেনেকৈ পৃথিৱীৰ পৰিধি বুজিব পাৰি তাকও দেখুৱালে। ধৰ্ম প্ৰচাৰ কৰিবলৈ অহা ব্ৰাওনে নিজে হয়তো নজনাকৈয়ে যোৰহটীয়া বাইজৰ কাৰণে জ্ঞান লিপ্সাৰ নতুন দুৱাৰ মুকলি কৰি দিলে, কিন্তু তেওঁ যি উদ্দেশ্যৰে যোৰহাটলৈ আহিছিল সি সফল নহ'ল—অসমীয়াই খুচৰি খুচৰি তেওঁৰ পৰা জ্ঞান ল'লে, কিন্তু খৃষ্ট-ধৰ্মক আকোঁৱালি ল'বলৈ খুব কমেইহে আগ বাঢ়ি আহিল।

যোৰহটীয়া ৰাইজে ব্ৰাওনক য'তে ত'তে এনে তাৱে আগুৰি ধৰিছিল যে বলোৰামে ব্ৰাওনক ওচৰৰ পৰা লগ পাবলৈ সুবিধা কৰিব পৰা নাছিল। শেষত এদিন এজন সোণাৰীৰ ঘৰতে তেওঁক লগ পালে। নিধিয়ে বলোৰামক ব্ৰাওনৰ লগত চিনাকি কৰি দি আগেয়ে শদিয়াত লগ পোৱা কথা সোঁৱৰাই দিলে। ব্ৰাওনে বলোৰামৰ লগত কথা পাতিবলৈ আৰম্ভ কৰোঁতেই দুজন ব্ৰাহ্মণ পণ্ডিত আৰু বহুলোক গোট খালে। পণ্ডিত দুজনে ব্ৰাওনৰ লগত তৰ্কাতৰ্কি আৰম্ভ কৰিলে। ব্ৰাওনে তেওঁলোকে প্ৰশ্ন কৰিলে,

"কোৱাচোন বাৰু, তোমালোকৰ ধৰ্মত ঈশ্বৰ এজন নে তিনিজন ?"

'ঈশ্বৰ এজন" পণ্ডিতগণে উত্তৰ দিলে।

"ব্ৰহ্মা, বিষ্ণু আৰু শিৱ তেনেহ'লে তিনিও একে ?"

"হয়, একেজন ঈশ্বৰৰ তিনিটা বিভিন্ন ৰূপ।"

"তোমালোকৰ শাস্ত্ৰই জানো ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ ওপৰত এজন পৰম ঈশ্বৰৰ কথা নকয় ?"

"হয়, কয়।"

"তেওঁ দৃশ্যমান নে অদৃশ্যমান, সশৰীৰী নে অশৰীৰী ?"

"তেওঁ অশৰীৰী আৰু অদৃশ্যমান— চকু নথকাকৈও তেওঁ সকলো দেখে, কাণ নথকাকৈও তেওঁ সকলো শুনে, পা ব নথকাকৈও তেওঁ সৰ্বত্ৰ গতি কৰে আৰু তেওঁ যি ইচ্ছা কৰে সিয়েই সংঘটিত হয়।"

"তেনেহ'লে মই সেই অদৃশ্যমান, অশৰীৰী পৰম ঈশ্বৰৰ ধৰ্মকে তোমালোকৰ মাজত প্ৰচাৰ কৰিবলৈ আহিছোঁ।"

ব্ৰাউনে ন দি ক'লে আৰু লগতে যোগ দিলে,

"তোমালোকৰ শাস্ত্ৰত থকা বহু অলৌকিক কাহিনী পণ্ডিতসকলেহে লিখা, সেইবিলাক কাল্পনিক আৰু আৰু তাৰ বেছিভাগেই পৰম ঈশ্বৰৰ জ্ঞানৰ লগত আৰু পৰম সত্যৰ লগত কোনো সম্পৰ্ক নাই।"

"তথাপি আমি আমাৰ শাস্ত্ৰকে মানি চলিম। কৃষ্ণ আৰু তেওঁৰ ভিন্ন ভিন্ন অৱতাৰৰে শ্ৰীচৰণত আমি আশ্ৰয় ল'ম।"

"কিন্তু তোমালোকৰ শাস্ত্ৰত যে কিছুমান অতি ভুল কথা আছে তাক তোমালোকে বিচাৰ কৰিবলৈ ইচ্ছা নকৰা নে?"

"হয়, আমাৰ শাস্ত্ৰত হয়তো দুই এটা ভুল কথা থাকিব পাৰে।"

"থাকিব পাৰে নহয়, আছে বুলি মই ভালদৰে জানো। মইও তোমালোকৰ শাস্ত্ৰ কিছু পঢ়িছোঁ, তোমালোকৰ শাস্ত্ৰৰ মতে পৃথিৱীখন আঠোটা হাতীয়ে ধৰি আছে নহয় নে?"

"হয়, এক বৃহৎ সৰ্পৰ আঠোটা শিৰত থিয় হৈ থকা আঠোটা হাতীয়েই পৃথিৱীখন ধৰি আছে।"

"বৰ দুখৰ কথা যে আমাৰ মানুহে গোটেই পৃথিৱীখন ঘূৰিছে কিন্তু ক'তোৱেই সেই হাতীৰ মূৰ কেইটা দেখা নাই।"

"আপুনি ক'ব খুজিছে নেকি যে আপোনালোকৰ মানুহে পৃথিৱীৰ ইমূৰৰ পৰা সিমূৰলৈকে গৈছে?"

"হয়, তেওঁলোকে গোটেইখন ঘূৰিছে।"

"তেওঁলোকে মহাসাগৰখন পাৰ হৈ সিমূৰলৈ গৈছে নেকি?"

"হয়, মই পৃথিৱীৰ ইপাৰৰ পৰা আহিছোঁ। মোৰ দেশখন তোমাৰ ভৰিৰ পোনে পোনে তলত আছে।"

"আপুনি তল পিনৰ পৰা আহিছোঁ বুলি কেনেকৈ কৈছে? এইখিনিনো আপুনি কেনেকৈ পালেহি?"

"যিদৰে পৰুৱা এটাই সুমথিৰা এটাৰ কেউ পিনে ঘূৰে ঠিক সেইদৰে আমিও পালতৰা নাৱেৰে পৃথিৱীৰ উপৰি ভাগেদি আহিলোঁ।"

"আমাৰ তল পিনে মানুহ থকা সম্ভৱ নে?"

"হয়, ইয়াত যেতিয়া দিন তাত ৰাতি হয়। তোমালোকে হয়তো ভাবিছা তলৰ পিনে থকা মানুহবিলাক কিয় সৰি নপৰে?"

"মানুহবিলাকনো কিয় সৰি নপৰে, কওকচোন বাৰু।"

"তোমালোকে চুম্বকে কেনেকৈ সক বেজী এটা নিজৰ পিনে টানে দেখিছা নহয়? পৃথিৱীৰ গাতও তেনে এক শক্তি আছে যাৰ সহায়ত পৃথিৱীয়ে সকলো বস্তুকে নিজৰ কেন্দ্ৰৰ পিনে টানি ৰাখে, সেয়েহে ওপৰ পিনেই থাকক বা তল পিনেই থাকক পৃথিৱীৰ উপৰিভাগৰ পৰা মানুহ তুজন সৰি নপৰে।"

"এইবিলাক অতি আচৰিত কথা। আপোনালোকৰ শাস্ত্ৰত এই সকলোবিলাক কথা আছে নেকি ?"

"নাই, আমাৰ শাস্ত্ৰত কেৱল ভগৱানৰহে বাণী আছে। মানুহে গমি পিটি উলিওৱা ভূগোল বা বিজ্ঞানৰ কথা তাত নাই। পৃথিৱীৰ বিষয়ে মই তোমালোকক কোৱা কথাবিলাক মানুহে দেখা বা জনা কথা। এতিয়া গুৱাহাটীৰ স্কুলত পঢ়া ছাত্ৰবিলাকেও এইবিলাক সকলো জানে। কিন্তু, ভগৱানৰ কথা যদি পঢ়িব বিচাৰা তেনেহ'লে এইখন কিতাপ পঢ়া।"

সেইবুলি ব্ৰাওনে আটাইকে তেওঁৰ 'চৰণ আশ্ৰই' নামৰ কিতাপখন যাচিলে কিন্তু কোনেও সেইখন লৈ মেলি চাবলৈ সাহস নকৰিলে। সেই ব্ৰাহ্মণ দুজনেও ভয়ত ৰভা-চঙা পৰি কিতাপখন স্পৰ্শ নকৰ কৈ তাৰ পৰা ক্ষন্তেকতে অন্তৰ্ধান হ'ল। ব্ৰাহ্মণ পণ্ডিত দুজন যোৱাৰ পিছত বলোৰামে,

"চাহাব, মোক এখন দিয়ক, মই পঢ়িবলৈ চেষ্টা কৰিম"

বুলি দুই হাত পাতি কিতাপ এখন ল'লে। তাৰ পিছত তাত গোট খোৱা আটাই কেইজনে একোখন কিতাপ লৈ চুবিয়াৰ ভাজত লুকুৱাই আঁতৰ হ'ল। যোৱাৰ আগতে ব্ৰাওনে বলোৰামক জনালে যে তেওঁ বিহুৰ পিছত শিৱসাগৰলৈ উভতিব, তাৰ পিছত শিৱসাগৰলৈ আহিবলৈ তেওঁ বলোৰামক মাতি গ'ল আৰু যোৰহাট এৰি গোলাঘাট অভিমুখে খোজ ল'লে।

## সাত

# চকুপ আস্ৰই

পিছদিনাথন বাস্তিপুৰা চোতালতে জুই একুৰা ধৰি প্ৰকাণ্ড চক এটাত চাউল উখোৱাই থাকোঁতে বলোৰামৰ দেউতাকে হোকাঃচিলিম লৈ জুই পুৱাই থাকোঁতে বলোৰামেও দেউতাকৰ ওচৰলৈ আহি আৰম্ভ কৰিলে,

"অ পিতাই, কালি বৰাওন চাহাবে পুথি এখন দিলে। মই জোঁটাই জোঁটাই অলপ পঢ়িব পাৰিছোঁ, শুনিবি নে?"

"দে পঢ়, আমাৰ আখৰত লিখানে?"

বৰ কাপোৰৰ তলৰ পৰা পুথিখন সাউৎ কৰে উলিয়াই বলোৰামে বৰ উৎসাহেৰে ক'লে,

"এইখন চা, চকুপ আস্ৰই, এইবিলাক অসমীয়া আখৰ মোক লিখিবামে শদিয়াতে বহু শিকালে। বৰাওনৰ লগত নিথিও আহিছিল। সি বৰাওন চাহাবৰ লেখিয়া, ফট ফট পঢ়ে। বৰ ভাল ভাল কথা কয়। তেওঁলোক দুয়ো মোক শিৱসাগৰলৈ মাতিছে। তাতো বোলে এটা ফলি-লোৱা ঘৰ পাতিছে।"

"ফলি-লোৱা ঘৰটোনো আকৌ কি?"

"কেলেই মই দেখোন তোক কৈছিলোঁ। ল'ৰা-ছোৱালীবিলাকে তালৈ ফলি লৈ যাব লাগে। চাহাব আৰু মেমচাহাবে সিঁহতক তাতে লিখা পঢ়া কৰিবলৈ শিকায়। তাতে সকলোৱে মিলি জুলি প্ৰাৰ্থনা কৰে, গীত গায়।"

"অ', পুথিখন তেনেই সৰু।"

কিতাপখন চাই দেউতাকে ক'লে।

"চাওঁ দে, সৰু হ'লে কি হ'ল বহুত কথা আছে। ছপা আখৰ নহয়। কালি স্বৰ্গদেউ আৰু যুৱৰাজে বৰাওনক বৰকৈ খাটিলে বোলে যোৰহাটতে ফলি-লোৱা ঘৰ এটা পাতক।"

"কোন, পুৰন্দৰ সিংহ? সেইজনক কি স্বৰ্গদেউ বুলাবলৈ আহিছ। চন্দ্ৰকান্তহে আমাৰ স্বৰ্গদেউ। পুৰন্দৰেই মানৰ হাতত প্ৰজাসকলক এৰি দি অশেষ জীয়াতু ভুগালে। এতিয়া হ'ব পায় তেওঁ বগা বঙালৰ হতুৱাই আমাৰ জাতি-কুল সকলো নষ্ট কৰিব খুজিছে। তেৰাৰ যে কি অভিপ্ৰায় তেৰেঁ জানে। গোটেই জীৱন স্বৰ্গদেউ চন্দ্ৰকান্তৰ কামত বিধি পথালি দি দেশৰ থি

অমঙ্গল কৰিলে তাতও সন্তুষ্ট নহৈ তেওঁ এতিয়া বৃটিছ চৰকাৰৰ কামতও হ'ব পায় হেতো ওপৰা লগাবলৈ আহিছে। তেওঁৰ ওপৰত মোৰ সমূলি বিশ্বাস নাই।"

'ৰজা মহাৰাজে নেপাতিলেও কোম্পানীয়ে ফলি-লোৱা ঘৰ পাতিব চাবি। গুৱাহাটীত এটা পাতিলে, এতিয়া ডিবুৰু আৰু শিৱসাগৰতো পাতিব বুলি শুনিছোঁ। এতিয়া পঢ়োঁ শুন, বুজি নেপালে ক'বি। অ' বৌটি শুন যদি ইয়ালৈ আহ।"

বলোৰামে আথৰ জোটাই জোটাই পঢ়িবলৈ আৰম্ভ কৰে,

"চকপ আগ্ৰহৈ আদিৰ কথা বতৰা—এটা বুৰাই কোনোবা এটা ডেক-মানুহত কৈছে, হেৰা বুপাই, এফেৰি লাহে লাহে বলা। তুমি এ নয়ে কথা কোআ কৰি, দুয়ো একে লগে গলে ভাল ন হই নে? আৰু যদি মন দিয়া তেন্তে দুটামান কথা কব খোজোঁ।

বলোৰামে কষ্ট কৰি তেনেদৰে প'ঢ়ি থাকোঁতেই আলি বাটেদি যোৱা গাঁৱৰ মেথিয়ে জুইৰ কাষত বহি হোকাটোত দোহোপামান দিওঁ বুলি তেওঁলোকৰ লগত যোগ দিবলৈ বুলি আহিয়েই পোনেই কথা আৰম্ভ কৰিলে।

"সেইয়া ডেকাক মই হাতে হাতে পালোঁ। মই শুনিলোঁ বোলে যোৱাকালি হেনো আমাৰ গাঁৱৰ ডেকা কেইজনমানে পাদুৰী চাহাবৰ পৰা থেস্তান ধৰ্মপুথি ল'লে। এইটো বৰ ডাঙৰ অপৰাধ হ'ল নহয়। ডেকাইঁতে এতিয়া সকলোৰে ধৰ্ম-জাতি-কুল সকলো নষ্ট কৰে দেখোন। বলোৰ হাতত সেইথন হ ব পায় পাদুৰীয়ে দিয়া পুথি? শ্ৰীবিষ্টু, শ্ৰীবিষ্টু, বৰ বেয়া দিন আহিল। আমাক সেইথন নেদেখুৱাই অগ্নি দেৱতাত এক্ষিয়াই সমৰ্পণ কৰ।"

"নাই, সেইথন তেনেই সৰু পুথি কি অনিষ্ট কৰিব? মই তাক ভিতৰ সুমুৱাবলৈ দিয়া নাই। এই বিলাক পুথি ছুলে জাতি কুল নষ্ট হয় নেকি?"

বলোৰামৰ দেউতাকে সুধিলে।

"যায় তোন আকৌ। ক'ৰ বিদেশী মেলেছৰ পুথি। তাতে আকৌ আমাৰ দেৱ-দেৱতাক এৰি কোনোবা যীচু নে বীচুৰ কথা।"

"নহয় পিতাই, সৃজন কৰ্তা পৰম ঈশ্বৰৰ কথাহে বোলে ইয়াত আছে আন কাৰো কথা ইয়াত নাই। মেথি দেউতা, চাওকচোন গোটেই জগতৰে সৃজনকৰ্তা হৰি তেওঁৰনো কি দেশী বিদেশী আছে? সকলোৰে সৃজনকৰ্তা যেতিয়া তেওঁৰ চকুতনো কোন মেলেছ?"

বলোৱে ক'লে।

"বলো, তই এইবিলাক কি বলকিছ? চাৰি বৰ্ণ যি সৃষ্টি কৰিব পাৰে তেওঁ কি মেলেছ সৃষ্টি কৰিব নোৱাৰে? বুজিছা যদু গোসাঁয়ে শুনিলে যে কি কৰিব আৰু নেজানো। তোমাৰে মোৰে ডিঙিত কলহ ওলোমাব যেন পাইছোঁ।"

দেউতাক যাতে মেখিৰ ফলীয়া নগয়, তাকে ভাবি বলোৱে দেউতাকক আশ্বাস দিলে,

"নাই পিতাই, আজিকালি আৰু তেনেদৰে গোঁসায়ে আমাক শাস্তি দিব নোৱাৰে। কাছাৰীৰ মুন্সিফে দোষ-গুণ বিচাৰ কৰি যথাবিহিত শাস্তি দিব পাৰে। আমি কাছাৰীত গোচৰ দিলেই হ'ল।"

"শ্ৰীবিষ্ণু, শ্ৰীবিষ্ণু মই এইবিলাক কি শুনিছোঁ। মোৰটোৰও একেবিলাক কথা। গোসাঁইৰ বিপক্ষে কাছাৰীত গোচৰ দিয়ে। আমাৰ ধৰ্মত দোষ ধৰে। ফৈছুজালি দিবৰে পৰা তাক মই বুজাই বুজাই বলাব নোৱাৰিলোঁ। পিছত মাকেহে শপত দি তাৰ হাতৰ পৰা পুথিখন গুচাব পাৰিছে। অই বলো, আমাক ধৰ্মৰ কথা শিকাব নেলাগে, মই ইয়াত থাকোঁতেই মোৰ চকুৰ আগতেই সেইখন অগ্নি দেৱতাক দে—কেনেবাকৈ যদি তইঁতৰ যৌচুৱে অগ্নি দেৱতাৰ পৰা পুথিখন ৰক্ষা কৰিব পাৰে কৰ'ক। কি কোৱা যদু?"

"সইত, সইত, তিনি সইত, আৰু অমঙ্গল ঘটোৱাৰ কোনো প্ৰয়োজন নাই।" বলোৰ দেউতাকে ক'লে, বলোৰ মাকেও দীঘলকৈ ওবণিখন টানি দুৱাৰ মুখৰ পৰাই মাত দিলে,

"হেৰৌ বলো, মোৰে শপত সেইখন জুইত এতিয়াই পেলা।"

তেওঁলোকৰ কথাবিলাক শুনি বলোৰাম আচৰিত হ'ল। তেওঁ এবাৰ ইজন, এবাৰ সিজনৰ মুখলৈ চাই তেওঁলোকৰ মনৰ ভাব বুজিবলৈ চেষ্টা কৰিলে। তেওঁ কেওপিনে ঘূৰি ঘূৰি চালে কিজানি কেনেবাকৈ ৰৰাওন বা নিধিৰাম আহি সেই থিনিতে ওলায় তেনে আশা কৰি। তেওঁৰ ইচ্ছা হ'ল ৰৰাওনৰ দৰে ৰ'দ এচেৰেঙা ধৰি আটাইকে ইন্দ্ৰধনুৰ তত্ব বুজাব, তেওঁৰ ইচ্ছা হ'ল হিন্দু শাস্ত্ৰৰ শ্লোক আওৰাই তেওঁলোকক বুজাব যে বিদেশীয়ে লিখা পুথি এখন ছুলে বা পঢ়িলে মানুহৰ জাতি কুল ভ্ৰষ্ট হ'ব বুলি ক'তো লিখা নাই আৰু যদি তেনেদৰে লিখা আছে সেইবিলাক মিছা কথা, যিদৰে আমাৰ শাস্ত্ৰৰ আঠোটা হাতীয়ে শিৰত লৈ পৃথিৱীখন ধৰি থকা কথাটো মিছা। কিন্তু তেওঁ কাক কয় কেনেকৈ—মনেৰে উপলব্ধি কৰা কথাটো আনে বুজিব পৰাকৈ ক'ব পৰা তেওঁৰ ভাষাও নাছিল বা

শাস্ত্ৰৰ জ্ঞানও নাছিল। সেয়েহে, মুখ ওফোন্দাই ‘চক’। আগ্ৰহ থন জুইত ফুমুৱাই দি তেওঁ ক’লে।

“ঠিক আছে বাৰু, মই আমাৰ শাস্ত্ৰকে পঢ়িম। কিন্তু মোক আমাৰ শাস্ত্ৰ পঢ়িবলৈ কোনে শিকাব ?”

“কেলেই পণ্ডিত হেম শৰ্মা আছে নহয় ?” মেথিয়ে সমিধান দিলে।

“কিন্তু হেম পণ্ডিতে বামুণৰ ল’ৰাকহে শিক্ষা দিয়ে শূদ্ৰিৰ ল’ৰাক নিদিয়ে।”

“তেনেহ’লে আমাৰ কাকতী আছে নহয়, কাকতীয়েই তোক শিকাব পাৰিব।”

“কিন্তু, কাকতীয়ে বহুত বহুত টকা লৈ ডাঙৰ ডাঙৰ মানুহৰ ল’ৰাকহে শিক্ষা দিয়ে। আপোনালোকে বুজা নাই নে যে আমাৰ দৰে দুখীয়া শূদ্ৰিৰ ল’ৰাৰ লিখা-পঢ়া শিকিবলৈ যোৰহাটত কোনো সুবিধা নাই।”

“পঢ়ি শুনিনো কি লাভ ? কীৰ্ত্তন ভাগৱত নামঘৰত পাঠ কৰাৰ ব্যৱস্থা গোসাঁই ঈশ্বৰে কৰি দিছে যেতিয়া সেই বিলাক নিয়মীয়াকৈ শুনিলেই হ’ল। আমি পঢ়িব নেজানিলেও ক্ষতি নাই।”

“কিন্তু আমাৰ মানুহে যদি লিখা-পঢ়া নকৰে তেনেহ’লে আজি মহৰী, উকিল, মুন্সিফ কোন হ’ব ? সেই বিলাক সদায় বিদেশীৰ হাতত্তে নেথাকিব নে ?

“আমি ডেকাবিলাক আৰু হাত সাবটি বহি থকাত নাই। কালি আমি বহুতেই লগ লাগি ব্ৰাওন চাহাবক হাতে ভৰিয়ে ধৰি খাটিলোঁ। বোলো আপুনি আহি যোৰহাটত এটা ফলি-লোৱা ঘৰ আৰম্ভ কৰক, আমি শ শ জন ছাত্ৰ ভৰ্তি হ’ম।”

মেথি যোৱাৰ পিছত বলোৰামে দেউতাকক জনালে, যোৰহাটৰ হিন্দু মুছলমান বহু ডেকাই ব্ৰাওন চাহাবে যোৰহাটলৈ আহি সকলোকে লিখা পঢ়া শিকাব বুলি আশা কৰিছে আৰু তেওঁ নিজে মাঘৰ বিহুৰ পিছত শিৱসাগৰলৈ গৈ ব্ৰাওন চাহাবৰ ওচৰত আৰু অলপ লিখা পঢ়া শিকিবগৈ।

তাৰ পিছত বলোৰাম শিৱসাগৰলৈ বহুবাৰ গ’ল, ব্ৰাওন আৰু নিধিলেভিৰ পৰা অসমীয়া লিখিব আৰু পঢ়িবলৈ শিকিবৰ কাৰণে, শিৱসাগৰৰ ছপাখানা চাবলৈ আৰু তাত ছপোৱা অসমীয়া কিতাপ বিলাক পঢ়িবৰ কাৰণে। অকল বলোৰামেই নহয় সেই সময়ৰ যোৰহাটৰ বহু ডেকাই সকলো বিষয়তে নতুন নতুন কথা শিকিবৰ কাৰণে শিৱসাগৰলৈ অহা যোৱা কৰিবলৈ ধৰিলে। ব্ৰাওনে যোৰহাটত ফলি-লোৱা ঘৰ পাতিব নোৱাৰিলে—শিৱসাগৰত তেওঁ অতিশয় ব্যস্ত থাকিব লগীয়া হোৱা কাৰণে। কিন্তু, যোৰহাটৰ বহু ডেকাই ব্ৰাওন নিধিৰামৰ প্ৰেৰণাতে

হাতত ফলি লৈ অসমীয়া আখৰ জোঁটাবলৈ আৰু লিখিবলৈ আৰম্ভ কৰিলে আৰু ব্ৰাওন যেতিয়াই যোৰহাটলৈ আহে তেওঁক বেৰি বেৰি, খুচৰি খুচৰি তেওঁৰ পৰা জ্ঞান লভিবলৈ চেষ্টা কৰিলে। এইটো উল্লেখযোগ্য, যোৰহাটলৈ এজন মিছনেৰী আনিবৰ কাৰণে ব্ৰাওনে আপ্ৰাণ চেষ্টা কৰিছিল। ব্ৰাওনে সদায় বিলাই থকা 'চকণ আম্ৰই' খনেই তেওঁলোকৰ কাৰণে স্মৰণ আশ্ৰয় হ'ল। তাৰ আখৰ জোঁটাই জোঁটাই জোঁটাইয়েই যোৰহাট আৰু কলেজ নথকা ওপৰ অসমৰ আন আন ঠাইৰ ডেকা সকলে নিজৰ নিৰক্ষৰতা দূৰ কৰিবলৈ চেষ্টা কৰিলে—ইংৰাজ চৰকাৰে মুক্ত কৰি দিয়া পাইকসকলৰ সতি-সন্ততি সকলক আগৰ দাসত্বৰ পৰ মুক্তি লাভৰ পথ, নিজৰ দৰিদ্ৰতাৰ পৰা উদ্ধাৰ পাবৰ পথ, তেওঁলোকৰ নিৰক্ষৰতা দূৰ কৰিবৰ পথ ব্ৰাওন-ব্ৰন্সন নিধিৰাম আদিৰ দৰে মিছনেৰীসকলেই প্ৰথমে দেখুৱালে। বলোৰামৰ দৰে যোৰহটীয়া ডেকাৰ কাৰণে ব্ৰাওন ধৰ্মপ্ৰচাৰক নাছিল, এজন বহু বিদ্যা-বিশাৰদ শিক্ষকহে আছিল। তাৰ পিছত 'অৰুনোদই' কাকতখন ওলোৱাত বলোৰামে অৰুনোদই পঢ়ি পঢ়ি নগৰ নগৰীয়া আৰু আন আন লোকক জ্ঞান দিব পৰা হ'ল।

# আঠ

## পাৰ্বতী

শিৱসাগৰত বৰাওন চাহাবৰ বহাত থাকোঁতেই বলোবামে এদিন এটা আচৰিত ঘটনা দেখিলে যি তেওঁৰ মনত এক অভাৱনীয় প্ৰভাৱ পেলালে। এজন বেছ বয়সীয়া ব্ৰাহ্মণে এজনী দহ এঘাৰ বছৰীয়া সক ছোৱালীক বৰাওন পত্নীৰ ওচৰলৈ আনি ক'লে,

"আই, এইজনী মোৰ নাতিনী পাৰ্বতী। মোৰ বিধবা কন্যাৰ ছোৱালী। তাইক চাওঁতা খুৱাওতা কোনো নাই। তাইক আপোনা'ৰ ওচৰত সতাবলৈ আহিলোঁ। তাইক ৰাখক যি ভাল দেখে যেনেকৈ পাৰে ডাঙৰ কৰক।"

"কেলেই, তোমাৰ তিৰোতা নাই নে? তোমাৰ জাত কি? তাইৰ মাক ক'ত?"

"আই, মই জাতত ব্ৰাহ্মণ। মোৰ পত্নী কেতিয়াবাই সিপুৰীলৈ গ'ল। তাইৰ মাকে এতিয়া আন এটা মানুহ ল'লে। এই বৃদ্ধ বয়সত তাইক খুৱাবলৈও মোৰ সামৰ্থ্য নাই। নিজে খুজি মাগি খাওঁ। তাইক লগত লৈ ফুৰিবও নে ৱাবোঁ। পাৰ্বতীৰ মাককে বা দোষ দিওঁ কেনেকৈ? বিধবা কাৰণে কেউপিনে কেৱল অনলজীয়া জুয়ে তাইক গ্ৰাস কৰাৰ আগেয়ে যি কৰিলে ভালেই কৰিলে। আপোনা লোকেহে এতিয়া পাৰ্বতীক ৰক্ষা কৰিব পাৰিব। ৰাখক আই, ৰাখক।"

"কিন্তু আমাৰ লগত থাকিলে দেখোন তাইৰ জাত যাব। পিছত তাই আমাৰ ধৰ্ম ল'ব পাৰে। আমি তাইক আকৌ বিয়া দিব পাৰোঁ। এই চব কথা তুমি জানা নে? আমাৰ ইয়াত সকলো জাতৰ ছোৱালী একেলগে থাকে। তাইৰ মাকৰও মত লাগিব।"

"আপোনালোকে যি ভাল দেখে তাকে কৰক। আপোনালোকে তাইৰ মঙ্গল কৰিব বুলি মোৰ সম্পূৰ্ণ বিশ্বাস আছে। সেয়েহে আহিছোঁ। আমি মানুহ চিনি পাওঁ। আপোনালোকেই তাইৰ একমাত্ৰ ভৰসা। তাইৰ মাকেও মত দিব। মাকও আপোনালোকৰ ওচৰলৈ আহিব। তাইৰ লগতে কোনোবাই আমাৰও অনিষ্ট কৰে বুলিহে মাক আমাৰ লগত নাহিল।"

তাৰ পিছত বৰাওন চাহাবও আহিল আৰু দুদিন বৰাওন দম্পতী, সেই ব্ৰাহ্মণ আৰু মিছনত থকা আন আন লোকৰ বহু আলোচনা হ'ল।

বৰাওন : তুমি শাস্ত্ৰ পঢ়া নে ? সংস্কৃত জানা নে ?

ব্ৰাহ্মণ : হওঁতে দেৱভাষাত মোৰ জ্ঞান ক্ষীণ। দেশী ভাষাৰ ভাগৱত শাস্ত্ৰখনেই পঢ়োঁ। পুৰাণ দুই এখন লগে লগে পাঠ কৰিছোঁ।

বৰাওন : তোমালোকৰ শাস্ত্ৰত বহু ভুল কথা আছে বুলি তুমি জানা নে ?

ব্ৰাহ্মণ : পৰম পুৰুষ শ্ৰীকৃষ্ণৰ বাণী ব্যাসদেৱৰ ৰচনা মানুহৰ মুখে মুখে চলি আহিছে। অজ্ঞ জনে নিশ্চয় দুই এটা কথা ভুলকৈ সুমুৱাইছে। সেইবিলাক বিচাৰ কৰিবলৈ এই অধমৰ শক্তি নাই দেউতা। মোক নধৰিব।

বৰাওন : তুমি আমাৰ শাস্ত্ৰত পঢ়িবলৈ পাইছা নে ? যীশুখৃষ্টৰ বাণী তুমি পৰীক্ষা কৰিছা নে ?

ব্ৰাহ্মণ : আপুনি বিলোৱা দুই এখন পুথি পঢ়ি চাইছোঁ। বৰ সজ কথা আছে। কিন্তু দেউতা ঈশ্বৰ আপোনাৰ শাস্ত্ৰতো ভুল কথা নাই নে বাৰু ? আপোনাৰ শাস্ত্ৰই বাৰু পৃথিৱীখন ঘূৰণীয়া বোলে নে, চেপেতা বোলে ? আপোনাৰ শাস্ত্ৰই পৃথিৱীয়ে সূৰ্য্যক প্ৰদক্ষিণ কৰা বোলে, নে, সূৰ্য্যই পৃথিৱীক প্ৰদক্ষিণ কৰা বোলে ? মই দেখোন তাৰ সম্বিধান নেপালোঁ।

বৰাওন : এইটো অলপ ভাবিব লাগিব। আমাৰ শাস্ত্ৰতো মানুহে দুই এটা ভুল আনিছে ? কিন্তু অৱতাৰ যীশুৰ বাণীত ভুল নাই। তেওঁ সকলোকে দয়া মৰম কৰে, সকলোৰে পাপ ক্ষমা কৰে। তেওঁৱেই একমাত্ৰ ত্ৰাণ কৰ্তা।

ব্ৰাহ্মণ : দেউতা বৰ পণ্ডিত মানুহ। সকলো পঢ়ি শুনি বুজিছে। আমাৰ শাস্ত্ৰও বহু পঢ়িছে। আমাৰ শাস্ত্ৰত বাৰু কিবা ভাল কথা পাইছে নে ? আমাৰ শাস্ত্ৰৰ সকলো কথাই ভুল নেকি ?

বৰাওন : নাই, নাই তোমালোকৰ শাস্ত্ৰত বহু ভাল কথা আছে আৰু আমাৰ শাস্ত্ৰৰ লগত মিলে। তোমালোকৰ শাস্ত্ৰ বৰ গধুৰ। বুজা টান। পণ্ডিতেও নুবুজে আৰু মানুহক মিছা বোলে। দুখীয়া সৰু মানুহে শাস্ত্ৰৰ কথা বুজা বৰ টান। পণ্ডিতবিলাক ভাল মানুহ নহয়। সাধাৰণ মানুহক লিখা পঢ়া কৰিব নিদিয়ে। ডাঙৰ মানুহ আৰু পণ্ডিত কেৱল নিজৰ সুবিধা কৰি লৈছে। আমাৰ শাস্ত্ৰ সকলোৱে বুজি পাব। আমি অসমীয়া ভাষাত লিখিছোঁ আৰু সকলো মানুহকে অসমীয়া লিখা পঢ়া দিম। অসমীয়া মানুহ ভাল হ'ব।

ব্ৰাহ্মণ : আমাৰ শাস্ত্ৰত মই আস্থা পাইছোঁ। কৃষ্ণৰ চৰণতে মই দাস হৈছোঁ। কিন্তু মোৰ ধৰ্মত, মোৰ সমাজত এই ছোৱালীটিৰ কাৰণে কোনো আস্থা নাই। আপোনালোকে তাইকেই আশ্ৰয় দিয়ক।

ৰবাওন : তোমাৰ ছোৱালীয়ে খৃষ্টিয়ান হ'বলৈ বিচাৰিলে তুমি বাধা দিবা নেকি ?

ব্ৰাহ্মণ : নাই, নাই কেতিয়াও নিদিওঁ। আপোনালোকে কেনেকৈ ছোৱালী-বিলাকক শিক্ষা দি ডাঙৰ কৰিছে মই নিজ চকুৰে দেখি আছিছো। বৰ পুণ্য কৰিছে। আপোনালোকক ভগৱানেহে আনিছে। আপোনালোকৰ মঙ্গল হওক। এই ছোৱালীটিয়ে যীশুখৃষ্টৰ চৰণত আশ্ৰয় লওক। মই তাকেই কামনা কৰিলো। হিন্দু ৰূপে তাইৰ কোনো গতি নাই। মোৰ মাত্ৰ এটাই অনুৰোধ। যদি সম্ভৱ হয় গো-মাংস যেন তাইৰ মুখত নিদিয়ে অন্ততঃ তাই নিজে বুজিব পৰা নোহোৱালৈকে।

ৰবাওন : তাৰ কাৰণে তুমি চিন্তা নকৰিবা। আমাৰ মানুহে যদিও গৰু-মাংস খায় আমি ইয়াত সেই মাংস খোৱা বন্ধ কৰিছো। আমি জানো আমাৰ হিন্দু মানুহে গো-হত্যা দেখিবলৈ বেয়া পায়। সেই কাৰণে আমি তোমাৰ মানুহৰ লগত মিল হৈ থাকিবলৈ সেই কাম মানা কৰি দিছো। গৰু-মাংস নেখালে খৃষ্টিয়ান মানুহৰ হানি নহয়। হিন্দু খৃষ্টিয়ান সকলো মিল হৈ থাকিব লাগে। সেইটো বেছি দৰকাৰ।

শেষত ৰবাওন পত্নীয়ে সেই ব্ৰাহ্মণজনৰ নাতিনী পাৰ্বতীক নিজৰ লগত ৰাখি শিক্ষা দিবলৈ মান্তি হ'ল। পাৰ্বতীৰ মাকেও ৰবাওন পত্নীক লগ ধৰি সন্মতি দিলে। ৰবাওন পত্নীয়ে পাৰ্বতীৰ মাক আৰু ককাদেউতাকক এইটো স্পষ্ট কৰি দিলে যে তাই নিজে ইচ্ছা কৰিলে আৰু তাই খৃষ্টিয়ান নীতি নিয়ম মানি চলিব পৰাৰ যোগ্যতা দেখুৱালেহে তাইক খৃষ্টিয়ান কৰিব। সেই ব্ৰাহ্মণজনে মাহেকে পষেকে পাৰ্বতীক চাবলৈ আহিম বুলি প্ৰতিশ্ৰুতি দি মিছনৰ পৰা আঁতৰি আহিল যদিও তেওঁ কেইদিনমান গছ তলে বাঁহ তলে টৌ খুটি মাৰি শিৱসাগৰতে থাকিল।

এজন অসমীয়া ব্ৰাহ্মণে ইমান আত্মবিশ্বাসেৰে আৰু ইমান নিঃসংকোচভাৱে নিজৰ নাতিনীয়েকক খৃষ্টিয়ান হওক বুলি এৰি দিয়া দেখি ৰণোৱাম আচৰিত হ'ল। তেওঁ তাতোকৈয়ো আচৰিত হ'ল এই কাৰণেই যে সেই ব্ৰাহ্মণ পণ্ডিতৰ প্ৰশ্নৰ উত্তৰত ৰবাওনেও নিজৰ শাস্ত্ৰতো ভুল আছে বুলি স্বীকাৰ কৰা দেখি। সেয়েহে ৰণোৱামে তেওঁৰ মনত উত্তৰ হোৱা নানা প্ৰশ্নৰ সমাধান বিচাৰি সেই উদাৰ ব্ৰাহ্মণজনৰ লগতে লাছনি-পাছনি কৰি থাকিলে আৰু তেওঁৰ পৰাই খুচৰি খুচৰি নানা কথা উলিয়াবলৈ ধৰিলে—

ৰণোৱাম : দেউ, আপুনি যে ছোৱালটিক তেনেদৰে এৰি দিলে পাদুৰী চাহাবে

তাইৰ কিবা অপায় অমঙ্গল কৰিব পাৰে বুলি আপোনাৰ অকণো ভয় নাই নে ?

ব্ৰাহ্মণ : কেনেকৈ শঙ্কা হয় ? তুমি নেদেখিছানে বৰাওন চাহাব সাক্ষাৎ ৰামচন্দ্ৰ —দেখাই শুনাই সকলোপিনৰ পৰা। তেওঁলোকে যি দয়া মৰম দেখুৱাইছে সেইয়া মই গোটেই ভূ-ভাৰতত দেখা নাই। তেওঁলোক অতিশয় ধাৰ্মিক লোক। মোৰ অকণো চিন্তা নাই। ছোৱালীজনীৰ কাৰণে নিজে একো এটা কৰিব নোৱাৰিলোঁ বুলিহে মোৰ প্ৰাণে কান্দে।

বলোৰাম : ঠিকেই কৈছে তেৰাসয় অতি দয়ালু লোক। আমাৰ লোকে ছেই ছেই কৰা নীচজাতৰ বা অনাথ ল'ৰা-ছোৱালী বিলাকক কেনেদৰে আকোঁৱালি লৈছে। তেনে দয়া মৰমত বাৰু কাৰ আস্থা নাহিব ? দেউ, আজি কিছুদিনৰ পৰা মোৰও তেওঁলোকৰ লগতে বুৰ লৈ খৃষ্টান হ'বলৈ মনটোৱে উচপিচাই আছে কিন্তু তেওঁলোকৰ লগত কিবা অখাদ্য খাব লাগিব বুলিহে বাৰে বাৰে বাধা পাইছোঁ। ইয়াৰ কিবা এটা মীমাংসা আপুনিয়েই দিয়কচোন।

ব্ৰাহ্মণ : মই ভাৰতৰ ইমূৰৰ পৰা সিমূৰলৈকে সকলো তীৰ্থভূমি ঘূৰিলোঁ বুজিছা। ক'তোৱেই মোক ব্ৰাহ্মণসকলে লগত বহি পানী এটোপা খাবলৈ নিদিলে, বোলে অসম দেশৰ ব্ৰাহ্মণ সকলোৱেই মাছ-মঙহ খায়, গতিকে সকলোৱেই অস্পৃশ। হওঁতে কথাটো হয়। আমাৰ শাস্ত্ৰ প'ঢ়িলে বুজা যায় যে সকলো জীৱই পৰমাত্মাৰ অংশ যেতিয়া জীৱহত্যা মহাপাপ। সকলো ধৰণৰ মাছ-মাংসই অখাদ্য। কিন্তু এই অধৰ্মীৰ অসম ৰাজ্যত ব্ৰাহ্মণসকলেও তেজ মঙহত মুখ দিয়ে এইবিলাক নিজৰ লোভৰ কাৰণে নিজৰ সুবিধাৰ কাৰণে মানুহে কৰা নিয়ম। তেওঁলোকৰ কথানো আমি কেনেকৈ জানো ? সাত সাগৰ তেৰ নদী পাৰ হৈ কোন দেশৰ কি ঠাইৰ পৰা আহিছে আমিনো কি ভূ পাম। কিবা কাৰণত সিবিলাকত মুখ দি আহিছে। মঙহত কামোৰ দিছে যেতিয়া আমাৰ বিলাকেও যে এদিন সিবিলাকতো মুখ নিদিব কোনে জানে। এইখন তেনেই অধৰ্মীৰ দেশ। আমাৰ গুৰু গোঁসাই আটাইয়েই অধৰ্মী, ৰক্ষা ক'ত ?

বলোৰাম : দেউ, খৃষ্টান হ'লে ৰক্ষা পৰিম নে বাৰু ?

ব্ৰাহ্মণ : পৰম ঈশ্বৰৰ ওপৰত বিশ্বাস ৰাখি একান্ত চিত্তে লাগিলে যেই কোনো পথেৰেই মুক্তি পাব পাৰি।

## ন

## স্বৰূপ আশ্ৰয়

বলোৰাম : আমাৰ নিচিনা মুৰ্খক, আমাৰ দৰে শাস্ত্ৰৰ সোৱাদ পাব নজনা লোকক গুৰু-গোঁসাই কোনোবাই কিবা এটা পথ দেখুৱাই নিদিলে আমি কিবা এটা পথ বাচি ল'বৰ শক্তি দেখোন আমাৰ নাই। আমাৰ গুৰু-গোঁসাইৰ ওপৰত মোৰ আস্থা নাই। তেওঁলোকে আমাক সদায় অজ্ঞানী কৰি ৰাখিবলৈ বিচাৰে। আখৰ কেইটাও জুকিয়াবলৈ আমাক নিশিকায়। গিৰিস্তি চাহাব আৰু ৰবাওন চাহাবৰ অনুগ্ৰহত শব্দ কেইটামান আওৰাব পৰা হৈছোঁ। মই এইটো নিশ্চয়কৈ বুজিছোঁ যে শিক্ষা নহ'লে আমাৰ নিস্তাৰ নাই। চৰকাৰে আমাক মুকলি কৰি দিছে হয়, আমাক মুক্তিৰ পথ দেখুৱাই দিয়া নাই। টেকেলাৰ হাতত প্ৰাণ হেৰুৱাৰ ভয়ত আগেয়ে আমাৰ মানুহে উঠ বোলোঁতে উঠিছিলোঁ 'বহ' বোলোঁতে বহিছিলোঁ। এতিয়া যেনিবা তেনে কৰিব নেলাগে। এতিয়া আমাক লাগে বিদ্যা, পুথি পঢ়াৰ বিদ্যা, চাকৰি কৰাৰ বিদ্যা, উকীল হোৱাৰ বিদ্যা। কিন্তু আমি বিদ্যা পাওঁ কেনেকৈ? পাদুৰী চাহাব-সকলে আমাক বিদ্যা দিবলৈ আগ বাঢ়ি আহিছে। ৰবাওন চাহাবকে গুৰু মানি তেওঁৰ চৰণতে শৰণ ল'বলৈ মই মনতে ঠিক কৰোঁ। কিন্তু বাৰে বাৰে কিবা এটাই বাধা দিয়ে। দেউ, বাৰু কওকচোন আপুনি খৃষ্টান হ'ব নে?

ব্ৰাহ্মণ : শ্ৰীকৃষ্ণৰ পৰম দয়াত এই অধমে তেওঁক কিঞ্চিত বুজিবলৈ তেওঁক কিঞ্চিত চিনিবলৈ সমৰ্থ হৈছোঁ। নিজকে তেওঁৰ শ্ৰীচৰণতে অৰ্পিছোঁ। তেওঁৰ দাসৰও দাস হৈয়েই শান্তি লভিছোঁ যেতিয়া মই কেতিয়াও খৃষ্টান নহওঁ। কিন্তু তুমি বা আন কোনোবাই খৃষ্টান হ'বলৈ বিচাৰিলে মই বাধা নিদিওঁ।

বলোৰাম : দেউ, আপুনি বাৰু শ্ৰীকৃষ্ণক কেনেকৈ চিনিবলৈ শিকিলে, কেনেকৈ বুজিব পাৰিলে তাকে মোক অলপ জ্ঞান দিব নে? আপুনি শূদ্ৰিৰক শাস্ত্ৰ শিকাব নে?

ব্ৰাহ্মণ : নিশ্চয় শিকাম। তুমি আহিবা। গীতা আৰু ভাগৱতখন পঢ়িবলৈ আৰু বুজিবলৈ মই শিকাই দিম। আমাৰ অধৰ্মীইতলৈ মোৰ ভয় নাই। বিধবা ছোৱালীজনীয়ে বিয়া কৰোৱা কাৰণে তাইক বৰ্জন কৰিছে আৰু মোকও তাইৰ লগত সম্পৰ্ক সম্পূৰ্ণ বিচ্ছিন্ন কৰিবলৈ কৈছে। মই বোলো এই আঠ বছৰীয়া, ওঁঠ চেপিলে গাখীৰ ওলোৱা ছোৱালীজনীকও ঘৰৰ পৰা উলিয়াই

দিব লাগে। তা'ৰ কি হ'ব, ক'লৈ যাব? ধৰ্মৰ নীতি-নিয়মৰ নামত মানুহৰ প্ৰতি এই অৱজ্ঞা কেনে কথা? পৰম ঈশ্বৰ পৰম দয়ালু। আমাৰ যদি তেওঁৰ ওপৰত বিশ্বাস আছে তেনেহ'লে আমিও দয়া মৰমহে দেখুৱাব লাগে। দয়া মৰম দেখুৱ'ম কালৈ—সকলো প্ৰাণীলৈ, কিয়নো সকলোৱেই তেওঁৰ অংশ। আমাৰ বহু পণ্ডিতে আমাৰ শাস্ত্ৰবিলাক আৰু আমাৰ নীতি-নিয়মবিলাক বৰ বিকৃত কৰিছে। শক্তি থকা হ'লে সকলো পৰিবৰ্তন কৰিবৰ মন যায়। যাহওক, যি পাৰোঁ যি কেইটাদিন জীয়াই আছোঁ কৃষ্ণৰ মহিমাক প্ৰচাৰ কৰিম শূদ্ৰিৰকে শুচি কৰিবলৈ যত্ন কৰিম। মোৰ কোনো শঙ্কা নাই।

বলোৰাম: বাৰু দেউ, এটা কথা কওকচোন। আমাৰ শাস্ত্ৰত বাৰু শূদ্ৰিৰক শাস্ত্ৰ শিকোৱা আৰু কিবা বোলে বিধৱাৰ বিবাহ সঁচাকৈয়ে মানা নেকি? এই বিলাক কোন শাস্ত্ৰত আছে?

ব্ৰাহ্মণ: হওঁতে সেইবিলাক মনুৰ শাস্ত্ৰত বাৰণ কৰিছে। মনুৰ শাস্ত্ৰত আছে দেখিবলৈ পাইছোঁ। কিন্তু সেইখন শাস্ত্ৰ নহয়—আবৰ্জনা। মনুৰ নামত কোনে কৈছে কোনে জানে? যি সেইবিলাক লিখিছে তেওঁ কেতিয়াও সিদ্ধ পুৰুষ হ'ব নোৱাৰে। সেই মনু কোনোবা অনাচাৰীহে। সেইবিলাক কেতিয়াও ভগৱানৰ বাণী হ'ব নোৱাৰে।

বলোৰাম: দেউ, আপোনাৰ এই বিধবা ছোৱালীটিয়ে দ্বিতীয়বাৰ বিবাহ কৰাত আপুনি মনত বৰ দুখ পাইছে নেকি?

ব্ৰাহ্মণ: নাই। মই প্ৰাণেৰে উপলব্ধি কৰিছোঁ যে তাই ভালেই কৰিছে। কিন্তু সিহঁত দুটাই আগৰ পক্ষৰ ছোৱালী এই পাৰ্বতীৰও দায়িত্বটো লোৱা হ'লে ভাল পালোহেঁতেন। এই কণমানি ছোৱালীজনীক সিহঁতে মোৰ ওচৰত এৰি দিব নেলাগিছিল বা এনেদৰে নিঠৰুৱা কৰিব নেলাগিছিল। নিজৰ ল'ৰা-ছোৱালীক মানুহ কৰাৰ দায়িত্ব কোনো মাক বা বাপেকে এৰি দিয়াটো পাপ, মহাপাপ।

বলোৰাম: এই বিলাক দেখি শুনি মই বিয়া কৰিবলৈকে, মানুহ এজনী গোসাঁই ল'বলৈকে ভয় কৰিছোঁ। কেনেবাকৈ সোনকালে মৰি থাকিলে মানুহজনীয়ে যদি ল'ৰা-ছোৱালী এৰি আন এটাৰ কাষ চাপে সি কেনে কথা হ'ব?

ব্ৰাহ্মণ: এইবিলাক ভয়ৰ কাৰণ নহয়। জন্ম-মৃত্যু কেৱল পৰম ঈশ্বৰৰ হাতত। কাৰ কপালত বিধাতাই কি লিখিছে কোনে জানে? ক্ষণে ক্ষণে মৰণৰ ছাঁ দেখি উচাপ খোৱা অনুচিত। কৃষ্ণৰ চৰণত চিত্ত দিলে সকলো সংশয় আঁতৰ

হ'ব। বিবাহ এটা পুণ্য কাৰ্য্য, পৱিত্ৰ কথা। মতা মাত্ৰেই এজনী স্ত্ৰী আৰু মাইকী মাত্ৰেই এজন স্বামীক জীৱনৰ সঙ্গীৰূপে লৈ কৃষ্ণ চিন্তাত লাগি থকাটোৱেই সজ। আদৰ্শ হ'ব লাগে এবাৰেই বিয়া কৰোৱাৰ। গিৰিয়েক ঢুকালে যিদৰে পত্নীয়ে দুনাই বিয়া কৰোৱা অনুচিত সেইদৰে ঘৈণীয়েক ঢুকালে মতাইও দুনাই বিয়া কৰোৱা অনুচিত। পৰম তত্বৰ পৰা এই সিদ্ধান্ত সহজেই পাব পাৰি। এইটো সজ আদৰ্শ। এই আদৰ্শৰেই মানুহে নিজৰ কৰ্মপথ বিচাৰ কৰি উলিয়াই ল'ব লাগে। সেয়েহে কিবা কাৰণত কোনো মুনিহ বা তিৰোতাই যদি দ্বিতীয়বাৰ বিবাহ কৰে তাত আমি দোষ ধৰিবলৈ কোন? আদৰ্শত থাকিব নোৱৰা কাৰণেইতো আমি মানুহক অৱজ্ঞা কৰিব নোৱাৰোঁ। মানুহৰ আদৰ্শ সাধু-সন্ত হোৱা—সেইবুলি সাধু-সন্ত হ'ব নোৱৰাসকলকতো আমি কাটি-মাৰি খান্তাং কৰিব নোৱাৰোঁ। দয়া-মৰমৰ আদৰ্শৰ অৰ্থ এয়েই যে যি দয়া-মৰমৰ মোল নুবুজে সেইলোককো দয়া-মৰমেৰে স্পৰ্শ কৰা।

বলোৰাম: এইবিলাক বৰ গধুৰ কথা এই মূৰ্খৰ মগজে ঢুকি নেপায়। দেউৱে আৰু অলপ ব্যাখ্যা কৰিব নে? মই এইটো বুজিলোঁ যে মানুহে এবাৰ এজনীৰে লগতে বিয়া-বাৰু কৰি ল'ৰা-ছোৱালীক জন্ম দিব লাগে, সিহঁতক মানুহ কৰিব লাগে, কৃষ্ণ-চিন্তা কৰিব লাগে। কিন্তু কেনেবাকৈ যদি সিজনী সিপুৰী হয় বা মতাটোৱেই যমপুৰী পায়গৈ তেনে কি কৰিব লাগে নুবুজিলোঁ।

ব্ৰাহ্মণ: যাওঁতে সকলো অগাপিছাকৈয়ে যাব লাগিব। গিৰিয়েক ঘৈণীয়েক হালেই একেলগে যোৱানো তুমি কিমান দেখিছা?

বলোৰাম: অঁ সেইটো বুজিছোঁ। মানে বয়সৰও কথা আছে নহয়। মই ভৰ বয়সৰ কথা কোৱা নাই। ডেকা বয়সতে দুজনৰ এজনে যাব লগীয়া হ'লে জীয়াই থকা জনে কি কৰা উচিত? এইটো মোৰ প্ৰাণত লাগি আছে। মই নিজেই যিজনীৰ লগত বিয়া-বাৰু কৰিম বুলি বান্ধ খাইছিলোঁ—তাই বিয়া নৌ হওঁতেই হাইজাত গ'ল। আকৌ বিয়া কৰিবলৈ মোৰ দেখোঁ স্পৃহা নহয়। তাইৰ কথাই সদায় মনলৈ আহে। কিন্তু কেতিয়াবা কেতিয়াবা ভাব হয় যে এনেদৰে ডঙুৰা হৈ থকা উচিত নহয়। ঘৰত, গাঁৱত সকলোৱে জোৰ দিয়ে 'বিয়া কৰ' বিয়া কৰ' বুলি, মোৰ কিন্তু বৰ ভয় হয়। জানোচা আকৌ বিয়া হ'বলৈ নৌপাওঁতেই বা ক'ম বয়সতে সিজনীও সিফলীয়া হয়। যোৱা বেলি মনটোৱে বৰ কষ্ট পালে। এতিয়াও তাইৰ কথা মনত পৰি থাকে। তাই আহি সপোনতো দেখা দিয়ে বোলে, বলো এনেদৰে হাত সাৱটি বহি

নেথাকিবি। তোৰ কাম কৰ, পিছে মোৰনো কাম কি তাই নকয়, মইও ভাবি পাব নেপাওঁ। আপুনিয়েই কওকচোনে মই কৰোঁ কি?

ব্ৰাহ্মণ: তুমি বৰ সজ কৈছা। ভগৱানে তোমাৰ মঙ্গল কৰিব। তোমাৰ ভাগ্যত যি ঘটিল সি সচৰাচৰ নঘটে। গাৰ্হস্থ্য জীৱন কৰা সকলৰ বা কৰিবলৈ লোৱা সকলৰ ডেকা বয়সতে দুজনৰ এজনৰ প্ৰাণ হানি সততে নহয়। এই বিলাকক কয় ব্যতিক্ৰম। এনে ব্যতিক্ৰমক লৈ আমাৰ মূল আদৰ্শ বা মূল নীতি সৃষ্টি হোৱা নাই। আমাৰ মূল আদৰ্শ সাধাৰণতে হৈ থকা গতি-বিধিৰ কাৰণহে। সেই আদৰ্শ হৈছে জীৱনত এবাৰেই এজনক সঙ্গী কৰি লৈ সংসাৰ কৰ্ম কৰ', সৃষ্টি কৰ্ম কৰা মানে ল'ৰা-ছোৱালীক জনম দি সিহঁতক মানুহ কৰা আৰু সেইবিলাক সদায় কৃষ্ণক প্ৰাণত ধ্যান কৰি কৰা। এজনৰ মৃত্যু হ'লে জীয়াই থকাজনে দিজনৰ দায়িত্ব খিনিও পালন কৰিব লাগে। কিন্তু কোনোবাই যদি একেবাৰে ডেকা বয়সতে বৰলা বা বিধবা হৈছে বা তোমাৰ নিচিনা এজনে দুয়োৰে আধকৰা কাম খিনি কৰিবলৈ অসমৰ্থ হৈ আকৌ আন এজন সঙ্গী লৈছে তাত দোষ ধৰিব লগীয়া একো নাই। কেৱল তেওঁলোকে সেইটো গাৰ্হস্থ্য জীৱনৰ আদৰ্শ মনত ৰাখি কৰা উচিত। এই বিলাক ব্যক্তিগত বিচাৰ।

বলোৰামে: তেনেহ'লে আপুনি মোক বিয়া বাৰু পাতি সংসাৰ পাতিবলৈকে কয়।

ব্ৰাহ্মণ: সেইটো তোমাৰ বিচাৰৰ ওপৰত। অৱশ্যে, তোমাৰ ক্ষেত্ৰত কথাটো সহজ। তোমাৰ ল'ৰা ছোৱালী নাই যেতিয়া আন একো দায়িত্ব নাই যেতিয়া তুমি নিজে ভাবি চোৱা', এজনীৰ লগত সংসাৰ কৰি ল'ৰা-ছোৱালী জনম দিবলৈ, সিহঁতক মানুহ কৰিবলৈ তোমাৰ মন আছে নে নাই। ঘৰখন চাবলৈকো মানুহ এজনী লাগে। সেইদৰে মানুহ এজনীকো খুৱাব বুৱাবলৈ মানুহ এটা লাগে। দুয়োৰে দুয়োকে প্ৰয়োজন। কিন্তু এই দ্বৈত জীৱন এক চৰম আদৰ্শ আগত ৰাখি কৰিব লাগে। পৰম ঈশ্বৰক পাহৰিব নেলাগে, সেইটোহে অতি প্ৰয়োজন।

বলোৰাম: হওঁতে ঘৰ এখন পাতিবলৈকে মোৰ মনটো। আমাক চৰকাৰে মুকলি কৰি দিছে। আমি আৰু আগলৈ আনৰ দাস হৈ থাকিব নেলাগে। তথাপি আমাৰ জীৱনত একো নহ'ল যেতিয়া মোৰ বৰ আশা ল'ৰা ছোৱালী জন্ম দি পাদুৰী চাহাবসকলৰ ওচৰত শিক্ষা দিয়াৰ, য'তে মোৰ ল'ৰাইও বিদ্যা লাভ

কৰি ডা-ডাঙৰীয়াৰ শাৰী পূৰাব পাৰে বা আনৰ মাজতো গিয়ান বিলাব পাৰে। চাহাবসকলৰ গিয়ান গৰিমা চাওকচোন। গছ-পাত, চাহপাত, ফলমূল, তৰা, নক্ষত্ৰ, বামধনু মঠ মন্দিৰ সকলোতে তেওঁলোকৰ চকু, সকলোৰে পৰা তেওঁলোকে গিয়ান লভিছে। আকৌ গিয়ান বিলাবলৈ তেওঁলোকৰ কি হেঁপাহ। পৰেকতে আমাৰ মাত কথা শিকি ডুখীয়া, নিচলা, কোচ-কছাৰী নদীয়াল আটাইকে শিক্ষা দিছে আৰু কয় বোলে আটায়ে গিয়ান লভিব পৰা শক্তি আছে। দেউ, মোৰ দায়-দোষ থেমিব। মই তেওঁলোকৰ কথাত পতিয়ন গৈছোঁ। তেওঁলোকৰ কথা সঁচা। আমাৰ বহু পণ্ডিতে যে কয়, অই হালোৱা-অধম-পাইক তহঁতে একো শিকিব নোৱাৰে -সেইবাৰ কথা তেনেই মিছা। সৌ নিধিৰামকে নেদেখিলেনে কিমান ডাঙৰ পণ্ডিত হৈছে। সি বোলে জাতত নীচ। এতিয়া দেখোন সিয়েই ইংৰাজী, বঙলা, সংস্কৃত সকলো ভাষাৰে শাস্ত্ৰ আমাৰ দেশী ভাষালৈ ভাঙিছে। আমাৰ মাজৰ পৰা নিধিৰামৰ দৰে দেখিয়া পণ্ডিত ডুই চাৰিটা ওলালে বৰ ভাল নহ'বনে বাৰু? সেয়ে মই প্ৰায়ে বিয়া বাৰুৰ কথা ভাবোঁ। কিন্তু বাৰে প্ৰতি মনটোৱে বাধা দিয়ে জানোচা ল'ৰা-ছোৱালী জনম দি সিজনীয়ে সিফলীয়া হয় বা মোৰ নিজৰে গতি লাগে।

ব্ৰাহ্মণ: সেইবিলাক কথা তুমি ভাবিব নেপায়। কৈছোঁ নহয় জন্ম-মৃত্যু পৰম ঈশ্বৰৰ হাতত। স্বভাৱিকতে যি ঘটে সেই মতেহে নিজৰ কৰ্মপথ ল'ব লাগে। বিধবা হ'ব পাৰে বুলি শঙ্কা কৰি মই মোৰ ছোৱালীক বিয়া নিদিয়া হ'লে জানো কিবা হিত হ'ল হেঁতেন? ভাগ্যত আছিল বিধবা হ'ল, তেতিয়া বেলেগ দায়িত্ব আহিল। মাক জীয়েকক মইয়ে সাৰটি ল'লোঁ। বোলোঁ যিমান দিন পাৰোঁ মই খুৱাই বুৱাই ৰাখিম আৰু ভগবানেও তহঁতক ৰাখিব। তাইহে কেবা বছৰও বৰ হতাশ হ'ল। পাৰ্বতীক বুকুত সাৱটি কিমান যে চকু পানী টুটুকিলে। গিৰিয়েকৰ বন্ধু-বান্ধৱ, মিতিৰ কুটুমে খবৰ কৰি থাকে। ডুই একে তাইক বিয়া কৰিবলৈকো ইচ্ছা প্ৰকাশ কৰাত মইয়ে তাইক ক'লোঁ। বোলোঁ আই তই তাৰাৰ দৰে মহিমাময়ী হ' পৰম ঈশ্বৰক হিয়াত লৈ নিজৰ দায়িত্ব বুজি ল' আৰু কৰ্মপথ ঠিক কৰ আই—ক'লো মই তাইৰ লগতে আছোঁ।

বলোৰাম: দেউ, আপুনি কোন তাৰাৰ কথা বা কি প্ৰসঙ্গত ক'লে মোক অলপ বহলাই ক'ব নে?

ব্রাহ্মণ : কেলেই ৰামায়ণৰ তাৰা। মহা পৰাক্রমী বালিৰ পত্নী তাৰ। বুজিছা, বালি বীৰ বলি বীৰ অর্থ হনুমান। নহ'বও সুপণ্ডিতও বাঁৰ কৰ্ণৰ সমান। সেই বীৰ বালিক বধিবৰ কাৰণে ৰামচন্দ্রই সুগ্রীৱৰ সৈতে ছলনা কৰিলে। দোষ বালিৰেই—ভায়েক সুগ্রীৱৰ বিষয়ে ভুল ধাৰণা এটা লৈ ভায়েকক এটা শিক্ষা দিবলৈ ভায়েক সুগ্রীৱে নকৰা অপৰাধ এটাৰ প্রতিশোধ ল'বলৈ উন্মাদ। পত্নী তাৰাই, সাধ্বী-সতী তাৰাই স্বামীৰ কিবা অমঙ্গল ঘটে বুলি আশঙ্কা কৰি স্বামী বালিক বাৰে বাৰে সুগ্রীৱৰ লগত ৰণ নকৰিবলৈ খাটিছে, বাৰে বাৰে কৈছে সুগ্রীৱক ক্ষমা কৰিবলৈ। কিন্তু, নিজৰ শৌর্য্য বীর্য্যক লৈ দম্ভ কৰি বালি দৃঢ়-প্রতিজ্ঞ যে সুগ্রীৱক এটা সেকা দিবই—"সাক্ষাৎ ৰামচন্দ্রলৈও বালিৰ কোনো শঙ্কা নাই "বালি বোলে শুনা ওৰে পৰমেশ্বৰী তাৰা। ৰূপে গুণে বিতোপনী সংসাৰতে সাৰা॥ জানিয়াছো ৰামচন্দ্র দশৰথৰ তনয়। তাক লাগি মোৰ কিছু ভয় নজন্ময়॥" সেইবুলি বালিয়ে দম্ভ কৰি ৰণলৈ গ'ল আৰু ৰামচন্দ্রৰ একে পাট শৰতে প্রাণ হেৰুৱালে। স্বামী হত হোৱা শুনি সতী তাৰাই ঢাপলি মেলি মৃতদেহৰ ওচৰত আকাশ পাতাল কঁপাই বিনালে। শোকাকুল তাৰাৰ শোকে গোটেই পৃথিৱীক শোকাচ্ছন্ন কৰিলে। তাৰাই স্বামীৰ লগতে নিজৰ প্রাণ ত্যাগ কৰিবলৈ উদ্যত হ'ল। তেনেকুৱাতে বালি আৰু তাৰাৰ নাবালক পুত্র সন্তান অঙ্গদ আহি তাৰাৰ কাষ চাপিল। অঙ্গদক দেখি তাৰা সংযত হ'ল আৰু উপলব্ধি কৰিলে যে অঙ্গদক মানুহ কৰাৰ অঙ্গদক বীৰ কৰাৰ, অঙ্গদক ৰাজ সিংহাসনত বহুৱাৰ যি কাম বালিয়ে আধৰুৱা কৰি থৈ গ'ল তাক তেওঁ সম্পূর্ণ কৰিবই লাগিব। বীৰাঙ্গনা তাৰাই অঙ্গদক আঁকোৱালি লৈ ৰাজ প্রাসাদলৈ উভতিলে। তাৰ পিছত অঙ্গদৰ ভৱিষ্যত সুদৃঢ় কৰিবৰ কাৰণেই তাৰাই বৈধব্য এৰি সুগ্রীৱক দ্বিতীয় স্বামী ৰূপে বৰিলে। তাৰাই সুগ্রীৱক বিয়া কৰাইছিল নিজৰ সুখ-সম্ভোগৰ কাৰণে নহয় পুত্র অঙ্গদৰ ভৱিষ্যতৰ কাৰণে। ভাবিছিলোঁ মোৰ ছোৱালীয়েও জীয়েক পার্বতীৰ কাৰণেই দুনাই বিয়া কৰিলে, কিন্তু এতিয়া তাই ইমান সহজে জীয়েকৰ দায়িত্ব এৰি দিয়াই অলপ সন্দেহ হৈছে।

বলোৰাম : আমি সেইবিলাক ক'ত বুজি পাম? ৰামায়ণ, মহাভাৰতৰ কথাকে আমি শুনা নাই। পিতাইৰ মুখে যি অলপ অচৰপ শুনিছোঁ। মোৰ পিতাই কয় বোলে মান-ৰবাণে দেশ ছাৰখাৰ কৰাৰ আগতে হেনো আমাৰ দেশত ভাল ধর্ম আছিল। মানুহে গীত-মাত নাট আদি দেখিবলৈ পাইছিল। সত্রৰ পৰা

গায়ন-বায়ন নট-নটী মাহি গাঁৱে গাঁৱে ভাওনা পাতি ছিলহি। আমাৰ গায়ন গাঁৱৰ লোকেও দুই এবাৰ গোসাঁইৰ আগত আৰু ৰজাৰ আগত ভাওনা দেখুৱাইছিল। এতিয়াও আমাৰ গাঁৱত ভাওনাৰ বচন মাতিব পৰা দুই এজন আছে গৈ।

নিজৰ বিধবা জীয়েকে তুনাই বিয়া কৰোৱা কাৰণে আৰু নিজৰ কুমলীয়া নাতিনীয়েকক ঘৰৰ পৰা ধৰি বান্ধি উলিয়াই নিদিয়া কাৰণে যোৰহাটৰ ব্ৰাহ্মণ সমাজে এঘৰীয়া কৰিবলৈ ওলোৱা সেই ব্ৰাহ্মণ পণ্ডিতৰ লগত তেনেদৰে নানান জ্ঞান লাভ কৰাৰ পিছত বলোৰামৰ বহু খু-তুৱনি মাৰ গ'ল। তেওঁলোক দুয়ো যোৰহাটলৈ শিৱসাগৰৰ পৰা একেলগে খোজ কাঢ়ি উভতি আহিল। যোৰহাটত সেই ব্ৰাহ্মণ পণ্ডিতে বলোৰামক ভাগৱত পুথি পঢ়ুৱাবলৈ ল'লে। বলোৰামে আখৰবিলাক ভালদৰে লিখিব পৰা হোৱাত তেওঁ নিজৰ হাতত থকা সাঁচিপতীয়া কীৰ্তন, বত্নাৱলী আদি পুথিবিলাক নকল কৰি ল'বলৈকো দিলে। তেনেদৰে শূদ্ৰিক শাস্ত্ৰ দিয়াৰ খণ্ডত যোৰহাটৰ ব্ৰাহ্মণসকলে, ম'ছ-মঙহ মদ-ভাং খোৱা ব্ৰাহ্মণসকলে, গীতা ভাগৱতৰ অৰ্থ নুবুজা ব্ৰাহ্মণসকলে সেই ব্ৰাহ্মণ পণ্ডিতক সম্পূৰ্ণৰূপে এঘৰীয়া কৰিলে। তেওঁ কিন্তু আৰ্য্য-সংস্কৃতি বিস্তাৰ কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ আছিল আৰু ঘৰতে এখন পঢ়াশালি পাতি বলোৰামৰ দৰে শূদ্ৰিৰ ল'ৰাকে জ্ঞান দিবলৈ আৰু জ্যোতিষ গণনাকে ধৰি তেওঁ জনা সকলো বিদ্যা শিকাবলৈ ধৰিলে। তেওঁৰ ছাত্ৰ আৰু গাঁৱৰ মানুহে তেওঁক গোসাঁই যেন জ্ঞান কৰা হ'ল। আন ব্ৰাহ্মণসকলে 'এঘৰীয়া দেউৰ পঢ়াশালি' বুলি উপলুঙা কৰিছিল যদিও আন দুই চাৰিজনে পিছলৈ তেওঁৰ আদৰ্শ অনুসৰণ কৰি পঢ়াশালি পাতিলে। যোৰহাটৰ বুঢ়া গোঁহাই পুখুৰীৰ ওচৰত 'কণ বামুণৰ পঢ়াশালি'য়েও যোৰহাটৰ সাধাৰণ ৰাইজৰ মাজত শিক্ষাদানত লেখত ল'ব লগীয়া বৰঙণি যোগায়।

গাঁৱত দুই চাৰিজন লিখিব পঢ়িব পৰা লোক হোৱাৰ পিছত এবাৰ আউনি-আটী সত্ৰৰ গোসাঁয়ে গায়ন গাঁৱৰ লোকক 'পাৰিজাত-হৰণ' ভাওনা পাতিবলৈ ক'লে। ভাওনা পতাৰ যাই দায়িত্ব পৰিল বলোৰা'মৰ ওপৰতে। বহুত দিনৰ মূৰত, মান মৰাণে দেশ ছাৰখাৰ কৰাৰ পিছত গায়ন গাঁৱত আকৌ ভাওনা হ'বলৈ ধৰিলে আৰু পুনৰ গায়ন গাঁৱত অলপ অলপকৈ শংকৰী কৃষ্টিৰ নিজৰা ব'বলৈ আৰম্ভ কৰিলে। সেই নিজৰাৰ অমৃত পান কৰি কৰি বলোৰাম আনন্দিত হ'ল। ইতিমধ্যে দেউতাক বুঢ়া হৈ অগাৰ কাৰণে বলোৰামে খেতি-বাতিও কৰিব লগীয়া হ'ল। সেইবিলাকৰ মাজেদি বলোৰামে জীৱনৰ নতুন অৰ্থ

বিচাৰি পালে। খেতি-বাতি কৰি সহজ সৰল জীৱন যাপন কৰা আৰু গুৰু গোসাঁইৰ পৰা লাভ কৰা পৰম জ্ঞানেৰে নিজৰ বিচাৰ-বুদ্ধিক পৈণত কৰাটোকে তেওঁ জীৱনৰ চৰম লক্ষ্যৰূপে ল'লে। তদুপৰি অৱসৰ সময়ত কৃষ্ণক কেন্দ্ৰ কৰি সৃষ্টি হোৱা অসমীয়া গীত মাত, ভাওনা সবাহ আদি সাংস্কৃতিক কাৰ্যত মনোনিবেশ কৰাটো এক পৰম আনন্দৰ কথা বুলি বলোৰামে নিজ অভিজ্ঞতাৰে উপলব্ধি কৰিলে। বলোৰাম আৰু তেওঁৰ নগৰীয়া দুই চাৰিজনক এনেদৰে আৰ্য্য-সংস্কৃতিৰ প্ৰতি সজাগ কৰিলে সেই ব্ৰাহ্মণ পণ্ডিত গৰাকীয়ে।

বিয়া কৰিবৰপে বলোৰামৰ শঙ্কা দূৰ হ'ল আৰু দেৱীকৈ হ'লেও বলোৰামে অতি উৎসাহেৰে বৈৱাহিক জীৱনত প্ৰৱেশ কৰিলে। ন-ছোৱালীক বলোৰামে নি শিৱসাগৰও দেখুৱাই আনিলে। লগতে ৰবাওন চাহাবৰ প্ৰেছ, পাদুৰী চাহাবৰ পত্নীৰ লগত থকা অসমীয়া ছোৱালী আৰু আন আন খৃষ্টান মানুহবিলাককো বলোৰামে ঘৈণীয়েকক দেখুৱালে। তদুপৰি বলোৰামে সেই ব্ৰাহ্মণ পণ্ডিতৰ লগত গৈ প্ৰত্যেক বছৰ দুই এবাৰ পাৰ্বতীৰও খবৰ লৈছিলগৈ। তেওঁলোক দুয়ো অতি আনন্দমনেৰে পাৰ্বতীয়ে খৃষ্টান হৈ বুৰ পোৱা আৰু শিৱসাগৰত খৃষ্টিয়ান সমাজে পাৰ্বতীক অতি আদৰেৰে আঁকোৱালি লোৱা দৃশ্যও চাইছিলগৈ। বলোৰাম কিন্তু নিজে খৃষ্টিয়ান নহ'ল। খৃষ্টিয়ান নহলেও তেওঁ আৰু ব্ৰাহ্মণ পণ্ডিতে ৰবাওন চাহাবে অসমীয়াত লিখি থকা বাইবেলখন নিঃসংকোচে পঢ়িছিল আৰু তাৰ বাক্য শব্দ দুই এটা সালসলনি কৰিবলৈকো পৰামৰ্শ দিছিল। বলোৰামে এইটো বিশ্বাস কৰিছিল যে যীশুখৃষ্টও পৰম ঈশ্বৰৰ অৱতাৰ আৰু তেওঁও শ্ৰীকৃষ্ণৰ দৰে মানুহক আত্মা-পৰমাত্মাৰ কথা সাধাৰণ মানুহে বুজি নিজৰ জীৱন সজ কৰিবৰ উপায় শিকাই থৈ গৈছিল। তেওঁ এইটোও বুজি পাইছিল যে যীশুখৃষ্টৰ বাণীৰ প্ৰকৃত অৰ্থ বুজি পাদুৰী চাহাবসকলে ইমানেই সুখ-শান্তি লাভ কৰিছিল যে তেওঁলোকে পৃথিৱীৰ চুকে কোণে যীশুখৃষ্টৰ বাণী প্ৰচাৰ কৰিবলৈ সকলো দুখ কষ্ট আনন্দ মনেৰে সহ্য কৰিছিল।

পিছলৈ বলোৰামে যোৰহাটতে আন বহু খৃষ্টিয়ান চাহাব দেখিবলৈ পালে। বিশেষকৈ যোৰহাটৰ আশে পাশে চাহ খেতি কৰিবলৈ অহা ইংৰাজসকল আৰু কেপ্তেইন হলৰয়ডৰ দৰে দুই চাৰিজন পুলিচ আৰু মিলিটাৰীৰ ইংৰাজ বিষয়াক তেওঁ ভালদৰে জানিবলৈ পালে। সেইসকলৰ নিচা খোৱা স্বভাৱ আৰু অসভ্য আচৰণ দেখি বলোৰামে এইটো ভালদৰে বুজি পালে যে সকলো খৃষ্টিয়ানেই গিৰফিড বা ৰবাওন চাহাবৰ লেখিয়া সাধু ব্যক্তি নহয়। যিদৰে হিন্দু সমাজত সাধু সজ্জ

আৰু দুৰাচাৰ সমানে আছে সেইদৰে খৃষ্টিয়ান সমাজতো সজ্জন আৰু দুৰ্জন সমানে আছে। এইবিলাক দেখি শুনি বলোৰামৰ খৃষ্টিয়ান হ'বলৈ ওপজা স্পৃহা লাহে লাহে কমিবলৈ ধৰিলে। তদুপৰি ১৮৫৫ চনত ব্ৰাওন চাহাব আমেৰিকালৈ উভতি যোৱাৰ পিছত বলোৰামৰ খৃষ্টিয়ান সমাজৰ লগত যোগাযোগ একপ্ৰকাৰ নাইকিয়া হ'ল। তাৰ পিছত ১৮৫৮ চনত মণিৰাম দেৱান আৰু পিয়লী বৰুৱাক ফাঁচী দিবৰ সময়ত চাহাবিলাকৰ অসভ্য আচৰণ দেখি বলোৰামে এইটো ভালদৰে বুজি পালে যে যীশুখৃষ্টৰ ওপৰত বিশ্বাস থকা সকলও অধৰ্মী হ'ব পাৰে। তাৰ পিছত বলোৰামৰ আৰু খৃষ্টিয়ান হ'বলৈ অকণো স্পৃহা নাইকিয়া হ'ল। সেই বুলি গিৰফিত চাহাব আৰু ব্ৰাওন চাহাবক বলোৰামে কেতিয়াও নেপাহৰিলে। তেওঁলোকে বলোৰামৰ প্ৰাণত যি জ্ঞান লিপ্সা জগাই তুলিছিল সেয়ে বলোৰামৰ গোটেই জীৱনৰে সাৰথি হ'ল।

গিৰফিত চাহাবৰ পৰা বলোৰামে পালে জ্ঞান অন্বেষণৰ ধাউতি আৰু ব্ৰাওন চাহাবৰ পৰা পালে ভগৱৎ চিন্তাৰে মানৱী দয়া মৰমৰ স্বৰূপ উপলব্ধি। তেওঁলোক দুজনৰ পৰা বলোৰামে এইটো হিয়াই হিয়াই উপলব্ধি কৰিলে যে মানুহ জনম লৈ নিৰক্ষৰ হৈ থকাটো এক অভিশাপ। সেয়েহে বলোৰাম দৃঢ়-প্ৰতিজ্ঞ হ'ল যে তেওঁ নিজৰ ল'ৰা-ছোৱালীক সৰুৰে পৰাই আখৰ চিনিবলৈ, আখৰ লিখিবলৈ আৰু সকলো ধৰণৰ পুথি পঢ়িবলৈ শিকাব।

দ্বিতীয় ভাগ

# একটি কলি দুটি পাতা



## সাত

# বাঁহৰ মুঢ়া-হাঁপা-গৰু-গাধ

১৮৬৬ চনত বলোৰামৰ একমাত্ৰ সন্তান দণ্ডিৰামৰ জন্ম হয় মানে বলোৰামৰ আৰু গায়ন গাঁৱৰ বাইজৰ জীৱনটোৱে ভালদৰে থানথিত লাগে। তেওঁলোকে নিজৰ নিজৰ মাটিত নিজৰ প্ৰয়োজনীয় খাদ্য শস্য উৎপন্ন কৰাৰ উপৰিও শাক-পাছলি, ধান-চাউল বিক্ৰী কৰি চৰকাৰক দিব লগীয়া কৰৰ ধন উলিয়াব পাৰিছিল। তদুপৰি গাঁৱৰ তিৰোতাসকলে থনীয়া কাপোৰ, এৰী চাদৰ আদি বৈ প্ৰয়োজনীয় কাপোৰ-কানিৰ যোগান ধৰিবও পাৰিছিল আৰু আৱশ্যক হ'লে দুই এখন কাপোৰ বেচি দুই চাৰি পইচা উপাৰ্জন কৰিব পাৰিছিল।

গাঁৱৰ নামঘৰত নিয়মিতভাৱে নাম-কীৰ্তন, ভাওনা সবাহ আদি প্ৰায়ে চলিছিল। বলোৰামে সেইবিলাকত আগ ভাগ লৈছিল আৰু গাঁৱৰ ডেকা-বুঢ়া, ল'ৰা ছোৱালী আটায়ে সেইবিলাকত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। সেয়েহে গাঁওখনত আটাইৰে সামাজিক নিৰাপত্তা আছিল। এনে সামাজিক নিৰাপত্তা থকা আৰু অভাৱ অনাটন নথকা যুগতে দণ্ডিৰামৰ জন্ম হৈছিল। তদুপৰি বৃটিছ চৰকাৰে যোৰহাটৰ আশেপাশে প্ৰাথমিক বিদ্যালয় আৰু যোৰহাটত এখন চৰকাৰী হাইস্কুল স্থাপন কৰা বাবে এইটোও নিশ্চিত হৈছিল যে দণ্ডিৰামে পঢ়াশালিলৈ গৈ শিক্ষালাভ কৰিব পাৰিব আৰু ববাওন চাহাবৰ দৰে নানা জ্ঞান অৰ্জন কৰি সেইবিলাক গাঁৱে ভূঞে প্ৰচাৰ কৰিব পাৰিব। বৃটিছ চৰকাৰে দেশখনলৈ আনি দিয়া শান্তি আৰু শৃঙ্খলাই বলোৰাম আৰু দণ্ডিৰামৰ জীৱনলৈ নতুন প্ৰতিশ্ৰুতি আনিলে।

বলোৰামে ভাবিছিল যে তেওঁৰ পুতেক দণ্ডিৰামে খেতি-বাতি কৰি খাব পাৰিব আৰু বাৰী ৰ বাঁহ-বেত, কাঠ, খেৰ আদিৰে এটা চিকুণ জুপুৰি সাজি ল'ব পাৰিব। লিখা পঢ়া শিকি অকনোদই জ্ঞান ভাণ্ডাৰৰ পৰা জ্ঞান লভিব পাৰিব। তদুপৰি নাট, গীত, তাল খোল আদিৰ চৰ্চা কৰি গাঁৱত শঙ্কৰী কৃষ্টি জীয়াই ৰখাৰ বিমল আনন্দ উপভোগ কৰিব পাৰিব।

কিন্তু দণ্ডিৰাম ডাঙৰ হৈ অহাৰ লগে লগে বলোৰামইঁতৰ জীৱনৰ ধাৰা সলনি হ'বলৈ ধৰিলে। তেওঁ কল্পনা কৰা ভৱিষ্যত বৃটিছৰ আমোলাৰ বাস্তৱতাই অলপ অলপকৈ গ্ৰাস কৰিবলৈ আৰম্ভ কৰিলে। প্ৰাথমিক শিক্ষা সাং কৰি দণ্ডিৰামে

যোৰহাটত নতুনকৈ স্থাপিত হোৱা চৰকাৰী হাইস্কুলত পঢ়িবলৈ আৰম্ভ কৰে—লগে লগে নতুন সমস্যাই দেখা দিয়ে।

সেই সময়ত হাইস্কুলীয়া শিক্ষাৰ সা-সুবিধাবিলাকও লৈছিল বৃটিছ চৰকাৰৰ আমোলা মৌজাদাৰ আৰু আন আন বিষয়ববীয়াসকলেই। এওঁলোকৰ বেছি ভাগেই আছিল আহোম ৰজাৰ দিনৰ গণ্যমান্য ডা-ডাঙৰীয়াসকলৰ সতি-সন্ততি নাইবা আগতে লিখা-পঢ়াৰ জ্ঞান থকা হুৰবা-কাকতী, ব্ৰাহ্মণ কায়স্থ-কলিতাসকলৰ বংশধৰ। বৃটিছ চৰকাৰে এনে লোককে বাছি চিন্তি মৌজাদাৰ, সদৰ আমিন, দাৰোগা, হাকিম, দেৱান আদি পাতিছিল। প্ৰথম অৱস্থাত হাইস্কুলৰ ছাত্ৰসকলও এইবিলাক পৰিয়ালৰ পৰাই আহিছিল। হাইস্কুলৰ থলুৱা শিক্ষকসকলও আহিছিল ব্ৰাহ্মণ-কলিতা কায়স্থ কুলৰ পৰাই। সেয়েহে ওপৰ অসমৰ হাইস্কুল বিলাকত পাইকসকলৰ ল'ৰাই শিক্ষালাভ কৰিবলৈ যোৱাটো একপ্ৰকাৰ অনধিকাৰ প্ৰৱেশ বুলিয়েই বহু শিক্ষক আৰু ডা-ডাঙৰীয়াই ভাবিছিল। শিক্ষকসকলে নানা অজুহাত দেখুৱাই দুখীয়া ল'ৰাক নানা প্ৰকাৰে শাস্তি আদি দিয়াৰ উপৰিও ওপৰ শ্ৰেণীৰ ডাঙৰ ল'ৰাক হাইস্কুলত বাহিৰে ভিতৰে নিয়মানুৱৰ্তিতা প্ৰৱৰ্তন কৰিবলৈ ম্‌কৰল কৰিছিল। তেনেদৰে মকৰল কৰা ডাঙৰ ল'ৰাবিলাকে ডা-ডাঙৰীয়া ল'ৰাৰ ওপৰত মাত মাতিবলৈ বা তেওঁলোকৰ গাত হাত লগাবলৈ কেতিয়াও সাহস নকৰিছিল কিন্তু সিহঁতে হোৱাই নোহোৱাই পাইকৰ ল'ৰা বা গাঁৱৰ দুখীয়া মানুহৰ ল'ৰাক নানাপ্ৰকাৰে উপদ্ৰৱ কৰিছিল। পাইকৰ সতি-সন্ততিয়ে শিক্ষালাভ কৰি তেওঁলোকৰ সতে হাকিম মৌজাদাৰ হোৱাটো বা পাইকৰ ল'ৰাই তেওঁলোকৰ ল'ৰাৰ লগতে হাইস্কুলত একেলগে বহি সমানে ফেৰ মাৰিব আদিৰ বাস্তৱতা সেই সময়ৰ ডা ডাঙৰীয়া আৰু বহু শিক্ষকৰ কাৰণে আছিল এক প্ৰকাৰ অসহ্য বেদনা। তেওঁলোকৰ সেই বেদনাৰ উজ্জ্বল সাঁচ বহিছিল পাইকৰ বা দুখীয়া মানুহৰ ল'ৰাৰ পিঠিত বা গালে-মুখে।

দণ্ডিৰামে হাইস্কুলত পঢ়িবলৈ আৰম্ভ কৰাৰ দিনাৰে পৰা গালত শিক্ষকে মৰা কাণ তলীয়া চৰৰ ভাগ বা পিঠিত হালোৱা এচাৰিৰে কোবাই চটাচট হোৱা সাঁচ লৈ ঘৰলৈ অহাটো একপ্ৰকাৰ নিয়ম হৈ পৰিল। কেলেই মাৰিলে সুধিলে দণ্ডিৰামে সদায় একেটাই উত্তৰ দিয়ে বোলে 'এনেয়ে'। শিক্ষকে আটাইকে তেনেদৰে মাৰধৰ কৰে নেকি বুলি সুধিলে কয় বোলে "আমাৰ শ্ৰেণীত কেৱল আমাৰ কেইটাকহে সদায় মাৰে।" 'আমাৰ কেইটাক' মানে আছিল তেওঁৰ লগতে পঢ়া এজন চাউদাঙৰ ল'ৰা, এজন মিৰি, এজন নগা আৰু দুজনমান গাঁৱৰ ল'ৰা। তেওঁলোক

কেইজনক কথাই কথাই মৰিওৱাৰ উপৰিও শিক্ষকসকলে তেওঁলোকক মতে "বাঁহৰ মূঢ়া", "হাঁপা", "ফেউৰা", "বেল", "গৰু", "গাধ" আদি বুলিহে মাতিছিল। ভাণ্ডৰ মানুহৰ ল'ৰাবিলাকক বেঞ্চত বহিবলৈ দিছিল আৰু তেওঁলোক কেইজনক সদায় মাটিত বহুৱাইছিল। কেৱল চাহাব ইন্সপেক্টৰে স্কুল চাবলৈ অহা দিনাখনহে তেওঁলোক কেইজনে বেঞ্চত বহিবলৈ পাইছিল। সেইদৰে ভাণ্ডৰ মানুহৰ ল'ৰাবিলাকেও দণ্ডিৰামহঁতক সদায় নানাপ্ৰকাৰে হাঁহিছিল, ঠাট্টা কৰিছিল আৰু সুবিধা পালে গভা-গোৰ-ঘোঁচা আদিও মাৰিছিল। এইবিলাক দেখি শুনি বলোৰামৰ প্ৰাণ কঁপি উঠিল। তেওঁ ভাবিছিল যে চৰকাৰী স্কুল, হাইস্কুলতও বৰাওন চাহাবহঁতৰ ফলি লোৱা ঘৰৰ দৰে ধৰ্ম, মৰম, চেনেহৰ হাট হ'ব য'ত নিৰাশ্ৰয়ে আশ্ৰয় পাব আৰু নানাধৰণৰ জ্ঞান লভিবলৈ সমৰ্থ হ'ব।

হাইস্কুলত পুতেকহঁতৰ বিলৈ দেখি বলোৰামে আন কেইজন ছাত্ৰৰ অভিভাৱকসকৰ লগ হৈ বহু আলচ কৰিলে কিন্তু সেই বিষয়ে তেওঁলোকে প্ৰতিকাৰৰ একো উপায় নেদেখিলে। দেশত ৰজাৰ সঁচও নাইকিয়া হৈছিল, কুম্পানী বাহাদুৰৰ কাষ চপাও তেওঁলোকৰ কাৰণে অসম্ভৱ, দাৰোগাৰ ওচৰলৈ যোৱাহে নেলাগে তেওঁৰ চকুলৈ চাবলৈকে ভয়। তেওঁলোকে কাষ চাপিব পৰা ডা-ডাঙৰীয়া সকলৰ ভিতৰত আছিল কেৱল বুঢ়াগোঁহাই দেউতাহে (পূৰ্ণানন্দ বুঢ়া গোঁহাইৰ নাতি লোকেশ্বৰ) তেওঁলোকে গৈ বুঢ়াগোঁহাইক সকলো বিৱৰি কোৱাত তেখেতে ক'লে,

"আমাৰ আৰু একোতে মাত মাতিবৰ ক্ষমতা নাই। দেখিলাই নহয় মণিৰাম দেৱানৰ কি কৰিলে। কোনে কি দ্ৰোহ আচৰিবলৈ ছেগ চাই আছে আমি জানিবৰ উপায় নাই। তোমালোকে গৈ শিক্ষক সকলকে কোৱা, যাতে ল'ৰাহঁতৰ ওপৰত তেনেদৰে অত্যাচাৰ কৰিবলৈ এৰে।"

বলোৰামহঁতে শিক্ষকসকলৰ কাষ চপাত এজন শিক্ষকে ক'লে,

"ল'ৰাই হাইস্কুলত পঢ়িছে দেখি তহঁত একেবাৰে বাবু হ'লি, নহয় ?"

এজনে ক'লে,

"ল'ৰাইতক ভদ্ৰলোকৰ ল'ৰাৰ লগত সমানে ফেৰ মাৰিবলৈ শিকালেই নহয়— ভদ্ৰ আচৰণও শিকাব লাগে।"

আন এজনে ক'লে,

"চেকনিৰ আগতহে বিদ্যা থাকে বুজিছ। তহঁতৰ ল'ৰাইতে বিদ্যা অৰ্জন কৰিবলৈ হ'লে চেকনিৰ কোৰ খাবই লাগিব।"

বলোৱামইতে শিক্ষকসকলৰ পৰা শুনা আন আন মন্তব্য আছিল এনে ধৰণৰ—

"কেহোঁ নেহোঁকৈ প্ৰাইমাৰী পাছ কৰা এই গাধ কেইটাক কিয় হাইস্কুললৈ পঠিয়াইছ। হাইস্কুলত পঢ়া বৰ সহজ নহয়।"

"তইঁতৰ ল'ৰাৰ মূৰত আছে কেৱল গোবৰ আৰু জাবৰ—তাত হেঁচুকি হেঁচুকিও একো জ্ঞান ভৰাব নোৱাৰি।"

"মোৰ কথা শুন, সিহঁতক স্কুলৰ পৰা এৰোৱাই নি ভালদৰে হাল বাবলৈ, কোৰ মাৰিবলৈ আৰু খেতি কৰিবলৈ শিকাচোন। ভালদৰে খাই বৈ থাকিব পাৰিবি।"

"ইহঁতে হাইস্কুলত পঢ়ি কি কৰিব? হাইস্কুলৰ পৰাতো সিহঁতে এণ্টেন্স পাছ কৰিবৰ সাধ্য নাই। পাছ কৰিলেও জানো সিহঁতক কলিকতাত পঢ়িবলৈ পঠাব পাৰিবি—মাহে কুৰি টকাকৈ দিব পাৰিবি জানো?"

"বুজিছ; হালোৱাৰ ল'ৰা হালোৱা আৰু চাউদাঙৰ ল'ৰা চাউদাঙ হৈ থকাই ভাল।"

মুঠৰ ওপৰত হাইস্কুলৰ শিক্ষক সকলৰ লগত কথা পাতি দণ্ডিৰাম আৰু তেওঁৰ সেই নগা, মিৰি আৰু চাউদাঙ বন্ধুহঁতৰ দেউতাক সকলে এইটো ভালদৰে বুজি পালে যে হাইস্কুলবিলাক দবাচলতে ডাঙৰ মানুহৰ সতি সন্ততিৰ কাৰণেহে, তাত তেওঁলোকৰ নিচিনা আগৰ পাইকসকলৰ ল'ৰাৰ কোনো স্থান নাই। সেই কাৰণে গাঁৱৰ পৰা অহা দুই চাৰিজন ছাত্ৰৰে হাইস্কুল এৰিলে। নগা ছাত্ৰ দুই চাৰিজনে "আমাক হাইস্কুলৰ অসমীয়া পণ্ডিতে বৰ বেয়া ব্যৱহাৰ কৰে" বুলি হাইস্কুল এৰিলে আৰু "পাদুৰী চাহাবৰ স্কুলতহে আমি পঢ়িম" বুলি নগাপাহাৰত হাইস্কুল পাতিবৰ কাৰণে পাদুৰী চাহাবৰ কাষ চাপিলগৈ।

## প্ৰস্তাৱ

# বলোৰামৰ আক্ষেপ

বলোৰামেও পুতেক দণ্ডিৰামে কীৰ্তন দশম পঢ়িব বুজিব পৰাকৈ শিক্ষা পালে: যেতিয়া আৰু 'মকনোদই' ৰ জ্ঞান ভাণ্ডাৰৰ জ্ঞানৰ সোৱাদ লভিব পৰা হ'ল যেতিয়া হাইস্কুললৈ আৰু নগ'লেও হ'ব বুলি দণ্ডিৰামক হাইস্কুলৰ পৰা নাম কাটি গাঁৱৰ ভাওনা, সবাহ, ভাগৱত পাঠ আদিতে মন দিবলৈ উপদেশ দিলে। কিন্তু দণ্ডিৰাম আৰু তেওঁৰ দৰে দুই চাৰিজন পাইক সন্তানে আন প্ৰকাৰেহে ভাবিলে।

দণ্ডিৰামহঁতে ক'পে বো'লে ফিৰিঙ্গী চৰকাৰে সকলোকে সমান দেখে, সেয়েহে পাইক সকলক মুকলি কৰিলে; আনকি আমেৰিকা দেশত হেনো ফিৰিঙ্গী চৰকাৰে নিজৰ মানুহেই দাস ৰূপে বন্দী কৰি ৰখা নিগ্ৰো বিলাকক মুকলি কৰিবলৈ যুদ্ধ কৰিছিল। দণ্ডিৰামহঁতৰ দৃঢ় কথা যে হাইস্কুল সকলোৰে কাৰণে আৰু তেওঁলোকে তাত পঢ়িবই। শিক্ষক সকলে তেওঁলোকক উধাই মুধাই কোবালেও তেওঁলোকে হাইস্কুল নেৰে। শিক্ষকসকলৰ অত্যাচাৰ তেওঁলোকে সহ্য কৰিব পাৰিছিল কিন্তু ওপৰ শ্ৰেণীৰ বা লগতে পঢ়া ডাঙৰ মানুহৰ ল'ৰা বিলাকে কৰা ঠাট্টা মস্কৰা আৰু উৎপাত বিলাকেহে তেওঁলোকক বেছি অতিষ্ঠ কৰিছিল। সেয়েহে তেওঁলোকে তাৰও প্ৰতিকাৰ ভাবিলে। এদিন কেইজমান ধনী মানী লোকৰ ল'ৰাই তেওঁলোকৰ লগৰ মিৰি ছাত্ৰ এজনক কিবা এটা ফকৰা গাই গাই জোকাই আৰু গতাটো থপাটো মাৰি কন্দুৱাওঁতে দণ্ডিৰামহঁত আটায়ে ফেৰ মাৰি ধৰিলেগৈ। দুই দলৰ মাজত ঘুঁচিয়াঘুচি বগৰা বাগৰি লাগি গ'ল। দণ্ডিৰামহঁতে অলপ অলপ মাৰ খালে যদিও ইটো দলৰ কেবাজনৰও নাক, মুখ উখহাৰ উপৰিও তেওঁলোকৰ ধোৱাই ধোৱা কাপোৰ-কানিত বোকা মাটি ভালদৰেই লাগিল—সেই ডাঙৰ মানুহৰ ল'ৰা কেইজনে মাটিৰ সোৱাদ পালে আৰু পাইকৰ ল'ৰা কেইজনে জেলৰ সোৱাদ পালে। দাৰোগাই আহি দণ্ডিৰাম আৰু তেওঁৰ লগৰীয়া কেইজনক স্কুলৰ পৰাই ধৰি নি জেলত ভৰাই থলে। হাকিম, মৌজাদাৰ, মুন্সিফ, উকীল আৰু আন আমোলা সকলে সিহঁত কেইটাক ভালদৰেই এনেকা দিবলৈ দাৰোগাক পৰামৰ্শ দিলে। দাৰোগাইও তেনে কৰিবলৈ বুলি উত্তত হওঁতে বৰ চাহেবে কথাটো জানিব পাৰি থানালৈ গ'ল। বলোৰামহঁতৰ বুকু চপ চপকৈ কঁপিবলৈ ধৰিলে।

বৰ চাহেবে গৈ জানিবা দাৰোগাকহে ধমকি দিলে,

"স্থানীয় ল'ৰা দুদলৰ কাজিয়া লাগিছে তাৰ মাজত তুমি কিয় সোমাব লাগে আৰু তুমি কেৱল এটা দলৰ গোটেই সোপাকে ধৰি আনিলা কিন্তু ইটো দলৰ দেখোন এটাকও নানিলা। সিহঁতে কি দোষ কৰা নাই? এনেকুৱা কাম আৰু কেতিয়াও নকৰিবা। আৰু হাইস্কুলৰ ভিতৰত তুমি মোৰ অনুমতি নোলোৱাকৈ কতিয়াও নোসোমাবা। হাইস্কুলৰ ল'ৰাৰ মাজত কাজিয়া পেচাল হেডমাষ্টৰেহে বিচাৰ কৰিব।"

সেইবুলি কৈ চাহাবে ল'ৰা কেইটাক মোকলাই দিলে আৰু মৰম কৰি কৰি ঘৰলৈ যাবলৈ দিলে। দণ্ডিৰামহঁতৰ মহা আনন্দ—অন্ততঃ চাহাবৰ চকুত যে তেওঁলোক সকলো সমান সেই কথা প্ৰমাণ হ'ল। কিন্তু দণ্ডিৰামৰ দেউতাক বলোৰামে প্ৰমাদ গণিলে। সেই যাত্ৰাত ৰক্ষা পৰিল যদিও ভৱিষ্যতে কিবা অঘটন ঘটে বুলি তেওঁৰ বৰ ভয় হ'ল। সেয়েহে তেওঁ দণ্ডিৰামক ক'লে,

"চাহাবৰ চকুতহে আমি সমান কিন্তু দেশৰ ডা ডাঙৰীয়া সকলৰ চকুত নহয়। চাহাব থাকে বজাৰ নিচিনাকৈ আমিনো কেনেকৈ সদায় তেওঁৰ চকুত পৰোঁ। ৰাজকাৰ্য্য সকলো চলায় আমোলাসকলে। তেওঁলোকৰ বেছি ভাগেই হৈছে ব্ৰাহ্মণ-কলিতা-কায়স্থ। তেওঁলোক বহুতৰে ধাৰণা যে তেওঁলোকহে মানুহ, তেওঁলোকহে সভ্য, তেওঁলোকহে হিন্দু আৰু এই পৃথিৱীৰ সকলো সুখ সম্ভোগৰ কেৱল তেওঁলোকহে অধিকাৰী। তেওঁলোকৰ মানত আমাসকল 'পাইক', 'মিৰি', 'নগা', 'আবৰ', 'কোচ', 'আহোম', 'চাউদাং', 'কছাৰী', 'মটক'— কিবা নগণ্য ইতৰ শ্ৰেণীৰ লোক। তেওঁলোকে আমাক অসভ্য অনাচাৰী বুলি ঘিণ কৰে। এনে 'ইতৰ' শ্ৰেণীৰ লোকে শিক্ষা-দীক্ষা লৈ তেওঁলোকৰ শ্ৰেণীত শাৰী পূৰোৱাটো তেওঁলোকে কেতিয়াও সহ্য নকৰে। সেইকাৰণে তেওঁলোকে সদায় তহঁতক বাধা দিব আৰু সদায় তহঁতৰ অনিষ্ট সাধিবলৈ চেষ্টা কৰিব। তহঁতে সিহঁতৰ পৰা সাৱধানে থকাই ভাল।"

"আমালোকৰ উপৰিপুৰুষসকল নতুনকৈ হোৱা হিন্দু। কায়স্থ-ব্ৰাহ্মণ-কলিতাৰ দৰে পুৰণা হিন্দুসকলে নিজে ধৰ্ম পথত নচলিলেও আমাক নতুন হিন্দুসকলক লেই লেই ছেই ছেই কৰে। তেওঁলোকে তেনেদৰে নাক মুখ কোঁচাই থকাতেই দেশৰ মানুহ আধাআধি খ্ৰিষ্টান হৈছে আৰু এই দেশত হিন্দু ধৰ্ম লোপ পাইছে। এনেদৰে চলি থাকিলে দেশৰ ডা-ডাঙৰীয়াসকল আৰু ব্ৰাহ্মণ-কলিতা-কায়স্থসকল এদিন যে ৰসাতলে যাব তাত সন্দেহ নাই। গুৰুজনাৰ

কৃপাত আমাক হিন্দু কৰা হ'ল। আমি কৃষ্ণক চিনিবলৈ শিকিলোঁ। তেৱাই আমাক নাট, গীত, মাত দিলে, নাম ধৰ্ম শিকালে। আমি আমাৰ ধৰ্ম নেৰোঁ। সনাতন ধৰ্মক আমিয়েই ৰইখা কৰিব লাগিব। ব্ৰাহ্মণ-কলিতাসকলে ক্ষমতা লৈ প্ৰভুত্ব বিস্তাৰ আৰু আমাসকলৰ প্ৰতি অন্যায় অবিচাৰ উৎপীড়ন কৰি নিজেই ৰসাতলে যাব। ভগবানে এই অত্যাচাৰী শিক্ষক, ডাং-ডাঙৰীয়াসকলৰ বিচাৰ নিশ্চয় কৰিব। সেইকাৰণে তইঁতে মিছাতে কষ্ট খাব নেলাগে। হাইস্কুল এৰি দে আমি পৰিত্ৰাণৰ উপায় জানো।"

## সাত

# তোৰ পিঠি মোৰ হাত যি কৰে জগন্নাথ

তথাপি দণ্ডিৰামে হাইস্কুলৰ পঢ়া-শুনা নেৰিলে আৰু তিনি বছৰমান হাইস্কুললৈ গৈ থাকিল। কিবা এক অদৃষ্টৰ বিধানে তেওঁক যেন বাৰে বাৰে ক'লে, "তুমি হাইস্কুলত পঢ়ি থকাই ভাল।" কিন্তু শেষত হাইস্কুলৰ পৰিবেশ ইমানেই বেয়া হ'ল যে সেই অদৃষ্ট উৎপ্ৰেৰণাইও দণ্ডিৰামক হাইস্কুলত ৰাখিব নোৱাৰিলে। অসমীয়াৰ শিক্ষকৰ লগত হোৱা এক সংঘৰ্ষৰ কাৰণে দণ্ডিৰাম আৰু চাউদাং গাঁৱৰ তেওঁৰ লগৰে পোৱালি শইকীয়াই স্কুল এৰিব লগীয়া হ'ল।

হাইস্কুলত অসমীয়া পঢ়ুৱা শিক্ষকজন আছিল সংস্কৃতৰহে পণ্ডিত আৰু তেওঁৰ ধাৰণ আছিল, 'সংস্কৃত পৃথিৱীৰ শ্ৰেষ্ঠ ভাষা' "অসমীয়া ভাষা সংস্কৃতৰহে এটা ঠেঙুলি", "সংস্কৃতৰ শব্দ লগালেহে অসমীয়া ভাষা শুৱলা হয়", "সংস্কৃত ব্যাকৰণেহে অসমীয়া ভাষাৰ ব্যৱহৰণ ৰীতি-নীতি নিৰ্ণয় কৰে" আদি। আনহাতে দণ্ডিৰাম, পোৱালি আদিয়ে আৰু তেওঁলোকৰ অভিভাৱকসকলে শিক্ষাৰ অনুপ্ৰেৰণা পাইছিল মিছনেৰীসকল আৰু তেওঁলোকে প্ৰচাৰ কৰা অৰুনোদই পত্ৰ ও অন্যান্য পুথিৰ পৰা। সেই সময়ত মিছনেৰীসকলে প্ৰচাৰ কৰা পুথিৰ বাদে আন অসমীয়া পুথি একপ্ৰকাৰ নাছিল বুলিলেই হয়। মিছনেৰীসকলৰ কিন্তু ধাৰণ আছিল, "সংস্কৃত ভাষা অসমীয়া ভাষাৰ মাতৃ স্বৰূপ যদিও অসমীয়াৰ উচ্চাৰণ ৰীতি আৰু বিন্যাকৰণ ৰীতি সম্পূৰ্ণ বেলেগ, "সংস্কৃতৰ অক্ষয় ভাণ্ডাৰৰ পৰাই বেছিভাগ অসমীয়া শব্দ আহিলেও অসমৰ পৰ্বতে ভৈয়ামে থকা নানান মঙ্গোলীয় গোষ্ঠীৰ লোক, তিব্বত বৰ্মীয় গোষ্ঠীৰ লোক, দ্ৰাবিড় গোষ্ঠীৰ লোক আৰু তেওঁলোকৰ কথিত ভাষাইহে অসমীয়া ভাষাৰ গঠন ৰীতি নিৰ্ধাৰণ কৰি আহিছে" আদি। দণ্ডিৰাম পোৱালিহঁতে মিছনেৰীসকলে লিখা কথাবিলাক সহজেই পঢ়িব আৰু বুজিব পাৰিছিল আৰু তেওঁলোকৰ মুখৰ মাতৰ লগত সেই লিখাবিলাকৰ মিল থকা কাৰণে অৰুনোদইৰ পৰা সহজেই জ্ঞান লাভ কৰিব পাৰিছিল। কিন্তু তেওঁলোকৰ অসমীয়া মাষ্টৰে লিখোৱা আৰু শিকোৱা অসমীয়া ভাষা দণ্ডিৰাম পোৱালি হঁতে বুজিবলৈ বৰ টান পাইছিল। অসমীয়া মাষ্টৰেও "ষ-কাৰ দিব নেজান নেকি?" "ণত্ব বিধি আৰু কিমানবাৰ শিকাব লাগিব?" "স্ত্ৰীলিঙ্গ বুজোৱা শব্দত দীৰ্ঘ ঈকাৰ দিবলৈ কিমান কম", "নিমিত্তাৰ্থে জাচ হয় বুলি কৈছিলো নহয়?" আদি পদে তেওঁলোকৰ নানান খুত ধৰি

তেওঁলোকক খুঁতে প্ৰতি কাণ চেপা, থাপৰ, গালি, বেতৰ কোব আদি শোধাইছিল। অসমীয়া মাষ্টৰজনে প্ৰায়ে "তোৰ পিঠি মোৰ হাত যি কৰে জগন্নাথ" বুলি ফকৰা মাতি হোৱাই নোহোৱাই তেওঁলোকৰ পিঠিত ও বৰষিছিল। অসমীয়া মাষ্টৰৰ এনে দৌৰাত্ম্যত অসহ্য হৈ এদিন দণ্ডিৰাম, পোৱালি আৰু তেওঁলোকৰ লগৰ নগা-মিৰি-আহোম-কোচ-কছাৰী আদি পাইকৰ সতি-সন্ততি কেইগৰাকীমানে আলচ কৰি এই সিদ্ধান্তই পালে যে তেওঁলোকৰ অসমীয়া মাষ্টৰে অসমীয়া ভাষাটো তেওঁলোকৰ কাৰণে অতি কঠিন কৰিছে, কিয়নো অসমীয়া মাষ্টৰে তেওঁলোকৰ লেখিয়া লোকে লিখিব পঢ়িব পৰা হোৱাটো নিবিচাৰে। অসমীয়া মাষ্টৰে যেন তেওঁলোকৰ মুখৰ মাত কেইটাকো নাশ কৰিব খুজিছে তেনে অনুভৱ কৰি তেওঁলোকে অসমীয়া মাষ্টৰৰ বিপক্ষে এখন দৰ্খাস্ত লিখিবলৈ ঠিক কৰিলে।

দৈৱ দুৰ্বিপাকত তেওঁলোকে দৰ্খাস্তখন লিখি থাকোঁতেই অসমীয়া মাষ্টৰ সেইখিনিত ওলাল আৰু কথাটো জানিব পাৰি সেই ছাত্ৰৰ কেইজনক গৰু-ছাগলী কোবোৱা দি এফালৰ পৰা কোবাবলৈ ধৰিলে। পোৱালি আৰু দণ্ডিৰামৰ বাদে আন ছাত্ৰসকলে থৰথৰকৈ তাৰ পৰা আঁতৰিলে কিন্তু তেওঁলোক দুজনে তেওঁলোকক তেনেদৰে কোবোৱা অনুচিত বুলি বুকু ডাঠ কৰি ক'লে, তাকে শুনি মাষ্টৰৰ খং আৰু হে চৰিল আৰু "চোৰৰ জাত, তহঁতৰ ইমানে সাহ" বুলি দুয়োকো নাকে মুখে কোবাই ধৰাশায়ী কৰিলে। তাতে অসহ্য হৈ পোৱালি শইকীয়াই "মই ইয়াৰ প্ৰতিশোধ লৈহে এৰিম" বুলি স্কুলৰ বাহিৰলৈ ওলাই অসমীয়া মাষ্টৰক মাৰিবলৈ বুলি গেটৰ মুখতে দা এখন লৈ খাপ দিলে। অসমীয়া মাষ্টৰে ব্যৱহাৰ কৰা হালোৱা এচাৰিৰ কোবত মূৰত টেমুনা, নাকত তেজ আৰু ওঁঠত ফাট লৈ দণ্ডিৰামে ধৰফৰাই ঘৰলৈ দৌৰিলে। যোৱাৰ আগতে কেৱল অসমীয়া ব্যাকৰণখন শিক্ষকৰ গাৰে 'আপোনাৰ গিয়ান আপুনিয়েই ৰাখক" বুলি দলি মাৰি থৈ গ'ল। সেইদিনাখনেই বহু অসমীয়া ছাত্ৰেই হাইস্কুল এৰিলে। নগা ছাত্ৰ দুজনে বুলিলে, "অসমীয়া মাষ্টৰে আমি অসমীয়া পঢ়িলে ভাল নেপায়" মিৰি ছাত্ৰ এজনে ক'লে, "অসমীয়াই আমাক সদায় হাঁহিবলৈ বিচাৰে কাৰণে আমাৰ কাৰণে ভাষাটোও টান কৰিছে।" আন দুই একে কৈ গ'ল, "আমাৰ শিক্ষকসকলেই, এই পণ্ডিত সকলেই আমাৰ ভাষাটোক মাৰিব", "আগলৈ যদি অসমীয়াই নিজৰ ভাষাটো ভালদৰে শিকিব নোৱৰা হয় আৰু সেই কাৰণে নিজৰ ভাষাটো যদি অনাদৰ কৰিবলৈ ধৰে তেনেহ'লে আজিৰ এই অসমীয়া পণ্ডিতসকলেই দায়ী হ'ব।" পোৱালিক মানুহে বুজাই বঢ়াই তাৰ পৰা আঁতৰালে।

সেই দিনাখনেই দণ্ডিৰাম দত্তই হাইস্কুলীয়া শিক্ষাৰ সামৰণি মাৰিলে। মাষ্টৰৰ হাতোৱা এপাৰিৰ কোবত চপৰাচপৰ হোৱা তেওঁৰ শৰীৰৰ কষ্টতকৈ সেইদিনাখন তেওঁৰ মনৰ কষ্ট বেছি হ'ল—জৰ দুখ বেদনাই তেওঁৰ শৰীৰ কঁপাই তুলিলে। মাকে এচৰীয়া গৰম পানীত তেওঁৰ ভৰি কেইটা ধুৱাই ভালদৰে মিঠাতেল ঘঁহি দিলে আৰু জৰ কমিবৰ কাৰণে শিলিখা বটি খুৱালে। দণ্ডিৰামে দুখ পোৱা ঠাইবিলাকত সেক দি দি মাকে তেওঁক সান্ত্বনা দি থাকোঁতে মনৰ দুখত দণ্ডিৰামে জ্ৰম বলকাৰ দৰে বহুপৰ বলকি থাকিল—

"বৰ পণ্ডিত ওলাইছে? দয়া মমতা কি একো নেজানে, আমি গৰু ম'হকো এনেদৰে নোকোবাওঁ।"

"তাওৰ মানুহৰ আগত কুকুৰৰ দৰে নেজ জোকাৰে কিন্তু আমাৰ আগত বাঘ হৈ দেখুৱায়। আজি পোৱালিয়ে ঘপিয়াই দিয়া হ'লেই ভাল আছিল।"

"অসমীয়া পঢ়াবলৈ আহিছে? ভাষাটোকে শুধ ভাবে নেজানে। কয় এটা, লিখে এটা। সংস্কৃত ব্যাকৰণৰ একো ভৰা আনি আমাৰ ভাষাত জোৰ কৰি লগাই দিলেই হ'ল নে?"

"ক'ৰ ণত্ব বিধি ষত্ব বিধি বিলাক উলিয়াইছে সেইবিলাক দেখোন আমাৰ কাণতেই নোসোমায়।"

"কয় বোলে অৰুনোদইখন তেনেই ভুল; তেওঁ লিখা মতেহে শুধ। আমি দেখোন অৰুনোদইৰ সকলো কথাই বুজি পাওঁ কিন্তু তেওঁ লিখা কথা একোৱেই বুজি নেপাওঁ।"

## তেৰ

# ধনে ঐ নহ'লে

হাইস্কুল এৰি দণ্ডিৰামে খেতি-বাতিতে লাগিলে আৰু খেতিৰ মাটি অলপ বহলাই বাহি ধান চাউল বেচা ধনেৰে গুৱাহাটীৰ স্কুলতে পঢ়িমগৈ বুলি ভাবিলে। কিন্তু গায়ন গাঁৱৰ আশে পাশে থকা সকলো মাটি আহোম ৰজাই তামৰ ফলিত লিখি এজন ব্ৰাহ্মণক দিয়া আছিল। সেই মাটিত তেওঁ আধি লৈহে খেতি কৰিব পাৰিছিল। সেয়েহে পৰিশ্ৰম অনুযায়ী উপাৰ্জন কৰাটো অসম্ভৱ আছিল। অথচ দণ্ডিৰামহঁতৰ কাৰণে ধনৰ প্ৰয়োজন দিনক দিনে বাঢ়িবলৈ ধৰিলে।

পাইকসকলক কোম্পানী চৰকাৰে মুকলি কৰি দিয়াৰ পিছত তেওঁলোকে কাৰও ভৃত্য নোহোৱাকৈ খেতি বাতি কৰি মুকলিমূৰীয়াভাৱে জীৱন কটাব পাৰিছিল। তেওঁলোকৰ সেই মুক্ত জীৱনেই আছিল তেওঁলোকৰ একমাত্ৰ সম্পদ। তেওঁলোকৰ সামগ্ৰিক প্ৰয়োজন আছিল অতি কম আৰু সহজ সৰল। জীৱনৰ প্ৰায় সকলোবিলাক প্ৰয়োজনীয় সামগ্ৰী তেওঁলোকে নিজে বা গাঁৱতে উৎপাদন কৰিছিল। কিন্তু সেই অৱস্থাৰ লাহে লাহে সলনি হ'বলৈ ধৰিলে। অজানিত-ভাৱে তেওঁলোকে এটা দুটাকৈ নিজে উৎপাদন কৰিব নোৱৰা প্ৰয়োজনবিলাক বাঢ়িবলৈ দিলে আৰু এপইচা দুপইচাকৈ তেওঁলোকৰ পইচাৰ প্ৰয়োজনবিলাকও দিনক দিনে বাঢ়িবলৈ ধৰিলে। শেষত টকা-পইচাই তেওঁলোক বহুতৰ কাৰণে জীৱনৰ অতি প্ৰয়োজনীয় সামগ্ৰী হৈ পৰিল।

গিৰফিত চাহাবৰ উপদেশ স্মৰি বলোৰামে কেতিয়াও চাহপানী মুখত নিদিছিল কিন্তু তেওঁৰ পুতেক দণ্ডিৰামৰ কাৰণে চাহ নহ'লে হাত ভৰি নচলা হ'ল, কাৰণ সেই সময়ত প্ৰায় সকলো ডেকা অসমীয়াই চাহ খোৱা অভ্যাসটো আহৰণ কৰিলে— চাহ মানুহৰ কাৰণে তেজ উদ্দীপক, বল-উদ্দীপক বুলি চাহ ব্যৱসায়ীসকলে গাঁৱে ভূঞে নানা চলেৰে প্ৰচাৰ কৰিছিল আৰু সেই প্ৰচাৰত ভোল গৈ এজন দুজনকৈ ডেকা অসমীয়াই চাহক আকোঁৱালি ল'লে। কিন্তু চাহ বাৰীত উৎপাদন হোৱা বস্তু নাছিল, তাক দোকানৰ পৰাহে কিনিব লাগিছিল। তদুপৰি চাহৰ

কাৰণে প্ৰয়োজন গাখীৰ চেনিৰও পিছৰ বিধ অসমীয়াই দোকানৰ পৰা কিনিব লাগিছিল।

চাহৰ লগত আহিল লুচি ভাজি আৰু তাৰ কাৰণে প্ৰয়োজন কিনিব লগীয়া বস্তু আটা ময়দা আদি। বলোৰামহঁতৰ ৰাতিপুৱা বা আবেলিৰ জলপান আছিল কোমল চাউল, পিঠা গুড়ি, সান্দহ, চিৰা আদি যিবিলাক তেওঁলোকে নিজে উৎপাদন কৰিছিল। কিন্তু পুতেক দণ্ডিৰামে দোকানৰ পৰা অনা পাউৰুটী, কাটা বিস্কুট আদিহে খাবলৈ ভাল পোৱা হ'ল। বলোৰামহঁতৰ দিনত নিমখৰ বৰ আটক আছিল আৰু তেনেদৰে খাবলৈ নোপোৱা কাৰণে নিমখৰও সোৱাদ তেওঁলোকে নজনাৰ নিচিনাই আছিল। কিন্তু দণ্ডিৰামে নিমখৰ সোৱাদ পালে আৰু এপইচা দুপইচাকৈ হ'লেও তেওঁলোকক নিমখ কিনিবৰ কাৰণে পইচা লাগিল। তেনেদৰেই, নিমখ, চেনি, চাহ, আটা, ময়দা আদি জীৱনৰ প্ৰয়োজনীয় সামগ্ৰী হৈ পৰাৰ লগে লগে গাঁৱলীয়া অসমীয়া ৰাইজৰও টকাৰ প্ৰয়োজন বাঢ়ি আহিল। তদুপৰি তেওঁলোকক টকা লাগিল শিক্ষাৰ কাৰণে, কিয়নো হাইস্কুলৰ মাচুল কিতাপ-পত্ৰ, দোৱাত কলম, পেন্সিল আদি স্কুলৰ সকলো প্ৰয়োজনীয় সামগ্ৰীৰ কাৰণে লাগিছিল টকা। বলোৰামৰ গাৰ কাৰণে সৰু ধুতি, তিয়নী, বৰ কাপোৰ. গামোচা, খনীয়া বা এৰী চাদৰৰও যোগান ঘৰতে ঘৈণীয়েকে নিজৰ তাঁতৰ শালৰ পৰাই ধৰিছিল। কিন্তু হাইস্কুলত পঢ়িবলৈ যোৱা দণ্ডিৰামৰ কাৰণে তেনে ধৰণৰ কাপোৰেৰে কাম নচলিছিল। ইতিমধ্যে হাট বজাৰ ভৰি পৰা মিহি সূতাৰ চোলা, ধুতি, বনিয়ন আদি কিনি পিন্ধাটো দণ্ডিৰামৰ কাৰণে নিতান্ত প্ৰয়োজন হৈ পৰিল। সেয়েহে দণ্ডিৰামে ছেগ পালেই দেউতাকক ক'বলৈ ধৰিলে,

"বুজিছ পিতাই, আজিকালি টকা পইচা নহ'লে একো কাম নচলে। মই খেতি বাতি এৰি চাকৰি কৰি অলপ ধন ঘটাহে ভাল হ'ব।"

কিন্তু দেউতাকে দণ্ডিৰামক নিৰুৎসাহ কৰি কয়,

"চাকৰিয়ালৰ জীৱন বৰ ভাল নহয়। চাকৰি আজি আছে কালি নাই। কিন্তু হালৰ মুঠিত ধৰি থাকিব পাৰিলে কেতিয়াও ভাত কেইটাৰ কাৰণে চিন্তা কৰিব নেলাগে। টকা-পইচাই মানুহক নষ্টহে ক'ৰে। তইঁতে চাহ, চেনি, নিমখ, আটা, ময়দা, জোতা, কলিকতীয়া কাপোৰ আদি সংসাৰৰ আৱৰ্জনাবোৰ চপাবৰ কাৰণেই হাঁ পইচা বুলি হাবাথুৰি খাইছ। সেইবিলাক ব্যৱহাৰ কৰিবলৈ এৰি দে, টকা পইচাও নলগা হ'ব।"

কণ্ডিৰামে কিন্তু নিৰুৎসাহ নহৈ কয়,

"কিন্তু পিতাই ফলি-পুথি দৰব-পাতি কিনিবলৈকো দেখোন পইচা লাগে।"

কিন্তু দেউতাকৰ দৃঢ় মত,

"তই সেইবিলাকৰ কাৰণে চিন্তা কৰিব নেলাগে। সেইবিলাকৰ কাৰণে আমিনো তোক কেতিয়া পইচা নিদিয়াকৈ আছোঁ। বৌটিয়েৰে এৰী কাপোৰ, খনীয়া কাপোৰ বেচা ধনেৰেই দেখোন খাজনাৰ পইচা, তোৰ ফলি পুথিৰ পইচা দি আছোঁ। খেতিখন অলপ বহলালে ধান চাউল বেচিও আমি আৰু অলপ ধন ঘটিব পাৰোঁ। তই গুৱাহাটীৰ হাইস্কুলত বা শিৱসাগৰৰ মিছন স্কুলত পঢ়োঁ বুলি ক' আমি তাৰ কাৰণেও ধন দিব পাৰিম।"

## চৈতন্য

# চাহ-বাগিচাৰ বনুৱা শিৱৰাও

যেউতাকে হকা বধা কৰিছিল যদিও দণ্ডিৰামে মনে মনে চাকৰিৰ কাৰণে চেষ্টা কৰিছিল আৰু দুই এবাৰ কাছাৰীত চাকৰি ল'বলৈ চেষ্টা কৰি বিফল হৈছিল। সেয়েহে তেওঁ চাহ বাগিচাবিলাকত চাকৰিৰ চেষ্টা কৰিবলৈকো মনে মনে পাতিছিল।

দুই এবাৰ দণ্ডিৰামে খৰ লিব দিনত বৰ নৈৰে অহা ভাপৰ জাহাজ চাবলৈকো গৈছিল। তেতিয়া তেওঁলোকে চাহ বাগিচাত কাম কৰিবলৈ অনা বনুৱা কিছুমানৰ দুৰ্গতি দেখি দণ্ডিৰামৰ প্ৰাণ কঁপি উঠিছিল। বাগিচাত কাম কৰিবলৈ বুলি সেই মানুহবিলাকক জাহাজৰ তলভাগত গৰু ম'হৰ দৰে লাদি আনিছিল। তেওঁলোকৰ গাত কাপোৰ-কানি নাছিল দেখি জাৰত কঁপি কঁপি আহিছিল। গোটেই বাটটোত তেওঁলোকক দলিয়াই দলিয়াই গেলা পচা যিহকে তিহকে খাবলৈ দিছিল। বহুতে বাটতে কলেৰা, জ্বৰ, নানাৰোগত ভুগি মৰিছিল। প্ৰাণ লৈ বাচি থকাবিলাকৰও বেছি ভাগৰে যোৱা খোৱা জীৰ্ণ শীৰ্ণ দুখ লগা অৱস্থা হৈছিল। সেইবিলাক মানুহেৰেনো চাহ বাগিচাত কি কাম কৰায় বা তেওঁলোকেনো কেনে ধৰণৰ টকা পইচা উপাৰ্জন কৰে সেই বিষয়ে শুনিবলৈ দণ্ডিৰামৰ খুব কৌতূহল হ'ল। সেই বিষয়ে জানিবৰ কাৰণে দণ্ডিৰামে বেছি দিন অপেক্ষা কৰিব লগীয়া নহ'ল।

এদিন দণ্ডিৰামহঁতৰ ওচৰত আশ্ৰয় বিচাৰি শিৱৰাও নামে এজন চাহ বাগিচাৰ বনুৱা ভৰ দুপৰীয়াতে ওলালহি—লগত ন দহ বছৰীয়া এহাল ল'ৰা-ছোৱালী। শিৱৰাৱে দণ্ডিৰামৰ ভৰিত দীঘল দি পৰি, "বাবু মোকে ৰাখ, বাচ্চাকে কিছু খাবাৰ দে। মুই তোৰ গোলাম বনিব। খেতৰ কাম কৰিব" বুলি কাবৌ কুকালি কৰিবলৈ ধৰিলে। দুপৰীয়াৰ আলহী সাক্ষাৎ নাৰায়ণ বুলি দণ্ডিৰামে শিৱৰাওহঁতক ভালদৰে খাবলৈ জিৰাবলৈ দিলে।

শিৱৰাওহঁতক বিছ বছৰ চাকৰি কৰিব বুলি কিবা গিৰমিতত টিপ চহী কৰাই চাহ বাগানত কাম কৰিবলৈ আনিছিল। তেওঁলোকক অনা-নিয়াৰ ব্যৱস্থা আৰু কাম কৰা দিন কেইটা সকলো খোৱাক, থকা ঠাই আৰু নিয়মিত বানচ দিব বুলি প্ৰতিশ্ৰুতি দি আনিছিল। কিন্তু তেওঁলোকে লিখা পঢ়া একো নেজানে কাৰণে তেওঁলোকক বাগানৰ মালিকে নানা প্ৰকাৰে শোষণ কৰিছিল। তেওঁলোকক ধন

পুৱাৰ পৰা একেবাৰে নিশালৈকে সদায় ৰ'দে বৰষুণে খটুৱাইছিল। কামৰ পৰা তেওঁলোকে মুহূৰ্তৰ বাবেও জিৰাবলৈ পোৱা দূৰৈত থাওক কাম কৰি থাকোঁতেও চৰ্দাৰৰ কোবহে খাব লাগিছিল। খোৰাকৰ কাৰণে তেওঁলোকে পাইছিল কেৱল ভাত, দাইল, অলপ লোণ, অলপ তেল। দুই এবাৰ চাহাবে চিকাৰ কৰিবলৈ যাওঁতে মৰা ৰবিয়ালৰ মঙহ তেওঁলোকে খাবলৈ পাইছিল। তেওঁলোকক থাকিবলৈ দিয়া বস্তিৰ ঘৰবিলাকৰ অৱস্থা গৰুৰ গোহালি বা গাহৰিৰ চাঙতকৈও অস্বাস্থ্যকৰ আছিল। বেমাৰ-আজাৰত পৰিলে তেওঁলোকক চিকিৎসা কৰিবলৈ কোনো ব্যৱস্থা নাছিল। বেমাৰী হৈ বা কেনেবাকৈ হাত ভৰি ভাঙি কাম কৰিব নোৱৰা হ'লে তেওঁলোকৰ সংস্থানৰ কোনো ব্যৱস্থা নকৰি শিয়াল কুকুৰে খাবৰ কাৰণে বাগিচাৰ পৰা বাহিৰ কৰি উলিয়াই দিয়া হৈছিল। তেওঁলোকৰ তেজ শুহি কাম আদায় কৰাটোৱেই যেন চাহাবৰ উদ্দেশ্য আছিল। মাজে মাজে বাগানত কাম কৰিবলৈ দুই এজন মৰমিয়াল চাহাব আৰু মেম চাহাব আহিছিল আৰু তেওঁলোকে বনুৱাসকলৰ ভালৰ কাৰণে যি পাৰে কৰিবলৈ চেষ্টা কৰিছিল। তেওঁলোকৰ প্ৰতি বিশেষ সহৃদয় আছিল পাদুৰী চাহাবসকল। পাদুৰী চাহাবসকলেই চাহ বাগিচাৰ বনুৱাসকলৰ হৈ সদায় মাত মাতিছিল আৰু গিৰমিতৰ দিন উকলিলে কেতিয়াও নতুন গিৰমিতত চহী বা টিপচহী নকৰিবলৈ উপদেশ দিছিল। কিন্তু বহুতো বনুৱাই গিৰমিতৰ দিন এবাৰ উকলিলে দুনাই গিৰমিতত চহী কৰাৰ বাদে আন উপায় নাছিল। পাদুৰী চাহাবৰ ধৰ্ম ল'বলৈ যোগ্যসকলক পাদুৰী চাহাবে বাগিচাৰ পৰা নি বাহিৰত কাম কাজৰ ব্যৱস্থা কৰি দিছিল নাইবা মাটি বাৰী যোগাৰ কৰি দিছিল। কিন্তু শিৰবাওৰ দৰে বহুতেই আছিল ধাৰ্মিক হিন্দু, তেওঁলোকে নিজৰ ধৰ্ম এৰি দিবলৈ বেয়া পাইছিল। তেওঁলোকৰ অসমত বা আন ঠাইত কোনো মাটি বাৰী নাছিল যে তেওঁলোকে খেতি বাতি কৰি জীৱিকা নিৰ্বাহ কৰাৰ কথা ভাবিব পাৰিছিল। তাতে বাগিচাৰ মালিকসকলে নানা কৌশলেৰে এইটো নিশ্চয় কৰিছিল যে তেওঁলোকে দূৰ দূৰ ঠাইৰ পৰা অনা সেই বনুৱাসকলে আৰু তেওঁলোকৰ সন্তি-সন্ততিবিলাকে চিৰদিন চাগিচাত কাম কৰি থাকিবলৈ বাধ্য হয়।

বনুৱাসকলে যাতে মজুৰিৰূপে পোৱা পইচাখিনি সাঁচিবলৈ যত্ন নকৰে তাৰ কাৰণে তেওঁলোকে মদৰ মহলৰ ব্যৱস্থা কৰিছিল আৰু প্ৰত্যেক বনুৱাই যাতে আজৰিৰ সময়কণ মদ খোৱাতে অভ্যস্ত হয় তাৰ কাৰণে বাগিচাৰ কি মতা কি মাইকী বেছিভাগ বনুৱাই মদপীলৈ ৰূপান্তৰিত হৈছিল আৰু দৰমহাৰ প্ৰায় সকলো ধনেই মদৰ হাড়িতেই নষ্ট কৰিছিল।

শিৱবাওৰ দৰে দুই চাৰিজনে মদ নোখোৱাকৈ থাকি কিছু টকা পইচা সাঁচিব পাৰিছিল আৰু তাৰে দেওবৰীয়া হাট বজাৰৰ পৰা ল'ৰা-ছোৱালীক খুৱাব পিন্ধাবৰ কাৰণে দুই এটা ভাল বস্তু কিনিব পাৰিছিল। শিৱবাৱে নিজৰ মানুহখিনিক বাগিচাৰ জীৱনৰ দুখ-কষ্টৰ পৰা উদ্ধাৰ কৰিবৰ উপায় সদায় চিন্তা কৰিছিল। অসমীয়া মানুহৰ ওপৰত তেওঁৰ আস্থা আছিল। বিশেষকৈ অসমীয়া সমাজৰ কৃষ্ণ-ভক্তি আৰু নামঘৰক কেন্দ্ৰ কৰি গঢ় লোৱা গাঁৱলীয়া জীৱন তেওঁ বৰ ভাল পাইছিল কাৰণ তেওঁও আছিল কৃষ্ণভক্ত। গুৰু পুৰন্দৰ দাস নামৰ এজন মহাপুৰুষে বোলে তেওঁলোকৰ উপৰিপুৰুষসকলক দীক্ষা দি বৈষ্ণৱ কৰিছিল। সাধাৰণ অসমীয়া বাইজৰ দৰে তেওঁলোকৰ উপৰিপুৰুষসকলও আছিল নকৈ হোৱা হিন্দু আৰু তেওঁলোককও হেনো তেওঁলোকৰ দেশত পুৰণি হিন্দু সমাজে লেই লেই ছেই ছেই কৰিছিল।

বাগিচাত থকা এজন অসমীয়া বাবুৱে শিৱবাওক খুব মৰম কৰিছিল। সেই অসমীয়া বাবুজনৰ পৰা শিৱবাৱে জানিব পাৰিছিল যে বহু অসমীয়া খেতিয়কে হেনো কাম কৰা মানুহৰ অভাৱত পুৰাকৈ খেতি কৰিব নোৱাৰিছিল। সেয়েহে শিৱবাৱে মনে মনে ভাবি এইটো ঠিক কৰিছিল যে তেওঁৰ গিৰমিতৰ দিন উকলিলে তেওঁ অসমীয়া খেতিয়কৰ কাষ চাপিব আৰু তেওঁলোকৰ খেতি-বাতিত সহায় কৰি দি জীৱন নিৰ্বাহ কৰিব আৰু ল'ৰা-ছোৱালী কেইটাকও অসমীয়া মানুহৰ ঘৰত কাম-কাজ কৰি চলিবলৈ দিব। ইতিমধ্যে তেওঁ ডাঙৰ ছোৱালীজনীক সেই অসমীয়া বাবুজনৰ গাঁৱৰ ঘৰতে থৈছিল আৰু তাইও তাতে বাগিচাতকৈ বহু ভালদৰে আছিল। সেই অসমীয়া বাবুজনে শিৱবাৱৰ কিবা এটা ব্যৱস্থা কৰিবলৈ ইচ্ছুক আছিল কিন্তু তেনে কৰিলে চাহাবে থং কৰে বুলি একো নকৰিলে কাৰণ শিৱবাওৰ লগতে আন কেবাজনেও নতুনকৈ গিৰমিতৰ চহী নকৰি বাগিচা এৰি গুচি যাবলৈ ওলোৱা দেখি চাহাবজন অতিশয় হতাশ হৈছিল।

শিৱবাওক দণ্ডিৰামৰ দেউতাকে আশ্ৰয় দিলে। তেওঁৰ ল'ৰাটোক এজনে আৰু ছোৱালীজনীক আন এজনে ৰাখিলে। শিৱবাৱে দণ্ডিৰামহঁতক সকলো প্ৰকাৰে সহায় কৰিলে আৰু তেওঁৰ শ্ৰমৰ সহায়তেই তেওঁলোকে আগতকৈ খেতি বহলাবলৈ সমৰ্থ হ'ল। তেওঁলোকে শিৱবাওক থাকিবৰ কাৰণে চ'ৰাঘৰৰ দাঁতিতে ছালি এখন দি সৰু কোঠা এটা কৰি দিলে। সেইদৰে শিৱবাওৰ লগৰ গিৰমিত এৰাই অহা আন আন বঙ্গালসকলেও অসমীয়া গাঁৱত সংস্থান পালে আৰু অসমীয়াৰ লগত মিলি জুলি থাকিবলৈ সুবিধা পালে। কিন্তু এওঁলোক সকলো আছিল

যথাসৰ্বস্বহীন। সকলো কথাতে তেওঁলোক অসমীয়া গিৰিহঁতৰ অনুগ্ৰহৰ ওপৰতে নিৰ্ভৰ কৰিব লগীয়া হৈছিল। তেওঁলোকৰ তেনে দুৰৱস্থাত বহু অসমীয়াই প্ৰীতিৰে তেওঁলোকক সহায় নকৰি তেওঁলোকৰ পৰা সকলো সুবিধাহে ল'বলৈ ধৰিলে। অসমীয়া মানুহৰ কাৰণে শিৱৰাওৰ নিচিনা সন্তীয়া বনুৱা উভৈনদী হৈ প৷ৰল আৰু বহু অসমীয়াই তেওঁলোকক 'কুলি' বুলি নিজতকৈ এক নিম্ন শ্ৰেণীৰ লোক যেনহে জ্ঞান কৰিবলৈ ধৰিলে। সাধাৰণ অসমীয়াই অৱস্থাপন্ন ব্ৰাহ্মণ কায়স্থ সকলৰ পৰা যিটো ব্যৱহাৰ বেয়া পাইছিল তাকেই অনুকৰণ কৰি 'কুলি' সকলৰ প্ৰতি তেনে ব্যৱহাৰকে কৰিলে।

শিৱৰাওৰ অৱশ্যে ভাগ্য ভাল আছিল। তেওঁ আৰু তেওঁৰ ল'ৰা-ছোৱালী কেইটাই দণ্ডিৰামহঁতৰ ঘৰত ভাল ব্যৱহাৰেই পাইছিল। দণ্ডিৰামে শিৱৰাওৰ পৰা খুচৰি খুচৰি বাগিচাৰ কাম কাজৰ বিষয়ে যিমান পাৰে সিমান বুজ লৈছিল। তেওঁ এইটো জানিব পৰিছিল যে তেওঁ লিখা পঢ়া জানে যেতিয়া বাগিচাৰ বাবু হ'ব পাৰিব আৰু বাগিচাৰ বাবু বিলাকৰ জীৱন বেছ ভাল। দেউতাৰ খেতি বাতিত সহায় কৰিবলৈ শিৱৰাও আছে যেতিয়া তেওঁ কিছুদিনৰ কাৰণে বাগিচাৰ বাবু হ'বলৈ ইচ্ছা প্ৰকাশ কৰিলে। এইবাৰ দেউতাকে সম্মতি দিলে।

## পোন্ধৰ

## দণ্ডি বাবু

২২ বছৰ বয়সত দণ্ডিৰামে যোৰহাটৰ ওচৰৰে সৰু চৈকটা বাগিচাত মহৰীৰ চাকৰিত সোমায় আৰু কেইবছৰমান পিছতে তাৰ বৰ মহৰী পদৰী পায়। বৰ মহৰী হোৱাৰ আগতে দণ্ডিৰামে ককিলামুখৰ দময়ন্তীক বিয়া কৰায় আৰু ইতিমধ্যে এটা ল'ৰা আৰু ডুজনী ছোৱালীৰ বাপেকো হয়। নিজৰ পত্নী আৰু ল'ৰা ছোৱালী কেইটাৰ স'তে বাগিচাৰ ঘৰতে দণ্ডিৰামে বেছ সুখেৰেই দিন কটাব পাৰিছিল। কাম কাজ বৰ কষ্টকৰ নাছিল। তেওঁ টকা-পইচা ভালদৰেই পাইছিল। খোৱা-বোৱা, কাপোৰ-কানি, ঘৰৰ-পাতি একোৰেই তেওঁ অভাৱ অনুভৱ নকৰিছিল। দণ্ডিৰামৰ একমাত্ৰ চিন্তাৰ কাৰণ আছিল তেওঁৰ দেউতাক বলোৰাম।

বলোৰামে শিৱৰাওৰ সহায়ত খেতি-বাতি চলাই আছিল যদিও তেওঁৰ বয়স পৰি অহাৰ লগে লগে বেছি পৰিশ্ৰম কৰিব নোৱৰা হ'ল। বিশেষকৈ তেওঁৰ ঘৈণীয়েক ঢুকোৱাৰ পিছত তেওঁ বৰ অকলশৰীয়া হ'ল আৰু তেওঁৰ মনটো ভাগি পৰিল। তাৰ পিছত শিৱৰাৱেও শেষ নিশ্বাস পেলোৱাত বলোৰামে ঘৰত অকলেই থাকিব লগীয়া হয়। দণ্ডিৰামে দেউতাক তেনেই অকলশৰীয়া হোৱা কাৰণে দেউতাকক গাঁৱৰ পৰা নি বাগিচাত নিজৰ লগতে থাকিবলৈ মাতিলে কিন্তু দেউতাক বলোৰামে গাঁওখন এৰি যাবলৈ কোনোমতে মান্তি নহয়। বৰঞ্চ বলোৰামে দণ্ডিৰামকহে বাগিচাৰ চাকৰি এৰি গাঁৱলৈ ঘূৰি আহিবলৈ খাটিলে। বলোৰামৰ দৃঢ় মত :

"বাগিচাৰ চাকৰি আজি আছে কালি নাই।"

"খাই-বই আৰামেৰে আছ হয়, সমাজ সংস্কৃতি কিন্তু তইঁতে একো পোৱা নাই। নাই নাট ভাওনা কৰিবলৈ পাইছ, নাই মাহেকে পষেকে ৰাইজৰ লগত গোট হৈ নাম কীৰ্ত্তন কৰিবলৈ পাইছ।"

"চাহাবক চেলাম দিওঁতে দিওঁতেই দেখোন তোৰ কঁকাল পৰিব।"

"ভৱিষ্যতে ল'ৰা-ছোৱালী কেইটাই কি কৰি খাব? বাগিচাত সিহঁতৰ শিক্ষা-দীক্ষাৰও কোনো সুবিধা নাই।"

"সকলোৱেই যদি চাকৰি কৰে তেনেহ'লে খেতি কৰিব কোনে? চাউল

ফাইলৰ যোগান কোনে ধৰিব? তই হালৰ মুঠি টিলাই দি বৰ ভাল কৰা নাই। চাকৰিৰ জীৱনত কোনো নিৰাপত্তা নাই।"

তেনেকুৱা ধৰণৰ মত মনত ধৰি বাখি থকা কাৰণে বলোৰামে মাজে মাজে গৈ থাকিলেও বাগিচাত পুতেকৰ লগত দীঘলীয়াকৈ থাকিবলৈ ভাল নেপাইছিল। বাগিচাত দুদিনমান কটোৱাৰ পিছতে তেওঁ গাঁৱৰ ঘৰলৈ গুচি আহিবৰ কাৰণে হলস্থূল লগাইছিল, তদুপৰি বাগিচাত থকা সময়খিনি তেওঁ দণ্ডিৰামক গাঁৱলৈ উভতি গৈ খেতি-বাতি কৰি, ল'ৰা ছোৱালীক পঢ়ুৱাই, ভাওনা সবাহ পাতি নিয়মীয়াকৈ নাম কীৰ্তন কৰি জীৱন কটাবলৈ উপদেশ দিছিল।

দণ্ডিৰামে দেউতাকৰ কথাবিলাক উকৰাই নিদিছিল। দেউতাকৰ কথাবিলাক যে বহুদূৰ সঁচা তাক তেওঁ ভালদৰে জানিছিল। তথাপি বাগিচাৰ চাকৰিৰ সাময়িক নিৰাপত্তা আৰু সি তেওঁৰ পৰিয়ালটোলৈ আনি দিয়া আড়ম্বৰ তেওঁ সহজে দলিয়াই পেলাব নোৱাৰিছিল। তথাপি তেওঁ দেউতাকক আশ্বাস দিছিল যে তেওঁ বাগিচাত দুবছৰমান চাকৰি কৰি ভালদৰে কিছু ধন সাঁচিব আৰু তাৰ পিছত গাঁৱলৈ উভতি আহি ভালদৰে বহিব। দণ্ডিৰামৰ পৰা তেনে প্ৰতিশ্ৰুতি পাই প্ৰৌঢ় বয়সত বলোৰামে দুই এবছৰৰ কাৰণে বাগিচাত থাকিবলৈ গ'ল, কাৰণ ইতিমধ্যে গায়ন গাঁৱত তেওঁ অকলে অকলে জীৱন কটোৱাটো একপ্ৰকাৰ অসম্ভৱ হৈ পৰিছিল। কিন্তু তেওঁ বাগিচাত থাকিম বুলি যাবৰ দিনাখন বাটত নানা অমঙ্গলীয় ঘটনা দেখিবলৈ পালে।

বলোৰাম যোৱা বাটত দুই এজন অসমীয়া চাহ বাগিচাৰ মালিকৰ ঘৰ আছিল। তৰ দুপৰীয়া ৰ'দত এজন অসমীয়া চাহ বাগিচাৰ মালিকৰ ঘৰৰ আগেদি ছাতি মেলি যোৱা কাৰণে সেই মালিকৰ লগুৱাই আহি বুঢ়া বলোৰামৰ নগুৰ নাকটি কৰিলে—চাহ বাগিচাৰ মালিকৰ ঘৰৰ আগেদি হেনো সাধাৰণ মানুহে ছাতি মেলি যোৱাটো মালিকে সহ্য নকৰিছিল।

আন এজন চাহ বাগিচাৰ মালিকৰ ঘৰৰ আগেদি ডেকা ল'ৰা এজনে চাইকেল চলাই যাওঁতে তেওঁক মালিকে ধৰাই আনি গালি গালাজ পাৰিছিল আৰু শেষত "আজিৰ পৰা হমাৰা ঘৰতকে চামনে চাইকেলত মত উঠ" বুলি হুকাৰিছিল। ডেকাজনে, "হয় হজুৰ, মত উঠেগা" বুলি সাষ্টাঙ্গে প্ৰণিপাত কৰি তাৰ পৰা সেমেনা সেমেনিকৈ আঁতৰিছিল।

হাইস্কুলৰ কাষত দেখিলে এখন চাহ দোকান হৈছে আৰু তাতে ল'ৰাইতে চাহ

মিঠাই কিনি খাইছে। গিৰমিত চাহাবৰ কথা মুৰঁবি বলোৱামে ভাবিলে যে মুলত পৰি ল'ৰাহঁতৰ নিশ্চয় কিবা অসুখ হৈছে।

এটা নামঘৰৰ সমুখত দেখিলে অসমীয়া ডেকা বুঢ়া কিছুমানে মিলি কানি খাইছে। তাৰে দুই এজনে কৈছিল বোলে "হোপা কেইটাই এনেদৰে গা মন জুৰ কৰে যেন শৰীৰত অমৃতৰহে ধাৰ বোৱায়।"

বাটে বাটে তেওঁ যোৰহাট চহৰ অভিমুখে অহা ঢেৰ চাহ বাগিচাৰ বনুৱা লগ পালে—তেওঁলোক কোনোৰ হাত ভৰি ভগা, কোনোৰ চকু কণা আৰু দুই এজন দুৰাৰোগ্যত ভোগা। বাগিচাৰ মালিকৰ বাবে অকৰ্মণ্য হোৱা কাৰণে তেওঁলোকক বাগিচাৰ পৰা উলিয়াই দিয়া হৈছিল। সেয়েহে তেওঁলোকে যোৰহাট চহৰতে কোনোমতে 'খুজি মাগি খাম' বুলি আহিছিল।

যোৰহাট চহৰত খুজি মাগি খাম বুলি এখন বাগিচাৰ পৰা বাট কুৰি বাই আহি থকা এদল বুঢ়া বুঢ়ীকো বলোৱামে বাটত লগ পালে। তেওঁলোকৰ মাজৰে এগৰাকীয়ে হায়ে বিয়ে কৈ কান্দি আহিছিল—আগদিনাখন ৰাতি তেওঁলোকে বাটৰ কাষতে শুই থাকোঁতে তেওঁৰ মতাটোক হেনো বাঘে নিছিল। সেই বুঢ়া বুঢ়ীসকলৰ আটায়েই এখন চাহবাগিচাত চল্লিছবছৰ কাম কৰা মানুহ। দুকুৰি বছৰ শ্ৰম কৰাৰ পিছত মালিকে তেওঁলোকৰ লগত নতুন গিৰমিত নিলিখালে, কাৰণ তেওঁলোকৰ বয়সৰ কাৰণে তেওঁলোকে আগৰ দৰে কাম কৰিব নোৱৰা হৈছিল। সেয়েহে তেওঁলোকে প্ৰত্যেককে তিনি দিনৰ খোৰাক দি বাগিচাৰ বাহিৰ কৰি উলিয়াই দিয়া হ'ল। ওচৰৰ চহৰত ভিক্ষা কৰি খোৱাৰ বাহিৰে তেওঁলোকৰ আন একো উপায় নাছিল। নিৰাশ্ৰয়ভাৱে বাট কুৰি বাই গৈ থাকোঁতে তেওঁলোকৰ বহুতো বাঘ, ঘৰিয়াল আৰু সাপৰ মুখৰ প্ৰাণ হেৰুৱাইছিল। তেনেদৰে বাগিচাতে গোটেই জীৱন শ্ৰম কৰি কৰি অলৰ অচৰ হোৱা লোকক সংস্থাপন কৰিবৰ কাৰণে বাগিচাৰ মালিকসকলে কোনো প্ৰকাৰ চেষ্টা নকৰিছিল। মালিক-সকলে কয়, "সিহঁতে যদি দৰমহাৰ টকা কেইটা মদ ভাঙত খৰছ নকৰি জমা কৰি থলেহেঁতেন তেনেহ'লে সিহঁত বুঢ়া বয়সত বাটৰ ভিখাৰী হ'ব নেলাগিলহেঁতেন।" কিন্তু বাগিচাত মদৰ মহল মালিকৰ পৃষ্ঠপোষকতাতে বহিছিল। আনহাতে বাগিচাৰ বনুৱাসকলে ধন সাঁচিবৰ কোনো সুবিধা নাছিল বা তেওঁলোকক ধন সাঁচি ভৱিষ্যতৰ সুপৰিকল্পিত আচনি কৰিবলৈ কোনো ৰকমে উৎসাহ দিয়া নহৈছিল। তদুপৰি বনুৱাসকলে উপাৰ্জনৰ সকলো ধন সাঁচিলেও তেওঁলোকৰ বাৰ্দ্ধক্যৰ দিনত এক সাধাৰণ জীৱনৰ প্ৰতিশ্ৰুতি দিব পৰা সঞ্চয় নহ'লহেঁতেন।

বলোৱামে বাগিচা পাই দণ্ডিৰামক সুধিলে,

"বুঢ়া হ'লে তইঁতকো এনেদৰেই উলিয়াই দিব নেকি ? তই তেতিয়া কি কৰিবি ? ক'লৈ যাবি ?"

"অঁ হওঁতে কাম কৰিব নোৱৰা হ'লে আমিও বাগিচাৰ পৰা আঁতৰ হ'ব লাগিব কিন্তু আমি টকা-পইচা অলপ পাম। তাকে লৈ গাঁৱলৈকে গৈ খেতি-বাতি কৰি খাব লাগিব।"

"বুঢ়া বয়সতনো খেতি কৰিবি কেনেকৈ ? সদায় বাগিচাতে ডাঙৰ হ'লে তোৰ ল'ৰাই কেনেকৈ খেতি কৰিবলৈ শিকিব ? বাগিচাত থাকি সিহঁতৰ বিস্তৰ ক্ষতি হৈছে। ইয়াত ফলি-লোৱা ঘৰ এখনও নাই। সিহঁতে আখৰ কেইটাও চিনি নেপায়। ইয়াত থাকিলে সিহঁতৰ একো নহ'ব।"

"হ'ব ৰ'চোন। ইহঁত কেইটা অলপ ডাঙৰ হওক, তেতিয়া মই যোৰহাটলৈ পঠিয়াই দিম। চাহাবেও সদায় কৈ থাকে বোলে বাবুবিলাকৰ ল'ৰা-ছোৱালীয়ে ভালদৰে পাছ কৰিলে আমি সিহঁতৰ পঢ়-শুনাৰ সকলো খৰছ দিম। তই সেইকাৰণে চিন্তা কৰিব নেলাগে মই সিহঁতক শিক্ষা দিম। এনেয়ে মই লাহে ধীৰে বাগিচাৰ পৰা অলপ সোনকালেই ওলাম বুলি ভাবিছোঁ।"

দণ্ডিৰামে যিমান সোনকালে বাগিচাৰ চাকৰি এৰিব বুলি ভাবিছিল তাতকৈও বহু সোনকালে বাগিচা এৰিবলৈ যো-জা কৰিব লগা হ'ল।

## ষোল

# "কুলক্ষণীয়া তই—তোক কোনে পঢ়াব"

১৯০১ চনৰ ১২ ডিচেম্বৰত (২৬ আঘোণ বৃহস্পতিবাৰ) এক শুভ লগনত দণ্ডিৰামৰ চতুৰ্থ সন্তান ফণীধৰ দত্তৰ সক চৈকটা বাগিচাতে জন্ম হয়। কেঁচুৱাটিক দেখিয়েই ককাক বলোৰামে ক'লে, "ল'ৰাটিৰ লক্ষণ অতি ভাল।" সৌৰবণী কৰোঁতে পণ্ডিতে বাৰে বাৰে গণনা কৰি পালে যে ল'ৰাটোৰ বিশেষ বিদ্যা বুদ্ধি হ'ব লাগে। সেয়েহে পণ্ডিতে দণ্ডিৰামক বাৰে বাৰে ক'লে,

"ইয়াক শিক্ষাদানত অকণো হেলা নকৰিবা। তাৰ গাত যি বিদ্যাৰ লক্ষণ দেখা গৈছে সি অতি বিৰল। ভগৱানে কৰিলে সি বিদ্যা বুদ্ধিৰে দেশ উজলাব পাৰিব।"

দণ্ডিৰামেও নিজেই পাৰ্বতীৰ ককাকৰ পৰা কিছু গণনা কৰিবলৈ শিকিছিল। তেওঁও পুতেকৰ বিদ্যা বুদ্ধিৰ লক্ষণ ভালদৰে বুজিব পাৰিছিল। সেয়েহে তেওঁ ফণীধৰ দত্তৰ শিক্ষাৰ ব্যৱস্থা কৰাৰ কথা ভালদৰে ভাবিবলৈ ধৰিলে।

ফণীধৰ দত্ত চুঁচৰি ফুৰিব পৰা হওঁতেই ককাক বলোৰামে ইহ লীলা সম্বৰণ কৰিলে। পুতেকৰ পৰা শেষ বিদায় লোৱাৰ সময়ত বলোৰামে কৈ গ'ল, "ল'ৰা পোৱালিটোক ভালদৰে চাবি। সি বহু ওপৰলৈ উঠিব পাৰিব। বহু জনমৰ সাধনাৰ ফলতহে এনে এটা সন্তান পাইছ। স্কুললৈ নপঠিয়াই বাগিচাতে তাক বন্ধ কৰি নথ'বি।"

তাৰ পিছত দণ্ডিৰামে বাগিচা এৰি যোৰহাটৰ গাঁৱৰ ঘৰলৈ আহিবলৈ অধৈৰ্য্য হ'ল। ফণীধৰৰ পাঁচ বছৰ বয়স নোহওঁতেই পুতেকৰ শিক্ষাৰ ব্যৱস্থা কৰিবৰ কাৰণেই দণ্ডিৰাম দত্তই বাইছ বছৰ কাল বাগিচাৰ চাকৰি কৰাৰ পিছত বাগিচাৰ বৰ মহৰীৰ আড়ম্বৰপূৰ্ণ চাকৰি এৰি পুনৰ খেতিয়কৰ জীৱনক আঁকোৱালি ল'লে। বাগিচাৰ চাহাব আচৰিত হ'ল। তেতিয়া মাত্ৰ ছকুৰিৰ ডেওনা পাৰ হোৱা ডেঙেলোকৰ পাৰদৰ্শী বৰমহৰীৰ কাম এৰি নেযাবলৈ বাগিচাৰ আটাই কেইজন চাহাবে খুব জোৰ কৰিলে। কিন্তু পুতেকৰ শিক্ষাৰ কাৰণে আৰু পিতৃৰ মনৰ কামনা পূৰ্ণ কৰিবলৈ দণ্ডিৰাম দৃঢ় প্ৰতিজ্ঞ। তেওঁক কোনেও বাধা দি ৰাখিব নোৱাৰিলে।

গায়ন গাঁৱলৈ আহি ভালদৰে নাম কীৰ্ত্তন কৰি গুৰু-গোসাঁই আৰু ৰাইজৰ

আশীৰ্বাদ লৈ দণ্ডিৰামে ফণীধৰ দত্তৰ বিভাৰম্ভ কৰিলে আৰু ওচৰৰে বুঢ়াগোঁহাই পুখুৰীৰ পাৰৰ কণ বামুণৰ পঢ়াশালিত নাম লগাই দিলে। তাত কিছুদিন পঢ়াৰ পিছত চহৰৰ 'ইউনিয়ন স্কুল'ত ( বৰ্তমান হাইস্কুল ঘৰৰ পূৱ ফালে থকা আলিৰ দাঁতিৰ নাহৰ কেইজোপাৰ তলতে সেই স্কুল আছিল ) নাম লগাই দিয়ে। সেই স্কুলত তেখেতৰ সহপাঠী আছিল কাকতী গাঁৱৰ শ্ৰীৰাচাৰাম শৰ্মা, শ্ৰীজীৱকান্ত মজিন্দাৰ বৰুৱা, শ্ৰীমাণিকচন্দ্ৰ শৰ্মা, চাউদাং গাঁৱৰ শ্ৰীতোলন চন্দ্ৰ শইকীয়া। আতুলীয়া গাঁৱৰ শ্ৰীবাপুৰাম কোচ আৰু যোৰহাটৰে শ্ৰীমানিজুৰ জামান। সেই সহপাঠী আৰু সেই স্কুলৰ শিক্ষকসকলক ফণীধৰ দত্তই নিজৰ তীক্ষ্ণ বুদ্ধিৰে তবধ মনাইছিল। আনকি তেতিয়াৰ স্কুল ইন্‌স্পেক্টৰ জি. এ. স্মল চাহাবে এবাৰ স্কুল পৰিদৰ্শন কৰিবলৈ আহি তেওঁক এটা পুৰস্কাৰ দি গৈছিল।

সেই সকলোবিলাক দেখি দণ্ডিৰাম দত্তই বাগিচাৰ চাকৰি এৰি দি ভালেই কৰিলোঁ বুলি আনন্দিত হৈছিল। তেওঁ নিজেই খেতি-বাতি কৰাৰ উপৰিও বাগিচাৰ পৰা পোৱা ধনেৰে ভালদৰেই ঘৰ চলিছিল। ইতিমধ্যে তেওঁৰ আৰু এজনী ছোৱালী আৰু এটা ল'ৰাৰ জন্ম হয়। তেওঁৰ ঘৰত একোৰে অভাৱ নাছিল আৰু ল'ৰা ছোৱালী কেইটাই কোনো ধৰণৰ কষ্ট পোৱা নাছিল। কেইবছৰমান যোৱাৰ পিছত তেওঁ ভালদৰে ঘৰটো সাজোঁ বুলি কাঠ, ইটা আদিও গোটাই ললে। কিন্তু ঘৰ সাজিবলৈ পোৱাৰ আগতেই মাত্ৰ ৪৭ বছৰ বয়সত ( ফণীধৰ দত্তৰ এঘাৰ বছৰ বয়সত তেওঁৰ বৃত্তি পৰীক্ষাৰ আগে আগে ) সামান্য পানী লগা জ্বৰ হৈ দণ্ডিৰাম দত্তৰ মৃত্যু হয়। তাৰ পিছত সকলো পৰিৱৰ্তন হয়। দণ্ডিৰাম দত্তৰ মৃত্যুৰ সময়ত তেওঁৰ পত্নী গৰ্ভাৱতী আছিল আৰু কিছুদিন পিছতে তেওঁৰ এজনী কন্যা সন্তান জন্ম হৈছিল। সেয়েহে তেওঁৰ পত্নী আৰু সেই কণ কণ ল'ৰা-ছোৱালী সাতটিৰ পানীত হাঁহ নচৰা অৱস্থা হয়। আগৰ বৰ মহৰীৰ ঘৰখনক দাৰিদ্ৰ্যই আৱৰি ধৰে। প্ৰকাণ্ড প্ৰকাণ্ড কাঠৰ খুটা মাটিতে পচিবলৈ ধৰে—ঘৰ কিন্তু সজা নহয়। খেতি-বাতিত অনভিজ্ঞ কিশোৰ ফণীধৰ দত্ত আৰু ককায়েক নন্দ দত্তই হাল কোৰ মাৰি কোনোমতে ভাত মোকলাবলৈ সমৰ্থ হয়। নন্দ দত্তই হাইস্কুলত পঢ়িবলৈ মাচুল দিবলৈকো অসমৰ্থ হয়। কিন্তু ফণীধৰ দত্তই প্ৰথম হৈ বৃত্তি পোৱাৰ কাৰণে সেই বৃত্তিৰ টকাৰেই ককায়েকৰ মাচুল দি তেওঁক কিছুদিন হাইস্কুলত পঢ়ুৱায়। তেওঁ বৃত্তি পোৱাৰ দিনৰ ঘটনা শ্ৰীদত্তই এনেদৰে বৰ্ণাইছে:

"বৃত্তিৰ খবৰ পালোঁ। হাঁহি হাঁহি গৈ বোৰ আগত ক'লোঁ। গাঁৱৰ মানুহৰ

আগত ক'লোঁ— ঘৰত আকৌ দেউতা মৰিবৰ দিনৰ নিচিনাকৈ বৌ ও ঘৰৰ সকলোৱে কান্দি-কাটি কোঢ়াল লগালে—বৌৱে কৈ কৈ কান্দিছে আজি দেউতাৰ থকা হ'লে এনে কৰিলেহেঁতেন তেনে কৰিলেহেঁতেন—এতিয়া কুলক্ষণীয়া তই, তোক কোনে পঢ়াব ?"

দেউতাকে ঢুকোৱাৰ আগতে ফণীধৰ দত্তৰ মোমায়েকক কৈ গৈছিল, "মই মৰিলে, মোৰ এই কথা ল'ৰাটোক যেনে তেনে অলপ পঢ়াব।" মোমায়েকহঁতে ফণীধৰ দত্তক যি পাৰে সহায় কৰিলে কিন্তু দেউতাকৰ সেই কথাষাৰেই ফণীধৰ দত্তৰ বিদ্যালাভৰ প্ৰধান সহায় হয়। সেয়েহে সকলো বাধা বিঘনিৰ সমুখতো তেওঁ দেউতাকৰ শেষ ইচ্ছাৰ কথা সুঁৱৰি সদায় পঢ়াশুনা কৰি থাকিবলৈ মনত বল পাইছিল। যেই কোনো উপায়েৰে উচ্চশিক্ষা লাভবলৈ তেওঁ দৃঢ় প্ৰতিজ্ঞ হ'ল। তেওঁক শিক্ষালাভত বিশেষ সহায় কৰিছিল ককায়েক নন্দ দত্তৰ স্বাৰ্থত্যাগে। তেখেতে ফণী দত্তই যাতে ভালদৰে পঢ়াশুনা কৰিব পাৰে আৰু তায়েক ভনীয়েকহঁতে যাতে বেছি কষ্ট নেপায় তাৰ কাৰণে নিজৰ শিক্ষা এৰি সৰু চৈকটা বাগিচাতে এটা চাকৰি লয়। তথাপি ফণীধৰ দত্তই শিক্ষা জীৱনত বহু বাধা পায়।

তৃতীয় ভাগ

# চৈ দিয়া গৰু গাড়ীত কাৰ বিয়া যায়



## সোতৰ

## অসমত কলেজ পতাৰ বিপক্ষে অসমীয়া

গুৱাহাটীত কটন কলেজ আৰম্ভ কৰাৰ আগতে এবাৰ শিৱসাগৰত সেই সময়ৰ এজন প্ৰসিদ্ধ চহকী লোক গঙ্গাগোবিন্দ ফুকনৰ সভাপতিত্বত এখন ৰাজহুৱা সভা বহিছিল। কিন্তু ফুকন চাহাব অসমত কলেজ পতাৰ বিৰোধী আছিল। "সভাত সকলো মানুহেই যেতিয়া কলেজ লাগে বুলি ক'লে, তেতিয়া ফুকন চাহাব খঙত একোনাই হৈ সভা এৰি প্ৰস্থান কৰিলে।" [ বেণুধৰ ৰাজখোৱা, 'মোৰ জীৱন দাপোণ', গুৱাহাটী (১৯৬৯), পৃঃ ২০০ ]। ফুকনৰ দৰে আন বহুতো অসমীয়াই সেই কালত অসমত বিশ্ববিদ্যালয় বা কলেজ পতাৰ বিৰোধিতা কৰিছিল। বেণুধৰ ৰাজখোৱাই ফুকনৰ উপৰিও আব্দুল মজিদ আৰু বি. এ. জগন্নাথে অসমত কলেজ পতাৰ বিপক্ষে আছিল বুলি উল্লেখ কৰিছে।

গুৱাহাটীত কটন কলেজ স্থাপিত হোৱাৰ ( ১৯০১ চন ) পিছত অসমত বিশ্ববিদ্যালয় বা যোৰহাটত কলেজ পতাৰও বহুত অসমীয়াই বিৰোধিতা কৰিছিল।

১৯০৩ চনত মাণিকচন্দ্ৰ বৰুৱা, ঘনশ্যাম বৰুৱা, বি-এ জগন্নাথ, ফৈজনুৰ আলি প্ৰভৃতি উদ্যোগী শিক্ষিত চহকী অসমীয়াই 'অসম এছোচিয়েশ্যন' গঠন কৰে। এই এছোচিয়েশ্যনৰ কাম আছিল অসমীয়া মানুহৰ অভাৱ অভিযোগ সম্পৰ্কে আবেদন নিবেদনৰ জৰিয়তে চৰকাৰক সচেতন কৰা। কিন্তু এই এছোচিয়েশ্যনৰ সভাত যোৰহাট নিবাসী শ্ৰীউপেন বৰুৱাই অসমত এখন পৃথক বিশ্ববিদ্যালয় আৰু যোৰহাটত এখন কলেজ লাগে বুলি প্ৰস্তাৱ এটা আলোচনাৰ বাবে দাঙি ধৰিবলৈ একাধিকবাৰ চেষ্টা কৰিও প্ৰস্তাৱটো উত্থাপন কৰিবলৈকে অনুমতি নেপালে। এই ঘটনাটো কৈছিল যোৰহাটৰ আজীৱন শিক্ষাসেৱী শ্ৰীবিমান বৰুৱাই ( এখেত উপেন বৰুৱাৰ পুত্ৰ )। সেইদৰে ১৯২৮ চনত কটন কলেজত 'অসমত এখন বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হ'ব লাগে' বুলি হোৱা এখন তৰ্ক প্ৰতিযোগিতাত বিষয়টোৰ বিপক্ষে কোৱা দলহে জিকিল। এই ঘটনাটো বৰ্ণনা কৰিছে বদন বৰুৱাই ২৪৭ সংখ্যা প্ৰান্তিকৰ (১৯৮২), ১৩ পৃষ্ঠাত। অসমত বিশ্ববিদ্যালয় বা যোৰহাটত কলেজ পতাৰ বিৰোধিতা কৰোঁতে সাধাৰণতে এনেকুৱা ধৰণৰ যুক্তি দিয়া হৈছিল—

"অসমত উচ্চশ্ৰেণীৰ শিক্ষানুষ্ঠান হ'ব নোৱাৰে।"

"অসমত কলেজেই নাই বিশ্ববিদ্যালয় কেলেই ?"

'বাৰীৰ বাঁহ ঘৰৰ গৰুৱে নেখায়।"

'কলিকতাত শিক্ষালাভ কৰিলে আমাৰ ল'ৰাবিলাকৰ মন বহল হ'ব।"

"কলিকতাত অসমীয়া ছাত্ৰৰ কাৰণে এটা হোষ্টেল স্থাপন কৰাহে যুগুত হ'ব।"

এইবিলাক প্ৰকাশ্য কাৰণহে—প্ৰকৃত কাৰণ আছিল আন ধৰণৰ যাক বুজিবলৈ হ'লে আমি অসমত শিক্ষা বিস্তাৰৰ বিৰোধিতা কৰা এই লোকসকলক অলপ ভালদৰে জানিব লাগিব। এওঁলোকৰ বেছি ভাগেই আছিল বৃটিছৰ আমোলত গা কৰা অসমীয়া চহৰী বা উচ্চ মধ্যবিত্ত শ্ৰেণীৰ লোক। এওঁলোকৰ বিষয়ে এওঁলোকৰ মানসিকতাৰ বিষয়ে দুই এজনে খুটি তালত অলপ টুং টাং বজালেও হীৰেন গোহাঁয়েহে ভাল আলোচনা কৰিছে—

"ঢেঁকিয়াল ফুকনৰ পৰা মাণিকচন্দ্ৰ বৰুৱালৈকে এদল বুজন সংখ্যক অসমীয়া মধ্যবিত্তই-মণিৰাম দেৱানৰ সংঘৰ্ষ আৰু বিদ্ৰোহৰ পথ বৰ্জন কৰি সাম্ৰাজ্যবাদী শাসনৰ ছত্ৰছাঁয়াত স্বদেশৰ উন্নতি সাধনৰ পথ লৈছিল। অসমীয়া সমাজত তেওঁলোকৰ ভালেখিনি মহৎ অৱদান আছে। কিন্তু আজি আৰু পাহৰিব নোৱাৰি যে বিনিময়ত স্বাধীনতাৰ দাবী তেওঁলোকে ত্যাগ কৰিছিল।"

[ হীৰেন গোহাঁই, 'সাহিত্য আৰু চেতনা', গুৱাহাটী বুক ষ্টল, গুৱাহাটী (১৯৭৬), পৃঃ ৩২ ]

"অসমীয়া মধ্যবিত্তৰ জীৱিকা, জীৱনযাত্ৰা প্ৰধানকৈ নিৰ্ণিত হৈছিল মৌজাদাৰ আৰু চৰকাৰী চাকৰিয়ালৰ প্ৰভাৱত।... ·মৌজাদাৰবিলাক গ্ৰামাঞ্চলত কেৱল খাজানা তোলা কৰ্মচাৰী নহয়, সামন্তবাদী সমাজ সম্পৰ্কক কোনোমতে জেজা দি ৰাখিবলৈ ব্ৰিটিছ সাম্ৰাজ্যবাদে কৰা প্ৰচেষ্টাৰ প্ৰধান অভিনেতা। আগৰ "গণ্যমান্য মানুহকে চাই-চিন্তি প্ৰথমতে মৌজাদাৰ পতা হৈছিল। স্থানীয় ৰাইজৰ অবিসম্বাদী বেচৰকাৰী নেতাৰূপে মৌজাদাৰ বিলাক গঢ়ি তোলা হৈছিল। প্ৰাচীন ঐতিহ্য ইত্যাদি, জাত-কুলৰ নীতি-নিয়ম আদি সংৰক্ষণ কৰাত সত্ৰীয়া গোসাঁইৰ লগতে মৌজাদাৰ সকলেও আগভাগ লৈছিল। এওঁলোকে গঞা সমাজৰ শিৰোমণি হৈ পৰি প্ৰাচীন সমাজবন্ধন ৰক্ষা কৰাতহে জোৰ দিছিল। বেহা-বেপাৰ, বহিৰ্জগতৰ লগত সঘন আৰু ঘনিষ্ঠ সম্পৰ্ক আদিয়েহে স্থবিৰ আঞ্চলিক মনোভাবৰ পৰা মানুহক মুক্তি দিব পাৰে। তাৰ অভাৱত আত্মসন্তুষ্টি আত্মকেন্দ্ৰিকতা, ৰক্ষণশীলতাৰ প্ৰকোপ বাঢ়ে।"

[ ঐ : পৃঃ ৪৭-৪৮ ]

"চাকৰিয়াল শ্ৰেণীটোৰ জীৱনো আছিল একে ধৰণে নিৰাপদ আৰু সন্তুষ্ট। তেওঁলোকৰ মাজত প্ৰতিযোগিতা প্ৰবল নাছিল। আধুনিক শিক্ষা-দীক্ষাৰ সা-সুবিধা এমুঠি উচ্চ বৰ্ণৰ, আগতে লিখা পঢ়াৰ জ্ঞান থকা অৱস্থাপন্ন মানুহে কৰায়ত্ত কৰি লোৱাৰ ফলত চাকৰিৰ সুবিধাও এওঁলোকেই বেছিকৈ পাইছিল।" [ ঐ, পৃঃ ৪৮ ]

গোহাঁইৰ মতে সাম্ৰাজ্যবাদী বাগানশিল্পৰ লেছেৰি বোটলা হিচাপেই চাহবাগানৰ অসমীয়া মালিক সকলৰ বিকাশ হৈছিল।

"কিন্তু অসমীয়া সাধাৰণ মানুহৰ তুলনাত এওঁলোকৰ আয় আছিল বিপুল। ..... এওঁলোকৰ মাজত জাতীয়তাবাদ আৰু সম্পূৰ্ণ আৰ্থিক স্বতন্ত্ৰতাৰ স্পৃহা সোমাব পৰা নাছিল। দুই-একে যেনে জগন্নাথ বৰুৱা, ৰাধাকান্ত সন্দিকৈ, আৰু পিছলৈ ভগৱতী প্ৰসাদ বৰুৱা আদিয়ে বদান্যতা আৰু শিল্প সাহিত্যৰ পৃষ্ঠপোষকতাৰ যোগেদি দেশসেৱা কৰিছিল। কিন্তু বেছিভাগেই চাহাৰ খেতিয়কৰ জীৱন যাত্ৰাৰ অন্ধ অনুকৰণ কৰাকেই ( যথা Morning Dress, Evening Dress, বয়-খানচামা, আৰু ঘৰত পৰ্য্যন্ত ইংৰাজীত কথা পতা, আৰু Club ত প্ৰচুৰ মদ্যপান ) জীৱনৰ চৰম সাৰ্থকতা বুলি ধৰিলে ভাবিবলৈ। যি শিক্ষিত মধ্যবিত্ত শ্ৰেণীয়ে সাম্ৰাজ্যবাদী শোষণৰ হুমলীয়া অংশীদাৰ হিচাপে চাকৰি, ব্যৱসায় প্ৰভৃতিৰে বৰ্তি আছিল, চাহ বাগিচাৰ অসমীয়া মালিক সকল তেওঁলোকৰ নেতৃস্থানীয় আছিল মাথোন।" [ ঐ, পৃঃ ৪৫ ]

আজিকালিৰ চহকী অসমীয়াৰ দৰে, আহোমৰ দিনৰ ডাঙৰীয়াসকলৰ দৰে বৃটিছৰ আমোলত চহকী হোৱা অসমীয়াসকলৰও স্বাৰ্থ আছিল নিজে পোৱা সুবিধাখিনি নিজৰ ল'ৰা-ছোৱালী, সতি-সন্ততি আৰু একশ্ৰেণীৰ লোকৰ কাৰণে নিৰাপদ কৰা। দুখীয়া শ্ৰেণীৰ লোকক এনে সা সুবিধাৰ পৰা বঞ্চিত কৰি ৰাখিব পাৰিলে তেওঁলোক সুখী হৈছিল। চহকী অসমীয়াসকলে দুখীয়া ৰাইজৰ অৱস্থা উন্নত কৰিবলৈ বা দুখীয়া সকলৰ মাজত শিক্ষাৰ সম্প্ৰসাৰণৰ কাৰণে সততে একো কৰা নাছিল। দেৱীচৰণ বৰুৱা, ৰাধা সন্দিকৈ আৰু গোবিন্দ বেজবৰুৱাৰ দৰে দুই এজনৰ বাদে আন বেছিভাগেই দুখীয়াৰ কাৰণে জেপটো এবাৰ জোকাৰি চাবলৈকো কষ্ট পাইছিল। দুই এজনে ৰাজহুৱা কামত ধন ব্যয় কৰিলেও তাক নিজৰ স্বাৰ্থৰ কাৰণেহে কৰিছিল। অসমৰ দুখীয়া ৰাইৰ উপকাৰ কৰাতকৈ চাহাব, ৰায় বাহাদুৰ আদি হ'ব পাৰিলে বা বৃটিছ শাসকক সুপ্ৰসন্ন কৰিব পাৰিলেহে তেওঁলোকে ধন্য মানিছিল।

ই অতি দুখ লগা কথা যে তেওঁলোকে ইংৰাজী চং আৰু ইংৰাজ চাহ খেতিয়কৰ জীৱন যাত্ৰাৰ সাৰশূন্য আদব কায়দা অনুকৰণ কৰিলে হয়, কিন্তু ইংৰাজসকলে দেখুৱাই থৈ যোৱা ভাল আদৰ্শবিলাক আহৰণ কৰা দূৰৈত থাওক সেই বিলাক বুজিবলৈকো চেষ্টা নকৰিলে। উদাহৰণ স্বৰূপে অসমৰ এজন বিশেষ উদ্যোগী বৃটিছ চাহ খেতিয়ক জৰ্জ উইলিয়ামছনে উইল কৰি অসমীয়া বাইজৰ মাজত কাৰিকৰী শিক্ষা আৰু জ্ঞান বিতৰণত ব্যৱহাৰ কৰিবৰ কাৰণে দহ হেজাৰ পাউণ্ড আহুতীয়াকৈ ৰাখে। এই ধন ১৮৬৫ চনৰ ফেব্ৰুৱাৰীত উইলিয়ামছনৰ মৃত্যুৰ পিছত তেওঁৰ ইচ্ছা অনুসৰি চৰকাৰক দিয়া হয়। কোৱা বাহুল্য যে সেই সময়ৰ দহ হেজাৰ পাউণ্ড আজিকালিৰ কোটি টকাৰ সমান। কিন্তু উইলিয়ামছনৰ আদৰ্শ কোনো অসমীয়া চাহ খেতিয়কে অনুকৰণ নকৰিলে। এইখিনিতে এইটো উল্লেখযোগ্য যে উইলিয়ামছনে অসমৰ শিক্ষা বিস্তাৰৰ কাৰণে দি থৈ যোৱা ধন সেই সময়ৰ অসমীয়া শিক্ষিতলোকে বা চৰকাৰে ব্যৱহাৰ নকৰি বহুতদিন পেলাই থোৱাৰ পিছত ১৯২৮ চনতহে যোৰহাটৰ প্ৰিন্স অৱ ৱেল্‌চ স্কুলত ব্যৱহাৰ কৰে।

[ উপেন্দ্ৰনাথ বৰুৱা, 'এ গ্লিম্পচ অৱ আছাম,' দ্বিতীয় ভাঙৰণ, যোৰহাট (১৯৪৬), পৃঃ ১৪৮-৪৯ ]।

চহকী অসমীয়াসকলে নিজৰ ল'ৰাক কলিকতাত বা গুৱাহাটীত ( কটন কলেজ হোৱাৰ পাছত ) পঢ়িবলৈ পঠিয়াব পাৰিছিল। ল'ৰাইতে গৈ কলিকতাত থকা মেলাৰ কিছু অসুবিধা, সেইকাৰণে তেওঁলোকে যোৰহাটত কলেজ বা অসমত বিশ্ববিদ্যালয় স্থাপন কৰাতকৈ কলিকতাৰ অসমীয়া ছাত্ৰৰ কাৰণে হোষ্টেল পতাৰহে বেছি জোৰ দিছিল। তদুপৰি দুই এজনে হেনো কৈছিল—

"হেৰা, সকলোৱে পঢ়িশুনি শিক্ষিত হ'লে আমি ঘৰত কাম কৰিবলৈ বা খানচামা বাবুৰ্চিৰ কাৰণে মানুহ ক'ত পাম ?"

"সকলোৱে কলেজত পঢ়িলে হাল বাব কোনে ?"

মুঠৰ ওপৰত অসমত কলেজ বা বিশ্ববিদ্যালয় পতাব বিৰোধিতা কৰা সকলে জানি বা নাজানি এক শ্ৰেণীভেদ আচৰণ প্ৰবৰ্তন আৰু সংৰক্ষণ কৰিবলৈকে চেষ্টা কৰিছিল।

৩৪৯

# ছোৱালী দিব কোনে

কুৰি শতিকাৰ প্ৰথম ভাগত দুখীয়া মানুহৰ ল'ৰাই কলিকতাত পঢ়িবলৈ যোৱা অসম্ভৱ আছিল। ১৯০১ চনৰ গুৱাহাটীত কটন কলেজ স্থাপিত হোৱাৰ পিছতও ওপৰ অসমৰ দুখীয়া ল'ৰাই কটন কলেজত পঢ়িবলৈকো খৰছ উলিয়াব নোৱাৰিছিল। ইতিমধ্যে শিৱসাগৰ, যোৰহাট আৰু ডিব্ৰুগড়ত চৰকাৰী হাইস্কুল হোৱাৰ কাৰণে আৰু গোবিন্দ বেজবৰুৱাই গোলাঘাট (১৮৮৬), শিৱসাগৰ (১৮৮৮), আৰু যোৰহাটত (১৮৯৩) হাইস্কুল পাতি দিয়া কাৰণে এইবিলাক অঞ্চলৰ দুখীয়া ল'ৰাইও পঢ়িবলৈ সুবিধা পালে যদিও বহুতেই মেট্ৰিক পৰীক্ষা পাছ কৰাৰ পিছত ঘৰত বহি থাকিব লগীয়া হৈছিল নহয় কেৰাণী, মহৰী, পুলিচৰ, হাবিলদাৰ আদি চাকৰিত সোমাব লগীয়া হৈছিল। তেওঁলোকে ভীমকল, পুৰৈ শাক আদি বেচি স্কুলৰ মাচুল গোটাব পাৰিছিল কিন্তু সুদূৰ গুৱাহাটীত পঢ়িবলৈ ভীমকল, পুৰৈ শাক আদিৰ পইচা যথেষ্ট নাছিল। এই বিষয়ে যোৰহাট চৰকাৰী হাইস্কুলৰ মেট্ৰিক পৰীক্ষাৰ্থী (১৯২১ চনৰ) ফণীধৰ দত্তই নিজৰ আত্মচৰিতত (অপ্ৰকাশিত) এনে দুখীয়া অসমীয়া ছাত্ৰৰ দুৰ্গতিৰ এটা ভাল বৰ্ণনা থৈ গৈছে—

"পৰীক্ষাৰ টকা গোটা খোৱা নাই—ঘৰত দুখন থনীয়া এৰী কাপোৰ গৰু বেচিবলৈ অহা পচিমীয়া বঙালীক বেচি কোনোমতে ১৬ টকা ধাৰ যোগাৰ কৰি স্কুললৈ লৈ গৈছোঁ। তাত গৈ গম পালোঁ। মোৰ টকা মোৰ বন্ধু মাধৱচন্দ্ৰ ভট্টাচাৰ্য্যই আদায় কৰিছে—তেখেতে বোলে মোৰ টকা স্কাইদেৰেকক অৰ্থাৎ ইন্সপেক্টৰ শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামীৰ সহধৰ্মিণীক খুজি মোৰ কাৰণে আগেয়ে পৰিশোধ কৰি ৰাখিছিল। অৱশ্যে শ্ৰীযুতা গোসানী আইয়ে যে মোৰ ফিজ দিব মই আগেয়ে কোনো আভাস পোৱা নাছিলোঁ। গোসাঁই গোসানীয়ে মাধৱৰ লগতে মোকও বৰ মৰম কৰিছিল। তেখেত সকলৰ ওচৰত মই চিৰ কৃতজ্ঞ ও ঋণী থাকিলোঁ।"

"যথা সময়ত পৰীক্ষা দি ১৯২১ চনত ১ম বিভাগত পাচ কৰিলোঁ। পৰীক্ষাৰ খবৰ শ্ৰীযুত শৰৎ গোসাঁইয়ে কলিকতাৰ কোনো লোকলৈ লিখি অন্তবিলাক ল'ৰাই খবৰ পোৱাৰ ২।১ দিনৰ আগতে অনাইছিল। আমাৰ খন টেলিগ্ৰামত মাধৱ, সুৰেন্দ্ৰনাথ বুঢ়াগোহাঁই, শৈলেন্দ্ৰনাথ নাথ আৰু মোৰ চাৰিজনৰ খবৰ

আহিছিল। টেলিগ্ৰাম লৈ তিনিও মোৰ ঘৰ ওলালগৈ—তেওঁবিলাকৰ ফূৰ্তিত তত নাই—কোনে কলেজত কি বিষয় ল'ব, কেতিয়া যাব, ক'ত থাকিব ইত্যাদি কথা পাতিছে—মোৰ অন্তৰৰ কথা পাতি গৈছে, মই কলেজলৈ যোৱাৰ কথা ভাবোঁ কেনেকৈ ?

এইখিনিতে উমুকিয়াই থওঁ দেউতা ঢুকোৱাৰ পাচৰে পৰা গাঁৱৰ মানুহ শত্ৰু আদিৰ হেঁচাত আমাৰ অৱস্থা তেনেই জুৰুলা হ'ল। ককাইদেউৱে তেতিয়া আমি ওপজা ঠাই সৰু চৈকটা বাগিচাতে কাম শিকিছে। আগৰ চিনাকি চাহাবে মাতি নিছে, মাত্ৰ মাহে ৬ টকা ৰূপ পায়। বন্ধু কেইজনৰ লগত মইও নগৰলৈ ওলাই আহিলোঁ। ৰাজমাও পুখুৰীৰ উত্তৰ পুলটোত তেতিয়া আমালোকে প্ৰায়েই আবেলি বহোঁ—স্কুল বৰ্ডিং ঘৰ তেতিয়া সেই ঠাইত নাছিল। পুখুৰীৰ পাৰত সেই পাৰেই দুটা চাহাবৰ বঙলা আছিল—চাহাব নাছিল। তাতে বন্ধুইতৰ লগত পৰীক্ষা পাচ কৰা ফূৰ্তিত ভাগ লৈ জল্পনা কল্পনা কৰি সন্ধ্যাৰ পাচত ৮½ টা মান বজালৈকে বহি ঘৰাঘৰি যাবলৈ উঠিলোঁহক। শৈলেন্দ্ৰনাথ বৰ্তমান ছোৱালী হাইস্কুলৰ সমুখৰ শ্ৰীযুত নবীন ফুকনৰ ঘৰটোত আছিল, তালৈকে তেওঁৰ লগত কথোপকথন কৰি আহি তেওঁ ঘৰত সোমালত মই পুনৰ ৰাজমাও পুখুৰীৰ পাৰলৈ গলোঁ আৰু উচ্চ শিক্ষাৰ চিন্তা ভাবনাত নিজৰ আৰ্থিক অৱস্থা আদিৰ কথা ভাবি কেনেকৈ কলেজলৈ যাওঁ কি কৰোঁ ইত্যাদি ভাবি গোটেই ৰাতি কান্দি-কাতি পুলতে কটালোঁ।”

শিক্ষাৰ প্ৰতি বিশেষ ধাউতি থকা ফণীধৰ দত্তই সেই ৰাজমাও পুখুৰীৰ পাৰৰ উজাগৰী নিশা মনতে সঙ্কল্প লৈছিল যে তেওঁ যদি কেতিয়াবা পঢ়াশুনা কৰিব পাৰে তেনেহ'লে তেওঁ দুখীয়া ল'ৰাৰ উচ্চ শিক্ষাৰ বাবে নিশ্চয় কিবা এটা কৰিব। কিন্তু তাৰ আগতে প্ৰয়োজন হ'ল তেওঁৰ নিজৰ শিক্ষাৰ বাবে ধন গোটোৱাৰ—

“চাওঁতে চাওঁতে কলেজত নাম লগাবলৈ আহিবৰ সময় হ'ল। বন্ধুইতৰ পৰামৰ্শতেই ডাঙৰ ডাঙৰ মানুহৰ ওচৰলৈ সহায় বিচাৰি যাবলৈ ধৰিলোঁ। প্ৰথমতে যাওঁ চৈকটাৰ মেনেজাৰ চাহাবৰ ওচৰলৈ। তেওঁ মোৰ দৰ্খাস্তখনত খুচী হৈ ককাইদেউক মাতি আনি ক'লে, 'দেখ, মই তোৰ ভাইক সাহায্য কৰিবলৈ মন আছে—মোৰ টকা নাই। তোক মই দুদিন ছুটী দিছোঁ আৰু একটা মই চিঠি লিখি দিওঁ, তইঁত দুই ভাই চিনামৰাৰ বৰ চাহাবৰ ওচৰলৈ চল। বৰ চাহেবে সহায় কৰিব পাৰে।' এই বুলি কৈ এখন চিঠি দিলে। চিঠিত কি লিখিছিল ক'ব নোৱাৰোঁ। ককাইদেউৰ লগত মই তেতিয়া খোজ

কাঢ়ি চিনামৰাৰ চিলমন চাহাবৰ ওচৰলৈ আহোঁ। ৰেলত আহিবলৈ আমাৰ হাতত পইচা নাছিল। চিনামৰাত আহি চিলমন চাহাবক দেখা কৰাত তেওঁতে মাহে ৬ টকাকৈ দিম বুলি ক'লে। বৰ খুচী হৈ আহিলোঁ। সেই ৬ টকা ৰূপেৰেতো কাম নহয়। তাৰ পিছত খোজ কাঢ়ি খোজ কাঢ়ি ঠেঙ্গালৈ ৺ৰায় বাহাদুৰ শিৱপ্রসাদ বৰুৱাৰ ঘৰলৈ তুবাৰ যোৱাৰ পাছত এদিন তেখেতক নগৰৰ ঘৰতে লগ ধৰিলোঁ। তেখেতে অনেক কথা শুনোৱাৰ পাছত ৫ পাঁচটা টকা দিলে আৰু সহায় কৰিব নোৱাৰোঁ বুলি কৈ বিদায় দিলে। এইদৰে ঘূৰি ঘূৰিও টকা-পইচা গোটাব নোৱাৰি কলেজৰ আশা এৰি দিলোঁ আৰু আকৌ হালত লাগিলোঁ।"

কিন্তু বতৰৰ খেতি-বাতি কৰি মাটি কই আদায় হোৱাৰ পিছত আকৌ কলেজত পঢ়িবলৈ যেৱাৰ ইচ্ছাই তেওঁক পেৰিবলৈ ধৰিলে। তেওঁ ভাবিলে কিবা এটা চাকৰি যোগাৰ কৰি কিছু টকা হয়তো গোটাব পাৰিব—

"খেতি বাতি কৰি মাটি কই আদায় হোৱাৰ পিছত কাম বিচাৰিবলৈ লাগি গলোঁ। প্রথম যাওঁ জোৰহাট ৰেলৰ কোম্পানীৰ অফিছত এজন ৪০ টকীয়া কেৰাণী লব বুলি খবৰ পালোঁ আৰু লব পৰীক্ষা কৰি। অফিছৰ হেডক্লার্ক বাবু সুৰেন্দ্রনাথ ঘোষৰ লগত ক্রিকেট খেলা কৰাৰ পৰাই চিনাকি। তেখেতে যি পাৰোঁ চেষ্টা কৰিব বুলি ক'লে। পৰীক্ষা হ'ল—পৰীক্ষা মাত্র এটুকুৰা শ্রুতলিপি আৰু কেইটামান অঙ্ক—অঙ্ক আটাই কেইটা হ'ল, শ্রুতলিপিও বোলে ভুল হোৱা নাছিল। সুৰেন বাবুৱে ভিতৰি ক'লে মই কাম পাম বুলি—কেইদিনমানৰ পাছত শুনিলোঁ বোলে শ্রীললিত মহন্ত বি-এছ-চি ডাঙৰীয়াক বি-এছ-চি কাৰণে কামত নিযুক্ত কৰিলে। পৰীক্ষা দিয়া বিলাকৰ মিছাই হ'ল। তাৰ পাছত জোৰহাট মিছন স্কুলত ২৫ টকা দৰমহাত মাষ্টৰি সোমালোঁ—তাতও এদিন হঠাতে স্বৰাজৰ আন্দোলনৰ কাৰণে হৰতালৰ গণ্ডগোলত কাম এৰিব লগা হ'ল..... তাৰ পিছত ডি-এছ-পি বাবু মন্মথনাথ ঘোষৰ লগত চিনাকি হৈ মালৌ পথাৰত তেখেত চিকাৰ কৰিবলৈ যাওঁতে তেওঁতৰ বন্দুক ভাৰ বৈ তেখেতক ভাল পগাই তেখেতৰ যোগে পুলিচ চব ইন্সপেক্টৰ হ'বলৈ মন কৰিলোঁ। তাত ও কিবাকিবি পৰীক্ষা লোৱাৰ পাছত খবৰ দিলে চব ইন্সপেক্টৰ নিদিয়ে এচিষ্টেণ্ট চব ইন্সপেক্টৰ কাম হে দিয়ে। হাবদাৰ নাম উঠাইদি এঃ চব ইন্সপেক্টৰ নাম দিছে—তেতিয়া পুলচত নোসোমাওঁ বুলি কৈছিলোঁ।.... এইদৰে চাকৰিৰ কাৰণে দীঘল দীঘল চেলাম

যি কুৰি কুৰেঁাতেই মোৰ বন্ধুইঁতে এবছৰ শেষ কৰি গৰমৰ বন্ধত আকৌ ঘৰলৈ আহিবৰ হ'ল।"

চাকৰি যোগাৰ কৰিব নোৱাৰি তেখেতে কলেজত পঢ়িবৰ কাৰণে টকা গোটাবৰ আন এটা উপায় পাঙিলে—সেইটো হৈছে ছোৱালী বিয়া কৰি। তেখেতে মিতিৰ কুটুম আটাইকে জনাই দিলে যে তেওঁক যদি কলেজত পঢ়িবৰ কাৰণে কোনোবাই টকা দিয়ে তেন্তিয়া হ'লে তেওঁ সেইলোকৰ ছোৱালী বিয়া কৰিব—ছোৱালী যেনেকুৱাই নহওক লাগিলে। তেখেতৰ মনত পৰিল শিৱসাগৰৰ চহকী উকীল ভৱনাথ হাজৰিকালৈ—অষ্টমমান শ্ৰেণীত পঢ়ি থাকোঁতেই যোমায়েকৰ জৰিয়তে উকীল হাজৰিকা এবাৰ যোৰহাটত মোকৰ্দমা ল'বলৈ আহোঁতেই দেখা সাক্ষাৎ হৈছিল। হাজৰিকাদেৱে ফণীধৰ দত্তক পঢ়িবলৈ উৎসাহ দি গৈছিল আৰু পিছলৈ সহায় কৰিব বুলিও উনুকিয়াই গৈছিল। অৱশ্যে, হাজৰিকাদেৱৰ এটা বিশেষ ধান্দা আছিল তেওঁৰ সাতজনী ছোৱালীক যোগ্য পাত্ৰত দিয়াটো। হাজৰিকাদেৱে গুণীৰ মোল বুজিছিল আৰু কোন মূল্য বাঢ়িব তাৰ ছুপাততে চিনিব পাৰিছিল। সেয়েহে ফণীধৰ দত্তই হাজৰিকাদেৱৰ উৎসাহ আৰু আশ্বাসৰ সুৰ সুৰঁৰি তাৰ অৰ্থ বুজি পালে, সেই অভিপ্ৰায় ভৱিষ্যতে মই পঢ়িব পাৰিলে য'তে জোৰাই কৰিব পাৰে এই আশাতে।

সেয়েহে তেওঁ এদিন সাজি কাচি শিৱসাগৰ পালেগৈ আৰু বহুত আত্মবিশ্বাসেৰে ভৱনাথ হাজৰিকাৰ আগত নিজৰ মনৰ ভাব খোলাখুলিকৈ ব্যক্ত কৰিলে। দুৰ্ভাগ্যবশতঃ হাজৰিকা পত্নীয়ে গুণ পঢ়া-শুনাতকৈ ৰূপৰ প্ৰতিহে চকু দিছিল। সেই সময়ত ফণীধৰ দত্ত ভালদৰে খাবলৈ নোপোৱা ক্ষীণ-মীণ চকু, গাল সুমোৱা আৰু পথাৰত ৰ'দত কাম কৰি কৰি একপ্ৰকাৰ ৰ'দত পুৰা এডাৰ বৰণৰ। হাজৰিকা পত্নীৰ দৃঢ়মত "ক্ষীণ মীণ ইমান দেখিবলৈ বেয়া ল'ৰাসৈ ছোৱালী নিদিওঁ।" বিপুল ঐশ্বৰ্য্যৰ অধিকাৰী ভৱনাথ হাজৰিকাই দুখীয়া ল'ৰাক সহায় কৰিবলৈ নিবিচাৰিছিল, তেওঁ দুখীয়া জোৰাইকহে সহায় কৰিছিল। ছোৱালী নিদিয়ে যেতিয়া তেওঁ সহায়ও নকৰে।

ভৱনাথ হাজৰিকাৰ ঘৰত খুব লাজ পাই উভতি অহাৰ পিছত ফণীধৰ দত্তই আন দুই চাৰিজনলৈ কলেজত পঢ়িবলৈ সহায় আৰু ছোৱালী বিচাৰি নিজেই চিঠি লিখিলে কিন্তু তাৰ ফল ধৰা দূৰৈত থাওক তেওঁ বাৰে বাৰে লাজহে পালে। তথাপি তেওঁ কলেজত পঢ়াৰ আশা এৰি নিদিলে।

ইতিমধ্যে যোৰহাটৰ সমাজখনৰ বহু পৰিৱৰ্তন হৈছিল। পুৰণা লোকসকলে

জাত-পাতৰ বিচাৰ ব্ৰাহ্মণ-শূদ্ৰিৰ আদিৰ বিভাজন বিলাক জীয়াই ৰাখিবলৈ আৰু তেমত থকা তা-ভাওৰীয়াসকলে ধনী দুখীয়াৰ বিচাৰ সমাজৰ সকলো দিশতে প্ৰবৰ্তাবলৈ চেষ্টা কৰিছিল যদিও যোৰহাটৰ ডেকাসকলে সেইবিলাক অলপ অলপকৈ আঁতৰাবলৈ সমৰ্থ হৈছিল। ছাত্ৰসকলেও সামাজিক ভাবে বেছি সচেতন হৈছিল। দণ্ডিৰাম দত্তই হাইস্কুলত পঢ়োঁতে পাইকৰ সতি-সন্ততি আৰু ধনী মানী লোকৰ সন্তানসকলৰ মাজত যেনে সংঘৰ্ষ হৈছিল সি ফণীধৰ দত্তৰ দিনত যোৰহাট হাইস্কুল ঘটা একপ্ৰকাৰ অসম্ভৱ আছিল। দুই এজন ছাত্ৰ বা দুই এজন শিক্ষকে তেনে মানসিকতা প্ৰদৰ্শাই হাঁহিয়াতৰহে পাত্ৰ হৈছিল।

তাৰ বিপৰীতে এই শতিকাৰ তৃতীয় দশকৰ ধনী দুখীয়', ব্ৰাহ্মণ শূদ্ৰিৰ আদি সকলো ছাত্ৰই মিলাপ্ৰীতিৰে এখন নতুন সমাজ গঢ় দিবলৈহে হাতে কামে লাগি যোৱা দেখা যায়। যোৰহাটৰ ছাত্ৰ সকলক সমাজ সচেতন কৰাত বিশেষ অৰিহণা যোগাইছিল সেই সময়ত যোৰহাটৰ স্কুলৰ ডি-আই শ্ৰীশৰৎচন্দ্ৰ গোস্বামীদেৱে। অসমৰ সকলো শ্ৰেণীৰ লোকৰ মাজত শিক্ষাৰ সম্প্ৰাসৰণ হ'লেহে অসমৰ ভৱিষ্যত উজ্জ্বল হ'ব বুলি আৰ্য্যপুত্ৰ শৰৎচন্দ্ৰ গোস্বামীদেৱে ভালদৰে জানিছিল। সেয়েহে অসমৰ গাঁৱে ভূঁঞে শিক্ষা সাহিত্যৰ পোহৰ বিলাবলৈ যি পাৰে কৰিবৰ কাৰণে পণ ল'বলৈ তেওঁ ছাত্ৰসকলক উদ্‌গনি দিব পাৰিছিল।

ফণীধৰ দত্তক উচ্চ শিক্ষা লাভ কৰাত সহায় কৰিবলৈ তেখেতৰ কেইজনমান ছাত্ৰ বন্ধু আৰু শ্ৰীশৰৎচন্দ্ৰ গোস্বামীদেৱে যি কৰিলে সি এক অতুলনীয় কাহিনী।

## উপেন্দ্ৰ

### বন্ধুত্বৰ চিন

সেইদৰে কলেজত পঢ়িবৰ কাৰণে টকা যোগাৰ কৰিবলৈ অসমৰ্থ হৈ উচ্চ শিক্ষা কৰাৰ সকলো আশা এৰি দিয়াৰ পিছত তেওঁৰ কেইগৰাকীমান অতি অন্তৰঙ্গ বন্ধুৱে কটন কলেজত এবছৰৰ শিক্ষা সাং কৰি যোৰহাটলৈ গৰমৰ বন্ধত উভতি আহিল নতুন আশা লৈ। এই বন্ধুবেক কেই গৰাকীয়ে কটন কলেজত পঢ়িবলৈ যাবৰ সময়তও ফণীধৰ দত্তক আশ্বাস দি গৈছিল যে তেওঁলোকে তেওঁৰ কাৰণে কিবা এটা বন্দোবস্ত কৰিবই। তেওঁলোকে নিজৰ প্ৰতিশ্ৰুতি আৰু মেধাৱী সহপাঠী গৰাকীক নেপাহৰিলে—

"গুৱাহাটীৰ ২নং বৰ্ডিঙত জোৰহাটৰ ল'ৰা বেছি আছিল আৰু তাৰে মনিতৰ শ্ৰীপুৰন্দৰ শৰ্মাৰ (বৰ্তমান কাউন্সিলৰ সদস্য) লগত ঠিক কৰি গৈছিল যে মোক সেই ব'ডিঙত ৰাখিব আৰু ব'ডিঙৰ খোৱা খৰচ আধা মাফ কৰি দিব। সেইবাৰ মাধৱ, সুৰেন, বিনোদ এই তিনিজন আৰু ইতিমধ্যে মোৰ গাঁৱৰ ওচৰৰে শ্ৰীযুত শশীচন্দ্ৰ বৰবৰুৱাও আমাৰ বন্ধুৰ ভিতৰত সোমালে—এই চাৰিজনে বন্ধত গৈয়ে মোক জোৰ কৰিবলৈ ধৰিলে আৰু যেনে তেনে নাম লগাবৰ কাৰণে কিছু টকা সংগ্ৰহ কৰিবলৈ ক'লে।"

বন্ধুবেক সকলৰ উৎসাহত ফণীধৰ দত্তই কলেজত পঢ়িবলৈ চেষ্টা কৰিবৰ কাৰণে নতুন উদ্যম পালে আৰু এটুকুৰা মাটি বিক্ৰী কৰি ১১৯ টকা গোটালে। বন্ধুবেকইতেও সকলো প্ৰকাৰে সহায় কৰিম বুলি গাত ল'লে। তেওঁৰ সেই বন্ধুসকলৰ ভিতৰত আছিল মাধৱ ভট্টাচাৰ্য্য (এখেত অসমৰ এজন সুপুত্ৰ শৰৎচন্দ্ৰ গোস্বামীৰ খুলশালীয়েক আৰু পিছলৈ বনবিভাগৰ জিলাধিপতি হৈছিল। ১৯৫৯ চনত চাকৰিৰ পৰা অবসৰ লৈ আহি ঘৰ পাওঁতেই এখেত হঠাৎ স্বৰ্গী হয়), সুৰেন বুঢ়া গোঁহাই (পূৰ্ণানন্দ বুঢ়া গোঁহাইৰ আজু নাতি লোকেশ্বৰ বুঢ়া গোঁহাইৰ পুতেক— এখেত উপমন্ত্ৰীৰূপে স্বাধীন ভাৰতৰ কেন্দ্ৰীয় মন্ত্ৰীসভাৰ প্ৰথম অসমীয়া সদস্য আছিল। উপমন্ত্ৰী হৈ থাকোতে ১৯৫৩ চনত এটা সাধাৰণ অস্ত্ৰোপচাৰতে কলিকতাত এখেত স্বৰ্গী হয়), শশীচন্দ্ৰ বৰবৰুৱা (এখেতে শৰীৰ চৰ্চা, যোগাসন শাৰীৰিক ব্যায়াম, স্কাউটিং আদিত দক্ষতা অৰ্জন কৰাৰ উপৰিও নাম কীৰ্তনত এখেতৰ বিশেষ পাৰদৰ্শিতা। এখেত অসম চৰকাৰৰ শিক্ষাবিভাগৰ শৰীৰ চৰ্চাৰ পৰিদৰ্শক, অসামৰিক প্ৰতিৰক্ষা বিভাগ, যোগান বিভাগ আদিত চাকৰি কৰি

১৯৬১ চনত অৱসৰ লৈ যোৰহাটতে বসতি কৰি আছে। বৰবৰুৱা ডাঙৰীয়াই সামাজিক আৰু ধৰ্ম বিষয়ক নানা পুথি প্ৰকাশ কৰিছে—শেহতীয়া পুথি 'উন্নয়ন সাৰথি' ১৯৮০ চনত প্ৰকাশ হৈছে ) আৰু অসমৰ খ্যাতনামা কবি বিনন্দ চন্দ্ৰ বৰুৱা ('শঙ্খধ্বনি', 'প্ৰতিধ্বনি' নামৰ কবিতাৰ পুথি, 'শৰাইঘাট' 'পাৰ্থ-সাৰথী' নামৰ গহীন নাটক আদি নানা ৰচনাৰে অসমীয়া সাহিত্যক চহকী কৰি অহা বিনন্দ বৰুৱা আজীৱন শিক্ষাসেৱী আৰু জাঁজী হাইস্কুলৰ প্ৰধান শিক্ষকৰ পৰা কেইবছৰমান আগতে অৱসৰ লয় )।

বিনন্দ বৰুৱাই ফণীধৰ দত্তক লৈ গ'ল মৰিয়নিৰ তেতিয়া ৰব কেৰাণী টিয়কৰ সাহিত্যিক কমলচন্দ্ৰ বৰুৱাৰ ঘৰলৈ—"বিনন্দ চন্দ্ৰ বৰুৱাৰ দদায়েক হয় এই সম্বন্ধতে। তেখেতে বহুত উপদেশ দিলে মৰমও কৰিলে আৰু ক'লে বিনোদৰ লগতে যি পাৰো ২।৩ তোমালৈও মই কেতিয়াবা কেতিয়াবা পঠাই থাকিম।" মাধৱ ভট্টাচাৰ্য্যই লৈ গ'ল "বৰ চৈকটা বাগানৰ সেই সময়ৰ মালিক শ্ৰীযুত গোলোকচন্দ্ৰ বেজবৰুৱাৰ ওচৰলৈ—তেখেত মাধৱৰ বৰ বন্ধু আছিল—মোৰ লগত চিনা পৰিচয় নাছিল। তেখেতেও আমাক চাহতাহ খুৱা'লে, মাধৱৰ কথামতে মোক ৪ টকাকৈ দি সহায় কৰিবলৈ ওলাল আৰু ৪ মাহৰ টকা ১৬ টা দিয়েই দিলে। তাৰ পাছত ক'লে যে তেখেতে মাহে দিবলৈ মনত নাথাকিব পাৰে ৪ ৫ মাহ মান গোটাই একেবাৰেই দি থাকিব।" তাৰ পিছতও ফণীধৰ দত্তই কলেজলৈ আহিবলৈ বাধা পালে—

"বোৱে শপতৰ উপৰি শপত দিলে গুৱাহাটীলৈ নেযাবলৈ—ভাবিছিল যে মই ক'ৰবাত থাবলৈ নেপাই মৰিম। গাঁৱৰ খুড়াদেউইঁতে মোক বুজনি দিলে মোৰ কপালত নাই—"

তথাপি তেওঁ দৃঢ় প্ৰতিজ্ঞ হ'ল আৰু বহুত সাহস পালে চিনামৰা বাগানৰ মাহে ৬ টকা আৰু গোলোকচন্দ্ৰ বেজবৰুৱাই মাহে ৪ টকাকৈ দিয়াৰ প্ৰতিশ্ৰুতিৰ পৰা—

"এই দুই ঠাইৰ সহায় তাৰ লগত শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামীৰ অভয় যে তেখেতে যি পাৰে সহায় কৰি থাকিব—মৰিয়নীৰ ৺কমলচন্দ্ৰ বৰুৱাৰও সাহায্যৰ প্ৰতিশ্ৰুতি লগতে মোৰ চাৰি বন্ধু মাধৱ, সুৰেন, বিনন্দ আৰু শশীৰ অভয় দান —এই বিলাকেই মোৰ কলেজীয়া বিদ্যাৰ সম্বল।"

সুৰেন বুঢ়াগোঁহাই, মাধৱ ভট্টাচাৰ্য্য, বিনন্দ বৰুৱা, শশী বৰবৰুৱা' আদি ওপৰ অসমৰ ডেকাসকল তেওঁলোকৰ সহপাঠী কিন্তু দুখীয়া বন্ধুৰ প্ৰতি ইমান সহৃদয় হ'ব পৰাটো সঁচাকৈয়ে গৌৰৱৰ কথা আৰু তাতোকৈয়ে কৃতিত্বৰ বিষয় এই যে ফণীধৰ

দত্তই উচ্চ শিক্ষাত পোৱা বাধাৰ যোগেদি তেওঁলোকে যোৰহাটৰ ছুখীয়া ল'ৰাবিলাকৰ শিক্ষা সমস্যাটো বুজিব পাৰিছিল। তেতিয়াবে পৰা কটন কলেজত থকা ছাত্ৰসকলৰ মাজত এইটো সঘনাই আলোচনা হ'বলৈ ধৰিলে যে উজনি অসমত এখন কলেজ নহ'লে ওপৰ অসমৰ বহু ছাত্ৰই কলেজীয়া শিক্ষাৰ পৰা বঞ্চিত হৈ থাকিব। ফণীদত্ত একপ্ৰকাৰ ভাগ্যৱানেই আছিল কিয়নো তেওঁ অতি সহৃদয় বন্ধু কেইজনমান পাইছিল, কিন্তু আন বহুতে তেনে সহায়ৰ অভাৱত কলেজৰ মুখ দেখিবলৈ নেপাইছিল। সেয়েহে তেতিয়াবে পৰা কটন কলেজত পঢ়ি থকা যোৰহাট অঞ্চলৰ ছাত্ৰসকলে যোৰহাটত এখন কলেজ পাতিবৰ কাৰণে নানা আলোচনা, মেল-মিটিঙ আদি পাতিবলৈ আৰম্ভ কৰিলে।

বন্ধুসকলৰ সহায়ৰ কাৰণেই ফণীধৰ দত্তই কটন কলেজত প'ঢ়িবলৈ গৈ নেখাই মৰিব লগীয়া নহ'ল আৰু বিশেষ ধ্যানেৰে পঢ়াশুনা কৰিবলৈ সক্ষম হ'ল কিন্তু পৰিয়ালৰ আন কেইটি প্ৰাণীয়ে যাতে নেখাই মৰিব লগীয়া নহয় তাৰ প্ৰতিকাৰ কৰিবলৈ তেওঁ প্ৰত্যেক বছৰ গৰমৰ বন্ধত ঘৰলৈ গৈ নাঙল জুৰিছিল আৰু পথাৰত হাল বাই কোৰ মাৰি খেতি-বাতি কৰিছিল। সকলো স্থকলমেই চলিছিল কিন্তু আই-এ পৰীক্ষাৰ সময়ত আকৌ তেওঁ মাচুলৰ কাৰণে হাবাথুৰি খাব লগীয়া হয়। তেতিয়া তেওঁৰ লগত কটন কলেজৰ হোষ্টেলৰ একেটা কোঠাতে বাস কৰা বন্ধু শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱাই নিজৰ হাতৰ আঙঠিটো বন্ধকত দি ফণীধৰ দত্তৰ আই এ পৰীক্ষাৰ মাচুলটো দিছিল।

আই-এ পৰীক্ষা আৰম্ভ হোৱাৰ ঠিক আগে আগে ফণীধৰ দত্তৰ ভীষণ নৰিয়া হ'ল। পৰীক্ষাৰ কাৰণে সাজু হোৱা দূৰৈত থাওক তেওঁৰ এনে অৱস্থা হ'ল যে পৰীক্ষা দিবৰ সম্ভ'ৱনা এক প্ৰকাৰ নাইকিয়া হ'ল। সময়ত পৰীক্ষা দিব নোৱৰা মানে এটা বছৰ সম্পূৰ্ণ নষ্ট হোৱা আৰু আকৌ পিছৰ বছৰহে পৰীক্ষা দিবলৈ সমৰ্থ হোৱা। তেনেদৰে এটা বছৰ পাৰ হৈ যাবলৈ দি আকৌ এবছৰ কলেজত পঢ়িবৰ কাৰণে খৰছ গোটোৱাটো তেওঁৰ কাৰণে অসম্ভৱ আছিল। সেয়েহে তেওঁ নৰিয়া গাৰেই পৰীক্ষা দিয়ে আৰু আই এ পৰীক্ষাও ভালদৰে প্ৰথম বিভাগত পাছ কৰে।

## বিছ

## দৰাটো জপৰা—অ' মনে তৰা

ভৱ হাজৰিকাৰ পত্নীয়ে দেখিবলৈ যোৱা কাৰণে ফণীধৰ দত্তলৈ ছোৱালী নিদিওঁ বুলি তেখেতক নিৰাশ কৰি ওভোতাই পঠিয়াইছিল যদিও বিধিৰ বিপাকত ঘটনাই আন পিনেহে ঢাল খালে।

ভৱ হাজৰিকাৰ ছোৱালী আছিল জাকেৰে এজাক— গণিলে সাতজনী। তেওঁলোকৰ প্ৰথম দুগৰাকীৰ ইতিমধ্যে বিয়া হৈ গৈছিল। বাকী থকা পাচ গৰাকীৰ চাৰি গৰাকীৰেই কন্যাকাল আৰম্ভ হৈছিল যোতিয়া তেওঁলোকৰ কাৰণে দৰা বিচৰাটো হাজৰিকাৰ কাৰণে নিতান্তই প্ৰয়োজন হৈছিল। তাতে শিৱসাগৰৰ অভিজাত লোকসকলে, 'ভৱ উকীলে এই ক'লী ক'লী ছোৱালী কেইজনীৰ কাৰণে ক'ত ভাল পাত্ৰ পাব' বুলি মাজে মাজে তেওঁৰ মনত আঘাত দিবলৈকো চেষ্টা কৰিছিল। ভৱ হাজৰিকা দৃঢ় প্ৰতিজ্ঞ, ভৱিষ্যত ভাল হোৱাৰ আশা থকা সুপাত্ৰত তেওঁ ছোৱালী গতাবই। তেওঁৰ ঐশ্বৰ্যৰ ভাগ আশা কৰি কোনো কোনো ডেকাই তেওঁৰ কন্যাসকলৰ পাণি প্ৰাৰ্থী হৈছিল যদিও তেওঁ চহৰীয়া ডেকা ভাল নেপাইছিল। তেওঁ এইটো ভালদৰে জানিছিল যে পঢ়াশুনাত ভাল গাঁৱৰ ল'ৰাৰহে চৰিত্ৰ আৰু ভৱিষ্যত উজ্জ্বল।

ফণীধৰ দত্তই আই-এ পৰীক্ষাৰ কাৰণে পঢ়া-শুনা কৰি থাকোঁতেই এবাৰ হাজৰিকা ডাঙৰীয়াই কলেজৰ ডেকাহঁতক চাই আহোঁ বুলি নজনাকৈয়ে দত্ত থকা হোষ্টেলটোলৈ আহিল। তেখেত অহা বুলি শুনি চহকী লোক দেখি নেজ জোকাৰিবলৈ থকা অভ্যাসৰ কাৰণেই হওক বা বয়োজ্যেষ্ঠলোকক সন্মান দেখুৱাবৰ কাৰণেই হওক বা 'ভৱ উকীলে মোলৈ ছোৱালী যাচিছে' বুলি গৌৰৱ কৰিবৰ কাৰণেই হওক হোষ্টেলৰ সকলো ডেকাই তেখেতৰ লগত পৰিচয় হৈ তেখেতৰ লগে লগে ঘূৰিলে। কেৱল—ফণীধৰ দত্তইহে নিজৰ পঢ়া টেবুলৰ পৰা নুঠিলে। আন কি তেওঁ ইমান মনোযোগেৰে অঙ্ক কৰাত ব্যস্ত আছিল যে হাজৰিকাদেৱে গৈ তেওঁক নিচেই কাষৰ পৰা চাই অহা কথাও তেওঁ গমকে নেপালে। হাজৰিকাদেৱে দত্তৰ চিকুণ হাতৰ আখৰ, পৰিপাটী লিখা আৰু মনোযোগ দেখি মুগ্ধ হ'ল। ভৱ হাজৰিকাই গুণীৰ মোল বুজিছিল—শিৱসাগৰলৈ উভতি গৈ তেওঁ ঘৈণীয়েকক ক'লে, বুজিছা, তুমি যিটো ল'ৰাক দেখিবলৈ যোৱা কাৰণে

ছোৱালী নিদিওঁ বুলি কৈছিলা সিহে আটাইতকৈ ভাল। আইধানৰ কাৰণে সিহে ভাল হ'ব। সিহে আইধানৰ মোল বুজিব।”

আইধান আছিল ভৱ হাজৰিকাৰ অতি মৰমৰ আৰু আটাইতকৈ বিশ্বাসী কন্যা। ঘৰ পেৰৰ চাবি কাঠিও তেওঁ আইধানৰ ওপৰতে বিশ্বাসেৰে এৰিছিল। পঢ়া শুনাত ভাল আছিল যদিও প্ৰাইমাৰী পাছ কৰাৰ পিছত তেওঁ আইধানক পঢ়িবলৈ নিদি ঘৰতে বোৱা-কটা শিকোৱালে আৰু নিজেই কীৰ্ত্তন ভাগৱত আদি ধৰ্মপুথি বিলাক পঢ়ুৱাই নীতি কথা শিকাবলৈ ল'লে। সেইবিলাকৰ প্ৰতি আইধানৰ অনুৰাগ দেখি হাজৰিকাই জীয়েকে প্ৰকৃত শিক্ষা লাভ কৰিছে বুলি নিশ্চিন্ত থাকিল। সেই সময়ত শিৱসাগৰত ফুলেশ্বৰী ছোৱালীৰ হাইস্কুল হৈছিল যদিও তাত পঢ়িবলৈ যোৱা ছাত্ৰীসকলৰ বিষয়ে শিৱসাগৰৰ মানুহে যিহকে তিহকে কৈছিল দেখি বহু অভিভাৱকে নিজৰ ছোৱালীক সেইখন স্কুলত পঢ়িবলৈ নপঠিয়াইছিল। কীৰ্ত্তন দশম পঢ়ি বিশেষ ৰস পোৱা আইধানক সেই কাৰণে ঘৰতে ধৰ্মপুথি পঢ়ুৱাইয়েই হাজৰিকা সুখী হৈছিল। আইধানৰ তলৰে ভনীয়েক আইতাৰ ক্ষেত্ৰত কিন্তু হাজৰিকাই মন সলালে—আইতাক তেওঁ আধুনিকা কৰিবলৈ বিচাৰিলে। আইতাক ঘৰত ধৰ্মপুথি নপঢ়ুৱাই তেওঁ এটা হাৰমোনিয়ামহে কিনি দিলে আৰু ঘৰতে গানৰ মাষ্টৰ ধৰি দি আধুনিক গীত শিকোৱালে আৰু ইংৰাজী হাইস্কুলত পঢ়িবলৈ পঠিয়ালে।

দৰাচলতে ভৱ হাজৰিকাৰ দৰে সেই সময়ৰ অসমীয়া অভিজাত্যসকল আছিল পৰিবৰ্ত্তনৰ দোমোজাত পৰা কৃতী অসমীয়া ব্যক্তি। তেওঁলোক যথাৰ্থতে ধৰ্মপৰায়ণ আছিল যদিও ধৰ্ম বা হিন্দু দৰ্শনে তেওঁলোকৰ জীৱনত বলিষ্ঠভাৱে প্ৰৱেশ কৰিব পৰা নাছিল। সেয়েহে পদুম পাতৰ পানীৰ দৰেই যেন তেওঁলোকৰ চিত্ত চঞ্চল হৈছিল। ইংৰাজী আমোলে আনি দিয়া ধন, ক্ষমতা আৰু বৈষয়িক কৃতকাৰ্য্যতাই তেওঁলোকক সততে আন এক জীৱন পথলৈ টানিছিল। এই নতুন বিষয় ভোগৰ লগত সমতা ৰাখিবলৈ বা সমন্বয়ত নতুন জীৱন পথ গঢ়ি তুলিবলৈ তেওঁলোক অসমৰ্থ হৈছিল। ধৰ্মজগত সম্পূৰ্ণৰূপে এৰি নিদিলেও তেওঁলোক আওকণীয়াভাৱে বস্তুজগতত সোমাই পৰিছিল। বস্তুজগতত সোমাই কিন্তু তেওঁলোকৰ অন্তৰাত্মাই ধৰ্ম-জগতকে সেৱিছিল। ভৱ হাজৰিকাৰ কাৰণে আইধানেই আছিল এৰি অহা ধৰ্ম জগতৰ এক সীমা-ৰেখা স্বৰূপ। আইধানৰ তলৰ সকলো কেইজনী ছোৱালীক হাজৰিকাই আধুনিক ইংৰাজী শিক্ষা দিয়াইছিল, তেওঁলোকৰ কাৰণে চহকী পাত্ৰ চাইছিল যাতে তেওঁলোকে অভাৱত নপৰাকৈ সুখ

স্বাচ্ছন্দ্যৰে থাকিব পাৰে। কিন্তু তেওঁৰ শ্ৰদ্ধা আছিল এক প্ৰকাৰ পূৰণা ধৰণেৰে ডাঙৰ হোৱা আইধানৰ প্ৰতি। আইধানৰ কাৰণে তেওঁ বিচাৰিছিল সততাত মতিগতি থকা কৰ্মযোগী বা জ্ঞানযোগী, যি আইধানৰ ভক্তিভাব বিকশিত কৰাত সহায় কৰিব পাৰিব। আইধানৰ ক্ষেত্ৰত তেওঁ পাত্ৰৰ দাৰিদ্ৰ্যৰ দ্বাৰও বিচলিত হোৱা নাছিল আৰু যেতিয়া ফণীধৰ দত্তৰ মাকে ইমান ডাঙৰ মানুহৰ ছোৱালী আনিবলৈ শঙ্কা প্ৰকাশ কৰিছিল তেতিয়া ভৱ হাজৰিকাই অতি আন্তৰিকতাৰে ঘোষণা কৰিছিল, "মই আপোনাক সঁচাকৈয়ে কৈছোঁ আপোনাক এইজনী মই ছোৱালী যচা নাই এটুকুৰা হীৰাহে যাচিছোঁ—তাইয়েই মোৰ হীৰা। আপোনাৰ ঘৰাই যদি টকৌ পাতৰ চালি সাজি থাকিব লগীয়া হয় তাই তাতও আনন্দ মনে সুখৰ সৰগ ৰচিব পাৰিব।" জীয়েক আইধানৰ প্ৰতি হাজৰিকাদেৱে এনে শ্ৰদ্ধা বহুবাৰ বহুতৰে আগতে প্ৰকাশ কৰি গৈছে।

প্ৰশ্ন হয় বোৱা-কটা শিকাই, ধৰ্ম পুথি পঢ়ুৱাই ডাঙৰ দীঘল কৰা জীয়েকৰ প্ৰতি ইমানেই শ্ৰদ্ধা থকা স্বত্বেও হাজৰিকাদেৱে সৰু জীয়েকহঁতক কিয় একেদৰে ডাঙৰ কৰিবলৈ চেষ্টা নকৰিলে? তেওঁলোকক স্কুল কলেজত পঢ়িবলৈ পঠিয়ালে ভাল কথা, কিন্তু কিয় তেওঁ সেই জীয়েকহঁতৰ আধ্যাত্মিক দিশ পৰিপুষ্ট কৰিবলৈ চেষ্টা নকৰি সম্পূৰ্ণৰূপে তেওঁলোকক অজান এক জীৱন পথলৈ ঠেলিলে? কৃষ্ণমুখী পুৰণা শিক্ষাৰ বিপৰীতে বস্তুধৰ্মী আধুনিক শিক্ষাৰ ত্ৰুটি প্ৰাণেৰে উপলব্ধি কৰিও কিয় তেওঁ নিজৰ ল'ৰা-ছোৱালীক বস্তু ধৰ্মী জগতলৈ ঠেলিলে? এই বিলাক প্ৰশ্নৰ সমিধান দিয়া টান যদিও ভৱ হাজৰিকাৰ যুগৰ ব্যক্তিসকলে লোৱা সিদ্ধান্তবিলাকৰ প্ৰভাৱ স্পষ্ট—শঙ্কৰী ধৰ্মৰ পৰা অসমীয়া সমাজ লাহে লাহে আঁতৰি আহিল। ভৱ হাজৰিকাৰ পৰিয়ালত শঙ্কৰী ধৰ্মৰ লগত শেষ সংযোগ আছিল আইধান।

'কাক বিয়া কৰিবি? বুলি আইধানক সোধা প্ৰশ্নৰও উত্তৰ দিছিল "তুইতে দেখিবলৈ বেয়া খাবলৈ নোপোৱা বুলি ইংশা যোৰাটৰ পৰা অহা মানুহজনকেই। ইমান আগ্ৰহ কৰি অহাজনক বিমুখ কৰিব নেপায়। ভাগ্যত যি আছে হ'ব। বাঁহতলত থাকি খুজি মাগি খাব লগীয়া হ'লেও হ'ব। আইতা সৰু মাইহঁতকে ডাক্তৰ, ইঞ্জিনীয়াৰলৈ দে। সিহঁত কেইজনী আৰামেৰে থাকক। মই যেনে তেনে চলিব পাৰিম।"

# এঘাৰ

## তৃতীয় পক্ষ

ফণীধৰ দত্তলৈ ছোৱালী দিম বুলি ঠিক কৰিলে যদিও ভৱ হাজৰিকাৰ মনে মনে শঙ্কা হ'ল যে এবাৰ ছোৱালী নিদিওঁ বুলি ওভোতাই পঠিওৱাৰ পিছত তেওঁ আনো সেই একেজনী ছোৱালীকে গ্ৰহণ কৰিবলৈ দুনাই মান্তি হ'ব। তথাপি এক বিশেষ বিশ্বাসেৰে তেওঁ এটা চেষ্টা চলাবলৈ দৃঢ়-প্ৰতিজ্ঞ হ'ল। তেওঁৰ এই প্ৰচেষ্টাত প্ৰথমে নিজৰ পত্নীয়ে বাধা দিলে—তেখেতৰ পত্নীয়ে জোঁৱাই ৰূপে বিচাৰিছিল হৃষ্ট-পুষ্ট বগা দেখিবলৈ ভাল ডেকা আৰু বোৱাৰী ৰূপে বিচাৰিছিল সেন্দুৰী গালৰ বগী বগী ছোৱালী। থাবলৈ নোপোৱা খীণ মীণ আৰু ক'লীয়া ফণীদত্তৰ তেওঁ নামেই শুননে। আনহাতে, ভৱ হাজৰিকাই বিচাৰিছিল শিক্ষাৰ প্ৰতি ধাউতি থকা গাঁৱলীয়া লোক। অৱশ্যে, তেওঁ ফণীদত্তক দেখাত ও বেয়া নাপাইছিল, "ক'তা, মইতো তাক একো বেয়া নেদেখোঁ। ব'দত কাম কৰি কৰি অলপ ক'লা পৰিছে আৰু ভালদৰে খাবলৈ নেপাই শুকাই খীণাই গৈছে। তুমি কেইদিনমান ভালদৰে লুচি ভাজী খুৱাই ব'দ ৰবষুণ পৰিবলৈ নিদিয়াকৈ ৰাখিলেই তাৰ চেহেৰা ভাল হৈ যাব।" তেওঁৰ পত্নী মান্তি নহ'ল যদিও আকৌ এবাৰ দত্তক চাবলৈ ইচ্ছা প্ৰকাশ কৰিলে আৰু ফণীদত্তৰ বিষয়ে আৰু অলপ জানিবলৈ বিচাৰিলে। বিশেষকৈ, তেওঁৰ বায়েক ফণীধৰ দত্তৰ গাঁৱত পৰিছিল। তেওঁ বায়েকৰ দ্বাৰা ফণীদত্ত আৰু তেওঁলোকৰ ঘৰথনৰ বিষয়ে বুজ ল'বলৈ বিচাৰিলে।

এবাৰ তেওঁৰ দ্বিতীয় পুতেক ইন্দ্ৰ হাজৰিকা স্কুলৰ হৈ ফুটবল খেলিবৰ কাৰণে যোৰহাটলৈ যাব লগীয়া হ'ল। সেয়েহে, তেওঁ ইন্দ্ৰক জোঁৱায়েকৰ ঘৰলৈ গৈ ফণীদত্তৰ কথা জানি আহিবলৈ পাচিলে। ইন্দ্ৰ হাজৰিকাই জেঠায়েকৰ ঘৰলৈ যাওঁতে ফণীদত্তক তেওঁলোকে চিনি পায় নেকি তেওঁৰ ঘৰ কোনটো সুধিলে। কিন্তু তেওঁৰ জেঠায়েকে পদুলি মুখৰ পৰাই আঙুলিয়াই ক'লে,

"ফণীদত্তহঁতৰতো ঘৰ নাই। সৌ যে টকৌপাতৰ ছালিখন দেখিছ তাতেই সিহঁত থাকে। তইঁত তালৈ যাব নেলাগে। লগ পাব খুজিছ যদি মই মতাই দিম।"

ইন্দ্ৰ হাজৰিকাই ফণীদত্তক লগ পাবলৈও নিবিচাৰিলে আৰু তেওঁৰ ছালিখন চাবলৈকো নগৈ তাতেই কথাটো এৰিলে। কিন্তু পিছদিনাখন তেওঁলোকৰ ফুটবল খেলাত বেংৰাৰীক লৈ বহুত গণ্ডগোল লাগিল। যোৰহাট স্কুল আৰু শিৱসাগৰ

ফুলৰ খেল আৰম্ভ নোহওঁতেই শেষ হ'ব লগীয়া হ'ল, কাৰণ যিজনক ৰেফাৰীক নিযুক্ত কৰা হৈছে তেওঁ আগৰ দিনাখনৰ আন এখন খেলত যোৰহাটৰ দল এটাৰ পিনে অধিক প্ৰীতি দেখুৱাইছিল বুলি শিৱসাগৰৰ দলটোৱে তেওঁক ৰেফাৰীৰূপে ল'বলৈ অসন্মত। তাতে শিৱসাগৰৰ দলটোৰ বহু উচ্চ আকাঙ্ক্ষা আছিল, কিয়নো তেওঁলোকে সেই সময়ৰ কলিকতাৰ মোহন বাগান একাদশৰ খেলুৱৈ ভুবন গগৈৰ দ্বাৰা উন্নত প্ৰশিক্ষণ পাইছিল। সেয়েহে ৰেফাৰীৰ স্বাৰ্থপৰতাৰ কাৰণে তেওঁলোকে বিজয়ৰ পৰা বঞ্চিত হোৱাটো নিবিচাৰিছিল। যাহওক, কোনোবাই যেতিয়া ক'লে,

"কটন কলেজৰ খেলুৱৈ ফণীদত্ত আহি বৰ্তমান ঘৰতে আছে। তেওঁকে মাতি অনা যাওক।"

ভাল আৰু সজ বিচাৰৰ ফুটবল খেলুৱৈ বুলি সেই সময়ত ফণীদত্তক ওপৰ অসমৰ খেলুৱৈ সমাজে ভালদৰে জানিছিল। অৱশ্যে, সেইকালত কটন কলেজৰ দলৰ হৈ খেলা লোকসকলক সকলোৱে জানিছিল। লৰালৰিকৈ দুজনলোক চাইকেল লৈ ফণীদত্তক ৰেফাৰী হ'বৰ কাৰণে বিচাৰিবলৈ গ'ল। তেওঁলোকৰ লগতে ইন্দ্ৰ হাজৰিকাও গ'ল।

লগৰীয়া কেইজনৰ কথাৰ পৰা ইন্দ্ৰ হাজৰিকাই ফণীদত্তৰ বিষয়ে বহুত কথা জানিব পাৰিলে। 'খুব দুখীয়া হালোৱা' খুব কষ্টেৰে পঢ়িছে যদিও পঢ়াশুনাত খুব ভাল', 'তাৰ সমান অঙ্ক মাষ্টৰেও নোৱাৰে'। দুখীয়া হ'লেও মনটো খুব চহকী, খুব ফুৰ্তি কৰি থাকে, মুখৰ পৰা ফুচু ৰ মুগুচে, নিজে হালকেৰে বাই জীবিকা নিৰ্বাহ কৰা গাঁৱলীয়া বুলি ক'বলৈ কেতিয়াও লাজ নকৰে, ইত্যাদি ইত্যাদি। হাজৰিকাইতে গৈ তেওঁক পথাৰতে লগ পালে—প্ৰকাণ্ড চুনৰ টেমী এটাৰ সমান হাতঘড়ী এটা পিন্ধি কোৰেৰে কিবা কাম কৰি আছিল। ফণী দত্ত আৰু ইন্দ্ৰ হাজৰিকা দুয়ো ইজন সিজনৰ প্ৰতি আকৃষ্ট হ'ল। দুয়োজনৰ প্ৰকৃতি আৰু প্ৰবৃত্তি একে আছিল—ন্যায় পৰায়ণ, ৰবমিয়াল, শিক্ষাব্ৰতী আৰু ভাল খেলুৱৈসুলভ মনোবৃত্তি থকা খেলুৱৈ। সেইদিনাখনৰ পৰাই দুয়োৰে মাজত বিশেষ বন্ধুত্ব আৰম্ভ হ'ল আৰু গোটেই জীৱন দুয়ো সেই বন্ধুত্ব অক্ষুণ্ণ ৰাখিলে। ইন্দ্ৰ হাজৰিকাই গৈ মাক দেউতাকক ক'লে তেওঁ লগ পোৱা সকলো মানুহতকৈ ফণী দত্তকে তেওঁ ভাল পালে। নিজৰ প্ৰিয় পুতেকৰ তেনে মত শুনি হাজৰিকা পত্নীৰ মন ঘূৰিল।

বিয়া-বাৰুৰ কথা—কেৱল ল'ৰাৰ আৰু ছোৱালীৰ পক্ষৰে সাধাৰণতে কাম নচলে, সদায় তৃতীয় পক্ষ আহি পৰে বা আঁহি সোমায়। এই ৰীতি অসমীয়া

সমাজত আজিও আছে আৰু আগতেও আছিল। ফণী দত্ত আৰু আইধানৰ বিয়াতও তৃতীয় পক্ষ আহি পৰিল। এই তৃতীয় পক্ষ হ'ল ফণী দত্তৰ লৈতে একে গাঁৱতে বাস কৰা আৰু ছোৱালীৰ জেঠায়েক, যি গৰাকীয়ে ইন্দ্ৰ হাজৰিকাক সৌ ছালিখনেই ফণীদত্তৰ ঘৰ বুলি পদূলিমুখৰ পৰাই আঙুলিয়াই দিছিল। ভয় হাজৰিকাই ফণীদত্তলৈ ছোৱালী যাচিবলৈ আহি জেশাহুৰেকৰ ঘৰত উঠিলহি আৰু নিজৰ যাত্ৰাৰ কাৰণ ব্যক্ত কৰিলে। সেই কথা শুনি জেশাহুৰেকে দৃঢ় মত দিলে,

"লেটেঙ মেটেঙ বঙালীৰ নিচিনা, কেট কেটকে ক'লা, চকু টেলেকা সেইটোলৈনো ছোৱালী দিয়ে নে? সেইখন ঘৰৰ লগত মিতিৰ পাতিলে আমি আৰু গাঁও এৰিব লাগিব।"

জেশাহুৰেকৰ (তেখেতৰ স্বামী গটঙা বাগিচাৰ বৰ কেৰাণী আছিল) কথা শুনি হাজৰিকাই প্ৰমাদ গণিলে। "ইমান দূৰ আহিলোঁ যেতিয়া মাত এষাৰকে দি আহোঁ।" বুলি হাজৰিকাই অকলে গৈ ফণীদত্তৰ ঘৰ ওলালে আৰু মাকৰ আগত তেওঁৰ পুত্ৰৰ লৈ ছোৱালী বিয়া দিয়াৰ প্ৰস্তাৱ দিলে। সেই সময়ত ফণীদত্ত ঘৰত নাছিল দেখি হাজৰিকাই ছোৱালী চাবৰ কাৰণে মাক পুতেক দুয়োকে শিৱসাগৰলৈ নিমন্ত্ৰণ কৰি আহিবলৈ দিন দি আহিল। উভতি আহোঁতে হাজৰিকাই জেশাহুৰেকৰ ঘৰত মাত এষাৰও নিদি শিৱসাগৰলৈ বাট পোনালে। তেখেত তেনেদৰে গুচি যোৱা দেখি জেশাহুৰেকৰ কথা কোন পিনে চাল খাইছে বুজিবলৈ বাকী নেথাকিল। তৃতীয় পক্ষ তৎপৰ হ'ল আৰু পিছ মুহূৰ্ততে সাজি কাচি ফণীদত্তৰ মাকৰ কাষলৈ, যাৰ ঘৰলৈ তেওঁ ভুলতো নগৈছিল তেওঁৰ কাষলৈ গৈ মাত দিলে,

"বোলো, ভয় হাজৰিকাই ছোৱালী যাচিবলৈকে আহিছিল নেকি?"

"তেখেতে তেনেকৈয়ে কৈ গৈছে। পিছে মই ক'লোঁ। বোলোঁ ইমান ডাঙৰ মানুহৰ ঘৰৰ ছোৱালী আনি এইখন ঘৰতনো কেনেকৈ ৰাখোঁ।"

"পিছে তেখেতে কি ক'লে?"

"ক'লে বোলে তেওঁৰ সেইজনী ছোৱালী হেনো একেবাৰে হীৰ, বোলে আপোনাৰ ল'ৰাই টকৌ পাত এটাৰ তলত থাকিবলৈ ল'লে তাই তাতেই আপোনাৰ ল'ৰাক শান্তিৰে ৰাখিব।"

"অ', ঘৰত থকা ডাঙৰজনীৰ কথাই ক'লে হ'ব পায়?"

"কোনজনীক হীৰ বুলিছে, তেওঁৰ কেইজনী ছোৱালী আছে মই সেইবিলাক একোকে নেজানো, সোধাও নাই।"

"উকী ৰ কথাত ভোগ নেযাব বুজিছে—ডাঙৰজনী হব বয়সীয়া। তাৰ তলৰ জনীকটো ছুৱই নোৱাৰে—তাই বোলে হাতেৰেও হাৰ্মনিয়াম বজায় আৰু ভৰিৰেও হাৰ্মনিয়াম বজায়। সেই ছুজনীৰ তলৰজনীহে দেখাই শুনাই ভাল। তাইক দিলেহে আনিব। আপোনাৰ লʼৰাহে হʼবা, যেই সেই ছোৱালী নানিব।"

"জানো দেউ, লʼৰাইহে জানে। ছোৱালীত তʼৰ মন নাই, পঢ়াতহে তʼৰ মন। যেয়ে পঢ়াৰ খৰছ দিব তেওঁৰ ছোৱালী বিয়া কৰিব তেহেঁলে ছোৱালী যেনেকুৱাই নহওক। সি যে কʼৰবাৰ পৰা ছুচুং পছ এজনী আনি হব সুমুৱাবহি সেইটো মই ভালদৰে জানো।"

"গাঁৱত ভাল লʼৰা এটা ওলাইছে। আমিনো কেলেই ছুচুং পছ এজনী আনিবলৈ দিম? সেয়েহে বোলো কথাটো আপোনাৰ কাণ ছুৱাই থওঁ।"

তৃতীয় পক্ষৰ কথাত ফণীদৰ মাক পতিয়ন গʼল আৰু ছুজনীৰ তলৰজনীৰ কথাহে ভাবিলে। তাকে জানিব পাৰি ফণীদত্তই মাকক ছোৱালী চাবলৈ লগত নিনিবলৈকে পাঙি কʼলে,

"বৌ, মই বিয়া কৰিম, মই পঢ়িম, মোৰ ছোৱালী তুমি কেলেই চাব লাগিছে। সেই কাৰণে তুমি ইমান দূৰলৈ কষ্ট কৰি যাব নেলাগে। মই অকলেই যাম। তুমি কেৱল মোক লগত লৈ যাবলৈ আঙঠি এটা দিয়া। আৰু ঘৰ চৰে অলপ মচি কাচি থʼবা—পাৰিলে মই ছোৱালী লগতে লৈ আহিম।"

"ভাল বাবে থোৱাটো জন্ম দিলোঁ" বুলি মাকেও লগত নেযাবলৈকে ঠিক কৰিলে। কেৱল ফণীদত্ত শিৱসাগৰলৈ যাবৰ দিনাখন বাৰে বাৰে কʼলে,

"ৰৱানীয়ে হবকৈ কৈছে ছুজনীৰ তʼৰ জনীহে তোৰ লগত মিলিব, সেইজনীৰহে ঠিক কৰিবি।"

## বাইছ

# আন এযোৰ জোতা

আহোমৰ দিনত পাইক সকলক জোতা পিন্ধিবলৈ দিয়া নহৈছিল। বৃটিছৰ দিনত যেয়ে ইচ্ছা কৰে সেয়ে জোতা পিন্ধিব পৰা হ'ল যদিও দুখীয়া গাঁৱলীয়া ৰাইজে জোতা একোযোৰ কিনিবলৈ আৰ্থিক স্বচ্ছলতা নাছিল। যাৰ জোতা কিনিবৰ সামৰ্থ্য আছিল তেওঁ সততে জোতা পিন্ধিবলৈ লাজ পাইছিল। কাছাৰীত কাম কৰা হাকিম, উকীল আৰু আন আন বাবু বা চাহাবসকলেহে সাধাৰণতে জোতা পিন্ধিছিল। বহু দিনলৈকে জোতা পিন্ধাটো আভিজাত্য বা শিক্ষাৰ চিন স্বৰূপ আছিল। কলেজত পঢ়িবলৈ যোৱা ডেকাসকলে কিছু গৌৰৱত কিছু ভেমত বা কিছু প্ৰয়োজনত জোতা পিন্ধিবলৈ আৰম্ভ কৰিছিল। স্কুলীয়া কালত কলেজত পঢ়াৰ আকাঙ্ক্ষাৰ দৰে জোতা এযোৰ পিন্ধি চোৱাৰ আকাঙ্ক্ষাও ফণীধৰ দত্তৰ আছিল। সেয়েহে থনীয়া কাপোৰ বিক্ৰী কৰি গোটোৱা টকাৰে মেট্ৰিক পৰীক্ষাৰ মাছুল দিবলৈ গৈ যেতিয়া তেওঁ জানিব পাৰিলে যে তেওঁৰ বন্ধু শ্ৰীধৰ ভট্টাচাৰ্য্যই বায়েকৰ (শ্ৰীশৰ চন্দ্ৰ গোস্বামীৰ পত্নী) পৰা টকা লৈ তেওঁৰ মাছুলটো দিলে ফণীধৰ দত্তইও এযোৰ জোতা কিনাৰ এটা সোণালী সুযোগ দেখিলে আৰু তেওঁ গোটোৱা টকাৰ কেইটামান খৰছ কৰি বাহিৰে বাহিৰে এযোৰ জোতা কিনি ল'লে। সেই জোতা যোৰও তেওঁৰ সাঁচতীয়া ধনতকৈ বেছিহে আপুকগীয়া হ'ল কিয়নো কলেজত গৈ সেইযোৰ পিন্ধিবলৈ তেওঁৰ লাজহে লগা হ'ল, কিয়নো সেই সময়ত কটন কলেজৰ বেছিভাগ ছাত্ৰই থালী ভৰিৰে নাইবা কাঠৰ খৰম পিন্ধিয়েই সকলো কাম চলাইছিল। অৱশ্যে, চহৰী ল'ৰাবিলাকে জোতা নিপিন্ধা নহয়। ককাদেউতাক বলোৰামৰ গিৰ্ফিত চাহাবে দিয়া জোতাযোৰৰ দৰেই ফণীদত্তই থনীয়া কাপোৰ বিক্ৰী কৰা ধনেৰে কিনা জোতাযোৰও আটোম টোকাৰীকৈ সাঁচি থোৱা সাঁচতীয়া ধনৰ দৰেই হৈছিল—সেইযোৰ ব্যৱহাৰ কৰিবলৈ তেওঁ ভাল সুযোগ পোৱা নাছিল। নিজৰ কাৰণে ছোৱালী ঠিক কৰিবলৈ যাওঁতে জোতা পিন্ধি যোৱা ভাল হ'ব বুলি ভাবি তেওঁ জোতাযোৰ কান্ধত লৈ মৰিয়নি বেলৰ ষ্টেচনলৈকে খোজ কাঢ়ি গ'ল আৰু তাৰ পৰা ৰেলেৰে শিমলুগুৰি ষ্টেচন পালেগৈ।

শিমলুগুৰি ষ্টেচনৰ পৰা শ্ৰীদত্তক শিৱসাগৰলৈ লৈ যাবৰ কাৰণে সেইবাৰ ভৱ হাজৰিকাই এখন গৰু গাড়ী পঠিয়াই দিছিল। তেনেদৰে তেওঁক আদৰ সম্ভাষণ জনাই নিবলৈ অহা বাবে ফণীদত্ত অভিভূত হ'ল। গাড়ীত উঠি তেওঁ জোতাযোৰ পিন্ধি লৈ তেওঁ দেখিলে মাথোন এক মুকলি আকাশ আৰু এক মুক্ত জীৱন— দাৰিদ্ৰ্যৰ ডেওনাখন পাৰ হ'বলৈ সমৰ্থ হ'ল বুলি তেওঁ অন্তৰেৰে অনুভৱ কৰিলে। অলপ শিক্ষা আৰু বহু পৰিশ্ৰমৰ সহায়তেই তেওঁ সম্ভ্ৰান্ত হাজৰিকা পৰিয়ালৰ আদৰ সাদৰ পাবলৈ সমৰ্থ হ'ব পাৰিলে বুলি হৃদয়ঙ্গম কৰি তেওঁ দৃঢ় প্ৰতিজ্ঞ হ'ল যে দুখীয়া ল'ৰ'-ছোৱালীকও তেওঁ শিক্ষা লাভ কৰাত সহায় কৰিব। আৰু শিক্ষাৰ কাৰণে কঠোৰ পৰিশ্ৰম কৰিবলৈ সহায় কৰিব। দেউতাকে তেওঁৰ মোমায়েকক কৈ থোৱা 'এই ল'ৰাটোক যেনে তেনে পঢ়াব' বোলা কথাষাৰ তেওঁৰ মনলৈ বাৰে বাৰে আহিল। যেনে তেনে তেওঁ যিমান পাৰে শিক্ষা লাভ কৰিব, যেনে তেনে তেওঁ নিজৰ ল'ৰা ছোৱালীক শিক্ষা লাভ কৰৰ সুবিধা দিব, যেনে তেনে তেওঁৰ দৰে দুখীয়া গাঁৱলীয়া মানুহে শিক্ষা লাভ কৰৰ সুবিধা দিবলৈ চেষ্টা কৰিব। নিজৰ শিক্ষাত সহায় হ'ব কাৰণে বিয়া কৰিবলৈ ওলোৱা ছোৱালীজনীৰ কথা ভাবি তেওঁ নিজকে সুধিলে, 'এইটো বাৰু এটা ভুল কাম কৰা হৈছে নেকি?" তেওঁৰ দৃঢ় বিশ্বাস, নাই হোৱা কিয়নো তেওঁ ভৱ হাজৰিকা আৰু ছোৱালীজনীক সকলো স্পষ্টকৈ কৈছে, কাকো প্ৰতাৰণা কৰা নাই। নিজৰ জীৱনৰ সঙ্গী এগৰাকী তেওঁ ল'ব লাগিবই, সেই সঙ্গী শিক্ষাৰ কাৰণেই হোৱাত কি বেয়া কথা। তদুপৰি তেওঁ বিয়া কৰিবলৈ বিচৰা গৰাকীৰও শিক্ষাৰ প্ৰতি বিশেষ ধাউতি থকা তেওঁ নিজেই বুজিব পাৰিছিল। পঢ়াশুনাত ভাল আৰু প্ৰাইমাৰী পৰীক্ষা ভালদৰে পাছ কৰা স্বত্বেও সমাজৰ বাধ্যবাধকতাত দেউতাকে তেওঁক পঢ়িবলৈ নিদিলে যদিও সেই ছোৱালীজনীয়ে ঘৰতে সদায় নানা পুথি পঢ়িবলৈ শিকিলে। নিত্যৌ, কীৰ্ত্তন, ভাগৱত, গীতা আদি পাঠ কৰিবলৈ শিকিলে বুলি তেওঁ ভালদৰে জানিছিল। শ্ৰীদত্তই বিয়াৰ পিছত তেওঁক ভালদৰে পঢ়া শুনা কৰিবলৈ সুবিধা দিব বুলি দৃঢ়-প্ৰতিজ্ঞ হ'ল।

নানা জল্পনা কল্পনা কৰি গৰুৰ গাড়ীখনত ছোৱালীৰ ঘৰৰ পিনে গৈ থাকোঁতেই সিফালৰ পৰা এখন ছৈ দিয়া গৰু গাড়ী অহা দেখা পায় তেওঁ নিজৰ গাড়ীৰ চালকক সুধিলে,

"ছৈ দিয়া গৰুৰ গাড়ীত এইয়া কোন আহিছে অ'?"

"কাৰোবাৰ বিয়া হৈছে যেন পাইছোঁ।"

"অ' ককাইদেৱে হ'ব পায় একেবাৰে ছোৱালী লৈ যাবলৈকে আহিলে ?"

"ছোৱালী লৈ নগৈ মই কি তেওঁতৰ মুখ চাই উভতি যাবলৈ ইমান দূৰ বাট কুৰি বাই আহিছো ?"

"হৰি, হৰি, ইমান নবাল'ৰকৈ ছোৱালী নিবলৈ হ'লে পলুৱাইহে নিব লাগিব দেই। পলুৱাই নিব খুজিছে যদি কওক। দিখৌত মোৰ নাও এখন আছে। আধলি দুটামান দিলে দুয়োকে দিখৌ পাৰ কৰি থৈ আহিম। ভয় কৰিবৰ কাৰণ নাই। হওঁতে অমুকাইও নিজৰ জনীক পলুৱাইহে আনিছে।"

"তেনে লাগ বান্ধ নোহোৱা কথা নক'ৰি দেই। ছোৱালী যাচি দেউতাকে মোক বাট খৰছ দি মতাই আনিছে, বেলৰ ষ্টেচনৰ পৰা লৈ যাবলৈ গৰু গাড়ী পঠিয়াই দিছে। তেনেস্থলত মই ছোৱালীক পলুৱাই নিবলৈ তোৰ নিচিনা অমথ পাইছ নেকি ?"

"নাই দেউ মোৰ দোষ নধৰিব। ছোৱালী পাবলৈ অধৈৰ্য্য যেন দেখিহে কৈছিলোঁ দেউ। আমাৰ আইধান বাইদেউ তেনেদৰে যোৱা ছোৱালীও নহয়। বুজিছে, সেই গৰাকী ঘৰ লক্ষ্মী। উকীল দেউতাই টকা-পইচাৰ সকলো চাবি কাঠি তেওঁৰ হাততহে দিয়ে। ঘৰখনও আইধান বাইদেৱেই চলাই বুলিব পাৰি। উকীল দেউতাৰ ঘৰত যিমান বিলাক কাম কৰা মানুহ আছে এটাইয়ে আইধান বাইদেউৰ মৰমতহে ৰৈ আছে। আমাক তেওঁহে সদায় ভালদৰে সোধপোচ কৰে। বুজিছে আমাক এটাইকে তেওঁ ফলিগুটি লোৱাই আখৰ কেইটা জোটাবলৈ শিকালে। বোলে, অসমীয়া মাত্ৰেই হেনো কীৰ্ত্তন পুথিখন পঢ়িব পৰা হ'ল যেন লাগে। আইধান বাইদেউৰ অহতে কীৰ্ত্তন পুথিখন আওৰাব পৰা হৈছো"

বুলি গাড়ীৰ চালকে পদ জুৰিলে আৰু দুয়ো গাই গ'ল—

প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন।
সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ॥
তযু নাভি-কমলত ব্ৰহ্মা ভৈলা জাত।
যুগে যুগে অৱতাৰ ধৰা অসংখ্যাত॥
মৎস্য-ৰূপে অৱতাৰ ভৈলা প্ৰথমত
উদ্ধাৰিলা চাৰি বেদ প্ৰলয় জলত॥
সত্যব্ৰত ৰাজাক দেখাইলা নিজ মায়া।
নধৰিলা সমুদ্ৰে তোমাৰ মৎস্য-কায়া॥

কূৰ্ম অৱতাৰ হৈলা ক্ষীৰোদধি-তীৰে।
লক্ষ প্ৰহৰৰ পথ জুড়িলা শৰীৰে।
কৰিলেক পৰি স্তুতি সুৰাসুৰ নাগে।
ধৰিলা মন্দৰ গিৰি প্ৰভু পৃষ্ঠ ভাগে ॥
দিব্য যজ্ঞ-বৰাহ-স্বৰূপে হৈলা তুমি।
লীলায়ে দন্তৰ অগ্ৰে উদ্ধাৰিলা ভূমি ॥
তোমাক কৰিল যুদ্ধ হিৰণ্যাক্ষ বীৰি।
অপ্ৰয়াসে দৈত্যক মাৰিলা দন্তে চিঁড়ি ॥
আদি দৈত্য হিৰণ্যকশিপু বলিয়াৰ।
নৰসিংহ ৰূপে হিয় বিদাৰিলা তাৰ ॥

তাৰ পিছত আকৌ কথোপকথন আৰম্ভ হ'ল।

"শুনিছোঁ, ককাইদেউ বোলে আমাৰ লেখিয়া হাল কোৰ মাৰি পেট পোহা মানুহেই, কিন্তু পঢ়া-শুনাত বোলে বৰ চোকা। সেয়েহে বোলে উকীল দেউতাৰ চকুত পৰিছে। হওক তেও, আমাৰ মানুহেও যে স্কুল কলেজত পঢ়িব পাৰিছে। হওঁতে মোৰ ল'ৰাটোৱেও পাইমাৰী পঢ়ি আছে। সিও পাৰিব নে বাৰু?"

"কিয় নোৱাৰিব। সকলোৱেই পাৰিব। মন দি লাগিলেই হ'ল। কিন্তু কলেজত পঢ়িবলৈ বৰ খৰছ। এতিয়াৰে পৰা তইঁতে যি পাৰ ধন সাঁচিবি। পুৰৈ শাক, লাউ, বেঙেনা বিক্ৰি কৰিও যি সিকিটো আধলিটো পোৱা যায় সকলো সাঁচিব লাগে। শিক্ষাই সকলো। ল'ৰা-ছোৱালীক শিক্ষা দিয়াটোৱেই মাক-দেউতাকৰ কৰ্তব্য।"

সেই গাড়ীৰ চালকজনে গৈ আইধানক গোপনে গোপনে সম্বিধান দিলে, "বাইদেউ মানুহজনৰ লক্ষণ হৰ ভাল। আপুনি বিচৰা ধৰণে ধৰ্মত মতি থকা —আমি গোটেই বাটটো নাম গাই গায়েই আহিলোঁ। বৰ ৰসিক—"

শ্ৰীদত্তই শিৱসাগৰ পায়েই শ্ৰীমতী আইধানক আঙঠি পিন্ধাই বিয়া ঠিক কৰি থৈ আহিল আৰু টকা-পইচাৰ কোনো চিন্তা নোহোৱাকৈ বি-এ পৰীক্ষাটো ভালদৰে পাছ কৰিবৰ কাৰণে মনোযোগেৰে পঢ়াত লাগিল। তেখেতে ১৯২৬ চনত গণিতত অনাৰ্ছৰে সৈতে বি-এ পাছ কৰে। অনাৰ্ছত সকলো ছাত্ৰৰ ভিতৰত এটাইতকৈ বেছি নম্বৰ পোৱা কাৰণে তেওঁ ৰজনীকান্ত বৰা সোণৰ পদক লাভ কৰে। বি-এ পৰীক্ষা দি উঠি ১৯২৬ চনৰ ৯ বহাগত বিয়াখন নিসঙ্কোচে

সমাপন কৰে আৰু তৰ হাজৰিকাৰ 'হীৰা' আইধানক লাভ কৰে। এইদৰে সোণ আৰু 'হীৰা' দুয়োৰে গৰাকী হৈ তেওঁ কলিকতাত এম-এ পঢ়িবলৈ যায় আৰু ১৯২৮ চনত মিশ্রিত গণিতৰ সুখ্যাতিৰে এম-এ পাছ কৰে।

গণিতত এম-এ ডিগ্রী পোৱা উজনি অসমৰ ফণীধৰ দত্তই প্ৰথম অসমীয়া। ইয়াৰ আগতে এই ডিগ্রী পোৱা অসমীয়া মাত্র এজনহে আছিল—তেওঁ হৈছে নামনি অসমৰ শ্ৰীৰাধাকান্ত দাস (—১৯৮৭)।

এম-এ পঢ়ি থাকোঁতে আইনৰ পৰীক্ষা দিম বুলিও ফণীদত্তই ভিতৰি ভিতৰি সাজু হৈছিল আৰু এম-এ পাছ কৰি আহি কটন কলেজত কিছুদিন অস্থায়ীভাৱে অধ্যাপনা কৰি থাকোঁতেই তেখেতে ১৯২৯ চনত 'আইন'ৰ প্ৰিলিমিনাৰী আৰু ইণ্ট ৰমেডিয়েট দুয়োটা পৰীক্ষা একেলগে দি গুৱাহাটীৰ আর্ল ল' কলেজৰ পৰা পাছ কৰে। ১৯৩০ চনত তেওঁ 'আইন'ৰ ফাইনেল পৰীক্ষাও পাছ কৰি উকীল হ'বৰ যোগ্যতা অৰ্জন কৰে।

এম-এ-বি-এল (হোৱাৰ পিছত তেওঁক চৰকাৰে চব ডেপুটী কলেক্টৰৰ (এছ-ডি চি) পদবী যাচিছিল কিন্তু তাক তেওঁ গ্ৰহণ নকৰি যোৰহাটতে কিবা এটা কৰিবৰ মানসেৰে যোৰহাটলৈ যায়।

চতুৰ্থ ভাগ

# যোৰহাট কলেজ
# আৰু
# যুদ্ধৰ দিনত কটন কলেজ



## তেইছ

# যোৰহাট কলেজৰ জন্ম

যোৰহাটত কলেজ এখন হ'ব লাগে বুলি তাৰ শিক্ষিত ডেকাসকলে বহুত দিনৰ পৰা জল্পনা কল্পনা কৰি আছিল যদিও শিক্ষকৰ অভাৱ আৰু ধনৰ অভাৱৰ কাৰণে সেই বিষয়ে একো কাৰ্যকৰী পথ লোৱা সম্ভৱপৰ হোৱা নাছিল। তেনেকুৱাতে চাহ খেতিয়ক জগন্নাথ বৰুৱাৰ বিপুল সম্পত্তিৰ উত্তৰাধিকাৰী হোৱা মুৰলীধৰ বৰুৱাই যোৰহাটত কলেজ এখন পাতিলে যোৰহাটৰ সোঁ মাজত থকা বৰপাত্ৰ কুটীৰটো মাটিয়ে বাৰীয়ে কলেজৰ কাৰণে দিম বুলি তুলসী নাৰায়ণ শৰ্মাৰ আগত উদ্গুকিয়ালে। তুলসী নাৰায়ণ শৰ্মাই সৌ তেতিয়া যোৰহাটতে ওকালতি কৰি থকা ফণীধৰ দত্তক কথাটো ক'লে। তেওঁলোক দুয়ো আলচ কৰি গুৱাহাটীত ওকালতি কৰি থকা গুণগোবিন্দ দত্ত আৰু এম-এ পাছ কৰি গুৱাহাটীত ল' পঢ়িবলৈ লোৱা যজ্ঞেশ্বৰ শৰ্মাক যোৰহাটত কলেজ পাতিলে শিক্ষকতা কৰিব নেকি বুলি সুধি পঠিয়ালে। তেওঁলোকে 'কৰিম' বুলি কোৱাত তেওঁলোক কৃষ্ণকান্ত সন্দিকৈৰ কাষ চাপিল। যোৰহাটত কলেজ পতাটো সম্ভৱপৰ হ'ব বুলি সন্দিকৈৰ প্ৰথমে কিছু সন্দেহ আছিল, কিন্তু তুলসী নাৰায়ণ শৰ্মা, যজ্ঞেশ্বৰ শৰ্মা আৰু ফণী দত্তৰ লগত দুবাৰমান আলোচনা কৰাৰ পিছত তেওঁ এটা চৰ্তত সন্মত হ'ল যে কলেজ পাতিবলৈ বিচৰা শিক্ষক সকলে 'যোৰহাট কাউন্সিল অৱ কলেজ এডুকেশ্বন' নামেৰে এটা আইনসন্মত ভাবে ৰেজিষ্টাৰ কৰা সংস্থা স্থাপন কৰি কলেজৰ দায়িত্ব ল'ব তাৰ পিছত ১৯৩০ চনৰ ১৯ আগষ্টত যোৰহাটৰ চন্দ্ৰকান্ত হলত এখন সভা আহ্বান কৰা হয়। সেই সভালৈ আহিল—কেৰামত আলি ( সভাপতি ), শৰৎচন্দ্ৰ গোস্বামী, দেৱেশ্বৰ শৰ্মা, হেৰম্বপ্ৰসাদ বৰুৱা, কৃষ্ণকান্ত সন্দিকৈ, পণ্ডিত লক্ষ্মীনাথ শৰ্মা, ফণীধৰ দত্ত, যজ্ঞেশ্বৰ শৰ্মা, মুকলীধৰ বৰুৱা আৰু তুলসীনাৰায়ণ শৰ্মা ( আহ্বায়ক )।

সেই সভাতেই দুটা গুৰুত্বপূৰ্ণ ঘোষণা আহে। ফণীধৰ দত্ত, তুলসী নাৰায়ণ শৰ্মা, কৃষ্ণকান্ত সন্দিকৈ আৰু যজ্ঞেশ্বৰ শৰ্মাই কেই বছৰমান বিনা দৰমহাৰে শিক্ষকতা কৰি দিম বুলি ঘোষণা কৰে আৰু মুৰুলীধৰ বৰুৱাই ককাকৰ বৰপাত্ৰ কুটীৰতে কলেজখন চলিবৰ কাৰণে ব্যৱহাৰ কৰিবলৈ দিম বুলি ঘোষণা কৰে। ঘৰ আৰু শিক্ষক হ'ল যেতিয়া কলেজ আৰম্ভ কৰাটো সম্ভৱপৰ হৈ পৰিল আৰু

'আপাৰ আছাম কলেজ' নাম দি এখন কলেজ আৰম্ভ কৰিবলৈ সেই সভাতেই সিদ্ধান্ত গ্ৰহণ কৰা হয়।

প্ৰতিষ্ঠাপকসকলে প্ৰথমে গোটেই উজনি অসমৰ ছাত্ৰসকলৰ কথা ভাবিছিল আৰু উজনি অসমত কলেজ এখনৰ কথাহে কল্পনা কৰিছিল। কিন্তু সেই সপোন যেতিয়া বাস্তৱত পৰিণত কৰাটো সম্ভৱপৰ হ'ল তেতিয়া ১৯৩০ চনৰ ৪ ছেপ্তেম্বৰত বহা এখন সভাত ঘোষণা কৰা হয় যে কলেজৰ নামটো সলাই 'যোৰহাট কলেজ' কৰিবলৈ।

১৯৩০ চনৰে দহ অক্টোবৰৰ পৰা কৃষ্ণকান্ত সন্দিকৈক অধ্যক্ষৰূপে আৰু তুলসী নাৰায়ণ শৰ্মা, যজ্ঞেশ্বৰ শৰ্মা, ফণীধৰ দত্ত ও গুণগোবিন্দ দত্তক অধ্যাপকৰূপে লৈ কলেজ আৰম্ভ কৰা হয়। প্ৰথম বছৰ ছাত্ৰৰ সংখ্যা আছিল ১৪ জন আৰু এওঁলোকৰ বেছি ভাগেই আছিল মেট্ৰিক পাছ কৰি ঘৰত বহি থকা তৃতীয়া খেতিয়কৰ ল'ৰা। কলেজখন আৰম্ভ কৰা বৰপাত্ৰ কুটীৰটোৰ প্ৰায় ১৫ বিঘা মাটি-বাৰী ১৮৮০ চনমানত জগন্নাথ বৰুৱাই বৰপাত্ৰ গোঁহাই পৰিয়ালৰ পৰা কিনি লৈছিল। ইতিহাসৰ প্ৰতি সজাগ দৃষ্টি থকা জগন্নাথ বৰুৱাই সেই ঐতিহাসিক বাৰীখনত সজা ঘৰটোৰ নামও সেয়েহে 'বৰপাত্ৰ কটেজ' দিছিল (জগন্নাথ বৰুৱা ঢুকোৱাৰ পিছতহে ই বৰপাত্ৰ কুটীৰ বুলি জনাজাত হয়)। 'বৰপাত্ৰ কটেজ'টো ১৮৮৭-ৰ পৰা ১৮৯৩ চন মানৰ ভিতৰত সজা হৈছিল। সেই ঘৰটোৰ সকলোখিনি লোহা জগন্নাথ বৰুৱাই বিলাতৰ পৰা অনাইছিল আৰু ঘৰটোৰ দুৱাৰ খিড়িকীবিলাক কলিকতাত কৰাই আনিছিল।

প্ৰথমে কলেজ হ'বৰ সময়ত বৰপাত্ৰ কুটীৰত চৰকাৰৰ কৃষি বিভাগৰ কাৰ্যালয় আছিল আৰু তাত শাকৰ গুটি বেচা হৈছিল। কৃষি বিভাগে তেওঁলোকৰ কাৰ্যালয়ৰ কাৰণে বৰপাত্ৰ কুটীৰৰ কোঠা এটা বহুত দিনলৈকে ৰাখিছিল। সেয়েহে বহু সময়ত অধ্যাপকে শ্ৰেণীত পঢ়াই থাকোঁতেও দুই একে কোঠালৈ সোমাই আহি অধ্যাপকসকলক শাকৰ গুটি বিচাৰিছিল। দুই এবাৰ অধ্যাপকে শ্ৰীদত্তই

"ককাই ইয়াত শাকৰ গুটি নাই—কচুগুটি দুটামান আছে। সেই কেইটা আমাকেই লাগে।"

বুলি খপৰ তুলিছিল।

## চৌধ্যয়

## প্ৰতিষ্ঠাপক অধ্যাপকসকলৰ স্বাৰ্থত্যাগ

যোৰহাট কলেজ আৰম্ভ হোৱাৰ পিছত ফণীধৰ দত্ত, তুলসী নাৰায়ণ শৰ্মা আৰু পিছত তেওঁলোকৰ লগ লগা গুণ গোবিন্দ দত্তৰ গাত হৰ' ভুৰা লাগিল। তেওঁলোকে এইটো ভালদৰে বুজিলে যে কলেজখন পাতিবলৈ লাগিব ৰাইজৰ বিশেষ সহযোগ আৰু এক শকত পুঁজি। এই দুয়োটাৰ কাৰণে তেওঁলোকে যোৰহাট চহৰ আৰু গাঁৱে ভূঞে চাইকেল লৈ ঘূৰিবলৈ আৰম্ভ কৰিলে। তেওঁলোকে আন আন ডেকাৰও সহায় লৈছিল যদিও চাইকেল লৈ ৰৰঙণি তোলা কাৰ্য্যত তুলসী নাৰায়ণ শৰ্মা আৰু ফণীধৰ দত্তই আগৰণুৱা আছিল আৰু বিশেষ কষ্ট কৰিছিল। তেওঁলোকে চাইকেল মাৰি মাৰি ৰৰঙণি তুলিবলৈ যোৰহাটৰ পৰা শিৱসাগৰ পৰ্য্যন্ত পাইছিলগৈ আৰু শিৱসাগৰীয়া ৰাইজৰ পৰাও ৰৰঙণি তুলিছিল। ইতিমধ্যে যোৰহাটত ওকালতি আৰম্ভ কৰা সুৰেন বুঢ়া গোঁহাইদেৱেও তেখেতৰ বন্ধু শ্ৰীদত্তৰ দৰে আন বহু দুখীয়া ছাত্ৰৰ সহায় হ'ব বুলি কলেজৰ কাৰণে ৰৰঙণি তোলাত উঠিপৰি লাগিছিল। যজ্ঞেশ্বৰ শৰ্মা আৰু প্ৰফুল্লপ্ৰাণ চাংকাকতীয়ে ডিব্ৰুগড় অঞ্চলতো ৰৰঙণি তুলিছিল গৈ। অধ্যাপকসকলে তেনেদৰে পইচা বুটলি ফুৰা সন্দিকৈদেৱে ভাল নেপাইছিল যদিও পুঁজিৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি একো হকা বধা নকৰিছিল।

অধ্যাপকসকলে ৰৰঙণি তোলোঁতে গাঁৱলীয়া ৰাইজৰ পৰা যথেষ্ট উৎসাহও পাইছিল। দুখীয়া ৰাইজে তেওঁলোকে পুৰৈ শাক, তামকল বেচি বহু কষ্টেৰে উপাৰ্জন কৰা সাঁচতীয়া ধন শৰাইত আনি অতি সন্মানেৰে অধ্যাপকসকলৰ কলেজৰ কাৰণে আগ বঢ়াইছিল। ৰাইজৰ তেনে উৎসাহে অধ্যাপকসকলক বিশেষ প্ৰেৰণা দিছিল। তেওঁলোকে বহুত দিন কলেজৰ পৰা একো দৰমহা নোলোৱাকৈ অধ্যাপনা কৰিছিল। জীৱিকা নিৰ্বাহৰ কাৰণে তেওঁলোকে আন আন পথ বাচি লৈছিল। তুলসী নাৰায়ণ শৰ্মাই মৌজা চলাইছিল। ফণীদত্ত আৰু গুণগোবিন্দ দত্তই ওকালতি কৰিছিল যদিও ওকালতিৰ উপাৰ্জন নাছিল বুলিলেও হয়। গুণগোবিন্দ দত্তই নিজৰ ককায়েকৰ ঘৰখনতে নিৰ্ভৰ কৰিছিল।

ফণীধৰ দত্ত গায়ন গাঁৱৰ নিজৰ ঘৰত বাস কৰিছিল, নিজৰ আৰু পৰিয়ালটোৰ পোহপালৰ নিমিত্তে তেওঁ খেতিৰ ওপৰতে নিৰ্ভৰ' কৰিব লাগিছিল। সেয়েহে

১৯৩০-ৰ পৰা ৩৮ চনলৈকে উকীল আৰু কলেজৰ অধ্যাপক হৈও তেওঁ হালৰ মুঠি এৰিব পৰা নাছিল। বাতিপুৱা পথাৰত হাল বাই জপঙকৈ পুখুৰীত জুবুৰা মাৰি তেওঁ কলেজত ছাত্ৰক পঢ়াবলৈ দৌৰ মাৰিছিল আৰু প্ৰায়ে গাত পথাৰৰ চিন লৈ গৈছিল। কেতিয়াবা কেতিয়াবা দুই এজন চহৰীয়া ছাত্ৰই সেইবিলাকলৈ আঙ লিয়াই তেওঁক জোকাইছিল। উদাহৰণ স্বৰূপে এবাৰ এজনে কৈছিল—

"ছাৰ, আপোনাৰ দেখোন কাণত বোকা লাগি আছে ?

তেতিয়া তেখেতে গৌৰৱেৰে উত্তৰ দিছিল,

"তোমালোকে যাতে পঢ়ি শুনি ভাল মানুহ হ'ব পাৰা তাৰ কাৰণে আমি চৰকাৰী চাকৰি নকৰি শিক্ষকতা কৰিছোঁ। আমি টকা-পইচা একো নোপোৱা নাই কাৰণে হাল বাবই লাগিব। এইয়া ভাত মুঠিৰ কাৰণে মাটি তল ওপৰ কৰাৰ চিন।"

তাকে শুনি গাঁৱৰ পৰা অহা ছাত্ৰ কেইজনে হাত চাপৰি দি নগৰীয়া কেইজনক লাজ দিছিল। দত্তই পিছলৈ কলেজৰ ওচৰত ভাড়াঘৰ এটাত থাকিবলৈ লয়।

প্ৰতিষ্ঠাপক অধ্যাপকসকলৰ স্বাৰ্থত্যাগ দেখি পিছত শিৱসাগৰৰ শ্ৰীপ্ৰফুল্লপ্ৰাণ চাংকাকতী (১৯৩১ চনত) আৰু লক্ষীমপুৰৰ প্ৰথম এম-এ শ্ৰীপদ্মেশ্বৰ গগৈয়ে (১৯৩৩ চনত) যোৰহাট কলেজলৈ অধ্যাপনা কৰিবলৈ আহে। প্ৰতিষ্ঠাপক অধ্যাপকসকলৰ লগতে এওঁলোক দুগৰাকীয়েও কলেজখনৰ কাৰণে বিশেষ স্বাৰ্থত্যাগ কৰে। তেওঁলোকক দৰমহাৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল যদিও তেওঁলোকে প্ৰতিশ্ৰুত টকাতকৈ বহুত ক'ম টকাহে লৈছিল। যজ্ঞেশ্বৰ শৰ্মা, প্ৰফুল্লপ্ৰাণ চাংকাকতী আৰু পদ্মেশ্বৰ গগৈৰ যোৰহাট অঞ্চলত ঘৰ মাটি নোহোৱা কাৰণে বিশেষ ক্ষতি হৈছিল। তেওঁলোক কলেজৰ বাহৰতে একোটা কোঠাত নাইবা ওচৰতে থকা দুৰ্গেশ্বৰ শৰ্মাৰ খালী ঘৰ এটাত বাস কৰিছিল আৰু ছাত্ৰসকলৰ লগতে খোৱা বোৱা কৰিছিল। তেওঁলোকে মাহেকে পষেকে ঘৰলৈ গৈ ঘৰৰ পৰা চাউল, চিৰা, আখৈ আদি আনি ল'বাইতক দিছিল। মুঠৰ ওপৰত, মৌজাদাৰ তুলসী নাৰায়ণ শৰ্মা আৰু চাহ খেতিয়ক কৃষ্ণকান্ত সন্দিকৈৰ বাদে আন অধ্যাপকসকলে যোৰহাট কলেজখন সুপ্ৰতিষ্ঠিত কৰিবলৈ অতি কষ্টেৰে জীৱন নিৰ্বাহ কৰিব লগীয়া হৈছিল।

পুঁজিৰ অভাৱত কলেজৰ প্ৰতিষ্ঠাপক অধ্যাপক কেইজনে পুঁজিৰ কাৰণে এটা অভিনৱ বুদ্ধি উলিয়ালে—তেওঁলোকে চাৰি বছৰ কাল কলেজৰ পৰা এক পইচাও নোলোৱাকৈ শিক্ষকতা কৰিম বুলি এখন চুক্তিপত্ৰ আইন মতে চহী কৰি ৰেজিষ্টাৰ

কৰিলে। এই চুক্তিপত্ৰৰ বিষয়ে ১৯৩১-৩২ চন কুইন্‌কেনীয়েল ৰিভিউত লিখিছিল (পৃঃ ২১০-১১):

"নতুন প্ৰতিষ্ঠান কেইটাই প্ৰয়োজনীয় ধনৰ ওচৰ চাপিব নোৱৰাকৈয়ে কৰ্য্য আৰম্ভ কৰিছে। হাবিগঞ্জ কলেজতকৈ বিত্তীয় ভাবে বহু ভাল অৱস্থাৰ যোৰহাট কলেজৰ স্বীকৃতিৰ কাৰণে বিশ্ববিদ্যালয়ে বান্ধি দিয়া এটা চৰ্ত আছিল যে ইয়াৰ কৰ্তৃপক্ষই শিক্ষকসকলৰ পৰা ১৯৩১-৩২ চনৰ পৰা আৰম্ভ কৰি চাৰি বছৰলৈ বিনা দৰমহাৰে কলেজখনত খাটি দিব।......

... শিক্ষাৰে সুযোগ্য কিন্তু দুখীয়া লোকে একেবাৰে একো নোলোৱাকৈ আশাতুধীয়াভাৱে কেবাবছৰো পঢ়ুৱাব বুলি আশা কৰাটো অতি অসাধাৰণ কথা বুলি মোৰ ধাৰণা হয়।"

এইবিলাক দেখি শুনি কলিকতাৰ বিশ্ববিদ্যালয়ৰ পৰা পৰিদৰ্শক ৰূপে অহা দুজন সদস্যৰ এজন এইচ-চি-মুখাৰ্জীয়ে (এখেত পিছলৈ কলিকতা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য আৰু স্বাধীনতাৰ পিছত পশ্চিমবঙ্গৰ ৰাজ্যপাল হৈছিল) ইমান মুগ্ধ হৈছিল যে আত্মোৎসৰ্গ আৰু স্বাৰ্থত্যাগৰ পিনৰ পৰা "কলেজখন নালন্দা বিশ্ববিদ্যালয়ৰহে দ্বিতীয়" বুলি মত দি কলেজখনক চিৰদিনৰ কাৰণেই পবিত্ৰ কৰি থৈ গ'ল। তেওঁলোকে ১৯৩৩ চনৰ পৰাই যোৰহাটত আই-এ পৰীক্ষাৰ কেন্দ্ৰস্থল মঞ্জুৰ কৰে।

সন্দিকৈদেৱৰ ইচ্ছা অনুসৰি প্ৰতিষ্ঠাপক অধ্যাপকসকলে 'যোৰহাট কাউন্সিল অৱ এডুকেশন' নামে সংস্থা পাতি তাক আইনমতে ৰেজিষ্টাৰ কৰি লৈছিল, কিন্তু বিশ্ববিদ্যালয় কৰ্তৃপক্ষই তেনে স্বতন্ত্ৰ সংস্থাই ভাৰতত কলেজ চলোৱাটো সম্ভৱপৰ নহয় বুলি সেইখন ভাঙি পেলাই তাৰ সলনি কলেজৰ প্ৰশাসনৰ নিমিত্তে এখন গভৰ্ণিং বডি পাতিবলৈ পৰামৰ্শ দিয়ে। সেই পৰামৰ্শকে মানি কলেজৰ প্ৰশাসন চহৰৰ গণ্য মান্য কেইগৰাকীমান লোকেৰে গঠিত গভৰ্ণিং বডিৰ হাতত দিয়া হয়। তাৰ পিছত এ গভৰ্ণিং বডিয়ে কলেজখন সম্পূৰ্ণৰূপে নিজৰ কবললৈ আনে আৰু যোৰহাট কলেজৰ দুৰ্যোগ আৰম্ভ হয়।

## পাঁচ

## অম্লান বদনে গ্ৰহণ কৰা সেৱা

যোৰহাটত বহু চাহ খেতিয়ক, চহকী ব্যৱসায়ী, ভাল বেতন পোৱা চৰকাৰী বিষয়া আদি থকা স্বত্বেও যোৰহাট কলেজৰ প্ৰতিষ্ঠাপক অধ্যাপকসকলে কলেজখন পাতিবলৈ লৈ অশেষ কষ্ট কৰিব লগীয়া হোৱাটো দুখৰ কথা। তাতোকৈয়ো দুখৰ কথা এয়েই যে কলেজখনৰ স্বীকৃতিৰ কাৰণে দহ হেজাৰ টকাৰ পুঁজি এটাও তেওঁলোকে গঠন কৰিব নোৱাৰিলে। যোৰহাটৰ সেই সময়ৰ চহকী লোকসকলৰ শিক্ষাৰ প্ৰতি অনুৰাগ আৰু দুখীয়াসকলৰ প্ৰতি সহানুভূতি কেনে আছিল তাক ইয়াৰ পৰাই বুজিব পাৰি। তেওঁলোকে বৰঙণি বা উৎসাহ দিয়া দূৰৈত থাওক বহুতেই তেওঁলোকৰ ওচৰলৈ বৰঙণি বিচাৰি যোৱা ডেকাসকলক পৰাপক্ষত ঠাট্টাহে কৰিছিল। তেওঁলোকে হেনো কৈছিল ( ফণীধৰ দত্ত আৰু তুলসী নাৰায়ণ শৰ্মাৰ পৰা শুনা ) :

"নিবনুৱা গ্ৰেজুৱেট, ঘৰৰ পৰ দূৰৈত গৈ চাকৰি নকৰে—কি কলেজ পাতে দেখিম নহয় ?"

"কলেজ খুলিম বুলি পইচা লৈছে, পিছত দেখিবা থিয়েটাৰ ভাওনা কৰি চহ খাই উৰাইছে।"

"খাবলৈ নোপোৱাইঁতে টকা কেইটামান সৰকাবলৈ কি যে বুদ্ধি নকৰে ?"

অৱশ্যে ইংৰাজৰ বিশেষ ভক্ত লোকসকলে কলেজখনক সহায় কৰিবলৈ আগ বাঢ়ি নহাৰ এটা কাৰণ আছিল এয়েই যে অসম চৰকাৰ কলেজখনৰ বিপক্ষে আছিল। তেতিয়াৰ ডি-পি-আই স্মিথ চাহাবে কলেজখনক এটা 'ভয়ৰ কাৰণ' বুলিছিল। যোৰহাট কলেজক স্বীকৃতি নিদিবলৈ অসম চৰকাৰে কলিকতা বিশ্ববিদ্যালয়লৈ লিখিছিল। সেই সময়ত কলিকতা বিশ্ববিদ্যালয় ছিণ্ডিকেটৰ সদস্য শ্যামাপ্ৰসাদ মুখাৰ্জীয়ে ( তেখেত পিছলৈ কলিকতা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য আৰু স্বাধীন ভাৰতৰ এজন বিশিষ্ট নেতা হৈছিল ) কিন্তু নদি কৈছিল অসম চৰকাৰৰ বিৰোধিতা স্বত্বেও আমি যোৰহাট কলেজক স্বীকৃতি দিম।

চৰকাৰৰ বিৰোধিতাৰ কথা জানিব পাৰিয়েই হয়তো যোৰহাটৰ প্ৰভুভক্ত চহকী লোকসকলে কলেজখনক সহায় কৰিবলৈ আগ বাঢ়ি অহা দূৰৈত থাওক বহুতেই বিৰোধিতাহে কৰিছিল। এনে লোকে বিধি পথালি দিয়ে বুলি ভয় কৰি ওপৰ অসমৰ বহুলোকে গাইগুটীয়া বা সমূহীয়া ভাবে চৰকাৰ, কাউন্সিলৰ সদস্য আদিলৈ

কলেজখনক স্বীকৃতি দিয়াৰ কাৰণে যি হয় কৰিবলৈ অনুৰোধ কৰি লিখালিখি কৰিছিল। শিৱসাগৰৰ কেবাজনও বিশিষ্ট নাগৰিকে লিখা এনে এখন চিঠি কলেজৰ ফাইলত সংৰক্ষিত আছে।

যাহওক যোৰহাট কলেজে স্বীকৃতি পালে আৰু যোৰহাটৰ চহকী লোকসকলৰ চকু থৰ হ'ল। ধনী ধনী মানুহবিলাকে কলেজখনৰ যোগেদি নিজৰ স্বাৰ্থ পূৰণৰহে বাট দেখিলে। কলেজখনৰ গভৰ্ণিং বডিয়েও নিজৰ ক্ষমতা বঢ়াবলৈহে পাৰিলে। কলেজখন নিজৰ ভৰিৰ ওপৰত থিয় দিব পৰা হোৱাৰ পিছত গভৰ্ণিং বডিয়ে প্ৰতিষ্ঠাপক অধ্যাপকসকলৰ প্ৰতি সম্পূৰ্ণ পিঠি দিলে। দুহেজাৰ টকা দান দিলে গভৰ্ণিং বডিৰ আজীৱন সভ্য হবা নিয়ম হ'ল। গভৰ্ণিং বডিত চহকীলোকৰ সংখ্যা বাঢ়িল। কিন্তু প্ৰতিষ্ঠাপক অধ্যাপক সকলক, যাৰ বিনা পইচীয়া শিক্ষকতাক কলিকতা বিশ্ববিদ্যালয়ে দুহেজাৰ টকাতকৈ বেছি মূল্য দি কলেজৰ পুঁজি বুলি গ্ৰহণ কৰিছিল তেওঁলোকক গভৰ্ণিং বডিৰ সদস্য কৰিবলৈ মান্তি নহ'ল। গভৰ্ণিং বডিত শিক্ষকসকলৰ একমাত্ৰ প্ৰতিনিধি তুলসী নাৰায়ণ শৰ্মাই শিক্ষকসকলৰ হৈ একো কৰিব নোৱৰা হ'ল। অধ্যাপক সকল আৰু গভৰ্ণিং বডিৰ মাজত মনোমালিন্য আৰম্ভ হয়। কৃষ্ণকান্ত সন্দিকৈয়ে এইবিলাকত সোমাবলৈ নিবিচাৰিছিল।

অৱশেষত ১৯৩৮ চনৰ ১২ জানুৱাৰীত ফণীধৰ দত্ত, গুণগোবিন্দ দত্ত, প্ৰফুল্লপ্ৰাণ চাংকাকতী, পদ্মেশ্বৰ গগৈ আৰু যজ্ঞেশ্বৰ শৰ্মাই তেওঁলোকক গভৰ্ণিং বডিৰ সদস্যৰূপে ল'বলৈ আৰু আন কিছুমান অনুৰোধেৰে এখন দৰ্খাস্ত দিয়ে। তদুপৰি দুই এজন অধ্যাপকে আন কিছুমান গাইগুটীয়া অনুৰোধও কৰিছিল। গভৰ্ণিং বডিয়ে সেই বছৰৰে ২৫ জুনত বহা এখন বৈঠকত তেওঁলোকৰ সকলোবিলাক অনুৰোধ অগ্ৰাহ্য কৰে। সেই অধ্যাপক কেইগৰাকীৰ প্ৰতি গভৰ্ণিং বডিৰ দ্বেষপূৰ্ণ মনোভাব ঘনীভূত হ'বলৈ ধৰে।

সেই অধ্যাপক কেইগৰাকীয়ে নিজৰ জীৱনৰ নিজৰ ডেকাকালৰ তেজক পানী হাড়ক মাটি কৰি, নিজৰ জীৱনৰ আৰু নিজৰ পৰিয়ালৰ সকলো স্বাৰ্থৰ প্ৰতি পিঠি দি স্থাপন কৰা কলেজখনত থকাটো অসম্ভৱ হৈ পৰিল আৰু তেওঁলোকে দিহাদিহি যেয়ে যেনেকৈয়ে সুবিধা পালে আন চাকৰি লৈ যোৰহাট কলেজৰ পৰা আঁতৰিলে। ফণীধৰ দত্ত, প্ৰফুল্লপ্ৰাণ চাংকাকতী আৰু পদ্মেশ্বৰ গগৈ গ'ল কটন কলেজলৈ, যজ্ঞেশ্বৰ শৰ্মা গ'ল নগাঁৱলৈ। কেৱল গুণগোবিন্দ দত্তই নিজৰ অসুবিধাৰ কাৰণে তাতে থাকিব লগীয়া হ'ল, গভৰ্ণিং বডিয়ে বেয়া নেপালে, কাৰণ ইতিমধ্যে অসমত শিক্ষিত লোক বহুত ওলাল—আনে পাতি থৈ যোৱা কলেজখনত,

আনে বান্ধি থৈ যোৱা পিঠাত চহকী-প্ৰধান গভৰ্ণিং বডিয়ে তৃপ্তিৰে কামোৰ মাৰিলে। যজ্ঞেশ্বৰ শৰ্মাই কয়, "ধনী মানুহে অধ্যাপকবিলাকক সহ্য হে কৰে, সহায় অকণো নকৰে, কোনোমতে benefit of the doubt দিয়ে। সেয়াখিনি কিন্তু গ্ৰহণ কৰে অম্লান বদনে। এইটো আমাৰ সমাজৰ ৰীতি।" [ প্ৰান্তিক, ১৬-৩১ জানুৱাৰী, ১৯৮৪ ]

সেই একে বছৰতে (১৯৩৮) কলেজৰ নামটো সলনি কৰি অসমত কলেজ পতাৰ বিৰে ধিত কৰা চাহ খেতিয়ক জগন্নাথ বৰুৱাৰ নামেৰে অসমৰ তৃতীয়া বাইজৰ ধনেৰে পতা প্ৰথম প্ৰাইভেট কলেজখনৰ নামকৰণ কৰা হ'ল। তৃতীয়া শ্ৰেণীসকলে বিনা দৰমহাৰে শিক্ষকতা কৰি আৰু অশেষ কষ্টৰে তৃতীয়া ৰাইজৰ বৰঙণিৰে আৰম্ভ কৰা কলেজখনত চহকীৰ চাব পৰিল। 'আপাৰ আছাম'— 'যোৰহাট'—'জগন্নাথ বৰুৱা' এই নামৰ পৰিবৰ্তনত দৃষ্টিভঙ্গীৰ সংকোচন মন কৰিব লগীয়া।

আজি জগন্নাথ বৰুৱা কলেজত মুকুলীধৰ বৰুৱা, ফণীধৰ দত্ত, তুলসীনাৰায়ণ শৰ্মা, যজ্ঞেশ্বৰ শৰ্মা, কৃষ্ণকান্ত সন্দিকৈ, গুণগোবিন্দ দত্ত আদি প্ৰতিষ্ঠাপকসকলৰ কোনো স্মৃতিচিন নাই (অৱশ্যে, যোৱা বছৰ অধ্যক্ষৰ কোঠাত তুলসীনাৰায়ণ শৰ্মাৰ ধূলি বালিৰে আবৃত এখন ডাঙৰ ছবি অনাদৃত অৱস্থাত দেখি আহিছিলোঁ।

## সুকীয়া ছাত্ৰীৰ শাখা :

১৯৩৮ চনত যোৰহাট কলেজত গভৰ্ণিং বডি আৰু যোৰহটীয়া চহকী ৰাইজৰ কলেজখনত কি স্বাৰ্থ আছিল তাক অৱশ্যে এতিয়া কিছু বিশ্লেষণ কৰিব পৰা যায়।

ইতিমধ্যে অসমত স্ত্ৰী শিক্ষা কিছু বিস্তাৰিত হৈছিল, নিজৰ ছোৱালীক কলেজীয়া শিক্ষা দিয়াটো অভিজাতসকলৰ নিয়ম হৈছিল। কিন্তু যোৰহাটৰ চহকীসকলে নিজৰ ল'ৰাকহে কলিকতাত পঢ়িবলৈ পঠাইছিল, তেওঁলোকে নিজৰ ছোৱালীক কলিকতা নেলাগে গুৱাহাটীতে পঢ়ুৱাবলৈ টান পাইছিল। সেয়েহে, তেওঁলোকে যোৰহাটৰ কলেজতে নিজৰ নিজৰ ছোৱালীক পঢ়ুৱাৰ সম্ভাৱনা দেখিলে। কিন্তু সমস্যা হ'ল যে যোৰহাট কলেজখনৰ ছাত্ৰ বেছি ভাগেই আছিল গুৱাহাটী বা কলিকতাত পঢ়িবলৈ আৰ্থিক সামৰ্থ্য নথকা গাঁৱৰ খেতিয়ক নাইবা চহৰৰ তৃতীয়া মানুহৰ ল'ৰা। যোৰহাটৰ চহকী সম্ভ্ৰান্ত লোকসকলে তেওঁলোকৰ ছোৱালী সেই হালোৱা নাইবা তৃতীয়া মানুহৰ ল'ৰাৰ লগত একেটা কোঠাতে বহি পঢ়াশুনা কৰা কথাটো সহজে কৰিব নোৱাৰিছিল। সেয়েহে গভৰ্ণিং বডিৰ আৰু চহৰৰ কিছুমান প্ৰভাৱশালী চহকীলোক কলেজখনত এটা সুকীয়া ছাত্ৰী শাখা

খুলিবলৈ ফন্দি পাতিলে। ১৯৫৮ চন মানৰ পৰাই এওঁলোক উঠিপৰি লাগিল ছাত্ৰী শাখাৰ কাৰণে আৰু বৰঙণি তুলিবলৈ আৰম্ভ কৰিলে।

ছাত্ৰী শাখাৰ কাৰণে চহকী লোকসকল আগ বাঢ়ি আহিল। জে বৰুৱাৰ বিধবা পত্নী ত্ৰৈলোকেশ্বৰী দেৱীয়ে ছাত্ৰী শাখাৰ কাৰণে পাঁচ হেজাৰ টকা দান দিলে আৰু আন বহুতেই হেজাৰতকৈ অধিক টকা স্বকীয় ছাত্ৰী শাখাৰ কাৰণে দিলে বা দিম বুলি প্ৰতিশ্ৰুতি দিলে। কোৱা বাহুল্য যে এওঁলোকৰ বেছি ভাগেই আগেয়ে কলেজখনৰ কাৰণে তেনেদৰে আগ বাঢ়ি অহা নাছিল। তেওঁলোকে ছাত্ৰী শাখাৰ কাৰণে যি উদ্যম আৰু দানশীলতা দেখুৱাইছিল কলেজখন আৰম্ভ কৰিবৰ সময়ত ত'ৰ এক ক্ষুদ্ৰ অংশ দেখুওৱা হ'লেও সেই দুখীয়া প্ৰতিষ্ঠাপক অধ্যাপক কেইজনে অশেষ কষ্ট কৰি বিনা দৰমহাৰে শিক্ষকতা কৰিব নেলাগিলে হেঁতেন।

১৯৪৬ চনত জগন্নাথ বৰুৱা কলেজত এটা শকত পুঁজিৰে বেলেগ ছাত্ৰী শাখা আৰম্ভ কৰা হয়। ১৯৪৬ চনত কলেজৰ ছাত্ৰ আছিল ২২৮ জন আৰু ছাত্ৰী আছিল ২০ জনী। এই মুষ্টিমেয় ছাত্ৰীৰ (এওঁলোকৰ বেছিভাগেই চহকী-সকলৰ ছোৱালী) কাৰণেই এটা বেলেগ শাখা আৰম্ভ কৰা হ'ল আৰু কলেজ ও অধ্যাপকসকলৰ উৎপাদিকা শক্তি ছাত্ৰী সকলৰ কাৰণে ভালদৰে খটোৱাৰ ব্যৱস্থা কৰা হ'ল। উদাহৰণ স্বৰূপে ছাত্ৰীসকলৰ কাৰণে ৰাতিপুৱাৰ সময়খিনি দিয়া হ'ল আৰু ছাত্ৰৰ কাৰণে আবেলি, অৰ্থাৎ অধ্যাপকসকলে ৰাতিপুৱা ফৰকাল মনেৰে ছাত্ৰীসকলক পঢ়ুৱাইছিল আৰু তাৰ পিছত ঘৰলৈ গৈ ভাত পানী খাই ভাগৰি জুগৰি ল'ৰাইতক পঢ়ুৱাবলৈ আহিছিল। যি উদ্দেশ্যেৰে 'আপাৰ আছাম কলেজ' প্ৰতিষ্ঠা কৰা হৈছিল 'জগন্নাথ বৰুৱা কলেজ' তাৰ পৰা বহুদূৰ ফালৰি কাটি আহিল। ছাত্ৰসকলৰ (এওঁলোকৰ বেছিভাগেই দুখীয়াৰ ল'ৰা) শিক্ষাত বিশেষ ব্যাঘাত জন্মিল।

জগন্নাথ বৰুৱা কলেজত শ্ৰেণী যুদ্ধ আৰম্ভ হ'ল। এফালে চহকীসকল নিজৰ ছোৱালীক দুখীয়া ডেকাইতৰ পৰা আঁতৰাই ৰাখিবলৈ দৃঢ়-প্ৰতিজ্ঞ আৰু আনফালে ডেকাইতৰ সুশিক্ষা লাভৰ প্ৰচেষ্টা। অতি সোনকালে এই শ্ৰেণী বিভেদ মনোভাৱে কলেজৰ কোনো কোনো ছাত্ৰী আৰু ছাত্ৰসকলৰ মাজত বিশেষ সংঘৰ্ষৰ সৃষ্টি কৰে। এই সংঘৰ্ষৰ বিষয়ে বিশদ ভাৱে জনা কোনো লোকে এই বিলাক লিপিবদ্ধ কৰিলে ভাল হয় কাৰণ এই কাহিনী বিলাক কেৱল আমোদজনকেই নহয়, এই বিলাকত সেই সময়ৰ ঘোৰগটীয়া সমাজৰ ব্যক্তি মানসিকতা বিশেষভাৱে প্ৰতিফলিত হৈছিল।

এই সংঘৰ্ষই যেনে গুৰুতৰ ৰূপ ধাৰণ কৰিছিল তাৰ এটা আভাস দিবৰ কাৰণে মই আনা দুটা ঘটনা উল্লেখ কৰিলোঁ।

যোৰহাট কলেজৰ পৰিচালক সকলে ছাত্ৰ আৰু ছাত্ৰীক বেলেগে ৰাখিবলৈ ইমান চেষ্টা কৰিছিল যে কলেজীয়া উৎসৱ বা শংকৰদেৱৰ তিথিৰ দৰে পবিত্ৰ উৎসৱকো ছাত্ৰীসকলে বেলেগে পাতিছিল। ছাত্ৰীৰ সংখ্যা ছাত্ৰৰ সংখ্যাতকৈ বহু গুণে কম আছিল যদিও তেওঁলোকৰ লগত গভনিং বডি বা চহৰী সকলৰ শ্ৰেণীৰ সম্বন্ধ আছিল কাৰণে ছাত্ৰীসকলকে সাধাৰণতে ভাল সময় আৰু বেছি ভাল সুবিধা দিয়া হৈছিল। এনেবিলাক ব্যৱহাৰত অতিষ্ঠ হৈ এবাৰ ল'ৰাইতে শংকৰদেৱৰ তিথিত (সম্ভৱ ১৯৫১ চনত) ছাত্ৰীসকলৰ মাহ প্ৰসাদ নি দলিয়াই পেলালে। গুৰুজনাৰ নামত এনে লাজ লগা ঘটনা মই দ্বিতীয়টো নেজানো।

আনটো ঘটনা ঘটে ১৯৫৩ কি ১৯৫৩ কি ১৯৫৪ চনত। কিবা এক উৎসৱৰ সাংস্কৃতিক অনুষ্ঠানৰ কাৰণে ছাত্ৰীসকলক সন্ধিয়াৰ ভাল সময়খিনি দিয়া হ'ল। সেই অনুষ্ঠান চলি থাকোঁতে ছাত্ৰসকলে আহি গণ্ডগোল কৰাত পুলিচ মতা হয়। সেই কথা শুনি ছাত্ৰসকল বেছি ক্ৰুদ্ধ হৈ হলৰ ভিতৰ সোমাই গড়িয়াগড়ি, দলিয়াদলি আদি ধ্বংস-তাণ্ডৱ আৰম্ভ কৰে, ফলত ছাত্ৰীসকল আৰু চহৰৰ ভব্য চহৰী দৰ্শক সকল পিছপিনৰ দুৱাৰেদি পলাব লগীয়া হয়।

ছাত্ৰসকলৰ আন্দোলনৰ আগত তিষ্ঠিব নোৱাৰি ইতিমধ্যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰেজিষ্ট্ৰাৰ হোৱা ফণীধৰ দত্তৰ আৰু উপাচাৰ্য্য সন্দিকৈৰ পৰামৰ্শমতে এই ছাত্ৰী শাখা ১৯৫৪ চনৰ পৰা বন্ধ কৰা হয়। তাতে যোৰহাটৰ চহৰীসকল অতিশয় ক্ষুব্ধ হৈ প্ৰায় একে ৰাতিৰ ভিতৰতে যোৰহাটত এখন সুকীয়া ছাত্ৰীৰ কলেজ আৰম্ভ কৰিবলৈ ঠিক কৰে। এই কলেজ প্ৰতিষ্ঠাত আগ ভাগ ল'লে কুলধৰ চলিহা আৰু ৰাধানাথ ফুকনে [হৰিপ্ৰসাদ নেওগ (সম্পাদিত), দেৱপ্ৰসাদ বৰুৱা', উদয়ন, গোলাঘাট (১৯৬৮), পৃঃ ৮৯]। কুলধৰ চলিহা অসম এছোচিয়েশনৰ সভ্য আছিল আৰু উপেন্দ্ৰ নাথ বৰুৱাই অসমত এখন বিশ্ববিদ্যালয় আৰু যোৰহাটত এখন কলেজ পতাৰ প্ৰস্তাৱ দিবলৈ ওলাওঁতে তেওঁও বাধা দিছিল। ধন ক্ষমতা, বিদ্যা সকলো থকা স্বত্বেও ৰাধানাথ ফুকনে যোৰহাট কলেজ প্ৰতিষ্ঠাৰ সময়ত সহায় কৰিবলৈ আগ বাঢ়ি অহা নাছিল।

## প্ৰাকিচ্ছ

## যুদ্ধৰ দিনত কটন কলেজ

১৯৩৮ চনৰ ২২ ছেপ্তেম্বৰৰ পৰা ফণীধৰ দত্তই এবা-ধৰাকৈ আৰু অস্থায়ীভাৱে কটন কলেজত অধ্যাপনা কৰে কিন্তু এবছৰৰ পিছত কটন কলেজৰ চাকৰিও নাইকিয়া হয় আৰু পুনৰ তেখেত বিশেষ সংকটৰ সন্মুখীন হয়, কিয়নো ইতিমধ্যে তেখেতে ওকালতি কৰাৰ অনুমতিও হেৰুৱায় আৰু যোৰহাট কলেজত চাকৰি কৰাও একপ্ৰকাৰ অসম্ভৱ হৈ পৰে—যোৰহাট কলেজত চাকৰি কৰিলেও তেওঁলোকক মাহে ৮৫ টকাকৈ দিবলৈও গভৰ্ণিং বডি অনিচ্ছুক। সেয়েহে আকৌ কষ্টেৰে খেতি-বাতি কৰিয়েই তেখেতে জীৱিকা নিৰ্বাহ কৰিবলৈ বাধ্য হয়।

তেনেদৰে কষ্ট কৰি কিছুদিন যোৰহাটত থকাৰ পিছত ১৯৪১ চনৰ ২৫ জানুৱাৰীত কটন কলেজত গণিত বিভাগৰ অধ্যাপকৰ এটা পদ ওলোৱাত তেখেত পুনৰ কটন কলেজলৈ আহে। কটন কলেজৰ সেই পদটো স্থায়ী হোৱাৰ সম্পূৰ্ণ সম্ভাৱনা থকা দেখি তেখেতে পৰিয়াল, ল'ৰা-ছোৱালী আটাইকে লৈ গুৱাহাটীলৈ উঠি আহে আৰু তাতেই সুখেৰে শিক্ষকতা কৰি জীৱনটো কটাব পাৰিম আৰু ল'ৰা-ছোৱালীক ভালদৰে শিক্ষা-দীক্ষা দিব পাৰিম বুলি স্বস্তিৰ নিশাস ল'বলৈ আৰম্ভ কৰোঁতেই আহি পৰিল নতুন ধুমুহা।

### দ্বিতীয় মহাসমৰ

১৯৪২ চনৰ ১৫ ফেব্ৰুৱাৰীত জাপানে ছিঙ্গাপুৰ জয় কৰাৰ পিছত বৃটিছ চৰকাৰ কঁপি উঠিল আৰু ভাৰতৰ উত্তৰ-পূব সীমান্তৰে জাপানী সেনা আহি তেওঁলোকৰ ভাৰত সাম্ৰাজ্যখন আক্ৰমণ কৰিব বুলি বৃটিছ চৰকাৰ যুদ্ধৰ বাবে সাজু হ'ল। হেজাৰ, হেজাৰ সম্মিলিত-সেনা বাহিনীৰ সেনা, যুদ্ধৰ সামগ্ৰী, অস্ত্ৰ-শস্ত্ৰ, গাড়ী ঘোঁৰা আদিৰে অসমত সমৰ সজ্জা আৰম্ভ হ'ল। চৰকাৰী সেনা আৰু যুদ্ধৰ সা-সঁজুলিৰে গুৱাহাটী চহৰ ভৰি পৰিল। গুৱাহাটীৰ য'তে মুকলি ঠাই পালে তাতে সেনা বাহিনীয়ে ছাউনী পাতিলে। উজান বজাৰৰ লতাশিল খেল পথাৰ, জজ ফিল্ড আদি সকলো ঠাইতে সেনা বাহিনী বহিল। অকল সেয়ে নহয়, গুৱাহাটীৰ চৰকাৰী স্কুল কলেজৰ ঘৰবিলাকও সেনা বাহিনীৰ কবলত লোৱা হ'ল। আটাইতকৈ শোচনীয় অৱস্থা হ'ল কটন কলেজৰ।

১৯৪২ চনৰ ২৯ এপ্ৰিলত বৃটিছ চৰকাৰে ব্ৰহ্মদেশৰ পৰা অপসাৰণ কৰিবলৈ সিদ্ধান্ত লোৱাৰ পিছতেই ৩১ মেইৰ দিনাখন কটন কলেজৰ ছাত্ৰাবাস বিলাকত

সেনা লোমায় আৰু ছাত্ৰাবাসৰ চুপাৰিনটেনডেণ্টসকলকও জুলাই মাহৰ এক তাৰিখৰ আগতেই ঘৰ খালী কৰি দিবলৈ হুকুম দিয়ে। সেই বছৰৰ গৰমৰ বন্ধতে কটন কলেজৰ ৰাসায়নিক লেব আৰু পদাৰ্থবিজ্ঞাৰ পুৰণি লেবটোৰ বাহিৰে সকলো ঘৰ-বাৰী সেনা বাহিনীয়ে দখল কৰে। কটন কলেজ মৃতপ্ৰায় হয় আৰু অসমৰ শিক্ষা জগতত এক হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়। তেতিয়াৰ ডি পি-আই এছ চি-ৰয়ে কটন কলেজৰ কলা বিভাগটো বৰপেটা, নলবাৰী, পলাশবাৰী, নগাঁও আদি ঠাইলৈ আৰু বিজ্ঞান শাখাবিলাক ছিলেট, ৰাজছাহী আদি ঠাইলৈ স্থানান্তৰিত কৰিবলৈ নিৰ্দেশ দিয়ে। বেছি ভাগ অধ্যাপকেই নিজৰ স্বাৰ্থ অনুযায়ী নিজৰ নিজৰ ঠাইলৈ কলেজখন নিবলৈ উঠি পৰি লাগিল। ছিলেটীসকলে তাক ছিলেটলৈ নিবলৈ বিচাৰিলে, বৰপেটীয়াসকলে বৰপেটালৈ, নগঞাসকলে নগাঁৱলৈ ইত্যাদি ইত্যাদি।

সেই হুলস্থুলীয়া পৰিৱেশত গুৱাহাটীতে কটন কলেজক জীয়াই ৰাখিবলৈ ধৈৰ্য্য সহকাৰে উপায় চিন্তা কৰিবলৈ ধৰিলে অধ্যক্ষ হৰ্ষনাথ সেনে (তেখেত গণিতৰ অধ্যাপক, তনং মেছৰ চুপাৰিনটেনডেণ্ট ৰূপে অসমৰ শিক্ষাজগতক সেৱা কৰাৰ উপৰিও পিছলৈ অসমৰ ডি পি-আই হৈছিল)। তেখেতে জুলাই মাহতে অধ্যাপক-সকলৰ এখন জৰুৰী সভা পাতি কলেজখনক গুৱাহাটীতে জীয়াই ৰাখিবলৈ উপায় আলোচনা কৰে। ইতিমধ্যে, ব্ৰহ্মদেশ আৰু অসমৰ সীমান্তৰ ৰণক্ষেত্ৰত পৰিণত হয় আৰু জাপানী বোমাক বিমানে কলিকতা চহৰতো বোমা বৰ্ষণ আৰম্ভ কৰে।

### অধ্যক্ষ হৰ্ষনাথ সেনৰ নেতৃত্ব :

কটন কলেজ আৰু কটন কলেজৰ চাকৰিৰ তেনে অনিশ্চয়তাত আকৌ নেথাই মৰিব লাগিব বুলি শ্ৰীদত্তই টালি টোপোলা বান্ধি সপৰিয়ালে যোৰহাটৰ গাঁৱৰ ঘৰলৈ উভতিলে। অৱশ্যে, সেই সময়ত গুৱাহাটীতো বোমা পৰিব পাৰে বুলি উৰা বাতৰি ওলোৱাত গুৱাহাটীয়া ৰাইজ বহুতেই তাগি তাৰ পৰ আঁতৰিছিল। তেনে সময়ত বিচলিত নহৈ অধ্যক্ষ হৰ্ষনাথ সেনে গুৱাহাটীত কটন কলেজখন জীয়াই ৰখাৰ কথা চিন্তা কৰিলে। তেখেতে পৈ তেখেতৰ আগৰ অতিশয় প্ৰিয় ছাত্ৰ আৰু বিশ্বাসী সহকৰ্মী অধ্যাপক দত্তক ক'লে, "ফনী, তুমি ল'ৰা-ছোৱালী কেইটাক যোৰহাটত থৈ সোনকালে উভতি আহিবা, আমি কটন কলেজখন যেই কোনো উপায়ে গুৱাহাটীত নামত হ'লেও চলাই থাকিব লাগিব।" শ্ৰীসেনে এই মতও প্ৰকাশ কৰিলে যে মিলিটাৰীয়ে দখল নকৰা ৰাসায়নিক লেব আৰু পদাৰ্থবিজ্ঞাৰ লেবৰ ঘৰ কেইটাতে কলেজখনক চলাই থাকিব পৰা যায়, যদিহে ছাত্ৰসকলৰ থকাৰ কিবা ব্যৱস্থা কৰিব পৰা যায়।

নিজৰ পৰিয়াৰ আৰু ল'ৰা ছোৱালী কেইটাক যোৰহাটৰ গাঁৱৰ ঘৰত থৈ শ্ৰীদত্তই অধ্যক্ষ সেনৰ লগ লাগিল আৰু ছাত্ৰসকল থকা মেলাৰ কিবা এটা ব্যৱস্থা কৰিবলৈ গাত ল'লে। শ্ৰীদত্ত আৰু তেতিয়া কটন কলেজৰ অধ্যাপক শ্ৰীবিৰিঞ্চি-কুমাৰ বৰুৱাই উজান বজাৰ অঞ্চলত দুই এটা ভাড়াঘৰ লৈ মেছ পাতি ছাত্ৰসকলৰ থকা-মেলাৰ ব্যৱস্থা কৰিম বুলি আগ বাঢ়ি আহিল। কিন্তু ডি পি-আই আৰু কটন কলেজৰ হোটেলৰ অভিজ্ঞ ছুপাৰিনটেনডেণ্টসকলে (শ্ৰীউমাকান্ত গোস্বামীৰ বাদে) তেনে কৰাটো সম্ভৱ নহয় বুলি প্ৰস্তাৱটো উৰাই দিলে। অধ্যক্ষ হৰ্ষনাথ সেনে কটন কলেজখন গুৱাহাটীত জীয়াই ৰখাৰ সেয়েই একমাত্ৰ উপায় বুলি তাকে কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ হ'ল আৰু জেঠ মহীয়া ৰ'দত শ্ৰীদত্ত আৰু শ্ৰীবিৰিঞ্চিকুমাৰ বৰুৱাক লগত লৈ গুৱাহাটীত টলৌ টলৌকৈ ঘূৰি ভাড়াঘৰ বিচাৰি বলৈ ধৰিলে।

বেছিভাগ মানুহেই ডেকা ল'ৰাৰ কাৰণে ঘৰ দিবলৈ অমান্তি হৈছিল কিয়নো কটন কলেজৰ সেই সময়ৰ ছাত্ৰসকল বৰ উৎপতীয়া আছিল বুলি অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে খ্যাত হৈছিল। ঘৰ দুৱাৰ ভাঙে ছিঙে বুলি আৰু ঠিকমতে ভাড়া নিদিব বুলি সকলোৰেই ভয় কৰিছিল। ওচৰ চুবুৰীয়াৰ অশান্তি কৰিব বুলিও বহুতেই চিন্তা কৰিছিল। যাহওক নলিনীবালা দেৱীকে আদি কৰি উজান বজাৰৰ দুই চাৰি ঘৰে কলেজখনক জীয়াই ৰাখিবৰ কাৰণে সহায় সহায় কৰিবলৈ আগ বাঢ়ি আহিল।

কেইটামান ভাড়াঘৰ যোগাৰ হ'ল। অধ্যক্ষ সেনে অধ্যাপক দণ্ডেশ্বৰ গগৈ আৰু আব্দুল হাইক পুৰণা খাট, চকী, মেজ আদি কিনিবলৈ লগাই দিলে। এই সকলোবিলাক প্ৰচেষ্টাৰ কাৰণে ছটা হিন্দু আৰু এটা মুছলিম মেছৰ ব্যৱস্থা কৰাটো সম্ভৱ হয়। হিন্দু মেছ কেইটা চলোৱাৰ ভাৰ লয় শ্ৰীদত্ত, শ্ৰীবিৰিঞ্চিকুমাৰ বৰুৱা আৰু শ্ৰীদণ্ডেশ্বৰ গগৈয়ে আৰু মুছলিম মেছটোৰ দায়িত্ব লয় আব্দুল হাইয়ে। ১৯৪২ চনৰ গৰমৰ বন্ধৰ পিছৰ পৰাই গুৱাহাটীতে কটন কলেজৰ শিক্ষাব্যৱস্থা চলি থকাটো সম্ভৱ হয়।

কিন্তু, তাৰ পিছতে আৰম্ভ হ'ল '৪২ৰ আন্দোলন আৰু ধৰ্মঘট, ছাত্ৰসকলে সেই মেছবিলাক এৰি ঘৰাঘৰি গুচি যাবলৈ আৰম্ভ কৰিলে। তেওঁলোকৰ বেছিভাগেই ভাড়া আৰু মেচৰ কাৰণে দিব লগীয়া খৰচ-পাতি নিদিয়াকৈয়ে অন্তৰ্ধান হয়। অধ্যক্ষ সেন আৰু সেই স্বাৰ্থত্যাগী অধ্যাপকসকলে নিজৰ জেপৰ পইচা দিব লগীয়া হোৱাৰ উপৰিও ঘৰৰ গিৰিহঁতৰ গালি শপনিও খাব লগীয়া হয়। কটন কলেজ পুনৰ বন্ধ হ'ল।

## সাতাইছ

## কটন কলেজক জীয়াই ৰাখিবলৈ শ্ৰম

পূজাৰ বন্ধৰ পিছত অৱস্থা কিছু উন্নত হ'ব বুলি আশা কৰি অধ্যক্ষ সেনে কেইটামান ভাড়া ঘৰ হাতত ৰাখি থ'বলৈ ইচ্ছা প্ৰকাশ কৰিলে, কিন্তু শ্ৰীদত্ত আৰু শ্ৰীদণ্ডেশ্বৰ গগৈৰ বাহিৰে আন কোনেও সেইবিলাকৰ দায়িত্ব ল'বলৈ সম্মত নহ'ল। ফণীন্দ্ৰ দত্ত অধ্যক্ষ হৰ্ষনাথ সেনৰ এজন প্ৰিয় ছাত্ৰ আছিল আৰু কটন কলেজত ছাত্ৰৰূপে ভৰ্তি হোৱাৰ দিনাখনৰ পৰাই তেখেতক গণিতত উচ্চ শিক্ষা লাভ কৰিবৰ কাৰণে শ্ৰীযুত সেনেই উৎসাহ যোগাইছিল আৰু কিতাপ পত্ৰ কিনি দি সহায় কৰিছিল। কটন কলেজক গুৱাহাটীত জীয়াই ৰাখিবলৈ শ্ৰীযুত সেনৰ ঐকান্তিক প্ৰচেষ্টা শ্ৰীদত্তই ভালদৰে বুজিব পাৰিছিল। সেইকাৰণে তেখেতে উজান বজাৰ এলেকাৰ দুটামান ঘৰ নিজৰ তত্বাৱধানত ধৰি থাকিল। উৎসাহী আৰু তেখেতৰ বন্ধু অধ্যাপক দণ্ডেশ্বৰ গগৈৰ বাহিৰে কটন কলেজৰ আন কোনো অধ্যাপকেই সেই সময়ত তেখেতৰ লগ লাগিবলৈ আগ বাঢ়ি নাহিল।

সৌভাগ্যক্ৰমে পূজাৰ বন্ধৰ পিছত বহু সংখ্যক ছাত্ৰই কলেজত পঢ়িবলৈ উভতি আহে আৰু তেওঁলোকৰ কাৰণে অধিক মেছৰ প্ৰয়োজন হয়। শ্ৰীদত্ত আৰু শ্ৰীগগৈয়ে আকৌ গুৱাহাটীৰ চুকে কোণে ঘূৰি ঘূৰি ১৩টা মেছৰ ব্যৱস্থা কৰে। সেইদৰে আব্দুল হাইয়েও ৫টা মুছলিম মেছৰ ব্যৱস্থা কৰে। তাৰ পিছত কলেজ ভালদৰেই চলিবলৈ ধৰে। ১৯৪৩ চনত শ্ৰীসেন অসমৰ ডি-পি-আই নিযুক্ত হোৱাত তেওঁ শ্ৰীগগৈ, শ্ৰীদত্ত আৰু শ্ৰীহাইক সকলো প্ৰকাৰে সহায় কৰিবলৈ সমৰ্থ হয়। তাৰ পিছতও বহু ছাত্ৰই থাকিবলৈ সুবিধা নোপোৱাৰ কাৰণে ডি-পি-আই সেনে ঘোষণা কৰে যে যেই কোনো অধ্যাপকে যদি ৫০ জন ছাত্ৰৰ কাৰণে থকা খোৱাৰ ব্যৱস্থা কৰি মেছ পাতিব পাৰে তেনেহ'লে সেই অধ্যাপকক তত্বাৱধায়ক ৰূপে মেছটো চলাবলৈ অনুমতি আৰু আৰ্থিক সাহায্য দিয়া হ'ব। তেতিয়া অধ্যাপক চন্দ্ৰকান্ত দাসেও ঘৰ ঠিক কৰি ১৯৪৪ চনত মেছ খুলে। তাৰ ফলস্বৰূপে কটন কলেজৰ ছাত্ৰসকলে কিছু থানথিত লাগি পঢ়াশুনা কৰি থাকিবলৈ সুবিধা পায়।

প্ৰথম অৱস্থাত ছাত্ৰীসকলৰ কাৰণে একো ব্যৱস্থা লোৱা হোৱা নাছিল। পিছত সেই সময়ৰ শিক্ষা বিভাগৰ এজন উচ্চ বিষয়া সেইছ চাহাবে ছাত্ৰীসকলৰ কাৰণেও কিবা এটা কৰিবলৈ কটন কলেজৰ অধ্যক্ষক নিৰ্দেশ দিয়াত। অধ্যক্ষই শ্ৰীদত্ত আৰু শ্ৰীগগৈকে কিবা এটা কৰি দিবলৈ অনুৰোধ কৰে। তেওঁলোকে ছোৱালীৰ কাৰণেও দীঘলী পুখুৰীৰ ওচৰত এটা ঘৰ ঠিক কৰি দিয়ে আৰু তাতেই

অধ্যাপিকা কমলা বয়ৰ তত্বাৱধানত এটা ছাত্ৰী আবাস আৰম্ভ কৰা হয়। অৱশ্যে, তাৰ আগৰে পৰা ছাত্ৰীবাৰৰ ছাত্ৰী অবাসটোও চলি আছিল।

তেনেদৰেই যুদ্ধৰ দিনত কটন কলেজ চলি থাকিব পাৰিছিল। আজি আমি এইটো পাহৰা অনুচিত যে কটন কলেজৰ এক সংকটপূৰ্ণ অৱস্থাত তাক খণ্ড বিখণ্ড কৰাৰ পৰা ৰক্ষা কৰিল শ্ৰীযুত হৰ্ষনাথ সেনৰ দৃঢ় নেতৃত্ব আৰু শ্ৰীফণীন্দ্ৰৰ দত্ত আৰু তেখেতৰ সহযোগী কেই গৰাকীমানৰ ঐকান্তিক শ্ৰম ও আশাশুধীয়া প্ৰচেষ্টাই।

সেই মেছবিলাক সুসংগঠিত হোৱাৰ পিছত কটন কলেজৰ আগৰ হোষ্টেল-বিলাকৰ কেইগৰাকীমান ছুপাৰিনটেণ্ডেণ্ট ভিতৰি ষড়যন্ত্ৰ কৰিলে যে দত্ত-গগৈ-দাস হাইৰ সলনি তেওঁলোককহে সেই মেছবিলাকৰ তত্ত্বাৱধায়ক কৰিব লাগে কিয়নো তেওঁলোক মেছ চলোৱাত অভিজ্ঞ আৰু পাৰ্গত লোক। কিন্তু হৰ্ষনাথ সেনৰ দৃঢ় মত, "মই জীৱনত এটা অতি সাৰ্থক কাম কৰিবলৈ সমৰ্থ হ'লোঁ আৰু সেইটো হৈছে যুদ্ধৰ দিনত কটন কলেজক জীয়াই ৰখাটো। কিন্তু ফণী দত্ত, দণ্ডেশ্বৰ গগৈ আব্দুল হাই আৰু চন্দ্ৰ দাসে সহায় কৰিবলৈ আগ বাঢ়ি নহা হ'লে সেইটো সম্ভৱ নহ'লহেঁতেন। এই কথা মই কেতিয়াও পাহৰিব নোৱাৰোঁ।। শ্ৰীসেনে এইটোৰও ব্যৱস্থা কৰি থৈ গ'ল যে কেতিয়াবা যদি আকৌ কটন কলেজৰ ছাত্ৰাবাস বিলাক সেনাবাহিনীয়ে কলেজ কৰ্তৃপক্ষক ওভোতাই দিয়ে তেনেহ'লে শ্ৰীদত্ত প্ৰমুখ্যে সেই কেইগৰাকী অধ্যাপকক সেইবিলাকৰ ছুপাৰিনটেণ্ডেণ্ট পতা হ'ব। কিন্তু ১৯৪৬ চনত কটন কলেজৰ সকলো ঘৰ দুৱাৰ ঘূৰাই পোৱাৰ আগেয়েই শ্ৰীহৰ্ষনাথ সেনে অৱসৰ লয়। তাৰ পিছত কি হ'ল শ্ৰীদণ্ডেশ্বৰ গগৈৰ কথাৰেই বৰ্ণনা কৰিলোঁ।।

"তেতিয়া ৰোহিনী চৌধুৰী অসমৰ শিক্ষা মন্ত্ৰী। তেখেতৰ ভায়েক হৰেন চৌধুৰীও আগৰ এজন ছুপাৰিনটেনডেনট্ আছিল। গতিকে আগৰ ছুপৰিনটেনডেনট্ সকলে গৈ হৰেন চৌধুৰীক ক'লে যে আমাকতো সেনা বাহিনীয়ে ছুপাৰিনটেনডেনটৰ ঘৰৰ পৰা গুচাই পঠিয়ালে। এতিয়া হোষ্টেল-বিলাক ঘূৰাই দিলে যেতিয়া আমি আমাৰ আগৰ ছুপাৰিনটেনডেনটৰ ঘৰ বিলাক আগৰ মতে পুনৰ পোৱা উচিত। তেনেকৈ কিবা লিখি তেওঁলোকে হৰেন চৌধুৰীৰ যোগেদি শিক্ষামন্ত্ৰীক সাধিলে। কিন্তু সেইটো লিখাৰ ভিতৰতে আমাক সহায় কৰিলে প্ৰিন্সিপাল থমাছে। থমাছে ডি-পি-আই লেইচ চাহাবক জনালে বোলে পুৰণা ছুপাৰিনটেনডেনট্ কেইজনে যুদ্ধৰ দিনত সহায় নকৰিলে। ইমান দিন বৰ কষ্টেৰে হোষ্টেল পাতি কলেজ কৰা গ'ল, তেওঁলোকে একো কৰা নাই। সেইবুলি তেওঁ ডি-পি-আইৰ সৈতে লগ লাগি

কথাটো সিমান আগ নাবাঢ়োঁতেই লৰালৰিকৈ আমাক ছুপাৰিনটেনডেনট্ পাতিলে।"

অধ্যক্ষ থমাছে হৰ্ষ সেনে কৈ থৈ যোৱাৰ দৰে ফণীধৰ দত্তক ৩নং মেছৰ, দণ্ডেশ্বৰ গগৈক ২নং মেছৰ, চন্দ্ৰকান্ত দাসক ১নং মেছৰ আৰু আব্দুল হাইক মুছলিম মেছৰ ছুপাৰিনটেনডেণ্ট পাতে। ১৯৪৬ চনৰ জুলাই মাহৰ পৰাই ফণীধৰ দত্তই কটন কলেজৰ ৩নং মেছৰ ছুপাৰিণটেনডেনটৰ ঘৰটোত সপৰিয়ালে থাকিবলৈ লয়। পিছতহে তেখেতৰ আৰু তেখেতৰ পৰিয়ালটোৰ এক প্ৰকাৰ স্থিতি লাগে বুলিব পাৰি।

শ্ৰীদণ্ডেশ্বৰ গগৈয়ে পিছত অসমৰ স্কুল ইন্সপেক্টৰ হৈ অৱসৰ গ্ৰহণ কৰে। তেখেত লক্ষীমপুৰৰ দ্বিতীয় এম-এ। লক্ষীমপুৰৰ পৰা এম-এ পাছ কৰা প্ৰথম ব্যক্তি আছিল শ্ৰীপদ্মেশ্বৰ গগৈ)। ফণীধৰ দত্তই যুদ্ধৰ দিনত আৰু তাৰ পিছত কটন কলেজৰ কাৰণে কৰা দায়িত্বপূৰ্ণ পৰিশ্ৰমৰ কথা শ্ৰীদণ্ডেশ্বৰ গগৈয়ে এই লেখকৰ লগত হোৱা এক সাক্ষাতত তলত দিয়া ধৰণেৰে বৰ্ণনা কৰিছিল।

"দত্তই কটন কলেজত এক গুৰুত্বপূৰ্ণ দায়িত্ব লৈছিল। অধ্যক্ষই সকলো কামৰ কাৰণে বিশ্বাস কৰিব পৰা তেখেতেই একমাত্ৰ ব্যক্তি আছিল। সেই সময়ত কলেজৰ সকলোখিনি কাম তেওঁ কৰিছিল। পৰীক্ষা আৰম্ভৰ পৰা নতুন ছাত্ৰক ভৰ্তি দিয়ালৈকে যিমানখিনি কাম হৈছিল সেইখিনি অধ্যক্ষৰ হৈ তেখেতেই কৰিছিল। সেই কাৰণে তেখেতে কটন কলেজৰ পৰা যোৱাৰ পিছত, বোধ হয় ১৯৪৮ চনত, বাণী বাবু অধ্যক্ষ হৈয়েই এদিন মোৰ ওচৰলৈ আহি ক'লে বোলে—এটা কথা হ'ল নহয়, আমাৰ দত্ত গলেই, তেওঁ কলেজখনৰ ইমান বিলাক কাম কৰি আছিল এতিয়া লেঠাহে হ'ল, এতিয়া তুমি কাম বিলাকত অলপ সহায় কৰিব লাগে। মই ক'লোঁ কৰিম বাৰু। সি যি নহওক দত্তই যি কামকে কলেজখনৰ কাৰণে কৰিব লগীয়া হয় তেওঁ গোনেই আগবাঢ়ি আহিছিল। তেওঁ কোনো কথাতে উত্তেজিত নহৈছিল। তেখেত বৰ ধীৰ সুস্থিৰ আছিল।

মই সদায় তেখেতৰ পৰামৰ্শ লৈছিলোঁ। এইটো এনে হৈছে তেনে হৈছে, এতিয়া কি কৰা যায় তেখেতক সুধিছিলোঁ। গতিকে সেইবিলাক কথা আজিও মনত পৰে আৰু সদায়ে থাকিব যে মোৰ জীৱনৰ বহুতখিনি কথা তেওঁ ভাল পথ দেখুওৱা কাৰণেই হ'ল—জানাই নহয় তেওঁৰ লগত কেনেকৈ মই মেছ খুলিলো আৰু হোষ্টেলৰ ছুপাৰিন্টেনডেনট্ হ'লোঁ।"

পঞ্চম ভাগ

# গুৱাহাটী বিশ্ববিদ্যালয়



# আঠাইছ

## গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠা দিবস

অসমীয়া বাইজে অসমত এটা সুকীয়া বিশ্ববিদ্যালয়ৰ কাৰণে ১৯১৭ চনৰে পৰা এক সক্ৰিয় আন্দোলন আৰম্ভ কৰিছিল (হৰেন্দ্ৰ নাথ কলিতা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ এটি চমু আভাস' গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাসৰ ছাত্ৰবৃন্দ, ১৯৫৮ দ্ৰষ্টব্য) যদিও দেশ স্বাধীন হোৱাৰ আগলৈকে সি কাৰ্যত পৰিণত হোৱাৰ সম্ভাৱনা স্পষ্ট হোৱা নাছিল। বিশ্ববিদ্যালয় আন্দোলনৰ গুৰি ধৰোঁতা লোকপ্ৰিয় গোপীনাথ বৰদলৈদেৱ যেতিয়া স্বাধীন অসমৰ মুখ্য মন্ত্ৰী (তেতিয়াৰ দিনত প্ৰধান মন্ত্ৰী বুলিছিল) হ'ল অসমত বিশ্ববিদ্যালয় স্থাপন হোৱাটো নিশ্চিত হ'ল। বৰদলৈদেৱে অকণো বিলম্ব নকৰি ১৯৪৭ চনৰ ১৩ চেপ্তেম্বৰত অৰ্থাৎ দেশ স্বাধীন হোৱাৰ এমাহৰ ভিতৰতে ১৯৪৭ চনৰ গুৱাহাটী বিশ্ববিদ্যালয় শাসন বিধি সদনত গ্ৰহণ কৰায়। তাৰ পিছত বাকী থাকিল মাথোঁ বিশ্ববিদ্যালয়ৰ বিষয় ববীয়া নিয়োগ কৰি বিশ্ববিদ্যালয় আৰম্ভ কৰিবলৈ। বিশ্ববিদ্যালয়ৰ কোন উপাচাৰ্য হ'ব, কোন ৰেজিষ্ট্ৰাৰ হ'ব, কোন কণ্ট্ৰলাৰ হ'ব সেই বিষয়ে গুৱাহাটী আৰু ছিলঙত নানা বু-বু-বা-বা জল্পনা-কল্পনা চলিবলৈ ধৰিলে। কোনোৱে ক'লে কাকা কালেলকাৰ উপাচাৰ্য হ'ব; বৰদলৈদেৱ নিমাত হৈ থকা দেখি বহুতে আকৌ তেখেতে নিজেই উপাচাৰ্য হ'বলৈ বিচাৰে বুলিও উলিয়ালে, ডঃ সূৰ্য ভূঞা, ডঃ বিৰিঞ্চি বৰুৱা (তেখেত তেতিয়া বিলাতত) ৰাধা বাবু আদিৰ নাম ওলাল ৰেজিষ্ট্ৰাৰ বুলি, কণ্ট্ৰলাৰৰ কাৰণে নাম ওলাল ফণীধৰ দত্ত আৰু ৰাধা বাবুৰ নাম, কিয়নো কলিকতা বিশ্ববিদ্যালয়ৰ তত্বাৱধানত কটন কলেজত হোৱা পৰীক্ষা আৰু কটন কলেজৰ অন্যান্য পৰীক্ষা বিলাক চলোৱাত এওঁলোক দুজনেই অভিজ্ঞ লোক আছিল।

১৯৪৮ চনৰ পৰাই গুৱাহাটী বিশ্ববিদ্যালয়ে অসমৰ সকলো পৰীক্ষাৰ ভাৰ ল'ব লাগিব বুলি ১৯৪৭ চনৰ নৱেম্বৰ মাহত ডঃ সূৰ্যকুমাৰ ভুঞাক কলিকতালৈ গৈ কলিকতা বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ লগত আলাপ আলোচনা কৰিবৰ কাৰণে নিৰ্দেশ দিয়া হয়—তাত একো আচৰিত হ'ব লগীয়া নাছিল কিয়নো তেখেতেই বিশ্ববিদ্যালয় স্থাপনৰ কাৰণে বিশেষ বিষয়া ৰূপে তাৰ বহুত দিন আগৰে পৰা বিশ্ববিদ্যালয়ৰ কাৰণে যাৱতীয় কাম বিদ্ধমান কৰি আছিল। কিন্তু আচৰিত আছিল এইটোৱেই

যে ৬ নৱেম্বৰৰ দিনাখন ছিলঙৰ পৰা শিক্ষা বিভাগৰ আণ্ডাৰ চেক্ৰেটাৰীয়ে ফণীধৰ দত্তও ডঃ ভূঞাৰ লগত কলিকতালৈ যাব লাগে বুলি এখন চিঠি সেইদিনাখনেই হাতে হাতে কটন কলেজৰ অধ্যক্ষ আৰু ফণীধৰ দত্তক গুৱাহাটীত দিলেহি। ফণীধৰ দত্ত সেইসময়ত কটন কলেজৰ গণিতৰ অধ্যাপক আছিল। ডঃ ভূঞা আৰু শ্ৰীদত্তই কলিকতাত গৈ ১৯৪৮ চনত কেনেকৈ অসমত মেট্ৰিক, ইণ্টাৰমিডিয়েট আদি পৰীক্ষা পাতিব পাৰি বুজ লৈ আহিল যদিও বিশ্ববিদ্যালয়ৰ কোন কি বিষয়া হ'ব তেতিয়াও তেওঁলোকে জনা নাছিল। সেইদিনত টেলিফোনৰ যোগাযোগ গুৱাহাটী আৰু ছিলঙৰ মাজত প্ৰায় নাছিল বুলিলেই হয়। কলিকতাৰ পৰা উভতি অহাৰ পিছত এদিন মাথোন বৰদলৈদেৱে শ্ৰীদত্তক সুধিলে,

'ফণী, অহা বছৰ পৰীক্ষা বিলাক পাতিব পাৰিবা নে ?'

'কিয় নোৱাৰিম, নিশ্চয় পাৰিম' বুলি শ্ৰীফণীধৰ দত্তই উত্তৰ দিয়াত বৰদলৈয়ে ভূঞা আৰু দত্তক বিশ্ববিদ্যালয়ৰ কাম কাজ চলাবৰ কাৰণে 'যৰ এটা ঠিক কৰা-চোন' বুলি কৈ কথাৰ সামৰণি মাৰিলে।

কোন কি হ'ব তেতিয়াও একো সমিধান নাহিল। সমিধান আহিল তাৰ কেইসপ্তাহমান পিছত ১৯৪৭ চনৰ ২৬ ডিচেম্বৰত। সেইদিনাখন গুৱাহাটীৰ জজ ফিল্ডত প্ৰধান মন্ত্ৰী একাদশ আৰু ৰাজ্যপাল একাদশৰ এখন ক্ৰিকেট খেল অনুষ্ঠিত হৈছিল। এই স্মৰণীয় খেলখনৰ প্ৰথম বলটো প্ৰক্ষেপ কৰিছিল লোকপ্ৰিয় বৰদলৈদেৱে আৰু এই খেলখনলৈ বৰদলৈদেৱ, ৰাজ্যপাল আকবৰ হাইদৰী আৰু আন আন ভব্য গব্য লোকসকল আহিছিল। এই খেলখনত ভাল খেলা বাবে পুলিন দাদা ( মানে শ্ৰীপুলিন দাস ) আৰু হাবু দাদা ( মানে শ্ৰীহিৰণ্ময় লাহিড়ী )-য়ে একোখন বেট পুৰস্কাৰ পোৱা যোৰ বিশি বিশি মনত পৰে আৰু মনত পৰে খেলখন চাবলৈ অহা আকবৰ হাইদৰীৰ বাংচালী যুৱতী কন্যাৰ কথা—তেওঁক দেখি কটন কলেজৰ ডেকা কেইজনমানে খেল চাবলৈ এৰি তেওঁক বেৰি বেৰি হৈপাহ নপলোৱাকৈ চোৱৰ কথা, আকবৰ হাইদৰীৰ দেহৰক্ষী সামৰিক বিষয়াজনেও আকবৰ হাইদৰীতকৈ তেওঁৰ জীয়েৰৰ ওপৰতহে বেছি চকু ৰাখিছিল। কটন কলেজৰ ডেকা কেইটাৰাকীয়ে পিছত কি কৰিলে নাজানো কিন্তু সেই সামৰিক বিষয়াজনেই আকবৰ হাইদৰীৰ জীয়েকক পিছত বিয়া কৰালে বুলি জানিব পাৰিছিলোঁ।

সি যিয়েই নহওক, খেল-পথাৰৰ পৰাই বৰদলৈদেৱে শিক্ষা বিভাগৰ ছেক্ৰেটাৰী এছ-এল-মেহতাক ফণীধৰ দত্তৰ ওচৰলৈ পঠিয়াই দিলে। এইখিনিতে এইটো

উল্লেখযোগ্য যে প্ৰধান মন্ত্ৰী পদৰ উপৰিও বৰদলৈদেৱে শিক্ষাবিভাগটো নিজৰ হাতত ৰাখিছিল। শ্ৰীমেহতাই জজ ফিল্ডৰ পৰ দৌৰি দৌৰি কোঁপাই জোপাই তেতিয়া কটন কলেজৰ এনং ছাত্ৰাবাসৰ চুপাৰিনটেণ্ডেণ্টৰ গৃহত থকা শ্ৰীফণী দত্তক বিশেষ উত্তেজনাৰে ক'লেহি—

"ভাইয়া, তুমিয়েই গুৱাহাটী বিশ্ববিদ্যালয় আৰম্ভ কৰিবা লাগিব। ঘৰ পালা নে নাই? এতিয়াই আহা তোমাক প্ৰধান মন্ত্ৰীয়ে মাতি পঠিয়াইছে।"

শ্ৰীফণীধৰ দত্তই মেহতাক জনালে যে কটন কলেজৰ নতুন ছাত্ৰাবাসৰ কাষতে মিলিটাৰীয়ে যুদ্ধৰ কাৰণে সজা গুদাম এটা খালী হৈ পৰি আছে; তাতেই পৰীক্ষাৰ কাকত-তাকতো ৰাখিব পৰা যাব যেতিয়া তাতেই বিশ্ববিদ্যালয় আৰম্ভ কৰিব পৰা যায়।

জজ ফিল্ড খেল পথাৰতেই বৰদলৈদেৱে শ্ৰীফণী দত্তক গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰেজিষ্ট্ৰাৰ পাতিছোঁ বুলি ঘোষণা কৰি কাম আৰম্ভ কৰিবলৈ আদেশ দিলে। সেইদিনাৰ ক্ৰিকেট খেলখন শেষ হোৱাৰ পিছত বৰদলৈ ভাওৰীয়া, ৰাজ্যপাল আকবৰ হাইদৰী আৰু আন আন লোক সকলে খেল পথাৰৰ পৰ ই খোজ কাঢ়ি আহি বিশ্ববিদ্যালয় আৰম্ভ কৰিব বুলি ভবা মিলিটাৰী গুদামটো পৰিদৰ্শন কৰিলে আৰু তাৰেই কাম চলিব বুলি জানুৱাৰীৰ এক তাৰিখৰ পৰা কাম আৰম্ভ কৰিবলৈ আৰু মেট্ৰিক পৰীক্ষা পাতিবৰ কাৰণে সকলো যো যা কৰিবলৈ কৈ ৰাজধানীলৈ প্ৰত্যাবৰ্তন কৰিলে। টকা-পইচা কেতিয়া কেনেকৈ পঠাব বা কি কি কাম কেনেকৈ কৰিব লাগিব সেই বিশাক একো নজনাই লোক প্ৰিয় বৰদলৈদেৱে একো দিহা নিদি শ্ৰীফণীধৰ দত্তৰ ওপৰতে সকলো এৰি দিলে। আনকি তেওঁখতক কটন কলেজৰ চাকৰিৰ পৰা নিয়মমতে অব্যাহতি দিয়াৰ কথাও একো নক'লে। উপায়ন্তৰ হৈ শ্ৰীদত্তই তেতিয়াৰ কটন কলেজৰ অধ্যক্ষ মুহিবুল্লা চাহাবৰ কাষ পালে। ধৰ্মপৰায়ণ মুহিবুল্লা চাহাবে প্ৰাৰ্থনা এফাকি মাতি শ্ৰীদত্তক আশীৰ্বাদ দি ক'লে যে তেওঁ অব্যাহতিৰ লিখিত জাননীৰ কাৰণে অপেক্ষা নকৰি অফিচৰ কাৰণে অপেক্ষা নকৰি অফিচৰ কাৰণে দুই এটা বস্তু গোটাই বিশ্ববিদ্যালয়ৰ কাম এক তাৰিখৰ পৰাই আৰম্ভ কৰা উচিত।

পিছদিনাখন ৰাতিপুৱাই শ্ৰীদত্তই লয়াৰ্চ বুক ষ্টলৰ গৰাকী আৰু নিজৰ ব্যক্তিগত বন্ধু শ্ৰীবিচিত্ৰ নাৰায়ণ দত্ত বৰুৱাক দোকানত লগ ধৰি সকলো ক'লেগৈ। দত্তবৰুৱাদেৱে তেখেতৰ স্বভাবসুলভ আত্মবিশ্বাসৰ সুৰে ৰ কোনোবা এজনক ডাঙৰ ডাঙৰকৈ চিঞৰি ক'লে, 'অই দুই দিস্তা কাগজ আৰু দোৱাত কলম যি আছে দুই

এটা আন, প্ৰফেচাৰে গুৱাহাটী বিশ্ববিদ্যালয় আৰম্ভ কৰিব লাগে—ফণী বুইছা, ৰবদলৈয়ে কৈছে যেতিয়া বুজৰা পাৰ ছা, ছুক হই গেল আৰ'। কোৱা বাহুল্য যে দত্ত বৰুৱাদেৰে বিশ্ববিদ্যালয়ৰ কাৰ্যালয়ৰ কাৰণে যাবতীয় বস্তু আৰম্ভণিতে বিনা দামে দান কৰি আছিল।

বিশ্ববিদ্যালয় আৰম্ভ কৰিবৰ কাৰণে শ্ৰীফণীধৰ দত্তই লগত সহায়ক ৰূপে ল'লে তেতিয়া কটন কলেজত চাকৰি কৰি থকা হাচবি চাহাবক আৰু পৰীক্ষা সংক্ৰান্ত কাৰ্যত তেখেতেই শ্ৰীদত্তৰ সোঁহাত স্বৰূপ আছিল। এইখিনিতে এইটোও উল্লেখযোগ্য যে বিশ্ববিদ্যালয়ৰ কাম আৰম্ভ কৰিবৰ কাৰণে ৰূপায়ন চিনেমাৰ কাষত থকা এজন বঙালী কাঠমিস্ত্ৰীয়ে এখন মেজ, এটা আলমাৰী আৰু দুখন চকী বিনা পইচাই দান কৰিছিল। সেই চকী মেজ আৰু শ্ৰীবিচিত্ৰ নাৰায়ণ দত্ত বৰুৱাই দিয়া কাগজ কলমেৰেই ১৯৪৮ চনৰ এক জানুৱাৰীত শ্ৰীফণীধৰ দত্তই গুৱাহাটী বিশ্ববিদ্যালয় অনাড়ম্বৰ ভাবে আৰম্ভ কৰিছিল।

সেইদিনাখন গুৱাহাটী বিশ্ববিদ্যালয় আৰম্ভ হোৱা বুলি বহু উৎসাহী লোকে, বিশেষকৈ কটন কলেজৰ অধ্যাপকসকলে শ্ৰীদত্তক সেই মিলিটাৰী গুদামত বহি বিশ্ববিদ্যালয়ৰ কাম আৰম্ভ কৰা চাই গৈছিলহি। তাৰ দুদিনমান পিছত ৰবদলৈদেৱে কাম কেনে চলিছে খবৰ কৰি গৈছিল শ্ৰীদত্তই তেতিয়া ৰবদলৈ ডাঙৰীয়াক সুধিছিল,

'কোন উপাচাৰ্য হ'ব ?'

'কিয় ? কৃষ্ণকান্ত সন্দিকৈ ! তেওঁৰ লগত আমি যোগাযোগ কৰিছোঁ। মই যোৰহাটৰ জেলত থাকোঁতেই বিশ্ববিদ্যালয়ৰ কথা খুব চিন্তা কৰিছিলোঁ আৰু তেতিয়াই ভাবি থৈছিলোঁ যোৰহাটত অসমৰ প্ৰথম প্ৰাইভেট কলেজ আৰম্ভ কৰা লোক কেইজনকেই বিশ্ববিদ্যালয় আৰম্ভ কৰিবলৈ মাতিম।'

ফণীদত্তক বিশ্ববিদ্যালয় আৰম্ভ কৰিবলৈ দিয়াৰ কাৰণ :

সন্দিকৈদেৱক উপাচাৰ্য্য আৰু দত্তক ৰেজিষ্ট্ৰাৰ নিয়োগ কৰাটো একমাত্ৰ লোকপ্ৰিয় ৰবদলৈৰে সিদ্ধান্ত। ৰবদলৈদেৱে এই দুজনা লোকৰ ওপৰত বিশ্ববিদ্যালয় আৰম্ভ কৰাৰ গধুৰ দায়িত্ব অৰ্পণ কৰিবলৈ কিয় সিদ্ধান্ত ল'লে ? এই প্ৰশ্নৰ সমিধান আমি পাওঁ ১৯৪০ চনত ৰবদলৈদেৱে যোৰহাটৰ জেলত ৰাজনৈতিক বন্দী হৈ ভাৰতৰ স্বাধীনতাৰ দিন গণি থাকোঁতে লিখা 'এ কেছ ফ'ৰ এ ইউনিভাৰ্ছিটী ইন আছাম' ( অসমত এটা বিশ্ববিদ্যালয় পতাৰ সপক্ষে যুক্তি ) নামৰ এটি

প্ৰবন্ধত। এই প্ৰবন্ধটোৰ নকল বৰদলৈদেৱৰ কন্যা লিলি মজিন্দ'ৰ বকলাৰ অনুগ্ৰহত পাবলৈ সমৰ্থ হৈছোঁ।

সেই সময়ৰ শিক্ষিত ডেকাসকলৰ নিজকে জহাই ফুৰা আৰু স্বাৰ্থ-অন্বেষণত আত্ম-বিভোৰ হোৱা চৰিত্ৰৰ প্ৰতি দৃষ্টিপাত কৰি বৰদলৈদেৱে লিখিছে,

"মোৰ ধাৰণা যে এটা সুস্থ ভাৱে সংগঠিত শিক্ষাৰ কেন্দ্ৰৰ সহায়ত আমাৰ সমাজলৈ সেৱা আৰু স্বজাতিৰ প্ৰতি কৰ্তব্যৰ এক নতুন দৃষ্টিভংগী অনাটো সম্ভৱপৰ। জনসাধাৰণক খুৱাবৰ আৰু পিন্ধাবৰ কাৰণে যিদৰে স্বাৰ্থত্যাগী নেতৃত্বৰ প্ৰয়োজন সেইদৰে জনসাধাৰণক সেৱা কৰিবৰ কাৰণেও স্বাৰ্থত্যাগী নেতৃত্বৰ প্ৰয়োজন।"

বিশ্বিদ্যালয়ৰ কাৰণে তেওঁ বিচাৰিছিল স্বাৰ্থত্যাগী নেতৃত্ব। অসমৰ এই শিক্ষা কেন্দ্ৰৰ কাৰণে স্বাৰ্থত্যাগী নেতা তেওঁ কেনেকৈ বিচাৰি উলিয়াব? জাতি গঠনৰ কাৰণে, জাতীয় চৰিত্ৰ গঠনৰ কাৰণে বৰদলৈদেৱৰ বিচাৰ-বুদ্ধি বিস্ময় মানিব লগীয়া। তেওঁ বিচাৰিলে অসমত শিক্ষা বিস্তাৰৰ কাৰণে আৰু দুখীয়ালোকৰ জ্ঞান অৰ্জনত সহায় কৰিবৰ কাৰণে স্বাৰ্থত্যাগ কৰা লোক। যোৰহাটৰ জেলত থাকোঁতে, অসমৰ শিক্ষা জগতৰ কথা ভাবোঁতে তেওঁ নিশ্চয় জেলৰ ওচৰতে থকা যোৰহাট কলেজৰ কথা ভাবিছিল। অসমৰ প্ৰথম বেচৰকাৰী কলেজ যোৰহাট কলেজখন প্ৰতিষ্ঠা কৰিবৰ কাৰণে, তাৰ প্ৰতিষ্ঠাপক অধ্যাপক কেইগৰাকীয়ে (কৃষ্ণকান্ত সন্দিকৈ, ফণীধৰ দত্ত, তুলসীনাৰায়ণ শৰ্মা, গুণগোবিন্দ দত্ত, যজ্ঞেশ্বৰ শৰ্মা আৰু তেওঁলোকৰ লগত পাছলৈ যোগ দিয়া প্ৰফুল্লপ্ৰাণ চাংকাকতী, পদ্মেশ্বৰ গগৈ) ওপৰ অসমৰ দুখীয়া ছাত্ৰ-ছাত্ৰীক উচ্চশিক্ষা দিবৰ কাৰণে কৰা স্বাৰ্থত্যাগৰ কথা বৰদলৈদেৱে ভালদৰে জানিছিল। সেয়েহে সেইসকলৰ মাজৰ পৰাই তেখেতে অসমৰ প্ৰথম বিশ্ববিদ্যালয়ৰ কাৰণে উপাচাৰ্য্য আৰু ৰেজিষ্ট্ৰাৰ বাচি ল'লে। এইখিনিতে এইটো উল্লেখযোগ্য যে যোৰহাট কলেজৰ প্ৰতিষ্ঠাপক অধ্যাপকৰ আন কেইগৰাকীয়েও অসমৰ শিক্ষানুষ্ঠান আৰু বিশ্ববিদ্যালয়খনক আজীৱন সেৱা কৰি গ'ল।

ফণীধৰ দত্তক নিৰ্বাচন কৰাৰ আন এটা কাৰণো বৰদলৈদেৱৰ প্ৰবন্ধটোত পোৱা যায়:

"আজিকালি বিৰাজ কৰা উচ্চ শিক্ষাই গাঁওবিলাকক সমূলি স্পৰ্শ নকৰে আৰু যদি কেনেবাকৈ স্পৰ্শ কৰিছে তেনেহ'লে সি গাঁওবিলাকৰ উপকাৰতকৈ অনিষ্টহে বেছি কৰিছে। শিক্ষিত লোকসকলে গাঁওবিলাকৰ সংস্পৰ্শত থাকি গাঁৱৰ উন্নতি নকৰি চহৰৰ আড়ম্বৰৰ কাৰণেই গাঁওবিলাক এৰিছে।"

অসমৰ প্ৰথম বিশ্ববিদ্যালয়ে অসমৰ গাঁৱলীয়া ৰাইজৰ বিশেষ উপকাৰ সাধিব

বুলি বৰদলৈদেৱে বৰ আশা কৰিছিল বুলি আন তথ্যৰ পৰাও জনা যায়। ফণীধৰ দত্ত আছিল নিজৰ গাঁওখন পাহৰি নোযোৱা শিক্ষিত লোক। শ্ৰীযজ্ঞেশ্বৰ শৰ্মাই ক'বৰ দৰে:

"দত্তই গাঁৱলীয়া জীৱনৰ খেতি-বাতি, নাম-গুণ, ভাওনা-সবাহ, সকলোতে সক্ৰিয় পৰা অংশ গ্ৰহণ কৰিছিল। হাল বাই আহি স্কুললৈ যোৱা ক'ব পাৰোঁ, কলেজত পঢ়োঁতে তেখেতে পথাৰত হালকোৰ বাইছিল আৰু সেই কথা লুকুৱাবলৈ চেষ্টা নকৰিছিল,—যিদৰে বহুতে কৰে" (লেখকলৈ শ্ৰীশৰ্মাই ১৯৮৩ চনৰ ১ জানুৱাৰীত লিখা চিঠিৰ পৰা উদ্ধৃত)।

অকল সেয়ে নহয় তেখেতে যোৰহাট কলেজত বিনা দৰমহাৰে অধ্যাপনা কৰি থাকোঁতে হালৰ মুঠিত ধৰিহে নিজৰ ভাত মোকোলাইছিল। এইবিলাক কথা বৰদলৈদেৱে ভালদৰে জানিছিল, কিয়নো ফণীধৰ দত্তক গোটেই শিক্ষা জীৱনত সকলো প্ৰকাৰে সহায় কৰি আহিছিল শ্ৰীশৰৎচন্দ্ৰ গোস্বামীদেৱে। কেৱল দত্তকে নহয়, গোস্বামীদেৱে অসমৰ বহু দুখীয়া গাঁৱলীয়া ছাত্ৰক সদায় সকলো প্ৰকাৰে সহায় কৰিছিল। তদুপৰি তেখেতে এই শতিকাৰ প্ৰথমাৰ্ধত অসমৰ শিক্ষা-সাহিত্যৰ কাৰণে যিদৰে নিস্বাৰ্থভাৱে সেৱা কৰি গ'ল, সি একপ্ৰকাৰে অদ্বিতীয়। কি অসম সাহিত্য সভা, কি যোৰহাট কলেজ, কি গুৱাহাটী বিশ্ববিদ্যালয় প্ৰায় সকলো প্ৰতিষ্ঠানৰ জন্মত এইগৰাকী পৰিশ্ৰমী আৰু উদাৰ ব্যক্তিৰ বিশেষ বৰঙণি আছে। ই অতি দুখৰ কথা যে এই গৰাকী মহান ব্যক্তিকো অসমীয়াই পাহৰিলে। বৰদলৈদেৱে বিচৰাৰ দৰে শৰৎচন্দ্ৰ গোস্বামী আছিল অসমৰ শিক্ষা জগতত নেতৃত্ব দিব পৰা লোক। ১৯৪৮ চনত গোস্বামীদেৱে গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰাৰ ভাৰ তেখেতৰ হাতত অৰ্পণ কৰিলেহেঁতেন বুলি ভবাৰ যুক্তি আছে। গুৱাহাটী বিশ্ববিদ্যালয় আৰম্ভ কৰাৰ বছৰচেৰেক আগতে ছাদুল্লা মন্ত্ৰীসভাৰ ৰাজত্বত নিয়োগৰ দিনটো নিয়মমতে নধৰি সেইসময়ত কটন কলেজত অধ্যাপক হৈ থকা ফণীধৰ দত্তক বিশেষ জুলুমত পেলোৱাৰ কাৰণে গোস্বামীদেৱেই ফণীধৰ দত্তক বৰদলৈদেৱৰ ওচৰলৈ লৈ গৈছিল। তেতিয়াই বৰদলৈদেৱে দত্তক কৈছিল,

"অতি সোনকালে বিশ্ববিদ্যালয় হ'বই। বিশ্ববিদ্যালয় পাতিবলৈ তোমালোকৰ নিচিনা মানুহৰে দৰকাৰ। অসমৰ দুখীয়া গাঁৱলীয়া বাইজৰ মাজত শিক্ষাৰ পোহৰ তোমালোকেহে যদি বিলাব পাৰা।"

এই বিষয়ে যোৰহাট কলেজৰ আন এজন প্ৰতিষ্ঠাপক আৰু নগাঁও কলেজৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীযজ্ঞেশ্বৰ শৰ্মাই আৰু সম্বিধান দিছে,

"দত্ত কটন কলেজত থকাৰ যুদ্ধৰ সময়তে। সেই সময়ত কটন কলেজৰ হোষ্টেল বিলাক মিলিটেৰীয়ে লোৱাত ল'ৰা বিলাকৰ থকা-মেলাৰ বৰ বেমেজালি হ'বলৈ ধৰিলে। কিন্তু দত্তই ইমান কৌশলেৰে সৈতে চহৰতে ল'ৰাবিলাক থকা-মেলাৰ এটা ব্যৱস্থা কৰি দিলে আৰু সেইবিলাক চোৱা মেলাৰ ব্যৱস্থা কৰি দিলে যে চৰকাৰৰ তেওঁৰ ওপৰত এটা বিশেষ আস্থা আহি গ'ল। সেই সময়ত গোপীনাথ বৰদলৈ আৰু শিক্ষা বিভাগৰ ওপৰৱালা বিলাকৰ দত্তৰ ওপৰত ভাল এটা ধাৰণা হ'ল। তেওঁ ছাত্ৰসকলৰ অসুবিধা বিশৃঙ্খলতাৰ এনে এটা শৃঙ্খলা লগালে যে তেওঁৰ কাৰ্য্যক্ষমতা প্ৰকাশ পালে। তাৰ পিছত সেই সময়ৰ কটন কলেজত যিমানবিলাক পৰীক্ষা হয় সেই বিলাক দত্তৰ বাহিৰে আন কোনেও গাত নলয়। নানা ৰকম পৰীক্ষাবোৰ তেওঁ চলায়। এই দুটা কথাৰ কাৰণে যেতিয়া বিশ্ববিদ্যালয়ৰ প্ৰথম ৰেজিষ্ট্ৰাৰজন চৰকাৰেই নিযুক্ত কৰিব বুলি বিশ্ববিদ্যালয় আইনখন গৃহীত হয় তেতিয়া দত্তৰ ওপৰতে চৰকাৰৰ চকু পৰিল। বহুতে অৱশ্যে আশা টুপালি আছিল আৰু বহুতে দত্তক পেটে পেটে কিছু বেয়াও পাইছিল সঁচা কথা কৈছোঁ। মানুহ বুলিলেই ঈৰ্ষা ভাব এটা আছে। তেওঁক কেবাজনেও বৰ বেয়া পাইছিল মই নাম নকওঁ বাৰু। তেওঁক ছাত্ৰাবাসৰ ছুপাৰিনটেনডেণ্ট ৰূপে ৰাখি গৰ্ভৰ্ণমেণ্টে ক'লে যে তুমি হোষ্টেলৰ ছুপাৰিনটেনডেণ্টৰ ঘৰতে থাকিবা আৰু তুমি ৰেজিষ্ট্ৰাৰ কাম কৰিবা তেওঁক এনেকুৱা এটা সুবিধা কৰি দিছিল।"

ফণীধৰ দত্তক মাহে পাঁচশ টকা দৰমহাত নিযুক্ত কৰা চিঠি আছে জানুৱাৰীৰ সাত তাৰিখে কিন্তু তাৰ ঠিক কিছু দিন পিচতে তেখেতৰ দৰমহা মাহে ৫৫০ টকা কৰা হয়। কলিকতা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য পি-এন, বেনাৰ্জীয়ে কৈছিল,

"ফণী, তুমি ইমান কম সময়ৰ ভিতৰতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত পৰীক্ষাবিলাক পাতিব পাৰিলে তোমাক মই মালা পিন্ধা'ম।"

১৯৪৮ চনতে গুৱাহাটী বিশ্ববিদ্যালয়ে সকলো পৰীক্ষা সুচাৰুৰূপে সমাধা কৰে। তাৰ পিছত বেনাৰ্জী মহাশয়ে সঁচাকৈয়ে শ্ৰীফণীধৰ দত্তক মালা পিন্ধাই সন্মান প্ৰদৰ্শন কৰিছিল আৰু নিজৰ ছাত্ৰৰ কৃতিত্বত গৌৰৱ অনুভৱ কৰিছিল। এইখিনিতে এইটো উল্লেখযোগ্য যে অসমৰ বিশ্ববিদ্যালয় আন্দোলনত চিলেটৰ লোকসকলে আৰু বহু বঙালী (বহু অসমীয়াইও) লোকে বিধি পথালি দিয়া কাৰণে কোনো কোনো মহলত বঙালী অসমীয়াৰ মাজত বিশেষ বিদ্বেষ হৈছিল; কিন্তু গুৱাহাটী বিশ্ববিদ্যালয়ৰ আৰম্ভণিতে শ্ৰীফণীধৰ দত্তই কলিকতা বিশ্ববিদ্যালয়ৰ বিষয়াৰ লগত সৌহাৰ্দ্দ্য তাৰ

সৃষ্টি কৰিবলৈ সমৰ্থ হৈছিল আৰু কলিকতা বিশ্ববিদ্যালয়ৰ বিষয়া, অধ্যাপক আৰু আন কৰ্মকৰ্তাসকলে গুৱাহাটী বিশ্ববিদ্যালয়ক সকলো প্ৰকাৰে সহায় কৰিছিল।

১৯৪৮ চনৰ জানুৱাৰীৰ এক তাৰিখ অৰ্থাৎ গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা দিবসৰ দিনাখন যিটো মিলিটাৰী গুদামত বিশ্ববিদ্যালয়ৰ কাম আৰম্ভ কৰা হৈছিল আৰু প্ৰায় সাতবছৰকাল যিটো বিশ্ববিদ্যালয়ৰ মুখ্যকাৰ্যালয় আছিল সেইটো কটন কলেজৰ ছাত্ৰাবাসৰ চৌহদত আজিও আছে। তেনে এটি ঘৰত আজিৰ লোকে হয়তো প্ৰাথমিক বিদ্যালয় এটি আৰম্ভ কৰিবলৈকো সাহস নকৰিব। এনে এটা ঘৰতে যে কুৰি শতিকাৰ চল্লিছৰ দশকৰ অসমৰ প্ৰথম বিশ্ববিদ্যালয় আৰম্ভ কৰিবলৈ বৰদলৈ-দত্ত-সন্দিকৈ দেৱে সাহস কৰিছিল সেই কথাই তেওঁলোকৰ সাহস, বিশ্ববিদ্যালয়ে প্ৰতিষ্ঠা কৰিবলৈ আন্তৰিকতা আৰু আত্ম বিশ্বাসৰ পৰিচয় দিয়ে। কিন্তু এই সকল লোক যে বিশ্ববিদ্যালয়ৰ লগত ইমান ঘনিষ্ঠ ভাৱে জড়িত আছিল তাৰ চিন মোকাম আজি গুৱাহাটী বিশ্ববিদ্যালয়ত নাই। অৱশ্যে ১৯৮২ চনত সন্দিকৈ ডাঙৰীয়াই যেনিবা নিজৰ পুথিবিলাক দান কৰি লাইব্ৰেৰীৰ এচুকত অলপ স্থান পাইছে। এই চুকটোও তেওঁৰ নামত ৰাখিবলৈ বিশ্ববিদ্যালয় কৰ্তৃপক্ষক চুক্তিবদ্ধ কৰাৰ তেওঁ প্ৰয়োজন বোধ কৰিলে (চিদানন্দ দাস, উপাচাৰ্য্য কৃষ্ণকান্ত সন্দিকৈ দেৱৰ সান্নিধ্যত, প্ৰকাশ, জুলাই ১৯৮২, পৃঃ ৮৬-১০০। এই প্ৰবন্ধত সন্দিকৈদেৱে বিশ্ববিদ্যায়লৈ লিখা চিঠিৰ ফটো আছে।)

এই কথাত আনে লাজ পাইছে নে নাই নেজানো কিন্তু আমি হ'লে বৰ লাজ পাইছোঁ, এই ভাবিয়েই যে অসমীয়াৰ অকৃতজ্ঞতাই সন্দিকৈদেৱৰ প্ৰাণত তেখেতৰ জীৱনৰ বিয়লি বেলা স্পৰ্শ কৰিছিল। অসমৰ আন এজন শিক্ষামন্ত্ৰী শ্ৰীদেৱেশ্বৰ শৰ্মাই জালুকবাৰীত বিশ্ববিদ্যালয় পাতিলে ভৱিষ্যতে লুইতে তাক খহাই নিব বুলি শঙ্কা কৰিছিল—নাই, বৰলুইতে গুৱাহাটী বিশ্ববিদ্যালয় খহাই নিয়াৰ চিন দেখা নাযায়, কিন্তু অকৃতজ্ঞতাৰ লুইতে ?

[লেখকৰ উপৰোক্ত মন্তব্যটো ১৯৮৩ চনৰ ২৫ ডিঃচম্বৰৰ 'অগ্ৰদূত'ত প্ৰকাশ পোৱাৰ পিছত গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষই গুৱাহাটী বিশ্ববিদ্যালয়ৰ পুথি-ভঁড়ালটো 'কৃষ্ণকান্ত সন্দিকৈ পুথিভঁড়াল' নামেৰে নামকৰণ কৰে।]

এইখিনিতে এইটো উল্লেখযোগ্য যে ১৯৪৮ চনৰ জানুৱাৰীৰ এক তাৰিখৰ পৰা ফেব্ৰুৱাৰীৰ ২২ তাৰিখলৈকে ফণীধৰ দত্তই বিশ্ববিদ্যালয়ৰ একমাত্ৰ বিষয়া আছিল, কাৰণ কৃষ্ণকান্ত সন্দিকৈয়ে ফেব্ৰুৱাৰীৰ ২২ তাৰিখেহে উপাচাৰ্য কাৰ্যভাৰ গ্ৰহণ কৰে।

## উপপ্ৰিচ্ছ

## বৰদলৈ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্বতন্ত্ৰতা

এতিয়া প্ৰশ্ন হয় কৃষ্ণকান্ত সন্দিকৈ আৰু ফণীধৰ দত্তৰ হাতত বিশ্ববিদ্যালয় আৰম্ভ কৰা'ৰ ভৰ অৰ্পণ কৰি বৰদলৈদেৱ সন্তুষ্ট হৈছিল নে? এই বিষয়ে কেইটামান অতি গুৰুত্বপূৰ্ণ কথাৰ সম্ভেদ পোৱা গৈছে বৰদলৈদেৱৰ ডায়েৰিৰ পৰ (ডায়েৰিত লিখা বহা কিছুমানো শ্ৰীমতী লিলি মজিন্দাৰ বৰুৱাই এই লেখকক দেখুৱাইছে। অসমৰ শিক্ষা, সামাজিক আৰু ৰাজনৈতিক জীৱনৰ বিষয়ে বৰদলৈদেৱৰ ডায়েৰিত বহু ৰসাল সম্ভেদ আছে। ই অতি দুখৰ কথা যে শ্ৰীমতী বৰুৱানীয়ে বহু চেষ্টা কৰিও এইবিলাক এতিয়ালৈকে প্ৰকাশ কৰিব পৰা নাই। এই বিষয়ে কোনোবাই আগ ভাগ ল'ব বুলি আশা কৰিলোঁ।)।

এই ডায়েৰিৰ লিখনীৰ পৰা এইটো অনুমান কৰিব পাৰি যে বৰদলৈদেৱ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভৱিষ্যতৰ প্ৰতি সন্দিহান হৈছিল। বৰদলৈ ডাঙৰীয়াৰ সন্দেহ এনেদৰে আৰম্ভ হয়:

উপাচাৰ্যৰ কাৰ্যভাৰ গ্ৰহণ কৰি কটন কলেজৰ অধ্যক্ষৰ বাসভৱনত সন্দিকৈ ডাঙৰীয়া থানথিত লগাৰ কিছুদিন পাছত এদিনাখন ৰাতিপুৱা অসমৰ প্ৰধানমন্ত্ৰী আৰু শিক্ষামন্ত্ৰী গোপীনাথ বৰদলৈ বিশ্ববিদ্যালয়ৰ কাম কেনে চলিছে সেই বিষয়ে আলোচনা কৰিবলৈ বুলি হঠাতে আহি ওলাল। তেখেতে সন্দিকৈৰ বাসভৱনৰ গেটৰ মুখতে গাড়ীখন ৰখাই ওচৰতে থকা ফণীধৰ দত্ত আৰু সন্দিকৈ ডাঙৰীয়ালৈ খবৰ পঠিয়ালে। দত্ত লৰালৰিকৈ ওলাই আহিল, কিন্তু সন্দিকৈ ডাঙৰীয়াই দৃঢ়ভাৱে কৈ পঠিয়ালে যে তেওঁ কোনো পধ্যেই বৰদলৈ ডাঙৰীয়াক দেখা কৰিব নোৱাৰে। বৰদলৈ ডাঙৰীয়া হতভম্ব হ'ল। তেওঁ যি আলোচনা কৰিবলগীয়া আছিল সেইখিনি দত্তৰ লগতে আলোচনা কৰি উভতি গ'ল আৰু নিজৰ মনোবাঞ্ছা পূৰ্ণ নোহোৱাৰ কথা হতাশাৰে নিজৰ ডায়েৰিত লিখি থৈ গ'ল।

সন্দিকৈ ডাঙৰীয়াৰ সেইদিনাখনৰ আচৰণ সেই অপদিনটোৰ কিবা কুক্ষণৰ প্ৰভাৱ বুলিহে হয়তো বৰদলৈদেৱে ভাবিছিল আৰু সেইকাৰণে তাৰ পাছতো বিশ্ববিদ্যালয়ৰ বিষয়ে দিহা-পৰামৰ্শ দিবৰ কাৰণে সন্দিকৈৰ লগত দেখা-সাক্ষাৎ কৰিবলৈ দুনাই চেষ্টা কৰিছিল;—কিন্তু প্ৰত্যেকবাৰেই তেওঁ সন্দিকৈ ডাঙৰীয়াৰ সাক্ষাৎ পাবলৈ অসমৰ্থ হৈছিল। আনকি সম্ভৱ বৰদলৈদেৱৰ অনুৰোধতে এবাৰ

অসমৰ ৰাজ্যপাল গৱাকীয়েও সন্দিকৈক গুৱাহাটীৰ ছাৰ্কিট হাউছলৈ মাতি পঠিয়াওঁতে সন্দিকৈয়ে "মই বৰ্তমান আপোনাক লগ ধৰাৰ কোনো প্ৰয়োজন নাই" বুলি ছাৰ্কিট হাউছলৈতো নাযায় নামাতেই, ৰাজ্যপাল তেওঁৰ ঘৰলৈ আহিলেও যে দেখা নকৰে সেই কথা স্পষ্টকৈ জনাই দিছিল। এইবিলাক কাৰণত বৰদলৈদেৱে অতিশয় হতাশ হৈছিল, তেনে হ'বৰ কাৰণো, কিয়নো বৰদলৈ ডাঙৰীয়াই স্বাধীনতা আন্দোলনত যেনেদৰে যুঁজিছিল, গুৱাহাটীত বিশ্ববিদ্যালয় পাতিবৰ কাৰণে তাতোকৈ কোনো গুণে কম যুঁজা নাছিল।

লোকপ্ৰিয় বৰদলৈয়ে তেওঁৰ হতাশা আৰু অসন্তোষ দত্তৰ আগতে প্ৰকাশ কৰিছিল। সেয়েহে দত্তই এদিন সন্দিকৈ ডাঙৰীয়াক ক'লে যে এবাৰ প্ৰধান মন্ত্ৰী বৰদলৈৰ লগত সাক্ষাৎ কৰিলে ভাল হ'লহেঁতেন নেকি! সন্দিকৈয়ে তাকে শুনি মন্তব্য কৰিলে, "মইতো আগেয়ে কৈ থৈছোঁ যে বিশ্ববিদ্যালয়লৈ বিধান সভাৰ কোনো সদস্য আহিব নোৱাৰিব আৰু চৰকাৰে আমাৰ কামত হেতাওপৰা কৰিব নোৱাৰিব। তুমি তেখেতক সৌৰৱাই দিবা তেখেতে বুজি পাব।" মুঠৰ ওপৰত এইটো স্পষ্ট হ'ল যে উপাচাৰ্য্য কৃষ্ণকান্ত সন্দিকৈয়ে বৰদলৈ নাইবা অসম চৰকাৰৰ কোনো পাত্ৰ-মন্ত্ৰী বিষয়াৰ লগত কেতিয়াও সাক্ষাৎ নকৰে। আনপিনে বৰদলৈদেৱৰ অন্তৰ বিশ্ববিদ্যালয়ৰ ভৱিষ্যতৰ চিন্তা-ভাবনাৰে ভৰপূৰ আছিল। সেয়েহে দত্তই সোনকালেই বৰদলৈদেৱক জানিবলৈ দিয়া উচিত বুলি ভাবিছিল যে তেখেতে যেন উপাচাৰ্য্য সন্দিকৈক সাক্ষাৎ কৰি বিশ্ববিদ্যালয়ৰ বিষয়ে দিহা-পৰামৰ্শ দিয়াৰ আশা সম্পূৰ্ণৰূপে ত্যাগ কৰে। এই কথাটো কেনেকৈ বৰদলৈদেৱক জনাব তাকে ভাবি দত্তই বহুতদিন মূৰ ঘমাব লগীয়াত পৰিছিল। বৰদলৈ ডাঙৰীয়াৰ প্ৰতি তেখেতৰ অপৰিসীম ভক্তি (ভক্তিহে বুলিছোঁ, শ্ৰদ্ধা নহয়) আছিল আৰু তেখেতে কেনেবাকৈ মনত আঘাত পাব বুলি শ্ৰীদত্তই চিন্তা কৰিছিল।

শেষত বৰদলৈদেৱৰ মহানুভৱতাৰ আৰু এক পৰিচয় পোৱা গ'ল। দত্তই এদিন বৰদলৈদেৱক সোধঁবালে যে সন্দিকৈ ডাঙৰীয়াই আগেয়ে হেনো চুক্তি কৰি লৈছিল যে বিশ্ববিদ্যালয়লৈ কোনো বিধায়ক আহি দিহা-পৰামৰ্শ দিব নোৱাৰিব। কথাষাৰ শুনি বৰদলৈ ডাঙৰীয়াই হেনো "তেওঁ কোনো এম এল-এ আহিব নোৱাৰে বুলি কৈছিল হয়, কিন্তু তেওঁ যে মোকো সেই এম. এল. এ সকলৰ ভিতৰত ধৰিছিল সেইটো মই ভবাই নাছিলোঁ।" বুলি আপোন উলাহেৰে হাঁহি বগৰ তুলিছিল। তেখেতে তৎক্ষণাৎ উপাচাৰ্য্য সন্দিকৈয়ে যে বিশ্ববিদ্যালয়ৰ স্বতন্ত্ৰতা ৰক্ষা কৰিবলৈকে তেনে কৰিছিল বুজি পালে। বিশ্ববিদ্যালয়ৰ স্বতন্ত্ৰতা কি বস্তু তাক

বৰদলৈদেৱে ভালদৰে জানিছিল। আগেয়ে উল্লেখ কৰা তেখেতৰ প্ৰবন্ধটোৰ এক নূতন অংশত তেওঁ বিশ্ববিদ্যালয়ৰ স্বতন্ত্ৰতা আৰু তাক ৰাজনৈতিক প্ৰভাৱৰ পৰা মুক্ত ৰখাৰ সপক্ষে বহু যুক্তি দৰ্শাইছে। সেই কথা উপলব্ধি কৰাৰ পাছত ৰবদলৈ ভাঙৰীয়াই তুনাই সন্দিকৈক লগ ধৰিবলৈ চেষ্টা কৰা নাছিল আৰু অসম বিধান সভাৰ সদস্যসকলকো বিশ্ববিদ্যালয়ৰ চাৰিবেৰৰ পৰা আঁতৰাই ৰাখিবলৈ যত্ন কৰিছিল। লোকপ্ৰিয় বৰদলৈৰ পাছৰ শিক্ষামন্ত্ৰী অমিয়কুমাৰ দাসেও গুৱাহাটী বিশ্ববিদ্যালয়ৰ পবিত্ৰ স্বতন্ত্ৰতা নষ্ট নকৰিবলৈ যত্ন কৰিছিল। শ্ৰীদেবেশ্বৰ শৰ্মা, শ্ৰীদেৱকান্ত বৰুৱা আদি শিক্ষামন্ত্ৰীসকলৰ দিনতহে মন্ত্ৰী আৰু বিধায়কসকলে গুৱাহাটী বিশ্ববিদ্যালয়ৰ কথাত মাত মাতিবলৈ সাহস কৰে। শ্ৰীদেৱকান্ত বৰুৱা শিক্ষামন্ত্ৰী হৈ থাকোঁতেই এখন অধ্যাদেশেই ঢেকীৰ শেষ খুন্দাৰ দৰে বিশ্ববিদ্যালয়ৰ স্বতন্ত্ৰতাক সম্পূৰ্ণৰূপে নিৰ্মূল কৰিলে। জানিব পাৰিছোঁ যে এতিয়া বিধায়কসকলে বিশ্ববিদ্যালয়লৈ যোৱাৰ প্ৰয়োজনেই নাই, কিয়নো আজিকালি বিশ্ববিদ্যালয়েই দিছপুৰলৈ দৌৰে। তাকে শুনি মনত পৰে এক ব'দালি বাতিপুৱা অসমৰ প্ৰথম প্ৰধানমন্ত্ৰীৰ আকাশী নীলা গাড়ীখন উপাচাৰ্য্যৰ গেটৰ মুখৰ পৰা উভতি যোৱাৰ কথা—সেই মহান নেতা গৰাকীৰ হতাশা আৰু সেই হতাশাৰ বোকাতও পদুম ফুলৰ দৰে ফুলি উঠা তেখেতৰ মহান ব্যক্তিত্ব। ১৯৫১ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ গাম্ভীৰ্য্যপূৰ্ণ প্ৰথম সমাবৰ্তন দেখিবলৈ পোৱা সকলোৱেই একবাক্যে স্বীকাৰ কৰিছিল যে বৰদলৈদেৱে গুৱাহাটী বিশ্ববিদ্যালয় আৰম্ভ কৰাৰ কাৰণে জ্ঞানযোগী কৃষ্ণকান্ত সন্দিকৈ আৰু কৰ্মযোগী ফণীধৰ দত্তক শিক্ষিত অসমীয়াসকলৰ মাজৰ পৰা বাচি উলিয়াই এক অসাধাৰণ বিচাৰ বুদ্ধিৰ পৰিচয় দিছিল।

## তিনি

# গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুনিয়াদ

এতিয়া প্ৰশ্ন হয় সন্দিকৈদেৱে বিশ্ববিদ্যালয়ৰ যি স্বতন্ত্ৰতা ৰক্ষা কৰিবলৈ চেষ্টা কৰিছিল আৰু সেই পবিত্ৰ শিক্ষানুষ্ঠানটোক যেনেদৰে ৰাজনৈতিক প্ৰভাৱৰ পৰা মুক্ত কৰি ৰাখিবলৈ বিচাৰিছিল সেই প্ৰচেষ্টাত তেখেত কিমান দূৰ সমৰ্থ হৈছিল ? এইটো সকলোৱেই জানে যে সন্দিকৈ ডাঙৰীয়াই এই স্বতন্ত্ৰতা বেছি দিন ৰক্ষা কৰিবলৈ সমৰ্থ নহ'ল। তেখেতে ৰাজনৈতিক খেল খেলিবলৈ বিচৰা বা স্বাৰ্থান্বেষী লোকৰ কাৰণে বিশ্ববিদ্যালয়ৰ আগ দুৱাৰ বন্ধ কৰিলে যদিও তেনেলোক পিছ দুৱাৰেদি এই পবিত্ৰ অনুষ্ঠানত সোমালে—কিন্তু, কেনেকৈ সেই বিষয়ে বুজিবলৈ আমি গুৱাহাটী বিশ্ববিদ্যালয়ৰ গৌৰবোজ্জ্বল প্ৰথম নটা বছৰত ই কেনেকৈ গঢ় লৈছিল আৰু তাৰ পিছত অসমীয়াৰ জাতীয় চৰিত্ৰৰ অধঃপতনে কেনেকৈ অসমৰ শিক্ষা, সামাজিক আৰু ৰাজনৈতিক জীৱন কলুষিত কৰিবলৈ ধৰিলে সেইবিলাক অলপ ফঁহিয়াই চোৱা উচিত।

গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠিত হোৱাৰ পিছত ইয়াৰ যাই কাম আছিল তলত দিয়া কেইটা দিশত—

(১) অসমৰ স্কুল কলেজবিলাকত মেট্ৰিক, ইণ্টাৰমেডিয়েট আদি পৰীক্ষাবিলাক শৃঙ্খলাবদ্ধভাবে চলোৱা।

(২) গুৱাহাটী বিশ্ববিদ্যালয়ৰ তত্বাৱধানত এম-এ মহলাৰ আৰু গৱেষণা পৰ্য্যায়ৰ শিক্ষাদানৰ ব্যৱস্থা কৰা।

(৩) গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাৰণে স্থায়ী গৃহ নিৰ্মাণ কৰা।

(৪) বৰদলৈদেৱে আশা কৰাৰ দৰে অসমৰ গাঁৱে ভূঁঞে শিক্ষাৰ সম্প্ৰসাৰণ কৰা আৰু অসমত মেডিকেল, ইঞ্জিনীয়াৰীং কৃষি আদি সকলো ধৰণৰ কাৰিকৰী বিদ্যাৰ ব্যৱস্থা কৰা।

অসমত কাৰিকৰী বিদ্যাৰ সম্প্ৰসাৰণৰ কাৰণে আগ ভাগ ল'লে মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰী লোকপ্ৰিয় বৰদলৈদেৱে নিজেই। অসমত মেডিকেল কলেজ ( ১৯৪৮ ), কৃষি কলেজ তেখেতৰ চৰকাৰৰ প্ৰচেষ্টাতে আৰম্ভ হ'ল। তদুপৰি অসমৰ ৰাইজও পিছ পৰি নেথাকিল আৰু অসমৰ নগৰে চহৰে ৰাইজৰ প্ৰচেষ্টাতে দ্ৰুত গতিত স্কুল কলেজ স্থাপিত হ'বলৈ ধৰিলে। স্বাধীনতাৰ পিছতেই অসমৰ এক

চামৰ আদৰ্শবাদীলোক অসমত শিক্ষাৰ সম্প্ৰসাৰণৰ কাৰণে বিশেষ তৎপৰ হোৱা দেখা গৈছিল। এই আদৰ্শবাদী লোকসকলৰ স্বাৰ্থত্যাগৰ কাৰণেই অসমৰ ঠায়ে ঠায়ে বহু লেখত ল'ব লগীয়া কলেজ স্থাপিত হ'ল। হয়তো অসমৰ প্ৰায় প্ৰত্যেকখন কলেজৰ লগতে এনে আদৰ্শবাদীলোকৰ স্বাৰ্থত্যাগ আৰু কঠোৰ পৰিশ্ৰমৰ কাহিনী প্ৰকাশিত বা অপ্ৰকাশিতভাবে সাঁচি থোৱা আছে। এই কলেজবিলাকৰ প্ৰতিষ্ঠাত বিশ্ববিদ্যালয়ৰ বিষয়াসকলে পৰামৰ্শ বা উৎসাহ দিয়াৰ বাদে আন বিশেষ একো বৰঙণি দিয়া নাছিল। স্বাধীনতাৰ ঠিক আগতে আৰু তাৰ পিছত যে অসমীয়ালোকে নিজৰ প্ৰচেষ্টাত এই কলেজবিলাক প্ৰতিষ্ঠা কৰিব পাৰিছিল আৰু তাক দক্ষতাৰে চলাব পাৰিছিল সি সঁচাকৈয়ে গৌৰৱৰ কথা। যিসকলৰ শ্ৰম বা দানেৰে এই কলেজবিলাক প্ৰতিষ্ঠা কৰাটো সম্ভৱ হৈছিল সেইসকলে অসমৰ শিক্ষা-জগতত এক গৌৰৱোজ্জ্বল অধ্যায় ৰচি থৈ গ'ল। অসমীয়াই কৃতজ্ঞতা জনাব নেজানে কাৰণেই আৰু কৰ্মযোগীৰ শ্ৰমৰ মৰ্য্যাদা ল'ব নেজানে কাৰণেই হয়তো এই সকলৰ বহুতৰে নাম অজান কোনোবা ফকীৰৰ দৰে পাহৰণি গুহাত লোপ পালে।

...ফণীধৰ দত্তই অসমত শিক্ষাৰ সম্প্ৰসাৰণ হোৱাটো বিচাৰিছিল আৰু ৰবদলৈদেৱে আশা কৰাৰ দৰে উচ্চ শিক্ষাই গাঁৱলীয়া বাইজকও স্পৰ্শ কৰি সেইসকলৰ উপকাৰ কৰাটো বিচাৰিছিল। শিক্ষা জগতৰ স্বাধীনতাত আছিল তেখেতৰ গভীৰ বিশ্বাস। ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, আৰু শিক্ষানুষ্ঠানৰ সাধাৰণ কিছুমান অধিকাৰ তেখেতে অতি পবিত্ৰ বুলি জ্ঞান কৰিছিল। সেইবিলাকৰ ওপৰত তেখেতে কেতিয়াও হস্তক্ষেপ নকৰিছিল। অসমৰ বেচৰকাৰী কলেজবিলাক সেয়েহে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা একপ্ৰকাৰ স্বতন্ত্ৰভাৱেই গঢ়ি উঠিছিল।

## বেচৰকাৰী কলেজ:

অসমৰ প্ৰথম বেচৰকাৰী কলেজৰ অন্যতম প্ৰতিষ্ঠাপক শ্ৰীদত্ত আৰু শ্ৰীসন্দিকৈ দুয়ো অসমৰ গাঁৱে ভূঞে বেচৰকাৰী কলেজ প্ৰতিষ্ঠিত হোৱাটো বিচাৰিছিল যাতে দুখীয়া ল'ৰা-ছোৱালী উচ্চ শিক্ষা লাভ কৰাৰ পৰা বঞ্চিত নহয়। তেওঁলোকে বেচৰকাৰী কলেজ খুলিবলৈ আগ বাঢ়ি অহা লোকক সকলো প্ৰকাৰে উৎসাহ দিছিল আৰু সেইবিলাকক বিশ্ববিদ্যালয়ৰ স্বীকৃতি দিয়াত হেলা নকৰিছিল। এই ক্ষেত্ৰত তেওঁলোকে ৰবদলৈদেৱৰ সপোন দিঠকত পৰিণত কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু,

সেই সময়ৰ আন বহুতো দায়িত্বপূৰ্ণলোকে তেনেদৰে সকলো ঠাইতে কলেজ প্ৰতিষ্ঠিত হোৱাটো অ.ৰু উচ্চ শিক্ষাৰ দ্ৰুত সম্প্ৰসাৰণ হোৱাটো সহ্য কৰিব নোৱাৰিছিল। কটন কলেজ স্থাপন হ'বৰ সময়ত যিদৰে অসমৰ বহু শিক্ষিত লোকে বাধা দিছিল, যোৰহাট কলেজ স্থাপিত হ'বৰ সময়ত যিদৰে অসমৰ বহু শিক্ষিতলোকে বাধা দিছিল বা গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰিবৰ সময়তো বহু শিক্ষিতলোকে হুকাবধা কৰিছিল সেইদৰে দুখীয়া নিচলাৰ কাৰণে কলেজীয়া শিক্ষা সুলভ হোৱাটো বহুতে সহ্য নকৰিছিল।

অসমত বেৰকাৰী কলেজ প্ৰতিষ্ঠা হোৱাত সন্দিহান হোৱা সকলৰ বেছিভাগেই তলত দিয়া ধৰণৰ যুক্তি প্ৰদৰ্শন কৰিছিল :

(১) শিক্ষাৰ মান নিম্নগামী হ'ব।

(২) অধিক কলেজ স্থাপন হ'লে সেইবিলাক বিশ্ববিদ্যালয়ৰ নিয়ন্ত্ৰণত ৰখা কঠিন হ'ব।

(৩) দেশত শিক্ষিত নিবনুৱাৰ সংখ্যা বাঢ়িব।

(৪) দেশত ফেল কৰা ছাত্ৰৰ সংখ্যাও বাঢ়িব আৰু তেনে হোৱা মানে দেশৰ বিত্তৰ ক্ষতি হ'ব।

অৰ্থাৎ বেছিকৈ কলেজ স্থাপন হ'লে পাছ কৰা সকলে শিক্ষিত নিবনুৱা সৃষ্টি কৰিব আৰু ফেল কৰা সকলে দেশৰ বিত্তৰ ক্ষতি কৰিব। পাছ কৰিলেও দায় আৰু ফেল কৰিলেও দায় যেতিয়া দেশৰ দুখীয়া ছাত্ৰ-ছাত্ৰীসকলে শিক্ষা লাভ কৰিবলৈ চেষ্টা নকৰি অজ্ঞান এন্ধাৰত পৰি থকাই ভাল। এনে যুক্তিবিলাক কি বিশ্বাসৰ ওপৰত নিৰ্ভৰ কৰি দিয়া হয় তাকে প্ৰকাশ্যে বুজা টান, কিয়নো যিসকলেই শিক্ষাজগতৰ স্বতন্ত্ৰতাৰ কথা কয় সেইসকলেই আকৌ কলেজবিলাকত চৰকাৰ আৰু বিশ্ববিদ্যালয়ৰ দৃঢ় নিয়ন্ত্ৰণ প্ৰতিষ্ঠা কৰাৰ কথা কয়। যিসকলে শিক্ষাৰ মান নিম্নগামী হোৱাৰ কথা কয় সেইসকলেই বেছি ছাত্ৰ-ছাত্ৰীয়ে ফেল কৰা কাৰণে বিশ্ববিদ্যালয়ক দোষাৰোপ কৰে। যিসকলে অসমত দ্ৰুত গতিত শিক্ষাৰ বিস্তাৰ হোৱা বিচাৰে সেইসকলেই বেচৰকাৰী কলেজ প্ৰতিষ্ঠিত হোৱাত বাধা দিবলৈ বিচাৰে। এই সংক্ৰান্তত গুৱাহাটী বিশ্ববিদ্যালয় কৰ্টৰ ১৯৫৯ চনৰ ৩ অক্টোবৰৰ বৈঠকৰ কাৰ্য্য-বিবৰণীৰ পৰা দুই এটা মতামত উদ্ধৃত কৰিলোঁ—

"কলেজবিলাক পৰিচালনা অ.ৰু পৰিদৰ্শন কৰাৰ বিষয়ে মন্তব্য দিওঁতে অধ্যাপক অমলেন্দু বেনাৰ্জীয়ে বিশ্ববিদ্যালয়ে নানান আঁচনি নিয়োগ কৰাত আগ নবঢ়া বুজি পৰিহৃণা দিয়ে। এইটো দুখৰ কথা যে বিশ্ববিদ্যালয়ৰ এজন পৰিদৰ্শক

নিযুক্তিৰ ব্যৱস্থা আছে যদিও বিশ্ববিদ্যালয়ৰ পৰিদৰ্শক একজনে কলেজবিলাক পৰিদৰ্শন কৰা দেখা নেযায়।……অধ্যাপক এ-বেনাৰ্জীয়ে দেখে যে সময়ত যথাবিহিত ব্যৱস্থা নল'লে পৰিস্থিতি হয়তো বেয়াৰ পৰা অতি বেয়ালৈ যাব আৰু ফেল কৰা ছাত্ৰৰ সংখ্যা ক্ৰমে বৃদ্ধি পাব।" (পৃঃ ৮—৯)

"… তেওঁৰ (প্ৰাগজ্যোতিষপুৰ কলেজৰ অধ্যক্ষ তীৰ্থনাথ শৰ্মাৰ) মতে বিশ্ববিদ্যালয় আৰু স্বীকৃত কলেজৰ সম্বন্ধ এতিয়ালৈকে ঘনিষ্ঠ আৰু সুস্থ হোৱা নাই। প্ৰকৃত ঘনিষ্ঠ আৰু সুস্থ সম্বন্ধ এবাৰধৰা পৰিদৰ্শনৰ দ্বাৰা স্থাপন কৰিব নোৱাৰি। স্বীকৃতি দিয়া মানে 'তোলনীয়া পুত্ৰ' ৰূপে গ্ৰহণ কৰা আৰু এইখিনিতেই বিশ্ববিদ্যালয়ে স্বীকৃত কলেজবিলাকক শাসন আৰু সহায় কৰা উচিত আৰু সিহঁতৰ মাজত ঘনিষ্ঠ সম্বন্ধ থকা উচিত কিন্তু বৰ্তমান এনে সম্বন্ধ সাধাৰণ পৰিদৰ্শনতে স্থিত। কথাটো এই কাৰণে আৰু জটিল হ'ল যে বহু কলেজ বিশ্ববিদ্যালয়ে একো ভূ নোপোৱাকৈয়ে স্থাপিত হ'ল আৰু এই কলেজবিলাকৰ কৰ্তৃপক্ষই পিছত পৰীক্ষাৰ কাৰণে ছাত্ৰ-ছাত্ৰী পঠিয়াবলৈ বিশ্ববিদ্যালয়ৰ পৰা অনুমতি বিচাৰিবলৈ ধৰিলে। সেইকাৰণে এতিয়াৰ পৰা সিহঁতৰ মাজত কিছু সম্বন্ধ থকা উচিত আৰু নতুন কলেজ আৰম্ভ কৰাৰ প্ৰতি বিশ্ববিদ্যালয় সতৰ্ক থকা উচিত আৰু নতুন কলেজ আৰম্ভ কৰিবৰ কাৰণে কিছুমান চৰ্ত থকা উচিত……"

[ঐ, পৃঃ ৯]

অধ্যাপক পি.চি বৰ্মণে মত দিলে ঃ

"কলেজবিলাক যাতো কৈ গঢ়ি উঠাটো কমোৱাৰ আগতে, তেওঁলোকে অতিৰিক্ত ছাত্ৰসকলক সকলো সন্তুষ্ট হোৱাকৈ কিবা চাকৰিত লগোৱাৰ উপায় উলিয়াব লাগিব। গতিকে বিশ্ববিদ্যালয় কৰ্তৃপক্ষই এই কথাটো পাহৰা অনুচিত যে বিশ্ববিদ্যালয়টো যদিও উচ্চশিক্ষাৰ সঙ্গী, ইয়াত শিক্ষা লাভ কৰা ছাত্ৰসকলক যথাযোগ্য চাকৰি দিয়াৰও ই এক প্ৰতিষ্ঠান।" [ঐ, পৃঃ ১৩]

বিশ্ববিদ্যালয়ে নজনাকৈ কলেজ প্ৰতিষ্ঠিত হোৱা বুলি ভাবি শ্ৰীযুত শৰ্মাই ভুল কৰিছিল। শ্ৰীসন্দিকৈ আৰু শ্ৰীদত্তৰ অজ্ঞাতে সেই সময়ত কোনো বেচৰকাৰী কলেজ প্ৰতিষ্ঠিত হোৱা নাছিল—যি হৈছিল তেওঁলোকৰ উৎসাহতেহে হৈছিল। বেচৰকাৰী কলেজ প্ৰতিষ্ঠা কৰিবলৈ আগ বাঢ়ি অহা সকলক তেওঁলোকে সদায় উৎসাহ দিছিল। শ্ৰীসন্দিকৈয়ে শিক্ষাৰ স্বতন্ত্ৰতাত বিশেষ গুৰুত্ব আৰোপ কৰিছিল আৰু বেচৰকাৰী কলেজবিলাকৰ প্ৰশাসন, শিক্ষা-ব্যৱস্থা আদিৰ বিষয়ত বিশ্ববিদ্যালয়ে হেতাওপৰা কৰাটো মিবিচাৰিছিল।

## বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ কাম

১৯৪৯ চনৰ পৰাই বিশ্ববিদ্যালয়ে এম-এ মহলাৰ শিক্ষাদানৰ ব্যৱস্থা কৰে। প্ৰথমে বিশ্ববিদ্যালয়ৰ শ্ৰেণীসমূহৰ সংগঠক আছিল শ্ৰীশৰৎকুমাৰ দত্ত। কিন্তু তেখেতে কিছুদিন কাম চলোৱাৰ পিছতে শ্ৰীবিৰিঞ্চি কুমাৰ বৰুৱাই বিশ্ববিদ্যালয়ৰ শ্ৰেণীসমূহৰ কাৰ্য্যভাৰ গ্ৰহণ কৰে। এই বিশ্ববিদ্যালয়ৰ শ্ৰেণীসমূহৰ যোগেদি উচ্চমানৰ শিক্ষা দিয়া আৰু ছাত্ৰ-ছাত্ৰীক অতি সজ আৰু ন্যায়ভাৱে পৰীক্ষা কৰি ফলাফল ঘোষণা কৰাটোৱেই আছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰধান কৰ্তব্য। এই দুই ক্ষেত্ৰতে কৃষ্ণকান্ত সন্দিকৈৰ নেতৃত্ব প্ৰশংসনীয়। তেখেতে শিক্ষাদান আৰু পৰীক্ষা কৰা এই দুয়োটা বিভাগ সম্পূৰ্ণ সুকীয়া কৰি দিছিল।

পৰীক্ষাবিলাকৰ সকলো দায়িত্ব পৰিছিল ৰেজিষ্ট্ৰাৰ ফণীধৰ দত্তৰ ওপৰত। পৰীক্ষাৰ দিন ধাৰ্য্য কৰাৰ পৰা আৰম্ভ কৰি, কোনে কি প্ৰশ্ন কাকত ৰচিব, কোনে কি বিষয়ৰ কোন কেন্দ্ৰৰ বহী চাব, প্ৰশ্ন কাকতবিলাক কলিকতাত ছপাই সেইবিলাক ভাগ ভাগ কৰি বেলেগ বেলেগ কেন্দ্ৰলৈ অতি সতৰ্ক ভাৱে বিতৰণ কৰা আদি সকলো কাৰ্য্য তেখেতেই কৰিব লাগিছিল। ভাৰতৰ আন কিছুমান বিশ্ববিদ্যালয়ত সময়ে সময়ে হোৱাৰ দৰে প্ৰশ্ন কাকতৰ কথা যাতে পৰীক্ষা হোৱাৰ আগতে কোনো ৰকমে আগতীয়াকৈ বাহিৰ নহয় সেইবিষয়ে তেখেতে বিশেষ সতৰ্কতা অৱলম্বন কৰিছিল। এইবিলাক কাৰ্য্যত তেখেতক কেইগৰাকীমান অতি বিশ্বাসী বিষয়া আৰু সহায়কে সদায় সহায় কৰিছিল যদিও পৰীক্ষাৰ কামবিলাক সময়মতে সুচাৰুৰূপে সমাধা কৰিবলৈ তেখেতে দিনে নিশাই খাটিব লাগিছিল। তেখেতে বিশ্ববিদ্যালয় আৰম্ভ হোৱা দিনৰে পৰা ৰাতিপুৱা সাতটা বজাৰ পৰা মাজ-নিশালৈকে বিশ্ববিদ্যালয়ৰ কাৰ্য্যালয়ত কাম কৰিছিল—মাজতে কেৱল দুপৰীয়াৰ আহাৰ কৰিবলৈ কিছু সময়ৰ কাৰণে ঘৰলৈ আহিছিল। শ্ৰীযজ্ঞেশ্বৰ শৰ্মাৰ মতে—

"বোধকৰোঁ ফণীদত্ত নোহোৱা হ'লে তেন সন্দিকৈৰ প্ৰথম উপাচাৰ্য্য হিচাপে যিটো নাম হৈছে সেইটো সম্ভৱ নহ'লহেঁতেন। এইটো বিশেষকৈ ফণীদত্তৰ আপ্ৰাণ চেষ্টাৰ ফল—মানে তেওঁ ৰাতিপুৱাৰ পৰা ৰাতি বাৰটালৈকে কেৱল বিশ্ববিদ্যালয়ৰ কামতেই থাকে। তেতিয়া ৰেজিষ্ট্ৰাৰৰ আৰু কন্‌ট্ৰলাৰ কাম একেজন মানুহেই চলাইছিল—এইটো কম কথা নহয়। পৰীক্ষাৰ প্ৰশ্ন কটোৱা. প্ৰশ্ন কাকতবিলাক কলিকতাত ছপোৱা, আকৌ সেইবিলাক লৈ আকাশী জাহাজেৰে অনা, আকৌ কেন্দ্ৰবিলাকলৈ পঠিওৱা, তাৰ পিছত

পৰীক্ষক নিযুক্ত কৰা, পৰীক্ষা পতা, আৰো আন কামও আছে—নতুন নতুন কলেজ হৈছে, সেইবিলাকক স্বীকৃতি দিয়া—এনেকুৱা কাম ৰাতিপুৱাৰ পৰা ৰাতিলৈকে। সেই মানুহজনৰ সেইকাৰণে বহমূত্ৰ বেমাৰত ভূগিব লগীয়া হ'ল। সেয়েহে তেখেতে অতি কষ্টেৰে থাকিব লগীয়া হৈছিল।

ডাক্তৰৰ উপদেশমতে তেখেতে মাজে মাজে টেনিচ খেলিছিল কিন্তু সময় নেপায়। টেনিচৰ ৰেকেটখন হাতত ল'বলৈ ধৰিলেই এজন আহিল—কলিকতাৰ পৰা মুখ্য পৰীক্ষক, তেওঁক থাকিবলৈ দিব লাগে। ফণীদত্ত এনেকুৱা যে মুখ্য পৰীক্ষকসকলক আৰু ভুল চাওঁতা পৰীক্ষকসকলক থাকিবৰ ব্যৱস্থা কৰি দিছিল। তেওঁলোকে খাইছে নে নাই সেইবোৰও খবৰ ল'ব লাগে। তেওঁলোকৰ কোঠাত পানী কলহ একোটা দিছে নে নাই—তাৰও খবৰ ল'ব লাগে। তেওঁলোকৰ কাৰও আঁঠুৱা নাই, আঁঠুৱা আনি দিব লগা হৈছে কলিকতাৰ পৰা। এনেকুৱা মানে তেখেতক আটায়ে ভাল পাইছিল। মইও মুখ্য পৰীক্ষক হিচাপে কেতিয়াবা তাত প্ৰায় এমাহ থাকিব লগীয়া হৈছিল, আমিও নিজেই দেখিছোঁ নহয়—আৰু দত্তৰ মুখত কেতিয়াও বিৰক্তিৰ ভাব নাই। ইফালে মাৰ্ক ছিটৰ কাম চলিছে, সিফালে টেবুলেটৰে টেবুলেট কৰিছে সকলোতে দত্তই গৈ খবৰ লৈছে। কোনোবা মুখ্য পৰীক্ষক আহিছে—তেওঁক নম্বৰ দৰকাৰ, দত্তই নিজেই গৈছে আৰু লৈ আহিছে গৈ—মানে বৈ থকা নাই কাৰণ সময়মতে ফলাফল ওলাব লাগে।”

## পুৰস্কাৰৰ টকাৰ ভাগ :

পৰীক্ষা সংক্ৰান্তত ন্যায়পৰায়ণতা যাতে সকলোৱে অৱলম্বন কৰে তাৰ বাবে শ্ৰীদত্তই কঠোৰ পৰিশ্ৰম কৰিছিল আৰু নিজৰ আদৰ্শেৰে সকলোকে প্ৰেৰণা দিছিল। ন্যায়-বিচাৰেৰে বহীবিলাক চাই উচিত নম্বৰ দিয়াৰ ওপৰত তেখেতে বিশেষ গুৰুত্ব দিয়াৰ উপৰিও ছাত্ৰ-ছাত্ৰীসকলে কোনে কি নম্বৰ পাইছে সেইবিলাক যাতে পৰীক্ষকসকলে পৰীক্ষাৰ ফলাফল ওলোৱাৰ আগলৈকে কেতিয়াও নকয় তাৰ ওপৰত তেখেতে বিশেষ গুৰুত্ব আৰোপ কৰিছিল। আগতীয়াকৈ আনক নম্বৰ জানিবলৈ দিয়াটো আছিল এক গুৰুতৰ অপৰাধ। তেখেতে নিজেও সেই অপৰাধ কেতিয়াও নকৰিছিল। নিজৰ ল'ৰা-ছোৱালীৰও নম্বৰ বা পৰীক্ষাৰ ফলাফল তেখেতে কেতিয়াও আগতীয়াকৈ জানিবলৈ নিদিছিল, অথচ তেখেতে সেইবিলাক ভালদৰে জানিছিল। এই বিষয়ে এটা ঘটনা উল্লেখ কৰা ভাল হ'ব। ১৯৫৬ চনৰ

আই-এছ-ছি পৰীক্ষাত এই লেখক আৰু শ্ৰীধন ৰায় নামে এজন ছাত্ৰই সৰ্বোচ্চ নম্বৰ সমানে পোৱা বুলি এই লেখকে পৰীক্ষাৰ ফলাফল ওলোৱাৰ বহুদিন আগেয়ে জানিব পাৰিলে দেউতাক ফণীধৰ দত্তৰ পৰা নহয় শ্ৰীধন ৰায়ৰ পৰাহে। শ্ৰীধন ৰায়ে কথাটো জানিব পাৰিছিল বিশ্ববিদ্যালয়ৰ ভাণ্ডৰ বহীখনত চূড়ান্তভাৱে নম্বৰ-বিলাক ভৰাবলৈ দায়িত্ব থকা এজন অধ্যাপকৰ পৰা। শ্ৰীধনৰ পৰা কথাটো জানিব পাৰি মোৰ মনত কৌতুহল হ'ল যে সৰ্বোচ্চ নম্বৰ দুজনে পালে পুৰস্কাৰৰ বাবে দিয়া ষাঠি টকা দুয়োকো ভগাই দিয়া হয় নে দুয়োজন ছাত্ৰকে ষাঠি টকাকৈয়ে দিয়া হয়। সেই কথাটো ভাবি ভাবি একো উলিয়াব নোৱাৰি মই গৈ মাকে কথাটো দেউতাক সুধি জানিবলৈ ক'লোঁ। কোৱা বাহুল্য যে আমি বিশ্ববিদ্যালয়ৰ সংক্ৰান্তক যেই কোনো কথা তেখেতক সোধা মানা আছিল—পৰীক্ষাৰ ফলাফলও কেতিয়া ওলাব আমি বাহিৰৰ পৰাহে গম পাইছিলোঁ। যাহওক, মায়ে দেউতাক যেতিয়া সুধিলে, "পৰীক্ষাত দুজনে আটাইতকৈ বেছি নম্বৰ পালে দুয়োকো ষাঠি টকাকৈ দিয়া হয় নে ষাঠিটকাকে ভগাই ত্ৰিছ টকাকৈ দিয়া হয়?" দেউতা একেবাৰে খঙত জ্বলি পৰি উঠিল,

"সি অকত আটাইতকৈ বেছি নম্বৰ পোৱা বুলি ক'ত গম পালে?" শ্ৰীধন ৰায়ে কথাটো কেনেকৈ জানিছিল মই ভালদৰে জানিছিলোঁ। আৰু সেই অধ্যাপক গৰাকীক মই বৰ শ্ৰদ্ধা কৰিছিলোঁ। সেয়েহে তেখেতৰ অনিষ্ট হয় বুলি মই দেউতাক একোকে জানিবলৈ নিদিলোঁ। তেখেতে কিন্তু কথাটো ভালদৰে জানিব পাৰিলে আৰু পিছদিনাখন ৰাতিপুৱাই মোক নিজৰ বিশ্ববিদ্যালয়ৰ অফিচলৈ মাতি নি ক'লে যে সেই অধ্যাপকজনক বিশ্ববিদ্যালয়ৰ নম্বৰ ভৰোৱা দায়িত্বৰ পৰা আঁতৰোৱা হৈছে আৰু মোৰ নম্বৰৰ বিষয়ে যেন মই আন কাকো একো জানিবলৈ নিদিওঁ। পিছত জানিব পাৰিলোঁ যে তেখেতে সেই অধ্যাপকজনক এনেকৈ কৈছিল—

"চোৱা, মোৰ ল'ৰাই অকত সৰ্বোচ্চ নম্বৰ পায় মই তাক ফলাফল ওলোৱাৰ আগেয়ে নকওঁ আৰু তুমি গৈ সেইটো আনক জানিবলৈ দিয়া। এইটো কেনেকুৱা কথা? দেখাত এইটো সাধাৰণ কথা। কিন্তু বিশ্ববিদ্যালয়ৰ মৰ্য্যাদা এই সাধাৰণ কথাবিলাকৰ ওপৰতে নিৰ্ভৰ কৰে। তোমাৰ সকলো কাম কাজ অতি ভাল, কিন্তু এই ট কথাত আমি বৰ বেয়া পাইছোঁ। ভি চিয়েও বৰ বেয়া পাইছে। তুমি যাতে কথাটো ভাবি চাব পাৰা আৰু ভৱিষ্যতে এনে নকৰ, তাৰ কাৰণে আমি তোমাক দুবছৰৰ কাৰণে টেবুলেটৰৰ কামৰ পৰা

আতৰাইছোঁ। এইবিলাক আৰু আন কাকো নক'বা। মই দিলীপকো ক'ম আৰু তুমি যাক যাক কৈছিলা তেওঁলোকক মুখ বন্ধ কৰি ৰাখিবলৈ ক'বা।'

'বিশ্ববিদ্যালয়ৰ মান-সন্মানৰ প্ৰতি তেওঁ কেনে দৃঢ়মনোভাব লৈছিল আৰু পৰীক্ষা সংক্ৰান্ত কামত সকলো কথাই যাতে আগতীয়াভাৱে প্ৰচাৰ নহয় তাৰ কাৰণে কিমান সতৰ্কতা অবলম্বন কৰিছিল তাক ইয়াৰ পৰ ই বুজিব পাৰি।

## 'মোৰ ছোৱালীজনীক যেনে তেনে পাছ কৰি দিব লাগে':

আন এটা ঘটনা—এবাৰ মেট্ৰিক পৰীক্ষাৰ ফলাফল ওলোৱাৰ দুদিন নে এদিন পিছতে তেখেতৰ এজন পুৰণা বন্ধুৱেক শ্ৰীদত্তৰ ঘৰলৈ আহিল, কাৰণ সেই বন্ধুজনৰ জীয়েকে মেট্ৰিক পৰীক্ষাত ফেল কৰিছিল। জীয়েকৰ ভৱিষ্যত জীৱন পৰীক্ষাত ফেল কৰা কাৰণে সম্পূৰ্ণ সৰ্বনাশ হ'ব বুলি ভয় কৰি তেওঁ পুৰণা বন্ধু আৰু ৰেজিষ্ট্ৰাৰ দত্তক খাটিবলৈ আহিছিল কোনোমতে নম্বৰ কেইটামান বঢ়াই দি জীয়েকক পাছ কৰাই দিব বুলি। শ্ৰীদত্তই ইতিমধ্যে অফিচলৈ যোৱা কাৰণে তেখেতক বহিবলৈ দিয়া হ'ল আৰু তেখেত পৰিয়ালটোৰ আটাইৰে পৰিচিত আৰু আপোনজন আছিল দেখি সকলোৱে তেখেতক মাত লগালে। তেখেতেও সকলোৰে খবৰ ল'লে, কিন্তু শ্ৰীদত্তৰ এগৰাকী জীয়েক ওলাই নাহিল। তেখেতে সুধিলে, সেই গান গোৱা ছোৱালীজনী গীতা ক'ত?" তেখেতক যেতিয়া জনোৱা হ'ল যে গীতাই মেট্ৰিক পৰীক্ষাত ফেল কৰা কাৰণে মনৰ দুখত কোঠা এটাত নিজকে বন্ধ কৰি সোমাই আছে। বন্ধুজন আচৰিত হ'ল আৰু সুধিলে "কিয় ফণীয়ে একো কৰিব নোৱাৰেনে? ফণীয়েনো কি কয়? তাইৰ দেখোন সৰ্বনাশ হ'ব।" দত্তৰ পত্নীয়ে তেখেতক জনালে,

"তেখেতে কি কৰিব? ল'ৰা ছোৱালীয়ে নিজে যি কৰিব পাৰে সেয়েহে। সেই কাৰণে তাইক কৈছে বোলে—অহা বছৰ ভালদৰে পাছ কৰিবৰ কাৰণে এতিয়াৰ পৰাই ভালদৰে পঢ়াশুনা কৰিবলৈ ল"।

কথাখিনি শুনি মানুহজনে বৰ লাজ পালে আৰু শ্ৰীদত্তৰ পত্নীক কৈ গ'ল,

"মই আৰু ফণীক লগ ধৰিবলৈ নেযাওঁ। তেওঁক মই আহিছিলোঁ বুলিও নক'ব। মোৰ ছোৱালীজনীও মেট্ৰিক পৰীক্ষাত ফেল কৰিছে। তাইক কেনেবাকৈ পাছ কৰি দিব পাৰে নেকি ফণীক খাটিবলৈ আহিছিলোঁ। এতিয়া বুজিছো এইটো বৰ অন্যায় কাম। মই নিজেই লাজ পাইছোঁ। গীতাই অহা বছৰ ভাল কৰিব বুলি আশীৰ্বাদ দিছোঁ।"

পিছত জানিব পাৰিলোঁ। তেখেতে ঘৰলৈ গৈ নিজৰ জীয়েক আৰু ভৈণীয়েকক তাৰকৈয়ে তিৰস্কাৰ কৰিলে, ক'লে বোলে,

"তোমালোকে এনেকুৱা এটা কামৰ কাৰণে মোক হেঁচুকি পঠিয়াই ৰব লাজ দিলা। ল'ৰা-ছোৱালীৰহে পৰীক্ষা, নিজে পঢ়ি শুনি পাছ কৰিব পাৰিলে কৰিব, নোৱাৰিলে নাই। ফণীৰ নিজৰ ছোৱালীয়েই ফেল। নম্বৰ দি দি নিজৰ বা বন্ধু বান্ধবীৰ ল'ৰা-ছোৱালীক পাছ কৰি দিলে সেইখন আৰু বিশ্ববিদ্যালয় হ'ব নে? তাইক এতিয়াৰ পৰাই ভালদৰে পঢ়িবলৈ কোৱা, নিজৰ বলতহে পাছ কৰিব লাগিব আৰু নিজৰ বলতহে মানুহ হ'ব লাগিব।"

গীতাই অৱশ্যে শ্ৰীদত্তৰ উপদেশতে এটা সৰু কোঠাত নিজৰ সকলো কিতাপ-পত্ৰ গোটাই ল'লে আৰু পিছৰ বছৰ মেট্ৰিক পৰীক্ষালৈকে কোনো দিন ঘৰৰ পৰা বাহিৰ নহ'ল। গীতাই ইমান দৃঢ়তাৰে এবছৰ পঢ়াশুনা কৰিলে যে তেওঁৰ ব্যক্তিত্বই সম্পূৰ্ণ ৰূপ ল'লে। পিছৰ বছৰ মেট্ৰিক পাছ কৰাৰ উপৰিও তাৰ পিছত আই-এ, বি-এ, এম-এ সকলো তেওঁ ভালদৰে পাছ কৰিলে।

**এজন অধ্যক্ষৰ কথা—**

এখন কলেজৰ অধ্যক্ষ এগৰাকীয়ে এজন ব্যৱসায়ীলোকৰ জীয়েকৰ নম্বৰ অতিশয়ভাৱে বঢ়াই দিয়াৰ কথা জানিব পাৰি সন্দিকৈ আৰু দত্ত দুয়ো অতিশয় বিচলিত হৈছিল আৰু তেওঁলোক দুয়ো আলোচনা কৰি এইটো ঠিক কৰিছিল যে এইবিলাক অন্যায় কাৰ্য ভিতৰি ভিতৰি যিমান পাৰে সংশোধন কৰাই ভাল আৰু দোষীসকলক আন উপায়ে শাস্তি দিবলৈ চেষ্টা নকৰি তেওঁলোকক বুজাবলৈ চেষ্টা কৰাই ভাল। এই অনিয়মবিলাক বহুলভাৱে প্ৰচাৰিত হ'লে বাইজে বিশ্ববিদ্যালয়ৰ ওপৰত আস্থা হেৰুৱাব বুলি তেওঁলোকে ভাবিছিল। দোষীসকলক বুজোৱাৰ দায়িত্ব সন্দিকৈ ডাঙৰীয়াই নিজে লৈছিল। অৱশ্যে, সন্দিকৈ ডাঙৰীয়াৰ বুজোৱাৰ প্ৰথাও আছিল দায়িত্ব, কৰ্তব্য আৰু নৈতিকতা সোঁৱৰাই তীব্ৰভাৱে খোঁচা মৰা বিধৰ—অতি কম সময়ৰ ভিতৰতে আৰু অতি কম কথাৰে তেওঁ বুজোৱাৰ এই অস্ত্ৰোপচাৰ সমাধা কৰিছিল। সেইদৰে পৰীক্ষা সংক্ৰান্তত ছাত্ৰ বা ছাত্ৰীয়ে কম নম্বৰ পোৱা বুলি কেনেবাকৈ যথাবিহিত আপত্তি আহিলে সন্দিকৈ ডাঙৰীয়াই একেধৰণৰ তীব্ৰ অস্ত্ৰোপচাৰ ব্যৱহাৰ কৰিছিল। এবাৰ ছিলঙৰ এখন কলেজৰ ইংৰাজ জাতীয় অধ্যক্ষ এগৰাকীয়ে তেওঁৰ ছাত্ৰী এগৰাকীয়ে ইংৰাজী আৰু আন

কিবা এটা বিষয়ত কম নম্বৰ পোৱা বুলি আপত্তি কৰাত সন্দিকৈয়ে সেই অধ্যক্ষ গৰাকীক মতাই আনিলে আৰু সেই ছাত্ৰী গৰাকীৰ বহীবিলাক হাতত লৈ এনে পাণ্ডিত্যপূৰ্ণ খোঁচা এটা দিলে যে সেই ইংৰাজ অধ্যক্ষ গৰাকীক মিল্টন, সেক্সপিয়েৰেও স্বয়ং আহিও ৰক্ষা কৰা টান আছিল। সন্দিকৈৰ ঘৰৰ পৰা বজা ছিঙা পৰি ওলাই আহি সেই অধ্যক্ষ গৰাকীয়ে ফণীধৰ দত্তৰ ওচৰত অতি বিনম্ৰ ভাবে অনুৰোধ কৰি গ'ল,

"ভি-চিক মোৰ হৈ আপুনি ক্ষমা খুজিব। মই এনে কাম ভৱিষ্যতে কেতিয়াও নকৰোঁ। সেই ছাত্ৰী গৰাকী এজন ডাঙৰ বিষয়াৰ জীয়েক আৰু সেই বিষয়া গোষ্ঠীৰ হেঁচাতেই মই আপত্তি কৰিবলৈ বাধ্য হৈছিলোঁ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ওপৰত মোৰ সম্পূৰ্ণ আস্থা আছে। আপোনালোক দুজনে ইয়াক ইমান উচ্চ আৰু মৰ্যাদাপূৰ্ণ ৰূপ দিছে যে আমি সকলোৱে তাক লৈ গৌৰব কৰোঁ। এইবিলাক জানিও মই কৰা কামৰ কাৰণে আজি মই বৰ লাজ পাইছোঁ।"

## গুৱাহাটী বিশ্ববিদ্যালয়ৰ ডেভেলপমেণ্ট কমিটি :

১৯৪৯ চনৰ গুৱাহাটী বিশ্ববিদ্যালয় সংশোধনী আইনৰ ৩১ ছেদৰ অনুসৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ ঘৰ-দুৱাৰ, আলি-পদূলি আদি নিৰ্মাণ কাৰ্য্য চলাবৰ কাৰণে এখন নিৰ্মাণ কমিটি ( ডেভেলপমেণ্ট কমিটি ) গঠন কৰাৰ দিহা কৰা হয়। পাঁচ জনীয়া সদস্যৰে গঠিত হ'ব লগীয়া এই কমিটি গঠন কৰাৰ ভাৰ দিয়া হয় চেন্সেলাৰ অৰ্থাৎ ৰাজ্যপালৰ ওপৰতে। শিক্ষা মন্ত্ৰীয়েই ইয়াৰ চেয়াৰমেন আৰু শিক্ষা বিভাগৰ সচিবেই ইয়াৰ ছেক্ৰেটাৰী হোৱাতো ইয়াৰ নিয়ম হয়। বিশ্ববিদ্যালয়ৰ ৰেজিষ্ট্ৰাৰ এই কমিটিৰ এজন সাধাৰণ সদস্য হোৱাৰে কথা নাছিল। কিন্তু ১৯৪৯ চনৰ ৫ মেই তাৰিখে গুৱাহাটীৰ চাৰ্কিট হাউচত বহা এই কমিটিৰ প্ৰথম বৈঠকত উপাচাৰ্য্য সন্দিকৈয়ে তেওঁৰ সজনি ৰেজিষ্ট্ৰাৰ ফণীধৰ দত্তকে যোগদান কৰিবলৈ কয়। এই বৈঠকত শ্ৰীদত্তৰ উপৰি উপস্থিত থকা আন কেইজন লোক আছিল শিক্ষামন্ত্ৰী গোপীনাথ বৰদলৈ ডাঃ ভুবনেশ্বৰ বৰুৱা, শিক্ষাবিভাগৰ সচিব, অসমৰ চিফ ইঞ্জিনীয়াৰ, কামৰূপৰ ডি চি, একজিকিউটিভ ইঞ্জিনীয়াৰ সৰ্বেশ্বৰ দাস আদি। এওঁলোক আটাইকে নিৰ্মাণ কাৰ্য্যৰ কাম ভগাই দিয়া হয়। কিন্তু অতি কম সময়ৰ ভিতৰতে এইটো স্পষ্ট হয় যে বিশ্ববিদ্যালয়ৰ নিৰ্মাণ কাৰ্য্যত গা লাগি খাটিবলৈ তেখেতসকলৰ বৰ বেছি আগ্ৰহ বা সময় নাছিল। শ্ৰীসন্দিকৈয়ে নিৰ্মাণ কমিটিৰ ওচৰেই নেচাপে কিন্তু তেওঁ শ্ৰীদত্তক সেই কমিটিত ল'বলৈহে উপদেশ দিলে।

তাৰ পিছত শ্ৰীফণীধৰ দত্তক নিৰ্মাণ কমিটিৰ সচিবেই যে পতা হ'ল এনে নহয় এটা এটাকৈ নিৰ্মাণ কাৰ্য্য পৰিচালনা কৰ'ৰ সকলো ভাৰ দিয়া হ'ল, নিৰ্মাণ কাৰ্য্য চলাবৰ আৰু নিৰ্মাণৰ কাম কাজৰ কাৰিকৰী দিশবিলাক চলোৱাৰ ভাৰ প'ৰিল একজিকিউটিভ ইঞ্জিনীয়াৰ শ্ৰীসৰ্বেশ্বৰ দাসৰ ওপৰত।

লাখ লাখ টকাৰ নিৰ্মাণ কাৰ্য্যবিলাক পৰিচালনা কৰাটো সহজ কাম নাছিল। শ্ৰীদত্তই গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাৰণে নিজকে এনেভাৱে উছৰ্গা কৰিছিল যে তেওঁ নিৰ্মাণ কমিটিৰ সচিৱৰ কামও বিশেষ নিষ্ঠাৰে কৰিবলৈ ল'লে। তেখেতৰ পৰিচালনাতে ১৫৭ চনৰ ভিতৰত ডালমিয়া কোম্পানীয়ে পাঁচটা ভৱন ( ৰসায়ন ভৱন, পদাৰ্থ-বিজ্ঞান ভৱন, কলা ভৱন, প্ৰধান কাৰ্য্যালয় ভৱন আৰু এক নং ছাত্ৰাবাস), গেনন ডাংকাৰ্লি কোম্পানীয়ে তিনিটা ভৱন ( বিশ্ববিদ্যালয় হস্পিটাল, ছাত্ৰীআবাস আৰু ২নং ছাত্ৰাবাস), স্থানীয় ঠিকাদাৰে ৬৫ টা অধ্যাপকসকলৰ বাসস্থান আৰু ৫০টা কৰ্মীসকলৰ বাসস্থান নিৰ্মাণ কৰে। ফণীধৰ দত্তৰ ন্যায় পৰায়ণতাৰ কাৰণেই নিৰ্মাণ কাৰ্য্যৰ ভাৰ লোৱা ঠিকাদাৰ বা কোম্পানীবিলাকেও সকলো কাম অতি নিখুঁত ভাৱে সমাধা কৰিবলৈ চেষ্টা কৰিছিল।

সেই সময়ত ভাৰতৰ ভিতৰতে এজন অতি চহকী ব্যৱসায়ী ডালমিয়াই মন্তব্য কৰিছিল,

"আমি ভাৰতৰ বহুত ঠাইতে ব্যৱসায় কৰিছোঁ কিন্তু গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাম কৰি যিমান আনন্দ পাইছোঁ আন ঠাইত কাম কৰি তেনে আনন্দ কেতিয়াও পোৱা নাই। শ্ৰীদত্ত ইমান সাধু প্ৰকৃতিৰ আৰু ন্যায়পৰায়ণ লোক যে আমি তেখেতৰ কাৰণে কাম কৰি বিশেষ আনন্দ পাইছোঁ। সকলো টকা পইচাৰ লেন দেন তেখেতে নিয়মমতে আৰু অতি ন্যায়ভাৱে কৰে। সেই কাৰণে মই গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাম নিজৰ কাম বুলি লৈছোঁ। লাভৰ প্ৰতি বেছি চকু নেৰাখি সকলোতে আটাইতকৈ ভাল ভাল সামগ্ৰী ব্যৱহাৰ কৰিছোঁ, কাৰণ আমি জানো যে কাকো ভেটী দিব নেলাগে যেতিয়া ভালদৰে বিশ্ববিদ্যালয়টো সাজি দিয়াটোৱেই আমাৰ লাভ।"

গুৱাহাটী বিশ্ববিদ্যালয়ৰ নিৰ্মাণ কাৰ্য নিজ চকুৰে চাবলৈ স্বয়ং ডালমিয়া গুৱাহাটীলৈ একাধিকবাৰ আহিছিল। সেয়েহে শ্ৰীদত্তই নিৰ্মাণ কাৰ্য্যৰ পৰিচালনা কৰা দিনত গুৱাহাটী বিশ্ববিদ্যায়ৰ যিবিলাক ঘৰ দুৱাৰ সজা হৈছিল সেইবিলাক পিছত সজা ঘৰবিলাকতকৈ বহু ক'ম খৰছত সজা আৰু বহু উত্তম বুলি কাৰিকৰী জ্ঞান থকা সকলো লোকে অভিমত প্ৰকাশ কৰে।

শ্ৰীদত্তই প্ৰথমে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ঘৰ দুৱাৰ সজা কামৰ দায়িত্ব ল'বলৈ বিচৰা নাছিল যদিও গোপীনাথ বৰদলৈ, অমিয়কুমাৰ দাস, ডাঃ ভুবনেশ্বৰ বৰুৱা, কৃষ্ণকান্ত সন্দিকৈ আদি বিশ্ববিদ্যালয় আৰু দেশৰ বৰমূৰীয়'সকলে তেওঁৰ ওপৰতেই সেই গুৰু ভাৰ বাৰে বাৰে দিলে। সেই সকল লোকৰ সম্পূৰ্ণ সহযোগ আৰু তেওঁৰ প্ৰতি থকা বিশ্বাসৰ কাৰণে তেওঁ প্ৰথম অৱস্থাত সেই ভাৰ অতি আনন্দ মনেৰে বহন কৰিছিল আৰু ভাৰতৰ ৰাষ্ট্ৰপতি ডাঃ ৰাজেন্দ্ৰ প্ৰসাদে (১৯৫৪ চনৰ ২১ ফেব্ৰুৱাৰীত পদাৰ্থ-বিজ্ঞান ভবন মুকলি কৰোঁতে), প্ৰধান মন্ত্ৰী পণ্ডিত নেহৰুৱে (১৯৫৫ চনৰ ২৯ আগষ্টত ৰসায়ন ভবন মুকলি কৰোঁতে) ও দেশৰ অন্যান্য নেতাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ নিৰ্মাণ কাৰ্য্যক ভূৰি ভূৰি প্ৰশংসা কৰি দিয়া অভিমতবিলাক শুনি গৌৰব অনুভৱ কৰিছিল। তথাপি পাছলৈ পৰীক্ষাৰ কামৰ হেঁচাত আৰু নিজৰ স্বাস্থ্যৰ বিশেষ অৱনতি হোৱা কাৰণে শ্ৰীদত্তই একাধিকবাৰ নিৰ্মাণ কমিটিৰ দায়িত্ব এৰিবলৈ চেষ্টা কৰিছিল কিন্তু উপাচাৰ্য্য সন্দিকৈয়ে তেওঁক কোনোপধ্যেই নিৰ্মাণ কাৰ্য্যৰ চাবি কাঠী এৰি দিবলৈ নিদিয়ে। শ্ৰীসন্দিকৈৰ খোলা কথা "লাখ লাখ টকাৰ কামৰ দায়িত্ব দিবলৈ 'মই এতিয়া ক'ৰ এজন বিশ্বাসী লোক বিচাৰি পাম ?"

গুৱাহাটী বিশ্ববিদ্যালয়ক এখন উচ্চ মানৰ বিশ্ববিদ্যালয় ৰূপে আৰু জালুকবাৰীত ইয়াৰ ঘৰ-দুৱৰবিলাক সুদৃঢ়ৰূপে প্ৰতিষ্ঠা কৰি যোৱাৰ গুৰিতে আছিল ফণীধৰ দত্তৰ অক্লান্ত পৰিশ্ৰম আৰু কৃষ্ণকান্ত সন্দিকৈৰ নেতৃত্ব। এই বিষয়ে দুই চাৰিজনৰ মতামত উল্লেখ কৰিলোঁ।—

"সেই নতুন বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰত, জালুকবাৰীত বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰাৰ আগতে বহুখিনি কাম কৰিব লাগিছিল। সেইবিলাক ঠিকমতে কৰিব নোৱাৰিলে আজি হয়তো তাত এনে এখন বিশ্ববিদ্যালয় নহ'লহেঁতেন। সেই সময়ত যিবিলাক আঁচনি কৰিব লাগিছিল আৰু নেতৃত্ব দিব লাগিছিল, যিটো হ'ব লাগে সেই কামখিনি ঠিকমতে কৰোৱা এই গোটেইখিনি কামৰ আচল গুৰিতে আমাৰ দত্তই আছিল। আমি নিজেই সকলো দেখিছোঁ যে তেখেতৰ কাৰণেই কামবিলাক নিয়াৰিকৈ হৈ গ'ল।"

সেই সময়ত গুৱাহাটী বিশ্ববিদ্যালয় এখন অতি ভাল বিশ্ববিদ্যালয় বুলি প্ৰতিষ্ঠিত হয়। যদিও কলিকতা বিশ্ববিদ্যালয়ৰ আহিঁকে সকলো ক্ষেত্ৰত নৈছিল তথাপি ই কলিকতা বিশ্ববিদ্যালয়ৰ সমকক্ষ বুলিয়েই পৰিগণিত হয়।"

[ শ্ৰীদণ্ডেশ্বৰ গগৈ ]

"ধানপুৰীয়া কঁঠাল পাতৰ তলত লুকাই বুলি কয় নহয়—সেই ফণীদত্তৰ কথা বহুতেই পাহৰিয়েই যায়। ফণীদত্ত নোহোৱাহেঁতেন অকল সন্দিকৈৰ কাৰণে ইমান খিনি নহ'লহেঁতেন। আমাৰ বিশ্ববিদ্যালয়ৰ বুৰঞ্জী যদি লিখিব লগীয়া হয় তেনেহ'লে মই ভাবোঁ যে সন্দিকৈৰ পাছতে ফণীদত্তৰ কথা মানুহে স্বীকাৰ নকৰিলে আমি অকৃতজ্ঞ হ'ব লাগিব।" [ শ্ৰীযজ্ঞেশ্বৰ শৰ্মা ]

"গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুনিয়াদটো ফণীদত্তই ঠিক কৰিলে।"

[ শ্ৰীসুৰেন ভৰালী ]

"লগতে এনেভাবেও আমি ভাবিব পাৰোঁ যে লোকপ্ৰিয় গোপীনাথে কৃষ্ণকান্তক নোপোৱা হ'লে আৰু কৃষ্ণকান্তই ফণীদত্ত আৰু চিদা দাসক নোপোৱা হ'লে হয়তো প্ৰথম অৱস্থাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ সফল ৰূপায়ণ নহ'লহেঁতেন।"

[ সাহিত্য আচাৰ্য্য অতুলচন্দ্ৰ হাজৰিকা, "জ্ঞানৰ্ষি কৃষ্ণকান্ত", প্ৰকাশ জুলাই, ১৯৮২ পৃঃ ৫৩ ]

ফণীধৰ দত্তৰ পৰিশ্ৰম দেখি বিশ্ববিদ্যালয়ৰ পিয়ন চকীদাৰৰ পৰ আৰম্ভ কৰি সহায়ক আৰু আন বিষয়াসকলেও বিশ্ববিদ্যালয়ৰ কামত এক ত্যাগৰ মনোভাবেৰে আত্মনিয়োগ কৰিবলৈ উৎসাহ পাইছিল। গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰথম চৈধ্যটা বছৰ অতি বিচক্ষণভাবে সকলো পৰীক্ষা পৰিচালনা কৰি যি সন্মান অৰ্জন কৰিছিল তাৰ গুৰিতে আছিল ৰেজিষ্ট্ৰাৰ ফণীধৰ দত্তৰ কঠোৰ পৰিশ্ৰম আৰু স্বাৰ্থত্যাগ। তেখেতে বিশ্ববিদ্যালয়ৰ কামত লাগি নিজৰ স্বাস্থ্য, ল'ৰা-ছোৱালী আৰু পৰিয়ালটোৰ প্ৰয়োজনৰ প্ৰতি সম্পূৰ্ণ পিঠি দিছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাৰণে তেখেতে নিজৰ জীৱনৰ সৰ্বস্ব ত্যাগ কৰি আৰু নিজৰ সকলো শক্তি প্ৰয়োগ কৰি পৰিশ্ৰম কৰিছিল। ই অসমীয়া ৰাইজৰ সৌভাগ্য যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আৰম্ভ কৰা হৈছিল জ্ঞানযোগী কৃষ্ণকান্ত সন্দিকৈক উপাচাৰ্য্যৰূপে আৰু কৰ্মযোগী ফণীধৰ দত্তক ৰেজিষ্ট্ৰাৰৰূপে। অসমৰ বৃহৎ শিক্ষিত সমাজৰ পৰা এই কৰ্মযোগী আৰু জ্ঞানযোগী দুয়ক বাচি উলিয়াৰ পৰাটোত স্বাধীন অসমৰ প্ৰথম শিক্ষামন্ত্ৰী গোপীনাথ বৰদলৈদেৱৰ কম কৃতিত্ব নহয়।

১৯৫০ চনত গোপীনাথ বৰদলৈ ঢুকোৱাৰ পিছত কিন্তু লাহে লাহে বহুত কথাৰ সলনি হ'বলৈ ধৰে আৰু লাহে লাহে অসমীয়াৰ জাতীয় চৰিত্ৰৰ অধঃপতন আৰম্ভ হয়।

## একত্রিছ

## বৰদলৈয়ে জীৱন নাট সামৰাৰ পিছত

এইটো সঁচা যে বিশ্ববিদ্যালয় আন্দোলন আৰু বিশ্ববিদ্যালয়টো প্রতিষ্ঠাত আগৰণুৱা লোকসকলৰ বহুতেই নাট সামৰাৰ কাৰণে (যেনে গোপীনাথ বৰদলৈ, বাণীকান্ত কাকতী, ডঃ ভুৱনেশ্বৰ বৰুৱা আদি) আৰু আন বহুতেই নানা কাৰণত গুৱাহাটীৰ পৰা আঁতৰি যাব লগীয়া হোৱা কাৰণে গুৱাহাটী বিশ্ববিদ্যালয়ৰ কামত বিধি পথালি দিয়া লোক আৰু শিক্ষাবিভাগৰ বিষয়াৰ সংখ্যা লাহে লাহে বাঢ়িবলৈ ধৰিলে। তাতে গুৱাহাটী বিশ্ববিদ্যালয়টো এনে মৰ্য্যাদাপূৰ্ণ প্রতিষ্ঠান হৈ পৰিল যে বহুতেই উপাচাৰ্য্য, ৰেজিষ্ট্ৰাৰ বিষয় কেইটা লাভ কৰাৰ আকাঙ্খা মনত পুহিবলৈ আৰম্ভ কৰিলে। ইয়াৰ ফলস্বৰূপে বিশ্ববিদ্যালয়ৰ সমস্যাবিলাক বুজি তাৰ সমাধানৰ চেষ্টা নকৰি এনেলোকে বিশ্ববিদ্যালয়ৰ দোষবিলাকেহে খুচৰি খুচৰি উলিয়াবলৈ আৰম্ভ কৰিবলৈ ধৰিলে। কংগ্রেছী চৰকাৰতো আগৰ স্বাৰ্থত্যাগী নেতাসকলৰ প্রভাৱ কমি আহিবলৈ ধৰিলে আৰু নতুন নেতা ও শাসকসকলে বিশ্ববিদ্যালয়ৰ উন্নতিৰ উপায়তকৈ তাত কেনেদৰে নিজৰ প্রভুত্ব বিস্তাৰ কৰে তাৰহে উপায় চিন্তিবলৈ সচেষ্ট হোৱা দেখা গ'ল।

### বাসভৱনৰ কাৰণে জুলুম :

গুৱাহাটী বিশ্ববিদ্যালয় আৰম্ভ কৰাৰ সময়ত ইয়াক কটন কলেজ, শিক্ষামন্ত্রী, শিক্ষা সচিব আদি সকলোৰে সহযোগত অসমৰ শিক্ষা জগতৰ অঙ্গৰূপেই গঢ় দিয়া হৈছিল। উপাচাৰ্য্য সন্দিকৈক কটন কলেজৰ অধ্যক্ষৰ বাস ভৱনটো আৰু ৰেজিষ্ট্ৰাৰ দত্তক ওচৰতে থকা ৩নং মেচৰ ছুপাৰিনটেনডেণ্টৰ বাস ভৱনটোতে থাকিবলৈ দিয়া হৈছিল আৰু বিশ্ববিদ্যালয়ৰ স্থায়ী গৃহ নিৰ্মাণ নোহোৱালৈকে তেওঁলোক সেই দুটা বাসভৱনতে থাকিব পাৰিব বুলি ব্যৱস্থা কৰা হৈছিল। ডাঃ হিৰণ্য ভূঞা কটন কলেজৰ অধ্যক্ষ হৈ এই ব্যৱস্থা বেয়া পালে আৰু সেই বাস ভৱন দুটা বিশ্ববিদ্যালয়ে খালী কৰি দিব লাগে বুলি চৰকাৰক টানি ধৰিলে। এইটো সঁচা যে কটন কলেজৰ অধ্যক্ষ গৰাকীয়ে নিজৰ চৰকাৰী বাসভৱনত নথকা কাৰণে আৰু ৩নং মেছৰ ছাত্রসকলৰ এজন ছুপাৰিনটেনডেণ্ট নোহোৱা কাৰণে বিশেষ অসুবিধা হৈছিল

( অৱশ্যে ২নং মেছৰ ছুপাৰিনটেনডেণ্ট শ্ৰীদণ্ডেশ্বৰ গগৈয়ে মেছৰ যাবতীয় কামবিলাক চলাইছিল)। কিন্তু এইবিলাক সমস্যা বিশ্ববিদ্যালয়ৰ ডাঙৰ সমস্যা নাছিল। এইবিলাক নতুনকৈ পতা বিশ্ববিদ্যালয়টোৰ কাৰণে সৃষ্টি হোৱা সাধাৰণ সমস্যা, যাৰ সমাধান বিচৰা বৰ কঠিন নাছিল, কিন্তু সেই সময়ৰ অসমৰ শিক্ষা বিভাগৰ উচ্চ বিষয়াসকলে আৰু কটন কলেজৰ অধ্যক্ষই বিশ্ববিদ্যালয়খনক অসমৰ শিক্ষা জগতৰ কিবা প্ৰতিষ্ঠান বুলি ভাবিবলৈ টান পাইছিল আৰু আগৰ শিক্ষামন্ত্ৰী গোপীনাথ বৰদলৈয়ে দিয়া প্ৰতিশ্ৰুতিৰ প্ৰতি অকণো ভ্ৰূক্ষেপ নকৰিছিল। ডঃ ভূঞাৰ অনুৰোধত শিক্ষা বিভাগৰ সচিব গৰাকীয়ে প্ৰথমে শ্ৰীসন্দিকৈক অধ্যক্ষৰ বাসভৱনটো এৰি দিবলৈ নিৰ্দেশ দিলে। চিঠিৰ ভাব ভাষাই শ্ৰীসন্দিকৈৰ মনত বিশেষ বেজাৰ দিলে। তেওঁ "থকা ঘৰৰ অভাৱত মই গুৱাহাটীলৈ অহা নাই। ঘৰ এটাৰ কাৰণে এনে অশোভনীয় কথা লিখে" বুলি তেতিয়াৰ শিক্ষামন্ত্ৰী শ্ৰীঅমিয় কুমাৰ দাসক ক'লে যে তেওঁ তাত থকা কাৰণে যদি তেওঁৰ বিভাগৰ অসুবিধা হৈছে তেনেহ'লে তেওঁ যোৰহাটৰ নিজৰ ঘৰলৈকে যাবলৈ সাজু। শ্ৰীদাসে শিক্ষা বিভাগৰ সচিবজনে দিয়া চিঠিখনৰ কথা আগেয়ে নুবুলি নেজানিছিল যেয়েহে, তেওঁ বৰ অস্বস্তি বোধ কৰিলে আৰু সেই কাৰণে একো বেয়া ভাব নেৰাখিবলৈ সন্দিকৈক অনুৰোধ কৰিলে। শিক্ষামন্ত্ৰীয়ে তেওঁৰ বিষয়াসকলক শ্ৰীসন্দিকৈক অধ্যক্ষৰ বাসভৱনটো খালী কৰি দিয়া বিষয়ক চিঠি কেতিয়াও যাতে নিলিখে তাৰ বাবে সতৰ্ক কৰি দিলে।

যেনে কথা তেনে কাম— সেই বিষয়াসকলে পুনাই শ্ৰীসন্দিকৈক ঘৰ খালী কৰি দিবলৈ নিলিখিলে কিন্তু তেওঁলোকে শ্ৰীদত্তই ছুপাৰিনটেনডেণ্টৰ বাসভৱনটো খালী কৰি দিব লাগে বুলি কাঢ়া ক'ঢ়া চিঠি লিখিবলৈ ধৰিলে। ছাত্ৰসকলৰ অসুবিধা হৈ থকা বুলি জানি তেখেতেও আন কোনোবা পিনে ভাড়া ঘৰ বিচাৰিবলৈ ধৰিলে। কিন্তু, তেওঁক শ্ৰীসন্দিকৈয়ে বাৰে বাৰে বাধা দিয়ে যে দত্ত দূৰলৈ গ'লে বিশ্ববিদ্যালয়ৰ কামত বিশেষ বাধা পৰিব। শ্ৰীসন্দিকৈয়ে সকলো কথাতে শ্ৰীদত্তৰ লগত পৰামৰ্শ কৰিছিল আৰু নিতৌ বিশ্ববিদ্যালয়ৰ সকলো গুৰুত্বপূৰ্ণ কামৰ বিষয়ে দত্তৰ পৰাই বুজ লৈছিল। ১৯৫৩ চনৰ ৫ আগষ্টত শিক্ষাবিভাগৰ সচিবে আকৌ শ্ৰীসন্দিকৈলৈকে দত্তক ঘৰটো খালী কৰি দিবলৈ হুকুম দিবলৈ অনুৰোধ কৰি চিঠি দিলে ( চিঠিখনৰ সম্পূৰ্ণ পাঠ তলত দিয়া হ'ল)। সেই চিঠিখন পাই শ্ৰীদত্তই একপ্ৰকাৰ টানি-টা'পোলা বান্ধি চানমাৰীৰ ঘৰ এটলৈ যাবলৈ ওলালে।

*CONFIDENTIAL.*

**GOVERNMENT OF ASSAM.**
**EDUCATION DEPARTMENT. EDUCATION BRANCH.**
No. ECL 46/48/73.
Dated Shillong, the 5th August, 1953.

From

Shri I. Majid, I. C.S.,
Secretary to the Government of Assam.

To

The Vice Chancellor,
Gauhati University, Gauhati.

Subject—Occupation of Cotton College Hostel Supdt's quarters by Registrar, Gauhati University.

Reference—This Department letter No. ECL-46/48/63 dt. 25.9.52 and Department letter No. ECL. 46/48/65 dt. 6.1.53 to your address.

Sir,

I am directed to refer to this Department's letters quoted above and to enquire when a reply may please be received. Further, I am to bring to your notice that the inability of Shri P. Dutta, Registrar of the Gauhati University to vacate the Supdt's. Quarters allotted to him for temporary occupation is causing much inconvenience to the Cotton College. He has been addressed in this connection. I am to point out that it is expected that an officer of his position could be able to arrange quarters for himself and thereby cease to inconvnience the Cotton College Authorities.

I am to request you to kindly deal this matter personally and pass orders so that the quarters may be vacated immediately.

An early reply will be much appreciated.

Yours faithfully,
SD/I. Majid,
Secretary to the Government of the Assam, Education Departme.

শ্রীসন্দিকৈক তেওঁৰ মনৰ ভাব জনোৱাত সন্দিয়ে ক'লে, "ব'বাহে ক'লৈ যোৱা, গ'লে দুয়ো একে লগে যাম। মই উপায় এটা ভাবিছোঁ। এই অধ্যক্ষৰ বাসভৱনৰ বাঁওপিনে এটা ঘৰ সাজিবলৈ যথেষ্ট ঠাই আছে, তাতে তোমাৰ কাৰণে ঘৰ এটা সাজিব পাৰে বুলি অমিয়ক (শিক্ষা মন্ত্রী) কওঁ। পিছত ঘৰটো কটন কলেজৰ কামতে লগাব পাৰিব।"

সন্দিকৈৰ সেই উপায়টো শুনি শিক্ষামন্ত্রী আৰু শিক্ষা সচিব দুয়ো আনন্দিত হ'ল আৰু লবালবিকৈ ঘৰ এটা সাজিবলৈ হুকুম দিয়ে। শিক্ষা মন্ত্রী দাসে তাৰ পিছত মন্তব্য কৰিছিল বোলে আমাৰ বিষয়াসকল এনেকুৱাই. সমস্যা এটা সমাধানৰ উপায় নিবিচাৰি তাক বেছিহে জটিল কৰে। শিক্ষা বিভাগৰ ইমান সোপা উচ্চ বিষয়াৰ এজনৰে মগজুত সন্দিকৈয়ে দিয়া সাধাৰণ উপায়টো নেখেলোৱা দেখি তেওঁ আক্ষেপ কৰিছিল। ৰেজিষ্ট্রাৰৰ কাৰণে ঘৰটো সাজি থাকোঁতেই এদিন ডঃ ভূঞাই, "মোৰ কলেজত মোক নোসোধাকৈ কোনে ঘৰ সজাইছে?" বুলি ঠিকাদাৰ মহৰীক দাবি ধমকি দি কাম বন্ধ কৰাই দিছিল। শিক্ষা বিভাগৰ সচিবৰ হুকুম, শিক্ষামন্ত্রীৰ অনুমোদন আদি দেখুওৱাৰ পিছতহে তেখেতে শান্ত হৈছিল। কোৱা বাহুল্য যে ঘৰ সজোৱা হুকুমৰ এটা নকল কলেজৰ অধ্যক্ষলৈকো পঠিওৱা উচিত বা তেখেতকো সেই বিষয়ে জনোৱা উচিত বুলি শিক্ষা বিভাগৰ সচিব গৰাকীয়ে দায়িত্ব বোধ নকৰিছিল।

তদুপৰি ৰবদলৈদেৱে জীৱন নাট সামৰাৰ পিছত অসমক ৰাজনৈতিক আৰু অসমীয়াক প্রগতিমূলক নেতৃত্ব দিব পৰা লোকৰ বা ৰবদলৈৰ স্থান ল'ব পৰা লোকৰ ছাটোও দেখা নগ'ল তাৰ পৰিবর্ত অন্যায় অধর্ম দুর্নীতি আদিয়েহে সমাজত শিপোৱা দেখা গ'ল।

## বত্ৰিশ

# জাতীয় চৰিত্ৰ অধঃপতনৰ যুগ

এই শতিকাৰ পঞ্চাছৰ দশকে অসমীয়াসকলৰ কাৰণে আনিলে বিৰাট প্ৰতিশ্ৰুতি। অসমীয়া ডেকাৰ কাৰণে হাকিম, ইঞ্জিনীয়াৰ, ডাক্তৰ, ব্যৱসায়ী বৈজ্ঞানিক আদি হোৱা প্ৰচুৰ সম্ভাৱনাৰ দুৱাৰ কেৱল যে মুকলি হ'ল এনে নহয়, তেনে হ'বৰ কাৰণে প্ৰয়োজনীয় শিক্ষা লাভ কৰাৰ সপোনও দিঠকত পৰিণত হ'ল। সেইদৰে মন্ত্ৰী, বিধায়ক আদি হৈ নিজৰ সমাজৰ আৰু দেশৰ ভৱিষ্যত গঢ় দিয়াটোও অসমীয়াৰ কাৰণে সম্ভৱপৰ হ'ল। পঞ্চাছৰ দশকটো সোণালী সম্ভাৱনাৰ যুগ, সোণালী সুযোগৰ যুগ আৰু সোণালী ভৱিষ্যতৰ যুগ— তথাপি ইতিহাসত ই জাতীয় অধঃপতনৰ যুগ বুলিহে হয়তো খ্যাত হ'ব।

পঞ্চাছৰ দশকত অসমীয়া জাতীয় চৰিত্ৰৰ যি অধঃপতন হ'ল তেনে অধঃপতনৰ যুগ হয়তো অসমীয়া জাতিৰ ইতিহাসত আন এটা বিচাৰি পোৱা টান হ'ব। ইয়াৰ এটা কাৰণ এয়েই যে স্বাধীনতাই অসমীয়াৰ কাৰণে নতুন সম্ভাৱনাৰ যুগৰ সৃষ্টি কৰিলে যদিও সেই সম্ভাৱনাৰ জগতত আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হোৱা পথৰ সন্ধান অসমীয়া সমাজত সমূলি দেখা নগ'ল। ১৯৫০ চনত গোপীনাথ বৰদলৈৰ অকাল বিয়োগৰ পিছত গান্ধীৰ আদৰ্শক সক্ৰিয়ভাৱে কামত লগাব পৰা গান্ধীবাদী লোকসকল হয় অন্তৰ্ধান হ'ল নহয় তেওঁলোকে আদৰ্শকে সম্পূৰ্ণ বিসৰ্জন দিলে। শঙ্কৰী পথ, বৈষ্ণৱ দৰ্শন যিটোৱেই অসমীয়া জাতীয় জীৱনৰ কামিহাড় আছিল, যিটোৱেই মানে ছাৰখাৰ কৰাৰ পিছতো অসমীয়া জাতিক পুনৰ সংগঠিত হ'বলৈ সমৰ্থ কৰিছিল, সেই শঙ্কৰী ধৰ্ম-কৃষ্টি-সংস্কৃতিৰ প্ৰভাৱ অসমীয়া সমাজত লাহে লাহে ইমান নিস্তেজ হ'বলৈ ধৰিলে যে সি একপ্ৰকাৰ লোপ পাওঁ পাওঁ হ'ল। তাৰ পৰিবৰ্তে অসমীয়া সমাজলৈ আহি পৰিল এক বিষয়-সুখৰ লক্ষ্য। পকী দালান সজা, মটৰ গাড়ী লোৱা আৰু যিমান পাৰে সিমান ধন উপাৰ্জন কৰাটোৱেই অসমীয়া মানুহৰ জীৱনৰ চৰম লক্ষ্য হৈ পৰিল। তাৰ ফল স্বৰূপে আৰম্ভ হ'ল এক থোৱা কামোৰাৰ প্ৰতিযোগিতা, কোনে কি অসৎ উপায়েৰে কিমান ধন-সোণ উপাৰ্জন কৰিব পাৰে তাৰ প্ৰতিযোগিতা।

চৰকাৰী বিষয়াসকলৰ বেছিভাগৰে একমাত্ৰ ধান্দা হ'ল কেনেকৈ ভেটী খাই বা অসৎ উপায়েৰে ধন উপাৰ্জন কৰিব পাৰে। পুলিচ, শিক্ষা, পৰিবহন, যোগান আদি সকলো বিভাগৰে বিষয়াসকলে নানা ধৰণৰ অসৎ উপায়েৰে নিজকে চহকী

কৰিবলৈ ধৰিলে। অৱশ্যে, আটাইতকৈ সহজে ধন উপাৰ্জন কৰিব পৰা বিভাগ হ'ল গড় কাপ্তানী বিভাগ। দেশৰ পৰিবহন, উদ্যোগ, যাতায়াত, দলং গৃহ আদি নিৰ্মাণ, বান নিয়ন্ত্ৰণ আদি নানা কাম চৰকাৰে হাতত ল'লে। সেয়েহে ইঞ্জিনীয়াৰ, অভাৰচিয়াৰ আদিয়ে চাব মাৰি একোভোখৰ স'বলৈ নানা ধনক্ষেত্ৰ ওলাল। এই ধনক্ষেত্ৰ বিলাক সযত্নে চহালে ঠিকাদাৰ, উদ্যোগপতি আৰু ব্যৱসায়ীলোকসকলে। সূত্ৰটো একেবাৰে সাধাৰণ—যিটো কামৰ কাৰণে ঠিকা লোৱা হয়, সেইটো কাম ক'ম খৰছতে বেয়াকৈ কৰি ( বা নকৰ কৈয়ে ) ঠিকাদাৰে বিল দিয়ে, বিষয়াসকলে সেইটো ভালদৰে কৰা বুলি বিল পাচ কৰে আৰু তাৰ পিছত টক ভাগ কৰিবলৈহে বাকী থাকে।

মেৰামতিৰ কামত কথাটো আৰু সহজ—চৰকাৰী ঘৰ, দলং, আলি পদূলি গাড়ী মটৰ কিনোতে বা নিৰ্মাণ কৰোঁতে যিমান খৰছ কৰা হয় সেইবিলাক মেৰামতি কৰোঁতেই বছৰি তাতোকৈ বেছি খৰছ কৰা হয়। জোৰাবাট আৰু নগাঁৱৰ মাজৰ বাজআলিটো আজি প্ৰায় ত্ৰিছ বছৰে নিতৌ মেৰ মতি কৰি অহা হৈছে। চীন-ভাৰত সীমান্তত আলিবাট সাজোঁতে লাখ লাখ টকা খৰছ কৰা হ'ল, কিন্তু যেতিয়া চীন-যুদ্ধৰ সময়ত ভাৰতীয় সেনাবাহিনীয়ে সেই আলি ব্যৱহাৰ কৰিবলৈ গ'ল তেওঁলোকে বিমোৰত পৰিল, কিয়নো আলিবাট নসজাকৈয়ে 'সজা হৈ আছে' বুলি ঠিকাদাৰক টকা দিয়াৰ ব্যৱস্থা কৰা হৈছিল এইবিলাক লেখ হে এনেকুৱা অলেখ আছে। তথাপি আৰু দুটামান উদাহৰণ দিয়া ভাল হ'ব।

ব্ৰহ্মপুত্ৰ বা আন নদীৰ গড়া খহনীয়া বোধ কৰিবলৈ, মথাউৰি সাজিবলৈ পালেতো কথাই নাই—কিমান শিল মাটি পেলাব লগীয়া হৈছে সেইবিলাকৰ কোনো হিচাপ উলিয়াব নোৱাৰি যেতিয়া ( যিহেতু নদীয়ে খহাই থাকে বুলি ক'ব পাৰি ) নদীৰ সোঁতৰ দৰে ঠিকাদাৰ মহৰ, ইঞ্জিনীয়াৰ আদিৰ হাতলৈ টকাৰ সোঁত ব'বলৈ ধৰে। গাঁৱৰ মানুহক পানীৰ যোগান ধৰিবলৈ নলীনাদ বহুৱাবলৈ ঠিকা দিয়া হ'ল। সুন্দৰভাৱে চোকাৰ পকা কৰি নলীনাদ বহুৱা হ'ল। দুৰ্ভাগ্যবশতঃ বহু নলীনাদৰ পৰা পানী নোলাল। পিছত অনুসন্ধান কৰি জনা গ'ল যে নলীনাদৰ ওপৰ চোৱাহে দেখনিয়াবলৈ পাতি থোৱা আছে কিন্তু তলত আচল নলীডালেই নাই। ঠিকাদাৰে কাগজপত্ৰ দেখুৱাই প্ৰমাণ কৰি দিলে যে তেওঁ নলী লগাইছিল কিন্তু কোনোবাই চুৰ কৰি নিলে। অৱশ্যে নলীনাদ ঠিকমতে বহুৱা হৈছে আৰু তাৰ পৰা ওলোৱা সুন্দৰ পানী খাই চাইছো বুলি ইঞ্জিনীয়াৰ এম-এল্ এই লিখি দিয়া আছে যেতিয়া কোনে কাক ধৰে ?

অপ্ৰমত তেল, চাহ পাতৰ দাম অতিপাত বাঢ়ে কিন্তু চৰকাৰ নিমাত, কাৰণ তেল ব্যৱসায়ী আৰু চাহ ব্যৱসায়ী সকলে নিৰ্বাচনীৰ সময়ত কংগ্ৰেছ পাৰ্টিক বহু ধন দি চুক্তিবদ্ধ কৰি লৈছিল যে সেই সামগ্ৰীবিলাকৰ দাম বঢ়াংলৈ যাতে চৰকাৰৰ পৰা বাধা নেপায়। সেইদৰে অন্যান্য নিত্য ব্যৱহাৰ্য বস্তুৰ ক্ষেত্ৰতো একেই ব্যৱস্থা। তদুপৰি আৰম্ভ হ'ল ভেজাল যুগ—চাউল দাইলত শিল বালি, গাখীৰত পানী, ঘিঁউ তেলত নানা তৰহৰ অখাদ্য বস্তু মিহলোৱাটো দোকানী ব্যৱসায়ীৰ স্বভাব হৈ পৰিল—উদ্দেশ্য একেটাই—কেনেকৈ অসৎ উপায়েৰে দুই চাৰ পইচা বেছিকৈ ঘটি অলপ বেছি বিষয়-সুখ লাভ কৰিব পাৰে। বিষয় বিষধৰৰ বিষত সকলো জৰ্জৰিত হ'ল। লাভখোৰ চোৰাং কাৰবাৰী সকলে ৰাইজক শোষণ কৰাৰ নানা উপায় উলিয়ালে। তেওঁলোকক সহায় কৰিলে ঘোচখোৰ পাত্ৰ-মন্ত্ৰী আৰু ডা ডাঙৰীয়া সকলে।

দুৰ্নীতি যে কেৱল মন্ত্ৰী বা উচ্চ বিষয়াসকলৰ মাজতে সীমাবদ্ধ আছিল এনে নহয় লাহে লাহে ই সৰু বৰ কেৰানী কৰ্মচাৰী আদিৰ মাজতো সোমাই পৰিল। মোৰ মনত পৰে কেনেদৰে বৃত্তিৰ টকা আনিবলৈ যাওঁতে কেৰানীজনক দুই এটকা নিদিলে টকা কেইটা পাওঁতে কলেজৰ কেৰানীয়ে জুলুম কৰিছিল। মোৰ মনত পৰে ৰেলৰ টিকটত ছাত্ৰই ৰেহাই পাব লগীয়া আবেদন-পত্ৰখন চহী কৰাওঁতেও কেনেকৈ কেৰানীক টকা-সিকা নিদিলে নিতৌ ঘূৰাই পঠিয়ায়। ১৯৫৩ চনৰ কথা, লেখক তেতিয়া স্কুলীয়া ছাত্ৰ, সৰ্বভাৰতীয় পৰীক্ষা এটা দিবৰ কাৰণে গুৱাহাটীৰ পৰা দিল্লী অভিমুখে যাত্ৰা কৰিছোঁ। কাটিহাৰৰ পৰা লক্ষ্ণৌৰ খিথন ৰেলত উঠিছিলোঁ সেইখন এক্সপ্ৰেছ ৰেল হোৱা কাৰণে মই কৰা টিকটৰ ওপৰত সাত টকা অতিৰিক্ত দিব লাগিব বুলি লক্ষ্ণৌৰ টিকট ইন্সপেক্টৰে ক'লে। লক্ষ্ণৌৰ ব্যস্ত আৰু ডাঙৰ ষ্টেচনটো প্ৰথমবাৰৰ কাৰণে দেখি মই ভয়ত পেপুৱা লাগিছিলোঁ, তাতে মই মিটাৰ গজ ষ্টেচন সলাই ব্ৰডগজ ষ্টেচনলৈ যাব লগীয়া আছিল। লক্ষ্ণৌৰ ষ্টেচনত তলে ওপৰে ঢেৰ মানুহ কেনি গৈছিল একো ধৰিব নোৱৰা কাৰণে ক'ত কোন পিনে যাব ধৰিব নোৱাৰি মোৰ ভয় দুগুণে বাঢ়িছিল। মই ইমান ভয় খাইছিলোঁ যে দিল্লী গৈ পোৱাৰ আশা বাদ দি ঘৰলৈ উভতি যোৱা পথ ধৰিব পাৰিলেই ৰক্ষা পৰিম বুলি ভগৱানৰ নাম বাৰে বাৰে মুখত লৈছিলোঁ। সেয়েহে ৰেলৱে বিষয়াজনে মোৰ পৰা টকা সাতটা বিচৰা কাৰণে তেওঁকে সুধি বাট পথ উলিয়াব পাৰিম বুলি মই অলপ সকাহ পায় দহ টকীয়া নোট এখন উলিয়াই দিলোঁ। তেওঁ এটকা দুটকাকৈ গণি মোক টকা চাৰিটা ওভোতাই

দিলে. মই বছিদ বিচাৰিলোঁ। তেওঁ মোৰ পিনে আচৰিত হৈ চাই 'আচ্ছা আৰু এটকা দিছোঁ' বুলি মোক আৰু এটা টকা দিলে। মই পাঁচ টকাৰ বছিদ বিচৰাত তেওঁ ক'লে যে মোক আৰু কোনেও দিগদাৰ নকৰে সেই কাৰণে বছিদ নেলাগে। তাৰ পিছত তেওঁ "আচ্ছা, তুমি স্কুলীয়া ল'ৰা, তোমাক আৰু এটকা দিছোঁ" বুলি অন্তৰ্দ্ধান হ'ল। তেতিয়াহে মই বুজিলোঁ যে তেওঁ টকা কেইটা মাৰিলে—কি সাধু লোক (?) আনৰ পৰা ছটকা মাৰে কিন্তু স্কুলীয়া ল'ৰাৰ পৰা চাৰি টকাতে সন্তুষ্ট। কোৱা বাহুল্য যে ভাল চোৰৰ ৰাজ্যত সোমালোঁ বুলি মই বৰ নিঃসহায় বোধ কৰিলোঁ।

কুৰি শতিকাৰ পঞ্চাছ আৰু ষাঠিৰ দশকত বেছি ভাগ তাৰ ঠিয়ৰ চেষ্টা হৈছিল কেনেকৈ ক'ৰ পৰা দুই চাৰি-পইচা সৎ বা অসৎ যেই কোনো উপায়েৰে ঘটিব পাৰে। গোটেই সমাজখনতে অসৎ উপায়েৰে ধন ঘটাৰ মানসিকতাই একপ্ৰকাৰ মহামাৰীৰ দৰে সকলোকে আক্ৰান্ত কৰিছিল। স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীয়েও ক'ত কেনেকৈ পইচা মাৰিব পাৰে তাৰ জল্পনা কল্পনা সঘনাই কৰিছিল। স্কুল-কলেজৰ ছাত্ৰ-সন্থা, খেল-ধেমালিৰ ছেক্ৰেটাৰী আদিয়ে তেওঁলোকে ব্যয় কৰিবলৈ দায়িত্ব পোৱা ধন আত্মসাৎ কৰাটো একপ্ৰকাৰ কৃতিত্ব বুলিয়েই বিবেচনা কৰিছিল।

স্বাধীনতা আন্দোলনৰ সময়ত বিদেশী বস্ত্ৰ বৰ্জন কৰা সকলেই পঞ্চাছ আৰু ষাঠিৰ দশকত বিদেশী লাহ বিলাহ বা উপভোগৰ সামগ্ৰী আহৰণ কৰাটো গৌৰৱৰ কথা বুলি জ্ঞান কৰা হ'ল। তেওঁলোকৰ সতি-সন্ততিতেও বিদেশী কাপোৰ, বিদেশী ৰেডিঅ', বিদেশী টেপ ৰেকৰ্ডাৰ, বিদেশী স্নো পাউডাৰ আদিৰ বাবে অতি নিৰ্লজ্জ ভাৱে লোভ কৰিবলৈ ধৰিলে। সেইবিলাকৰ কাৰণে প্ৰয়োজন হ'ল ধনৰ—অসৎ উপায়েৰে আহৰণ কৰা ধনৰ।

তেতিয়াৰে পৰা বিষয়-আসক্তিত সমাজখন এনেভাৱে জাহ গৈছে যে নৈতিকতা আৰু আধ্যাত্মিকতাৰ আদৰ্শবিলাক এটা এটকৈ খহি গৈছে আৰু জাতীয় অধঃপতনৰ গতি ৰোধ কৰাটো দিনক দিনে কঠিন হৈ পৰিছে।

## তেত্ৰিছ

# বিদ্যালয় নহয় বিত্তালয়

ক্ষয়িষ্ণু এখন সমাজৰ এনে ধ্বংসমুখী দুশ্চৰিত্ৰবোৰ বিশ্ববিদ্যালয়তো সোমাই পৰাটো স্বাভাৱিক। পৰীক্ষাৰ সংক্ৰান্তত কৰিব লগীয়া হোৱা কামবিলাক যেনে: ভিন ভিন কেন্দ্ৰত পৰীক্ষা চলোৱা প্ৰশ্ন কাকত লিখা, পৰীক্ষাৰ বহী চোৱা, পৰীক্ষাৰ বহী হুনাই-চোৱা আদি কামকো বহুতে ব্যৱসায় ৰূপেহে লৈছিল আৰু সেইবিলাকৰ পৰা যিমান পাৰে পইচা ঘটিবলৈহে চেষ্টা কৰিছিল। সেইদৰে অওহী-বওহী বা পইচা লৈ কোনো কোনোৱে অসৎ ভাৱে নম্বৰ বঢ়াই দিয়া আদি কাৰ্য্যতো লিপ্ত হৈছিল। এইবিলাকৰ বিপক্ষে বিদ্যালয়খনৰ প্ৰতিৰক্ষা কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল কৃষ্ণকান্ত সন্দিকৈ, ফণীধৰ দত্ত আৰু কেইগৰাকীমান অতি নিষ্ঠাবান শিক্ষাবিদ আৰু বিশ্ববিদ্যালয়ৰ বিশ্বস্ত কৰ্মচাৰীয়ে। ডঃ বাণীকান্ত কাকতি, (                ), ৰাধাকান্ত দাস (        —,১৯৮৩), শ্ৰীঅতুলচন্দ্ৰ দত্ত (                ), শ্ৰীহৰিশ গোস্বামী (                ), শ্ৰীউমাকান্ত গোস্বামী (                ), শ্ৰীবিজয় সেন আদি কটন কলেজৰ কেইগৰাকীমান প্ৰবীণ অধ্যাপক, শ্ৰীবদন ডেকা, মোঃ হাচৰী, কৃষ্ণদত্ত হাজৰিকা, শ্ৰীনৰেন গোস্বামী আদি কেইগৰাকীমান বিশ্ববিদ্যালয়ৰ বিশ্বস্ত বিষয়া আৰু কৰ্মচাৰীৰ সহায়ত দত্ত আৰু সন্দিকৈ বিশ্ববিদ্যালয়খন অধঃপতনে যোৱাৰ পৰা ৰক্ষা কৰিবলৈ সমৰ্থ হৈছিল। কিন্তু লাহে লাহে উপৰোক্ত লোকসকলে কৰ্মময় জীৱনৰ পৰা অৱসৰ লোৱাৰ লগে লগে আৰু সমাজত দুৰ্নীতিৰ প্ৰভাৱ বাঢ়ি যোৱাৰ লগে লগে এইটো একপ্ৰকাৰ স্পষ্ট হৈছিল যে গুৱাহাটী বিশ্ববিদ্যালয়খনকো ইয়াৰ কেউপিনৰ পৰা ঘেৰি থকা সমাজখনৰ অপকৰ্মই ছানি ধৰিব। বিশ্ববিদ্যালয়ৰ লগত ঘনিষ্ঠভাৱে জড়িত কেইগৰাকীমান ঠিকাদাৰ, বিষয়া, অধ্যাপক আদিয়ে ডাঙৰ ডাঙৰ পকীঘৰ সজা দেখি আৰু পৰীক্ষাৰ ক্ষেত্ৰতো কোনো কোনোৱে দুৰ্নীতি অৱলম্বন কৰা দেখি তেওঁ 'এইখন বিদ্যালয় নহৈ বিত্তালয়'হে হ'বগৈ বুলি আক্ষেপ কৰিবলৈ ধৰিলে।

## গান্ধী টুপী পিন্ধা কিছুমান

গান্ধীজীৰ কাৰণে ভাৰতৰ স্বাধীনতা আছিল আৰ্য্যভূমি ভাৰতৰ ধৰ্ম সংস্থাপনৰ বাবে অতি প্ৰয়োজনীয় প্ৰথম পদক্ষেপ। ভাৰতৰ সাধাৰণ ৰাইজে যাতে আধ্যাত্মিক লক্ষ্যেৰে অনুপ্ৰাণিত জীৱন নিৰ্বাহ কৰিব পাৰে তাৰ কাৰণে প্ৰকৃত বাতাবৰণ সৃষ্টি কৰিবলৈ তেওঁ বিচাৰিছিল। সেয়েহে তেওঁ যিদৰে ভাৰতৰ পৰা বিদেশীৰ শাসনৰ অন্ত পেলাবলৈ চেষ্টা কৰিছিল ঠিক সেইদৰে ভাৰতীয় সমাজৰ হিংসা-দ্বেষ, অস্পৃশ্যতা, জাতিভেদ আদি মহাদানৱবিলাককো নাশিবলৈ চেষ্টা কৰিছিল। কিন্তু গান্ধী টুপী পিন্ধা ভাৰতৰ আন বহু লোকৰে (বিশেষকৈ উচ্চ মধ্যবিত্ত বা মধ্যবিত্ত শ্ৰেণীৰ লোকৰে) ভাৰতৰ স্বাধীনতা আছিল বৃটিছৰ হাতৰ পৰা ক্ষমতা কাঢ়ি নিজৰ প্ৰতিপত্তি বঢ়োৱাৰ সম্ভাৱনা। এইসকল লোকে সুভাষ বসুৰ দৰে অস্ত্ৰ-শস্ত্ৰেৰে বৃটিছ সিংহৰ লগত যুঁজ কৰিবলৈ সাহস নকৰিছিল নাইবা সৰ্বসাধাৰণৰ অন্তৰ জয় কৰিব পৰা স্বাৰ্থত্যাগ বা শক্তিও তেওঁলোকৰ নাছিল। সেয়েহে, গান্ধীজীৰ ছাঁয়াতে থাকি গান্ধীজীয়ে জগাই তোলা ভাৰতবাসীয়ে স্বাধীনতা আন্দোলনৰ সফল সামৰণিলৈ অপেক্ষা কৰাটোৱেই আছিল তেওঁলোকৰ কাৰণে শ্ৰেষ্ঠ উপায়।

সেইসকলৰ বহুতেই স্বাধীনতাৰ পিছত ক্ষমতাত অধিষ্ঠিত হ'ল, বহুতে খোৱা কামোৰাও কৰিব লগীয়া নোহোৱা নহয়। এতিয়া এইটো ভালদৰে বুজা যায় যে ক্ষমতালোভী এই সকল নেতাই নিজৰ স্বাৰ্থৰ কাৰণে গান্ধীজীক ব্যৱহাৰ কৰিলে। সেয়েহে স্বাধীনতা লাভৰ পিছত তেওঁলোকে গান্ধীবাদক সম্পূৰ্ণ বিসৰ্জন দিলে। সমাজ সেৱা কৰি দেশখনে লাভ কৰা স্বাধীনতাৰ সৎব্যৱহাৰ কৰিবলৈ গান্ধীজীয়ে দিয়া উপদেশ তেওঁলোকে নেমানিলে। এই ক্ষমতাপ্ৰাপ্ত ক্ষমতালোভী সকলে ক্ষমতাত অধিষ্ঠিত হৈ ক্ষমতাৰ অপব্যৱহাৰ কৰিবলৈহে ধৰিলে। তাৰ ফলস্বৰূপে পুণ্যভূমি ভাৰতত ধৰ্ম সংস্থাপন নহৈ অন্যায়, অধৰ্ম আৰু দুৰ্নীতিহে প্ৰকোপ বাঢ়িল। মন্ত্ৰী আৰু বিধায়কসকল বিপুল ক্ষমতাৰ অধিকাৰী হ'ল—চাকৰি দিয়া ঠিকা দিয়া, পাৰ্মিট দিয়া আৰু আইনক বাধা দিয়াৰ ক্ষমতা তেওঁলোকৰ হাতত

পৰিল। সেয়েহে তেওঁলোকে সুবিধাবাদী আৰু বিষয় আসক্ত লোকক প্ৰয়োজনীয় সুবিধা দি এনেভাৱে ধন সম্পত্তি কৰিবলৈ ধৰিলে যাতে তেওঁলোকৰ নাতি পুতি আটায়ে নিশ্চিন্তে খাব পাৰে। কংগ্ৰেছী নেতাৰ এনে ঐশ্বৰ্য্য বিভূতি দেখি বহুতৰে চকু পুৰিলে। সেয়েহে সেই সময়ৰ বেছি ভাগ কংগ্ৰেছী নেতাকে মানুহে 'কানি-বেপাৰী' বুলি সন্দেহ কৰিছিল। স্বাধীনতাৰ পিছত বহু কংগ্ৰেছী পাত্ৰ-মন্ত্ৰী নেতা আদিক 'কানি বেপাৰী' বুলি ৰবা অভিযোগ কাগজে পত্ৰেও সঘনাই ওলাইছিল। তেওঁলোক দুই এজনৰ কথা গোপীনাথ বৰদলৈয়ে ডায়েৰিত লিখি থৈ গৈছে।

## বিশ্ববিদ্যালয়ত ব্যৰ্থ-প্ৰয়াসী নেতা

গান্ধীজীৰ ছঁয়াতে বহি ৰাজনীতিৰ মেৰবোৰৰ গতিবিধি লক্ষ্য কৰি থকা বহুতো শিক্ষিত, মধ্যবিত্ত শ্ৰেণীৰ লোকে কংগ্ৰেছী চৰকাৰৰ ক্ষমতাৰ ভাগ নেপালে বা কংগ্ৰেছী আমোলৰ দুৰ্নীতিৰ সোৱাদ ল'বলৈ নেপালে। এওঁলোকৰ বহুতেই কমিউনিষ্ট বা ছচিয়েলিষ্ট দলৰ লোক আছিল বা পিছত সেই কেইটা দলত যোগদান কৰিছিল। প্ৰথমে এওঁলোকে আশা কৰিছিল যে অনতিপলমে কংগ্ৰেছ চৰকাৰৰ পতন হ'ব আৰু তেতিয়া ক্ষমতা তেওঁলোকৰ হাতলৈ আহিব। গান্ধীজীয়ে বৃটিছ চৰকাৰৰ পতন ঘটোৱাৰ দৰে এওঁলোকেও আশা কৰিছিল যে সেই একে পদ্ধতিৰে তেওঁলোকে কংগ্ৰেছ চৰকাৰৰ পতন ঘটাব পাৰিব। সেয়েহে তেওঁলোকে সত্যাগ্ৰহ, শোভাযাত্ৰা, অনশন, বিনাশন আদি নানা পদ্ধতি ঘটালে আৰু ৰাইজক জগাই তুলিবলৈ মেলে মিটিঙে নানা ধৰণেৰে লম্ফজম্ফ কৰিবলৈ ধৰিলে। কিন্তু, ক্ষমতা আহৰণ কৰিবলৈ বা কংগ্ৰেছ চৰকাৰৰ পতন ঘটাবলৈ তেওঁলোকে সম্পূৰ্ণ ব্যৰ্থ হ'ল। ষাঠিৰ দশকত এইটো স্পষ্ট হ'ল যে কংগ্ৰেছী চৰকাৰক ক্ষমতাচ্যুত কৰাটো সহজ কথা নহ'ব। সেই কাৰণে তেওঁলোকৰ বহুতো লোক খুব হতাশ হ'ল। কোনো কোনোৱে কমিউনিষ্ট, ছচিয়েলিষ্ট আদি বিৰোধী দল এৰি কংগ্ৰেছত যোগদান কৰিলে আৰু কেনেবাকৈ ভাগ্য সুপ্ৰসন্ন হোৱাৰ ক্ষণ গণিবলৈ ধৰিলে।

আন বহুতে আকৌ নতুন দল গঠন কৰিবলৈ ধৰিলে। সেই দুই পক্ষত অকণো আশা নেদেখা কোনো কোনোৱে শিক্ষকতা কৰিবলৈ ল'লে।

শ্ৰীসন্দিকৈয়ে বিশ্ববিদ্যালয়ৰ আগ দুৱাৰত তাং লগালে যদিও বিশ্ববিদ্যালয়ৰ পিছ দুৱাৰ এওঁলোকৰ কাৰণে সম্পূৰ্ণ মুকলি হ'ল। সেইদৰে এম-এল-এ সকল আহি বিশ্ববিদ্যালয়ত নেজ জোকাৰি বিশ্ববিদ্যালয়ৰ স্বতন্ত্ৰতাক কলুষিত নকৰিবলৈ শ্ৰীসন্দিকৈয়ে দিয়া ইঙ্গিত শ্ৰীগোপীনাথ বৰদলৈ, শ্ৰীঅমিয়কুমাৰ দাসে বুজিব পাৰি এম-এল-এ সকলক বিশ্ববিদ্যালয়ৰ চাৰিবেৰৰ পৰা আঁতৰাই ৰাখিবলৈ আৰু নিজেও বিশ্ববিদ্যালয়ৰ কাম কাজত কোনো প্ৰকাৰে হেঁচা দিয়াৰ পৰা বিৰত থাকিবলৈ চেষ্টা কৰিছিল যদিও পিছৰ শিক্ষামন্ত্ৰীসকলে তাৰ ওলোটাহে কৰিবলৈ ধৰিলে। এই শিক্ষামন্ত্ৰী আৰু আন মন্ত্ৰীসকলে বিশ্ববিদ্যালয়ত তেওঁলোকৰ স্বাৰ্থসিদ্ধি কৰিব পৰা লোকক সযত্নে স্থাপন কৰিলে। ফলস্বৰূপে বিশ্ববিদ্যালয়খনৰ ভাগ্য নিৰ্ণয় কৰা বিশ্ববিদ্যালয় কৰ্টখনত ৰাজনৈতিক চাতুৰীৰ খেলহে বেছিকৈ চলিবলৈ ধৰিলে।

## সন্দিকৈৰ প্ৰস্থান

১৯৫৬ চনৰ পৰাই শ্ৰীকৃষ্ণকান্ত সন্দিকৈ বিশ্ববিদ্যালয়ৰ ভৱিষ্যতৰ প্ৰতি সন্দিহান হ'ল। তাক ৰক্ষা কৰাৰ তেওঁ কোনো উপায় নেদেখিলে। বাস্তৱজ্ঞাৰ বিশেষ জ্ঞান থকা সন্দিকৈ ডাঙৰীয়াই সেয়েহে ১৯৫৭ চনত বিশ্ববিদ্যালয় এৰি যাবলৈ ঠিক কৰিলে আৰু শ্ৰীদত্তকো ক'লে,

"ফণী, তুমিও ইয়াৰ পৰা সোনকালে ওলোৱা। ইয়াত এতিয়া বৰ বেয়া মানুহ সোমাইছে।"

উপাচাৰ্য্যৰ তৃতীয়বাৰৰ ম্যাদ উকলি যোৱাৰ আগে তেনেদৰে কৈ তেওঁ টালি টোপোলা বান্ধি যোৰহাটলৈ উভতি গ'ল। আকৌ চতুৰ্থবাৰৰ কাৰণে উপাচাৰ্য্য হ'বৰ কাৰণে তেখেতক বহুতেই জোৰ কৰিলে, কিন্তু তেখেতে বিশ্ববিদ্যালয়খনৰ পবিত্ৰতা আৰু স্বতন্ত্ৰতা ৰক্ষা কৰিবৰ কোনো উপায় নেদেখি উপাচাৰ্য্যৰ ভাৰ ল্লনাই

ল'বলৈ ইচ্ছা নকৰিলে। যি শ্ৰমে তেওঁৰ আত্মাক সন্তুষ্ট কৰিব নোৱাৰিছিল তেওঁ সেই শ্ৰমৰ লগত, সেই প্ৰতিষ্ঠানৰ লগত নিঃসঙ্গ হ'বলৈকে বিচাৰিলে।

শ্ৰীদত্তই কিন্তু নিজকে বিশ্ববিদ্যালয়খনৰ পৰা সন্দিকৈৰ দৰে বিচ্ছিন্ন কৰিব নোৱাৰিছিল। জ্ঞানযোগী সন্দিকৈয়ে জ্ঞানৰ অন্বেষণতেই তৃপ্তি লাভ কৰিছিল। সেই অন্বেষণৰ অৱদনৰ সমন্বকৰণ তেওঁ অসমৰ শিক্ষা জগতৰ হিতৰ কাৰণে ব্যয় কৰি তেওঁ আনন্দ পাইছিল সঁচা কিন্তু তেওঁৰ সেই শ্ৰম মৰুভূমিৰ ওপৰত বালিত পৰা দুই এটোপাল পানীৰ দৰে নিশ্চিহ্ন হোৱাটো তেওঁ নিবিচাৰিছিল। কিন্তু কৰ্মযোগী ফণীধৰ দত্তৰ কাৰণে বিশ্ববিদ্যালয়খনৰ কাৰণে নিজৰ সৰ্বশক্তি প্ৰয়োগ কৰি শ্ৰম কৰি যোৱাটোৱেই আছিল জীৱনৰ একমাত্ৰ অন্বেষণ। শ্ৰীমাধৱ ভট্টাচাৰ্য, শ্ৰীসুৰেন বুঢ়াগোঁহাই, শ্ৰীবিনন্দ বৰুৱাৰ দৰে তেওঁৰ বন্ধুসকলে, শ্ৰীজেহ'ৰুদ্দিন আহমদ, শ্ৰীৰামেশ্বৰ বৰুৱা, শ্ৰীহৰ্ষ সেনৰ দৰে তেওঁৰ শিক্ষকসকলে, শ্ৰীশৰৎ গোস্বামী, শ্ৰীগোলোক বেজবৰুৱা, চিলমন চাহাব, বাৰ্ড চাহাব আদিৰ দৰে সমাজৰ হিতাকাঙ্ক্ষী লোকসকলে যি আশাৰে তেওঁৰ নিচিনা এজন পিতৃহীন দুখীয়া গাঁৱলীয়া লৰাক উচ্চশিক্ষা লাভ কৰাত সহায় কৰিছিল সেই আশা সফল কৰিবলৈ, সেই শুভাকাঙ্ক্ষীসকলৰ ঋণ পৰিশোধ কৰিবলৈ তেওঁৰ কাৰণে একমাত্ৰ পথ আছিল বিশ্ববিদ্যালয়ৰ কাৰণে নিঃস্বাৰ্থভাৱে শ্ৰম কৰি যোৱা। ইতিমধ্যে, বিশ্ববিদ্যালয়খনে যি গঢ় লৈছিল তাক ত.ৰ দুই এবছৰতে সম্পূৰ্ণ কৰাৰ আশা তেওঁলোকে ৰাখিছিল। জালুকবাৰীৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ কৰি বিশ্ববিদ্যালয়খন অ.ৰু অলপ থানথিত লগাব পাৰিলেই লোকপ্ৰিয় ৰবদলৈদেৱে তেওঁলোকৰ ওপৰত বিশ্বাসেৰে অৰ্পণ কৰা দায়িত্ব সম্পূৰ্ণ কৰা হ'ব বুলি তেওঁ ভাবিছিল। শ্ৰীসন্দিকৈৰ অবিহনে বিশ্ববিদ্যালয়ৰ বাকী থকা কামখিনি সম্পূৰ্ণ কৰা সম্ভৱ নহ'ব বুলি ভাবি শ্ৰীদত্তই যোৰহাটলৈ গৈও শ্ৰীসন্দিকৈক খাটিলে তেখেতে যেন আকৌ উপাচাৰ্য্যৰ প্ৰাৰ্থী হয় আৰু তেওঁ নিজেই শ্ৰীসন্দিকৈৰ নামটো প্ৰস্তাৱ কৰোৱাৰ ভাৰ ল'ব বুলি ক'লে। শ্ৰীসন্দিকৈয়ে ভাবি চাই পিছত জনাম বুলি শ্ৰীদত্তক বিদায় দিলে কিন্তু পিছত তেওঁ নাহিবলৈকে ঠিক কৰিছো বুলি এদিন ফোন কৰি জনালে। সন্দিকৈৰ ফোনটো পোৱাৰ পিছত ফণীদত্তক অতিশয় হতাশ হোৱা দেখা গৈছিল।

## পঞ্চাছৰ দশকৰ যোৰহাট

বিশ্ববিদ্যালয়ৰ পৰা অৱসৰ লৈ কৃষ্ণকান্ত সন্দিকৈয়ে যোৰহাটতে থাকিবলৈ লয়। কিন্তু ইতিমধ্যে যোৰহাটৰ বহু পৰিবৰ্তন হয়—সন্দিকৈ দত্ত তুলসীনাৰায়ণ শৰ্মা

সুৰেন বুঢ়া গোঁহাই জেহিকদিন আহমদ আদি লোকে ডেকা কালত অৰ্থাৎ কুৰি শতিকাৰ আগ ভাগত যোৰহটীয়া সমাজলৈ অনা প্ৰতিশ্ৰুতি স্বাধীনতাৰ পিছত অহা ৰাজনীতিয়ে কলঙ্কিত কৰিলে।

কুৰি শতিক'ৰ আগ ভাগৰ যোৰহটীয়া সমাজত উনৈছ শতিকাৰ জ্ঞান, ধাৰণা আৰু মানসিকতা কিছু বিৰাজ কৰিছিল যদিও যোৰহটীয়া ডেকাসকলে সেইবিলাক ভেই গৈ যে আৰু বহল মনৰ অধিকাৰী হ'ব পাৰিছিল তাক যোৰহাট কলেজৰ প্ৰতিষ্ঠাৰ পৰাই বুজিব পাৰি। আগৰ জাতি-ভেদ, শ্ৰেণী-ভেদ, ধৰ্ম-ভেদ আদিৰ ঠাইত মিলা-প্ৰীতি, স্বাৰ্থত্যাগ, শিক্ষাৰ সম্প্ৰসাৰণৰ প্ৰতি ধাউতি আদি বেছিকৈ দেখিবলৈ পোৱা গৈছিল। আন নেলাগে, ফণীদত্তই উল্লেখ কৰা একেখন বেঞ্চতে হেঁপাঠেলা কৰি বহা বন্ধু পাঁচজনকে চাওক—ইন্দ্ৰকান্ত সন্দিকৈ (চাহ খেতিয়কৰ সন্তান), সুৰেন বুঢ়া গোঁহাই (আহোমৰ ৰাজমন্ত্ৰী—পূৰ্ণানন্দ বুঢ়াগোঁহাইৰ আজো নাতি, ফণী দত্ত (এজন পাইকৰ নাতি), মাধৱ ভট্টাচাৰ্য্য (এজন সম্ভ্ৰান্ত ব্ৰাহ্মণৰ সন্তান আৰু উচ্চ-বিষয়াৰ আত্মীয়) আব্দুল মজিদ (এজন মুছলমান,—কি এক অপূৰ্ব মিলন আৰু কি এক অপৰূপ বন্ধুত্ব! তেওঁলোকৰ বন্ধুত্বৰ কথা সুৰেন বুঢ়াগোঁহাই, দত্ত আৰু ভট্টাচাৰ্য্যৰ পত্নীসকলে আজিও হুমুনিয়াহ কাঢ়ে, "আজিকালি তেনেকুৱা বন্ধু ক'ত পাবা?" আজিকালিৰ যোৰহাটত বিৰাজ কৰা বামুণ শূদ্ৰৰ ভেদভাবৰ অন্তৰ প্ৰবাহ সেই দিনত নাছিল—অন্ততঃ লেই লেই ছেই ছেই কৰা বা হিংসাহিংসিৰ ভাব তেতিয়া লাহে লাহে লোপ পাইছিল। শূদ্ৰ ফণী দত্তৰ ছাত্ৰ জীৱনত অতি আন্তৰিকতাৰে সহায় কৰা সকলৰ বেছি ভাগেই আছিল ব্ৰাহ্মণ (যেনে শৰৎ গোস্বামী, কমল বৰুৱা, বিনন্দ বৰুৱা, পুৰন্দৰ শৰ্মা, গোলোক বেজবৰুৱা, মাধৱ ভট্টাচাৰ্য্য আদি)। সেই সময়ৰ যোৰহাটৰ হিন্দু-মুছলমানৰ মাজত আছিল বিশেষ সম্প্ৰীতি। আজি কিছুদিন আগতে শ্ৰীবিনন্দ বৰুৱাই ১৯২০ কি ১৯২১ চনৰ ঘটনা এটা বৰ্ণনা কৰিছিল—তেওঁলোকে বন্ধু কেইজনে যোৰহাটত ঘূৰি ফুৰোঁতে সন্ধিয়া লাগিল আৰু এটা মছজিদৰ পৰা আজানৰ পবিত্ৰ ধ্বনি ভাঁহি আহিল। সেই আজান শুনি এজন বুঢ়া হিন্দু ভকতে মছজিদৰ পিনে মূৰ দোঁৱাই সেৱা জনালে। তাকে দেখি তেওঁলোকৰ এজনে, "ককাই, তুমি দেখোন মছজিদলৈহে সেৱা যাচিলা?" বুলি সোধাত হেনো সেই বুঢ়াজনে উত্তৰ দিছিল "আমি ভগবানক ত'তেও দেখিছোঁ।" তাকে শুনি তেওঁলোক আটায়ে মছজিদলৈ সেৱা জনাইছিল। সেইদৰে সন্ধিয়া দূৰৈৰ নামঘৰৰ পৰা ভবাৰ ধ্বনি শুনিলে তেওঁলোক হিন্দু-মুছলমান আটায়েই ভগৱানৰ নাম লৈ

ঘৰ নুৰা হৈছিল। বিনন্দ বৰুৱাৰ মতে তেওঁলোকৰ দিনত যোৰহাটৰ চৰকাৰী হাইস্কুলৰ সৰস্বতী পূজা যেতিয়াদিন আহমদ ছাবৰ অবিহনে হোৱাটো একপ্ৰকাৰ অসম্ভৱ আছিল, কিয়নো পূজাৰ মণ্ডপ সজোৱা, প্ৰতিমাৰ থাপনা সজোৱা, নাচ-গান-থিয়েটাৰ আদি কৰোৱা সকলো কামৰ দিহা তেওঁহে লগাব পাৰিছিল।

সেইখন যোৰহাট কেনে পবিত্ৰ আছিল তাক সহজেই অনুমান কৰিব পাৰি। সেইকালৰ যোৰহটীয়া ডেকাসকলক দেখি অসমৰ আন আন চহৰৰ লোকে বিস্ময় মানিছিল। তেতিয়াৰ যোৰহাটত এখন মিলাপ্ৰীতিৰ নতুন সমাজ গঢ়ি উঠাৰ সকলো সম্ভাৱনাই দেখা গৈছিল। আজি কিছুদিন আগতে তেনে এখন যোৰহাটৰ কথা যোৰহাটৰ এজন বয়োবৃদ্ধ নাগৰিক শ্ৰীহৰেন ভৰালীৰ লগত আলোচনা কৰি থাকোঁতে তেখেতৰ পত্নীয়ে আবেগত কৈছিল, "হেৰ', আজিকালিনো আমাৰ ডেকাবিলাকে কি কৰে হে, আজিকালিনো দেশখন কেলেই এনেকুৱা হ'ল বাৰু?" তেখেতে অৱশ্যে আজিকালিৰ যোৰহাটত বিৰাজ কৰা বামুণ-শূদিৰ, হিন্দু-মুছলিম, ধনী-দুখীয়া আদি ভেদভাবৰ প্ৰচ্ছন্ন কিন্তু ভয়ানক অন্তৰ প্ৰবাহৰ কথাই ভাবিছিল। স্বাধীনতাৰ পিছতহে ভেদভাব, স্বাৰ্থপৰতা, খিয়লাখিয়লি আদি যোৰহাটত বেছিকৈ সোমাল। তেনে হোৱাৰ প্ৰধান কাৰণ আছিল ৰাজনৈতিক ক্ষমতা।

ৰাজনৈতিক ক্ষমতাৰ কাৰণে প্ৰয়োজন হ'ল দল গোটোৱাৰ। দল গোটাবলৈ নেতাসকলে আদৰ্শৰ সহায় নলৈ বিভেদৰ সৃষ্টি কৰিলে—শ্ৰেণী-ভেদ, ধৰ্ম-বিভেদ, জাতি-ভেদ আদি। পৰিকল্পনা চলিল কেনেকৈ ব্ৰাহ্মণ ভোট পাওঁ, কেনেকৈ মুছলমান ভোট পাওঁ, কেনেকৈ শূদিৰৰ ভোট পাওঁ আদিৰ। ভোটেই যোৰহাটৰ কাৰণে আৰু সমগ্ৰ অসমৰ কাৰণ ভূত হ'ল। নেতাসকলৰ কোনোৱে ক্ষমতা পালে আৰু কোনোৱে নেপালে—কিন্তু ক্ষমতা পাওকেই বা নেপাওকেই তেওঁলোকে কিন্তু বিভেদ সৃষ্টি কৰি থাকিল।

কৃষ্ণকান্ত সন্দিকৈয়ে ১৯৪৮ চনত এৰি থৈ যোৱা উজ্জ্বল সম্ভাৱনাৰ যোৰহাটত উভতি গৈ ১৯৫৭ চনত দেখিবলৈ পালে এক বিশৃঙ্খল যোৰহাট। আনকি তেতিয়া যোৰহাট কলেজতো ৰাজনৈতিক চাতুৰী স্পষ্ট হৈছিল। ইতিমধ্যে যোৰহাট কলেজৰ অধ্যক্ষ শ্ৰীতুলসী নাৰায়ণ শৰ্মা স্বৰ্গী হয় আৰু তেওঁৰ পিছত শ্ৰীসন্দিকৈ আৰু শ্ৰীদত্তৰ পৰামৰ্শতে কলেজৰ তেতিয়াও থকা একমাত্ৰ প্ৰতিষ্ঠাপক অধ্যাপক গুণগোবিন্দ দত্তক অধ্যক্ষ নিযুক্ত কৰা হয়। কিন্তু গুণগোবিন্দ দত্তৰ হাতলৈ অধ্যক্ষৰ ক্ষমতা যোৱাটো এক শ্ৰেণীৰ লোকে ভাল নেপালে। সেই দলটোৱে গুণগোবিন্দ দত্তক অধ্যক্ষৰ পৰা আঁতৰাবলৈ উঠি পৰি লাগিল।

যোৰহাটৰ পৰা প্ৰকাশ হোৱা 'সাপ্তাহিক জনমভূমি'ৰ সম্পাদকীয়তো হেনো "এনে এজন অনুপযুক্ত অধ্যক্ষক অপসাৰণ কৰাহে যুগুত" বুলি বৰ জেৰী বলোৱা হ'ল। তেখেতৰ বিপক্ষে নানা অভিযোগ অনা হ'ল। কি আচৰিত কথা, গুণগোবিন্দ দত্তক আঁতৰাবলৈ চেষ্টা কৰা প্ৰায় সকলো লোকেই আছিল একে জাতৰ। সেই বিলাক দেখি সন্দিকৈয়ে বিচুৰ্তি খালে।

তথাপি তেনে এখন যোৰহাটৰ নেতা শ্ৰীদেৱেশ্বৰ শৰ্মা ১৯৫৮ চনত অসমৰ শিক্ষামন্ত্ৰী হয়। ইতিমধ্যে ড° সূৰ্য্যকুমাৰ ভূঞা গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য নিযুক্ত হয় আৰু একো অঘটন নঘটোৱাকৈ কিছুদিন চলোৱাৰ পিছত ১৯৬০ চনত তেওঁৰ পুনৰ নিৰ্বাচনৰ দিন কাষ চাপে।

ষষ্ঠ ভাগ

# গুৱাহাটী বিশ্ববিদ্যালয়ৰ দুৰ্যোগ (১৯৫৯-৬৩)



# চৌত্রিছ

## শিক্ষামন্ত্রী দেবেশ্বৰ শৰ্মা পৰ্ব

১৯৬০ চনত উপাচাৰ্য্য আৰু ৰেজিষ্ট্ৰাৰ নিযুক্তিৰ দিনৰ আগেয়েই ডঃ সূৰ্য্যকুমাৰ ভূঞা আৰু শ্ৰীফণীধৰ দত্তক আঁতৰাই নিজৰ প্ৰভুত্ব বৃদ্ধি কৰিব পৰা ব্যক্তিক নিযুক্ত কৰিবলৈ কেইবাটাও দল বিশেষ সক্ৰিয় হ'ল। যেনে, সেই সময়ত কিছুদিনৰ কাৰণে শিক্ষামন্ত্ৰী হোৱা শ্ৰীদেবেশ্বৰ শৰ্মাই সম্ভৱ বিচাৰিছিল বিশ্ববিদ্যালয়খন ব্ৰাহ্মণলোকৰ হাতলৈ অহাটো, সেয়েহে তেখেতে সেই গোষ্ঠীৰ এজনক উপাচাৰ্য্য পাতিবলৈ আৰু কটন কলেজৰ ৰসায়ন বিভাগৰ অধ্যাপক শ্ৰীপ্ৰসন্ন গোস্বামীক ৰেজিষ্ট্ৰাৰ পদত অধিষ্ঠিত কৰিবলৈ উঠি পৰি লাগিল। শ্ৰীপ্ৰসন্ন গোস্বামী ( শ্ৰীশৰৎচন্দ্ৰ গোস্বামীৰ আত্মীয় ) আৰু শ্ৰীদত্তৰ অতিশয় আন্তৰিক আৰু ঘনিষ্ঠ সম্বন্ধ আছিল। তেখেতে ৰেজিষ্ট্ৰাৰ পদৰ কাৰণে দৰ্খাস্ত কৰি আহি শ্ৰীদত্তক ক'লে, "দাদা বৰ বেয়া কথা হ'ল, এডুকেচন মিনিষ্টাৰে শ্ৰীদিবাকৰ গোস্বামীক উপাচাৰ্য্য আৰু মোক ৰেজিষ্ট্ৰাৰ পাতোঁ বুলি কৈছে। মোৰ হতুৱাই আজি জোৰ কৰি দৰ্খাস্ত দিয়াইছে। আপুনি কিবা কৰি মোৰ দৰ্খাস্তখন ফালি পেলাব পাৰিলে ভাল হয়।"

তাৰ দুদিনমান পিছত শ্ৰীশৰ্মাই দত্তক লগ ধৰি ক'লে, "হেৰ ফণী, ব'লাহে তোমাৰ নিচিনা মানুহ যোৰহাটত বৰ দৰকাৰ হৈছে।" কোৱা বাহুল্য যে শ্ৰীদেবেশ্বৰ শৰ্মা যোৰহাটৰ লোক আৰু তেখেতৰ এই যোৰহটীয়া কথাষাৰৰ সংকেত আছিল এয়েই যে শ্ৰীদত্তই পুনৰ ৰেজিষ্ট্ৰাৰ হ'বলৈ চেষ্টা নকৰাই ভাল, কাৰণ শিক্ষামন্ত্ৰী হিচাপে তেওঁ তাৰ বিৰোধিতা কৰিব। শ্ৰীদেবেশ্বৰ শৰ্মাৰ সেই সময়ত এজন শত্ৰু আছিল শ্ৰীদেবকান্ত বৰুৱা। সেই সময়ত এই দুজন 'দেবে'ই অসমত 'বামুণ-শূদিৰ' ভেদাভেদৰ যুঁজ কৰা যেন দুটাৰ ঘাই সেনাপতি সদৃশ আছিল যেন অনুমান হয়।

দেৱকান্ত বৰুৱাইও গুৱাহাটী বিশ্ববিদ্যালয়ত বিশেষ প্ৰভুত্ব বিস্তাৰ কৰিবলৈ বিচাৰিছিল আৰু সেই ক্ষেত্ৰত তেওঁৰ বিশ্ববিদ্যালয়ত খোপনি আছিল তেওঁৰ ওচৰ সম্বন্ধীয়া ভায়েক আৰু বিশ্ববিদ্যালয়ৰ কলা বিভাগৰ ডঃ বিৰিঞ্চিকুমাৰ বৰুৱা আৰু দুই এজন বিষয়া।

## অপপ্ৰচাৰ

১৯৫৯ চনৰ শেষাৰ্দ্ধত, অৰ্থাৎ ১৯৬০ চনত হ'ব লগীয়া উপাচাৰ্য্য আৰু ৰেজিষ্ট্ৰাৰৰ নিযুক্তিৰ আগে আগে, অসমৰ বাতৰি কাকতবিলাকৰ সম্পাদকলৈ চিঠি পিতানত বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ বিপক্ষে নানা অভিযোগ তুলি ছদ্মনাম দি লিখা হয়। এই অভিযোগবিলাকৰ বেছিভাগেই আছিল মনে গঢ়া অসত্য কথা, উৰা বাতৰি বা তিলকে তাল কৰা সত্য। এইবিলাকৰ যাই উদ্দেশ্য আছিল উপাচাৰ্য্যৰ নিৰ্বাচনী আৰু ৰেজিষ্ট্ৰৰৰ পুনৰ নিযুক্তিৰ আগতে এনে এক ধুমুহা অনা যাতে বাইজে উপাচাৰ্য্য ডঃ সূৰ্য্যকুমাৰ ভূঞা আৰু ৰেজিষ্ট্ৰাৰ শ্ৰীফণীধৰ দত্তৰ ওপৰত আস্থা হেৰুৱায় আৰু স্বাৰ্থান্বেষী মহলে নিজৰ মনোনীত প্ৰাৰ্থীক সেই কেইটা পদবীত নিযুক্ত কৰিবলৈ সমৰ্থ হয়। এনে বেনামী পত্ৰেৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ধ্বংসাত্মক সমালোচনাৰ বিষময় পৰিণতিৰ বিষয়ে অৱশ্যে দুই এজনে সাহসেৰে সতৰ্ক কৰি নিদিয়াও নহয়। তলত এনে এখন গুৰুত্বপূৰ্ণ চিঠি উদ্ধৃত কৰিলোঁ।—

### 'পৰীক্ষক বনাম পৰীক্ষাৰ্থী'

সম্পাদক ড.গুৱীয়া,

বাতৰি কাকতত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰীক্ষা পদ্ধতি সম্বন্ধে বহুতো ধ্বংসাত্মক সমালোচনা প্ৰকাশ পাইছে। উচিত প্ৰতিবিধান ব্যৱস্থাৰ উল্লেখ নকৰকৈ এনে ধৰণৰ ধ্বংসাত্মক সমালোচনা প্ৰকাশ কৰাৰ পৰা ফল ভাল হোৱাৰ আশা নাই। বিশেষকৈ বিশ্ববিদ্যালয়ৰ কাৰণে এইটো মৰ্য্যাদাহানিকৰ। ইয়েই বিশ্ববিদ্যালয়ৰ গুৰুত্ব কমাই দিব। আনকি ছাত্ৰসকলৰো ঘোৰ অন্যায় কৰিব। ছাত্ৰ সমাজত এই ধাৰণা বদ্ধমূল হ'লে ইয়াৰ পৰিণাম ভয়াবহ হ'ব। ছাত্ৰসকলে ইয়াৰ প্ৰতিবিধানৰ কাৰণে আইন শৃঙ্খলা ভংগ কৰি বিশ্ববিদ্যালয়ৰ দৈনন্দিন কাৰ্য্যত হস্তক্ষেপ কৰিবলৈ উদগনি পাব। ছাত্ৰ সমাজৰ মাজত উচ্ছৃংখল মনোভাৱ বিয়পি পৰিলে ইয়াক আয়ত্তাধীন কৰা টান হ'ব। আনহাতে এই বিশ্ববিদ্যালয়ৰ পৰা বাহিৰ হোৱা ছাত্ৰসকল আৰু বিশ্ববিদ্যালয়ও সৰ্বভাৰতীয় দৃষ্টিত হেয় প্ৰতিপন্ন হ'ব।

সেইকাৰণে এই পৰীক্ষা সংক্ৰান্ত কথাটো সংযতভাৱে গঠনমূলক দৃষ্টিভংগী লৈ আলোচনা কৰা প্ৰয়োজন। বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ এনে ফল বহু কথাৰ ওপৰত নিৰ্ভৰ কৰে। ইয়াৰ লগত পাঠ্যক্ৰম, শিক্ষা দান পদ্ধতি, পৰীক্ষা, শিক্ষক, ছাত্ৰ,

পৰীক্ষক, স্থান আৰু সময়ৰো সম্বন্ধ আছে। এই আটাইবিলাক উপযোগী হ'লেহে পৰীক্ষাত ফল ভাল হয়। এইবিলাকৰ ব্যতিক্ৰম হ'লে পৰীক্ষাৰ ভাল মন্দ আশা কৰা টান, কিয়নো পৰীক্ষা সংক্ৰান্ত কথাৰ লগত আটাইবোৰ জড়িত আছে। গভীৰভাৱে বিচাৰ কৰিলে প্ৰত্যেকটোতে দোষ ওলাব। পাণ্ডুৰোগাক্ৰান্ত লোকে সকলোকে হালধীয়া দেখে। সেইকাৰণে আমি আশা কৰোঁ এই আটাইবোৰ কথা বিবেচনা কৰি ইয়াৰ পৰিণাম চিন্তা কৰি আপুনি এটা মধ্যম পন্থা অবলম্বন কৰিব।

—নলিনীকান্ত ভৌমিক,

নলবাৰী।

[ নতুন অসমীয়া, ২৭ আগষ্ট ১৯৫৯ ]

তথাপি গুৱাহাটী বিশ্ববিদ্যালয়ৰ ওপৰত দুৰভিসন্ধিকাৰীৰ প্ৰচাৰ আক্ৰমণ অব্যাহত থাকিল আৰু ই চূড়ান্তৰূপ ধাৰণ কৰে ১৯৫৯ চনৰ ৩ অক্টোবৰত বহা বিশ্ববিদ্যালয়ৰ কৰ্টৰ সভাত। সেইদিনাৰ সভাত "মিষ্টেৰী অব্ গৌহাটী ইউনিভাৰ্চিটী" নামে এখন বেনামী পুস্তিকা ক'ৰ্টৰ সভ্যসকলৰ মাজত বিতৰণ কৰা হয়। সেই পুস্তিকাখনত উপাচাৰ্য্য ডঃ ভূঞা, ৰেজিষ্ট্ৰাৰ শ্ৰীফণীন্দ্ৰ দত্ত, ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা, ডেপুটী ৰেজিষ্ট্ৰাৰ শ্ৰীচিদা দাস প্ৰমুখ্যে কেবাগৰাকীও উচ্চ বিষয়াৰ বিপক্ষে নানা ধৰণৰ দুৰ্নীতিৰ অভিযোগ তোলা হয়। এই পুস্তিকাখনত লেখক আৰু প্ৰকাশকৰ ঠিকনা দিয়া আছিল যদিও মোকৰ্দমা কৰি জনা গ'ল যে সেই নাম আৰু ঠিকনা সম্পূৰ্ণ ভুৱা, অৰ্থাৎ সেইখন আছিল এক বেনামী পুস্তিকা। সেই পুস্তিকাখন বিশ্ববিদ্যালয়ৰ কৰ্টৰ কোনো সদস্যই লিখা বুলি বিশ্বাস কৰিবলৈ যথেষ্ট যুক্তি আছে, কিয়নো সেইখন ক'ৰ্টৰ সদস্যসকলৰ মাজতে সীমাবদ্ধ আছিল। সেইখন দেৱকান্ত বৰুৱাৰ সমৰ্থকসকলৰ দ্বাৰা লিখা হোৱা নাছিল কিয়নো তাত তেখেতৰ অনেক ডঃ বিৰিঞ্চিকুমাৰ বৰুৱাৰ বিপক্ষে বহু গুৰুতৰ অভিযোগ অনা হৈছিল। সেইখনৰ ৰচক নিশ্চয় শ্ৰীদেৱেশ্বৰ শৰ্মাৰহে সমৰ্থক আছিল আৰু তেখেতৰ নীতি নিয়মৰ প্ৰতি সহানুভূতিশীল লোকেই সেইখন লিখিছিল। সেই পুস্তিকাৰ 'যোৰহাট'ৰ বিষয়ে থকা প্ৰচুৰ উল্লেখ আৰু সেইদিনাখন ক'ৰ্টৰ সভাত শ্ৰীবিপিন পাল দাস আৰু শ্ৰীগোপাল শৰ্মা বৰুৱাৰ মাজত হোৱা তৰ্ক-বিতৰ্কৰ সুযোগ লৈ তাৰ দুদিনমান পিছতে অসম ট্ৰিবিউনত তেজিয়া যোৰহাট কলেজৰ অধ্যক্ষ শ্ৰীগুপগোবিন্দ দত্তৰ নাম জাল কৰি এখন চিঠিও ( বেনামী পুস্তিকাখনৰ কাম সম্পূৰ্ণ কৰাৰ কাৰণেহে ) প্ৰকাশ কৰা হৈছিল। সেই বেনামী ব্যক্তিসকলে 'যোৰহাট'ৰ

লগত তেওঁলোকৰ ঘনিষ্ঠ সম্বন্ধ অজানিত ভাবে ব্যক্ত কৰি থৈ গ'ল। অৱশ্যে ক'ৰ্টৰ সেই সভাত শিক্ষামন্ত্ৰী যোৰহাটৰ শ্ৰীদেৱেশ্বৰ শৰ্মাই অংশ গ্ৰহণ কৰিছিল আৰু উপাচাৰ্য্য ডঃ ভূঞাক তেওঁ সেইদিনাখনৰ সভাত তীব্ৰভাৱে আক্ৰমণ কৰিছিল। 'যোৰহাট'ৰ উপৰিও সেই বেনামী পুস্তিকাখনৰ ছচিয়েলিষ্ট দলৰ লগত থকা সম্পৰ্ক ওলাই পৰে সেই পুস্তিকাখন ছচিয়েলিষ্ট নেতা ডঃ লোহিয়াৰ মুখপত্ৰ 'মেনকাইণ্ড'ত তত্তাতৈয়াকৈ ১৯৬০ চনৰ জানুৱাৰী মাহৰ সংখ্যাত প্ৰকাশ পোৱা ঘটনাৰ পৰা।

সেই পুস্তিকাখনত দত্তৰ বিৰুদ্ধে থকা প্ৰধান অভিযোগ আছিল এয়েই যে তেখেতে হেনো নিজৰ পত্নীৰ নামত কলিকতাৰ কোনোবা এটা বেংকত ৮৫,০০০ টকা সঞ্চয় কৰিছে আৰু তেখেতে বিশ্ববিদ্যালয়ৰ চাকৰিত নিয়োগ কৰিবৰ সময়ত প্ৰাৰ্থীসকলৰ পৰা ভেঁটী লয়। এনে অভিযোগবিলাকত সেই সময়ৰ সমাজখনত বিৰাজ কৰা দুৰ্নীতি আৰু অধঃপতনে যোৱা জাতীয় চৰিত্ৰই প্ৰতিফলিত হৈছে। সেই সময়ত দুৰ্নীতি অন্যায় অধৰম সমাজত এনে ভাবে শিপাই ছিল যে শ্ৰীফণীধৰ দত্তৰ দৰে ন্যায় পৰায়ণ লোক তেওঁলোকৰ সমাজত আছে বুলি বহু অসমীয়াই বিশ্বাসেই কৰিব নোৱাৰিছিল। শ্ৰীদত্তই সেই ক'ৰ্টৰ সভাতে সকলোৰে আগত থিয় হৈ তেওঁৰ বিৰুদ্ধে সেই পুস্তিকাখনত লিখা কথাবিলাক মিছা বুলি দৃঢ়ভাৱে কৈ ঘোষণা কৰে যে যদি কোনোবাই তেখেত বা তেখেতৰ পত্নীৰ নামত থকা ৮৫,০০০ টকাৰ ভুং উলিয়াই দিয়ে তেনেহ'লে সেই লোকক তাৰে ২৫,০০০ টকা দিয়া হ'ব আৰু বাকী ৬০,০০০ টকা বিশ্ববিদ্যালয়ক দিয়া হ'ব। সেই সভাতে তেখেতে এইটোও কয় যে যদি বিশ্ববিদ্যালয়ৰ ৰেজিষ্ট্ৰাৰজন ১০০ বা ২০০ টকাত কিনিব পৰা লোক তেনেহ'লে তেওঁক তৎক্ষণাৎ বৰ্খাস্ত কৰা উচিত—তেওঁ দৃঢ়তাৱে ঘোষণা কৰে যে তেওঁক টকাৰে কিনিব পৰা ব্যক্তি নহয়।

"গান্ধীবাদী সকলৰ বহুতে কৰা চোৰাংবজাৰ, দুৰ্নীতি, অন্যায় অধৰম চকুৰ আগত জিলিকি আছে। তেওঁলোক নিজৰ সুখ, গৌৰৱ আৰু সাংসাৰিক চিন্তাত মগন।..... বাতৰি কাকতত গান্ধী নীতিৰ বিৰুদ্ধে যোৱা বহুত কথা চকুত পৰে। সেই বিষয়ে 'অসম বাণী'ত ভলভলীয়াই ভলভলাই থাকে—......

"গান্ধী অৱতাৰে গান্ধী নীতি কৰি ছয়।
মধুৰ কথাৰে মুহি আছে বহু জন॥
নিচিন্তে স্বদেশ কাম নকৰে দেশৰ।
সদায় স্বাৰ্থত ঘূৰে কপট আচাৰ॥

[ নাৰায়ণ চন্দ্ৰ মহন্ত, অসম সাহিত্য সভাৰ স্মৃতিগ্ৰন্থ, নগাঁও ১৯৫৯, পৃঃ ১১৯ ]

"কমাৰৰ ভাটিৰ দৰে কোঁচ-কোঁচোৱাৰ বাহিৰে বৰ্ত্তমানে আজি অসমীয়া জাতীয় জীৱন বোলা এটা বস্তু আছে বুলি জেনে কেনেকৈ কবাই কবোঁহক? বাস্তৱতে অসমীয়া জাতীয় জীৱন আজি এটা ভুৱা, এটা ফাকি! কিন্তু আনক ভুৱা দিয়া সহজ; নিজক ভুৱা দিয়া কঠিন; অথচ আমি আজি নৈতিক অধঃপতনৰ সেই শেষ সীমালৈকো নামিছোঁ য'ত নিজক ভুৱা দিয়াও কোনো ডাঙৰ কথা বুলি ভবা নাই।"

[ ডিব্ৰেৰ নেওগ, ঐ, পৃঃ ২৬ ]

সৌভাগ্যবশতঃ বিশ্ববিদ্যালয় ক'র্টৰ সেইখন বৈঠকৰ কিছুদিন পিছতে ১৯৬০ চনৰ আগভাগত শিক্ষামন্ত্রী দেৱেশ্বৰ শর্মাই মন্ত্রীসভাৰ পৰা খেদা খায়। সেই ঘটনাটো শ্রীদেৱেশ্বৰ শর্মাই তেখেতৰ আত্ম জীৱনী 'হেৰাই যোৱা দিনবোৰ'ত [ প্ৰকাশক : শ্ৰীসুব্ৰত শৰ্মা, গুৱাহাটী ( ১৯৮০ ) ] বৰ্ণাইছে। ১৯৫৯ চনত বিধানসভাৰ সদস্যৰ কাৰণে হোৱা এক উপ-নির্বাচনীত কংগ্ৰেছ প্ৰাৰ্থী দেৱকান্ত বৰুৱা' পৰাজিত হয়। সেই পৰাজয়ৰ কাৰণ নির্ধাৰণ কৰিবলৈ গৈ বাছিৰে কমিটিয়ে দেৱেশ্বৰ শর্মাই দেৱকান্ত বৰুৱাৰ বিপক্ষে চক্ৰান্ত কৰা বুলি অভিযোগ তোলাত মুখ্যমন্ত্রী বিমলা চলিহাই দেৱেশ্বৰ শর্মাক মন্ত্রিত্বৰ পৰা আঁতৰায়। এই সন্দর্ভত দেৱেশ্বৰ শর্মাই উপৰোক্ত পুথিত দিয়া দুটা মন্তব্য উদ্ধৃত কৰিলোঁ:

"কমল কুমাৰী বৰুৱাই উক্তি কৰিছিল যে—তেওঁক সকলোৱেই কৈছিল যে এই নির্বাচনত শিক্ষা বিভাগটো কংগ্ৰেছৰ বিৰুদ্ধে গৈছিল" ( পৃঃ ৪৯০ )

"দেৱকান্ত বৰুৱাই 'বামুণৰ লগুণ মই জোতাৰ ফিটাৰূপে ব্যৱহাৰ কৰিম' বুলি কোৱা কথাও শুনিবলৈ পোৱা গৈছিল" ( পৃঃ ৪৯৩ )

দেৱেশ্বৰ শর্মাই শিক্ষা বিভাগৰ মন্ত্রী থাকোঁতে অসমৰ স্কুল কলেজ আৰু বিশ্ববিদ্যালয়ত কেনেদৰে নিজৰ প্ৰভুত্ব বিস্তাৰ কৰিবলৈ বিচাৰিছিল তাক তেওঁৰ নিজৰ কথাৰ দ্বাৰাই স্পষ্ট কৰিছে—

"এই সময়ছোৱাত অসমৰ ভালেমান ঠাইত নতুন কলেজ পাতিবলৈ যো-জা কৰিছিল আৰু নতুন কলেজৰ কাৰণে মানুহে মোৰ ওচৰত সহায় বিচাৰিছিল, প্ৰতি চাৰ ভিভিজনতে এখনতকৈ অধিক কলেজত সহায় দিবলৈ চৰকাৰ অপাৰগ বুলি সন্নিধান দি মই এটা নীতি অৱলম্বন কৰিছিলোঁ। মই ভেতিয়া ভাবিছিলোঁ আৰু আজিও এই কথা ভাবোঁ যে কিছুমান ডেকাই এম-এ পাছ কৰি অন্য একো কৰিবলৈ সুবিধা কৰিব নোৱাৰি একোখন কলেজ পাতিবলৈকে লয়। খাটি মজুৰী নোপোৱা এনেকুৱা কলেজবোৰত

শিক্ষকসকলক ন্যায় মতে বেতন দিব পৰা নহয়, শিক্ষক সকলে ছাত্ৰ-ছাত্ৰীক উপযুক্ত শিক্ষা দিয়াটো অসুবিধা হয়। অন্য হাতে এখন আওহতীয়া ঠাইৰ কলেজত পঢ়া এজন ছাত্ৰই নগৰৰ মাজ মজিয়াত থকা কলেজত পঢ়া ছাত্ৰতকৈ বহুতো কথাত পিছ পৰি থাকে।" [ ঐ, পৃঃ ৪৬২ ]

যোৰহাটৰ পৰা অহা এজন লোকে যোৰহাট কলেজৰ প্ৰতিষ্ঠা নিজ চকুৰে দেখা এজন লোকৰ এনেকুৱা চিন্তাধাৰা আচৰিত হ'ব লগীয়া—আনহাতে তেখেত বা তেখেতৰ দ ৰ আন বহুতে যোৰহাট কলেজৰ প্ৰতিষ্ঠাপক অধ্যাপকসকলৰ প্ৰতি কেনেকুৱা মনোভাব লৈছিল ই তাৰ ইঙ্গিত দিয়ে।

## পঁয়ত্ৰিছ

## শিক্ষামন্ত্ৰী দেৱকান্ত বৰুৱা পৰ্ব

১৯৮০ চনত শ্ৰীদেৱেশ্বৰ শৰ্মাক আঁতৰাই দেৱকান্ত বৰুৱাক শিক্ষাবিভাগৰ মন্ত্ৰিত্ব দিয়া হয়। দেৱকান্ত বৰুৱা যদিও দেৱেশ্বৰ শৰ্মাৰ শত্ৰু স্বৰূপ আছিল তথাপি তেওঁও অসমৰ শিক্ষা জগতত বিশেষ ক্ষমতা প্ৰয়োগ কৰাৰ নীতিকে অনুসৰণ কৰিলে। বহুত দিন থাপ লৈ ক্ষমতাত অধিষ্ঠিত হ'বলৈ পায় তেওঁ একপ্ৰকাৰ ক্ষমতা-বিকৃত হৈ পৰিল। উদাহৰণ স্বৰূপে তেওঁ বহু সংখ্যক স্কুলৰ শিক্ষকক কামৰ পৰা বৰ্খাস্ত কৰি "দম্ভালি মাৰি কৈছিল—'দুহেজাৰ শিক্ষকক খেদিলোঁ, এটা কুকুৰেও ভুক নকৰিলে'—" [ ঐ পৃঃ ৫৭৪ ]। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰতো তেওঁ কাক খেদোঁ কি কৰোঁ বুলি গা বাইজাই কৰা যেন অনুমান হয়ত তেওঁৰ বোধ পৰে বিশ্ববিদ্যালয়ৰ স্বাটাইতকৈ পুৰণা বিষয়া ফণী ধৰ দত্তৰ ওপৰত। ইতিমধ্যে ডঃ হিৰণ্য ভূঞা গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য নিযুক্ত হোৱাত বিশ্ববিদ্যালয়ৰ স্বতন্ত্ৰতাত হস্তক্ষেপ কৰিবলৈ দেৱকান্ত বৰুৱাৰ কাৰণে ভাল সুযোগ আহে।

এইখিনিতে এইটো উল্লেখযোগ্য যে ১৯৫৯ চনৰ ৩ অক্টোবৰত বহা গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৰ্টৰ বৈঠকত ডঃ সূৰ্যকুমাৰ ভূঞাই এনে অপমানিত বোধ কৰে যে তেওঁ দুনাই উপাচাৰ্য্য হ'বলৈ নিবিচাৰে। তেতিয়া তেখেতে এই লেখকক কনিষ্ঠ গ্নিনীৰ লিখনী এটা মাতিবলৈ দি কৈছিল, "গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য হোৱাৰ অভিলাষ এটা আছিল—এবাৰ হ'লো যেতিয়া মোৰ আৰু আন কোনো উচ্চ অভিলাষ নাই। জীৱনৰ বাকী কেইটা দিন এতিয়া শান্তিৰে কটাবলৈ বিচাৰোঁ। সেইকাৰণে এই অসভ্যবিলাকৰ লগত মোৰ কামোৰা কৰিবলৈ মোৰ কোনো ইচ্ছা নাই। এতিয়া বিচাৰোঁ কনিষ্ঠ গ্নিনীৰ দৰে ভবিষ্যতৰ প্ৰতি সজাগ দৃষ্টি ৰাখি কিবা এক মহত্বপূৰ্ণ কাম কৰিবলৈ।"

### উপাচাৰ্য্য ডঃ হিৰণ্য ভূঞা

১৯৬০ চনত ডঃ হিৰণ্য ভূঞা গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য নিযুক্ত হ'বৰ সময়ত ফণী দত্তকে আদি কৰি বহুতেই উপলব্ধি কৰিছিল যে গুৱাহাটী বিশ্ববিদ্যালয়ে ভাৰতৰ আন বহু বিশ্ববিদ্যালয়ৰ দৰে পুৰণা দৃষ্টিভঙ্গীৰে:হ গঢ় লয়। আধুনিক শিক্ষা-পদ্ধতি আৰু আধুনিক ভাৱধাৰাৰ লগত ই বহু কাৰণ থাপ খাই পৰিবলৈ

অসমৰ্থ হয়। সেই কাৰণে প্ৰয়োজন হয় পৰিবৰ্ত্তনৰ। সেয়েহে ডঃ হিৰণ্য ভূঞাৰ তত্বাৱধানতে গুৱাহাটী বিশ্ববিদ্যালয়লৈ প্ৰয়োজনীয় পৰিবৰ্ত্তন আহিব বুলি বাইজে আশা কৰিছিল। পৰিবৰ্ত্তন আহিল—কিন্তু তাৰ লগত অহা ঘূৰ্ণি বতাহত সকলোৱেই যে চুৰমাৰ হ'ব লগীয়া হ'ল।

উপাচাৰ্য্যৰ কাৰ্য্যভাৰ গ্ৰহণ কৰা'ৰ কিছুদিন পিছৰ পৰাই ডঃ হিৰণ্য ভূঞা আৰু একজিকিউটিভ কাউন্সিলৰ সদস্যসকলৰ মাজত মনোমালিন্যই দেখা দিয়ে। ইয়াৰ প্ৰধান কাৰণ আছিল—যিদৰে ভূঞাদেৱে বিশ্ববিদ্যালয়ৰ সমস্যাবোৰ সুবুজাকৈয়ে তাৰ আসেঁ বাহবোৰ দূৰ কৰিবলৈ সপোন ৰচিছিল আৰু কাকতে পত্ৰে, মেলে মিটিঙে সেইবিলাক প্ৰচাৰ কৰি ৰাইজৰ বাঃ বাঃ ল বলৈ চেষ্টা কৰিছিল সেইদৰে একজিকিউটিভ কাউন্সিলৰ সদস্যসকলে ডঃ ভূঞাৰ আঁচনিবিলাক পৰ্বতৰ গছ আনি ভৈয়ামত ৰোৱাৰ বিফল চেষ্টা বুলি জানি সেইবিলাকক বুজিবলৈ অকণো চেষ্টা নকৰিছিল। তাতে ডঃ হিৰণ্য ভূঞা ২ৰ কাৰ্য্যক্ষম লোক নাছিল। অসমৰ শিক্ষা জগতৰ কাৰণে স্থায়ী ভাল কিবাকিবি কৰিবৰ কাৰণে ডঃ হিৰণ্য ভূঞাই যি সুবিধা পাইছিল আন কোনো অসমীয়াই তেনে সুবিধা কেতিয়াও পোৱা নাই। অতি কম বয়সতে তেখেত কটন কলেজৰ অধ্যক্ষ নিযুক্ত হৈছিল। তাৰ পিছত ডি-পি-আই, শিক্ষা বিভাগৰ সচিব, উপাচাৰ্য্য, আচাম পাব্লিক ছাৰ্ভিচ কমিছনৰ মুৰব্বী আদি অতি উচ্চ আৰু দায়িত্বপূৰ্ণ পদবী তেখেতে ভোগ কৰিবলৈ সমৰ্থ হৈছিল। তথাপি অসমৰ শিক্ষা জগতৰ কাৰণে ডঃ হিৰণ্য ভূঞাই কোনো লেখত লব লগীয়া কাম কৰি দেখুৱাব নোৱাৰিলে। তাৰ বিপৰীতে তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ যি অনিষ্ট সাধন কৰি থৈ গ'ল তাৰ পৰা এই বিশ্ববিদ্যালয়ে সহজে মুক্তি পাব নোৱাৰে।

জালুকবাৰীত বিশ্ববিদ্যালয় ক্ষেত্ৰত বসতি কৰা লোকসকলৰ সুবিধাৰ কাৰণে এখন শাক পাচলি গেলামাল আদি বিক্ৰী কৰা বজাৰ বনাবলৈ লোৱা হ'ল। ডঃ হিৰণ্য ভূঞাই সেইখন কিবা 'কেম্ব্ৰিজ টাইপ' বুলি বাতৰি কাকতত আৱাজ দিলে। 'কেম্ব্ৰিজ টাইপ' বজাৰনো কি বা সেইখন পাতিলে কিমান খৰছ বা কি লাভ সেই বিষয়ে তেওঁ একো সমিধান নিদিয়াত বিশ্ববিদ্যালয়ৰ বিষয়াসকল 'কেম্ব্ৰিজ টাইপ' বজাৰ পাতিবলৈ পতিয়ন নগ'ল। ডঃ হিৰণ্য ভূঞা ক্ষুব্ধ হ'ল।

বিশ্ববিদ্যালয়ৰ পৰীক্ষা পদ্ধতি আদিৰ সংশোধন কৰিব বুলি তেখেতে প্ৰথমৰে পৰাই ৰাইজক বৰ বৰ কথা শুনাই আছিল কিন্তু কাৰ্য্যক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ

পৰীক্ষানো কেনেদৰে চলে বা পৰীক্ষা পদ্ধতিৰ কি বেবোধ কেনেদৰে গুচাব পাৰি সেই বিষয়ে তেওঁ একোৱেই নেজানিছিল বা ভালদৰে বুজিবলৈকো চেষ্টা নকৰিছিল। তেওঁ বিচাৰিছিল কেৱল নাম কৰিবলৈ। ১৯৫৯ চনত দিল্লী বিশ্ববিদ্যালয়ৰ এম-এ প্ৰিভিয়াচ পৰীক্ষা দি আহি এই লেখকে শ্ৰীদত্তক এম-এ পৰীক্ষাবিলাক প্ৰিভিয়াচ আৰু ফাইনেল এবছৰৰ মূৰে মূৰে দিব পৰা দুটা পৰীক্ষাত ভাগ কৰাৰ উপকাৰিতাৰ বিষয়ে বহলাই বৰ্ণনা কৰে। কোৱা বাহুল্য যে সেই সময়ত দিল্লীকে ধৰি ভাৰতৰ কেইটামান বিশ্ববিদ্যালয়তহে এনে পৰীক্ষা ব্যৱস্থা আছিল আৰু দিল্লী বিশ্ববিদ্যালয়ত পঢ়া অসমীয়া ছাত্ৰৰ সংখ্যা অতি কম আছিল। সেইকাৰণে প্ৰিভিয়াচ-ফাইনেল পৰীক্ষা ব্যৱস্থাৰ বিষয়ে অসমৰ বাইজে ভু পোৱা নাছিল। শ্ৰীদত্তই এই পদ্ধতিৰ উপকাৰিতাৰ প্ৰত্যক্ষ প্ৰমাণ পোৱা কাৰণে তাক গুৱাহাটী বিশ্ববিদ্যালয়ত প্ৰৱৰ্তন কৰিবৰ কাৰণে দৃঢ়-প্ৰতিজ্ঞ হ'ল। তেখেতে দিল্লী বিশ্ববিদ্যালয়ৰ বিষয়াসকলৰ লগত যোগাযোগ কৰি সেই পৰীক্ষা প্ৰৱৰ্তনৰ কাৰণে জানিব লগীয়া তথ্য পাতি, পদ্ধতি, কৰিব লগীয়া কাম আদিৰ বুজ লৈছিল। ১৯৬১ চনৰ আগ ভাগত উপাচাৰ্য্য ডঃ হিৰণ্য ভূঞা আৰু ৰেজিষ্ট্ৰাৰ শ্ৰীদত্ত বিশ্ববিদ্যালয়ৰ কামত দিল্লীলৈ আহোঁতে তেওঁলোকে দিল্লী বিশ্ববিদ্যালয়লৈকো গৈ তাৰ বিষয়-ববীয়াসকলৰ লগত সেই বিষয়ে আলোচনা কৰিবলৈ বিচাৰে বুলি তেতিয়া দিল্লী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য, ৰেজিষ্ট্ৰাৰ আৰু দুগৰাকীমান বিশিষ্ট অধ্যাপকক কাণ চুৱাই থৈছিল। কিন্তু যিদিনাখন তেওঁলোক দিল্লী বিশ্ববিদ্যালয়লৈ আহিবৰ কথা তেওঁলোকক নতুন দিল্লীৰ পৰা ( দিল্লী বিশ্ববিদ্যালয়ৰ পৰা প্ৰায় ১২ মাইল দূৰৈত তেওঁলোক আছিল ) আগ বঢ়াই আনিবলৈ গৈ—এই লেখক আচৰিত হ'ল এই কাৰণেই যে ডঃ ভূঞাই কিবাকিবি কিনাত সহায় কৰি দিব লাগে বুলি এই লেখকক লগত লৈ কাবোবাৰ কাৰণে ভুৱা চুলি, পাউদাৰ সো, কাবোবাৰ কাৰণে পেণ্ট চোলা আদি বিচৰাই নতুন দিল্লীৰ কনাট চাৰ্কাচত প্ৰায় দিনটো ঘূৰালে—শ্ৰীদত্তৰ লগত বিশেষ কথা আছে বুলিহে তেখেতৰ ওচৰৰ পৰা আঁতৰিব পাৰিছিলোঁ। অকলে উভতি গৈ শ্ৰীদত্তক জনালোঁ যে মই তেনেদৰে বজাৰ কৰি ঘূৰি ফুৰিবলৈ সময় নষ্ট কৰিবলৈ নিবিচাৰোঁ আৰু তেওঁলোক কোনোবা এজন দিল্লী বিশ্ববিদ্যালয়লৈ সোনকালে নগ'লে বৰ লাজ লগা কথা হ'ব। যথেষ্ট দেৰী অপেক্ষা কৰাৰ পিছত ডঃ ভূঞা আহি ওলাল আৰু তেওঁ দিল্লী বিশ্ববিদ্যালয়লৈ যাবলৈ অনিচ্ছা প্ৰকাশ কৰিলে। শ্ৰীদত্তই অকলে গৈহে দিল্লী বিশ্ববিদ্যালয়ৰ ৰেজিষ্ট্ৰাৰ, অধ্যাপক ৰামবিহাৰী আদি কেবাগৰাকী এম-এ পৰীক্ষা চলোৱা বিষয়াৰ লগত প্ৰিভিয়াচ-ফাইনেল পৰীক্ষাৰ

বিষয়ে আলোচনা কৰি সকলো বুজি আছে। ডঃ হিৰণ্য ভূঞা কিন্তু দিল্লী বিশ্ববিদ্যালয়লৈ নগ'ল। অৱশেষে অসমলৈ উভতি আহি তেওঁহে গুৱাহাটী বিশ্ববিদ্যালয়ে সোনকালেই প্ৰিভিয়াচ ফাইনেল পৰীক্ষা প্ৰবৰ্ত্তন কৰিব বুলি তাতেৰ ডাঙৰকৈ ঘোষণা কৰিবলৈ ধৰিলে। বেজিষ্ট্ৰাৰ দত্তই বিশ্ববিদ্যালয়ৰ প্ৰত্যেক বিভাগৰ লগত আলোচনা কৰি বিষয়বিলাক কোনমতে ভাগ ভাগ কৰিব পাৰি সেই বিষয়ে আগতে বহু কৰিব লগীয়া আছে আৰু কিছু সময় লাগিব যেতিয়া তেনেহলে কৈ বুজ্‌বিবলৈ তেখেতক বুজাবলৈ চেষ্টা কৰিও তেখেতৰ প্ৰচাৰ ভাওনা বন্ধ কৰিব নোৱাৰিলে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ গণিতৰ অধ্যাপক থাৱানীয়ে (তেখেত কেম্‌ব্ৰিজৰ ৰেংলাৰ অৰ্থাৎ গণিতৰ এম-টি পৰীক্ষাত বিশেষ কৃতিত্বৰে পাছ কৰা লোক) গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা সোৱা ছুটীৰ কিছুদিন বিস্তৃতি বিচাৰিলে। সেই ছুটী মঞ্জুৰ কৰা নকৰা লৈ বিশ্ববিদ্যালয়ৰ একজিকিউটিভ কাউন্সিলে কৰা বিবেচনা প্ৰসঙ্গত কোনো কোনোৱে মন্তব্য কৰে যে থাৱানীৰ নিচিনা এজন অধ্যাপকক গুৱাহাটী বিশ্ববিদ্যালয়ে এৰি দিয়া উচিত নহ'ব। তাৰ উত্তৰত উপাচাৰ্য্য ডঃ হিৰণ্য ভূঞাই মন্তব্য কৰে, আমি অধ্যাপক থাৱানীক ইমান গুৰুত্ব দিয়াৰ কোনো মানে নাই। কেম্‌ব্ৰিজৰ ৰেংলাৰবোৰ কি মই ভালদৰে জানো।" ইয়াতেই ক্ষুব্ধ হৈ ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাই কয়, "আমিও জানো ব্ৰিষ্টলৰ ডক্টৰেটসকলৰ মূল্য কিমান?" কোৱা বাহুল্য যে উপাচাৰ্য ভূঞাই ব্ৰিষ্টল বিশ্ববিদ্যালয়ৰ ডক্টৰেট আছিল। উপাচাৰ্য্য ডঃ হিৰণ্য ভূঞা আৰু একজিকিউটিভ কাউন্সিলৰ আন আন সদস্যৰ মাজত মতভেদ দিনক দিনে বাঢ়িবলৈ ধৰে আৰু সি শেষত ব্যক্তিগত বিদ্বেষত পৰিণত হৈ তুমুল ৰূপ ধাৰণ কৰে।

## গুৱাহাটী বিশ্ববিদ্যালয়ৰ চাবিজন উচ্চ বিষয়াৰ বল-পূৰ্বক পদত্যাগ

ডঃ হিৰণ্য ভূঞাই গুৱাহাটী বিশ্ববিদ্যালয়ে সন্মুখীন হোৱা সমস্যাবিলাকৰ সুচিন্তিত সমাধান উলিওৱাত নেতৃত্ব দিয়া দূৰৈত থাওক তেওঁ এক অশান্তিকৰ পৰিস্থিতিহে সৃষ্টি কৰিলে। ১৯৬১ চনৰ আগষ্ট মাহত ডঃ হিৰণ্য ভূঞাই পদত্যাগ কৰিবলৈ মনস্থ কৰে আৰু তাৰ কাৰণ কি সুধিবলৈ যোৱা ছাত্ৰসকলক তেওঁ নিজে কয় যে বিশ্ববিদ্যালয়ৰ সেই বিষয়াসকলৰ লগত তেওঁ কাম কৰা অসম্ভৱ। নানা কাৰণত অসন্তুষ্ট হৈ থকা ছাত্ৰসকলে তাকে শুনি উত্তপ্ত হৈ

বিশ্ববিদ্যালয়ৰ ৰেজিষ্ট্ৰাৰ শ্ৰীদত্ত, ডেপুটি ৰেজিষ্ট্ৰাৰ শ্ৰীচিদানন্দ দাস, কোষাধ্যক্ষ শ্ৰীকৈলাস ভট্টাচাৰ্য আৰু কলাবিভাগৰ গুৰু ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাক আগষ্ট মাহৰ ১৬ তাৰিখে বলপূৰ্বক পদত্যাগ কৰিবলৈ বাধ্য কৰায়। বিশ্ববিদ্যালয়ৰ বিষয়ে আনে কৰা ধ্বংসাত্মক সমালোচনাত এইবাৰ উপাচাৰ্য ডঃ হিৰণ্য ভূঞাই স্বয়ং নিজে যোগ দিলে। অকল সেয়ে নহয় সেওঁ ছাত্ৰসকলকো ভালদৰেই সঙুৰিছিল। তেওঁ তেনে কৰাৰ দুবছৰ আগতে নলবাৰীৰ এজন সাধাৰণ নাগৰিক শ্ৰীনলিনী কান্ত ভৌমিকে নতুন অসমীয়াৰ ১৯৫৯ চনৰ ২৪ আগষ্টৰ সম্পাদকলৈ চিঠিত ( এই পুথিৰ 176-177 পৃষ্ঠাত চাওক) ধ্বংসাত্মক সমালোচনাই ছাত্ৰসকলক স্পৰ্শ কৰিলে। "ছাত্ৰসকলে ইয়াৰ প্ৰতিবিধানৰ কাৰণে আইন শৃঙ্খলা ভঙ্গ কৰি বিশ্ববিদ্যালয়ৰ দৈনন্দিন কাৰ্যত হস্তক্ষেপ কৰিবলৈ উদগনি পাব। ছাত্ৰ সমাজৰ মাজত উচ্ছৃংখল মনোভাব ব্যাপি পৰিলে ইয়াক আয়ত্তাধীন কৰা টান হ'ব।" বুলি দিয়া সতৰ্কবাণী আখৰে আখৰে ফলিয়ালে। নলবাৰীৰ এজন সাধাৰণ নাগৰিকে যিটো কথা বুজিব পাৰিছিল তাক উপাচাৰ্য ডঃ হিৰণ্য ভূঞাই হৃদয়ঙ্গম কৰিব নোৱাৰিলে।

ইতিমধ্যে ডঃ হিৰণ্য ভূঞাই তেওঁৰ পদত্যাগ পত্ৰ প্ৰত্যাহাৰ কৰে আৰু গুৱাহাটী বিশ্ববিদ্যালয় সুখেৰে চলাব পাৰিম বুলি আশা কৰিলে। সেই বিষয়া কেইজনৰ অবিহনে বিশ্ববিদ্যালয়ৰ কাম কাজ নচলা হৈছে বুলি দুই চাৰিজনে গৈ তেখেতক জনোৱাত তেখেতে মন্তব্য কৰিলে বোলে, "ধৰ সেই বিষয়া চাৰিজন কলেৰাত মৰি গ'ল, তেনেহ'লে কি বিশ্ববিদ্যালয়খন বন্ধ হৈ যাব ?" যাহওক বিশ্ববিদ্যালয়ৰ এক্‌জিকিউটিভ কাউন্সিলে সেই বিষয় চাৰিজনৰ পদত্যাগ গ্ৰহণ নকৰিলে আৰু ছাত্ৰসকলেও পৰিতাপ কৰি শ্ৰীফণীধৰ দত্তৰ ওচৰত ক্ষমা খুজিলেগৈ। কিন্তু তাতেই সকলো অন্ত পৰাটো অসম্ভৱ আছিলে, কিয়নো ডঃ হিৰণ্য ভূঞা উপাচাৰ্য্যৰ কাৰণে সম্পূৰ্ণ অনুপযুক্ত লোক আছিল। তেখেতৰ বাগীয়াল বস্তুৰ প্ৰতি বিশেষ দুৰ্বলতা আছিল আৰু তেখেতৰ ব্যক্তিত্বত নিচাত আসক্ত চৰিত্ৰৰ ( এলক'হলিক ) প্ৰভাৱ পৰিছিল। নিচাত আসক্ত ব্যক্তিৰ দৰেই ড' হিৰণ্য ভূঞা আছিল অতিশয় আৱেগিক আৰু কেতিয়া-কি কৰে বুজিব-নোৱৰা ধৰণৰ। তেখেত হঠাৎ উৎসাহী হয় আৰু ক্ষন্তেকতে ক্ৰুদ্ধ হৈছিল। কেতিয়াবা কেতিয়াবা তেখেতক এখন পৰ্বতৰ দৰে গুৰু গম্ভীৰ দেখা গৈছিল, কিন্তু তাৰ পিছ মুহূৰ্ততে কোমলমতীয়া শিশুৰ দৰে যেন তেওঁ উচুপিবলৈ বিচাৰিছিল। নিজৰ দুৰ্বলতা বা ব্যৰ্থতা ঢাকিবৰ কাৰণে তেখেতে সদায় বিশ্ববিদ্যালয়ৰ আন বিষয়া আৰু

কৰ্মচাৰী সকলক দোষাৰোপ কৰিছিল আৰু তেওঁলোকক আনৰ চকুত হেয় প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰিছিল। উদাহৰণ স্বৰূপে তেখেতে ১৯৮১ চনৰ ২২ ছেপ্তেম্বৰত ৰেজিষ্ট্ৰাৰলৈ লিখা চিঠি এখনৰ হুবহু নকল সংযোগ কৰিলোঁ। তেখেতে লিখিছিল—

ৰেজিষ্ট্ৰাৰ

১৬।৯।৮১ৰ ক'ৰ্টৰ মিটিঙৰ কাৰণে মই তোমাক এজন ভাল ষ্টেনোগ্ৰাফাৰ লগাবলৈ কৈছিলোঁ। সেইটো কৰা নহ'ল।

১৮.৯।৮১-ত মই তোমাক কৈছিলোঁ যে আচাৰ্য্যই মোক কাৰ্য্য বিৱৰণীখিনি লৈ তেওঁক এই সপ্তাহৰ আগ ভাগত দেখা কৰিবলৈ কৈছে। তুমি মোক কৈছিলা যে কাৰ্য্যবিৱৰণীখন প্ৰস্তুত আছে আৰু তুমি তাত কেৱল চকু ফুৰাবলৈহে আছে। তাৰ পিছত মই তোমাক এইটোও জনালোঁ যে মই ২০।৯।৮১-ত ছিলঙলৈ যাম।

আকৌ ২০।৯।৮১-ত মই তোমাক ক'লোঁ যে আচাৰ্য্য কহিমাত আঁতৰি আছে কাৰণে মই মোৰ ছিলঙ ভ্ৰমণ পিছুৱাইছোঁ। তুমি ক'লা, "অ', আপুনিতো বৃহস্পতিবাৰে ক'লৈকো নেযায়। নহয় জানো?"

আজি মোক কোৱা হ'ল যে ষ্টেনোগ্ৰাফাৰজন ১৭।৯।৮১-ৰ পৰাই অনুপস্থিত আৰু কাৰ্য্যবিৱৰণীখন ষ্টেনোৰ অনুপস্থিতিত টুকি লোৱা সম্ভৱ নহ'ব।

মই যেতিয়া তেওঁৰ ছুটীৰ দৰ্খাস্তৰ বিষয়ে অনুসন্ধান কৰিলোঁ, তুমি মোক ক'লা যে তেওঁ ছুটীৰ কাৰণে আবেদন কৰিছে নে নাই তুমি নেজানা। তোমাৰ ব্যক্তিগত ষ্টেনোজন তোমাৰ অজ্ঞাতে কেনেকৈ অনুপস্থিত থাকিব পাৰে?

এই গোটেই কাৰ্য্য-কলাপবিলাক কেৰা-চকুৱা যেন লাগে বুলি মই মন্তব্য কৰিবলৈ বাধ্য হৈছোঁ।

১৬।৯।৮১ৰ ক'ৰ্ট মিটিঙৰ কাৰ্য্য বিৱৰণীখন তেওঁক সময়মতে দিব নোৱৰাৰ ব্যাখ্যাৰূপে মই এই টোকাৰ নকল এটা আচাৰ্য্যলৈকো পঠিয়াইছোঁ।

এইচ-চি-ভুঞা
উপাচাৰ্য্য

H-C. Bhuyan, M.Sc.Ph.D.
VICE-CHANCELLOR

GAUHATI UNIVERSITY
Jalukbari, Assam
Phone : 765
September 22, 1961

Registrar,

I asked you to engage a good Stenographer for the Court Meeting of 16.9.61. This was not done.

On 18.9.61 I told you that the Chancellor wanted me to see him with the minutes of the Proceedings in the early part of this week. You told me that the Proceedings were ready but you will have to look it over. I further informed you that I should leave for Shillong on 20.9.61.

Again on 20.9.61, I told you that I had postponed my visit to Shillong as the Chancellor was away at Kohima. You remarked : "Of coursc, you do not go any where on Thursdays". Do you ?'

Today I am told that the Stenogjapher has been absent since 17.9.61 and it will not be possible to transcribe the Proceedings as the Steno is absent.

When I enquired about his leave application, you told me that you did not know whether he had applied at all. How can your personal Steno be absent for almost a whole week without your knowledge ?

I am constrained ta remark that the whole business looks cock-eyed to me.

I am sending a copy of this note to the Chancellor as my explanation for not being able to submit to him the Proceedings of the Court Meeting of 16.9.61. in time.

SD/H.C. Bhuyna
Vice-Chancellor.

উপাচাৰ্য্যৰ পৰা উপৰোক্ত চৌকাটো পোৱাৰ পিছত ৰেজিষ্ট্ৰাৰে সেই একেদিনাই তলত দিয়া ধৰণেৰে উত্তৰ দিলে—

উপাচাৰ্য্য,

আপোনাৰ একে তাৰিখৰ টোকাটোৰ বিষয়ে মই তলত দিয়া ধৰণে ক'বলৈ বিচাৰোঁ।—

১। এজন ভাল ষ্টেনোগ্ৰাফাৰ গোটাবলৈ সকলো স্থানীয় উৎসত চেষ্টা কৰা হৈছিল কিন্তু সেইবিলাক ব্যৰ্থ হ'ল আৰু আমি বিশ্ববিদ্যালয়ৰ ষ্টেনোগ্ৰাফাৰজনৰ ওপৰতে নিৰ্ভৰ কৰিব লগীয়া হ'ল —তেওঁও যোৰহাটে সিকহস্ত।

২। মোক ভুল বুজা হৈছে। মই এইটো কোৱা নাছিলোঁ। বা বুজোৱা নাছিলোঁ যে কাৰ্য্যবিৱৰণীখিনি তৈয়াৰী হৈ মোৰ লগত আছে। মই এইটোকে বুজাইছিলোঁ। যে কাৰ্য্যবিৱৰণীখিনি যত তাৰ আগতে আচাৰ্য্যলৈ পঠিওৱা হয় মই চাম যাতে তাত কোনো গুৰুতৰ ত্ৰুটি নেথাকে।

৩। আমাৰ বুধবাৰ ২০।৭।৬১ ৰ আলাপত এইটো ওলোৱা নাছিল যে আপুনি ২২।৭।৬১-ত ছিলঙলৈ যাব। আপুনি মাথোঁ। কৈছিল যে আচাৰ্য্য কহিমাত আছে আৰু তেওঁ কেতিয়া ছিলঙলৈ উভতিব তাক আপুনি আমাক কোৱা নাছিল। পিছদিনাখন বৃহস্পতিবাৰ আছিল কাৰণে মোৰ মন্তব্যটো অসুবিধা সত্ত থকা আপোনাৰ বিশ্বাসৰ বিষয়ে এটা সাধাৰণ উক্তিহে আছিল আৰু আপোনাৰ প্ৰস্তাৱিত ছিলঙ ভ্ৰমণৰ তাৰিখৰ লগত তাৰ কোনো সম্পৰ্ক নাছিল।

ষ্টেনোগ্ৰাফাৰজনৰ অনুপস্থিতিৰ বিষয়ে ডি-পি-আইৰ পৰা খবৰ পোৱা ডেপুটী ৰেজিষ্ট্ৰাৰৰ পৰা মই পিছত জানিব পাৰিছোঁ যে ষ্টেনোগ্ৰাফাৰজনৰ তায়েক কামত ছিলঙলৈ যাওঁতে হঠাৎ ৰোগাক্ৰান্ত হয় আৰু তাক তাতে হস্পিটাললৈ নিব লগীয়া হয়। সেই খবৰটো পায়, ষ্টেনোগ্ৰাফাৰজনে হয় ক'ৰ্টৰ মিটিঙ শেষ হোৱাৰ পিছত সেইদিনাই, নহয় তাৰ পিছদিনাখন মই সঠিককৈ নেজানো, ছিলঙলৈ গ'ল। এতিয়া জনা গৈছে যে তায়েকজন ইতিমধ্যে ঢুকালে। এইবিলাক পৰিস্থিতিতে ষ্টেনোগ্ৰাফাৰজন যাব লগীয়া হয়।

কাৰ্য্যবিৱৰণীখিনি তত্তাতৈয়াকৈ পঠিয়াবৰ কাৰণে ষ্টেনোগ্ৰাফাৰজন আৰু ডি-পি-আইলৈ টেলিগ্ৰাম পঠিওৱা হৈছে।

আপুনি যদি আপোনাৰ টোকাটো আচাৰ্য্যলৈ পঠিয়াইছে তেনেহ'লে মোৰ টোকাটোও তেওঁলৈ পঠিয়াবলৈ অনুৰোধ কৰিলোঁ। যাতে কোনোধৰণৰ ভুল বুজাপৰা নহয়।

পি দত্ত
ৰেজিষ্ট্ৰাৰ

GAUHATI (ASSAM) Date 22. 9. 61

Vice-Chancellor,

Reference your note of even date, I beg to state as follows :—

1. Attemps were made at all local sources to get a Stenographer but failed and so we had to depend on the University Stenographer, who was also sufficiently qualified.

2. I am misunderstood. I did not say or mean that the Proceedings were ready and were lying with me. All that I meant, I wouldsee to the Proceedings before the same be sent to the Chancellor, so that there may not be any serious omission.

3. Our conversation on 20. 9. 61, Wednesday, did not reveal that you would be going to Shillong on 22. 9. 61. Simply you said the Chancellor was at Kohima and you did not tell us when he would be returning to Shillong. My remark was a general remark on your belief in superstition as incidentally the following day was a Thursday, without any referenee to the date of your proposed visit to Shillong.

As for absence of the Stenographer subsequently I have learnt from the Deputy Registrar who had the information from the D, P. I. that the brother of the Stenographer who went to Shillong on duty suddenly fell ill and removed to the Hospital there. On receipt of the information, the Stenographer left for Shillong either on the day of the Court Meeting after it was over or on the following day, I have no definite information. It is learnt that the brother expired in the Hospital in the meantime. These were the circumstances under which the Stenographer left.

Telegrams have been sent to the Stenographer and to the D. P. I. as well to expedite despatch of Proceedings.

If you have sent a copy of your note to the Chancellor, I request you to send my note also to him, so that there may not be any misunderstanding.

SD/P. Dutta
Registrar.

এইটোও সঁচাকৈয়ে আচৰিত হ'ব লগীয়া কথা যে যিথন বিশ্ববিদ্যালয়ৰ উপাচার্য্য শ্ৰীকৃষ্ণকান্ত সন্দিকৈয়ে বিশ্ববিদ্যালয়খনৰ স্বতন্ত্ৰতা আৰু মৰ্য্যাদা ৰক্ষা কৰিবৰ কাৰণে ৰাজ্যপালক (অসমৰ ৰাজ্যপালেই নামত গুৱাহাটী বিশ্ববিদ্যালয়ৰ আচাৰ্য্য অৰ্থাৎ নামত বিশ্ববিদ্যালয়ৰ হৰ্তাকৰ্তা) ছিলঙত গৈ দেখা কৰা দূৰৈত থাওক গুৱাহাটীলৈ আহি বিশ্ববিদ্যালয়ৰ বিষয়ে আলোচনা কৰিবলৈ বিচাৰিলেও সাক্ষাৎ কৰিবলৈ অস্বীকাৰ কৰিছিল সেইখন বিশ্ববিদ্যালয়ৰে আন এজন উপাচাৰ্য্যই এনেদৰে ৰাজ্যপালক ক'র্টৰ মিটিঙৰ কাৰ্য্যবিবৰণীখন দি আলোচনা কৰিবলৈ ছিলঙলৈ দৌৰিব। এইটো উল্লেখযোগ্য যে শ্ৰীসন্দিকৈ আৰু শ্ৰীসূৰ্য্যকুমাৰ ভূঞা উপাচাৰ্য্য থাকোঁতেও বিশ্ববিদ্যালয়ৰ ক'র্টৰ মিটিঙ হৈছিল আৰু সেইবিলাকৰ কাৰ্য্যবিবৰণী ৰাজ্যপাললৈ সময়মতে যেতিয়া তৈয়াৰী হয় পঠিওৱা হৈছিল। গুৱাহাটী নেলাগে আন যেই কোনো ৰাজ্যৰে উপাচাৰ্য্য এগৰাকীয়ে নিজৰ তলতীয়া কৰ্মচাৰীৰ বিপক্ষে আক্ষেপ কৰি ডঃ হিৰণ্য ভূঞাৰ দৰে ৰাজ্যপালৰ আঁচলত সান্ত্বনা লভিবলৈ বিচাৰিব পাৰে বুলি কল্পনাই কৰিব নোৱাৰি।

উপাচাৰ্য্য হিৰণ্য ভূঞাই কিয় নিজৰ তলতীয়া বিষয়া ৰেজিষ্ট্ৰাৰজন বা তেওঁৰ বিশ্ববিদ্যালয়ৰ ষ্টেনোগ্ৰাফাৰজনৰ বিষয়ে প্ৰকৃত সত্যৰ শুংসূত্ৰ নোলোৱাকৈ তেনেদৰে বিৰূপ মন্তব্য কৰি ৰাজ্যপাললৈ লিখিছিল বুজা টান। বিশ্ববিদ্যালয়ৰ শাসনভাৰ উপাচাৰ্য্যৰ ওপৰতহে, ৰাজ্যপালৰ ওপৰত নহয়। তেওঁৰ অধীনত থকা বিষয়া আৰু কৰ্মচাৰী সকলৰ পৰা দায়িত্বপূৰ্ণভাৱে কাম আদায় কৰা আৰু তেওঁলোকক প্ৰতিৰক্ষা কৰাটো উপাচাৰ্য্যৰ দায়িত্ব। সেইদৰে তেওঁৰ তলতীয়া বিষয়াই যদি কিবা কাৰণে 'কেৰ'-চকুৰ' ব্যৱহাৰ কৰিছে বা কামত গাফিলতি কৰিছে তাৰ যথাবিহিত ব্যৱস্থা লোৱাটো তেওঁৰহে কৰ্তব্য ৰাজ্যপালৰ নহয়। উপাচাৰ্য্য হিৰণ্য ভূঞাই বিশ্ববিদ্যালয়খনক কিবা ধৰণৰ নেতৃত্ব দিয়া দূৰৈত থাওক তেওঁ গোটেই বিষয়া আৰু কৰ্মচাৰীসকলক আনৰ জোৰ-জুলুমৰ প্ৰতিহে উদঙাই দিলে—অথচ এইসকলক সেইবিলাকৰ পৰা প্ৰতিৰক্ষা কৰাটোহে তেখেতৰ দায়িত্ব আছিল।

তেখেতৰ তেনে কাৰ্য্যৰ কাৰণেই বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলে বলপূৰ্বক বিশ্ববিদ্যালয়ৰ চাৰিগৰাকী উচ্চ বিষয়াৰ পৰা পদত্যাগপত্ৰ ল'বলৈ কেনেদৰে আগ বাঢ়িছিল তাক আমি আগেয়ে উল্লেখ কৰিছোঁ। তাৰ পিছত তেখেতে ওপৰত উল্লেখ কৰা ধৰণৰ চিঠিৰে ৰাজ্য চৰকাৰক বিশ্ববিদ্যালয়ৰ কামকাজত হস্তক্ষেপ কৰিবলৈ পথ মুকলি কৰি দিলে। তেতিয়াৰ ৰাজ্যপাল জেনেৰেল শ্ৰীনাগেশ আৰু শিক্ষামন্ত্ৰী শ্ৰীদেৱকান্ত বৰুৱাই এই সোণালী সুযোগ সাদৰেৰে গ্ৰহণ কৰিলে।

## হিৰণ্য ভূঞাৰ পদত্যাগ

১৯৬১ চনৰে শেষ ভাগত ড° হিৰণ্য ভূঞাই উপাচাৰ্য্যৰ পদ ত্যাগ কৰে আৰু সেইবছৰৰে ডিচেম্বৰ মাহত বিশ্ববিদ্যালয় ক'র্টৰ অনুমোদনক্ৰমে ৰাজ্যপাল শ্ৰীনাগেশে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰত ঘটা কাৰ্য্যকলাপবিলাকৰ অনুসন্ধান কৰিবলৈ চাৰিজন সদস্যেৰে গঠিত এক তদন্ত আয়োগ গঠন কৰে। শিক্ষামন্ত্ৰী দেৱকান্ত বৰুৱাৰ পৰামৰ্শত গঠন কৰা এই তদন্ত আয়োগৰ সদস্যসকল আছিল—

কৰ্ণাটক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আৰু ইউনিভাৰ্চিটী গ্ৰাণ্টছ্ কমিছনৰ সদস্য শ্ৰী ভি-চি পাভাটে ( সভাপতি ), অৱসৰপ্ৰাপ্ত আই-এ-এচ বিষয়া ড° মথুৰানাথ গোস্বামী ( সম্পাদক ), বি-এম পিউ আৰু অসমৰ এডভোকেট জেনাৰেল শ্ৰীভবেশ বৰুৱা।

হিৰণ্য ভূঞাই পদত্যাগ কৰাৰ পিছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিষয়বৰীয়া আৰু কৰ্মচাৰী সকলৰ মাজত বিশেষ হতাশা আহি পৰে। বিশ্ববিদ্যালয়ৰ এক কৰ্মবহুল প্ৰতিষ্ঠান যি লাখ লাখ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক, শিক্ষক, শিক্ষমন্ত্ৰী আদিৰ লগত বহুবি যোগাযোগ কৰিব লাগে—তাকো পৰীক্ষা লোৱা, পৰীক্ষা কৰা ধৰণৰ অতি গুৰুত্বপূৰ্ণ বিষয়ত। এনে কাৰ্য্যত সময়ে সময়ে দোষ ক্ৰটি নোহোৱা বা কোনো কোনো লোক অসন্তুষ্ট হোৱাটো স্বাভাৱিক। তদুপৰি সেই সময়ত নতুন বিশ্ববিদ্যালয়টোৰ নিৰ্মাণ কাৰ্য্যও চলি আছিল আৰু অসমত উচ্চ শিক্ষাৰ সম্প্ৰসাৰণৰ কামও অতি দ্ৰুতভাৱে কৰিব লগীয়া হৈছিল। এইবিলাক কাম নিয়াৰিকৈ আত্মবিশ্বাসেৰে কৰিবলৈ এজন দৃঢ় আৰু নিৰ্ভৰশীল নেতাৰ প্ৰয়োজন হৈছিল। বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য শ্ৰীকৃষ্ণকান্ত সন্দিকৈয়ে বিশেষ পাৰদৰ্শিতাৰে এই নেতৃত্ব দিব পাৰিছিল। তেখেতে যে কেৱল নিয়াৰিকৈ প্ৰত্যেকজন বিষয়া, পৰীক্ষক আদিক দায়িত্ববিলাক ভাগ ভাগ কৰি দিছিল এনে নহয়, তেখেতে সকলোৰে মনত এটা আত্মোৎসৰ্গৰ ভাব আনি দিব পাৰিছিল। বিশ্ববিদ্যালয়ৰ লগত ঘনিষ্ঠভাৱে জড়িত সকলো লোকেই এইটো ভালদৰে জানে যে শ্ৰীফণীধৰ দত্তকে আদি কৰি বিষয়াসকলৰ উপৰিও বিশ্ববিদ্যালয়ৰ বহু কৰ্মচাৰীয়ে বিশ্ববিদ্যালয়খনৰ কাৰণে নিজৰ সকল শক্তি প্ৰয়োগ কৰি দিনেৰাতিয়ে শ্ৰম কৰিছিল। এই লোকসকলে কিবা ভুল কৰিলে তেওঁ সেইবিলাক সংশোধন কৰাইছিল কিন্তু তেওঁ সদায় বিশ্ববিদ্যালয়ৰ বিষয়াসকলক বা বিশ্ববিদ্যালয়ৰ কাম কৰা লোকক আনে জুলুম কৰাৰ পৰা প্ৰতিৰক্ষা কৰিছিল।

শ্ৰীকৃষ্ণকান্ত সন্দিকৈৰ দিনতো বিশ্ববিদ্যালয়ৰ বিৰুদ্ধে অপপ্ৰচাৰ চলিছিল আৰু ধ্বংসাত্মক সমালোচনা (বিশেষকৈ যোৰহাটৰ পৰা ওলোৱা 'জনমভূমি' বাতৰি কাকতত আৰু যোৰহাটৰ শ্ৰীভিবেশৰ নেওগ ডাঙৰীয়াই প্ৰচাৰ কৰা সৰু সৰু পুথিত) প্ৰায়ে দেখা গৈছিল। সেইদৰে পৰীক্ষকে কম নম্বৰ দিয়া আদি অভিযোগ বা পৰীক্ষাৰ বেমেজালি আদিৰ অভিযোগ প্ৰায়ে ওলাইছিল। কিন্তু এই সকলো ক্ষেত্ৰতে তেখেতে বিশ্ববিদ্যালয়খনৰ মৰ্য্যাদা অটুট ৰখাৰ আৰু বিশ্ববিদ্যালয়ৰ বিষয়াসকলক অনাহকতে জুলুম কৰাৰ পৰা ৰক্ষা কৰাৰ দায়িত্ব লৈছিল। ৰেজিষ্ট্ৰাৰ শ্ৰীহৰেক কটন কলেজৰ বাসভৱনৰ পৰা ওলাই যাবলৈ চৰকাৰে টানি নিৰ্দেশ দিওঁতেও তেখেতে কেনেদৰে নিজে গা পাতি তেওঁক সহায় কৰিছিল তাৰ কথা উল্লেখ কৰিছো। এবাৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ গাড়ী চলোৱা ড্ৰাইভাৰজনে এজন পুলিচ বিষয়াক (শ্ৰীনেপুৰ চলিহা) দুৰ্ঘটনা ক্ৰমে মটৰেৰে খুন্দিয়াই ভৰিৰ বুঢ়া আঙুলি গুড়া কৰাৰ বাবে বিষয়াজনে ড্ৰাইভাৰজনক অযথা প্ৰহাৰ কৰা বাবে তেখেতে ইমান টান ধৰণেৰে কৈ পঠিয়াইছিল যে বিষয়াজনে ড্ৰাইভাৰজনৰ বিৰুদ্ধে কোনো মোকৰ্দ্দমা কৰিবলৈকে আগ নাবাঢ়িলে।—

শ্ৰীকৃষ্ণকান্ত সন্দিকৈৰ পিছত ড° সূৰ্য্যকুমাৰ ভূঞাইও বিশ্ববিদ্যালয় খনৰ সকলো কাম কাজ দৃঢ়তাৰে প্ৰতিৰক্ষা কৰি বিশ্ববিদ্যালয়ৰ সন্মান অটুট ৰাখিবলৈ চেষ্টা কৰিছিল। কেতিয়াও টান কথা কোৱাৰ অভ্যাস নথকা আৰু অতিশয় নিৰ্জ্জু প্ৰকৃতিৰ লোক ড° সূৰ্য্যকুমাৰ ভূঞাই ১৯৫৯ চনৰ ৩ অক্টোবৰৰ কৰ্টৰ মিটিঙত বিশ্ববিদ্যালয়খনৰ হকে যি কঠোৰভাৱে তেতিয়াৰ শিক্ষামন্ত্ৰী শ্ৰীদেৱেশ্বৰ শৰ্মাৰ লগত তৰ্কাতৰ্কি কৰিছিল তাক দেখি সকলো আচৰিত হৈছিল।

কিন্তু ড° হিৰণ্য ভূঞা উপাচাৰ্য্য হৈ বিশ্ববিদ্যালয়খনক একেবাৰে নেতৃত্বহীন কৰি পেলালে। তেখেতৰ দিনত বিশ্ববিদ্যালয়ৰ বিৰুদ্ধে চলি থকা (১৯৫৯ চনৰ পৰা) অপপ্ৰচাৰ বিলাকক তেখেতে প্ৰশ্ৰয় দি বাইজৰ মাজত অনাস্থাৰ সৃষ্টি কৰাৰ উপৰিও ৰাজহুৱাভাৱে ছাত্ৰসকলৰ আগত বা ৰাজ্যপালৰ আগত বিশ্ববিদ্যালয়ৰ বিষয়াসকলৰ ও কৰ্মচাৰীসকলৰ বিপক্ষে অভিযোগ তুলি তেওঁ গোটেই বিশ্ববিদ্যালয়খনক শিয়াল-কুকুৰৰ কাৰণে এৰি দিলে।

## উপাচাৰ্য্যৰূপে শ্ৰীকমলেশ্বৰ বৰুৱা

ড: হিৰণ্য ভূঞাই পদত্যাগ কৰি বিশ্ববিদ্যালয়ৰ বিষয়-ববীয়া সকলৰ কাৰণে পৰিস্থিতি আৰু শোচনীয় কৰি তুলিলে। ড: হিৰণ্য ভূঞাৰ দৰে আন কোনোজন

এজনে আহি নিজে নাম কৰিবৰ কাৰণে তেওঁলোকৰ ওপৰতে সকলো দোষ জাপি দিব বুলি তেওঁলোক চিন্তিত হ'ল। বিশ্ববিদ্যালয়ৰ হেৰোৱা সন্মান পুনৰুদ্ধাৰ কৰিবৰ কাৰণে আৰু বিশ্ববিদ্যালয়ৰ বিষয়া আৰু কৰ্মীসকলে যাতে আগৰ দৰে নিঃসংকোচে নিজৰ নিজৰ দায়িত্ব পালন কৰিব পাৰে সেইকাৰণে শ্ৰীদত্তকে উপাচাৰ্য্য হ'বলৈ বহুতে খাটিলে। তেখেতক বহুতে তেনেকুৱা পৰিস্থিতিত উপাচাৰ্য্য নহ'বলৈকো উপদেশ দিলে কিয়নো বিশ্ববিদ্যালয়ৰ কোনো কোনো বিষয়াৰ বিপক্ষে উঠা অভিযোগ কিছুমান সম্পূৰ্ণ অসত্য নহয় কাৰণে তেখেতেই শেষত সকলো দুৰ্নাম পাতি লব লগীয়া হ'ব বুলি তেখেতৰ বহু শুভাকাঙ্ক্ষীয়ে ভয় কৰিছিল। কিন্তু তেখেতৰ বিৰুদ্ধে তোলা সকলো অভিযোগেই সম্পূৰ্ণ ভিত্তিহীন আছিল দেখি তেখেতৰ দৃঢ় বিশ্বাস আছিল যে ৰাইজে তেখেতৰ ওপৰত আস্থা প্ৰকাশ কৰিব আৰু তদন্ত আয়োগে প্ৰকৃত সত্যবিলাক উদ্ঘাটন কৰিলে মানুহে এইটো বুজিব যে বিশ্ববিদ্যালয়ৰ বিষয়াসকলে কোনো গুৰুতৰ অপৰাধ কৰা নাই। তদুপৰি তেখেতৰ স্বাস্থ্য নিতৌ বেয়া হৈ অহা কাৰণে তেখেতে ৰেজিষ্ট্ৰাৰৰূপে আগৰ দৰে পৰিশ্ৰম কৰিব নোৱৰা হৈছিল আৰু দুই তিনি বছৰৰ ভিতৰতে চাকৰিৰ পৰা অৱসৰ ল'বলৈ স্বাস্থ্যই বাধ্য কৰিব বুলি ভাবিছিল। গতিকে পাৰোঁতেই আন এজনক ৰেজিষ্ট্ৰাৰ কামৰ কাৰণে শিকাই বুজাই বিশ্ববিদ্যালয়খনক থানথিত লগাবলৈ কিছু কৰিব পাৰিব বুলি তেখেতে আশা কৰিছিল। বিশ্ববিদ্যালয়খনৰ হেৰোৱা সন্মান ঘূৰাই আনিবলৈ আৰু তাৰ কাৰ্য্য কলাপত শৃঙ্খলা আনিবৰ মানসেৰে শ্ৰীদত্তই গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যৰ কাৰণে তেখেতৰ নামও প্ৰস্তাৱ কৰিবলৈ সন্মতি দিলে।

কিন্তু, ইতিমধ্যে বহুত পলম হৈছিল। বিশ্ববিদ্যালয়ত দলীয় স্বাৰ্থ ইমান বেয়াকৈ সোমাইছিল আৰু উপাচাৰ্য্যৰ পদবীটোৰ কাৰণে বহুতেই ইমান লোলুপ দৃষ্টিৰে চাইছিল যে বিশ্ববিদ্যালয়খন এখন স্বতন্ত্ৰ পৱিত্ৰ প্ৰতিষ্ঠানৰূপে থানথিত লগোৱাটো একপ্ৰকাৰ অসম্ভৱ হৈ পৰে। এই কথা স্পষ্ট হয় ১৯৬২ চনৰ ২৩ জানুৱাৰীত উপাচাৰ্য্যৰ কাৰণে নাম অনুমোদন কৰিবলৈ বহা ক'ৰ্টৰ সভাত। সেই সভাত শ্ৰীদত্তৰ উপৰিও আন দুজনৰ নাম প্ৰস্তাৱ কৰা হয়। শ্ৰীদত্তৰ লগত উপাচাৰ্য্যৰ কাৰণে প্ৰতিদ্বন্দ্বিতা কৰা সকলৰ ভিতৰত আছিল তদন্ত আয়োগৰ সদস্য ডঃ মথুৰা নাথ গোস্বামী আৰু মঙ্গলদৈ কলেজৰ অধ্যক্ষ শ্ৰীপুৰন্দৰ শৰ্মা। সেইদিনাখনৰ ক'ৰ্টৰ সভাত এনে বিশৃঙ্খলতা আৰু কোনে কাৰ নাম প্ৰস্তাৱ কৰিব আদি লৈ এনে ব্যৰ্থ উদ্দীপনা দেখা গৈছিল যে দুজন এনে লোকৰ নাম প্ৰস্তাৱ কৰা হৈছিল যি গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য পদ গ্ৰহণ কৰাটো একপ্ৰকাৰ, অসম্ভৱ

আছিল। যিহওক তথাপি তেওঁলোকৰ কাৰণেও ভোট দিয়া হৈছিল। সি যিয়েই নহওক সেইদিনাখন ক'টৰ অধিক সংখ্যক লোকেই শ্ৰীদত্তৰ মনোনয়ৰ সপক্ষে ভোট দিয়াত তেখেতেই আটাইতকৈ বেছি ভোট পায় আৰু ৰাজ্যপাল শ্ৰীনাগেশে শ্ৰীফণীধৰ দত্তকে উপাচাৰ্য্য নিযুক্ত কৰে।

উপাচাৰ্য্য হৈ শ্ৰীদত্তই বিশ্ববিদ্যালয়খন আধুনিকৰূপে গঢ় দিবলৈ উঠি পৰি লাগে। তেখেতেই অতি তৎপৰতাৰ এম-এ মহলাত প্ৰিভিয়াচ ফাইনেল পৰীক্ষা প্ৰৱৰ্তন কৰে আৰু দিল্লীকে আদি কৰি ভাৰতৰ আন আন বিশ্ববিদ্যালয়বিলাকে কেনেদৰে আধুনিক গঢ় লৈছে সেইবিলাক অধ্যয়ন কৰি গুৱাহাটী বিশ্ববিদ্যালয়ক সংশোধিত কৰিবলৈ লাগি যায় আৰু বিশ্ববিদ্যালয়টো উন্নত কৰিবৰ কাৰণে আটাইৰে সহযোগ আৰু পৰামৰ্শ আহৰণ কৰিবলৈ চেষ্টা কৰে।

শ্ৰীদত্ত উপাচাৰ্য্য নিযুক্ত হোৱাৰ পিছত শ্ৰীনাগেশে তদন্ত আয়োগটোৰ কাম বন্ধ কৰি দিয়াৰ প্ৰস্তাৱ দি শ্ৰীদত্তক কয়, "আপুনি উপাচাৰ্য্য হ'ল যেতিয়া তদন্ত আয়োগৰ কাম বন্ধ কৰি দিয়াই ভাল।" কিন্তু শ্ৰীদত্তই কয় যে তদন্ত আয়োগটো তেখেতৰ কাৰণে পতা নাই, গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাৰণহে পাতিছে যেতিয়া তেওঁ তাৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ দোষ ত্ৰুটি কিছুমান ওলাই পৰিব আৰু হয়তো সেইবিলাক সংশোধনৰ কাৰণে কিছু ভাল পৰামৰ্শ পাব। কিন্তু শ্ৰীদত্তই ভুল কৰিছিল, কিয়নো তদন্ত আয়োগৰ সম্পাদক ডঃ মথুৰা নাথ গোস্বামীয়ে উপাচাৰ্য্য হ'বলৈ বৰকৈ ইচ্ছা কৰিছিল (এখেত তদন্ত আয়োগৰ সদস্য হৈ থাকোঁতেই শ্ৰীদত্তৰ লগত উপাচাৰ্য্যৰ পদবীৰ কাৰণে প্ৰতিদ্বন্দ্বিতা কৰিছিল)। সেখেতে হয়তো শ্ৰীদত্তক আঁতৰাই নিজৰ পথ নিষ্কণ্টক কৰিবলৈ বিচাৰিছিল। সেই কথা তদন্ত আয়োগৰ প্ৰতিবেদন খনত আখৰে আখৰে প্ৰস্ফুট হয়।

সেই প্ৰতিবেদনখনত শ্ৰীদত্তৰ বিপক্ষে "মিসট্ৰি অব গৌহাটী ইউনিভাৰ্চিটী" বোলা বেনামী পুস্তিকাখনত লিখা কথাবিলাককে অতিৰঞ্জন কৰি উল্লেখ কৰে আৰু বিশ্ববিদ্যালয়ৰ আন কেবা গৰাকীও বিষয়াৰ বিপক্ষে অভিযোগ উল্লেখ কৰে। তদন্ত আয়োগে প্ৰতিবেদনখন ১৯৬২ চনৰ জুন মাহত ৰাজ্যপালৰ হাতত দিয়ে। তেওঁ সেইখন শিক্ষামন্ত্ৰী দেৱকান্ত বৰুৱাক দেখুৱাই কি কৰিব কি নকৰিব সেই বিষয়ে আলোচনা কৰে। তাৰ পিছত আৰম্ভ হয় দেৱকান্ত বৰুৱা পৰ্ব।

### দেৱকান্ত বৰুৱাৰ কাৰ্য্যকলাপ

দেৱকান্ত বৰুৱাই গুৱাহাটী বিশ্ববিদ্যালয়ত নিজৰ প্ৰভুত্ব বিস্তাৰ কৰিবলৈ এটা

ভাল সুবিধা পালে। তেখেতে শ্ৰীদত্তক পদত্যাগ কৰিবলৈ জোৰ কৰিলে কিন্তু শ্ৰীদত্তই ক'লে যে তেওঁৰ বিষয়ে তদন্ত আয়োগে তোলা অভিযোগ বিলাক প্ৰমাণ নকৰালৈকে তেওঁ পদত্যাগ নকৰে। বৰুৱাই শ্ৰীদত্তৰ বিপক্ষে দুৰ্নীতি বিৰোধী বিভাগ লগাম বুলি ভাবুকি দিলে কিন্তু শ্ৰীদত্তই জনালে যে তেওঁ শিক্ষামন্ত্ৰীয়ে তেনে কৰাটোৰেই বিচাৰে। শ্ৰীদত্তই ক'লে যে স্বাস্থ্যজনিত কাৰণত তেওঁ বেছি দিন চাকৰি কৰিব নোৱাৰে, কিন্তু তেওঁ কিছুমান মিছা অপবাদ লৈ বিশ্ববিদ্যালয়ৰ পদ এৰিবলৈ নিবিচাৰে। দেৱকান্ত বৰুৱাই বিশ্ববিদ্যালয় বিষয়াসকলৰ বিপক্ষে দুৰ্নীতি-বিৰোধী বিভাগক লগাবলৈ সাহস নকৰিলে, কাৰণ তেনে কৰিলে তেওঁৰ উদ্দেশ্য সিদ্ধি নহয়। বিশ্ববিদ্যালয়ৰ বিষয়ে সঁচা মিছা অপবাদবিলাক চলি থাকিলেহে তাত প্ৰভুত্ব বিস্তাৰ কৰাৰ সুবিধা থাকে। সেয়েহে, তেওঁ তদন্ত আয়োগৰ প্ৰতিবেদনৰ পৰা বচা বচা কথা সুচতুৰভাৱে বাতৰি কাকতত উলিয়াবলৈ সৰকালে আৰু বিশ্ববিদ্যালয়খন চৰকাৰৰ পোনপটীয়া কৰ্তৃত্বলৈ আনিবলৈ এখন অধ্যাদেশৰ খচৰা তৈয়াৰ কৰিবলৈ ধৰিলে।

২৯/৭/৭০-ত আসাম ট্ৰিবিউনৰ ছিলঙৰ বাতৰি দিওঁতাই লিখিলে, গুৱাহাটী বিশ্ববিদ্যালয়ৰ উচ্চ বিষয়াক পদত্যাগ কৰিবলৈ কোৱা হ'ব।" ৪ ৮ ৭২ ৰ আসাম ট্ৰিবিউনত ওলাল, "চৰকাৰে গুৱাহাটী বিশ্ববিদ্যালয় নিয়ন্ত্ৰণ কৰিব লাগে।" ১২ ৮/৭০ৰ আসাম ট্ৰিবিউনত ওলাল "অসমৰ্থিত বাতৰিৰ মতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আইনখন সংশোধিত নোহোৱালৈকে চৰকাৰে এখন অধ্যাদেশেৰে বিশ্ববিদ্যালয়ৰ শাসনৰ এক অন্তঃকালীন ব্যৱস্থা কৰিব পাৰে। এনদৰে সৰকি অহা দুই এটা বাতৰিত দেৱকান্ত বৰুৱাইনো কি কৰে সেই বিষয়ে বহুতেই সঙ্কুচিত হ'ল আৰু নানা জল্পনা কল্পনা কৰিবলৈ ধৰিলে।

এজনে ২৭ আগষ্টৰ নতুন অসমীয়াত লিখিলে, "আমি যুযুক ঘানাককৈ শুনিবলৈ পাওঁ যে কোনো কোনো ৰাজনৈতিক দলৰ মানুহে বিশ্ববিদ্যালয়ৰ দুৰ্নীতি পৰায়ণ কোনো অভিযুক্ত লোকক ৰক্ষা কৰিবলৈ উঠি-পৰি লাগিছে।" এইবাৰ কথা হয়তো দেৱকান্ত বৰুৱাই ভায়েক ড' বিৰিঞ্চি কুমাৰ বৰুৱাক ৰক্ষা কৰিবলৈহে চেষ্টা কৰিছে বুলি ভাবি নাইবা বিশ্ববিদ্যালয়ৰ কমিউনিষ্টসকলে তেওঁলোকৰ প্ৰতি সহানুভূতি থকা কোনোবা এজন বিষয়াক ৰক্ষা কৰিবলৈ চেষ্টা কৰিছে বুলি ভাবিয়েই লিখা হৈছিল। কিন্তু আমাৰ বিশ্বাস যে শিক্ষামন্ত্ৰীয়ে গুৱাহাটী বিশ্ববিদ্যালয়ক নিজৰ হাতৰ মুঠিলৈ অনাবহে বেছি প্ৰয়াস কৰিছিল বুলি ধাৰণা হয়।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৰ্টে তদন্ত আয়োগৰ প্ৰতিবেদনখন আলোচনা কৰিবৰ

কাৰণে ১৯৬২ চনৰ ২১ আগষ্টত এখন বিশেষ মিটিং পাতে। কিন্তু সেই মিটিঙত তদন্ত আয়োগৰ প্ৰতিবেদনখনৰ বিষয়ে বিশেষ একো আলোচনা নকৰি শ্ৰীফণীধৰ দত্তক উপাচাৰ্য্যৰ পৰা পদত্যাগ কৰিবলৈহে সকলোৱে জোৰ কৰি নানা কাৰণ প্ৰদৰ্শায়। উপাচাৰ্য্য শ্ৰীদত্তই তেখেতৰ বিৰুদ্ধে উঠা অভিযোগবিলাক যে সকলো মিছা তাক দৃঢ়ভাবে ঘোষণা কৰি কয় যে তেওঁ তেনে মিছা অপবাদৰ মাজত পদত্যাগ কৰা মানে সেইবিলাক সঁচা বুলি গ্ৰহণ কৰাহে বুজাব। সেইকাৰণে তেওঁ কয় যে তদন্ত আয়োগে এখন বেনামী কিতাপত ওলোৱা কথাবিলাকহে পুনৰ উল্লেখ কৰিছে, কিন্তু তেওঁলোকে সেইবিলাকৰ সত্যাসত্য নিৰূপণ কৰা নাই— যিটো দায়িত্ব তেওঁলোকক দিয়া হৈছিল। সেই অভিযোগবিলাক যদি সঁচা প্ৰমাণিত হয় তেনেহ'লে বিশ্ববিদ্যালয় আৰু চৰকাৰে তেওঁক শাস্তি দিয়া উচিত। সেই অভিযোগবিলাক ইমান গুৰুতৰ যে পদত্যাগেই তাৰ কাৰণে যথেষ্ট শাস্তি নহয়। আনহাতে তাঁকে নকৰি তেওঁক উপাচাৰ্য্যৰ পৰা আঁতৰোৱা মানে তেওঁৰ নামত মিছা কলঙ্ক সনা। তেখেতে তদন্ত আয়োগৰ অভিযোগবিলাক লিখিতভাৱে খণ্ডন কৰাৰ উপৰিও নিজৰ কিমান সা-সম্পত্তি আছে সেই বিষয়ে গুৱাহাটীৰ এজন হুঁণ্ডাধীশৰ আদালতত ১৯৬২ চনৰ ২১ আগষ্টত শপত লৈ দিয়া স্বীকাৰ উক্তিত তলত দিয়া ধৰণে ঘোষণা কৰে:

তলত দিয়া কেইটাৰ বাদে কলিকতা বা আন কোনো ঠাইত মোৰ কোনো ধন নাই—

(ক) ইউনাইটেড কমাৰ্চিয়েল বেঙ্ক, গুৱাহাটী (১৪/৫/৬২-ত থকা ধনৰ পৰিমাণ ১৮৭৫·৬১ টকা)

(খ) প'ষ্টেল ছেভিংচ বেঙ্ক এ/চি নং ৬৫৬১২, গুৱাহাটী (মোৰ পত্নীৰ নামত) ধনৰ পৰিমাণ ৭০৬ ৬১ টকা।

"মই মোৰ ছোৱালী আৰু ভতিজা ন'ৰা-ছোৱালীৰ বিয়াত খৰছ কৰিবৰ কাৰণে মোৰ প্ৰভিডেণ্ট ফাণ্ডত থকা সমুদায় ধন উলিয়াব লগীয়া হ'ল। যোৰহাটত থকা পৈতৃক সম্পত্তিৰ বাহিৰে গুৱাহাটী বা যোৰহাটত মোৰ কোনো ঘৰ-দুৱাৰ নাই। যোৰহাটৰ পৈতৃক মাটিবাৰীত মই এক লোচাও ভূমি যোগ কৰিব পৰা নাই। গুৱাহাটীত চৰকাৰে নিৰ্দ্ধাৰিত নিৰিখৰ বিনিময়ত মোক ২ কঠা ১৩ লোচা দ' মাটি দিছে। এইবিলাকৰ বাহিৰে মই একো অস্থাৱৰ সম্পত্তি আহৰণ কৰা নাই। বেলেগ বেলেগ ঠাইত মোৰ মুঠ প্ৰায় ২৩,০০০·০০ টকা ধাৰ আছে।"

## ছঁয়ত্রিছ

# দীপ নির্বাণ

অপ্রীতিকৰ পৰিস্থিতিত বিশ্ববিদ্যালয়ৰ পৰা আঁতৰিব লগীয়া হোৱাই শ্রীদত্তৰ দেহ মন সম্পূর্ণৰূপে ভাগি পৰে আৰু স্বাস্থ্যৰ দ্রুত অৱনতি ঘটিবলৈ ধৰে। এনে হোৱাৰ কেবাটাও কাৰণ আছিল।

প্রথমেই তেখেতে বিশ্ববিদ্যালয়ৰ লগত নিজকে সম্পূর্ণৰূপে সাঙুৰি পেলাইছিল। গুৱাহাটী বিশ্ববিদ্যালয়খন আৰম্ভ কৰি তাক সুপ্রতিষ্ঠিত কৰিবলৈ লোকপ্রিয় বৰদলৈদেৱে তেখেতৰ ওপৰত যি গধুৰ দায়িত্ব অর্পণ কৰিছিল তাক সুচাৰুৰূপে সমাধা কৰাটোকে তেখেতে জীৱনৰ চৰম উদ্দেশ্যৰূপে লৈছিল। তেখেতৰ মন-প্রাণ সম্পূর্ণৰূপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ লগতে লিপ্ত হৈছিল। শ্রীকৃষ্ণকান্ত সন্দিকৈৰ দৰে তেখেতে নিজকে প্রতিষ্ঠানটোৰ পৰা নিঃসঙ্গ কৰিবলৈ বিশেষ কষ্ট পাইছিল। শ্রীসন্দিকৈৰ দৰে জ্ঞানৰ সাধনা তেখেতৰ নাছিল। তেখেতৰ কর্মসাধনা আছিল কিন্তু সেই কর্মৰ সাধনা ব্যক্ত হৈছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগেদিহে। সেয়েহে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা বিচ্ছিন্ন হৈ তেখেত অতিশয় বিচলিত হ'ল।

দ্বিতীয়তে, গোটেই জীৱন সৎ পথত থাকি অসমৰ শিক্ষাৰ সম্প্রসাৰণৰ কাৰণে অতিশয় ন্যায়ভাৱে নিজৰ যথাসর্বস্ব ত্যাগ কৰি পৰিশ্রম কৰাৰ পিছত মিছা অভিযোগ কিছুমানেৰে তেনেদৰে অসমীয়া সমাজত অভিশপ্ত হ'ব লগীয়া হোৱাটো তেখেতৰ কাৰণে এক দুঃসহ বেদনা আছিল। তেখেতৰ ন্যায়পৰায়ণতা আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাৰণে তেখেতে কৰা স্বার্থত্যাগ তেতিয়া এক প্রকাৰ সর্বজনবিদিত আছিল, কিন্তু তেখেতে আচৰিত হ'ল যে তথাপিও বিশ্ববিদ্যালয়ৰ ক'র্টৰ মুষ্টিমেয় স্বার্থান্বেষী লোক আৰু সমাজৰ মুষ্টিমেয় দুর্জনৰ কাৰণেই তেখেতে জীৱনৰ বিয়লি বেলা তেনেদৰে লাঞ্ছিত হ'ল। তেখেতে আচৰিত হৈছিল যে সমাজৰ বা ক'র্টৰ ন্যায় পৰায়ণ লোকসকলে তেখেতৰ সুনাম ৰক্ষা কৰাৰ কাৰণে অকণো চেষ্টা নকৰিলে। তেখেতে বাৰে বাৰে কৈছিল যে "উপাচার্য্যৰ পদ ইস্তফা দিবলৈ মই সাজু আছোঁ কিন্তু আপোনালোকে এইটো কৰক যে মোৰ বিপক্ষে থকা অভিযোগবোৰৰ ন্যায়পূর্ণ অনুসন্ধান কৰি মই দোষী নে নির্দোষী তাৰ প্রমাণ কৰিব। এই অভিযোগ বিলাক দুর্নীতি-নিৰোধ বিভাগক অনুসন্ধান কৰিবলৈ দিয়ক।

তেওঁলোকে যদি মোক দোষী পায় মোক শাস্তি দিয়ক। কিন্তু তাকে নকৰি এনেদৰে মিছা অভিযোগেৰে মোৰ পদত্যাগ বিচাৰি মোৰ মানহানি কৰা হৈছে আৰু ই ভৱিষ্যতে বিশ্ববিদ্যালয়খনৰ বিস্তৰ ক্ষতি কৰিব।" অৱশ্যে বিশ্ববিদ্যালয়ৰ ক'টৰ সেই স্বাৰ্থান্বেষী দলটোৱে বিশ্ববিদ্যালয়ৰ ভৱিষ্যতৰ কথা ভৰা নাছিল—নিজৰ স্বাৰ্থৰ কথাহে ভাবিছিল। পদত্যাগ কৰাৰ পিছতও শ্ৰীদত্তই বিশ্ববিদ্যালয়খনৰ বাবে কেনেদৰে ভাবিছিল তাক তেখেতে 'আচাৰ্য ত্ৰিবিউনত' লিখা চিঠিখনৰ পৰাই বুজিব পাৰি—

"চৈধ্য বছৰ আগতে এটা সাময়িক বাহৰত মই বিশ্ববিদ্যালয়খন আৰম্ভ কৰিছিলোঁ। আৰু তেতিয়া মোৰ সম্বল আছিল ৰূপায়ণ চিনেমাৰ কাষত থকা এজন উৎসাহী বঙালী কাঠ মিস্ত্ৰীয়ে দিয়া এখন মেজ, এখন চকী আৰু এটা আলমাৰী। এতিয়া ই মহান উচ্চতালৈ বাঢ়িছে। ইয়াৰ নিৰ্মাণ কাৰ্য্যই ড° চি-ডি-দেশমুখৰ দৰে লোকৰ পৰা প্ৰশংসা লাভ কৰিছে। ই নিপুণ কাম কৰিছে, ইয়াৰ শিক্ষক ছাত্ৰ-ছাত্ৰীয়ে খ্যাতি অৰ্জন কৰিছে, বৈজ্ঞানিক আৰু মানবীয় শিক্ষা সম্প্ৰসাৰিত আৰু সুদৃঢ় ভেঁটিত প্ৰতিষ্ঠিত কৰা হৈছে। আন নেলাগে শ্ৰীনেহেৰুৱে ইয়াৰ কলা ভৱন মুকলি কৰোঁতে এই বিশ্ববিদ্যালয়ে অতি কম সময়ৰ ভিতৰতে অৰ্জন কৰা খ্যাতি বিশেষভাৱে উল্লেখ কৰিছিল।

মই স্বীকাৰ কৰোঁ যে আমাৰ দুৰ্বলতা আছে আৰু কোনো কোনো ক্ষেত্ৰত আমি ব্যৰ্থ হৈছোঁ। কিন্তু আমি সন্মুখীন হোৱা অসুবিধা বিলাকৰ বিষয়ে এটাও শব্দ উল্লেখ কৰা হোৱা নাই। দূৰৈৰ পৰা দোষ খুচৰি উলিওৱা সহজ। ভিতৰত থাকি প্ৰশাসন কৰা আৰু গঢ় দিয়া সহজ নহয়। বিশ্ববিদ্যালয়টো গঢ় দিয়াত আৰু ইয়াৰ কাম কাজ চলাওঁতে মোক এই কেইবছৰ সহায় কৰি অহা মোৰ তলতীয়া কৰ্মচাৰীসকলক আৰু আন সকলো লোককে এই সুযোগতে মই মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মোৰ পদত্যাগে যদি কিবা প্ৰকাৰে বিশ্ববিদ্যালয়টোৰ বিকাশৰ কাৰণে আৰু ভালৰ কাৰণে কিবা প্ৰকাৰে সহায় হয় তেনেহলে মই নিজেই ধন্য মানিম। স্বাৰ্থান্বেষীলোকৰ আৰু ৰাজনৈতিক চল-চাতুৰীৰ বিপক্ষে নিজকে প্ৰতিৰক্ষা কাৰৰ নজনা মোৰ দৰে বহু নিৰীহ লোকে আন্তৰিকতাৰে সেৱা কৰা আৰু আমাৰ উপৰি পুৰুষসকলৰ সপোন আৰু আশা আকাঙ্ক্ষাৰোৰ গুঁঠি থোৱা এই পৱিত্ৰ প্ৰতিষ্ঠানটোৱে পূৰ্ণতা লাভ কৰিবলৈ এতিয়াও বাকী। সেয়েহে এইটো মোৰ একান্ত বাঞ্ছা যে অসম, মণিপুৰ আৰু নগালেণ্ডৰ লোকসকলে এই বিশ্ব বিদ্যালয়ৰ

কৰ্মকৰ্তাসকলক সহায় সহযোগ কৰিব আৰু তেওঁলোকক বুজাপৰাৰে ব্যৱহাৰ কৰিব।"

[ সম্পাদকলৈ চিঠি, 'আচাম ট্ৰিবিউন' ১৮ অক্টোবৰ, ১৯৬২ ]

শ্ৰীদত্তই ওপৰৰ চিঠিখন লিখিছিল যোৰহাটৰ পৰা। গুৱাহাটীত তেখেতৰ ঘৰ দুৱাৰ নথকা কাৰণে পদত্যাগৰ পিছত তেখেতে যোৰহাটৰ গাঁৱৰ ঘৰতে থাকিবলৈ লয় আৰু আকৌ ওকালতি আৰম্ভ কৰিম বুলি মন বান্ধে কিন্তু তেখেতৰ স্বাস্থ্যৰ অতি দ্ৰুত অৱনতি ঘটাত শুশ্ৰূষাৰ কাৰণে কেইদিনমানৰ পিছতে গুৱাহাটীলৈ আহে। ইতিমধ্যে তেখেতৰ ডাঙৰ পুতেক আৰু ইঞ্জিনীয়াৰিং কলেজৰ অধ্যাপক শ্ৰীপ্ৰদীপ কুমাৰ দত্তই কলেজৰ সৰু ঘৰ এটা পোৱাৰ কাৰণে হস্পিটালৰ পৰা আহি তেখেতেও তাতেই নিজৰ ল'ৰা ছোৱালীৰ সতে থাকিবলৈ লয়। নিজৰ কোনো উপাৰ্জন নথকা বাবে আৰু হাতত এটাও ফুটা কড়ি নথকা বাবে সেই সময়ত গোটেই পৰিয়ালটোৱে বিশেষ অনাটনৰ সম্মুখীন হয়। কলেজত পঢ়া ছগৰাকী ল'ৰ-ছোৱালী, শ্ৰীদত্ত আৰু তেখেতৰ পৰিবাৰৰ গোটেই পৰিয়ালটো নিৰ্ভৰ কৰিব লগীয়া হয় এজন নবীন অধ্যাপকৰ ক্ষীণ উপাৰ্জনৰ ওপৰতে। তেখেতৰ তেনে অৱস্থাত নিজৰ দুই চাৰিজন অতি আন্তৰিক আত্মীয় বাদে গোটেই অসমীয়া সমাজখনে চকু মুদি থাকিল। শেষত সহায় কৰিবলৈ আগ বাঢ়ি আহিল তেখেতৰ পিছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য হোৱা ইংৰাজ শিক্ষাবিদ ডঃ টেইলাৰ।

বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যৰ কাৰ্য্যভাৰ গ্ৰহণ কৰি ডঃ টেইলাৰে বিশ্ববিদ্যালয়ৰ প্ৰথম চৈধ্যটা বছৰ শ্ৰীদত্তই ইমান নিয়াৰিকৈ সকলোবিলাক কাম কেনেকৈ কৰিছিল তাক দেখি বিস্ময় মানিলে। ডঃ টেইলাৰে ইটো সিটো কথাত শ্ৰীদত্তৰ দিহা পৰামৰ্শ ল'বলৈ যাবলৈ ল'লে। তেখেতে শ্ৰীদত্তৰ দুৰৱস্থাটো বুজিব পাৰি অতি খৰখেদাকৈ বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা শ্ৰীদত্তক দৰমহা স্বৰূপে পোন্ধৰ হেজাৰ টকা দিয়াৰ ব্যৱস্থা কৰে। কোৱা বাহুল্য যে যিখন আইনৰ সহায়ত ডঃ টেইলাৰে শ্ৰীদত্তক সেই দৰমহাৰ ব্যৱস্থা কৰিবলৈ সমৰ্থ হৈছিল সেইখন আইনও বিশ্ববিদ্যালয়ৰ ক'ৰ্টেই অনুমোদন কৰিছিল। শ্ৰীদত্তৰ কাৰণে পোন্ধৰ হেজাৰ টকা অনুমোদন কৰা ক'ৰ্টৰ সদস্যসকলৰ ভিতৰত আছিল তেখেতৰ বিপক্ষে টকা আত্মসাতৰ অভিযোগ অনা ব্যক্তি সকলেই। তেখেতৰ বিপক্ষে দুৰ্নীতিৰ অভিযোগবোৰৰ অনুসন্ধান কৰা হ'ব বুলি ৰাইজক প্ৰতিশ্ৰুতি দিয়া সকলেই অনুসন্ধানৰ সলনি তেখেতক দৰমহা দিয়াৰ ব্যৱস্থাৰ পৰাই সেই ব্যক্তি সকলৰ ভাল পৰিচয় পোৱা যায়। তেওঁলোকে যে মিছা অভিযোগেৰে শ্ৰীদত্তক বিশ্ববিদ্যালয়ৰ পৰা অপসাৰিত

কৰিলে তাক তেওঁলোকে সেই কাৰ্য্যৰ দ্বাৰাই ভালদৰে প্ৰমাণ কৰি থৈ গ'ল। জগতে নিজৰ স্বাৰ্থৰ বাবে তেওঁলোকে কেনে নিলাজ ভাৱে বাইজক ফাকি দিব পাৰে ইও তাৰ দ্বাৰা প্ৰতিস্ফূট হ'ল।

অৱশ্যে, দুই চাৰিজনৰ শ্ৰীদত্তৰ প্ৰতি সহানুভূতি নথকা নহয়, কিন্তু এইটো সঁচা যে ইংৰাজ ভদ্ৰলোক ডঃ টেইলাৰ আগ বাঢ়ি নহা হ'লে অসমীয়া সমাজে হয়তো শ্ৰীদত্তক তেনেদৰে সহায় কৰিবলৈ সৎ সাহস নেপালেহেঁতেন।

যাহওক, সেই পোন্ধৰ হেজাৰ টকাৰে পল্টন বজাৰত ঘৰ এটা সাজি ল'বলৈ বুলি ল'বাইতক সকলো চমজাই দি ১৯৬৩ চনৰ ২৯ অক্টোবৰত শ্ৰীদত্তই গুৱাহাটীৰ মেডিকেল কলেজ হস্পিটালত ইহলীলা সম্বৰণ কৰে। মৃত্যুৰ সময়ত ডঃ টেইলাৰে কৰা অনুগ্ৰহখিনিৰ বাদে তেখেতৰ আন এক পইচাও নাছিল আৰু গোটেই জীৱন অশেষ কষ্টেৰে অসমৰ শিক্ষা জগতৰ চাকৰি কৰিও তেখেতলৈ ছোৱালী যাচিবলৈ আহোঁতে তেখেতৰ ভাবী শহুৰ শ্ৰীভদ্ৰ হাজৰিকাই দেখি যোৱা ছালিখনৰও তেখেতে বিশেষ একো সলনি কৰিব নোৱাৰিলে। জীৱন কালত দৰিদ্ৰতাৰ বেৰাখন পাৰ হ'বলৈ সমৰ্থ হৈছিল যদিও তেখেতে গোটেই জীৱন সিপাৰৰ দৰিদ্ৰসকলৰে বিশ্বাসী সেৱক হৈ থাকিল। ইপাৰৰ পৰা তেখেতে সিপাৰৰ দুখীয়া লোকক কেতিয়াও নেপাহৰিলে। সেই দুখীয়া শ্ৰেণীত জনম লৈও শিক্ষা লাভ কৰিবলৈ সমৰ্থ হৈ তেখেতে আভিজাত্য, আড়ম্বৰ বা বিষয় আসক্তিৰ মোহত নপৰি সিপাৰৰ লোকসকলেও কেনেদৰে শিক্ষা লাভ কৰিব পাৰে তাৰ প্ৰতিহে সদায় যত্নপৰ হ'ল। তেখেতে গোটেই জীৱন সহজ সৰল ভাৱেই যাপন কৰিলে। এই পিনৰ পৰা তেখেত সেই যুগৰ আন বহু শিক্ষিত অসমীয়াৰ পৰা বহু বেলেগ।

কৃষিজীৱী লোকৰ ন্যায় পৰায়ণতা আৰু সাধু প্ৰকৃতিক তেখেতে কেতিয়াও বিসৰ্জন নিদিলে। দুৰ্নীতি, ক্ষমতাৰ লোভ আৰু টকাৰ লোভে তেখেতক কোনো দিনেই স্পৰ্শ কৰিব নোৱাৰিলে। আনহাতে কৰ্মকে নিজৰ ধৰ্ম কৰি লৈ তেখেতে আমাৰ সমাজৰ কিছুমান দুৰাচাৰী শক্তিৰ বিপক্ষে কৰ্মৰ যোগেদিয়েই আজীৱন যুঁজ কৰিলে।

"তেওঁৰ সদায় সততা আছিল। তেওঁৰ জীৱনটো আছিল সম্পূৰ্ণ নিষ্কলঙ্ক আৰু অতি সাধু। তেওঁ অনাড়ম্বৰ ভাৱেই জীৱনটো কটালে।"

[ তেখেতক স্বৰ্গীয় দিনবে পৰা পোৱা যোৰহাট নিবাসী শ্ৰীযুবেন ভৰালী ]

"নেবানেপেৰাকৈ যিবোৰ মানুহে কামত লাগি থাকিব পাৰে আৰু যিবিলাক মানুহৰ বৰ সাধু সেইবিলাকৰহে ব্যক্তিত্ব থাকে। ব্যক্তিত্ব মানুহে অৰ্জন কৰিব পাৰে সাধুতাৰ দ্বাৰা আৰু কামত অনবৰত লাগি থাকি। এই দুটা কথা আমাৰ ফণীদত্তৰ গাত আছিল।"

[ জেংখেতক কলেজীয়া দিনৰে পৰা পোৱা জেংখেতৰ লগৰ যোৰহাট কলেজৰে আন এজন প্ৰতিষ্ঠাপক অধ্যাপক, আজীৱন শিক্ষাব্ৰতী আৰু সুসাহিত্যিক শ্ৰীযজ্ঞেশ্বৰ শৰ্মা ]

## সাতত্রিছ

## স্বাৰ্থৰ বিচিত্ৰ মিলন

শ্ৰীদত্তই উপাচাৰ্য্যৰ পদ ত্যাগ কৰাৰ পিছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যৰ পদত প্ৰথমবাৰৰ কাৰণে এজন বিদেশী লোকক বৰাপানীৰ ইউনিয়ন খৃষ্টিয়ান কলেজৰ অধ্যক্ষ আৰু ইংৰাজ জাতীয় ডঃ এইচ-জে টেইল'ৰক উপাচাৰ্য্য নিযুক্ত কৰা হয়। তাৰ পিছত কি হ'ল তলত বাতৰি কাকতৰ পৰাই উদ্ধৃতি দিলোঁ।—

উপাচাৰ্য্য পদৰ বাবে ডাঃ টেইলৰৰ নাম প্ৰস্তাৱ কৰে বিশ্ববিদ্যালয় কোৰ্টৰ এজন কমিউনিষ্টপন্থী সদস্যই। ইমানতেই শেষ নহয়, এই "কমিউনিষ্ট গ্ৰুপে" বৰ্তমান উপাচাৰ্য্য আৰু উচ্চস্তৰৰ বিষয়া সকলৰ সকলো কামতে নীৰৱ সমৰ্থনৰ বাতাবৰণ সৃষ্টি কৰি বিশ্ববিদ্যালয়ৰ বিভিন্ন কৰ্মক্ষেত্ৰত নিজৰ প্ৰভাৱ বিস্তাৰ কৰাত সচেষ্ট দেখা যায়। উপৰোক্ত সদস্য জনৰ প্ৰস্তাৱ অনুসৰিয়েই আগৰ ডেপুটি ৰেজিষ্ট্ৰাৰ শ্ৰীদাসৰ পদোন্নতি হৈ একাডেমিক ৰেজিষ্ট্ৰাৰৰ নতুন পদত নিযুক্তি হয়, লগতে দৰমহাও মাহে ৮০০ টকাৰ পৰা বৃদ্ধি কৰি ১০০০ টকা কৰা হয়। আনহাতে তেতিয়াৰ ৰেজিষ্ট্ৰাৰ শ্ৰীদত্ত উপাচাৰ্য্য নিয়োগ হোৱাত সেই পদ খালী হয় আৰু শ্ৰীদাসেই একাডেমিক ৰেজিষ্ট্ৰাৰ হিচাপে তাৰ 'চাৰ্জ' গ্ৰহণ কৰে। ইয়াৰ বাবে তেওঁক নিজৰ দৰমহাৰ উপৰিও মাহে অতিৰিক্ত ২০০ টকা কৈ দিয়া হৈছে।

আমি বুজাত একাডেমিক ৰেজিষ্ট্ৰাৰৰ পদবীৰ কোনো প্ৰয়োজন নাছিল আৰু "চাৰ্জ এলাৱেন্স" মাহে ২০০ টকা কৈ দিয়াটো ধনৰ অপচয়ৰ বাহিৰে আন একো নহয়। যোৱা মাহত শ্ৰীদাস বিশ্ববিদ্যালয়ৰ নতুন "ৰেজিষ্ট্ৰাৰ" নিযুক্ত হৈছে। যদিও ডেপুটি ৰেজিষ্ট্ৰাৰ হৈ থাকোঁতে বিদ্যাৰ্থী সকলে তেওঁৰ পদত্যাগ দাবী কৰিছিল আৰু দুৰ্নীতি আৰু ক্ষমতাৰ অপব্যৱহাৰৰ অভিযোগো উত্থিত হৈছিল। হয়তো ৰেজিষ্ট্ৰাৰৰ পদৰ বাবে উপযুক্ত নতুন প্ৰাৰ্থীৰো অভাৱ নাছিল। কিন্তু বিশ্ববিদ্যালয়ৰ ভিতৰ চৰাত আজি স্বাৰ্থ আৰু ক্ষমতা লিপ্সাৰ যি সংঘাত চলিছে তাৰ মাজত যোগ্যতা বিচাৰ কৰাৰ উপায় জানো কিবা আছে? এই প্ৰসঙ্গত উল্লেখযোগ্য যে 'একাডেমিক ৰেজিষ্ট্ৰাৰ'ৰ পদটো খালী ৰখা হৈছে আৰু প্ৰয়োজন দেখা দিলে উক্ত পদ পূৰণ কৰাৰো ব্যৱস্থা কৰা হৈছে। শুনা যায়, ট্ৰেজাৰাৰ শ্ৰীভট্টাচাৰ্য্যৰ "টাৰ্ম" পূৰ হ'বৰ সময় হৈছে আৰু তেওঁ একে পদৰ বাবে পুনৰ প্ৰতিদ্বন্দ্বিতা নকৰি "একাডেমিক ৰেজিষ্ট্ৰাৰ"ৰ গাদী হেনো দখল কৰিবও পাৰে! বিদ্যাৰ্থীসকলে

এখেতৰ পদত্যাগো দাবী কৰিছিল। কিন্তু তাগ্যৰ জোৰত ৮০০ টকাৰ পৰা ১০০০ টকালৈ বৃদ্ধি হোৱা দৰমহা লৈ এখেতো স্বপদত বিদ্যমান। কিন্তু হায়! নিয়তিৰ পৰিহাসত আৰু কূটনীতিৰ কপট পাশত এওঁলোকৰ ভিতৰৰ এজনে যদিও আজি জীৱনৰ বিয়লি বেলিকা 'বানপ্ৰস্থ' অৱলম্বন কৰিবলৈ বাধ্য হৈছে, বিশ্ববিদ্যালয়ৰ কমিউনিষ্টপন্থী নেতৃত্বৰ সুবিধাবাদৰ অন্তৰালত থাকি বাকী কেইজনে আজিও গাদী বজাই ৰাখিবলৈ সক্ষম হৈছে। এইখিনিতে উল্লেখযোগ্য যে দেশৰ জৰুৰী অৱস্থাৰ তাড়নাত পৰি কাৰাবাস খাটিব লগা হোৱা বিশ্ববিদ্যালয়ৰ কমিউনিষ্টপন্থী আপাৰ ডিভিচন এচিষ্টেণ্ট এজনক অসময়তে প্ৰমোচন দিবলৈ বৰ্তমান ৰেজিষ্ট্ৰাৰে কিছুদিন আগেয়ে যৎপৰোনাস্তি চেষ্টা কৰি ব্যৰ্থ হয়!

পৃথিৱীৰ বুৰঞ্জীত দুৰ্নীতিৰ অভিযোগত লিপ্ত থকা ব্যক্তিৰ বিচাৰ আৰু প্ৰমাণিত হ'লে শাস্তি নহৈ এইদৰে পদোন্নতি আৰু দৰমহা বৃদ্ধি হোৱাৰ উদাহৰণ হয়তো দ্বিতীয় কোনো পোৱা নাযাব! শুনা যায় বৰ্তমান ৰেজিষ্ট্ৰাৰৰ "অন্তৰঙ্গ বন্ধু" হ'ল অসমৰ তথাকথিত এক বিশিষ্ট কংগ্ৰেছ নেতা তাৰ ভূতপূৰ্ব ইয়ুথ ওৱেলফেয়াৰ অফিচাৰ আৰু বৰ্তমান এচিচটেণ্ট কনট্ৰোলাৰ অফ্ এক্জামিনাৰচৰ 'ওচৰ সম্বন্ধীয়' হ'ল স্বয়ং অসমৰ শিক্ষামন্ত্ৰী! স্বাৰ্থৰ কি বিচিত্ৰ মিলন!"

[ 'আলোক', সাদিনীয়া বাতৰি কাকত, গুৱাহাটী, ১৮৮৫ শক ১৯ শাওণ ( ৫ আগষ্ট ১৯৬৪ ) ]

সম্পাদক : শ্ৰীৰাধিকামোহন গোস্বামী

অৱশ্যে শিক্ষামন্ত্ৰী দেৱকান্ত বৰুৱাই ডঃ ঠাকুৰ নামে দিল্লী বিশ্ববিদ্যালয়ৰ এজন অধ্যাপকৰ নামহে প্ৰস্তাৱ কৰিছিল। তাৰ কিছুদিন আগলৈকে ডাঃ ঠাকুৰ এই লেখকে বাস কৰা গয়াৰ হল নামে দিল্লী বিশ্ববিদ্যালয়ৰ গৱেষণাৰ ছাত্ৰনিবাস এটাৰ ৱাৰ্ডেন আছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যৰ কাৰণে ডঃ ঠাকুৰ নাম প্ৰস্তাৱ কৰা বুলি শুনি গয়াৰ হলত থকা অসমীয়া ছাত্ৰ কেইজনক আন ছাত্ৰ বহুতেই এইবুলি হাঁহিছিল যে "অসমীয়া মানুহবিলাক সঁচাকৈয়ে জঙ্গলী নেকি—ডঃ ঠাকুৰৰ নিচিনালোকক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য কৰি নিবলৈ বিচাৰে ?" দেৱকান্ত বৰুৱাৰ হয়তো অসমীয়া লোকৰ ওপৰত অকণো বিশ্বাস নাছিল—

তেখেতে হেনো কৈছিল "অসমীয়া জাতিটো মূৰ্খ" এনেকুৱা মনোবৃত্তি পোষণ কৰা এজন লোকে আমাৰ শিক্ষানীতি বহন কৰিব লগীয়া হোৱাই আমাৰ শিক্ষিত

সমাজ কেনেদৰে কলুষিত হৈছে সেই বিষয়ে আপোনাৰ কাকতৰ যোগেদি বাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ বিচাৰিছোঁ।

আমাৰ শিক্ষামন্ত্ৰীৰ ধাৰণা যে অসমত শিক্ষাৰ পোহৰ আনিব লাগিব বাহিৰৰ লোকৰ সহায়তহে। তেখেতে হয়তো ভাবে যে অসমীয়া লোক একেবাৰে উপযুক্ত নহয়। সেয়েহে অসমৰ শিক্ষা সংক্ৰান্ত অসমীয়া লোকে প্ৰাধান্য লাভ কৰাটো তেখেতে সহ্য কৰিব নোৱাৰে। কেইটামান দৃষ্টান্ত দিওঁ।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ৺ফণীদত্তৰ পদত্যাগৰ আঁৰ পটত হেনো শিক্ষামন্ত্ৰীৰ কাৰ্য্যকলাপেই বেছি। শুনা যায় তেখেতে বিশ্ববিদ্যালয় ক'ৰ্টৰ বহুতো সদস্যকে উপাচাৰ্য্য, ৰেজিষ্ট্ৰাৰ (দ্বিতীয়খন বিশ্ববিদ্যালয়ৰ কাৰণেও) আদি পদবীৰ প্ৰলোভন দেখুৱালে যাতে তেখেত সকলে ৺দত্তৰ পদত্যাগৰ কাৰণে চেষ্টা কৰে। কিয়নো তেখেতে ভাবিছিল কোনো অসমীয়াই বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য হ'বলৈ উপযুক্ত নহয়। সেয়েহে পিছত তেখেতে দিল্লীৰ ড° ঠাকুৰ নাম প্ৰস্তাব কৰালে। অৱশ্যে সেই চেষ্টাত তেখেত ব্যৰ্থ হ'ল যদিও তেখেতে তৃপ্তিৰ নিশ্বাস পেলালে কাৰণ এজন অনা অসমীয়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য হ'ল। ৺দত্তৰ পদত্যাগৰ পিছত আমাৰ শিক্ষামন্ত্ৰীয়ে এটি অনুসন্ধান কৰিম বুলি প্ৰতিশ্ৰুতি দিছিল কিন্তু ইমান দিনে কিয় একো কৰা হোৱা নাই? অৱশ্যে তাৰ বাবে আমাৰ মন্ত্ৰী ড°ভৰীয়াৰ কোনো চিন্তা নাই কাৰণ তেখেতে জানে যে সময়ৰ লগে লগে অসমীয়া বাইজে সকলো পাহৰিব কাৰণ "অসমীয়া মূৰ্খ জাতি।" এবা আমিও দেখোন এক প্ৰকাৰ নিয়াতেই আছোঁ।

আমি সঁচাকৈয়ে মূৰ্খনে?

—এজন অসমীয়া।

[ 'গণতন্ত্ৰ', সাপ্তাহিক বাতৰি কাকত, নগাঁও, ২০ ফেব্ৰুৱাৰী, ১৯৬৪ ]

আন নেলাগে অসমত দ্বিতীয় বিশ্ববিদ্যালয়খনৰ স্থান নিৰ্ণয় কৰিবলৈকো তেখেতে অসমৰ বাহিৰৰ এজন লোককহে নিযুক্ত কৰিছিল। "বিশ্ববিদ্যালয় এখনৰ স্থান নিৰূপণ কৰিবলৈ অসমত যোগ্য ব্যক্তি থকা সত্বেও অসম চৰকাৰে ওপৰঞ্চি ধন খৰছ কৰি সুদূৰ পঞ্জাবৰ এজন লোক মকৰল কৰিব লগা কিয় হ'ল সেই সাঁথৰটোও অসমৰ বাইজে উপলব্ধি কৰিব পৰা নাই।"

[ অসম বাণী', গুৱাহাটী ১৮ ছেপ্তেম্বৰ, ১৯৮৮ ]

তাৰ পিছত ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰম্ভ কৰোঁতেও তেখেতে উপাচাৰ্য্যৰূপে

বাহিৰৰ এজন লোক আনিলে। ই সঁচাকৈয়ে অতি দুখ লগা, কিয়নো সেই সময়ত উপাচাৰ্য্যৰ দায়িত্ব ল'ব পৰা অতি উচ্চশিক্ষিত আৰু সন্মানীয় বৈজ্ঞানিক, সাহিত্যিক, শিক্ষাবিদ আদি বহু অসমীয়া লোক আছিল। দেৱকান্ত বৰুৱাৰ দৰে কাৰ্য্যকলাপে আমাক তাৰ প্ৰায় বিছ বছৰ আগতে বৰদলৈদেৱে কেনেদৰে শ্ৰীকৃষ্ণকান্ত সন্দিকৈক উপাচাৰ্য্য আৰু শ্ৰীফণীধৰ দত্তক ৰেজিষ্ট্ৰাৰৰূপে লৈ অসমৰ প্ৰথম বিশ্ববিদ্যালয় আৰম্ভ কৰিছিল তাক সোঁৱৰাই দিয়ে। অসমীয়াক এটা সুস্থ সবল জাতিৰূপে বৰদলৈদেৱে কেনে দূৰদৰ্শিতাৰে কাম কৰিছিল সি বিস্ময় মানিব লগীয়া। দেৱকান্ত বৰুৱাইতৰ দৰে স্বাৰ্থান্বেষী নেতাই কেৱল যে অসমীয়াৰ ৰাজনৈতিক ভৱিষ্যতেই বিপদাপন্ন কৰি থৈ গ'ল এনে নহয় তেওঁলোক বহুতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ দৰে অসমৰ বহু জাতীয় প্ৰতিষ্ঠানৰ বিস্তৰ ক্ষতিসাধন কৰি থৈ গ'ল।

# আঠৈচ্ছ

## বিশ্ববিদ্যালয়ৰ ক'র্টৰ সঙ্গতিবিহীন আচৰণ

### দলীয় ৰাজনীতি

"এলাহাবাদ, ২৫ ডিচেম্বৰ : প্ৰধান মন্ত্ৰী নেহেৰুৱে আজি ইয়াত ঘোষণা কৰে যে ভাৰতৰ বিশ্ববিদ্যালয়বিলাক দলীয় ৰাজনীতিৰ মঞ্চ আৰু ৰণস্থলী হৈ পৰিছে আৰু এনে অৱস্থা যদি চলি থাকে তেনেহ'লে বিশ্ববিদ্যালয়বিলাক বন্ধ হৈ থকাই ভাল।"

[ ইণ্ডিয়ান এক্সপ্ৰেছ, ২৬ ডিচেম্বৰ, ১৯৫৯ ]।—প্ৰধান মন্ত্ৰীয়ে এই মন্তব্যটো দিওঁতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ কথা মনলৈ আনিছিল নে নাই নেজানো কিন্তু গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক'র্টৰ ৩ অক্টোবৰ ১৯৫৯ চনত বহা সেই বৈঠকৰ কাৰ্য্য কলাপৰ পৰা এইটো ভালদৰে স্পষ্ট হ'ল যে গুৱাহাটী বিশ্ববিদ্যালয়ত দলীয় ৰাজনীতি ভালদৰেই সোমাই পৰিছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰত এইটোও স্পষ্ট হ'ল যে ৰাজনৈতিক দলবিলাকৰ স্বাৰ্থই বিশ্ববিদ্যালয়ত ভালদৰে শিপাবলৈ আৰম্ভ কৰিছিল।

ইতিমধ্যে বিৰোধী দলবিলাকৰ বহু সক্ৰিয় লোকে বিশ্ববিদ্যালয় বা ইয়াৰ স্বীকৃত কলেজবিলাকত স্থিতি পাবলৈ সমৰ্থ হৈছিল—বিশেষকৈ কমিউনিষ্ট, ছচিয়েলিষ্ট আৰু প্ৰজা ছচিয়েলিষ্ট দলৰ বহু লোকে পাৰ্লিয়ামেণ্ট বা এ ছম্বলীলৈ নিৰ্বাচিত হ'বলৈ অসমৰ্থ হৈ কলেজবিলাকত আশ্ৰয় লৈছিলগৈ। এওঁলোকৰ ব্যক্তি মানসিকতা মন কৰিব লগীয়া। প্ৰথমে হয়তো এওঁলোকে কংগ্ৰেছ চৰকাৰক ওফৰাই শাসন দণ্ড আয়ত্ব কৰিব পাৰিম বুলিয়েই আশা কৰিছিল আৰু তাৰ কাৰণে সকলো প্ৰকাৰে চেষ্টা কৰিছিল। কিন্তু স্বাধীনতাৰ দহ বছৰ পিছত এইটো স্পষ্ট হ'ল যে ভাৰতৰ পৰা কংগ্ৰেছ চৰকাৰক ওফৰোৱাটো অদূৰ ভৱিষ্যতত সম্ভৱ নহ'ব আৰু অসমৰ পৰা কংগ্ৰেছী চৰকাৰক অপসাৰণ কৰাটো হয়তো তাতোকৈও বেছি অসম্ভৱ। গতিকে অসমৰ বিৰোধী দলবিলাকৰ বহুলোকেই ৰাজনীতিৰ যোগেদি ক্ষমতা বা বিষয় সম্পদ লাভ কৰা আশা একপ্ৰকাৰ এৰি দিলে। এওঁলোকৰ বহুতেই অসমৰ শিক্ষা জগতত প্ৰৱেশ কৰি ক'ত কি সুবিধা কৰি অলপ ক্ষমতা বা অলপ বিষয়-সম্পদ আহৰণ কৰিব পাৰে তাৰ কাৰণে ছেগ চাবলৈ ধৰিলে। ই অতি দুৰ্ভাগ্যৰ কথা যে পঞ্চাছৰ দশকৰ শেষৰ পিনে গুৱাহাটী বিশ্ববিদ্যালয় আৰু অসমৰ বহু কলেজেই খেদা-

থে বা ৰাজনীতিজ্ঞ আৰু ৰাজনৈতিক প্ৰভুত্বৰ ব্যৰ্থ সপোন বচা বহুলোকৰ ৰক্ষণস্থলী হৈ পৰিল। শ্ৰীসন্দিকৈয়ে এনে লোকৰ কাৰণে আগ দুৱাৰত তাং লগাবলৈ সমৰ্থ হৈছিল যদিও এওঁলোক পিছ দুৱাৰেদি বিশ্ববিদ্যালয়ত সোমাবলৈ সমৰ্থ হ'ল। অসমৰ শিক্ষা জগতৰ পাবত গজা বা পালিয়ামেণ্ট-এছেম্বলী আদিত হাত ভৰি জোকাৰিবলৈ সুবিধা নাপাই গা ৰাই জাই কৰা লোকসকলৰ ৰাজনৈতিক চাতুৰী, পাক-চক্ৰ আৰু কূটবুদ্ধিয়ে গুৱাহাটী বিশ্ববিদ্যালয়ত দুৰ্যোগৰ সূচনা কৰিলে। আন কিছুমান লোকে স্বাৰ্থ বা আত্মবিদ্বেষৰ কাৰণে এই দুৰ্যোগৰ সুযোগ লৈ নানাধৰণৰ চতুৰালি আৰু উপায় অৱলম্বন কৰি নিজৰ নিজৰ স্বাৰ্থসিদ্ধি কৰিবলৈ চেষ্টা কৰিলে।

১৯৬২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভাগ্য নিৰ্ণয় কৰাৰ দায়িত্ব আছিল বিশ্ববিদ্যালয়ৰ ক'ৰ্টৰ ওপৰতেই। অসমৰ ভিন ভিন কলেজৰ অধ্যক্ষ, এছেম্বলীৰ সদস্য, শিক্ষকসম্থাৰ নিৰ্বাচিত সদস্য আদিৰেই গঠিত এই ক'ৰ্টখন বহু খেদা-খোৱা ৰাজনীতিজ্ঞ, ঠেক গণ্ডীৰ শিক্ষক আৰু ৰাজনৈতিক প্ৰভুত্বৰ ব্যৰ্থ সপোন বচা ব্যক্তিৰ ৰক্ষণস্থলী হৈ পৰিছিল। পাৰ্লিয়ামেণ্ট এছেম্বলী আদিত হাত ভৰি জোকাৰিবলৈ সুবিধা নাপাই গা ৰাই জাই কৰি থকা এনে লোকে বিশ্ববিদ্যালয়ৰ ক'ৰ্টত কৰা অতঃপালিৰ বাবে ৰাইজে প্ৰমাদ গণিব লগীয়া হৈছিল। বিশ্ববিদ্যালয়ৰ সেই সংকটপূৰ্ণ কাল ছোৱাতো এই ক'ৰ্টত দায়িত্বপূৰ্ণ বা চিন্তামূলক আলোচনা হোৱাৰ কোনো সঁহাৰি পোৱা নগ'ল। আনহাতে, এনে কিছুমান দৃষ্টান্ত আছে যাৰ দ্বাৰা এইটো প্ৰতীয়মান হয় যে কিছুমান আত্ম বিদ্বেষ আৰু স্বাৰ্থৰ কাৰণে কোনো কোনো সদস্যই নানা ধৰণৰ চতুৰালি আৰু নীচ উপায় অৱলম্বন কৰি নিজৰ নিজৰ স্বাৰ্থ সিদ্ধি কৰিবলৈহে এই সংকটৰ সুবিধা ল'লে। তলত এনে কিছুমান দৃষ্টান্ত দাঙি ধৰিলোঁ।

"মিসট্ৰী অৱ্ গৌহাটী ইউনিভাৰ্চিটী" বোলা বিধন বেনামী পুথিৰ পৰাই তদন্ত আয়োগে তেওঁলোকৰ প্ৰধান অভিযোগবিলাক বুটলিছিল সেইখন ক'ৰ্টৰ কোনো সদস্যই লিখা বুলি বিশ্বাস কৰিবলৈ যথেষ্ট যুক্তি আছে বুলি আমি আগেয়ে উল্লেখ কৰিছোঁ। তদুপৰি সেইখন প্ৰকাশ কৰা হৈছিল উপাচাৰ্য্যৰ নিৰ্বাচনী আৰু ৰেজিষ্ট্ৰাৰৰ নিযুক্তিৰ ঠিক আগে আগে, যাতে তাত অভিযুক্ত ব্যক্তিসকল পুনৰ নিযুক্ত হ'ব নোৱাৰে। সেইদৰে বিশ্ববিদ্যালয় ক'ৰ্টত শ্ৰীগোপাল শৰ্মা বৰুৱা আৰু শ্ৰীবিপিন পাল দাসৰ মাজত হোৱা তৰ্ক-বিতৰ্কৰ সুবিধা লৈ অসম ট্ৰিবিউনত শ্ৰীগুণগোবিন্দ দত্তৰ নাম জাল কৰি চিঠি দিয়াৰ দৃষ্টান্তও আছে। এনেদৰে বেনামী পুথি, চিঠি

আছিব পৃষ্ঠপোষকতা কৰাৰ দোষ বিশ্ববিদ্যালয় ক'ৰ্টেই বহন কৰিব লাগিব। উচ্চ শিক্ষাৰ ভাগ্য নিৰ্ণয়কাৰী এই ক'ৰ্টত এনে লাজ লগা আচৰণ অকণো শোভা নাপায়।

উপাচাৰ্য্য শ্ৰীফণীধৰ দত্তই পদত্যাগ কৰিব লাগে বুলি প্ৰস্তাৱটো উত্থাপন কৰিছিল তেতিয়া দৰং কলেজৰ অধ্যক্ষ শ্ৰীবিপিন পাল দাসে। তেখেত প্ৰথমে ছচিয়েলিষ্ট, তাৰ পিছত প্ৰজা ছচিয়েলিষ্ট, তাৰ পিছত কংগ্ৰেছ আৰু শেষত ইন্দিৰা কংগ্ৰেছত যোগ দিয়া লোক। এনেদৰে ৰাজনৈতিক দল বাগৰি বাগৰি নানা নিৰ্বাচনীত পৰাজিত হৈ তেখেতে দৰং কলেজত কিছুদিনৰ কাৰণে খিতাপি লৈছিল। শ্ৰীদত্তৰ পদত্যাগৰ দাবী কৰিবৰ দিনাখন তেখেতে ক'ৰ্টত প্ৰায় কুৰিবাৰ মান দম দমাই বক্তৃতা দিছিল আৰু শ্ৰীদত্তৰ সপক্ষে ক'বলৈ ওলোৱা লোকক তেওঁলোকৰ বক্তব্য দিওঁতে বাধা দিছিল। সেই সময়ত তেখেত ৰেজিষ্ট্ৰাৰ উপাচাৰ্য্য নহ'ল যদিও শ্ৰীবিপিনপাল দাসৰ ভাগ্য সুপ্ৰসন্ন হয় শ্ৰীমতী ইন্দিৰা গান্ধীৰ অনুগ্ৰহত। অসম আন্দোলনৰ সময়ত অসমীয়া বাইজৰ বিৰোধিতা কৰি তেখেতে অসমৰ মুখ্যমন্ত্ৰী হ'বলৈকো প্ৰয়াস কৰিছিল। তেখেত বৰ্তমান ইন্দিৰা কংগ্ৰেছৰ সভ্য আৰু পালিয়ামেণ্টৰ সদস্য—গতিকে অসমীয়া ৰাইজৰ দ্বাৰা সামাজিক ভাবে বৰ্জিত।

শ্ৰীদত্তৰ পদত্যাগ দাবীৰ প্ৰস্তাৱটোৰ দুজন সমৰ্থকৰ এজন আছিল শ্ৰীদেৱ প্ৰসাদ বৰুৱা। তেখেতৰ বিষয়ে আলোক পত্ৰৰ পৰাই তলত উদ্ধৃত কৰিলোঁ।—

অনুসন্ধান আয়োগে ৺দত্ত আৰু ডঃ বৰুৱাৰ লগত বৰ্তমান ৰেজিষ্ট্ৰাৰ (আগৰ ডেপুটি ৰেজিষ্ট্ৰাৰ), ট্ৰেজাৰাৰ আৰু কণ্ট্ৰোলাৰকো দোষী সাব্যস্ত কৰিছিল। এওঁলোকৰ কথাত যে বাকী কেইজনো ভোল যাব তাক ৰাইজে ভাবিবই পৰা নাছিল। কিন্তু, কূটনীতি বিদ্যাত শকুনি সদৃশ বুলি খ্যাতি থকা ৰেজিষ্ট্ৰাৰ শ্ৰীদাসৰ লগত বিশ্ববিদ্যালয় কৰ্মী সন্থাৰ সভাপতি কমিউনিষ্ট নেতা শ্ৰীদেৱপ্ৰসাদ বৰুৱাৰ কথা যি সকলে লক্ষ্য কৰিছে তেওঁলোকৰ কাৰণে ই একো আচৰিত কথা নহয়। শ্ৰীবৰুৱাই উপৰোক্ত বিষয়া সকলৰ লগত একমত হৈ ৰেজিষ্টাৰ্ড গ্ৰেজুৱেত সকলৰ বাবে সংৰক্ষিত থকা ১০ খন আসনৰ পৰা বিশ্ববিদ্যালয় বা আন কলেজ সমূহৰ বেৰাণী কৰ্মচাৰী সকল যাতে নিৰ্বাচিত হ'ব নোৱাৰে, সেই ব্যৱস্থাত সম্মতি জনাইছে। কি যুক্তিত কৰ্মচাৰী সন্থাৰ সভাপতি ডাঙৰীয়াই এই ব্যৱস্থা মানি ল'লে, যদিও কৰ্মচাৰী সন্থাই কোৰ্টৰ মিটিঙত তেওঁলোকৰ প্ৰতিনিধিত্ব দাবী কৰি আছিছে ?

এই খিনিতে আমি প্ৰশ্ন কৰিব খোজোঁ।—দুৰ্নীতিৰ অভিযোগত ৺দত্তই বাধ্যতামূলক অৱসৰ গ্ৰহণ কৰিলে যদিও বাকী বিষয়া কেউজনে বিশ্ববিদ্যালয়ৰ ভিতৰ চ'ৰাত আজিও অবাধ বাজত্বৰ সুযোগ পাইছে কেনেকৈ? ড° বৰুৱা আৰু এচিষ্টেণ্ট কণ্ট্ৰোলাৰৰ ওচৰ সম্বন্ধীয় হ'ল অসমৰ শিক্ষা মন্ত্ৰী স্বয়ং। দুৰ্নীতিৰ অভিযোগ থকা সত্ত্বেও উপাচাৰ্য্যৰ পদৰ বাবে ৺দত্তই কোৰ্টৰ সভাত সবাতোকৈ বেছি ভোট পাইছিল কিয়? কোনো অদৃশ্য হাতৰ গোপন চক্ৰান্ত সহজে অনুমেয়। আন পিনে কৰ্মচাৰী সন্থাৰ কমিউনিষ্ট নেতৃত্বই বৰ্তমান ৰেজিষ্ট্ৰাৰ শ্ৰীদাসক অলপতে সম্বৰ্ধনা জনাইছে। অভিযোগৰ বিচাৰৰ সলনি অভিনন্দন কিয়? শ্ৰীদেৱপ্ৰসাদ বৰুৱাই জনাবনে? ৺দত্তৰ মৃত্যুত কৰ্মচাৰী সন্থাই পতা শোক সভাত সন্থাৰ সভাপতি শ্ৰীবৰুৱা আৰু কৰ্মকৰ্তা সকলৰ এজনো উপস্থিত নাছিল বুলি শুনা যায়। ৺দত্তৰ আগৰ এজন ভূতপূৰ্ব ভাইচ চেন্সেলাৰৰ বিৰুদ্ধেও বহু অভিযোগ উঠিছিল সেইবোৰ সমূলি তল পৰিল কিয়?

['আলোক', গুৱাহাটী ১৮ নৱেম্বৰ ১৯৬৩]

উপাচাৰ্য্যৰ পদত্যাগ দাবী কৰা প্ৰস্তাৱটোৰ আন এজন সমৰ্থক আছিল শ্ৰীঅজিত কুমাৰ শৰ্মা। তেখেত (যোৰহাটৰ মানুহ আৰু তেখেতও তেতিয়া চচিয়েলিষ্ট দলৰ সক্ৰিয় সভ্য আৰু নানান নিৰ্বাচনীত প্ৰতিদ্বন্দ্বিতা কৰা লোক ১৮৮৫ শকৰ ১-আঘোণৰ (১৯৬৪ চনৰ ১৮ নৱেম্বৰ) 'আলোক'ত ওলোৱা এটা বাতৰিৰ মতে তেখেত ইন্সপেক্টৰ অৱ কলেজৰ পদৰ প্ৰাৰ্থী আছিল।

সেইদৰে উপাচাৰ্য্য শ্ৰীদত্তক সমালোচনা কৰাত আগ ভাগ লোৱা আন এজন লোক শ্ৰীদুলাল বৰুৱাও আছিল যোৰহাটৰ লোক। তেখেত তেতিয়া এছেম্বলীৰ সদস্য আছিল। তেখেতৰ কলেজীয়া ছাত্ৰ জীৱন বান্ধনি ভ্ৰাইভাৰ প্ৰহাৰ কৰা আৰু আন ছাত্ৰৰ লগত মাৰপিট কৰা ঘটনাৰে ভৰপূৰ। সন্দিকৈ কলেজৰ ছাত্ৰী নিবাসৰ বন্ধ গেট পাৰ হৈ ছোৱালীক ফাকু দিয়াৰ অপৰাধত তেওঁক কটন কলেজৰ পৰা এবছৰ কাৰণে বৰ্খাস্ত কৰা হৈছিল। সেই সময়ত আন বহুতে তেওঁক তাতোকৈও গুৰুতৰ শাস্তি দিবলৈহে বিচাৰিছিল, কিন্তু শ্ৰীদত্তই চেষ্টা কৰিহে শাস্তিটো কিছু পাতলাইছিল। দুলাল বৰুৱাই কিন্তু ওলোটা বুজি সেই সময়তে শ্ৰীদত্ত (তেতিয়া ৩নং মেছৰ ছুপাৰিন্টেনডেণ্ট) আৰু শ্ৰীদণ্ডেশ্বৰ গগৈক (তেতিয়া ২নং মেছৰ ছুপাৰিনটেনডেণ্ট) তাৰ প্ৰতিশোধ লম বুলি সাৱধান বাণী শুনাই গৈছিল। সম্ভৱ ১৯৬২ চনৰ ২১ আগষ্টৰ ক'টৰ মিটিঙত দুলাল বৰুৱাই তেনে প্ৰতিশোধ ল'বৰে সুবিধা পালে।

উপাচাৰ্য্য শ্ৰীদত্তৰ পদত্যাগত আগ ভাগ লোৱা আন এজন সদস্য শ্ৰীতীৰ্থনাথ শৰ্মাই আকৌ দুদিনমান পিছতে সেই পদৰ প্ৰাৰ্থী হৈছিল। অৱশ্যে, পালিয়ামেণ্টৰ সদস্য হ'বলৈ একাধিকবাৰ চেষ্টা কৰি ব্যৰ্থ হোৱাৰ দৰে তীৰ্থ শৰ্মা সেই প্ৰচেষ্টাতো ব্যৰ্থ হৈছিল।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ সেই দুৰ্যোগৰ কাল ছেৰাত বিশ্ববিদ্যালয় ক'ৰ্টৰ কিছুমান সঙ্গতিবিহীন আচৰণত দায়িত্বহীনতা ভালদৰেই পৰিলক্ষিত হৈছিল। প্ৰথমে, তদন্ত আয়োগ গঠন কৰাৰ দায়িত্ব ক'ৰ্টে নিজেই গ্ৰহণ নকৰি উচ্চ শিক্ষাৰ বা ভাৰতীয় শিক্ষা-জগতৰ বিশেষ অভিজ্ঞতা নথকা ৰাজ্যপাল জেনেৰেল শ্ৰীনাগেশক (তেখেত ভাৰতীয় সামৰিক বাহিনীৰ প্ৰাক্তন বিষয়া) তাৰ সম্পূৰ্ণ দায়িত্ব দিলে। তাৰ পিছত, বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য আৰু আইন কলেজৰ অধ্যক্ষ হ'বলৈ বিফল চেষ্টা কৰি বিশ্ববিদ্যালয়ৰ প্ৰতি বিশেষ বিদ্বেষ থকা দুজন লোকক সেই আয়োগত অন্তৰ্ভুক্ত কৰাৰ সন্মতি দিলে। উপাচাৰ্য্য শ্ৰীদত্তৰ পদত্যাগৰ পিছত বিশ্ববিদ্যালয়ৰ সংস্কাৰৰ কাৰণে তদন্ত আয়োগে আগ বঢ়োৱা সকলো পৰামৰ্শৰ প্ৰতি সম্পূৰ্ণ পিঠি দিলে। আগেয়ে বিশ্ববিদ্যালয়ৰ বিষয়াসকলৰ বিপক্ষে অকৰ্মণ্যতা আৰু শিথিলতাৰ অভিযোগ অনালোক সকলেই আকৌ অধিক সংখ্যক এছিচটেণ্ট ৰেজিষ্ট্ৰাৰ আদি বিষয়াৰ সংখ্যা বঢ়োৱাৰ সন্মতি দিলে। সেইদৰে আগেয়ে ধন অপব্যয় আত্মসাৎ কৰা অভিযোগবোৰ অনা এই সদস্যসকলেই পিছত বিশ্ববিদ্যালয়ৰ ঘাটি পৰ বাজেট কেৱল যে নিয়াতে গ্ৰহণ কৰিলে তেনে নহয় ছাত্ৰসকলৰ মাচুল বঢ়োৱাৰ প্ৰস্তাৱটোত নিৰ্বাক নিস্পন্দভাৱে সন্মতি দিলে। এনেবিলাক সঙ্গতিবিহীনকাৰ্য্য কৰা ক'ৰ্টখনে শ্ৰীদত্তৰ প্ৰতি কেনে অন্যায় আচৰণ কৰিছিল তাক সহজেই উপগম কৰিব পাৰি। সি যিয়েই নহওক, এইবিলাক লেখকৰ গাইগুটীয়া অভিমত যে নহয় তাক স্পষ্ট কৰিবৰ কাৰণে তলত 'নতুন অসমীয়া'ৰ সম্পাদকৰ মন্তব্যকে উদ্ধৃত কৰিলে*।

## গুৱাহাটী বিশ্ববিদ্যালয়

ক্ষুবছৰৰ আগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰিচালনাৰ নানান ক্ষেত্ৰত নানান দোষ সোমাইছে বুলি ইয়াৰ ছাত্ৰ আৰু ক'ৰ্ট উভয়েই উল্লেখযোগ্যভাৱে সমালোচনা কৰিছিল। কথিত দোষবিলাকৰ ভিতৰত প্ৰশাসনীয় শিথিলতা, অপব্যয়, পক্ষপাতিত্ব আৰু একৰকম টকা-আত্মসাৎ কৰাৰ কথাও আছিল। এই অভিযোগবিলাক যে একেবাৰে ভিত্তিহীন নাছিল, সেই কথা ক'ৰ্টৰ প্ৰস্তাৱক্ৰমে চেঙ্কেলাৰে গঠন কৰা বিশ্ববিদ্যালয় তদন্ত কমিটীৰ প্ৰতিবেদনতো প্ৰকাশ পাইছিল।

অৱশ্যে এই কমিটী বা আয়োগে কিছুমান অত্যুক্তি কৰিছিল বুলি বহুত নিৰপেক্ষ লোকৰ বিশ্বাস। বিশ্ববিদ্যালয় ক'ৰ্টৰ বিশেষ অধিবেশনে আকৌ এই প্ৰতিবেদনৰ কিছুমান কথাও অতিৰঞ্জিত কৰি আৰু এই প্ৰতিবেদনৰে আলম লৈ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যজনৰ বিৰুদ্ধে কঠোৰতম ৰায় দিলে আৰু এই প্ৰতিবেদনত উল্লিখিত আন কিছুমান দোষ সংশোধন কৰাৰ পোষকতা কৰিলে। আমি তেতিয়া মন্তব্য কৰিছিলোঁ। যে ক'ৰ্টে ইয়াৰ পিছত কি সংস্কাৰ ব্যৱস্থা অৱলম্বন কৰে, তাক দেখিবলৈ পালেহে ক'ৰ্টৰ সিদ্ধান্তৰ গুণাগুণ নিৰ্ধাৰণ কৰিব পৰা যাব।

ইয়াৰ পিছত ভাৰতৰ বাহিৰৰ এজন লোকক নতুন উপাচাৰ্য্য নিৰ্বাচিত কৰা হ'ল। আগৰ উপাচাৰ্য্যজনৰ বেতন বেছি আছিল আৰু তেওঁ অলপো মিতব্যয়ী নাছিল বুলি কৰা পূৰ্ব-সমালোচনাৰ লগত সঙ্গতি ৰাখি "অ ৱাজ" কৰা হ'ল যে নতুন ভাইচ চেন্সেলাৰজনে কোনো বেতনকে নলব আৰু ল'লেও নামমাত্ৰ বেতন এটাহে লব। কিন্তু কাৰ্য্যক্ষেত্ৰত দেখা গ'ল যে তেওঁৰ বেতন আগৰ জনতকৈ বেছি। তদুপৰি তেওঁ নিজৰ ভ্ৰমণ-ভাট্টা আদিত আগৰ জনতকৈ বহুত বেছি খৰচ কৰিছে। ক'ৰ্ট বা একজিকিউটিভ কাউন্সিলৰ লগত আলোচনা নকৰাকৈ তেওঁ কৰা কামৰ সংখ্যাও বৰ তাকৰ নহয়। কিন্তু ক'ৰ্ট বা একজিকিউটিভ কাউন্সিল কোনেও এইবিলাক কথাত আপত্তি কৰা নাই। তদন্ত আয়োগৰ প্ৰতিবেদনত দিয়া আন নানান পৰামৰ্শ সম্পৰ্কে ক'ৰ্ট কিম্বা একজিকিউটিভ কাউন্সিলে একো কৰা নাই বুলিলেও হয়। মাত্ৰ গুৱাহাটী বিশ্ববিদ্যালয় আইনৰ কেইটামান সংশোধনী ইমান দিনে তৈয়াৰ কৰি উলিয়াইছে বুলি প্ৰকাশ। তেওঁলোকৰ এনে সঙ্গতিবিহীন আচৰণ দেখি বহুতে ভাবিবলৈ বাধ্য হৈছে যে বিশ্ববিদ্যালয়ৰ সংস্কাৰৰ অৰ্থে তেওঁলোকে তেতিয়া কৰা সমালোচনাৰ আৰু আন্দোলন সম্পূৰ্ণ সুস্থ, নিঃস্বাৰ্থ আৰু নিৰপেক্ষ বিধৰ নাছিল।

তদন্ত আয়োগৰ পৰামৰ্শমতে বিশ্ববিদ্যালয়ৰ বিভিন্ন দিশৰ সংস্কাৰ সাধন কৰাৰ কথাই নাই, কিছুমান ক্ষেত্ৰত তাৰ বিৰোধাচৰণহে কৰা হৈছে বুলি বোধ হয়। বিশেষকৈ বিশ্ববিদ্যালয়ৰ অপব্যয় বা ব্যয়বহুলতা আগতকৈ বৃদ্ধিহে হৈছে যেন দেখা যায় আৰু এই ক্ৰমবৰ্ধমান ব্যয়ৰ কাৰণে আৱশ্যকীয় পৰিমাণ ধন উলিয়াবৰ কাৰণে বিশ্ববিদ্যালয় কৰ্তৃপক্ষই সম্প্ৰতি ছাত্ৰৰ মাচুল আদি কিছুমান দেয় অসঙ্গত-ভাৱে বৃদ্ধি কৰিবলৈ প্ৰয়াস পাইছিল। তিনিবছৰীয়া স্নাতক পৰীক্ষাৰ প্ৰথম ছোৱাৰ বাবে ২০ টকাৰ ঠাইত ৪০ টকা, আইন পৰীক্ষাৰ ক্ষেত্ৰত ৩০ টকাৰ ঠাইত ৫০ টকা, ৰেজিষ্ট্ৰেশনৰ খৰচ ৪ টকাৰ ঠাইত ১০ টকা, বাধ্যতামূলকভাৱে দিয়া

পৰীক্ষাৰ নম্বৰৰ তালিকাৰ বাবে ২ টকাৰ ঠাইত ৫ টকা, সমাবৰ্তনৰ মাচুল ৫ টকাৰ ঠাইত ১৫ টকা, ডিপ্লোমাৰ ফী ৫ টকাৰ ঠাইত ১০ টকা, বয়স শুধৰণিৰ কাৰণে ১০ টকাৰ ঠাইত ২৫ টকা, কেন্দ্ৰ সলনি কৰাৰ খৰচ ১০ টকাৰ ঠাইতে ২০ টকা, পৰীক্ষাৰ কাকত পুনৰ পৰীক্ষা কৰাৰ খৰচ ১০ টকাৰ ঠাইত ২০ টকা, নতুন কলেজ অনুমোদনৰ "মাচুল" ৩০০ টকা আৰু পুনৰানুমোদনৰ "মাচুল" বছৰি ২০০ টকা আদি কৰিবলৈ একজিকিউটিভ কাউন্সিলে সিদ্ধান্ত কৰিছিল আৰু ক'ৰ্টে এই সিদ্ধান্ত নীৰৱে মানি লৈছিল। এই ব্যৱস্থা দেখি এনেহে অনুমান হৈছিল যে বিশ্ববিদ্যালয় কৰ্তৃপক্ষই বিশ্ববিদ্যালয়খন শিক্ষানুষ্ঠানৰ পৰিবৰ্তে এখন ব্যৱসায়ী অনুষ্ঠানতহে পৰিণত কৰিব খুজিছে।......

এই প্ৰসঙ্গতে যোৱা ১৭ জানুৱাৰীৰ দিনা বহা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক'ৰ্টৰ সভাই গ্ৰহণ কৰা বুলি ওলোৱা এটা সিদ্ধান্তৰ বিষয়েও আমি উল্লেখ কৰিব খোজোঁ। প্ৰকাশ যে ক'ৰ্টৰ এই সভাই গুৱাহাটী বিশ্ববিদ্যালয় তদন্ত আয়োগৰ প্ৰতিবেদনখন লোকসভাত উত্থাপন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক অনুমতি নিদিবলৈ সিদ্ধান্ত কৰিছে। এনে কৰাৰ পক্ষে তেওঁলোকৰ যুক্তি হৈছে বোলে এই যে ক'ৰ্টে এই আয়োগৰ অনুমোদনসমূহৰ সম্পৰ্কে ব্যৱস্থা অৱলম্বন কৰিছে যেতিয়া এই প্ৰতিবেদন লোকসভাত দাখিল কৰাটো সমীচীন নহয়। আমি জানো যে ক'ৰ্টে উক্ত প্ৰতিবেদনৰ অনুমোদনসমূহৰ সৰহভাগকে কাৰ্য্যকৰী কৰা নাই। কিন্তু তেনে কৰা হ'লেও আয়োগৰ প্ৰতিবেদনখন লোকসভাত দাখিল কৰিবলৈ দিয়াত তেওঁলোকৰ অশান্তি দুৰ্বোধ্য।

[ সম্পাদকীয়, 'নতুন অসমীয়া', দৈনিক বাতৰি কাকত, ২২ জানুৱাৰী, ১৯৬৪ ]

## উপপৰিশিষ্ট

## তদন্ত আয়োগৰ প্ৰতিবেদন

নতুন অসমীয়াৰ সম্পাদকৰ সুৰতে আমিও কওঁ যে তদন্ত আয়োগৰ প্ৰতিবেদনখনত যদি সঁচাকৈয়ে চৰকাৰ আৰু বাইজৰ দৃষ্টি আকৰ্ষণ কৰিব লগীয়া বিষয় আছে তেনেহ'লে সেইখন প্ৰকাশ কৰাটোহে বাঞ্ছনীয়। এই প্ৰতিবেদনখন বিস্তৃতভাৱে প্ৰকাশ পালে ক'ৰ্টৰ সদস্যসকলৰ স্বৰূপ ওলাই পৰিব বুলি ভয় কৰিয়েই হয়তো তেওঁলোক এনে অনুমতি নিদিয়ে। ফলস্বৰূপে আজিকোপতি এই প্ৰতিবেদনখনৰ কোনো সমালোচনা হোৱা নাই। ক'ৰ্টৰ সদস্যসকলে ১৫ পৃষ্ঠাৰ এই প্ৰতিবেদনখন আলোচনা কৰিবলৈ সভা পাতি উপাচাৰ্য্য গৱালীক পদত্যাগ কৰিবলৈহে গোটেই দিনটো যুঁজিলে। সেয়েহে এই প্ৰতিবেদনখনৰ কিছুমান অসামঞ্জস্য কথা তলত উল্লেখ কৰিলোঁ।

তদন্ত আয়োগৰ গঠনত কেনেদৰে দুজনা বিশ্ববিদ্যালয়ৰ প্ৰতি বিদ্বেষ থকা লোকক অন্তৰ্ভুক্ত কৰা হৈছিল তাক আগেয়ে উল্লেখ কৰিছোঁ। তদন্ত আয়োগটো গঠন কৰা হৈছিল বিশ্ববিদ্যালয়ৰ বিষয়াসকলৰ বিপক্ষে অনা অভিযোগবোৰৰ সত্যাসত্যতা নিৰ্দ্ধাৰণ কৰিবলৈহে, কিন্তু তেওঁলোকৰ প্ৰতিবেদনখনত আমি পাওঁ কেৱল সেই বিলাকৰ পুনৰ উল্লেখ হে। আয়োগে কোনো এটা বিষয়তে স্থিৰ সিদ্ধান্ত নিদিলে—কেৱল অ'ৰ ত'ৰ পৰা শুনা কথাকে অত্যুক্তি কৰি গ'ল। এইখন লিখাত যে গোটেই কেইজন সদস্যই সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিছিল সন্দেহ। ইয়াত ভাব আৰু ভাষাৰ অসামঞ্জস্যতাও মন কৰিবলগীয়া। উদাহৰণস্বৰূপে ইয়াত উল্লেখিত লোকসকলৰ নামৰ আগত কেতিয়াবা 'মিষ্টাৰ', কেতিয়াবা 'শ্ৰী' ব্যৱহাৰ কৰা হৈছে, কিন্তু, দুই এঠাইত 'শ্ৰীযুত' প্ৰয়োগ আশ্চৰ্যজনক। কিয়নো, তদন্ত আয়োগৰ দুজন সদস্য আছিল অনা-অসমীয়া লোক। তেওঁলোকে সততে অসমীয়া ভাষাত ব্যৱহৃত "শ্ৰীযুত" নিশ্চয় অসমীয়া প্ৰীতিৰ কাৰণে ব্যৱহাৰ কৰা নাছিল।

সত্ত্বেও, এইখন একনে লিখা আৰু আনকেইজনে কাগত ঠিলা মাৰি ভনাৰ কাৰণেই এনে হ'বলৈ পাইছিল।

তদন্ত আয়োগৰ প্ৰতিবেদনখন পঢ়িলে এনেহে প্ৰতীয়মান হয় যেন সেইখন তেতিয়াৰ উপাচাৰ্য্য আৰু তাৰ আগলৈকে ৰেজিষ্ট্ৰাৰ ৰূপে থকা শ্ৰীফণীধৰ দত্তৰ প্ৰতি বিশেষ বিদ্বেষ ৰাখিয়েই লিখা ( আয়োগৰ সদস্য ডঃ মথুৰা নাথ গোস্বামীয়ে শ্ৰীদত্তৰ লগত উপাচাৰ্য্যৰ পদৰ কাৰণে প্ৰতিদ্বন্দ্বিতা কৰি পৰাজিত হৈছিল )। এঠাইত তেওঁলোকে এনেদৰে লিখিছে,

অন্যান্য বিশ্ববিদ্যালয়ৰ বিশেষ দায়িত্বপূৰ্ণ বিষয়া ৰেজিষ্ট্ৰাৰজনৰ এই বিশ্ববিদ্যালয়ত কোনো দায়িত্ব নাই।" আয়োগে তেনেজন ৰেজিষ্ট্ৰাৰকে যান-বাহনৰ ত্ৰুটি, ঘৰ-দুৱাৰৰ বিচ্যুতি, প্ৰফেচাৰ নিযুক্তিৰ ত্ৰুটি, বিশ্ববিদ্যালয়ত প্ৰকৃত আবহাৱাৰ অভাব, বিশ্ববিদ্যালয় ডক্টৰে কৰা প্ৰাইভেট প্ৰেক্টিচ, আদি তেওঁলোকে ভাবিব পৰা সকলো দোষৰ বাবেই জগৰীয়া বিচাৰ কৰিলে। ইয়াৰ উদ্দেশ্য আছিল হয়তো তেখেতক বিশ্ববিদ্যালয়ৰ পৰা আঁতৰাই নিজৰ পথ নিষ্কণ্টক কৰা।

এই কু-অভিসন্ধি বিশেষভাৱে প্ৰকাশ পাইছে আয়োগে কৰা বিশ্ববিদ্যালয় ডেভলাপমেণ্ট কমিটিৰ সমালোচনাত। কিয়নো, ৰেজিষ্ট্ৰাৰ পৰাকীয়েই আছিল এই কমিটিৰ ছেক্ৰেটাৰী। আয়োগে তেখেতৰ দায়িত্ব বিশ্ববিদ্যালয় আইনৰ পৰা উদ্ধৃত কৰিছে কিন্তু তাৰ পিছত তেখেতৰ দায়িত্বৰ গণ্ডীত নপৰা নানা কাৰণত দোষাৰোপ কৰিছে। বিশেষকৈ বিশ্ববিদ্যালয়ৰ ঘৰ দুৱাৰৰ কাৰিকৰী বিচ্যুতিৰ বিষয়ে কৰা মন্তব্য হাঁহি উঠা। কিয়নো, এনে কাৰিকৰী দোষত্ৰুটি বিচাৰ কাৰিকৰী শিক্ষা আয়োগৰ কোনো এজন সদস্যৰ নাছিল। তদুপৰি, বিশ্ববিদ্যালয়ত একজিকিউটিভ ইঞ্জিনিয়াৰ, অভাৰচিয়াৰ, আৰ্কিটেক্ট আদি থকা স্বত্বেও তেওঁলোকে কেনেকৈ এইবিলাকৰ কাৰণে ৰেজিষ্ট্ৰাৰক দোষিবলৈ কুণ্ঠিতবোধ নকৰিলে সি আচৰিত কথা।

আনকি আয়োগে অসম চৰকাৰৰ পৰিবহন বিভাগৰ তত্ত্বাৱধানত চলা গুৱাহাটী আৰু জালুকবাৰীৰ মাজৰ বাছ চলাচলৰ অনিয়ম আৰু তাৰ কাৰণে ছাত্ৰসকলে

তোগা অসুবিধাৰ বাবেও ৰেজিষ্ট্ৰাৰকেই জগৰীয়া কৰিলে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ আৱণ্ডণিবপৰা চৈধ্য বছৰকাল এদিনও ছুটী নোলোৱাকৈ দিনে দুহ বাৰ ঘণ্টাকৈ অফিচত কাম কৰি নিজৰ স্বাস্থ্যহানি কৰা সেই ৰেজিষ্ট্ৰাৰ গৰাকীৰ বিষয়ে এঠাইত এনেদৰে মন্তব্য কৰিছে যেন তেখেতে দিনৰ ১টা বজাত অফিচলৈ আহি ৩টা বজাত উভতি যায়। এই সকলোবিলাকে এইটো ভালদৰে প্ৰকট কৰে যে সেই গৰাকী লোকৰ প্ৰতি থকা ব্যক্তিগত বিদ্বেষৰ কাৰণেই আয়োগে চোতে বৌটো ৰ ৰিবলৈ দ্বিধা বোধ নকৰিলে।

এনে কৰাৰ উদ্দেশ্যও প্ৰতিবেদনখনৰ দফাই দফাই প্ৰকাশ পাইছে। প্ৰতিবেদনখনত গুৱাহাটী বিশ্ববিদ্যালয়খন এজন আই এ এছ বিষয়াৰ তত্ত্বাৱধানত দিব লাগে বুলি অনুমোদন কৰিছে (ডঃ মথুৰা নাথ গোস্বামী এজন আই-এ-এছ বিষয়া) আৰু এনেদৰে সামৰণি মাৰিছে, "আমি আমাৰ সম্পাদক ডঃ মথুৰা নাথ গোস্বামীৰ প্ৰতি আমাৰ ধন্যবাদ লিপিবদ্ধ কৰিবলৈ প্ৰয়াস নকৰোঁ, কাৰণ, আয়োগৰ এজন পূৰ্ণ সদস্য হিচাপে আমি তেওঁক আমাৰ মাজৰে এজন বুলি জ্ঞান কৰোঁ। তথাপি, আয়োগৰ কাৰ্য্যৰ বিশেষ বোজা তেওঁৰ ওপৰতেই পৰিছিল আৰু তেওঁ তাক হাঁহিমুখে বহন কৰিলে।" এইখিনি কথা ডঃ গোস্বামীকে ধৰি সকলো কেইজন সদস্যই চহী কৰিছে। কেনেকুৱা এটা 'মইৰৰ' ভাবত ডঃ গোস্বামীয়ে ইয়াত চহী কৰিছে কোৱা টান, কিন্তু, ইয়াত প্ৰদৰ্শোৱা উদ্দীপনা আৰু বিশ্ববিদ্যালয়খন আই-এ-এছ বিষয়াৰ তত্ত্বাৱধানত দিব লাগে বুলি কৰা মন্তব্যই আমাক কুঁজী বুঢ়ীৰ উপাখ্যানটোহে মনত পেলায়। ৰাজকুঁৱৰীৰ অপবাদ ৰটি ৰাণী হ'বৰ মানসেৰে সাজি-কাছি কুঁজীয়ে নাপিতক সুধিলে, 'মই সঁচাকৈয়ে ধুনীয়া নহয় নে?'

"হয়, নিজৰ ৰূপটি চাই লোৱা" বুলি নাপিতে দাপোণখন দাঙি ধৰিলে।

আত্মবিদ্বেষ আৰু কু-অভিসন্ধিৰ দাপোণ তদন্ত আয়োগৰ এই প্ৰতিবেদনখনত বহুতৰে স্বৰূপ প্ৰকাশ হয় বুলিয়েই ভয় কৰি নিশ্চয় এইখন লোকসভাত উত্থাপন কৰিবলৈ দিয়া হোৱা নাই। যাহওক, আমাৰ অসময়ৰ এঁকৰা মৈ'ত উঠা শিক্ষামন্ত্ৰী শ্ৰীদেৱকান্ত বৰুৱাই কুঁজীবুঢ়ীৰ এনে ভেঙুচালিতেই ভোল গৈ উপাচাৰ্য্যৰূপে পাটমাদৈ কৰিলে।

শ্ৰীফণীধৰ দত্ত উপাচাৰ্য্য নিযুক্ত হোৱাৰ পিছত ৰাজ্যপাল শ্ৰীনাগেশে তদন্ত আয়োগখন পঢ়াৰ কোনো আৱশ্যক নাই বুলি শ্ৰীদত্তক কৈছিল। তেতিয়া শ্ৰীদত্তই উত্তৰ দিলে "আয়োগখনতো মোৰ বিৰুদ্ধে পতা হোৱা নাই। বিশ্ববিদ্যালয়ৰ

আসোঁৱাহবোৰ দূৰ কৰিবৰ কাৰণেহে পত্ৰা হৈছে। গতিকে, ইয়াৰ দ্বাৰা বিশ্ববিদ্যালয়ৰ বহু উপকাৰ হ'ব পাৰে।" শেষমুহূৰ্তলৈকে তেখেতে আশা কৰিছিল যে বিশ্ববিদ্যালয়ৰ উন্নতিৰ কাৰণে আয়োগে সজ পৰামৰ্শ আগ বঢ়াব। কিন্তু, ছেগ বুজি কামদেৱে শৰ মাৰিব বুলি তেখেতে কেতিয়াও সন্দেহ কৰা নাছিল। সেইদৰে সকলোৱেই আশা কৰিছিল যে সত্য ঘটনা অ'ক প্ৰকৃত তথ্য পাতি আয়োগে সুচিন্তিত আৰু সুস্থ বিচাৰেৰে আগ বঢ়াব। কিন্তু, আমি পালোঁ ঠেক ভাৱাত লিখা এখন হাবি জাবি ৰিপ'ৰ্ট—ত্ৰৈলোক্যনাথৰ বিষয়ে আয়োগে লিখিছে, "আমি নিস দেহ যে দহ বছৰতকৈও কম সময়ৰ ভিতৰতে এই ডেকা লোকজনক বিশ্ববিদ্যালয়ৰ এটা প্ৰধান আৰু গুৰুত্বপূৰ্ণ পদবীলৈ উঠাই এটা গুৰুতৰ ভুল কৰা হৈছে—তাকো তেওঁ ছাত্ৰ হৈ থকা অৱস্থাতে।" এই মন্তব্যৰ শেষৰ কথাখিনি ত্ৰৈলোক্যনাথক উপহাস কৰিবলৈ লিখা, কিয়নো ত্ৰৈলোক্য'ৰ গৰাকী এজন আইনৰ ছাত্ৰ আ'ছিল। কিন্তু, এই উপহাস সম্পূৰ্ণ অদৰকাৰী, কিয়নো, ত্ৰৈলোক্যনাথজনে আইন পঢ়া বিষয়ে আয়োগে আন এঠাইত মন্তব্য কৰিছে। তাকেই উপহাসৰ পুনৰুক্তি কৰাৰ কোনো প্ৰয়োজন নাছিল। আনহাতে, আয়োগে এনে বিষয়াসকলৰ প্ৰতি কেনে বিদ্বেষপূৰ্ণ মনোভাব পোষণ কৰিছিল ই তাকেই প্ৰমাণ কৰে।

তেওঁলোকৰ জ্ঞান প্ৰদৰ্শাবলৈ গৈ আয়োগে এনে কিছুমান অসংলগ্ন কথাৰ সমাবেশ কৰিছে যেন সম্পাদকে ৰচনা লিখিবলৈহে প্ৰচেষ্টা কৰিছিল। তেওঁলোকে হয়তো এইটো হৃদয়ঙ্গম কৰিব নোৱাৰিছিল যে নৈতিকতা, নিয়মানুবৰ্তিতা আদিৰ বিষয়ে তেওঁলোকে লিখা কথাবিলাক আজিকালিৰ স্কুলীয়া ছাত্ৰইও তাতোকৈ বহু ভালদৰে প্ৰকাশ কৰিব পাৰে। তলত এটি উদাহৰণ দিছোঁ,

"Moral discipline primarily mean that persons should not act according to their inclinations at any particular moment, but according to principles of right and wrong which had been cultivated in them, and the problem of students indisciplines as one witness emphatically put it is at its heart a moral and ethical problem. If the academic world has no absolute standards of conduct and integrity, we shall look in vain for such standards in the behaviour of students." আয়োগে সঁচা কথা বা প্ৰকৃত আসোঁৱাহ বা কেবোণৰ কাৰণ নিৰ্দ্ধাৰণ কৰিবলৈ চেষ্টা নকৰি অসংলগ্ন কিছুমান কথাৰে প্ৰতিবেদনখন ভৰাই পেলাইছে।

একপ্ৰকাৰে চাবলৈ গলে তদন্ত আয়োগৰ প্ৰতিবেদনখনত আমাৰ সমাজত প্ৰতিপত্তি বিস্তাৰ কৰি অহা আৰু সদায় সুবিধা ভোগ কৰি অহা এচাম লোকৰ ব্যক্তি মানসিকতা প্ৰকাশ পাইছে কিয়নো, এই আয়োগৰ অসমীয়া সদস্য দুগৰাকী আমাৰ সমাজৰ মুখ্যাফুটা লোক। এই প্ৰতিবেদনত প্ৰতিফলিত হোৱা তেওঁলোকৰ মনোভাৱৰ দ্বাৰা আমাৰ সমাজত বিৰাজ কৰা কিছুমান লাজ লগা অভ্যাস আৰু বিচাৰে কেনে ধৰণৰ ক্ষতি কৰিব পাৰে সি প্ৰতিস্ফূট হৈছে।

প্ৰথমেই, আমাৰ সমাজত ঠগবাজী আৰু ফাকি দিয়াটো বুধিয়কৰ কাম বুলি ধৰা হয়। আনক চলনা কৰিব পৰাটো বা ঠগাব পৰাটো বহুতেই এটা গুণ বুলি ভাবে। সেয়েহে, এনে লোকক সমাজে বাঃ বাঃ দিয়ে, কিন্তু, যি সজ বা সাধুলোকক এওঁলোকে ঠগায় তেওঁ কেৱল হাঁহিয়াতৰ পাত্ৰ। তেওঁলোকক প্ৰতিৰক্ষা কৰিবলৈ সমাজে বিশেষ চেষ্টা নকৰে, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ঘৰ-দুৱাৰ সাজ-সজ্জাত বহুতো আসোঁৱাহৰ কথা তদন্ত আয়োগে উল্লেখ কৰিছে। যদি সেয়ে সঁচা হয় তেনেহ'লে যিসকল ঠিকাদাৰে সেইবিলাক সাজিছিল তেওঁলোকক আয়োগে কিয় দোষাৰোপ নকৰিলে? কৰ্মচাৰী বা বিশ্ববিদ্যালয়ৰ বিষয়াৰ চকুত ধূলি মাৰি এওঁলোকে যি কামৰ ঠিকা লৈছিল সেই কামত ফাকি দিয়াৰ বা ঠগোৱাৰ বিচাৰ কৰিবৰ উপায় আয়োগে নেদেখিলে। এনে প্ৰতাৰণাৰ বিচাৰৰ ব্যৱস্থা জানো আমাৰ সমাজত নাই?

সেইদৰে সভ্য সমাজত যদি কোনো ব্যক্তিৰ মান-সন্মান বেনামী চিঠি বা অপপ্ৰচাৰৰ দ্বাৰা বিপদাপন্ন হয় তেনেহ'লে সমাজে তেওঁলোকক এইবিলাকৰ পৰা প্ৰতিৰক্ষা কৰিবলৈহে যৎপৰোনাস্তি চেষ্টা কৰে। কিয়নো, লোকৰ বিপক্ষে যদি সঁচা অভিযোগ থাকে তাক বাইজৰ দৃষ্টিগোচৰ কৰিবলৈ সাহসৰ কোনো প্ৰয়োজন নাই—সঁচা কথা ক'বলৈ সাহস নকৰাটোহে ধিক্কাৰ দিব লগীয়া। কিন্তু, আমাৰ সমাজত আমাৰ মান সন্মানত কলঙ্ক আনিবৰ কাৰণে মিছা অভিযোগ তুলি লিখা বেনামী চিঠি বা পুস্তিকা পাণ্ডপত অস্ত্ৰৰ নিচিনা। কিয়নো আমাৰ তল-খোচৰালোকে এই বিলাকৰ ওপৰত বিশেষ গুৰুত্ব দিয়ে। ৰাইজে সেইটো বুজিবলৈ চেষ্টা নকৰে যে কিয় এই লোকসকলে প্ৰকাশ্যে এই অভিযোগবিলাক তুলিবলৈ নিবিচাৰে। যাহওক, এনে কাৰ্য্যক প্ৰশ্ৰয় দিয়াটো কেৱল লাজ লগাই নহয় বে-আইনীও। সভ্য সমাজে এনে কাৰ্য্যক সদায় ধিক্কাৰ দিয়ে আৰু দোষীলোকক পম খেদি উলিয়াবলৈ বিচাৰে।

ই কেৱল দুখ লগাই নহয় বৰং লাজ লগাও যে তদন্ত আয়োগে গুৱাহাটী

বিশ্ববিদ্যালয়ৰ শীৰ্ষস্থানীয় কেইগৰাকীমান লোকৰ বিৰুদ্ধে অভিযোগ তুলি লিখা এখন বেনামী আৰু বে-আইনী পুস্তিকাৰ অভিযোগবিলাক সাদৰেৰে গ্ৰহণ কৰিলে। আন নালাগে এই পুস্তিকাত তোলা অভিযোগবিলাকৰ সত্যাসত্যতা নিৰ্দ্ধাৰণ কৰাটো তদন্ত আয়োগৰ কাৰণে বিশেষ কঠিন নাছিল। তথাপি এনে এখন সভ্য-সমাজক উপলুপ্তা কৰা বে-আইনী পুস্তিকাৰ প্ৰতি সমাদৰ জনাই আয়োগৰ সদস্যসকলে এনে ঠগ্‌বাজী আৰু নিলাজ কাৰ্য্যক প্ৰশ্ৰয় দিয়াৰ মনোভাৱেই প্ৰদৰ্শন কৰিলে। এনে লোকৰ বিচাৰ বুদ্ধিৰ দ্বাৰা যি সমাজৰ ভাগ্য নিৰ্ণয় হৈ আছিছে তাত যে কত ব্যক্তিয়ে অন্যায় অবিচাৰ ভুগি আছিছে সি ভাবিবলগীয়া কথা।

সপ্তম ভাগ

# দৃষ্টিপাত

# চল্লিছ

## ক্রীড়া-যোগ

মানুহৰ শৰীৰটো হেনো এখন যাত্ৰীবাহী ৰথ যাৰ যাত্ৰী হৈছে আত্মা। তেওঁৰ ইন্দ্ৰিয়বিলাকেই হৈছে সেই ৰথখনৰ ঘোঁৰা, মনটোৱেই ঘোঁৰা কেইটাৰ লেকাম আৰু বুদ্ধিয়েই ৰথখনৰ চালক। আত্মাই পৰমাত্মাৰ কাষ পাবলৈকে এনেদৰে এই ৰথত যাত্ৰা কৰে। ৰথখন অচল হ'লে সেই যাত্ৰীয়ে নিজৰ যাত্ৰা সফল কৰিবৰ কাৰণে আন এখন ৰথ লয়। ৰথখন সম্পূৰ্ণ অচল হোৱাৰ আগতেও যদি তাৰ চালক, লেকাম আৰু ঘোঁৰাৰ মাজত সঙ্গতি নথকাকৈ ৰথখন ওখোৰা মোখোৰাকৈ যেনি তেনি ঘুৰি ফুৰে তেনেহ'লে সেই ৰথৰ অনিষ্ট হোৱাৰ উপৰিও যাত্ৰী গৰাকীৰ বৰ আলৈ আথানি হয়। সেয়েহে যাত্ৰীৰ (আত্মাৰ) যাত্ৰা সফল কৰিবৰ কাৰণে ৰথখন (শৰীৰটো) ভালে ৰাখিবলৈ চেষ্টা কৰিব লাগে আৰু চালকে (বুদ্ধিয়ে) লেকামৰ (মনৰ) সহায়ত ঘোঁৰা কেইটাক (ইন্দ্ৰিয় বিলাকক) সুস্থিৰভাৱে চলাব লাগে। এদিন যে ৰথখন ভাঙি ছিঙি অচল হ'ব তাত সন্দেহ নাই কিন্তু যিমান দিন ৰথখন চলি থাকে সিমান দিন যাত্ৰী গৰাকীক সুচাৰুৰূপে তেওঁৰ যাত্ৰা সফল কৰিবলৈ দিয়াটো সকলোৰে কৰ্তব্য। এই উদ্দেশ্যেৰেই হিন্দু ঋষি মুনিয়ে নানা ধৰণৰ যোগ অভ্যাসৰ সৃষ্টি কৰি থৈ গ'ল।

আধুনিক যুগত দেহ-মন ভালে ৰাখিবলৈ, বুদ্ধিৰ বিকাশ সাধিবলৈ বা ইন্দ্ৰিয়ক দমন কৰিবলৈ যোগ অভ্যাস কৰাটো একপ্ৰকাৰ কঠিন হৈ পৰিছে। অৱশ্যে আজিকালি ভাৰত আৰু বহু পশ্চিমীয়া দেশত বহু লোকে ভিন্ন ভিন্ন উদ্দেশ্যেৰে টেলিভিছন চাই চাই যোগ ব্যায়াম কৰা দেখা আৰু শুনা যায়। কিন্তু আমাৰ দেহ-ৰথ খনে কঢ়িয়াই নিয়া যাত্ৰী গৰাকীৰ যাত্ৰা সফল কৰা লক্ষ্য পৰিহাৰ কৰি আন কিবা উদ্দেশ্যেৰে হাত ভৰি জোকাৰিলে বা দেহ টোক সাত ভাজ কৰিলে আমি তাক যোগ বুলিব নোৱাৰোঁ—'যোগ' মানেই হৈছে আত্মা-পৰমাত্মাৰ যোগাযোগ স্থাপন। এই যোগাযোগ স্থাপনেই চৰম লক্ষ্য হোৱা উচিত।

আজিৰ জগতত আজিৰ যুগত দেহ-ৰথখন তাৰ ঘোঁৰা কেইটা আৰু লেকাম কেইডালক সুস্থভাৱে ৰাখিবলৈ এটা ভাল উপায় হৈছে খেল-ধেমালি। খেল-ধেমালিৰ যোগেদি মানুহে শৰীৰটোক তাৰ বয়সৰ অনুপাতে সুস্থ সুঠাম কৰি ৰখাৰ উপৰিও মনবো দৃঢ়তা প্ৰস্ফুটিত কৰি ৰখাটো সম্ভৱ। তদুপৰি খেল-ধেমালিৰ

সহায়ত মনৰ দৃঢ়তা মনোবল মনোযোগ দিব পৰা শক্তি আদি বৃদ্ধি কৰিব পৰা যায় আৰু আমাৰ ইন্দ্ৰিয়বিলাক দমন কৰাত মনৰ এইবিলাক গুণ অপৰিহাৰ্য্য। খেল ধেমালিৰ কলা-কৌশলৰ যোগেদি বুদ্ধিৰও বিকাশ সাধন হয়। মুঠৰ ওপৰত, সুস্থ শৰীৰৰ কাৰণে মানসিক শক্তি বৃদ্ধিৰ কাৰণে আৰু ইন্দ্ৰিয় দমনৰ কাৰণে যেতিয়া খেল-ধেমালি কৰা হয় তেতিয়া আমি ক্ৰীড়া-যোগৰ লক্ষণ দেখিবলৈ পাওঁ। এনে ক্ৰীড়া-যোগৰ সহায়ত গভীৰ আত্ম-তৃপ্তিৰ উপৰিও এক সুস্থ জীৱন যাপন কৰিব পৰা যায়।

ক্ৰীড়া-যোগৰ সফল যোগী হ'বৰ কাৰণে কেইটামান বিষয়ত চকু দিয়া বিশেষ প্ৰয়োজন। সেই কেইটা হৈছে (১) নিয়মীয়া ব্যায়াম আৰু শাৰীৰিক চৰ্চা (২) মানসিক শক্তি (যেনে দৃঢ়তা, সংযম, হাৰিলে নকন্দা জিকিলে গপত ফুফুন্দা আদি) বৃদ্ধি কৰাত একান্ত চিত্তে মনোনিবেশ, (৩) ইন্দ্ৰিয়ৰ দমন (বহু খেলুৱৈয়ে এই দিশত বেছি গুৰুত্ব নিদিয়ে কাৰণে নিজৰ আৰু সমাজৰ বিস্তৰ ক্ষতি সাধন কৰে) এই কাৰণে ক্ৰীড়া-জগতত দুৰ্বল চৰিত্ৰৰ লোকৰ সংখ্যা চিত্ৰজগতৰ দুৰ্বল চৰিত্ৰ লোকৰ সংখ্যাতকৈ কোনো গুণে কম নহয়) (৪) সুস্থ প্ৰতিযোগিতাৰ যোগেদি বুদ্ধি আৰু কলা কৌশলৰ বিকাশ সাধনা আৰু (৫) নিজে পাৰদৰ্শিতা লাভ কৰা খেলা-ধূলাৰ জ্ঞান পাৰ্য্যমানে আনক শিকোৱা যাতে সেই বিলাকৰ দ্বাৰা আনও উপকৃত হ'ব পাৰে আৰু আনেও নিজ নিজ যাত্ৰীৰ যাত্ৰা সফল কৰিব পাৰে।

শ্ৰীফণীধৰ দত্ত এজন অতি আদৰ্শ ক্ৰীড়া যোগী আছিল। স্কুলীয়া কালৰে পৰা তেখেতে কৃতী ফুটবল আৰু ক্ৰিকেট খেলুৱৈ বুলি সুনাম অৰ্জন কৰিছিল। কলেজীয়া জীৱনত তেখেতে টেনিচ আৰু কনট্ৰেক্ট ব্ৰিজ খেলিবলৈ লয় আৰু প্ৰায় শেষ সময়লৈকে টেনিচ খেলি আছিল। তেখেত এজন অতি সুদক্ষ কনট্ৰেক্ট ব্ৰিজ খেলুৱৈ আছিল আৰু সেই খেলত তেখেতৰ লৈতে সমানে ফেৰ মাৰিব পৰা খেলুৱৈ খুব কম আছিল। তেওঁৰ জীৱনত সদায় যুঁজিব লগীয়া হোৱা সংগ্ৰামত তেখেতৰ খেলুৱৈ সুলভ মনোভাবে বিশেষ সহায় কৰিছিল।

প্ৰাথমিক বিদ্যালয়ত পঢ়া দিনৰে পৰা তেখেতে ক্ৰীড়া-জগতত একপ্ৰকাৰ প্ৰৱেশ কৰিছিল—ৰবাৰ টেঙা বা ফটাকানিৰ বলেৰে ফুটবল খেলি। এই বিষয়ে তেখেতে শৈশৱৰ ঘটনা এটা বৰ্ণনা কৰি থৈ গৈছে—"ৰাতিপুৱা শুই উঠিয়েই কোমল চাউলৰ জলপান খাই কাপোৰৰ তলতে এটা ফটাকানিৰ বল লুকুৱাই লৈ ঘৰৰ পিছ ফালে হেউনী আলিলৈ খোজ লৈছিলোঁ—আমাৰ তেতিয়া মাথোন ফিল্ড আছিল

হেৰ্উনী আনিছো, এজোপা গছৰ পৰা আন এজোপা গছলৈ বা এটা পুলৰ পৰা আনটো পুললৈকে আমাৰ গোল আছিল। সেইদিনা পঢ়া নাই বুলি যেউতাই গম পালে আৰু বল খেলিবলৈ গলেই বুলিও গম পালে; পিছে পিছে এচাবি এডাল লৈ আহিল, বিষাশবদে লৰ দিলোঁ। তেখেতেও লৰ দিলে, ১০০ গজ মানতে মোক ধৰিলেহি আৰু তাৰ পৰা কোলাত দাঙি লৈ গ'ল আৰু উধাই মুধাই মৰিয়াই গ'ল। গা গোটেইটোত সাঁচ বহিল। পিছতহে বুজিলোঁ শকত মানুহ লৰিবলৈ পাই বৰ খং উঠিল।" তেখেতে পঁয়ত্রিছ বছৰ বয়সলৈকে ফুটবল-ক্রিকেট খেলিছিল। গুৱাহাটীৰ কটন কলেজত তেওঁক বিনা মাচুলে পঢ়িবলৈ দিয়াৰ এটা কাৰণ আছিল তেওঁৰ ফুটবল খেলৰ দক্ষতা।

যোৰহাট কলেজ আৰু যোৰহাটত আধুনিক খেল-ধেমালিৰ শিক্ষাৰ এটা বিশেষ অঙ্গ ৰূপে গঢ়ি তোলাত ফণীধৰ দত্তৰ যথেষ্ট বৰঙণি আছে। যোৰহাট কলেজৰ "আৰম্ভণিৰ বছৰকেইটাৰ দত্ত আছিল ক্রীড়া বিভাগৰ দায়িত্ব প্রাপ্ত অধ্যাপক। তেতিয়া ছাত্র সংখ্যা অত্যন্ত সীমাবদ্ধ আছিল যদিও তেতিয়াৰ এজন ক্রীড়ামোদী ছাত্র শ্রীলোকেশ্বৰ বৰকটকীৰ পৰা জনা যায় যে মহাবিদ্যালয়খনিত দত্তৰ তত্ত্বাৱধানত তেতিয়াই (১৯৩১-৩২ চন) ফুটবল, ক্রিকেট, ভলী আৰু হকীদল গঠন কৰা হৈছিল আৰু জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ দলে জিলা আৰু আন্তঃজিলা পর্যায়ৰ বিভিন্ন ক্রীড়া প্রতিযোগিতাত যোগ দি সুনাম ৰক্ষা কৰিছিল।" [ জগন্নাথ বৰুৱা মহাবিদ্যালয় সোণালী জয়ন্তী উছৱৰ (১৯৮২ চনৰ) আলোচনী, পৃঃ ১১১ ]। এবাৰ শ্রীসন্দিকৈ ছুটীত থাকোঁতে তিনি মাহমানৰ কাৰণে অধ্যক্ষৰ দায়িত্ব ল'বলৈ পায় তেখেতে লৰালৰিকৈ যোৰহাট কলেজত এখন টেনিচ ক'র্ট সজাইছিল। ওপৰত উল্লেখ কৰা আলোচনীৰ ৯২ পৃষ্ঠাত বর্ণনা কৰা স্কুলনিবাৰীৰ কাষৰ টেনিচ ক'র্টখন ফণীধৰ দত্তইহে সজোৱা, জগন্নাথ বৰুৱাই সজোৱা নহয় কিয়নো উনৈছ শতিকাত বা এই শতিকাৰ প্রথম দশকত তেনে ধৰণৰ টেনিচ ক'র্ট সজোৱা নহৈছিল।

ফণীধৰ দত্ত যোৰহাট ডিষ্ট্রিক্ট স্পর্টছ এছোচিয়েশ্বনৰ চাৰি বছৰ (১৯৩৪-৩৮) ছেক্রেটাৰী আছিল আৰু যোৰহাটত অৱস্থিত প্রায় সকলো ক্রীড়া অনুষ্ঠানত সক্রিয় অংশ গ্রহণ কৰিছিল। বিশেষকৈ ১৯৩৪ ৰ পৰা ১৯৪১ চনলৈকে এই কাল ছোৱাত তেখেতে আচাম অলিম্পিক এছোচিয়েশ্বন আৰু আপাৰ আচাম স্কুল টুর্ণামেন্ট কমিটিলৈ যথেষ্ট অৱদান দিয়ে।

ফণীধৰ দত্তই প্রায় ছকুৰি বছৰ বয়সলৈকে ল'ৰাইতৰ লগত ফুটবল ক্রিকেট

ভলীবল আৰু টেনিচ খেলিছিল। প্ৰায় ছকুবি বছৰ বয়সত এদিন ক্ৰিকেট খেলোঁতে তেতিয়াৰ যোৰহটীয়া ডেকা বোৰেশ্বৰ গোঁহায়ে জোৰে দিয়া বল এটা নাকত লাগি বেয়াকৈ জখম হৈ তেজেৰে ধৰাশায়ী হোৱাৰ পিছত তেখেতে বুজিলে যে সেই বয়সত ডেকা ল'ৰাৰ স'তে ফেৰ মাৰি ফুটবল ক্ৰিকেট খেলিলে দেহ-বথ খনৰ উপকাৰ নহৈ অপকাৰহে হ'ব পাৰে। তাকে উপলব্ধি কৰি তাৰ পিছত তেখেতে ফুটবল ক্ৰিকেট খেলিবলৈ এৰিলে। তেতিয়াৰে পৰা তেখেতে অসমৰ ল'ৰা ছোৱালীক খেলা-ধূলা শিকোৱাত আৰু ডেওঁ:লাকৰ খেলা-ধূলাৰ সুবিধাবিলাক গাত লগাই দিয়াত বেছি মনোনিবেশ কৰিলে। অৱশ্যে তেখেত স্বৰ্গী হোৱাৰ কিছুদিন আগতে গুৱাহাটীৰ ইণ্ডিয়া ক্লাবত টেনিচ খেলোঁতে পৰি হাত ভগালৈকে তেখেতে টেনিচ খেলি আছিল। কটন কলেজৰ বাৰ্ষিক ক্ৰীড়া উৎসৱত তেখেতৰ পৰিচালনা অপৰিহাৰ্য্য আছিল আৰু ১৯৫৪/৫৫ চনত আৰম্ভ হোৱা গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃ কলেজ ক্ৰীড়া মহোৎসৱৰ তেখেতেই জন্মদাতা স্বৰূপ। গুৱাহাটীত তেখেত লৰাৰ আচাম স্কুল টুৰ্ণামেণ্ট কমিটিৰ সদস্য আছিল (১৯৪৬-৫০)।

অসমৰ শিক্ষা জগত আৰু ক্ৰীড়া-জগতলৈ তেখেতৰ বৰঙণি হৈছে ছাত্ৰ-জীৱনত বা নিজৰ ব্যক্তিত্বক গঢ় দিয়াত খেল-ধেমালিৰ প্ৰয়োজনীয়তা উপলব্ধি কৰাৰ তেখেতে দেখুওৱা আদৰ্শ। খেল-ধেমালিৰ সহায়ত কেনেদৰে খেলুৱৈসুলভ চৰিত্ৰ আহৰণ কৰি গোটেই জীৱন আনন্দ লাভ কৰিব পাৰি আৰু ভাল ছাত্ৰও যে ভাল খেলুৱৈ হ'ব পাৰে তাৰ আদৰ্শ তেখেতে নিজৰ জীৱনত ভালদৰে দেখুৱাই থৈ গ'ল। তেখেতৰ বহু বন্ধু-বান্ধৱ, তেখেতৰ বহু ছাত্ৰ আৰু সেই সময়ৰ যোৰহাট ও গুৱাহাটীত ক্ৰীড়ামোদীসকলে তেখেতৰ চৰিত্ৰৰ এই দিশটো বৰকৈ সুঁৱৰে। পুত্ৰৰূপেও এই লেখকে সদায় অনুভৱ কৰে যে তেখেতৰ সাধুতা, কৰ্মতৎপৰতাৰ পিছতে যদি তেখেতৰ খেলুৱৈসুলভ মনোভাব আহৰণ কৰিব পৰা যায় তেনেহ'লে তেখেতে দিয়া জনম সফল হ'ব।

কৰ্মময় জীৱনত বা শিক্ষাব্ৰতী জীৱনত মনটোক নিয়মানুৱৰ্তী কৰিবলৈ আৰু আনন্দমুখৰ কৰি ৰাখিবলৈ যে খেল-ধেমালি হাঁহি তামাচাবিলাকৰ বিশেষ প্ৰয়োজন তাক ফণীদত্তই অন্তৰেৰে উপলব্ধি কৰিছিল। সেয়েহে ছেগ পালেই তেখেতে হাতত টেনিচ ৰেকেট এখন লৈ বা বল এটা লৈ খেল পথাৰলৈ লৰ মাৰিছিল আৰু সুবিধা বুজি লগৰ লগৰীয়াৰ লগত নানান ৰং-তামাচা উলিয়াইছিল। এই বিষয়ে তেখেতৰ স্কুলীয়া দিনৰে পৰা একেখন বেঞ্চত বহা আৰু কটন কলেজৰ ২ নম্বৰ হোষ্টেলৰ ১৩ নম্বৰ কোঠাত একেলগে বাস কৰা বন্ধু

শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱাই উল্লেখ কৰা ছুটামান ঘটনা তেখেতৰ ভাষাৰেই উল্লেখ কৰিলোঁ :

**ৰামেশ্বৰ বৰুৱাক আশীৰ্বাদ :** এবাৰ আমি হাইস্কুলত বিছ পাতিছোঁ। তেতিয়া হেডমাষ্টৰ ৰামেশ্বৰ বৰুৱা—তেখেতৰ তেতিয়া ল'ৰালৰি নাই। ফণীয়ে ক'লে—আজি হেডমাষ্টৰ আহিব নহয় আমাৰ মেজী চাবলৈ, আমি ছাৰৰ পৰা নাৰিকল খাবলৈ বুদ্ধি এটা কৰোঁ—। ছাৰ যেতিয়া আহিল ফণীয়ে ক'লে—ছাৰ আমি আপোনাক আশীৰ্বাদ দিওঁ আৰু আপুনি আজি আমাক নাৰিকল খুৱাব লাগিব। ছাৰে 'বাৰু' বুলি আঁঠু লোৱাত ফণীয়ে লগায়, "আমাৰ ছাৰৰ ল'ৰা এটি হ'ব" আৰু আমি ক'ব লাগে "হ'ব"। সেই বুদ্ধি।

**বিজয়বাবুৰ চেমিজ :** আমাৰ ছুপাৰিনটেনডেণ্ট বিজয়বাবু। তেখেতে ছুডমাৰ্চন চাহাবক (কটন কলেজৰ অধ্যক্ষ) বৰ ভয় কৰে। ছুডমাৰ্চন চাহাবৰ নাম শুনিলেই ভয়ত সকলো পাহৰে। এদিন ছুডমাৰ্চন চাহাবে বিজয় বাবুক মাতি পঠিয়ালে। তেওঁ ভয়তে খপজপাই চাদৰ বুলি পৰিবাৰৰ চেমিজটোকে কান্ধত আৰি ছুডমাৰ্চন চাহাবৰ ওচৰলৈ দৌৰ মাৰিলে। বাটতে কোনোবা এজনে সেইটো দেখুৱাই দিয়াত তেওঁ বাটতে চেমিজটো পেলাই ছুডমাৰ্চনৰ ওচৰলৈ গ'ল। ফণীয়ে দেখি চেমিজটো আনি নিজে পিন্ধি বিজয় বাবুৰ পৰিবাৰৰ ভাও দি গোটেই হোষ্টেলত আটাইকে কি যে নহুহুঁৱালে।

**টুথপাউদাৰৰ গছ :** আমাৰ হোষ্টেলৰ কাষতে সৰুৱা গছ এজোপা আছিল। তাৰে ঠাল ভাঙি আমি দাঁত ঘহোঁ—ফণী আৰু মই। এদিন ছুডমাৰ্চন চাহাবে মানুহ এটা লৈ আহিল, লগত এখন কুঠাৰ। আহি সেই গছ জোপাত ঘপিয়ালে। ফণীয়ে দেখিলে, তাৰ গাত মাত্ৰ গামোচাৰ তিয়নী এখন। সি সেইখন পিন্ধি ছুডমাৰ্চন চাহাবৰ ওচৰলৈ "ছাৰ! ছাৰ! নেকাটিব, নেকাটিব, নেকাটিব, টুথপাউদাৰৰ গছ—দুখীয়া ছাত্ৰ ছাৰ মনত আছে নহয়?" বুলি চিঞৰি চিঞৰি গৈ ছুডমাৰ্চন চাহাবক বাধা দিলে গৈ। ছুডমাৰ্চন চাহাবেও গছ জোপা নেকাটি গুচি গ'ল।

# একবিংশ অধ্যায়

## শ্ৰমৰ শলাগ

কৰ্মযোগী কণীধৰ দত্তই গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতি কৰা গুণি আৰু শ্ৰমৰ শলাগ তেখেতৰ মৃত্যুৰ পিছত অসমীয়া বাইজে যে লৈছিল তাক বুজিব পাৰি ১৯৬৩ চনৰ ২৭ অক্টোবৰত তেখেতৰ দেহান্তৰৰ পিছত অসমৰ বিভিন্ন অনুষ্ঠান আৰু সকলো শ্ৰেণীৰ ব্যক্তিয়ে শোক সন্তপ্ত পৰিয়ালটোলৈ সমবেদনা জনাই লিখা হেজাৰ হেজাৰ চিঠি, টেলিগ্ৰাম আদিৰ পৰা। ইয়াত তাৰ কেইটামান নমুনা দিলোঁ।—

"...১৯৪৮ চনত নৱ প্ৰতিষ্ঠিত গুৱাহাটী বিশ্ববিদ্যালত ইয়াৰ প্ৰতিষ্ঠাতা স্বৰূপ তেতিয়াৰ মুখ্য আৰু শিক্ষামন্ত্ৰী লোকপ্ৰিয় বৰদলৈ ডাঙৰীয়াই তেওঁক এই বিশ্ববিদ্যালয়ৰ প্ৰথম ৰেজিষ্ট্ৰাৰ নিযুক্ত কৰে। এই দায়িত্ব গ্ৰহণ কৰি শ্ৰীদত্তই বিশ্ববিদ্যালয়খন নানান দিশত গঢ়ি তোলাত কম পৰিশ্ৰম কৰিব লগীয়া হোৱা নাছিল। কিন্তু তেওঁ এই দায়িত্ব ইমান নিপুণভাবে নিৰ্বাহ কৰিছিল যে, বিশ্ববিদ্যালয় কৰ্তৃপক্ষই তেওঁক তেওঁৰ চৰকাৰী নিযুক্তিৰ কাৰ্য্যকাল শেষ হোৱাৰ পিছতো একাধিকবাৰ এই পদত নিৰ্বাচিত কৰিছিল আৰু সেই পদত থকা অৱস্থাতে বিশ্ববিদ্যালয় ক'ৰ্টৰ প্ৰথম মনোনয়ন পাই তেওঁ ইয়াৰ উপাচাৰ্য্য নিযুক্ত হৈছিল। উপাচাৰ্য্য স্বৰূপেও তেওঁ বিশ্ববিদ্যালয়খনৰ কাৰণে কঠোৰ পৰিশ্ৰম কৰি এহাতধীয়া ভাবে খাটিছিল।"

[ সম্পাদকীয়, 'নতুন অসমীয়া', ১০ কাতি বৃহস্পতিবাৰ, ১৮৮৫ শক ]

"ভূতপূৰ্ব উপাচাৰ্য্য শ্ৰীযুত দত্ত ডাঙৰীয়াৰ বিয়োগৰ বাতৰি পাই আমাৰ পূজনীয় দদাইদেউ শ্ৰীযুত যতীন্দ্ৰনাথ দুৱৰা ডাঙৰীয়াই অত্যন্ত শোক পাইছে। বাতৰিটো তেখেতক দিয়াৰ লগে লগে কান্দি পেলাইছে। তেখেতৰ সমবেদনা জ্ঞাপন কৰা খবৰটো আপোনালৈ লিখিবলৈ কোৱাত লিখিলোঁ।"

[ কবি যতীন দুৱৰাৰ হৈ শ্ৰীবসন্তলাল দুৱৰা। ইয়াৰ আগতেও দুৱৰাদেৱে অসমীয়াই গুণী কৰ্মীলোকৰ মোল নুবুজে বুলি আক্ষেপ কৰি শ্ৰীদত্তক সান্ত্বনা দিছিল। ]

"অসম প্ৰাদেশিক মহিলা সমিতিৰ কাৰ্য্যালয়ৰ কিৰণ বালা হলত বহা তুৰা আৰু কামৰূপ জিলাৰ বিভিন্ন গাঁৱৰ পৰা অহা ছাত্ৰীসকলৰ 'হোলি দে হোম'ৰ আৰু প্ৰাদেশিক মহিলা সমিতি, গুৱাহাটী জিলা মহিলা সমিতি, গুৱাহাটী নগৰ মহিলা সমিতিৰ বিষয় ববীয়াসকলৰ সভাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠা পক

সকলৰ এজন, পিতৃস্বৰূপ পুৰুষ আৰু মহান শিক্ষাবিদ শ্ৰীফণীধৰ দত্ত, প্ৰাক্তন উপাচাৰ্য্যৰ মৃত্যুত সভাই গভীৰ শোক প্ৰকাশ কৰি স্বৰ্গীয় আত্মাৰ ওচৰত শ্ৰদ্ধা জ্ঞাপন কৰে আৰু শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জনায়।
সভাই বিবেচনা কৰে যে এনে এগৰাকী মহান শিক্ষাবিদৰ অভাৱ গোটেই দেশবাসীয়ে গভীৰভাৱে অনুভৱ কৰিছে আৰু দেশৰ অপূৰণীয় ক্ষতি হৈছে।"

[ অসম প্ৰাদেশিক মহিলা সমিতিৰ হৈ সভানেত্ৰী শ্ৰীযুতা চন্দ্ৰপ্ৰভা শইকীয়ানী ]

"এই সভাই স্বৰ্গীয় দত্তৰ অমায়িক প্ৰকৃতি সুঁৱৰিছে আৰু তেওঁ যেনেকৈ এই বিশ্ববিদ্যালয়খনক প্ৰায় একো নথকা অৱস্থাৰ পৰা লালন পালন কৰি ইয়াৰ বৰ্তমান অৱস্থালৈ আনিলে তাক কৃতজ্ঞভাৱে শলাগিছে।"

সভাপতিয়ে তেওঁৰ ভাষণত স্বৰ্গীয় দত্তৰ বহুমুখী প্ৰতিভা আৰু এই বিশ্ববিদ্যালয়ৰ উন্নয়নৰ কাৰণে তেখেতৰ অক্লান্ত পৰিশ্ৰম উল্লেখ কৰে। সভাপতিয়ে স্বৰ্গীয় দত্তই যোৰহাটৰ জে-বি-কলেজ প্ৰতিষ্ঠা কৰোঁতেও কৰা স্বাৰ্থত্যাগ মধুৰ স্মৃতিৰে সোঁৱৰণ কৰে।"

[ বিশ্ববিদ্যালয় শ্ৰেণীসমূহৰ সংগঠকৰ কাৰ্যালয়ৰ বিষয়ববীয়া আৰু কৰ্মচাৰী সকলৰ সভাখনৰ সভাপতিত্ব কৰিছিল শ্ৰীঅনিলকুমাৰ শৰ্মাই ][1]

"আনন্দৰাম ঢেকিয়াল ফুকন কলেজৰ কাৰ্য্যকৰী কমিটিৰ এই বৈঠকে তেওঁ শিক্ষাৰ কাৰণে কৰা স্বাৰ্থত্যাগৰ বাবে সৰ্বজন বিদিত আৰু সন্মানিত মহান শিক্ষাবিদ, প্ৰশাসক আৰু গুৱাহাটী বিশ্ববিত্তালয়ৰ ভূতপূৰ্ব উপাচাৰ্য্য শ্ৰীফণীধৰ দত্তৰ মৃত্যুক গভীৰ শোকেৰে লেখত লৈছে আৰু শোক সন্তপ্ত পৰিয়াললৈ ইয়াৰ আন্তৰিক সমবেদনা জনাইছে আৰু তেওঁৰ আত্মাৰ চিৰ শান্তিৰ কাৰণে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছে।"[2]

[ চহী কৰিছে সভাপতি এন-ইছলামে ]

"শিৱসাগৰ কলেজৰ ছাত্ৰ-ছাত্ৰী আৰু বিষয়-ববীয়াসকলৰ এই সভাই তেওঁৰ শক্তিপূৰ্ণ গুণৰ দ্বাৰা সকলোৰে শ্ৰদ্ধাৰ হৈ পৰা প্ৰখ্যাত শিক্ষাবিদ, গুৱাহাটী বিশ্ববিত্তালয়ৰ ভূতপূৰ্ব উপাচাৰ্য্য শ্ৰীফণীধৰ দত্তৰ শোকলগা মৃত্যুত পোৱা গভীৰ শোক লেখত লৈছে। বিশ্ববিত্তালয়খনৰ আৰম্ভণিৰে পৰা ইয়াক গঢ় দিয়াত স্বৰ্গীয় দত্তৰ অক্লান্ত পৰিশ্ৰমৰ আন্তৰিক শলাগও এই সভাই লেখত লৈছে।"[3]

[ অধ্যক্ষ পৰাগ চলিহাৰ দ্বাৰা পঠিওৱা হৈছিল ]

"গুৱাহাটী বিশ্ববিত্তালয়ৰ উপাচাৰ্য্য ডঃ এইচ-জে-টেইল'ৰৰ সভাপতিত্বত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰছাত্ৰী আৰু কৰ্মকৰ্তাসকলে আজি ১৯।১১।৬৩ত

ভূতপূৰ্ব উপাচাৰ্য্য ফণীধৰ দত্তৰ শোকলগা মৃত্যুত দুঃখ প্ৰকাশ কৰে। সভাই শ্ৰীপি-দত্তৰ শোকলগা মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে আৰু তেওঁৰ আত্মাৰ শান্তিৰ কাৰণে প্ৰাৰ্থনা কৰিছে। সভাই তেওঁৰ অমায়িক প্ৰকৃতি সুঁৱৰিছে আৰু এই বিশ্ববিদ্যালয়ক পোনৰে পৰা ইয়াৰ বৰ্তমান স্তৰলৈ গঢ় দিয়াত তেওঁৰ অতুলনীয় বৰঙণিৰ প্ৰচুৰ শলাগ লৈছে।"[8]

[ উপাচাৰ্য্য এইচ-জে টেইলাৰৰ দ্বাৰা পঠিওৱা হৈছিল ]

"তেওঁৰ আত্মা আছিল অতিশয় মহান যি গুৱাহাটী বিশ্ববিদ্যালয়ৰ আজিৰ এই ৰূপ দিয়াত তেওঁৰ জীৱন উছৰ্গা কৰিলে। আজি গুৱাহাটী বিশ্ববিদ্যালয়ে যি মহান আৰু সন্মানিত আসন ল'ব পাৰিছে তাৰ কাৰণে হয়তো তোমাৰ দেউতাৰ সমান কোনেও বৰঙণি যোগোৱা নাই।"[৫]

[ কটন কলেজৰ প্ৰাক্তন অধ্যক্ষ বিজয়চন্দ্ৰ সেনগুপ্ত ]

"১৯৪৮ খৃঃৰ পহিলা জানুৱাৰীৰপৰা ফণীধৰ দত্তই প্ৰকৃততে গুৱাহাটী বিশ্ববিদ্যালয়ৰ শুভাৰম্ভ কৰা বুলি ক'লে ভুল কোৱা নহ'ব। তেতিয়া কোৰ্টৰ সভা উপাচাৰ্য্য নিৰ্বাচন আদি একোৱে হোৱা নাই। ইয়াৰ পূৰ্বে ডক্টৰ সূৰ্য্যকুমাৰ ভূঞাই স্পেচিয়েল ইউনিভাৰচিটি অফিচাৰ স্বৰূপে কামকাজ চলাইছিল যদিও নিয়মীয়া কাৰ্য্যালয় আৰম্ভ কৰিলে দত্তই। তেতিয়াৰেপৰা ১৯৬১ খৃঃলৈকে সুদীৰ্ঘ ১৩বছৰ কাল ৰেজিষ্ট্ৰাৰৰ গুৰুভাৰ বহন কৰি নিয়াৰিকৈ চলাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ মৰ্যাদা ৰক্ষা কৰিছিল। সেই মৰ্যাদা এতিয়াও অক্ষুণ্ণ আছে।

নতুন বিশ্ববিদ্যালয়খন গঢ় দি সৰ্বভাৰতীয় মৰ্যাদা লাভ কৰাত ফণী দত্তৰ বৰঙণি উৰ্দ্ধত। ৰেজিষ্ট্ৰাৰ হিচাপে ফণী দত্তৰ বৰঙণি সৰ্বজনস্বীকৃত। বোধহয় উপাচাৰ্য্যৰ পদ লাভ কৰাটো তেওঁৰ বাবে কাল স্বৰূপ হ'ল। আৰু বিশ্ববিদ্যালয়ৰপৰা কৰুণভাৱে পদত্যাগ কৰি আঁতৰি যাব লগা হ'ল। ইয়াৰ পিছত দত্ত আৰু সৰহ দিন জীয়াই নাথাকিল। ১৯৬৩ খৃঃৰ ২৯ অক্টোবৰত তেওঁ নৰনাট সামৰিলে।"

[ নন্দ তালুকদাৰ, 'সূৰ্য্যকুমাৰ ভূঞা', প্ৰাগজ্যোতিষ গ্ৰন্থশালা, গুৱাহাটী, ১৯৮৪, পৃঃ ২৮৩ ]

## বিবিধ প্ৰসঙ্গ

### সন্দিকৈ-দত্ত সংবাদ

শ্ৰীকৃষ্ণকান্ত সন্দিকৈ আৰু শ্ৰীফণীধৰ দত্ত দুয়োৱে ঘৰ যোৰহাটৰ তৰাজানত আৰু সুদীৰ্ঘ দিনৰে পৰা দুয়োৰে চিনাকি আৰু দুয়ো দুয়োকে অতি ভালদৰে জানিব পাৰিছিল। বয়সত সন্দিকৈ দত্ততকৈ কেইবছমান আগৰ যদিও তেওঁলোকৰ মাজত ভাল বুজাপৰা আছিল। শ্ৰীসন্দিকৈও সৰু ভায়েক শ্ৰীইন্দ্ৰকান্ত সন্দিকৈ শ্ৰীদত্তৰ অন্তৰঙ্গ বন্ধু আছিল। মূলত শ্ৰীইন্দ্ৰকান্ত, মাধৱ ভট্টাচাৰ্য্য, শ্ৰীসুৰেন বুঢ়াগোঁহাই আৰু শ্ৰীআব্দুল মজিদ একপ্ৰকাৰ অভেদ্য আছিল—তেওঁলোক পাঁচজন সদায় হেঁচা ঠেলা কৰি হ'লেও একেখন বেঞ্চতে বহিছিল। সেয়েহে শ্ৰীদত্তই শ্ৰীকৃষ্ণকান্ত সন্দিকৈক নিজৰ ককায়েকৰ দৰে জ্ঞান কৰিছিল আৰু শ্ৰীসন্দিকৈয়েও শ্ৰীদত্তক ভ্ৰাতৃসম জ্ঞান কৰিছিল। অৱশ্যে, জ্ঞানৰ সাধক শ্ৰীসন্দিকৈয়ে সকলো পৰাই মানুহৰ পৰা আঁতৰি থাকিছিল, তেওঁ কোনো লোকৰে লগত ঘনিষ্ঠ বা আবেগিক সম্বন্ধ স্থাপন কৰিবলৈ ভাল নেপাইছিল। গভীৰ জ্ঞান আৰু বিশেষ এক দাৰ্শনিক দৃষ্টিভঙ্গীৰে তেওঁ নিজৰ জীৱনৰ কাৰণে এক নিশ্চিত পথ বাচি লৈছিল আৰু তাৰ পৰা তেওঁক কোনেও বা একোৱে পথচ্যুত কৰিব নোৱাৰিছিল। তেওঁ নিজৰ মনৰ ভাব অনুভূতিবোৰ কেতিয়াও আনৰ আগত প্ৰকাশ নকৰিছিল। তেওঁৰ প্ৰাণৰ কথা তেওঁৰ জীৱনৰ দৰ্শন তেওঁৰ জীৱনৰ আশা আকাঙ্ক্ষা আদি আন নেলাগে তেওঁ নিজৰ পৰিয়ালবৰ্গইও কেতিয়াও একো ভু নেপালে। কোনো কোনো সময়ত তেওঁ অতিশয় কাঠ হৃদয়ৰ যেনেই অনুমান হৈছিল। ১৯৮১ চনত ছিলঙৰ হস্পিটালত মৰণৰ ক্ষণ গণি থকা তেওঁৰ পত্নীয়ে নানা কাবৌ কুকালি কৰি তেওঁক বাৰে বাৰে মাতি পঠিওৱা স্বত্বেও তেওঁ যোৰহাটৰ পৰা নিজৰ পত্নীক শেষবাৰৰ কাৰণ এবাৰ চাবলৈ নাহিলে। শেষত দুখে বেজাৰে যেতিয়া তেওঁৰ বিদুষী পত্নীয়ে ইহলীলা সম্বৰণ কৰে আমি আটায়ে মৰ্মান্তিক বেজাৰ পাইছিলোঁ আৰু বহুতেই শ্ৰীসন্দিকৈ এজন দয়া মমতা নথকা লোক বুলি ভাবিবলৈ লৈছিল—কিন্তু কঠ হৃদয়ৰ তেওঁ নাছিল, তেওঁৰ অন্তৰত দয়া মমতাৰও অভাৱ নাছিল। বাস্তৱতা আৰু দয়া-মমতাৰ প্ৰকাশ আদিৰ বিষয়ে তেওঁৰ নিজা কিছুমান সূত্ৰ আছিল যিবিলাক তেওঁ দৃঢ়ভাৱে মানি চলিছিল। এইখিনিতে তেখেতৰ পত্নীৰ লগত এই লেখকৰ এক কথোপকথন উল্লেখ কৰা যুগুত হ'ব।

## সন্দিকৈ পত্নী

শ্ৰীকৃষ্ণকান্ত সন্দিকৈৰ পত্নী শ্ৰীযুতা হেমলতা সন্দিকৈ (আগৰ গোঁহাই) এগৰাকী বিদুষী আৰু অতি মনোমোহা ব্যক্তিত্বৰ মহিলা আছিল। তেখেতৰ কথা বতৰা ব্যৱহাৰ-পাতি আৰু আন্তৰিকতাপূৰ্ণ সহৃদয়তাই সকলোকে আকৰ্ষণ কৰিব পাৰিছিল। ১৯৫৬ চনৰ কথা—এই লেখকে ভালদৰে ইণ্টাৰমেডিয়েট পাছ কৰা বুলি সন্দিকৈয়নীয়ে মিঠাই খুৱাবলৈ ধৰিলে। চাহ-মিঠাইৰ আয়োজন কৰা হ'ল। তেতিয়া সন্দিকৈ ডাঙৰীয়া আৰু আমাৰ বাসস্থান একেবাৰে গাতে লগালগি (কটন কলেজৰ অধ্যক্ষৰ বঙলাৰ চৌহদত) যদিও সন্দিকৈয়নী আইদেৱে লগত শ্ৰীসন্দিকৈক আনিব নোৱাৰিলে—সেইটো অৱশ্যে জনা আছিল। তথাপি তেখেতক সোধালোঁ, 'আপুনিও ভাল দিয়ক নিজৰ মানুহজনক লগত আনিব নোৱাৰিলে ?' তেখেতে মোৰ প্ৰশ্নটোত বেছ ৰস পালে আৰু হাঁহি হাঁহি "তোমাকনো তোমাৰজনীয়ে কেনেকৈ লৈ ফুৰাই দেখিম নহয় ?" যাহওক তাৰ পিছত সন্দিকৈ ডাঙৰীয়াৰ বিষয়ে নানা কথা সুধিবৰ থল ওলাল।—

"তেখেতেতো দিন ৰাতি অনবৰত পঢ়ি থাকে। আপুনি বাৰু কি কৰে ?"

"কি কৰিম আৰু, খবৰ কাগজ বা কিবা এখন লৈ মইও কাষতে বহি থাকোঁ। সময়ত চাহ, নেমু টেঙা যতাই দিওঁ (বিঃ দ্ৰঃ শ্ৰীকৃষ্ণকান্ত সন্দিকৈয়ে সাধাৰণতে ফিকা চাহত নেমু টেঙাৰ ৰস চেপি কাপে প্ৰতি প্ৰায় তিনি চামুচমান চেনি গুলি খাইছিল)।"

"কথা-চথা কয় নে নকয় ?"

"পঢ়ি থাকোঁতে পঢ়িয়েই থাকে আৰু। কিবাকিবি সুধি দিগদাৰী কৰিলে বেয়া পায়। মই ওচৰত থাকিলে অৱশ্যে ভালেই পায়।"

"জেঠাইদেউ, সঁচাকৈ কওকচোন বাৰু তেখেতে আপোনাক মৰম কৰে নে ?"

"তুমি বৰ দুষ্ট দেই। তোমাকনো কেলেই ?"

"নহয়, জেঠাইদেউ কওকচোন। মই সদায় ভাবোঁ তেখেতে বাৰু মৰম কি জানে নে ?"

"সঁচাকৈয়ে জানিব খুজিছা—কৰে। তেখেত খুব মৰমিয়াল। খালী আনৰ দৰে প্ৰকাশ নকৰে। মৰম হ'লে আছে।"

কথাখিনি কৈ শ্ৰীযুতা সন্দিকৈৰ মুখত বিৰিঙি উঠিল তেখেতৰ সেই স্বভাবসুলভ যো ৰৰণা মধুৰ হাঁহিটো।

মৰম-চেনেহ আৰু জন্ম-মৃত্যুৰ জগতখন সন্দিকৈদেৱে ভালদৰে জানিছিল।

তেওঁ সেইবিলাকৰ দ্বাৰা জৰ্জৰিত নহৈ একান্তচিত্তে নিজৰ জ্ঞান অন্বেষণত লাগি থাকিব পাৰিছিল—এইয়া তেওঁৰ কাঠ-হৃদয়ৰ পৰিচয় নহয়, বৰং ই এজন সাধকৰ গুণৰহে পৰিচয়। সন্দিকৈৰ সাধনা আছিল জ্ঞান-অন্বেষণহে, জ্ঞান বিতৰণ নহয়। সম্ভৱ তেওঁ নিজে আহৰণ কৰা জ্ঞান সম্পূৰ্ণ নোহোৱাকৈ তেওঁ তাক বিতৰণ কৰিবলৈ নিবিচাৰিছিল। সম্ভৱ আৰু সময় পোৱা হ'লে তেখেতে আৰু বহু পুথি আমাক দি গ'লহেঁতেন। জ্ঞান বিতৰণ নকৰিলেও অসমত শিক্ষা বিতৰণৰ কাৰণে যি পাৰে কৰিবলৈ সন্দিকৈদেৱে সদায় চেষ্টা কৰিছিল। অসমৰ গাঁও-ভূঁই সকলো অঞ্চলতে আৰু পিছপৰা দুখীয়া অসমীয়াসকলক ভাল শিক্ষাৰ সুবিধা দিবৰ কাৰণে যি পাৰে কৰিবলৈ আৰু সেইসকলৰ কাৰণে আদৰ্শৰূপে দেখুৱাবলৈ তেখেতে সদায় সজাগ আছিল—এইখিনিয়েই শ্ৰীকৃষ্ণকান্ত সন্দিকৈ আৰু শ্ৰীফণীধৰ দত্তৰ ব্যক্তিত্বৰ মিলনক্ষেত্ৰ। তেওঁলোক দুয়োৱে যোৰহাট কলেজ আৰু গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠাত একেলগে সুদীৰ্ঘকাল যি বুজাপৰাৰে কাম কৰিছিল তাৰও কাৰণ শিক্ষাৰ পৰম্পৰা নথকা দুখীয়া অসমীয়াসকলক শিক্ষালাভৰ সুবিধা দিয়াটো। তেওঁলোক দুজনে এই দুয়োটা প্ৰতিষ্ঠানত মূঠ সোতৰ বছৰকাল একেলগে ওচৰাওচৰিকৈ থাকি এদিনও কোনো মনোমালিন্য নোহোৱাকৈ শ্ৰম কৰি গ'ল। তেওঁলোকৰ কেতিয়াবা কেতিয়াবা মতভেদ হ'লেও তাক সদায় বুজাপৰাৰে মীমাংসা কৰিছিল।

যোৰহাট কলেজৰ আৰম্ভণিতে বিনা দৰমহাৰে শিক্ষকতা কৰোঁতে শ্ৰীফণীধৰ দত্ত আৰু লগৰ আন অধ্যাপক কেইগৰাকীৰ ( অধ্যক্ষ সন্দিকৈৰ বাদে ) বিশেষ কষ্টেৰে জীৱন নিৰ্বাহ কৰিব লগীয়া হৈছিল। শ্ৰীদত্তই ওকালতি কৰিছিল যদিও তাৰ পৰা একো উপাৰ্জন নথকাৰ নিচিনা, কিয়নো তেওঁৰ মক্কেলসকল আছিল গাঁৱৰ দুখীয়া মানুহ—উকীলক ফিজ দিবলৈ সামৰ্থ্য নথকা লোক। আনজন উকীল অধ্যাপক শ্ৰীগুণগোবিন্দ দত্তৰ একেই অৱস্থা। শ্ৰীতুলসী শৰ্মাই মৌজা চলাইছিল যদিও সেই সময়ত মৌজাৰ অৱস্থাও বৰ বেয়া আছিল। শ্ৰীযজ্ঞেশ্বৰ শৰ্মা আৰু শ্ৰীপ্ৰফুল্লপ্ৰাণ চাংকাকতী যোৰহাটৰ বাসিন্দা নাছিল কাৰণে তেওঁলোক দুজনৰ দুখে কুলাই পাচিয়ে নধৰা হৈছিল। সেয়েহে কলেজৰ পুঁজি অলপ শকত হোৱাৰ পিছত, চৰাকাৰৰ পৰা কিছু টকা পোৱাৰ পিছত অধ্যাপক কেইগৰাকীয়ে কেইবছৰমান কাম কৰাৰ পিছত দৰমহা বিচাৰিলে। কিন্তু, গৰ্ভণিং বডিৰ তেওঁলোকে কোনোমতে গা লবাব নোৱাৰে। শ্ৰীসন্দিকৈয়েও অধ্যাপক সকলক আৰু কিছুদিন বিনা দৰমহাৰে খাটিবলৈ কোৱাত অধ্যাপক কেইগৰাকী ক্ষুব্ধ হ'ল আৰু শ্ৰীদত্তই অধ্যক্ষ সন্দিকৈক ক'লে, "আপুনি চাহৰ উপাৰ্জনেৰে চলি থাকিব

পাৰে, আমি এতিয়া ল'বা ছোৱালীক খাই খুৱাব লগীয়া অৱস্থা হৈছে।" তাকে শুনি অধ্যক্ষ সন্দিকৈয়ে নবাললিকৈ অধ্যাপক কেইগৰাকীক মাহে পোন্ধৰ টকাকৈ বেতন দিয়াৰ ব্যৱস্থা কৰালে। গভৰ্ণিং বডিৰ আন আন বহুতেই কিন্তু অধ্যাপক-সকলৰ প্ৰতি অকণো সহানুভূতিশীল নাছিল। তেওঁলোকে অধ্যাপক কেইগৰাকীৰ লগাগ লোৱা দূৰৈত থাওক সেই প্ৰতিষ্ঠাপক কেইগৰাকীৰ জীৱন বে ছিহে দুৰ্বহ কৰিবলৈ চেষ্টা কৰিছিল। ইতিমধ্যে যোৰহাট কলেজৰ ফল সন্তোষজনক হ'ল, বি-এ খুলিবলৈকো অনুমতি পালে। ছাত্ৰ আকৰ্ষণ কৰিব পৰা হ'ল কিন্তু যি কেইগৰাকীৰ ত্যাগৰ কাৰণে এইবিলাক সম্ভৱ হৈছিল সেইসকলক কলেজৰ পৰা আঁতৰ কৰি গভৰ্ণিং বডিয়ে নিজৰ স্বাৰ্থসিদ্ধি কৰাৰ কাৰণে বা কলেজখনত নিজৰ আধিপত্য বঢ়াই তেওঁলোকৰ প্ৰয়োজনবিলাক চৰিতাৰ্থ কৰাৰহে চেষ্টা কৰিলে। গভৰ্ণিং বডি আৰু সেই অধ্যাপক কেইগৰাকীৰ (অধ্যক্ষ সন্দিকৈ আৰু শ্ৰীতুলসীনাৰায়ণ শৰ্মাৰ বাদে) মাজত ঘোৰতৰ মনোমালিন্যৰ সৃষ্টি হ'ল। শ্ৰীতুলসীনাৰায়ণ শৰ্মা গভৰ্ণিং বডিৰ সদস্য হোৱা কাৰণে তেওঁত গভৰ্ণিং বডিৰ ফলিয়াহে হ'ল। অধ্যক্ষ সন্দিকৈয়ে সেইবিলাকত সোমাবলৈ নিবিচাৰিছিল যদিও তেওঁয়েইহে অধ্যাপকসকলৰ সন্মুখীন হ'ব লগীয়া হৈছিল আৰু অধ্যাপকসকলৰ নেতা আছিল শ্ৰীদত্ত। সেয়েহে শ্ৰীদত্ত আৰু সন্দিকৈৰ মাজত যথেষ্ট মতভেদৰ সৃষ্টি হৈছিল। কিন্তু তেওঁলোক ইজন সিজনৰ প্ৰতি বীতশ্ৰদ্ধ হোৱা নাছিল। এবাৰ শ্ৰীদত্তই মোকৰ্দমাত কিছু টকা পোৱা বুলি জানি গভৰ্ণিং বডিৰ এজন সদস্যই "অধ্যাপক দুজন উকীল, কলেজৰ পৰা টকা নিবিচাৰি তেওঁলোক দুজনৰ উপাৰ্জনকে আটাই কেইজনে ভগাই লোৱা উচিত" বুলি দিয়া প্ৰস্তাৱ সমৰ্থনসূচক সুৰেৰে অধ্যাপক কেইগৰাকীক জনালত শ্ৰীদত্তই উত্তৰ দিলে, "আমাৰ এজনে এতিয়া নতুনকৈ বিয়া কৰাইছে। আপুনি এতিয়া ক'ব নেকি যে ন-ছোৱালীজনীক আমি আটায়ে ভগাই লোৱা উচিত?" তাৰ পিছত সন্দিকৈ ভাঙৰীয়াই উকীল অধ্যাপকৰ উপাৰ্জন ভগাই ল'ব লাগে বুলি দিয়া প্ৰস্তাৱটো আলোচনাকে কৰিবলৈ নিদিলে।

## বচন-পাচনী সন্দিকৈ :

ঘূলীয়া দিনৰে পৰা শ্ৰীফণীধৰ দত্তৰ অভিনয় কৰাত বিশেষ ৰাপ থকাৰ ভাওনাত সক্ৰিয় অংশ গ্ৰহণ কৰাৰ উপৰিও তেওঁ যোৰহাট থিয়েটাৰত বহুত দিনলৈকে অভিনয় কৰিছিল। অভিনয় আৰু থিয়েটাৰ চোৱাত শ্ৰীসন্দিকৈৰ বিশেষ ৰাপ

আছিল। শ্ৰীসন্দিকৈয়ে মঞ্চত নামি অভিনয় কৰিবলৈ নিবিচাৰিছিল যদিও মঞ্চৰ আৰত থাকি ভাৱৰীয়াসকলক বচন সোঁৱৰাই দিয়া বচন-পাছনী হ'বলৈ ভাল পাইছিল। অসমৰ শিক্ষা জগতত্তো তেওঁলোক দুজনে প্ৰায়ে একে ধৰণৰে দায়িত্ব ল'ব লগীয়া হৈছিল। শ্ৰীদত্তই হাতে কামে সকলো কৰিছিল আৰু শ্ৰীসন্দিকৈয়ে প্ৰায় মঞ্চৰ পিছৰ পৰাই ভাও আৰু বচনবিলাক সোঁৱৰাই (লগতে কামবিলাক দেখুৱাই) দিছিল। অৱশ্যে, অভিনয় মঞ্চৰ ভিতৰে বাহিৰে সকলোতে চলিছিল।

যোৰহাট থিয়েটাৰত বাহিৰৰ বামুণ শূদ্ৰৰ বিভক্ত সমাজখনৰ প্ৰভাৱ ভালদৰে পৰিছিল। আখৰাৰ সময়ত বা থিয়েটাৰ চলি থাকোঁতে মাজে মাজে চাহ খাবৰ কাৰণে বামুণ ভাৱৰীয়া আৰু কৰ্মীসকলৰ চাহ-খোৱা কাপবিলাক লগৰ শূদ্ৰ ভাৱৰীয়া আৰু কৰ্মীসকলৰ কাপবিলাকৰ পৰা অঁতৰাই ৰখা হৈছিল। বামুণ এজনে শূদ্ৰৰে খোৱা কাপত কেতিয়াও নেখাইছিল। অৱশ্যে, মাধৱ ভট্টাচাৰ্য্যৰ দৰে দুই এজন উদীয়মান ডেকাই সেই কথাটো ৰব বেয়া পাইছিল। তেওঁ আৰু শ্ৰীদত্তই কেতিয়াবা কেতিয়াবা কাপবিলাক সানমিহলি কৰি দিব চাইছিল— শ্ৰীসন্দিকৈয়েও তেনেদৰে শিক্ষিত সমাজত বিভেদ দূৰ কৰা ধেমালিত ৰব ৰগৰ পাইছিল।

## সন্দিকৈ ছোৱালী কলেজৰ জন্ম

গুৱাহাটীৰ ছোৱালী কলেজখনৰ কাৰণে ধন বিচাৰি শ্ৰীৰোহিণী চৌধুৰী, ডাঃ জ্যোতিষ দাস আৰু ডঃ সূৰ্য্যকুমাৰ ভূঞাই শ্ৰীৰাধাকান্ত সন্দিকৈৰ ওচৰলৈ যাবৰ কাৰণে শ্ৰীদত্তকো লগ ধৰিলে। কিন্তু শ্ৰীদত্তই প্ৰথমে যাবলৈ অনিচ্ছা কৰিলে কাৰণ তেওঁক দেখিলেই শ্ৰীৰাধাকান্ত সন্দিকৈয়ে শ্ৰীদত্তৰ স্বৰ্গীয়া দিনৰে অন্তৰঙ্গ বন্ধু আৰু মৃত পুত্ৰ ইন্দ্ৰকান্তলৈ মনত পেলাই শোকাচ্ছন্ন হয় বুলি শ্ৰীদত্তই জানিব পাৰিছিল। কিন্তু কলেজ এখন পাতোঁতে কেনেকুৱা ধৰণৰ সমস্যা হয় আৰু কিমান ধন লাগে আদি শ্ৰীদত্তই ভালদৰে বুজাব পাৰিব বুলি চৌধুৰী-দাস ভূঞাৰ দলটোৱে শ্ৰীদত্তক জোৰ কৰি লগত লৈ গ'ল। শ্ৰীৰাধাকান্ত সন্দিকৈদেৱে সকলো ভালদৰে শুনি ভাবি চাম বুলি দলটোক বিদায় দিলে, কিন্তু তাৰ পিছত শ্ৰীদত্ত আৰু শ্ৰীকৃষ্ণকান্ত সন্দিকৈক মাতি আনি তেওঁলোক দুজনৰ লগত আলচ কৰিলে। শ্ৰীৰাধাকান্ত সন্দিকৈদেৱে তেওঁলোক দুজনকে জানিবলৈ দিলে যে তেওঁ গুৱাহাটীৰ ছোৱালী কলেজৰ কাৰণে টকা দিবলৈ বিচাৰে আৰু তেওঁলোক দুজনে সেই কলেজখনৰ কামকাজবিলাক চোৱা আৰু কলেজখনৰ উন্নতিৰ বাবে দিহা-পৰামৰ্শ

দিয়াটো বিচাৰে। কলেজখনৰ কাৰণে যেউতাকে টকা দিয়া উচিত বুলি সমৰ্থন কৰি শ্ৰীকৃষ্ণকান্ত সন্দিকৈয়ে ক'লে "মই গুৱাহাটীৰ ছোৱালী কলেজখন কেনেকৈ চাম? ফণীয়ে কটনত চাকৰি পাব যেতিয়া ছোৱালী কলেজখনও চাব পাৰিব।"

শ্ৰীদত্ত আচৰিত হ'ল—গভৰ্নিং বডিৰ লগত সদায় যুঁজি যুঁজি অসন্তুষ্ট হোৱা অধ্যাপকসকলে শেষত উপায় নেপাই যোৰহাট কলেজ এৰি যাবলৈকে মনে মনে পাঙিছিল কিন্তু তেওঁলোকে তেনে কৰিলে কলেজখনৰ অপূৰণীয় ক্ষতি হ'ব আৰু অধ্যক্ষ সন্দিকৈয়েও মনত বেজাৰ পাব বুলি চিন্তা কৰিছিল। কিন্তু সেইদিনাখন শ্ৰীসন্দিকৈয়ে তেওঁক প্ৰকাশ্যে জানিবলৈ দিলে যে যোৰহাট কলেজখন ভালদৰে প্ৰতিষ্ঠিত হ'ল যেতিয়া সি চলি থাকিব পাৰিব সেয়েহে তেনে কষ্ট কৰি কলেজখনত লাগি থকাৰ কোনো প্ৰয়োজন নাই—বৰঞ্চ তেওঁলোকে নিজৰ আৰু ল'ৰা-ছোৱালীৰ ভৱিষ্যতৰ কাৰণহে ভবা উচিত। বচন পাছনীৰ বচন ভালদৰে বুজি পালে আৰু গুৱাহাটীৰ ছোৱালী কলেজখন চাম বুলি প্ৰতিশ্ৰুতি দিলে আৰু কটন কলেজত চাকৰি গোটাবৰ কাৰণে উঠিপৰি লাগিলে। গুৱাহাটীৰ ছোৱালী কলেজখন প্ৰতিষ্ঠা কৰাৰ ভাৰ পৰিল সুদক্ষা মহিলা শ্ৰীযুতা ৰাজবালা দাসৰ ওপৰত। শ্ৰীৰাধাকান্ত সন্দিকৈয়ে ধন দিওঁতে শ্ৰীযুতা দাসক এইটো জানিবলৈ দিলে যে শ্ৰীদত্তই কলেজখনৰ কাম কাজত সহায় কৰিম বুলি দিয়া প্ৰতিশ্ৰুতিও তেওঁ দান দিয়াৰ এটা কাৰণ সেয়েহে সকলো কথাত তেখেতৰ দিহা পৰামৰ্শ ল'বলৈ উপদেশ দিলে। শ্ৰীদত্তই নিজৰ প্ৰতিশ্ৰুতি অনুসৰি সন্দিকৈ ছোৱালী কলেজখনৰ আৰম্ভণিতে সদায় দিহা-পৰামৰ্শ দি সহায় কৰিছিল আৰু শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ কলেজখনৰ প্ৰগতিৰ বিষয়ে সদায় জনাইছিল। শ্ৰীযুত ৰাজবালা দাসেও সকলো কথাতে শ্ৰীদত্তৰ দিহা-পৰামৰ্শ লৈছিল। তেখেতৰ স্বামী ডাঃ জ্যোতিষ দাসে কিন্তু এজন হালোৱাৰ সন্তানে তেওঁলোকে আৰম্ভ কৰা কলেজ এখনত ইমান প্ৰাধান্য পোৱাটো ভাল নেপাইছিল। ডাঃ দাসে সকলো কথাতে শ্ৰীদত্তৰ বিৰুদ্ধাচৰণ কৰিবলৈ তেখেতৰ মৃত্যুৰ আগলৈকে নেৰিলে। শ্ৰীদত্তক গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰেজিষ্ট্ৰাৰ পাতোঁতেও তেখেতৰ ষড়যন্ত্ৰ বন্ধ হ'বৰ উপক্ৰম। তেখেতে সুবিধা পালেই যেই কোনো কথাতে শ্ৰীদত্তক হেয় প্ৰতিপন্ন কৰিবলৈ মেলে মিটিঙে নানাধৰণৰ অভিমত প্ৰকাশ কৰিছিল। তেওঁক তেনে নকৰিবলৈ নিজৰ পত্নী, ডাঃ ভুবনেশ্বৰ বৰুৱা আদি লোকেও বুজাব নোৱাৰিছিল। অৱশ্যে, ডাঃ দাসে নিজৰও শত্ৰু বঢ়াইছিল—এবাৰ নতুন অসমীয়াৰ সম্পাদক দেৱকান্ত বৰুৱাই বাতৰি কাকতত ডাঃ দাসৰ বিপক্ষে কিবাকিবি অভিমত প্ৰকাশ কৰিছিল। তাৰ প্ৰত্যুত্তৰ হিচাপে ডাঃ দাসৰ দুই

পুত্ৰই হেনো দেৱকান্ত বৰুৱাক গুৱাহাটীৰ বাটত আগ ভেটি ধৰি গুকলা গুকলকৈ পিটিছিল।

## দেশমুখৰ খণ্ডমুখ :

গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাৰণে কিমান টকাৰ অনুদান দিব সেইবিষয়ে অনুসন্ধান কৰিবলৈ তেতিয়াৰ ইউনিভাৰ্চিটী গ্ৰাণ্টছ কমিছনৰ মুখ্য সচিব শ্ৰীচিন্তামন দেশমুখ গুৱাহাটীলৈ আহিছিল। শ্ৰীদেশমুখে নিজকে এজন ডাঙৰ পণ্ডিত আৰু ডাঙৰ বুদ্ধিজীৱী বুলি ভৱা একপ্ৰকাৰ মদগৰ্বী লোক আছিল। তেওঁ প্ৰথমে নেহৰুৰ কেন্দ্ৰীয় বিত্ত মন্ত্ৰীও আছিল। গুৱাহাটীৰ পৰা জালুকবাৰীলৈ যাব লগীয়া কেইমিনিটমানৰ ( সাত মাইল ) বাটকণ দেশমুখক শ্ৰীসন্দিকৈয়ে নিজৰ গাড়ীত লৈ ফুৰাবাৰমান ক'লে দেশমুখ মোহিত হ'ব বুলি ভাবি তেনে কৰা হ'ল। শ্ৰীদেশমুখ মোহিত হ'ল নে নাই নেজানো কিন্তু সন্দিকৈয়ে দেশমুখক বৰ বেয়া পালে আৰু জালুকবাৰী পাই শ্ৰীদত্তক ক'লে, "উভতি যাওঁতে এওঁক মোৰ লগত নিদিবা। গোটেই বাটটো যিহকে তিহকে বলকি আহিছে। এনেকুৱা মানুহক তোষামোদ কৰি আমি টকা নিবিচাৰোঁ।" কথা সিমানতেই শেষ হ'ল যদিও কিন্তু শ্ৰীদেশমুখে শ্ৰীসন্দিকৈৰ লগ নেৰা হ'ল আৰু ওস্তাদী মাৰি মাৰি তেওঁ সন্দিকৈকহে কথা কয় কিন্তু আনৰ মুখলৈকে নেচায়। শ্ৰীসন্দিকৈৰ মুখত তিতা কেঁহা লগা প্ৰকাশ বিৰিঙি উঠিল আৰু উভতিবৰ সময়ত শ্ৰীদেশমুখে তেওঁৰ লগতে গাড়ীত উঠিবলৈ যাওঁতে সন্দিকৈয়ে হাতেৰে বাধা দি আপোনাৰ কাৰণে সৌখনহে বুলি পিছত থকা শ্ৰীদত্তৰ গাড়ীখনলৈ আঙুলিয়াই দেখুৱালে। খঙ অপমানত শ্ৰীদেশমুখ জলি উঠিল আৰু শ্ৰীসন্দিকৈক গালি পাৰি নানা কথা শ্ৰীদত্তকে শুনালে। শ্ৰীদেশমুখৰ খঙৰ ভমক তেওঁ দিল্লী উভতি পোৱাৰ পিছতও শাম কটা নাছিল। কিন্তু দিল্লীত তেওঁ কিবা প্ৰসঙ্গত ডঃ ৰাধাকৃষ্ণনৰ লগত শ্ৰীসন্দিকৈৰ বিষয়ে কওঁতে সকলো জানিব পাৰি শ্ৰীদত্তলৈ লৰালৰিকৈ ক্ষমা খুজি এখন চিঠি দি লিখিলে যে শ্ৰীসন্দিকৈ কেনেকুৱা পণ্ডিত মানুহ তেওঁ আগেয়ে নেজানিছিল কাৰণে যিহকে তিহকে ক'লে কিন্তু ডঃ ৰাধাকৃষ্ণনৰ পৰা সকলো জানিব পাৰি তেওঁ বুজিব পাৰিলে যে তেওঁ শ্ৰীসন্দিকৈক যথেষ্ট বিৰক্ত কৰিলে। চিঠিখন পোৱাৰ কথা শ্ৰীদত্তই শ্ৰীসন্দিকৈক জনালত তেওঁ মাথোঁ কৈছিল, "এইবাৰৰ পৰা নজনা মুৰুনাকৈ যাকে তাকে মোৰ লগত নপঠিয়াবা।"

কোৱা বাহুল্য যে সেইবাৰ শ্ৰীদেশমুখে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পুথিভঁড়ালৰ কাৰণে এক শকত পুঁজি অনুমোদন কৰিছিল।

**সংস্কৃত মাষ্টাৰ:**

শ্রীদত্তই শ্রীসন্দিকৈক নিজৰ দ্বিতীয়া কন্যা শ্রীমতী শান্তাৰ বিয়াৰ নিমন্ত্ৰণ কৰিবলৈ যাওঁতে দত্তৰ ভাবী জোঁৱাৰেক শ্রীভিমেশ্বৰ ফুকন আহোম সম্প্ৰদায়ৰ বুলি জানিব পাৰি শ্রীসন্দিকৈয়ে কৈছিল, "তুমি হ'ব পায় গৈ থৈ আহোমটোকেহে পালাগৈ ?" বুলি ৰগৰ তুলিছিল। শ্রীসন্দিকৈৰ কথাবাৰৰ তাৎপৰ্য্য আছিল এয়েই যে যোৰহাটৰ সমাজখনৰ বহুতেই শিক্ষা দীক্ষাৰ ক্ষেত্ৰত আহোম, কোচ কছাৰী আদি মঙ্গোলীয় গোষ্ঠীৰ লোকসকল সদায় পিছ পৰা বুলি হাঁহি ঠাট্টা কৰিছিল। কোনো কোনো ক্ষেত্ৰত ই অতি নীচৰূপ ধাৰণ কৰিছিল। শ্রীসন্দিকৈ আৰু শ্রীদত্ত দুয়ো সমাজৰ ব্যক্তি বিশেষৰ যেনে কিছুমান নীচ আচৰণৰ ভুক্তভোগী আছিল।

যোৰহাট চৰকাৰী হাইস্কুলৰ সংস্কৃতৰ শিক্ষক চন্দ্ৰকান্ত বৰপুজাৰীয়ে সন্দিকৈক "আহোমৰ ল'ৰাই কি সংস্কৃত পঢ়িবলৈ আহিছ ?" বুলি উপহাস কৰিছিল। আহোম জাতিক ধৰি বৰপুজাৰীদেৱে সততে কৰা উপহাস ঠাট্টা মৰ্ম্মবাৰ কাৰণেই সন্দিকৈৰ মন সংস্কৃত পঢ়িবলৈ বেছি দৃঢ় হ'ল বুলি বহুতেই কয়। সি যিয়েই নহওক, সন্দিকৈ ধনী মানুহৰ ল ৰা আছিল কাৰণে বৰপুজাৰীয়ে তেওঁৰ গাত হাত লগাবলৈ সাহস নকৰি মুখৰ বচনেৰেই তেওঁক খুচিছিল, কিন্তু ফণীধৰ দত্তৰ ক্ষেত্ৰত বৰপুজাৰীয়ে হাত মুখ সকলো সমানে আৰু মুক্তভাৱে চলাইছিল। এই বিষয়ে শ্রীদত্তই এনেদৰে লিখি গৈছে:

"...IX ৰ পৰাই শ্রীযুত চন্দ্ৰকান্ত বৰপুজাৰী দেউৱে আমাক সংস্কৃত পঢ়াইছিল। সদায় তেখেতৰ হাতত মই মাৰ খাইছিলোঁৱেই আৰু কাঠ আলুৰ মূঢ়া বাহঁৰ মূঢ়া খেড়ৰ মেজি আদি নানান নাম পাইছিলোঁ। প্ৰায় সদায় মই মাধব, সুৰেন আৰু ইন্দ্ৰ সন্দিকৈয়ে একেবাৰে একে লিখোঁ। ট্ৰেনশ্লেছন কৰিবলৈ দিলেও একেবাৰেই হুবহু আমি একে লিখোঁ। আটাইকেউজনতকৈ মোৰ আখৰও ভাল আৰু ট্ৰেনশ্লেছনো প্ৰায় মইহে কৰোঁ, অন্তবিলাকে মাত্ৰ নাম মাত্ৰ সহায় কৰে। যেতিয়া চাবলৈ দিওঁ ১০ ৰ' ভিতৰত মাধৱে (স্কুল ইন্সপেক্টৰৰ খুলশালী) পায় ৮ আৰু মিঠা মাতেৰে 'এইটোৰ অমুক শব্দটো দিলেও হয়' ইত্যাদি উপদেশ, সুৰেনেও (পূৰ্ণানন্দ বুঢ়াগোঁহাইৰ আজো নাতি) সেই ৭।৮ পাব আৰু ইন্দ্ৰ সন্দিকৈয়েও (চাহ খেতিয়কৰ সন্তান) পাব ৭।৮, মাত্ৰ তেওঁক কয় 'আখৰ ভাল কৰিবা এইবোৰ আখৰ দেখিলে পৰীক্ষকে নম্বৰ নিদিয়ে' ইত্যাদি আৰু মোৰ বহী যেতিয়াই চাব সদায় এইদৰে আৰম্ভ কৰিছিল 'হেই এইদৰে হ্ৰস উকাৰ দিবলৈ ক'ত শিকিলি, এইদৰে বিসৰ্গ দিবলৈ

ক'ত শিকিলি ইত্যাদি আলোঁৱাহ উলিয়াই চৰ ভুটামান বা কাণ মোচোৰা ভুটামান দিবই। .....এদিন মোৰ মনত আছে সংস্কৃত ট্ৰেনশ্লেছন কৰিবলৈ দিছিল, মাধৱৰ বহীখনত মই লিখিলোঁ আৰু মোৰ বহীখনত মাধৱৰ হতুৱাই মাধৱৰ আখৰেৰে লিখালোঁ। মাধৱে আগৰ দৰেই আঠ পালে আৰু মই যেতিয়া মাধৱৰ আখৰেৰে মোৰ বহীখন নিলোঁ সেইদিনাও আগৰ দৰেই হ্ৰস্ব উকাৰ দীৰ্ঘ উকাৰ আদিৰ ভুল উলিয়াই মাৰিবলৈ ধৰ'ত ক'লোঁ, চাৰ এইবোৰ মো'ৰ আখৰ নহয় মাধৱৰ আখৰ তেতিয়া তেখেতৰ খং একোৰ চৰিলহে আৰু লোকৰ চুৰ কৰিছিলি কেলৈ ইত্যাদি কথা কৈ চৰ ঠ'পৰ মাৰিলে যে মাৰিলেই। এই দৰেই সংস্কৃত শিক্ষকৰ তলত মই সংস্কৃত শিক্ষা কৰিছিলোঁ।

স্কুলত ইংৰাজী, অসমীয়া, অঙ্কৰ বাহিৰে মোৰ বিষয় আছিল: সংস্কৃত, অঙ্ক, এডিশ্যনাল অঙ্ক আৰু ভূগোল। ভূগোল মই অতি বেয়া পাইছিলোঁ, মেপ আঁকি মুঠাই ভাল নেপাগিছিল। এডিশ্যনাল সংস্কৃত ল'বৰ ইচ্ছা থাকিলেও হেড পণ্ডিতৰ ভুকু কিলৰ ভয়তে তাৰ আশা এৰি দিছিলোঁ। হেড পণ্ডিতৰ লগত ঘটা আৰু এটা হাঁহি উঠা ঘটনা আছে—

ক্লাছ Xৰ পৰা যেতিয়া মেট্ৰিকুলেশ্যনৰ কাৰণে বাচনি পৰীক্ষা দিওঁ, ভূগোলৰ এডিশ্যনাল সংস্কৃতৰ পৰীক্ষা একে দিনাই হয়—মই ঘৰত ভূগোল পঢ়ি আহিছিলোঁ। পৰীক্ষাঘৰত যেতিয়া বহোঁ শ্ৰীযুত গোলাপচন্দ্ৰ বৰবৰা মাষ্টৰে ভুলতে মোক এডিশ্যনাল সংস্কৃতৰ প্ৰশ্নখন দিয়ে আৰু ভূগোলৰ প্ৰশ্নও পালোঁ দুয়োখন প্ৰশ্ন পঢ়ি চাই সংস্কৃত খনত বেছি নম্বৰ পাম যেন আশা হ'ল— ফুৰ্তিৰে ভূগোলৰ পৰীক্ষা নিদি সংস্কৃতৰ পৰীক্ষা দি দিলোঁ। পাছত গম পালোঁ সংস্কৃতত ১০০ৰ ভিতৰত ৬৮ পাইছোঁ আৰু সেইটোৱেই দ্বিতীয় নম্বৰ। আটাইতকৈ বেছি পালে বৰ্তমান মাৰ্ঘেৰিটাত কাম কৰা শ্ৰীযুত ৰামনাথ হাজৰিকাই, তেওঁ পাইছিলে ৭২। পৰীক্ষাৰ কাগজবিলাক ঘূৰাই দিওঁতে হেড পণ্ডিতে ক'ব নোৱাৰে যে মই এডিশ্যনাল সংস্কৃতৰ ল'ৰা নহওঁ—মোৰ কাগজখন দিওঁতে এইভাবে কৈছিল (মোৰ আজিও প্ৰতি শব্দ মনত আছে)—'হেই, এই পিনে আহ, কাৰ চুৰি কৰিলি ক'?

মই ক'লো, মই কাৰও চুৰি কৰা নাই আৰু ক'লোঁ ৰামনাথে ৭২ পাইছে মই ৬৮ পাইছোঁ আৰু মোৰ অমুক প্ৰশ্নটো সমাস ভাঙিবলৈ কৈছিল মই সন্ধি ভাঙিলোঁ—সেইটো মই সমাস ভঙা হ'লে, মই ৰামনাথতকৈ বেছিহে নম্বৰ পালোহেঁতেন আৰু মই প্ৰথম হ'লোহেঁতেন। তেতিয়া তেখেতে কথাৰ সুৰ

ৰহলাই ক'লে, 'আজিকালি হাল বায় নে নেবায় ? আৰু মোৰ কোনো উত্তৰলৈ অপেক্ষা নকৰি 'ফাষ্ট ক্লাচত পৰিলি নহয় কেলেই হাল বাবি ?' বুলি হি হি কৰে হাঁহি মোৰ কাণ খনত ধৰি ওচৰলৈ টানি নি দুটা চৰ মাৰিলে। সেই দিনা হ'লে মোৰ অলপ বেয়া লাগিছিল। ভাবিছিলোঁ। দুখীয়া মানুহৰ এই অৱস্থা।"

সেই আহোমৰ ল'ৰা আৰু সেই 'হালোৱা ল'ৰা'ই যোৰহাটৰ সামাজিক জীৱনত আৰু নিজৰ শিক্ষা জীৱনত একোটা সংগ্ৰামী মনেৰে শিক্ষা অৰ্জন কৰিয়েই ক্ষান্ত নেথাকি তেনেদৰে অনাদৃত, অৱহেলিত হেজাৰ হেজাৰ দুখীয়া আৰু পিছপৰা লোকৰ ল'ৰা ছোৱালীৰ শিক্ষাৰ কাৰণে যোৰহাট কলেজ গুৱাহাটী বিশ্ববিদ্যালয়ৰ দৰে প্ৰতিষ্ঠান সুদৃঢ়ভাৱে গঢ়ি থৈ যাব পাৰিলে তাক লৈ তেওঁলোক দুজনে গৌৰব কৰিব পাৰিছিল।

## তিনকুৰিছয়

# আৰ্য্য সংস্কৃতি আৰু কৃষ্ণকৃতি

আৰ্য্যসকল এক নৱ গোষ্ঠী বা এটা জাতি নহয়—আৰ্য্যসকল প্ৰকৃততে এক সাংস্কৃতিক গোষ্ঠীহে। এই আৰ্য্য সংস্কৃতিৰ প্ৰধান বৈশিষ্ট্যবিলাক হৈছে: (১) সকলো শক্তি আৰু সৃষ্টিৰ মূলতে থকা পৰমাত্মা আৰু নিত্য আত্মাত বিশ্বাস। লগতে সেই বিশ্বাসৰ আধাৰত গঢ়ি তোলা 'জীৱনৰ লক্ষ্য আধ্যাত্মিক' হ'ব লাগে বুলি দিয়া সূত্ৰ।

(২) জীৱনৰ আধ্যাত্মিক লক্ষ্য সাধনত সহায় কৰিবলৈ আৰ্য্যসকলে সৃষ্টি কৰা ভাষা-সাহিত্য নৃত্য-সঙ্গীত আদিৰ চৰ্চা।

(৩) আধ্যাত্মিক লক্ষ্যকে উদ্দেশি গঢ় দিয়া পৰিয়াল আৰু সেই পৰিয়ালক কেন্দ্ৰ কৰি গঢ় দিয়া সামাজিক ব্যৱস্থা।

(৪) প্ৰকৃতিৰ লগত সমতা ৰাখি খাদ্য শস্য, ফলমূল আৰু অন্যান্য প্ৰয়োজনীয় সামগ্ৰী উৎপন্ন কৰাৰ কৃষি পদ্ধতি।

অসমলৈ আৰ্য্য সংস্কৃতিৰ এক ক্ষীণ সুঁতি 'মহাভাৰত'ৰ যুগৰে পৰা বৈ আহি আছিল যদিও যথাৰ্থতে গুৰু শঙ্কৰদেৱেহে অতি বলিষ্ঠভাৱে অসমলৈ আৰ্য্য সংস্কৃতি আনিলে আৰু লুইতৰ বানৰ দৰে আৰ্য্য সংস্কৃতিৰ ধল অসমৰ চুকে কোণে বোৱালে। ই সঁচাকৈয়ে বিস্ময়জনক যে এক ডেকা শঙ্কৰে ভাৰতৰ ভিন ভিন ঠাইত বাৰ বছৰ ভ্ৰমণ কৰা কালত আৰ্য্য দৰ্শন, হিন্দু শাস্ত্ৰীয় নৃত্য, শাস্ত্ৰীয় সঙ্গীত আদি আয়ত্ত কৰি আনি তাক অসমীয়াই আহৰণ কৰিব পৰাকৈ অসমীয়া ভাষাৰ যোগেদি অসমীয়াৰ মাজত বিলাব পাৰিছিল। গুৰু শঙ্কৰে অসমলৈ আৰ্য্য সংস্কৃতিৰ যি ধল আনিলে সি ভগীৰথে গঙ্গাক বোৱাই অনাতকৈও মহত্বপূৰ্ণ ঘটনা। অসমৰ পৰ্বত ভৈয়ামত বাস কৰা মঙ্গোলীয় গোষ্ঠীৰ লোকসকলৰ মাজত আৰ্য্য সংস্কৃতি বিস্তাৰ কৰাৰও অভিনৱ পদ্ধতি গুৰু শঙ্কৰদেৱেই উদ্ভাৱন কৰিলে। আজিৰ পৰা পাঁচশ বছৰতকৈও আগেয়ে এজন লোকে নিজৰ জীৱন কালত ইমানখিনি কৰি যাব পৰাটো কম বিস্ময়কৰ কথা নহয়। যি অপৰূপ কৃষ্ণ ভক্তি আৰু যি অপূৰ্ব কৃষ্ণ শক্তিৰ বলত তেওঁ এনেদৰে চিৰ যুগমীয়া সৃষ্টি আৰু কাৰ্য্য সমাধা কৰিব পাৰিছিল তাৰ দ্বাৰা বিস্ময়ান্বিত হৈয়েই অসমীয়াই তেওঁক 'কৃষ্ণৰ অৱতাৰ' বুলি বিশ্বাস কৰি আহিছে। 'জয় গুৰু শঙ্কৰ সৰ্ব গুণাকৰ, যাকেৰি নাহিকে উপাম'ৰ অৰ্থ যি অসমীয়াই হৃদয়ঙ্গম কৰিব পাৰিছে তেওঁৰ জীৱন ধন্য।

এইটোও সঁচ যে শঙ্কৰদেৱৰ সৃষ্টি আৰু তেওঁ দেখুওৱা পথকে অৱলম্বন কৰি বা সেইবিলাকৰ দ্বাৰা অনুপ্ৰাণিত হৈ অসমত আৰ্য্য সংস্কৃতিৰ বিস্তাৰৰ কাৰণে আন আন সকলে শঙ্কৰদেৱৰ দিনৰে পৰা আজিকোপতি চেষ্টা কৰি আহিছে। আজি আমি দামোদৰদেৱ, ভট্টদেৱ, মাধৱদেৱ, ৰামচৰণ ঠাকুৰ, আই কনকলতা আদিক পাহৰিব নহ'ব। যেৰূপ অসমতেই নহয় সমগ্ৰ ভাৰতবৰ্ষতে আৰ্য্য সংস্কৃতিক জীয়াই ৰাখিছে ব্ৰাহ্মণ আৰু কায়স্থ সকলেই। কিন্তু এইটোও সঁচা যে ভাৰতৰ বহু ব্ৰাহ্মণে আৰু নিজকে উচ্চ জাতৰ বুলি ভবা আন বহু'ত আৰ্য্য সংস্কৃতিৰ প্ৰকৃত অৰ্থ নুবুজাকৈ বা আৰ্য্য সংস্কৃতিৰ পোহৰেৰে আনৰ জীৱন পোহৰাবলৈ চেষ্টা নকৰি সমাজত নানা দুৰাচাৰী কাৰ্য্যহে কৰি আহিছে। যুগে যুগে এনেলোকে চেষ্টা কৰি আহিছে ৰজা আৰু প্ৰজাৰ ওপৰত চলে বলে কৌশলে প্ৰভুত্ব বিস্তাৰ কৰিবলৈ। এনে লোকৰ দুৰভিসন্ধিতেই ভাৰতত জাতিভেদ প্ৰথাই ঘৃণনীয় ৰূপ ল'লে, জীৱনৰ আধ্যাত্মিক লক্ষ্যক অন্ধ বিশ্বাসে অপসাৰিত কৰিলে আৰু আৰ্য্য সংস্কৃতিৰ ছাঁতে লহ পহকৈ বাঢ়িবলৈ ধৰিলে আৰ্য্য দুষ্কৃতিৰ বঘুমলা। অসমৰ ক্ষেত্ৰতো তথৈবচ।

আহোম ৰাজসভা আৰু কোচ ৰাজসভাত প্ৰাধান্য লাভ কৰা বহু ব্ৰাহ্মণে গুৰু দুজনাই অসমত আৰ্য্য সংস্কৃতি বিস্তাৰ কৰিবলৈ কৰা প্ৰচেষ্টাত সকলো প্ৰকাৰে বাধা দিছিল। পিছৰ আহোম ৰজাসকলৰ ওপৰত বিশেষ প্ৰভুত্ব বিস্তাৰ কৰা ব্ৰাহ্মণসকলৰ কুচক্ৰত পৰিয়েই আহোম ৰজাসকলে অসমীয়া আৰ্য্য সংস্কৃতিক বাৰে বাৰে অপমান কৰিছিল। অকল সেয়ে নহয়, অসমত আৰ্য্য সংস্কৃতিৰ প্ৰায় একমাত্ৰ বাহক অসমীয়া বৈষ্ণৱসকলক পুলিয়ে পোখাই নিৰ্মূল কৰিবলৈ উদ্যত হৈছিল।

তাৰ পিছত অসমৰ কোনো কোনো ব্ৰাহ্মণ আৰু কায়স্থৰ দুষ্কাৰ্য্যই বৃটিছ ৰাজত্বৰ আগছোৰাত অসমীয়া আৰ্য্য সংস্কৃতি বিস্তাৰৰ সকলো সম্ভাৱনা চুৰমাৰ কৰে। ১৮৩৬ৰ পৰা ১৮৭০ চনলৈকে অসমৰ পৰ্বত ভৈয়ামৰ চুকে কোণে পদব্ৰজে ভ্ৰমণ কৰা ব্ৰাউন, ব্ৰন্সন, কাট্টাৰ, ৱাৰ্ড, বাৰ্কাৰ আদি আমেৰিকান পাদুৰীসকলৰ টোকাৰ পৰা এইটো ভালদৰে প্ৰমাণিত হয় যে সেই কালছো'ৱাত অসমৰ বহু গুৰু গোসাঁই অসমত আৰ্য্য সংস্কৃতি বিস্তাৰৰ কাৰণে বিশেষ যত্নপৰ আছিল আৰু তেওঁলোকে অসমৰ ভিন ভিন জনগোষ্ঠীৰ মাজত আৰু পৰ্বতীয়া ভাইসকলৰ মাজত আৰ্য্য সংস্কৃতিৰ পোহৰ বিলাবলৈ চেষ্টা কৰিছিল:

"ৰাতিটো এখন মিৰি গাঁৱত কটালোঁ। মানুহবিলাক বৰ মৰমিয়াল আছিল,

আৰাটৈ খৰিব ভাল যোগান দিলে। কেবাজনও মলণ তিয়ে আছি আমাক দেখা কৰিলে, আৰু তেওঁলোকে অসমীয়া বুজি পায় দেখি ধৰ্মবিষয়ত তেওঁলোকৰ লগত কথা বতৰা হ'লোঁ। তেওঁলোকে মোক ক'লে যে তেওঁলোকৰ নিজা পুৰোহিত নাই কিন্তু অসমীয়া পুৰোহিতৰ পৰাই শুনে, সকলোৰে সৃষ্টিকৰ্তা এজন ভগৱান আছে বুলি তেওঁলোকে বিশ্বাস কৰে।"

[ ৬ মাৰ্চ ১৮৩৮-ত মাইলচ্ ব্ৰনসনে লিখা চিঠিৰ পৰা, এমেৰিকান বেপটিষ্ট মেগাজিন, XIX, মাৰ্চ ১৮৩৯, পৃঃ ৫০ ]

নগাঁৱৰ অধিবাসীসকলৰ ভিতৰত বহু মিকিৰ কছাৰী, নগা, লালুং, ৰাভা, কুকি আৰু কিছু সংখ্যক খাছীয়া, আহোম আৰু শিখ থকা বুলি উল্লেখ কৰি কাটাৰে লিখিছে "অধিবাসীসকলৰ বহু শ্ৰেণী আজি কিছুদিন আগতেহে গোঁসাইসকলৰ মানুহৰ দ্বাৰা হিন্দু ধৰ্মত দীক্ষিত কৰা হৈছিল বুলি অনুমান হয় – গোঁসাইসকলৰ মানুহে সেই উদ্দেশ্যেইআৰু ধন সংগ্ৰহ কৰিবলৈকে তেওঁলোকৰ প্ৰৰক্ষিত সেৱক সকলৰ মাজত ঘূৰে।"

[ ৪ জানুৱাৰী ১৮৪২ত অলিভাৰ কাটাৰে লিখা চিঠি, ঐ, XXII, ছেপ্তেম্বৰ, ১৮৪২, পৃঃ ২৪৮ ]

"এই অঞ্চলত ( যমুনামুখ, নিজ নাৰিকল আদি ) বহু লালুং আৰু মিকিৰলোক আছে—তেওঁলোক কোনেও পঢ়িব নোৱাৰে। বহুতেই এতিয়াও হিন্দু ধৰ্ম গ্ৰহণ কৰা নাই কিন্তু বহু কাল্পনিক দেৱ-দেৱীলৈ বলি দিয়া তেওঁলোকৰ পুৰণা আচাৰ ধৰি আছে। অৱশ্যে, ব্ৰাহ্মণসকলে তেওঁলোকক হিন্দু ধৰ্মত দীক্ষিত কৰিবলৈ বৃহৎ প্ৰচেষ্টা চলাই আছে।"

[ ফেব্ৰুৱাৰী ১৩, ১৮৪২ত মাইলচ ব্ৰনসনে লিখা চিঠি, ঐ XXII, মে, ১৮৪৩, পৃঃ ১০১ ]

তেওঁলোকৰ ভোটৰাজ্যৰ সীমান্তত থকা কছাৰীসকলৰ ) এক বিস্তৃত অঞ্চল আছে আৰু তেওঁলোক অসমীয়া সকলতকৈ বহুগুণে শ্ৰেয় জনগোষ্ঠী, কিন্তু তেওঁলোকৰ লিখিত ভাষা নাই। ব্ৰাহ্মণসকলে তেওঁলোকৰ বহুতকে ভিন ভিন ৰূপে হিন্দু ধৰ্মত শৰণ দিছে কিন্তু ভোট ৰাজ্যৰ একেবাৰে সীমাত থকা সকল হিন্দু অন্ধবিশ্বাসৰ দ্বাৰা কম পৰিমাণে প্ৰভাৱান্বিত।"

[ ব্ৰনসনৰ চিঠি, ঐ, XXV, জুন, ১৮৪৫, পৃঃ ১২১ ]

ব্ৰনসন আদি পাদ্ৰীসকলৰ লেখনীৰ পৰা এইটোও স্পষ্ট যে অসমত জাতিভেদ প্ৰথা নাছিল। আন নেলাগে নেথ'ন ব্ৰাওনৰ মতে, "এটা কথাই মোক সটাকৈয়ে

আশ্চৰ্য্যান্বিত কৰিছে যে মুছলমানসকলে ( যাৰ সংখ্যা যোৰহাটত প্ৰচুৰ ) বহু পৰিমাণে হিন্দু ধৰ্মৰ মতে মিলি চলে, তেওঁলোকৰ বহু বিশ্বাস গ্ৰহণ কৰিছে আৰু আনকি ৰামক আব্ৰাহাম, ডেভিদ ও মহম্মদৰ লেখিয়া পয়গম্বৰ অৰ্থাৎ সিদ্ধপুৰুষ বুলি মানে।"

[ ডিচেম্বৰ ১৪, ১৮৪৪ত নেথ'ন ব্ৰাওনে লিখা চিঠি, ঐ, XXV, নভেম্বৰ ১৮৪৫, পৃঃ ২৭৯ ]

অসমত আৰ্য্য সংস্কৃতিৰ বিস্তাৰৰ কাৰণে ব্ৰাহ্মণসকলৰ প্ৰচেষ্টা, অসমীয়া হিন্দু সমাজত জাতিভেদৰ শিথিলতা আৰু অসমত হিন্দু মুছলমানৰ মিলাপ্ৰীতি আদিৰ কিন্তু দ্ৰুত গতিত পৰিৱৰ্তন হ'বলৈ ধৰিলে। এই পৰিৱৰ্তনৰ মূল কাৰণ আছিল অসমৰ ৰাজনৈতিক পৰিৱৰ্তন।

১৮৫৭ চনৰ পিছত এইটো স্পষ্ট হ'ল যে অসমত আহোম ৰাজত্বৰ সঁচাকৈয়ে ওৰ পৰিল আৰু বৃটিছ সিংহই তাৰত তথা অসমত ভালকৈয়ে খোপনি পুতিলে। নতুন ৰাজনীতি, নতুন শাসন বিধি আৰু চাহ খেতিয়ে আনি দিয়া নতুন অৰ্থনীতি আদিৰ লগত খাপ খাই যে অসমীয়া আৰু বহু দিন চলিব লাগিব সেইটো স্পষ্ট হ'ল। এই নতুন পৰিস্থিতিত ক্ষমতা লাভ, প্ৰতিপত্তি বিস্তাৰ আৰু বিষয়-সম্পদ লাভৰ কাৰণে যি বিস্তীৰ্ণ ক্ষেত্ৰ মুকলি হ'ল তাৰ সুবিধা ল'বৰ কাৰণে প্ৰয়োজন হ'ল আনক হেয় আৰু নিজক শ্ৰেয় কৰাৰ। নিজকে শ্ৰেয় বুজাবলৈ সুযোগ পালে অসমীয়া ব্ৰাহ্মণ আৰু কায়স্থসকলে। তেওঁলোকৰ বহুতেই এই সুযোগ গ্ৰহণ কৰিলে আৰু সকলো প্ৰকাৰে সাধাৰণ অসমীয়া ৰাইজক বঞ্চিত কৰি ৰাখিবলৈ চেষ্টা কৰিলে। আৰম্ভ হ'ল লেই লেই ছেই ছেই, আৰম্ভ হ'ল উচ্চ নীচৰ বিচাৰ। পৰ্বতীয়া জনগোষ্ঠীৰ লোকক আৰু নতুনকৈ হিন্দু হোৱা অসমৰ ভিন ভিন জন গোষ্ঠীৰ মাজত আৰ্য্য সংস্কৃতিৰ বিস্তাৰ নকৰি তেওঁলোকক নানাপ্ৰকাৰে সমাজত তুচ্ছ কৰিবলৈহে প্ৰচেষ্টা চলিল। সেইদৰে মুছলমান খৃষ্টিয়ান আদি অন্যান্য ধৰ্মৰ লোককো সমাজৰ পৰা আঁতৰাই ৰাখিবলৈ চেষ্টা চলিল। এনেবিলাক অনাৰ্য্য ব্যৱহাৰী কাৰ্য্যৰও ঘাই কেন্দ্ৰ হ'ল যোৰহাট আৰু তাৰ নেতৃত্ব দিলে বৃটিছৰ আমোলত ভাল চাকৰি, আমোলাৰ সুবিধা পোৱা কোনো কোনো ব্ৰাহ্মণ আৰু কায়স্থই। বিশাল বিস্তীৰ্ণ চিৰ সম্প্ৰসাৰী আৰ্য্য-সংস্কৃতি আৰু সনাতন ধৰ্মক তেওঁলোকে পিঞ্জৰাবদ্ধ কৰিবলৈ চেষ্টা কৰিলে। হলিৰাম ঢেকিয়াল ফুকনৰ 'আসাম বুৰঞ্জী', গুণাভিৰাম বৰুৱাৰ 'আসাম বুৰঞ্জী', উপেন বৰুৱাৰ 'প্ৰিন্সচেস অব আচাম', লক্ষ্মীনাথ বেজবৰুৱাৰ কোনো কোনো লেখনী (নাজমু দাস, ভোকোন্দ্ৰ বৰুৱা,

পদুম কুঁৱৰী আদি), হেমকোষৰ ঠায়ে ঠায়ে এনে উচ্চ-নীচ ভাবেৰে আনক লেই লেই ছেই ছেই কৰি হেয় কৰিবলৈ কৰা ব্যক্তি মানসিকতাৰ ভাল পৰিচয় পোৱা যায়। এনে ভাবৰ দ্বাৰা প্ৰভাৱান্বিত লোকসকলে নীচ জাতৰ বুলি ভবা লোকসকলক সদায় নিজৰ তলত দবাই ৰাখিবলৈ আৰু বৃটিছ চৰকাৰে মুক্ত কৰি দিয়া পাইকসকল আৰু তেওঁলোকৰ সতি-সন্ততিসকলে যাতে উঠি আহি তেওঁলোকৰ শাৰীত ঠাই ল'ব নোৱাৰে তাৰ বাবে সদায় চেষ্টা কৰিছিল। সেইদৰে তেওঁলোকে সকলো ক্ষেত্ৰতে ক্ষমতা নিজৰ জাতিৰ লোকৰ হাতলৈ আনি সমাজত প্ৰভুত্ব বিস্তাৰ কৰিবলৈ চেষ্টা কৰি আহিছিল। আহোমৰ দিনৰ এজন পাইকৰ নাতি শ্ৰীফণীধৰ দত্তই এনে অপকাৰী শক্তিৰ বিপক্ষেই গোটেই জীৱন সংগ্ৰাম কৰিব লগীয়া হৈছিল। যোৰহাট চৰকাৰী হাইস্কুলৰ সংস্কৃত শিক্ষকৰ পৰা আৰম্ভ কৰি, যোৰহাট কলেজৰ গৱৰ্ণিং বডিৰ কোনো কোনো সদস্য, শিক্ষা মন্ত্ৰী শ্ৰীদেৱেশ্বৰ শৰ্মাকে আদি কৰি তদন্ত আয়োগৰ সদস্য ভবেশ বৰুৱা, মথুৰা গোস্বামী আদি আটায়েই আমাৰ সমাজৰ এনে এক অপকাৰী শক্তিকেই প্ৰতিনিধিত্ব কৰে, যাৰ বিপক্ষে শ্ৰীফণীধৰ দত্তই আজীৱন আৰু তেওঁৰ দৰে আন বহুতেই সদায় যুঁজি থাকিব লগীয়া হৈছে।

ই সৌভাগ্যৰ কথা যে অসমৰ সকলো ব্ৰাহ্মণ বা কায়স্থই এনে অনাৰ্য্য শক্তিৰ লগত সহযোগ নকৰে। জ্ঞাত ভাবেই হওক বা অজ্ঞাত ভাবেই হওক অসমত শিক্ষা, ধৰ্ম, নৃত্য গীত সাহিত্য আদিৰে আৰ্য্য সংস্কৃতিক অসমীয়াৰ মাজত জীয়াই ৰাখিছে ব্ৰাহ্মণ আৰু কায়স্থসকলেই—আজিও এওঁলোকৰ এক বুজন সংখ্যকৰ বৰঙণিৰ কাৰণেই অসমত আৰ্য্য সংস্কৃতি বৰ্তি আছে আৰু ভৱিষ্যতেও বৰ্তি থকাৰ সম্ভাৱনা আছে। শ্ৰীশৰৎচন্দ্ৰ গোস্বামী, শ্ৰীমাধৱ ভট্টাচাৰ্য্য, ডঃ মহেন্দ্ৰ শৰ্মা, শ্ৰীপুৰন্দৰ শৰ্মা, শ্ৰীৰামেশ্বৰ বৰুৱা, শ্ৰীযজ্ঞেশ্বৰ শৰ্মা, শ্ৰীগোলোকচন্দ্ৰ বেজবৰুৱা আদিৰ দৰে শ্ৰীদত্তৰ জীৱনৰ লগত সম্পৰ্কিত লোকসকলে এই কথা ভালদৰে প্ৰমাণ কৰে যে শিক্ষা সংস্কৃতি আহৰণ কৰাত অসমৰ নতুন হিন্দুসকলক বহু অসমীয়া ব্ৰাহ্মণ আৰু কায়স্থলোকে সকলো প্ৰকাৰে সহায় কৰে। এনে লোকসকলেই এতিয়াও অসমত আৰ্য্য সংস্কৃতিৰ বাহক হৈ আছে।

## চৌৱাল্লিছ

## ছাদুল্লা আৰু জেহিৰুদ্দিন আহমদ ছাৰ

সংকীৰ্ণ 'জাতপ্ৰেম'ৰ দুষ্কৃতি কেৱল অসমীয়া ব্ৰাহ্মণ বা কায়স্থ সকলৰ মাজতে সীমাবদ্ধ নহয়। কোচ, কছাৰী, ছুটীয়া, আহোম, কলিতা আদি আৰু মুছলমান সকলৰ মাজতও এনে দুৰাচাৰী লোকৰ প্ৰভাব দেখা যায়। এই সকলৰ মাজতও যিদৰে সজলোক বহু আছে সেইদৰে আন বহু এনে লোক আছে যি অন্যায়, অধৰ্ম, দুৰ্নীতি আদিৰে 'নিজৰ মানুহ' অৰ্থাৎ নিজৰ জাতৰ লোকক উদ্ধাৰ কৰিম বুলি নানা দুষ্কাৰ্য্য কৰে। এনেলোকে কিবা প্ৰকাৰে ক্ষমতাত অধিষ্ঠিত হ'লে তথাকথিত ভাৱে 'নিজৰ মানুহ'ৰ প্ৰতিপত্তি বঢ়াবলৈ বিচাৰে। অসমৰ ছাদুল্লা মন্ত্ৰীসভালৈকে চোৱা যাওক।

ভাৰত স্বাধীন হোৱাৰ আগেয়ে ১৯৩৭ৰ পৰা ১৯৪৬ চনলৈকে এই কাল ছো'ৱাত ছাদুল্লাই বৃটিছ শাসক সকলৰ অনুগ্ৰহত এবাধৰ'কৈ মুঠ পাঁচবাৰ অসমত মন্ত্ৰী সভা পাতিছিল। তেওঁৰ চতুৰ্থ মন্ত্ৰীসভা গঠন কৰে ১৯৪২ চনৰ ২৫ আগষ্টত যি সময়ত গোটেই দেশ জুৰি অগণন ভাৰতীয় হিন্দু মুছলমানে স্বাধীনতাৰ আন্দোলনৰ কাৰণে কাৰাগাৰত জীৱন নিৰ্বাহ কৰিব লগীয়া হয়। ছাদুল্লাই প্ৰথমে নিজৰ স্বাৰ্থৰ কাৰণেহে ক্ষমতাৰ লোভত তেনেদৰে ভাৰতীয় বাইজে স্বাধীনতা আন্দোলন চলাই থাকোঁতে ভাৰতীয় সকলৰ স্বাৰ্থত বিধি পথালি দি বৃটিছ চৰকাৰৰ লগত হাত মিলাইছিল। প্ৰথমে তেওঁ মুছলমানসকলৰ স্বাৰ্থৰ কাৰণেও হয়তো ভবা নাছিল, কাৰণ প্ৰথমে তেওঁ মুছলিম লীগৰও সভ্য নাছিল। কিন্তু পিছলৈ তেওঁ বৃটিছে ভাৰতীয় হিন্দু মুছলমানৰ মাজত বিভেদ সৃষ্টি কৰি বৃটিছ শাসন নিকপকপীয়া কৰাৰ কূটনীতি উপলব্ধি কৰি অসম আৰু অসমীয়াৰ প্ৰতি অন্যায় আচৰণ কৰি মুছলমান সকলক উদ্ধাৰ কৰাত লাগি গ'ল। তেওঁৰ মন্ত্ৰীসভাই পূব বঙ্গৰ পৰাইকৈ মুছলমান ভগনীয়াসকলৰ কাৰণে অসমৰ এক লাখ বিঘা মাটি বন্দোবস্তী দিছিল। সেই দৰে তেওঁ অসমৰ পুলিচ, ৰাজহ, আৰু অন্যান্য বিভাগৰ বৰ বৰ পদত মুছলমান লোকক নিয়োগ কৰিছিল। আনকি শ্ৰীফণীধৰ দত্তই কটন কলেজৰ নিযুক্তিৰ দিনটোত আসোঁৱাহ লগাই তেখেতক তেখেতৰে ছাত্ৰ মুকশ ইছলামতকৈ তলতীয়া কৰালে। ছাদুল্লাৰ এনেকুৱা কাৰ্য্য যে তেতিয়াৰ অসমীয়া মুছলমান সকলোৱেই সমৰ্থন কৰিছিল এনে নহয়, তেতিয়াৰ বহু অসমীয়া

মুছলমানলোকে ছাদুল্লাৰ কাৰ্য্যাৱলীৰ বিষময় ফল উপলব্ধি কৰি তেওঁৰ নীতি আৰু তেওঁৰ চৰকাৰৰ বিৰোধিতা কৰিছিল। আনকি তেওঁৰ মন্ত্ৰীসভাৰ বিপক্ষে সদনৰ অসমীয়া মুছলমানলোকেই একাধিকবাৰ অনাস্থাৰ প্ৰস্তাৱ তুলিছিল। ফকৰুদ্দিন আলি আহমদ, মৌঃ তৈয়বুল্লা আদি কংগ্ৰেছী নেতাই ছাদুল্লাক সমৰ্থন কৰা নাছিল। আন নেলাগে ছাদুল্লাৰ মন্ত্ৰীসভাই শ্ৰীদত্তৰ প্ৰতি কৰা অন্যায়ৰ সুবিচাৰ কৰিবলৈকো নিজৰ সকলো ক্ষমতা প্ৰয়োগ কৰি চেষ্টা কৰিছিল কটন কলেজৰ অধ্যক্ষ খান বাহাদুৰ মুহিবুল্লাই (এজন ধৰ্ম পৰায়ণ আৰু শিক্ষাবিদ মুছলিম ভদ্ৰলোক)। ছাদুল্লা ক্ষমতাত থাকোঁতে কটন কলেজৰ অধ্যক্ষ, তেতিয়াৰ ডি-পি-আই শ্ৰীহৰ্ষনাথ সেন আদি আটায়ে লগ লাগিও সেই অন্যায়ৰ সংশোধন কৰিব নোৱাৰিলে। শ্ৰীদত্তইও ১৯৪২ চনৰ পৰা সকলো প্ৰকাৰে যুঁজিলে কিন্তু তেওঁক তেওঁৰ ছাত্ৰ মুকল ইছলামতকৈ কনিষ্ঠ কৰা হ'ল। ১৯৪৭ চনত যেতিয়া অধ্যাপক ইছলামক চিলেটৰ চৰকাৰী কলেজৰ পৰা গুৱাহাটীৰ কটন কলেজলৈ বদলি কৰা হয় তেতিয়া মুহিবুল্লা চাহাব ইমান দুখিত হ'ল যে তেওঁ ইছলামৰ নিযুক্তি যিমান পাৰে দেৰী কৰিবলৈ চেষ্টা কৰিলে আৰু চৰকাৰলৈ লিখিলে।

"মই বিনীত ভাবে জনাব খোজোঁ যে আপোনাৰ উপৰোক্ত টেলিগ্ৰামৰ উল্লেখ কৰা এম-চি-কলেজৰ বিষয়াসকলক এই কলেজলৈ বদলি কৰি ইয়াৰ গণিত বিভাগত এটা অপ্ৰীতিকৰ অৱস্থাৰ সৃষ্টি কৰিছে। মিঃ মুকল ইছলাম বৰ্তমান ইয়াৰ গণিত বিভাগৰ দায়িত্বত থকা ফণীধৰ দত্তৰ এজন প্ৰাক্তন ছাত্ৰ। কিন্তু জনা যায় যে কিবা নীতিৰ অজুহাতত মিঃ ইছলামক মিঃ দত্ততকৈ জ্যেষ্ঠ কৰা হয়। মিঃ দত্তই এই হুকুম সংশোধন কৰিবলৈ দৰ্খাস্ত দিছে আৰু কথাটো এতিয়াও বিচাৰাধীন।"

এতিয়া প্ৰশ্ন হয়—নিজৰ জাত বা ধৰ্মৰ লোকসকলক উদ্ধাৰ কৰিম বুলি আন লোকৰ প্ৰতি অন্যায় অবিচাৰ কৰি বা সমাজত আধিপত্য বিস্তাৰ কৰিবলৈ বুলি 'নিজৰ মানুহ'ক সুবিধা দিয়া সকলে যথাৰ্থতে কাৰ উপকাৰ বা ক্ষতি কৰে? অলপ থ'কৈ ভাবি চালে এইটো স্পষ্ট হয় যে এনে কাৰ্য্যৰ দ্বাৰা প্ৰকৃতপক্ষে কাৰও উপকাৰ নহয়, বৰং সমাজৰ বিস্তৰ ক্ষতি হয়।

অৱশ্যে ওপৰে ওপৰে দেখাত এনে অনুমান হয় যেন 'নিজৰ মানুহ' দুই চাৰিজন উপকৃত হয়, অন্ততঃ ঐহিক বা দৈহিকভাৱে কিন্তু সিও ক্ষণস্থায়ীহে হয়। ছাদুল্লাই প্ৰতিষ্ঠিত কৰি যোৱা মুছলমান বিষয়াসকলেনো কি কিমান দিন ভোগ কৰিলে? তেওঁলোকৰ সতি সন্ততিসকলৰে বা কি হ'ল? সেই লোকসকলে মুছলমান ধৰ্ম বা অসমীয়া মুছলমানৰে কি উপকাৰ সাধিলে? ছাদুল্লাই পথ মুকলি

কৰি দিয়া ( বৰ্তমান বাংলাদেশৰ পমুৱা মুছলমানসকলেই বাক কেনে সুখত এতিয়া থাবলৈ পাইছে ?

সেইদৰে অসমৰ উচ্চ বংশীয় হিন্দু সকলে নিজৰ নিজৰ জাতিক উদ্ধাৰ কৰিবৰ কাৰণে যি কৰি গ'ল তাৰ দ্বাৰা কোন উপকৃত হ'ল ? তাৰ দ্বাৰা অসমৰ ব্ৰাহ্মণ-কায়স্থৰে আধিপত্য বাঢ়িল নে অসমত আৰ্য্য সংস্কৃতিৰে বিকাশ ঘটিল, নে অসমত ব্ৰাহ্মণ্য ধৰ্ম অধিক দৃঢ় হ'ল ?

সেইদৰে বিষ্ণু মেধি মুখ্যমন্ত্ৰী থাকোঁতে অসমীয়াসকলক বহু সুবিধা দিলে, ছিলঙত মতি নগৰ, বিষ্ণুপুৰ আদি পতি ছিলঙৰ চুকে কোণে অসমীয়াক বহুৱালে। সেই বিলাকৰ দ্বাৰা যথাৰ্থতে কেইজন অসমীয়া উপকৃত হ'ল বা সেই অসমীয়াসকলে ছিলঙত কিমান দিন কেনেদৰে ভোগ কৰিবলৈ পালে ?

ওপৰৰ প্ৰশ্নবিলাকৰ উত্তৰ বিচাৰিলে এইটো স্পষ্ট হয় যে নিজৰ জাতৰ বা ধৰ্মৰ লোকৰ প্ৰতি থকা ঠেক মনোবৃত্তিৰ প্ৰেমে কাৰো স্থায়ী হিত সাধন নকৰে অন্ততঃ নিজৰ মানুহক ভাল পাওঁ বুলি আনৰ অন্যায় কৰিলে বা দুৰ্নীতিত লিপ্ত হ'লে বা যেই কোনো দুষ্কাৰ্য্য কৰি একো সুফল পোৱা নেযায়। নিজৰ জাতৰ বা মানুহৰ স্বাৰ্থৰ কাৰণে অন্যায়, অধৰ্ম বা দুৰ্নীতিত লিপ্ত হ'ব পৰা বুলি কোনো ধৰ্ম বা কোনো সংস্কৃতিয়েই শিক্ষা নিদিয়ে। অন্ততঃ, ধৰ্ম-সাহিত্য-নৃত্য-সঙ্গীত-কৰ্ম আদিৰে আধ্যাত্মিক জীৱন যাপন কৰিবলৈ নিৰ্দেশ দিয়া আৰ্য্য সংস্কৃতিত এনে আচৰণ সম্পূৰ্ণ নিষেধ বুলি সহজেই সিদ্ধান্ত কৰিব পাৰি।

আনহাতে স্বাৰ্থান্বেষীলোকে নিজৰ জাত 'নিজৰ মানুহ'ৰ প্ৰতি ঠেক মনোবৃত্তিৰে কৰা কাৰ্য্যৰ দ্বাৰা সমাজৰ বিস্তৰ ক্ষতি হয়। পঞ্চাছৰ দশকত বিশেষকৈ বিষ্ণু মেধিৰ মন্ত্ৰীত্বৰ কালত অসমীয়াৰ স্বাৰ্থৰ কাৰণে যিবিলাক কাৰ্য্য চলিল তাৰ দ্বাৰা অসমৰ পৰ্বত ভৈয়ামৰ সম্প্ৰীতি চিৰদিনৰ বাবেই ঘূণীয়া হ'ল। ছাদুল্লাৰ কাৰ্য্য-কলাপে শ শ বছৰ ধৰি বিস্ময়জনক মিলাপ্ৰীতিৰে বাস কৰা অসমীয়া হিন্দু মুছলমানৰ মাজত সন্দেহৰ বীজ ৰোপণ কৰিলে। ই অসমীয়া মুছলমানসকলকহে আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত কৰিলে। কিয়নো অসমীয়া হিন্দু-মুছলমানৰ ভেদ খণ্ডহৰ সম্বন্ধ থকাৰ কাৰণে ভাৰতৰ আন আন প্ৰদেশৰ দৰে অসমৰ মুছলমানসকল কেতিয়াও দ্বিতীয় শ্ৰেণীৰ নাগৰিকৰ দৰে হ'ব লগীয়া হোৱা নাই। কিন্তু অসমত যদি বাংলাদেশীৰ সংখ্যা বাঢ়ে ( হিন্দুৱেই হওক মুছলমানেই হওক ) অসমৰ হিন্দু মুছলমানৰ সম্বন্ধ বঙালী সমাজৰ দৰেইহে হ'ব। তদুপৰি বাংলাদেশী মুছলমান অনুপ্ৰবেশকাৰীয়াৰ কাৰণে অসমত মুছলমানধৰ্মী লোকে সংখ্যা গৰিষ্ঠতা লাভ কৰিব বুলি

এতিয়া গোটেই ভাৰতবৰ্ষে হিন্দু উগ্ৰপন্থী দলসমূহে যোৰ ধৰণৰ মুছলমান সকলৰ ওপৰত পৰিৱৰ্তন আৰম্ভ কৰিছে। এইবিলাক কাণ্ড কাৰখানা অসমীয়া হিন্দু মুছলমান উভয়ৰে কাৰণে অতিশয় বিপজ্জনক। এই বিপদসংকুল অৱস্থাৰ সূচনা ছাদুল্লাই কৰিলে। অৱশ্যে, আমি ছাদুল্লাৰ ওপৰতে সকলো দোষ জাপিবলৈ চেষ্টা কৰিলে ভুল হ'ব। বিশেষকৈ গোপীনাথ বৰদলৈৰ মৃত্যুৰ পিছত অসমৰ ৰাজনৈতিক ক্ষেত্ৰত আমাৰ বেছিভাগ হিন্দু নেতাই আন কিছুমান নেতাক মুছলমান নেতা বুলি একাষৰীয়া কৰি ৰাখিবলৈ যথায় চেষ্টা কৰিছিল। উদাহৰণস্বৰূপে ফকৰুদ্দিন আলি আহমেদ আদি সঁচাকৈয়ে অসমীয়াৰ নেতা আছিল আৰু অসমীয়াক নেতৃত্ব দিবলৈ তেখেতৰ সকলো গুণেই আছিল। কিন্তু তেখেতৰ জনপ্ৰিয়তা বাঢ়িলে শ্ৰীবিষ্ণু মেধিয়ে ক্ষমতাত অধিষ্ঠিত হোৱাত বাধা পৰিব বুলি শ্ৰীমেধিৰ হিন্দু সমৰ্থকসকলে ফকৰুদ্দিন আলি আহমদক এজন মুছলমান নেতাৰ ৰূপতহে গঢ় দিবলৈ চেষ্টা কৰিলে—উদ্দেশ্য স্বাৰ্থ আৰু ক্ষমতাৰ প্ৰতি লোভ। হিন্দুসকলৰ হিন্দু ৰাজনীতিৰ এনে অন্তৰ্প্ৰবাহে ফকৰুদ্দিন আলি আহমদক যে এক ঠেক গণ্ডীলৈ ঠেলিলে সেই কথা সেই সময়ৰ বহু ৰাজনৈতিক নেতাই এতিয়া স্বীকাৰ কৰে। ফকৰুদ্দিন আলি আহমদক ছাদুল্লাৰ শাৰীত পেলাবলৈ যোৱাটো অসমৰ কাৰণে আৰু অসমীয়াৰ কাৰণে দুখ লগা ঘটনা। হিন্দু ৰাজনীতিৰ এনে পাশা খেলে ফকৰুদ্দিন আলি আহমদৰ কাৰণে হয়তো এইটো স্পষ্ট কৰিলে যে মুছলমানসকলৰ সমৰ্থনতহে তেওঁ ৰাজনীতিত তিষ্ঠি থাকিব পাৰিব। যিজন নেতা স্বাধীনতাৰ আগতে বৰদলৈৰ বিশ্বস্ত সহকৰ্মী আছিল আৰু যিজনে কংগ্ৰেছৰ হৈ মুছলিম লীগৰ সভ্যৰ বিপক্ষে যুঁজিছিল (চনৰ নিৰ্বাচনীত ফকৰুদ্দিন আলি আহমদ এজন মুছলিম লীগৰ সদস্যৰ হাতত পৰাজয় বৰণ কৰিছিল) সেই অসমীয়া নেতাক এজন মুছলমান নেতাত পৰিণত কৰিবলৈ আমাৰ বহু হিন্দুৱেই নিজৰ স্বাৰ্থৰ কাৰণেই আপ্ৰাণ চেষ্টা কৰিছিল।

ই অতি দুখ লগা কথা কিয়নো তাৰ মাত্ৰ কেইবছৰমান আগতে চৈয়দুল্লা চাহাবক মন্ত্ৰীসভাত ল'বলৈ যেতিয়া চৰ্দাৰ বল্লভভাই পেটেলকে আদি কৰি কেন্দ্ৰীয় নেতা আৰু মন্ত্ৰীয়ে হেঁচা দিছিল তেতিয়া শ্ৰীগোপীনাথ বৰদলৈদেৱে দৃঢ়তাৰে কৈছিল যে তেওঁ চৈয়দুল্লাক মুছলমান কাৰণে মন্ত্ৰীসভাত লোৱা নাই যেতিয়া তেওঁক মুছলমান হোৱা কাৰণে মন্ত্ৰীসভাৰ পৰা বাদও নিদিয়ে। তথাপি চৈয়দুল্লাক বাদ দিয়াৰ কাৰণে চৰ্দাৰ পেটেলে জোৰ দিব লগা কাৰণে বৰদলৈদেৱে চৈয়দুল্লাক মন্ত্ৰীসভাৰ পৰা বাদ দিব লাগিলে নিজেই পদত্যাগ কৰিব বুলি জনালে। চৰ্দাৰ পেটেলে

বৰদলৈৰ আগত হাৰ মানিলে আৰু তৈয়বুল্লাক বৰদলৈ মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰা হ'ল। তেনে এখন দেশৰ আজিৰ হিন্দু মুছলমানৰ ৰাজনীতি সঁচাকৈয়ে দুখ লগা।

অপ্ৰিয় হ'লেও ই এক চৰম সত্য যে কোনোবা এজন মুছলমানে ( বা অসমৰ নকৈ হিন্দু হোৱা মঙ্গোলীয় গোষ্ঠীৰ কোনো লোকে ) কিবা এক দুষ্কাৰ্য্য কৰিলে গোটেই মুছলমানসকলক ( বা সেই গোটেই গোষ্ঠীটোকে ) দোষাৰোপ কৰা হয় আৰু সেইদৰে তেওঁলোকৰ কোনো এজনে ভাল কাম কৰিলে তেওঁক যেনে তেনে দবাই এক ঠেক গণ্ডীৰ ভিতৰত ৰাখিবলৈ অসমীয়া হিন্দু সমাজে চেষ্টা কৰে। আন নেলাগে কলাগুৰু বিষ্ণু ৰাভাৰ দৰে লোকেও অসমীয়া হিন্দু সমাজৰ এনে মানসিকতাৰ সোৱাদ পাব লগীয়া হৈছিল। সেয়েহে ৰাভাদেৱে তেখেতৰ 'মিচিং কনেং' ( আমাৰ প্ৰতিনিধি, অক্টোবৰ ১৯৬৬ ) নামৰ উপন্যাসত নায়কৰ মুখেৰে কোৱাইছে, "...মই মিচিং-জনজাতিৰ মানুহ। আমাক মিৰিহঁতক অসমীয়াই অৱজ্ঞা কৰে — ঘৃণা কৰে, বিশেষকৈ অসমীয়া হিন্দুসকলে। মই দেখুৱাব খোজোঁ, —মিচিঙো মানুহ, অসমীয়া মানুহ।"

শ্ৰীফণীধৰ দত্তইও কোনো কোনো অসমীয়া ব্ৰাহ্মণৰ আৰু ছাত্ৰৰ ঠেক জাত-স্বাৰ্থৰ অপকাৰী শক্তিয়ে সৃষ্টি কৰা অন্যায়ৰ ভুক্তভোগী আছিল আৰু তাৰ বিপক্ষে যুঁজিব লগীয়া হৈছিল। তেখেতক এই যুঁজত সহায় কৰা সকলৰ ওপৰত দৃষ্টিপাত কৰাটো, অতি প্ৰয়োজন কিয়নো সেইবিলাকৰ দ্বাৰা আমাৰ অসমীয়া সমাজৰ সুস্থ শক্তিৰ স্বৰূপ প্ৰকাশ পাইছে। প্ৰত্যেক অসমীয়াই সেইবিলাক চিনি বুজি কাম কৰিবলৈ চেষ্টা কৰা বিশেষ প্ৰয়োজন।

প্ৰথমেই, হাইস্কুলৰ সংস্কৃত আৰু আন আন হিন্দু শিক্ষকৰ অন্যায় অত্যাচাৰত যেতিয়া তেখেতে অতি নিৰুৎসাহ হৈ পঢ়া-শুনা এৰিবলৈকে ওলাইছিল তেতিয়া তেখেতক মৰমেৰে আশ্বাস দিছিল শিক্ষক জেহিৰুদ্দিন আহমদে। শ্ৰীদত্তই সহায় কৃতজ্ঞতাৰে কৈছিল যে 'জেহিৰুদ্দিন আহমদ ছাৰ'ৰ মৰম-চেনেহৰ অবিহনে তেখেতে কেতিয়াও স্কুলীয়া শিক্ষা সাং কৰিব নোৱাৰিলেহেঁতেন। মুছলমানধৰ্মী জেহিৰুদ্দিন আহমদৰ তেনে ব্যৱহাৰে শ্ৰীদত্তৰ অন্তৰত মুছলমানধৰ্মী লোকৰ প্ৰতি প্ৰীতি আৰু বিশ্বাসৰ এনে বীজ ৰোপণ কৰিলে যে ছাত্ৰৰ সংকীৰ্ণ নীতিয়ে তেওঁৰ প্ৰতি কৰা অন্যায়েও তাক মৰিমূৰ কৰিব নোৱাৰিলে। বৰঞ্চ তেতিয়া তেখেতক সৰ্বান্তঃকৰণে সহায় কৰা অধ্যক্ষ মুহিবুল্লাৰ প্ৰীতিয়ে তাক বেছিহে ঘনীভূত কৰিলে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰেজিষ্ট্ৰাৰ নিযুক্ত হৈ তেখেতে নিজৰ সৌহাৰ্দ্যগুণে আনিলে

একজন মুছলমান লোককহে, মৌঃ হাচবীকহে। হাচবীৰ কৰ্মতৎপৰতা আৰু বিশ্বাসক তেখেতে হিন্দু-মুছলমানৰ বিচাৰেৰে অপসাৰিত কৰিবলৈ নিদিলে। আন নেলাগে যোৰহাটৰ পৰা আহি গুৱাহাটীত থাকিবলৈ ঘৰ বিচাৰি বিচাৰি তেখেতে হেৰাছুৎউল্লা আৰু তৈয়বুল্লাৰ ঘৰৰ কাষতহে থাকিবলৈ লৈছিল, কিয়নো তেখেত-সকলৰ পৰিয়ালৰ লগত তেখেতৰ পৰিয়ালৰ বিশেষ বন্ধুত্ব আছিল— হেৰাছুৎউল্লাৰ পত্নী হামিদা খাটুন আৰু ওচৰতে থকা তোলা ডাক্তৰৰ পত্নী এচিয়া খাটুন ফণীধৰ দত্তৰ পত্নীৰ শৈশৱৰ বান্ধৱী আছিল। হামিদা খাটুন আৰু এচিয়া খাটুন শিৱসাগৰৰ খিজহুৰ আলিৰ জীয়েক। নতুন ঠাইলৈ আহি চিনাকি পুৰণা মুছলমান বন্ধুৰ কাষত বিশ্বাস আৰু প্ৰীতিৰে দত্তই বসবাস কৰিবলৈ ভাল পাইছিল। কোৱা বাহুল্য যে এইসকলৰ পৰিয়ালবৰ্গৰ লগত দত্তৰ পৰিয়ালৰ তেতিয়াৰে পৰা আপোন যেন ভাব আজিকোপতি লোপ পোৱা নাই।

# পঞ্চত্রিংশ

## দুখীয়াৰ প্ৰতি ব্যৱহাৰ

আমাৰ সমাজত বহুতে দুখীয়া মানুহক মানুহ বুলিয়েই নেভাবে বা দুখীয়া ল'ৰা ছোৱালীৰও আশা আকাংখা থাকিব পাৰে বুলি কেতিয়াও নেভাবে। সেইদৰে চহকীসকলৰ অনুগ্ৰহ পোৱা দুখীয়া লোক কোনো কোনোৱে শ্ৰেণী-বিভেদৰ সংকীৰ্ণ মানসিকতাত ইন্ধন যোগায়। এই দুইধৰণৰ লোকে অতি নিষ্ঠুৰভাৱে আমাৰ সমাজত বহুতকে বিশেষ মানসিক কষ্ট দিয়ে। এই সংক্ৰান্তত শ্ৰীদত্তই নিজে লিখি থৈ যোৱা দুটা ঘটনা উদ্ধৃত কৰিলোঁ। এইবিলাক ১৯২১ চনত তেখেতে মেট্ৰিক পাছ কৰি কলেজত পঢ়িবৰ কাৰণে টকা বিচাৰি ফুৰোঁতে ঘটা ঘটনা।

> "তাৰ পিছত খোজ কাঢ়ি খোজ কাঢ়ি ঠেঙালৈ ৰায়ব.হাদুৰ শিৱপ্ৰসাদ বৰুৱাৰ ঘৰলৈ দুবাৰ যোৱাৰ পাছত এদিন তেখেতক নগৰৰ ঘৰ.ত লগ ধৰিলোঁ। তেখেতে অনেক কথা শুনোৱাৰ পাছত ৫ পাঁচটা টকা দিলে আৰু সহায় কৰিব নোৱাৰোঁ বুলি কৈ বিদায় দিলে—ইতিপূৰ্বে বহু.তে হেনো তেখেতৰ পৰা টকা লৈ পঢ়িব নোৱাৰি ফেইল মাৰি গুচি গৈছিল।"

১৯২১ চনত টকা যোগাৰ কৰিব নোৱাৰি শ্ৰীদত্তই কলেজত পঢ়িবলৈ সুবিধা কৰিব নোৱাৰিলে আৰু যোৰহাটত খেতি বাতি, থিয়েটাৰ ভাওনা কৰি বছৰটো কটোৱাৰ পিছত পিছৰ বছৰ পুনৰ কলেজত পঢ়িবৰ কাৰ.ণ আকৌ টকা গোটোৱাত লাগিল। (ওঠৰ অধ্যায় দ্ৰষ্টব্য)

> "আগৰ বছৰৰ দৰে সেই বছৰো মানুহৰ ওচৰলৈ যাবলৈ ধৰিলোঁ—একমাত্ৰ ৰায়বাহাদুৰ শিৱপ্ৰসাদ বৰুৱাৰ ওচৰলৈ আৰু যোৱা নাছিলোঁ। তেখেতে মোক এদিন আমাৰ গাঁৱৰ বিয়া এখনত বহুত মানুহৰ আগত ধমকি দিলে—এই বুলি—'এ এই ল'ৰাটোক মই ভাল বুলি ভাবিছিলোঁ—কলেজত পঢ়িবলৈ যাম বুলি মোৰ পৰা টকা আনিলে, পাছত দেখিছোঁ থিয়েটাৰ ঘৰত

নাচিছে’ ইত্যাদি। তেখেতৰ লগতে লেমটো বুঢ়া এজন আছিল, নাম নকণ্ড, তেওঁ উজাল দি ক’বলৈ ধৰিলে—এহ দেউতা আপুনি নেজানে ছোৱালী ধৰিবলৈ পইচা নাইকিয়া হ’ল আপোনাৰ পৰা ফাকি দি পইচা আনিলেগৈ। দেউতাৰ পৰা আকৌ সহজে যেয়ে সেয়ে পইচা এইদৰে নিয়েই থাকে নহয়—ইত্যাদি। মই তেতিয়া মনতে ভাবিলোঁ কলেজত পঢ়ি নহালৈকে তেখেতৰ আগত মুখ খুলিয়াও।”

[টোকা: অসমৰ অন্যতম চাহ খেতিয়ক শিৱপ্ৰসাদ বৰুৱাৰ এনে মানসিকতাৰ কথা জনা কাৰণেই সম্ভৱ বৰদলৈ প্ৰমুখ্যে বিশ্ববিদ্যালয় আন্দোলনৰ আন নেতাসকলে ১৯৪০ চনত বৰুৱা পৰিয়ালে “শিৱপ্ৰসাদ বিশ্ববিদ্যালয়” বুলি নামকৰণ কৰিলে অসমত বিশ্ববিদ্যালয় পাতিবলৈ আগ বঢ়োৱা লাখ টকা গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে। তাৰ পৰিবৰ্তে বৰদলৈ ভাণ্ডৰীয়াই প্ৰত্যেক অসমীয়াৰ পৰা পাইপতি এক অনাকৈ বৰঙণি সংগ্ৰহ কৰি বিদ্যালয় পুঁজিত সংগ্ৰহ কৰিবলৈহে সদায় পৰামৰ্শ দিছিল। তেনেদৰে এক অনাকৈ পইচা তুলি এটা বিৰাট আৰু মহৎ পুঁজি গঢ়িব পাৰি বুলি তেওঁৰ দৃঢ় বিশ্বাস আছিল। বিশ্ববিদ্যালয়ৰ দৰে এক ৰাজহুৱা আৰু সজ প্ৰতিষ্ঠান গঢ়ি তুলিবলৈ সমূহ ৰাইজে সজ মনোভাৱেৰে সজ উদ্দেশ্যৰে দিয়া যৎকিঞ্চিৎ বৰঙণিৰ মহত্ত্ব বৰদলৈদেৱে বুজিছিল। লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ পৰামৰ্শমতে অসমৰ বহু স্কুল কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে স্কুলত তেনেভাৱে এক অনাকৈ বৰঙণি তুলিছিল আৰু মাজে সময়ে কোনো কোনোৱে ৰেলৰ যাত্ৰীসকলৰ পৰাও এক অনাকৈ বিশ্ববিদ্যালয়ৰ পুঁজিৰ কাৰণে সংগ্ৰহ কৰিছিল।]

শ্ৰীদত্তই উল্লেখ কৰা আনটো ঘটনা ঘটে চিনামৰা বাগিচাত। সেই বাগিচাৰ মেনেজাৰ চিলমন চাহাবে তেওঁ কলেজত পঢ়িবলৈ গ’লে মাহে • টকাকৈ দিম বুলি আগৰ বছৰ প্ৰতিশ্ৰুতি দিছিল।—

“মোৰ দুৰ্ভাগ্য ইতিমধ্যে চিলমন চাহাব বদলি হ’ল। ওৱাৰ্ড বুলি এজন খৰ খজাল চাহাব যোৰহাট কোম্পানীৰ চুপাৰিন্টেণ্ডেণ্ট হৈছে। দুৰ্দান্ত

এখন লৈ বাভিপুৱা ন বজাতে চিনামবাৰ সদৰ অফিছত এদিন হাজিৰ হলোঁ। বৰ কেৰাণী হৈছে শ্ৰীযুত ৰামেশ্বৰ বৰুৱা, বৰ্ত্তমানো তেখেতেই আছে। বাগিছাৰ নিয়ম কেৰাণীয়েহে চাহাবৰ ওচৰলৈ কাগজ পত্ৰ নিব বা ভেট কৰাব। ১ম দিনা কেৰাণী বাবুৰ সময় নোলালেই। পিছদিনা মাতিলে, দৰ্খাস্ত খৈ আহিবলৈ ক'লে—থৈ আহিলোঁ। পিছ দিনা আকৌ ৫ মাইল ৰাস্তা খোজ কাঢ়ি কোমল চাউলৰ জলপান এটা খাই গলোঁগৈ। ২ ঘণ্টামান বৈ থকাৰ পাছত কেৰাণীয়ে ক'লে 'তোমাৰ দৰ্খাস্ত মই চাহাবক দিছিলোঁ। কোম্পানীৰ বৰ্ত্তমান টকা নাই সহায় কৰিব নোৱাৰে বুলি মোক যাবলৈ ক'লে। লগতে এই ফাকিও ক'লে, 'বাক অন্ত এদিন আহিবা চাহাবৰ মন ভাল থাকিলে কৈ চাম'। সেই অফিছতে মোৰ দেউতাই কাম শিকোৱা শ্ৰীদধিৰাম শইকীয়া বুলি গুদাম মহৰি এজন আছিল। তেখেতে আগৰে পৰা আমাক চিনি পাইছিল আৰু দেউতাই কামত সুমুৱাই দিয়াৰ কাৰণে অলপ মৰম আছিল। তেখেতে এদিন মোক মাতি নি ক'লে, 'তুমি এদিন বৰবাবু নেথাকোঁতে আহিবা মই চাহাবৰ ওচৰলৈ লৈ যাম'।

বৰবাবু অফিচত নথকা সময়টোৰ কাৰণে আৰু বৰ বাবুৱে যে আকৌ এদিন চাহাবক ক'ব বুলি ক'লে এই ক্ষণটোৰ কাৰণে পাছত তিনি দিন অহা যোৱা কৰিলোঁ। বৰবাবু নথকা সময় নোলাল আৰু বৰ বাবুৱে চাহাবক পুনৰ কোৱা ক্ষণও নোলাল। তেতিয়া অগত্যা ডেহপাৰেট হৈ ৬ষ্ঠ বাৰৰ কাৰণে শেষ চেষ্টা কৰি চাম বুলি ঘৰৰ পৰাই দৃঢ় সংকল্প কৰি গৈছোঁ আৰু কাৰও সহায় নোলোৱাকৈ চাহাবৰ আগত হাজিৰ হম বুলি ভাবি গৈছোঁ। অফিছ পালোঁ গৈ। কেৰাণী বাবুৱে অন্ত ফাইল কিছুমানৰ লগত মোৰ দৰ্খাস্ত থনও মোক দেখুৱাই চাহাবলৈ লৈ গৈছে। মই কেৰাণীবাবুৰ মেজৰ ওচৰতে থিয় হৈ আছোঁ, চাহাবৰ টেবুলখন দুৱাৰ কাষেদি দেখি থাকে। মই দুৱাৰ ওচৰলৈ আহি চাহাবেনো কি কয় কি কৰে চাই আছিলোঁ—যি দেখিলোঁ অপ্ৰিয় সত্য হ'লেও নকৈ নোৱাৰোঁ যে

কেৰাণী বাবুৱে ফাইলৰ কাগজ পত্ৰ চহী কৰাই মোৰ দৰ্খাস্তখন চাহাবক নিদিলেই আৰু ৰুদ্ৰ মূৰ্তি ধৰি বাহিৰলৈ ওলাই আহি মোক ক'লে, 'লৈয়া মই কৈছিলোঁ। নহয়—চাহাবৰ টকা নাই দিব নোৱাৰে—চাহাবক আকৌ কোৱাত খংহে উঠিল।"

মই ভাবিলোঁ এখেতেনো কেতিয়া মোৰ দৰ্খাস্ত চাহাবক দিলে আৰু চাহাবেনো কেতিয়া খং কৰিলে। তেতিয়া মই ক'লোঁ, 'বাৰু দৰ্খাস্তখন মোক দিয়ক নিজেই যাওঁ, মাৰিলেও মাৰিব আজি চাহাবৰ মাৰেই খাম'। ইফালে দধিৰাম শইকীয়াইও চকুৰ ঠাৰেৰে মোক উচটাই দিলে—মই যেতিয়া চাহাবৰ ওচৰলৈ যোৱাটো ঠিক কৰিলোঁ।—বৰ কেৰাণীয়ে গতি বিসঙ্গতি দেখি দেখোন ঘপহকৰে অন্য এটা ফাইল লৈ মোৰ দৰ্খাস্ত খনও লৈ চাহাবৰ কোঠালৈ সোমাল। চাহাবে কাগজ চহী কৰাৰ পাছত কেৰাণী বাবুক সুধিলে ল'ৰাটো আছে নে বুলি— তেতিয়া কেৰাণী বাবুৱে চাহাবে মোক মাতিছে বুলি কৈ নিজৰ কাগজ পত্ৰ লৈ চাহাবৰ কোঠাৰ পৰা ওলাই আহিল।

ভিতৰত চাহাবক চেলাম দিয়াতেই মেজৰ ওচৰত থকা চকীত বহিবলৈ কৈ আমাৰ ল'ৰা ছোৱালী কেইটা, বোঁ আছেনে নাই, দেউতা কেতিয়া ঢুকাল ইত্যাদি কথা সুধিবলৈ ধৰিলে আৰু চাহাবে ক'লে যে মোৰ দেউতাক হেনো তেওঁ বেছ ভালকৈ জানে তেওঁ প্ৰথমে বিলাতৰ পৰা বাগানৰ কাম কৰিবলৈ আহোঁতে প্ৰথমে চৈকটাতে কাম শিকে আৰু আমাৰ দেউতাই হেনো কাম বিলাকৰ দিহা বুদ্ধি দি তেওঁক কাম শিকাইছিল। চাহাবে তেতিয়া ক'লে যে বাগানৰ অৱস্থা ভাল নহয়—সঁচাই ১৯২২ চনত চাহ বাগানৰ অৱস্থা শোচনীয় আছিল—বেছি সহায় কৰিব নোৱাৰে, চিপমন চাহাবে যি মাহে ৬ কটা ৰূপ দিব খুজিছিল তাকে তেওঁ একেবাৰে কোম্পনীৰ নামত লগাই দিব আৰু মাহে কোম্পানীৰ পৰা মোলৈ পঠাই থাকিব। তেতিয়া কেৰাণী বাবুক মাতি নি ক'লে, 'এইটো দধিৰাম বাবুৰ ল'ৰা আছে, কলেজত পঢ়িবলৈ যাব,

আমাৰ কোম্পানীৰ পৰা প্ৰত্যেক মাহ ১/২ তাৰিখে ৬ টকা তাৰ নাম পঠাই দিবা।"*

চাহাবক চেলাম দি ওলাই আহিলোঁ। কেৰাণী বাবুৰ মুখ শেঁতা—তললৈ মুৰ কৰি ধমাধম কামত লাগিল। নিজৰ নহয়, নিজৰ ভাগৰ পৰা বা ঘৰৰ পৰা দিব নেলাগে, মাত্ৰ কাগজ এখন চাহাবৰ আগত দি এটা দুখীয়া ল'ৰাক সহায় কৰিব পাৰে সেই কেৰা দয়াৰ কাৰণে অন্তৰত ঠাই নথকা মানুহও আমাৰ সমাজত আছে।"

দুখীয়াৰ প্ৰতি দয়াৰ কাৰণে অন্তৰত অকণো ঠাই নথকা মানুহে, ব্ৰাহ্মণ বুলি শূদ্ৰিক ন্যায় নীচ কৰি ৰাখিবলৈ বিচৰা লোকে, ব্ৰাহ্মণৰ প্ৰতি হিংসা-দ্বেষ ৰখা বহু শূদ্ৰিবে, স্বধৰ্মীলোকৰ উপকাৰ কৰিবৰ কাৰণে আন ধৰ্মীলোকৰ প্ৰতি অন্যায় কৰা মুছলমান লোকে, দুখীয়ালোকক সদায় নীচ জ্ঞান কৰা চহকী লোকে আৰু আন বহু দুৰ্জনে যোৰহাটত আৰু অসমত সদায় অনাৰ্য্য আচৰণ, দুষ্কাৰ্য্য আৰু স্বাৰ্থান্বেষী দুৰভিসন্ধিৰ হাট মেলি আহিছে। শ্ৰীফণীধৰ দত্তই প্ৰায় গোটেই জীৱন সেইবিলাকৰ বিপক্ষে যুঁজ কৰি গ'ল। তেখেতৰ জীৱনৰ সেই সংগ্ৰামৰ কাৰণে তেখেতে সদায় সহায় পাইছিল শ্ৰীশৰৎচন্দ্ৰ গোস্বামী, শ্ৰীমাধৱ ভট্টাচাৰ্য্য, শ্ৰীপুৰন্দৰ শৰ্মা, শ্ৰীসুৰেন বুঢ়া গোঁহাই আদিৰ দৰে অৰ্থাৎ সংস্কৃতিয়ে যথাৰ্থতে অন্তৰাত্মা বিকশিত কৰা আৰু শ্ৰীজেহিৰুদ্দিন আহমদ, চিলমন চাহাব, ওলাৰ্ড চাহাব, শ্ৰীমুহিবুলা আদিৰ দৰে খৃষ্ট বা মুছলমান ধৰ্মৰ মানবীয় সংস্কৃতিয়ে যথাৰ্থতে স্পৰ্শ কৰা লোকসকলৰ পৰা। এই সাধু সন্তসকলেও তেওঁলোকৰ সজ চিন্তা, সজ আদৰ্শ আৰু সজ কৰ্মৰ হাট মেলিছিল যোৰহাটতেই।

---

* টোকা: "পিছত মাহে এই ৬ টকা কপ মই ১৯২৯ চনত ল' পঢ়া সাং নকৰালৈকে পাই আছিলোঁ। যোৰহাট কোম্পানীৰ এই সাহায্যৰ কথা মই কেতিয়াও পাহৰিব নোৱাৰোঁ।" [ ফণীধৰ দত্ত ]

ওপৰত উল্লিখিত হাট দুখনৰ কোনখনত যোৰহটীয়া বাইজে বেহা-বেপাৰ কৰিব তাক বলোৰাম আৰু শ্ৰীফণীধৰ দত্তৰ জীৱন কাহিনীয়ে স্পষ্ট কৰিছে। অৱশ্যে যোৰহাট কোনো ব্যতিক্ৰম নহয়। এনে দুখন হাট সকলো ঠাইতেই সকলো সমাজতেই বিৰাজ কৰিছে। আহোমৰ দিনৰ পাইক বলোৰাম আৰু অসাধাৰণ গুণসম্পন্ন তেওঁৰ নাতি উপাচাৰ্য্য শ্ৰীফণীধৰ দত্তই যোৰহাটতে জন্ম গ্ৰহণ কৰি যাইকৈ যোৰহাটতে জীৱন নাটৰ ভাও কৰি যোৱাৰ কাৰণে আমি যোৰহাটতে দৃষ্টিপাত কৰিবলৈ বাধ্য হ'লোঁ।

# আলোক-চিত্ৰ

| ফটো নং | বিষয় |
|---|---|
| ১। | ফণীধৰ দত্ত ১৯২৬ চনত |
| ২। | ফণীধৰ দত্ত ( বাওঁপিনৰ পৰা দ্বিতীয়জন ) তেখেতৰ অন্তৰংগ বন্ধু ডঃ মহেন্দ্ৰ শৰ্মা ( বাঁওপিনৰ পৰা শেষৰজন ), দুজন বন্ধু আৰু তেওঁলোকে ব্ৰিজ খেলাত জয়লাভ কৰা বটা ( ১৯৩৩ চন মানত ) |
| ৩। | উজান বজাৰ ২য় যুদ্ধৰ দিনৰ ছাত্ৰাবাসৰ কেইজনমান ছাত্ৰৰ সৈতে ফণীধৰ দত্ত ( বহি থকা মাজৰজন—ফটোখন সম্ভৱ ১৯৪৫ চনৰ )। তেখেতৰ সোঁহাতে এই লেখক |
| ৪। | গুৱাহাটীৰ উমানন্দত—১৯৪৭ চন মানত। ( বাঁওপিনৰ পৰা ) ফণীধৰ দত্ত, লেখক, ফণীধৰ দত্তৰ মাক আৰু শান্তা |
| ৫। | গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম সমাবৰ্তন ( ৩ জানুৱাৰী, ১৯৫১ ) উৎসৱৰ তোৰণ |
| ৬। | গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম সমাবৰ্তনত ডঃ ৰাধাকৃষ্ণন, কৃষ্ণকান্ত সন্দিকৈ আৰু তেওঁলোক দুয়োৰে মাজত ফণীধৰ দত্তৰ হাঁহিমুখ |
| ৭। | গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম সমাবৰ্তনৰ শোভাযাত্ৰাক আগুৱাই নিছে ফণীধৰ দত্তই ( সমুখত )। তেখেতৰ পিছত ৰাজ্যপাল জয়ৰামদাস দৌলতৰাম, তাৰ পিছত সম্পূৰ্ণকৈ ওলোৱাজন ডঃ বাণীকান্ত কাকতী, কাকতীৰ বাঁও কান্ধৰ পিনে ডঃ সূৰ্য্যকুমাৰ ভূঞাক দেখা গৈছে |
| ৮। | গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিজ্ঞান ভৱন উদ্বোধন কৰিবৰ দিনাখন ( ২৯ আগষ্ট, ১৯৫৫ ) জৱাহৰলাল নেহৰুৰ লগত ফণীধৰ দত্ত |
| ৯। | গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বিতীয় সমাবৰ্তন উৎসৱত (৩১ জানুৱাৰি, ১৯৫৫) ফণীধৰ দত্ত ( আগত ), ৰামস্বামী মুদালিয়াৰ ( মাজত ) আৰু সন্দিকৈ |
| ১০। | ১৯৬১ চনত দ্বিতীয়া কন্যা শান্তাৰ ( মাজত ) বিয়াৰ দিনাখন ফণীধৰ দত্ত আৰু তেখেতৰ পত্নী ৰত্নেশ্বৰী দত্ত |
| ১১। | উপাচাৰ্য্য ফণীধৰ দত্ত ( ১৯৬২ চন ) |



(1)



(2)



(3)



(4)





( 6 )



(7)



(8)



(9)



(10)



( 11 )